মন আকাশৰ অচিন দিগন্ত

ডাঃ হৰনাথ শৰ্ম্মা বৰদলৈ

DIRECTORATE OF LIBRARY SERVICES • ASSAM, GUWAHATI •

মিত্ৰ এজেঞ্চি এণ্ড কোং
তিনিচুকীয়া : অসম

Mon-Akashar Achin Diganta : A brief survey of the field of modern thougths pertaining to psychology, para-psychology and allied topics written in Assamese language by Dr. Haranath Sarma Bordoloi, Nowgong and Published by Sri Narendra Nath Das, on behalf of M/s. Mitra Agency & Co., Tinsukia, Assam.

First Edition : 1986 ; **Price : Rupees Twenty Seven only.**

প্ৰথম প্ৰকাশ : ১৯৮৬ চন

বেচ—সাতাইশ টকা

তিনিচুকীয়াৰ 'মিত্ৰ এজেঞ্চি এণ্ড কোং'-ৰ মুখ্য কৰ্মাধ্যক্ষ শ্ৰীনৰেন্দ্ৰ নাথ দাসৰ তত্ত্বাৱধানত প্ৰকাশিত আৰু কলিকতাৰ ভাস্কৰ প্ৰিণ্টাৰ্চ, ৮৩বি, বিবেকানন্দ ৰোডৰ শ্ৰীৰণজিৎ কুমাৰ সামুইৰ দ্বাৰা মুদ্ৰিত। প্ৰচ্ছদ-পট : গণেশ বসু, কলিকতা।

লিখকৰ দুআষাৰ

বহুতে এইবুলি আক্ষেপ কৰা শুনা যায় যে অসমীয়া সাহিত্যত গল্প, উপন্যাস, কবিতা আৰু সাহিত্য-সংস্কৃতি বিষয়ক আলোচনামূলক গ্ৰন্থৰ তিমান অভাৱ না-থাকিলেও শিক্ষিত সৰ্ব্বসাধাৰণ পঢ়ুৱৈয়ে পঢ়ি সোৱাদ পাব পৰা বিজ্ঞান, দৰ্শন আদি তত্ত্বগধুৰ বিষয়ৰ আলোচনামূলক ৰচনাৰ একান্ত অভাৱ। পিছে তেনেবিধ গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিবলৈহে কোনো লিখক সততাই আগবাঢ়িব নোখোজে। বিশেষকৈ মনস্তত্ত্ব বিষয়টোক লৈ ৰচনা কৰা আলোচনা-মূলক গ্ৰন্থ অসমীয়া সাহিত্যত নাই বুলিয়ে ক'ব পাৰি। সেয়েহে আগ-পিছ গুণি আৰু নিজৰ যোগ্যতা সম্পৰ্কে মনত সন্দেহ থকা সত্বেও 'মন আকাশৰ অচিন দিগন্ত' নামৰ এই পুথিখনি অসমীয়া পঢ়ুৱৈসকলৰ উদ্দেশ্যে আগবঢ়ালো'।

এই লিখকৰ প্ৰথম ৰচনা 'চেতনা আৰু অৱচেতনা'ৰ (১৯৬৮) দৰেই "মন আকাশৰ অচিন দিগন্ত"ও কোনো গৱেষণামূলক গ্ৰন্থ নহয়। ই মনস্তত্ত্ব বিষয়ক এটা পৰ্য্যালোচনা মাথোন। উদ্দেশ্য হৈছে মনস্তত্ত্ব বিষয়ক শেহতীয়া আৱিস্কাৰ আৰু ধ্যান-ধাৰণাৰ সৈতে অসমীয়া পঢ়ুৱৈসকলক চিনাকি কৰি দিয়াৰ লগতে মনস্তত্ত্ব বিষয়টোক লৈ চিন্তা-চৰ্চা কৰিবলৈ তেওঁলোকক প্ৰেৰণা যোগোৱা।

যিসকল গ্ৰন্থকাৰৰ ৰচনাৰপৰা কিতাপখনৰ কাৰণে তথ্য-পাতি সংগ্ৰহ কৰা হৈছে, চাইসকললৈ লিখকৰ সশ্ৰদ্ধ কৃতজ্ঞতা থাকিল। লগতে নগাঁও মহাবিদ্যালয়ৰ অসমীয়া সাহিত্যৰ অধ্যাপক শ্ৰীসৰ্ব্বেশ্বৰ ৰাজগুৰু এম্. এ., ডি-ফিল. ডাঙৰীয়াই কিতাপখন ৰচনাৰ ক্ষেত্ৰত লিখকক ভালেখিনি দিহা-পৰামৰ্শ দিয়াৰ উপৰিও কিতাপখনৰ চমু পৰিচয় এটা পঢ়ুৱৈসকললৈ আগবঢ়োৱা কাৰণে তেখেতৰ প্ৰতিও আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা আগবঢ়ালো'। প্ৰকাশক শ্ৰীযুত নৰেন্দ্ৰ নাথ দাস ডাঙৰীয়াৰ কথা উল্লেখ নকৰিলোঁৱেইবা।

নগাওঁ, অসম — বিনীত

২৩ মাৰ্চ, ১৯৮৫ চন — হৰনাথ শৰ্ম্মা বৰদলৈ

কি কি আছে

আগকথা……ড. সৰ্বেশ্বৰ ৰাজগুৰু, এম. এ., ডি-ফিল.

১ আত্মানং বিদ্ধি
৩০ দেহ-মন আৰু চেতনা
৫১ জৈৱিক মন
৬৩ সমষ্টিগত অৱচেতনাত কি আছে ?
১০২ স্বপ্ন-জগৎ
১৩৪ মন আকাশৰ অচিন দিগন্ত
১৭৪ মৃত্যুৰ পিছত কি ?
১৯৭ সামৰণি
২০৭ ওপৰঞ্চি

একে লিখকের অন্যান্য রচনা ঃ

চেতনা আর অবচেতনা
সমাজ সমীক্ষা ঃ অনাচার আর অপরাধ (অনুবাদ)
যৌন জীবন

আগ-কথা

মানুহৰ জীৱনক লৈয়ে সাহিত্য। সাহিত্যত ব্যক্তি আৰু সমাজ-জীৱনৰ বিভিন্ন দিশ আৰু বিভিন্ন সমস্যাৰ প্ৰতিফলন ঘটে। এটা জাতিৰ ভাষা আৰু সাহিত্যলৈ চায়েই বৌদ্ধিক ক্ষেত্ৰত সেই জাতিটো কিমান আগবঢ়া তাক অনুমান কৰিব পাৰি। সাহিত্যই যিমানে সৰহ বিষয়-বস্তু সামৰি ল'ব পাৰে সাহিত্যও তিমানে উন্নত বা সমৃদ্ধিশালী হৈ উঠে। সেই হিচাপে ক'বলৈ গ'লে অসমীয়া সাহিত্যৰ অৱস্থা এতিয়াও পুতৌ লগা। অসমীয়া সাহিত্যত বাৰু কিমানটা বিষয়ৰ কিতাপ আছে? অসমীয়া সাহিত্য বুলিলে কেইশমান গল্প, উপন্যাস আৰু কবিতাৰ কিতাপ, নগণ্য সংখ্যক নাটক, কিছু সংখ্যক জীৱনী বা আত্মজীৱনী, কিছু সংখ্যক ধৰ্ম্মগ্ৰন্থ আৰু কেই ডজনমান ভাষা-সংস্কৃতি বিষয়ক আলোচনা-বিলোচনা থকা কিতাপৰ কথাহে আমাৰ মনলৈ আহে। কিন্তু আজিৰ যুগৰ শিক্ষিত ডেকা-গাভৰুৰ মনৰ চাহিদা পূৰণ কৰিবৰ কাৰণে এইখিনিয়েই যথেষ্ট নে? অকল এইখিনি সম্পদক লৈয়ে এটা সাহিত্য সমৃদ্ধিশালী হ'ব পাৰে নে? নে 'আমি অসমীয়া নহও দুখীয়া' বুলি অতীতৰ গৌৰৱ বখানি থাকিলেই আমাৰ ভাষা আৰু সাহিত্য চহকী হৈ উঠিব? দুখৰ বিষয় যে কলেজ আৰু বিশ্ববিদ্যালয়ৰ পাঠ্য-পুথি কেইখনৰ কথা বাদ দিলে বিজ্ঞান, দৰ্শন, অৰ্থনীতি, ৰাজনীতি, নৃতত্ব, মনস্তত্ব আদি তত্বগধুৰ বিষয়ক লৈ ৰচনা কৰা আৰু শিক্ষিত সৰ্ব্বসাধাৰণ লোকে পঢ়ি বুজিব আৰু সোৱাদ পাব পৰা আলোচনামূলক গ্ৰন্থ অসমীয়া সাহিত্যত এতিয়াও বিৰল।

অৱশ্যে তত্বগধুৰ ৰচনাৰ ক্ষেত্ৰত অসমীয়া সাহিত্যৰ অনগ্ৰসৰতাৰ কাৰণ নথকাও নহয়। সৰ্ব্বসাধাৰণ শিক্ষিত লোকে পঢ়ি বুজিব আৰু সোৱাদ পাব পৰাকৈ বিজ্ঞান, দৰ্শন আদি বিষয়ৰ সাহিত্য ৰচিবলৈ হ'লে আলোচ্য বিষয়টোত লিখকজনৰ গভীৰ জ্ঞান থকাৰ লগতে সাহিত্যৰ অন্যান্য দিশৰ লগতো তেওঁৰ ভাল পৰিচয় থাকিব লাগিব। ভাষাৰ ওপৰতো দখল থাকিব লাগিব। অন্যথা শ্ৰুতিকটু পাৰিভাষিক শব্দ কিছুমান ব্যৱহাৰ কৰি সৰ্ব্বসাধাৰণ শিক্ষিত পঢ়ুৱৈৰ কাৰণে এনে সাহিত্য ৰচনা কৰিবলৈ গ'লে সেই সাহিত্য জ্ঞান-সমৃদ্ধ হ'লেও সি পঢ়ুৱৈৰ কাৰণে মনোগ্ৰাহী সাহিত্য হ'ব নোৱাৰে। গতিকে তেনেবিধ কিতাপ কলেজ বা বিশ্ববিদ্যালয়ৰ পাঠ্যতালিকাৰ অন্তৰ্ভুক্ত নহ'লে বিক্ৰীৰ অভাৱত লোকচান ভৰাৰ ভয়ত তেনেবিলাক কিতাপ প্ৰকাশ কৰিবলৈ কোনো প্ৰকাশক সতকাই আগবাঢ়িব নোখোজে। চৰকাৰী প্ৰকাশন পৰিষদৰ কথা নোকোৱাই ভাল। কাৰণ প্ৰকাশৰ কাৰণে পাণ্ডুলিপি গৃহীত হ'লেও সি কোনকালত কিতাপ হৈ ওলাব তাৰ একো নিশ্চয়তা নাই।

ইমানখিনি বাধা-বিঘিনি সত্ত্বেও ডাঃ হৰনাথ শৰ্ম্মা বৰদলৈ দেৱে "মন আকাশৰ অচিন দিগন্ত" নামৰ আলোচনামূলক পুথিখনি অসমীয়া পঢ়ুৱৈসকললৈ আগবঢ়োৱাটো সন্তোষৰ কথা। কবিতা কবিতা লগা নামটো পঢ়ি চায়েই পঢ়ুৱৈসকলে অনুমান কৰিব পাৰিব যে কিতাপখনত থাইকৈ মানুহৰ মনৰ অজ্ঞাত দিশটোৰ বিষয়েহে আলোচনা কৰা হৈছে। ডাঃ শৰ্ম্মা বৰদলৈ অসমীয়া আলোচনীৰ পঢ়ুৱৈসকলৰ অচিনাকি নাম নহয়। ক'বলৈ গ'লে মনস্তত্ত্ব বিষয়টোক লৈ প্ৰবন্ধ-পাতি লিখা পুৰণি-চাম সাহিত্যিকৰ ভিতৰত ডাঃ হৰনাথ শৰ্ম্মা বৰদলৈয়েই একমাত্ৰ লিখক যি তিনি দশকৰো ওপৰ কাল এৰা-ধৰাকৈ হ'লেও মনস্তত্ত্ব বিষয়টোৰ চিন্তা-চৰ্চাত লাগি আছে আৰু সেই যুগৰ আৱাহন, বামধেনু, পছোৱা, মণিকূট আদি জনপ্ৰিয় অসমীয়া আলোচনীবিলাকলৈ মাজে মাজে প্ৰবন্ধ-পাতি যোগান ধৰাৰ উপৰিও "চেতনা আৰু অবচেতনা," "সমাজ সমীক্ষা ঃ অনাচাৰ আৰু অপৰাধ" (অনুবাদ), "যৌন জীৱন" আদি মনস্তত্ত্ব বিষয়ক গ্ৰন্থ ৰচনাৰ দ্বাৰা অসমীয়া সাহিত্যলৈ যথাসাধ্য অৰিহণা যোগাই আহিছে। "মন আকাশৰ অচিন দিগন্ত" ডাঃ শৰ্ম্মা বৰদলৈৰ শেহতীয়া সাহিত্য প্ৰয়াস।

ডাঃ হৰনাথ শৰ্ম্মা বৰদলৈ নিজে এজন চিকিৎসক হোৱাৰ কাৰণে চিকিৎসা মনস্তত্ত্ব (Medical Psychology) তেখেতে সহজে ঢুকি পোৱা বিষয়। মনঃসমীক্ষণ বা চাইকো-এনালিচিচ্ মানসিক ৰোগ-চিকিৎসাৰ এটা বিশিষ্ট কৌশল। সেয়ে প্ৰথম অৱস্থাত ডাঃ শৰ্ম্মা বৰদলৈয়ে ডাঃ ফ্ৰয়েড, ডাঃ ইয়ুং আৰু ডাঃ এড্‌লাৰৰ দ্বাৰা আৱিষ্কৃত মনস্তত্ত্ব বিষয়ক তথ্য-পাতিসমূহৰ আলোচনা-বিলোচনাৰেই সাহিত্য চৰ্চ্চাৰ পাতনি মেলিছিল। এতিয়া বয়স হ'লত ডাঃ শৰ্ম্মা বৰদলৈ বিখ্যাত ভাৰতীয় চিন্তা-নায়ক জিড্ডু কৃষ্ণমূৰ্ত্তিৰ মতবাদৰ প্ৰতি কিছু আকৃষ্ট হৈ পৰা যেন দেখা গৈছে। জিড্ডু কৃষ্ণমূৰ্ত্তিয়ে অৱশ্যে ডাঃ ফ্ৰয়েড বা ডাঃ এড্‌লাৰৰ দৰে কোনো মনস্তাত্ত্বিক 'থিয়ৰী' দাঙি ধৰা নাই। তেও' বিশ্ববিদ্যালয়ৰ মনস্তত্ত্ব বিষয়ৰ অধ্যাপকো নাছিল। তথাপি পাশ্চাত্য দেশত তেখেতৰ অনুগামীৰ সংখ্যা নিতান্ত তাকৰ নহয়। আলদুচ্ হাক্সলী, এলেন ওৱাট্ প্ৰমুখ্যে বহুতো বুদ্ধিজীৱীৰ চিন্তাত কৃষ্ণমূৰ্ত্তিৰ চিন্তাধাৰাৰ প্ৰভাৱ সুস্পষ্ট। নিজৰ মনটোক জানিবলৈ যিসকল লোক একান্ত আগ্ৰহশীল, তেও'লোকে কৃষ্ণমূৰ্ত্তিৰ নিশ্চেষ্ট মনঃসংযোগ কৌশল (Effortless attention) অৱলম্বন কৰি নিজ মনৰ গতিবিধি নিৰীক্ষণ কৰিব পাৰে।

সৰ্ব্বসাধাৰণ শিক্ষিত পঢ়ুৱৈৰ মনৰ চাহিদা পূৰণ কৰিবৰ উদ্দেশ্যে ৰচনা কৰা এই কিতাপখন ডাঃ ফ্ৰয়েডৰ চেক্স থিয়ৰীৰ চৰ্ব্বিত চৰ্ব্বণ নহয়। এই কিতাপখনত ডাঃ শৰ্ম্মা বৰদলৈয়ে এটা বহল দৃষ্টিকোণৰপৰা মানুহৰ মনৰ ঘটনাৱলী নিৰীক্ষণ কৰিবলৈ চেষ্টা কৰিছে। তেখেতে দেখুৱাবলৈ চেষ্টা কৰিছে যে মানুহৰ মন মানৱ-জাতিৰ জীৱনেতিহাসৰ সমানে পুৰণি, হয়তো তাতোকৈয়ো বেছি পুৰণি। কাৰণ 'যঃ বৈ প্ৰাণঃ সা প্ৰজ্ঞা' হিন্দু শাস্ত্ৰকাৰসকলৰ এই উক্তি সত্য বুলি মানি ল'লে আমি ধৰিব লাগিব যে 'যেতিয়াৰেপৰা পৃথিৱীৰ জড় অণু-পৰমাণুৰ বুকুত প্ৰাণৰ স্পন্দন

জাগি উঠিল, মনৰ কাৰ্য্যবো তেতিয়াৰেপৰা সূচনা হৈ পৰিল। সেই মনে আজিৰ মনৰ দৰে প্ৰখৰ চেতনাৰূপে আত্মপ্ৰকাশ কৰিব নোৱাৰিছিল। সি আত্মপ্ৰকাশ কৰিছিল জীৱন্ত প্ৰাণীৰ শৰীৰৰ কোষবিলাকৰ উদ্দেশ্যধৰ্ম্মী আচৰণ স্বৰূপে। মাতৃ-গৰ্ভত স্থিতি লোৱা দিনৰেপৰা এনে উদ্দেশ্যধৰ্ম্মী আচৰণ স্বৰূপে ব্যক্ত হৈ পৰা এই মনক আত্মবোধশূন্য আদিম অখণ্ড চৈতন্য (Undifferentiated primordial consciousness unconscious of itself) বুলি কোৱা হয়। ডাঃ শৰ্ম্মা বৰদলৈয়ে তাকে জৈৱিক মন বা জৈৱিক প্ৰজ্ঞা বুলি অভিহিত কৰিছে। গতিকে মানুহৰ মানসিক জীৱনৰ বয়সৰ তুলনাত অহংবোধ বা 'মই' বোলা বিচিত্ৰ সত্তাটোৰ আৱিৰ্ভাৱ সৌ সিদিনাৰ ঘটনা বুলিয়ে ক'ব পাৰি। আকৌ মনৰ সীমাহীন বিস্তৃতিৰ তুলনাত অহংবোধৰ স্থিতি সিন্ধুৰ বুকুত বিন্দুৰ স্থিতিৰ নিচিনা।

তদুপৰি আমাৰ অহংবোধ কোনো শাশ্বত সত্তা নহয়। ই মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ এখন বিৰাট ক্ষেত্ৰৰ নিচিনাহে। অহংবোধ বা 'মই' ভাবটো আমাৰ তেজ-মঙহৰ শৰীৰটোৰ সৈতে একাত্মিভূত হৈ পৰা কাৰণেহে ই শৰীৰটোৰ হুবহু প্ৰতিকৃতি আৰু একক সত্তাৰূপে প্ৰতীয়মান হৈ পৰে। আকৌ অহংবোধ আৰু চেতনা অভিন্ন যেন লাগিলেও অহংবোধৰ এটা অজ্ঞাত দিশে নিৰ্জ্ঞান সত্তা হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰি থাকে।

জীৱতত্ত্ববিদসকলে কয় যে জীৱনৰ আদিম পুৱাতে আমি আজিৰ যুগৰ এমিবাৰ (Amœba) দৰে এককোষী প্ৰাণীহে আছিলোঁ। ক্ৰমবিকাশৰ সোঁতেৰে আগুৱাই আহি আজি আমি মানুহত পৰিণত হৈছোঁ। ডাঃ শৰ্ম্মা বৰদলৈয়ে জৈৱিক ক্ৰমবিকাশৰ দৃষ্টিকোণৰপৰা মানসিক ক্ৰমবিকাশৰ বিষয়ে আলোচনা কৰিছে। আজিও আমি এককোষী প্ৰাণসত্তা, অৰ্থাৎ জীৱাংকুৰ স্বৰূপেই মাতৃৰ গৰ্ভাশয়ত স্থিতি লাভ কৰোঁ আৰু জৈৱিক প্ৰজ্ঞাক সম্বল কৰিয়েই বিকাশৰ পথত অগ্ৰসৰ হওঁ। ডাঃ শৰ্ম্মা বৰদলৈয়ে ভাবে যে জীৱাংকুৰটোৰ বিকাশ পূৰ্ব্বপৰিকল্পিত। তাৰ শৰীৰৰ কোষবিলাকৰ যেন পূৰ্ব্বৰেপৰা জনা থাকে যে শৰীৰ নিৰ্ম্মাণত কোনটো কোষে কি ভূমিকা গ্ৰহণ কৰিব লাগিব।

নিৰ্জ্ঞান জৈৱিক প্ৰজ্ঞা স্বৰূপে সূচনা হোৱা মনটোৱে ক্ৰমবিকাশৰ সোঁতেৰে আগুৱাই আহি বৰ্ত্তমানৰ প্ৰখৰ চেতনাৰ স্তৰত উপনীত হওঁতে লাখ লাখ বছৰ সময়ৰ আৱশ্যক হৈছিল। জৈৱিক প্ৰজ্ঞাৰ কাৰ্য্য যেনেকৈ আজিও আমাৰ শৰীৰত নিৰৱচ্ছিন্নভাৱে চলি আছে, তেনেকৈ মানসিক ক্ৰমবিকাশৰ স্তৰে স্তৰে আহৰণ কৰা অভিজ্ঞতাৰ অজস্ৰ স্মৃতিও আমাৰ চেতনাৰ অন্তৰালত আজিও কাৰ্য্যৰত হৈ আছে। অৱশ্যে সিহঁত জীয়াই আছে নিৰ্জ্ঞান চিন্তা-সম্ভাৱনা, নিৰ্জ্ঞান সংস্কাৰ আৰু নিৰ্জ্ঞান প্ৰৱণতা স্বৰূপে। এই আদিম সংস্কাৰ আৰু নিৰ্জ্ঞান প্ৰৱণতাবিলাকক লৈয়ে আমাৰ সমষ্টিগত অৱচেতন মনটো (Collective Unconscious) গঢ়ি উঠিছে, যাৰ সুসংগঠিত বাস্তৱ জগতাভিমুখী দিশটোৱেই আমাৰ অহংবোধ বা 'মই'। আকৌ ৰিভিন্ন

যুগৰ সভ্যতা আৰু সংস্কৃতিৰ ছাপো এই সমষ্টিগত অৱচেতন মনৰ গৰ্ভত সংৰক্ষিত হৈ আছিছে। সমষ্টিগত অৱচেতনা সৃষ্টি-ক্ষমতাৰ উৎস। ইয়াৰ বস্তুত চিন্তা-সম্ভাৱনা স্বৰূপে লুকাই থকা অজস্ৰ ৰূপকথা আৰু পৌৰাণিক কাহিনীয়ে যুগে যুগে মানুহক মানস সৃষ্টিৰ প্ৰেৰণা যোগাই আহিছে।

এই আদিম প্ৰকৃতিবিশিষ্ট সমষ্টিগত অৱচেতন মনৰ ধ্যান-ধাৰণাই মাজে মাজে আমাৰ স্বপ্নবিলাকত উঁকি মাৰি যায়। স্বপ্নত আমাৰ চেতন মন আৰু অৱচেতন মন প্ৰায় একাকাৰ হৈ পৰে। ডাঃ শৰ্ম্মা বৰদলৈয়ে ভাবে যে স্বপ্নত প্ৰকাশ পোৱা মনটোহে মানুহৰ মনৰ আচল ৰূপ। জাগ্ৰত অৱস্থাত আমাৰ মনৰ এটা দিশে অৱচেতন মনৰপৰা ভাহি উঠা ভাব-চিন্তাবিলাকক আমি ক'ব নোৱাৰাকৈয়ে শুধৰাই থাকে কাৰণেহে আমাৰ সচেতন মনৰ চিন্তা-ভাবনাবিলাক শৃংখলাবদ্ধ আৰু বাস্তৱৰ জগত সঙ্গতিপূৰ্ণ যেন লাগে। তদুপৰি আমাৰ অহং বা সচেতন মনে নিজৰ প্ৰতিৰোধ ক্ষমতাৰ বলত সমষ্টিগত অৱচেতনাৰ গৰ্ভত লুকাই থকা আদিম প্ৰৱণতাবিলাকৰ মুক্ত প্ৰকাশত সততে বাধা দি থাকে। উন্মাদ ৰোগীৰ ক্ষেত্ৰত এই প্ৰতিৰোধ ক্ষমতাটো হেৰাই যোৱা কাৰণে উন্মাদ ৰোগীৰ সচেতন মনটো সমষ্টিগত অচেতন মনৰ কবলগ্ৰস্ত হৈ পৰে।

কিন্তু চেতনা আৰু অৱচেতনাই মানুহৰ মানসিক অস্তিত্বৰ সকলো দিশ সামৰি নলয়। কাৰণ জগতত এনে কিছুমান অতিপ্ৰাকৃতিক বা অদ্ভুত ঘটনা ঘটি থাকে, যাৰ আঁতি-গুৰি নিৰ্ণয় কৰিবলৈ চেষ্টা কৰিলে সচেতন মনৰ যুক্তিয়ে হাৰ মানিব লগাত পৰে। আকৌ ব্যক্তিগত আৰু সমষ্টিগত অৱচেতন মনতো বহু ক্ষেত্ৰত তেনেবিলাক ঘটনাৰ যুক্তিসঙ্গত কাৰণ বিচাৰি পোৱা নাযায়। টেলিপেথী, দিব্যদৰ্শন, দিব্যশ্ৰৱণ, আকস্মিক ছায়ামূৰ্ত্তি দৰ্শন আৰু স্বপ্নযোগে অনাগত ভৱিষ্যতৰ আগ-জাননী এনেবিলাক পৰামনস্তাত্বিক ঘটনা (Parapsychological Phenomena) তাৰে দৃষ্টান্ত। তাহানি শোণিতপুৰৰ উষাই দ্বাৰকাত থকা অনিৰুদ্ধ কোঁৱৰৰ লগত টেলিপেথী স্বৰূপে মানসিক সংযোগ স্থাপন কৰা বা কংসই ভনীয়েক দৈৱকীক ৰথত তুলি লৈ যাওঁতে দৈৱবাণী শুনাৰ কথা পৌৰাণিক আখ্যান-উপাখ্যানৰ পাঠক-সকলে নজনা নহয়। অৱশ্যে আজিকালি বহুতো তথাকথিত শিক্ষিত লোকে পৰা-মনস্তাত্বিক ঘটনাত বিশ্বাসী হোৱাটোকে অন্ধ সংস্কাৰ বুলি ক'ব খোজে। কিন্তু ছোভিয়েট ৰুচিয়া, আমেৰিকা আদি উন্নত পাশ্চাত্য দেশসমূহৰ পৰামনোবিজ্ঞানী-সকলে এনেবিলাক ঘটনাৰ বৈজ্ঞানিক গৱেষণাৰ ওপৰত যথেষ্ট গুৰুত্ব আৰোপ কৰিছে আৰু আন নহ'লেও টেলিপেথী আৰু টেলিকাইনেচিচৰ দৰে ঘটনা কিছুমানৰ যে দৈহিক ভিত্তি থাকে, সেই বিষয়ে সেই দেশৰ বিজ্ঞানীসকল একৰকম সুনিশ্চিত হৈ পৰিছে। পৰামনোবিজ্ঞানীসকলে ভাবে যে সমষ্টিগত অৱচেতনাৰ সিফালেও মনৰ বিস্তৃতি থাকে, যিহক তেওঁলোকে Psi level of Psychical functioning বুলি অভিহিত কৰে। ডাঃ শৰ্ম্মা বৰদলৈয়ে তাক অৱচেতনাতীত মন বুলি অভিহিত কৰিছে। সমষ্টিগত অৱচেতনাৰ দৰে এই মনো নৈৰ্ব্যক্তিক। কাৰণ অৱচেতনাতীত

মানস স্তৰত অহংবোধ বা 'মই' বোলা সত্তাটোৰ অস্তিত্ব ঠাৱৰ কৰিব নোৱাৰি। আকৌ ইয়াক 'আল্ট্ৰাছাইকিক্' মনোলোক বুলিবও পাৰি।

ডাঃ শৰ্ম্মা বৰদলৈয়ে পাশ্চাত্য দেশৰ পৰামনোবিজ্ঞানীসকলে চলোৱা পৰীক্ষা-নিৰীক্ষা আৰু তেওঁলোকে আৱিস্কাৰ কৰা তথ্য-পাতি কিছুমানৰ ওপৰত ভিত্তি কৰি মানুহৰ মনৰ এই অজ্ঞাত দিশটোৰ ব্যাপক চিত্ৰ এটি পঢ়ুৱৈসকলৰ আগত দাঙি ধৰিবলৈ চেষ্টা কৰিছে। সম্ভৱস্থলত তেখেতে নিজৰ ব্যক্তিগত অভিজ্ঞতাকো আলোচনাত সামৰি লৈছে। নিজে দেখা এটা স্বপ্নত ডাঃ শৰ্ম্মা বৰদলৈয়ে নিজক দেহবিমুক্ত সত্তা হিচাপে দেখিবলৈ পোৱা ঘটনাটো (Out of the body experience) সঁচাকৈয়ে কৌতূহলোদ্দীপক। আমাৰ শাস্ত্ৰকাৰসকলেও জানো এইবুলি কোৱা নাই যে টোপনি অৱস্থাত আত্মাই স্থূল শৰীৰটো সাম্প্ৰতিকভাৱে ত্যাগ কৰি সূক্ষ্ম শৰীৰেৰে আবৃত হৈ সূক্ষ্ম মনোলোকত ভ্ৰমি ফুৰে ? এই স্বপ্নটো দেখাৰ পিছদিনাই ডাঃ শৰ্ম্মা বৰদলৈয়ে স্বপ্নটোৰ কথা এই লিখকৰ আগত ব্যক্ত কৰিছিল। কিন্তু তেখেতে স্বপ্নটোক এটা ইচ্ছাপৰিপূৰণসূচক স্বপ্ন বুলিহে ভাবে, ভৱিষ্যদ্বাণী-সূচক স্বপ্ন বুলি নহয়। তেখেতে আৰু ভাবে যে যিহেতুকে মানুহৰ অৱচেতন মনে হুবহু সচেতন মনে কৰাৰ দৰে চিন্তা নকৰে, সেইহেতুকে কালৰ প্ৰকৃতি আৰু কাৰ্য্য-কাৰণৰ মাজৰ সম্পৰ্কৰ বিষয়ে আমি সৰুৰেপৰা নিজ মনত পোষণ কৰি অহা ধাৰণাৰ আমূল পৰিৱৰ্ত্তন সাধিব নোৱাৰিলে টেলিপেথী আৰু ভৱিষ্যদ্বাণীসূচক স্বপ্নৰ দৰে পৰামনস্তাত্বিক ঘটনাবিলাকক ভালদৰে বুজি উঠা আমাৰ কাৰণে সম্ভৱ হ'ব নোৱাৰে। কাৰণ আমাৰ সচেতন মন গতিশীল কালত বাস কৰিলেও অৱচেতন আৰু অৱচেতনাতীত মন গতিশূন্য আৰু অখণ্ড চিৰবৰ্ত্তমান কালতহে বাস কৰে।

সৰ্ব্বশেষত পৰলোকৰ কথালৈ অহা হওক। আলোচ্য গ্ৰন্থখনৰ 'মৃত্যুৰ পাছত কি ?' এই ৰচনাত ডাঃ শৰ্ম্মা বৰদলৈয়ে বিদেহী আত্মাৰ অস্তিত্ব স্বীকাৰ কৰিছে। আকৌ কিতাপখনৰ আৰম্ভণিতে তেখেতে লিখিছে যে দিন-ৰাতি বা আন্ধাৰ-পোহৰৰ বিৱৰ্ত্তনে কালপ্ৰবাহত যেনেকৈ ছেদ বা ব্যৱধানৰ সৃষ্টি কৰিব নোৱাৰে, তেনেদৰে জন্ম আৰু মৃত্যুৰ দৰে ঘটনায়ো আত্মিক জীৱনৰ অখণ্ড প্ৰবাহত ছেদ বা ব্যৱধানৰ সৃষ্টি কৰিব নোৱাৰে। বিশ্বব্ৰহ্মাণ্ড অনাদি অনন্ত, সুতৰাং বহু মাত্ৰিক—multidimensional. গতিকে সেই হিচাপে চেতনাৰ প্ৰকাশো বহুমুখী হোৱাই সম্ভৱ। আনকি আমাৰ ২৪ ঘণ্টীয়া দৈনন্দিন জীৱনতো আমি জাগ্ৰত চেতনা, স্বপ্ন চেতনা আৰু সুষুপ্তিৰ দৰে চেতনাৰ বিভিন্ন অৱস্থাৰ মাজেৰে কালাতিবাহিত নকৰো জানো ? আধ্যাত্মবাদীসকলে কয় যে আমি একে সময়তে সপ্তলোকত বাস কৰো। সেই সপ্তলোক হৈছে ভূঃ, ভুবঃ, স্বঃ, তপঃ, মহঃ, জনঃ আৰু সত্যলোক। মনস্তত্বৰ দৃষ্টিকোণৰপৰা বিচাৰ কৰিলে সপ্তলোক মানসিক অস্তিত্বৰ সাতোটা পৰ্য্যায় বা সাতোটা বিভিন্ন অৱস্থা (Psychical Dimensions) ৰূপে প্ৰতীয়মান হয়। বৰ্ত্তমানে আমি তিনি মাত্ৰাবিশিষ্ট পাৰ্থিৱ স্তৰৰ অধিবাসী। সেই তিনিটা

মাত্ৰাক দৈৰ্ঘ্য, প্ৰস্থ আৰু ঘনত্ব বুলি কোৱা হয়। মনৰ দীঘ, পুতল আৰু ঘনত্ব নাথাকে। গতিকে ই একমাত্ৰিক।

পাৰলৌকিক জীৱন সম্পৰ্কীয় আলোচনাত ডাঃ শৰ্মা বৰদলৈয়ে যাইকৈ বেদান্ত-শাস্ত্ৰৰ মতৰ অনুসৰণ কৰা দেখা গৈছে। তেখেতে ভাবে যে মনৰ উৎপত্তি, প্ৰকৃতি আৰু পাৰলৌকিক জীৱনৰ বিষয়ে উপনিষদ শাস্ত্ৰই আমাক যিখিনি কথা কৈ গৈছে কুৰিশতিকাৰ মনোৰীক্ষণতত্ত্ব আৰু পৰামনস্তত্ত্বই তাতকৈ বেলেগ বা তাতকৈ নতুন একো কথা কোৱা নাই। অতীজৰ ত্ৰিকালজ্ঞ আৰ্য্য ঋষিসকলে অন্তৰ্দৃষ্টিৰ সহায়ত পৰলোকৰ বিষয়ে যিবিলাক কথা জানিব পাৰিছিল, আজিৰ যুগৰ পেৰাচাইক'-লজিষ্ট্ সকলে বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা তাকে বস্তুগতভাৱে জানিবলৈ চেষ্টা কৰিছে। বেদান্ত শাস্ত্ৰত যি সূক্ষ্ম শৰীৰ বা লিঙ্গ শৰীৰৰ কথা কোৱা হৈছে, আজিৰ যুগৰ বিজ্ঞানীসকলে জীৱন্ত প্ৰাণীৰ স্থুল শৰীৰৰ অভ্যন্তৰত তাৰ অনুৰূপ শক্তিকণা-নিৰ্ম্মিত সূক্ষ্ম গাঁথনি এটাৰ অস্তিত্ব ধৰা পেলাবলৈ সক্ষম হৈছে আৰু তাক 'বায়োলজিকেল প্লাজ্মা বডি' (Biological Plasma Body) বুলি অভিহিত কৰিছে। মানুহৰ শৰীৰক আৱৰি থকা আলোক-চ্ছটা বা জ্যোতিমণ্ডল (Aurora) আজি কল্পনাৰ বস্তু হৈ থকা নাই। কাৰণ পৰীক্ষা-নিৰীক্ষাৰ দ্বাৰা জ্যোতিমণ্ডলৰ অস্তিত্বৰ বিষয়ে বিজ্ঞানীসকল একপ্ৰকাৰ সুনিশ্চিত হৈ পৰিছে।

তথাপি ডাঃ শৰ্মা বৰদলৈয়ে ভাবে যে পৰলোক আমাৰ স্বপ্নৰ দৰে এটা Psychical Reality মাথোন, যিহক বিষয়ীগত উপলব্ধি (Subjective experience) বুলিহে ক'ব পাৰি। কিন্তু স্বপ্ন একান্তভাৱে আমাৰ মনৰ সৃষ্টি হ'লেও স্বপ্ন দেখি থকা সময়খিনিত স্বপ্নৰ ঘটনাবিলাক যেনেকৈ বাহিৰৰ ঘটনা যেন লাগে, পৰলোকতো নিজৰ মনত সৃষ্টি হোৱা ঘটনাবিলাক তেনেকৈ বাহিৰৰ জগতৰ ঘটনাৰূপে প্ৰতীয়মান হৈ পৰে। গতিকে পৰলোকক মনোৰীক্ষণতত্ত্বৰ ভাষাত Psychic projection বুলি অভিহিত কৰিব পাৰি। তদুপৰি আমাৰ বিশ্বাস যে পৰলোকত স্বৰ্গভোগ, নৰকভোগ এইবিলাক আমাৰ মনৰে বিভিন্ন অৱস্থা মাথোন। গতিকে পাৰ্থিৱ জীৱনৰ অভিজ্ঞতাৰে পৰিপুষ্ট মন এটাৰে পৰলোকক বুজিবলৈ চেষ্টা কৰি পাৰলৌকিক জীৱনক পাৰ্থিৱ জীৱনৰ আৰ্হিত আমি কল্পনা কৰি ল'লে নিশ্চয় ভুল কৰা হ'ব।

মুঠতে 'মন আকাশৰ অচিন দিগন্ত' নামৰ আলোচ্য গ্ৰন্থখনত গ্ৰন্থকাৰ ডাঃ হৰনাথ শৰ্মা বৰদলৈয়ে পাশ্চাত্যৰ মনোবিজ্ঞান, স্পিৰিচুয়েলিজিম্ আৰু ভাৰতৰ মনোদৰ্শনৰ মাজত সমন্বয় এটা গঢ়ি তুলিবলৈ যথাসাধ্য চেষ্টা কৰিছে আৰু বহুক্ষেত্ৰত তেখেত কৃতকাৰ্য্য হোৱাও দেখা গৈছে। তেওঁ এটা নিৰাসক্ত আৰু নিৰপেক্ষ দৃষ্টিভঙ্গীৰে মানুহৰ মনটোক নিৰীক্ষণ কৰিবলৈ চেষ্টা কৰিছে। মনস্তত্ত্বক একালত চেতনা বিজ্ঞান (Science of Consciousness) বুলি অভিহিত কৰা হৈছিল। পিছলৈ তাক অভিহিত কৰা হৈছিল আচৰণ বিজ্ঞান (Science of behaviour) বুলি। গ্ৰন্থকাৰ ডাঃ শৰ্মা বৰদলৈৰ মতে ইয়াৰ কোনোটোৱে মনস্তত্ত্বৰ উদ্দেশ্যৰ কথা সম্পূৰ্ণকৈ প্ৰকাশ কৰিব নোৱাৰে। কাৰণ আজি এইটো আমি ভালদৰেই জানো যে

আমাৰ মনৰ প্ৰায় তিনি-চতুৰ্থাংশই ঘোৰ অচৈতন্য অন্ধকাৰত নিমজ্জিত হৈ থাকে। গতিকে মনস্তত্ত্বক চেতনা বিজ্ঞান বুলি অভিহিত কৰা হ'লে চেতনাৰ আঁৰত লুকাই থকা বিশাল অচেতন মনোজগতখনৰ কথা সম্পূৰ্ণ বাদ পৰি যায়। আনহাতে মনস্তত্ত্বক আচৰণ বিজ্ঞান বুলি অভিহিত কৰিলে মনৰ অস্তিত্বকে অস্বীকাৰ কৰাৰ নিচিনা হয়। আচৰণবাদৰ উদ্বোধক-প্ৰতিক্ৰিয়া সূত্ৰৰ (Stimulas-Response formula) সহায়ত মনোলোকৰ ৰহস্য উদ্ঘাটন কৰিব নোৱাৰি। নিজৰ মনটোক জানিবৰ কাৰণে আটাইতকৈ সহজ উপায় হৈছে জিড্ডু কৃষ্ণমূৰ্ত্তিয়ে কোৱা নিষ্ক্ৰিয় সচেতনতা (Passive awareness) বা নিশ্চেষ্ট মনঃসংযোগ (Effortless attention)। আকৌ তথাকথিত একাডেমিক চাইক'লজীৰ (Academic Psychology) কিতাপ পঢ়ি মনক জানিবলৈ চেষ্টা কৰা আৰু পৰ্ব্বতত কাছ-কণী বিচৰা একে কথা।

সামৰণিত ক'ব লাগিব যে ডাঃ হৰনাথ শৰ্ম্মা বৰদলৈয়ে ৰচনা কৰা 'মন আকাশৰ অচিন দিগন্ত' নামৰ কিতাপখন অসমীয়া সাহিত্যলৈ এটি অনুপম অৰিহণা। মনৰ বিভিন্ন দিশৰ সৈতে পঢ়ুৱৈসকলক চিনাকি কৰি দিবৰ কাৰণে গ্ৰন্থকাৰে যত্নৰ ত্ৰুটি কৰা নাই। গ্ৰন্থপঞ্জী আৰু পাদটীকাত দিয়া উদ্ধৃতিয়ে কিতাপখনৰ মানদণ্ড উন্নত কৰিছে আৰু পঢ়ুৱৈসকলক মূল গ্ৰন্থৰ সন্ধান দিছে। মনস্তত্ত্ব আৰু বিজ্ঞানৰ লগত বিশেষ পৰিচয় নথকা সৰ্ব্বসাধাৰণ পঢ়ুৱৈয়েও কিতাপখন পঢ়ি মনৰ বিষয়ে বহুখিনি কথা জানিব পাৰিব। মনস্তত্ত্ব এটা জটিল ভাবাত্মক আৰু বিতৰ্কমূলক বিষয়, গতিকে আলোচ্য বিষয়ত যে মতভেদ নাথাকিব সেইটো হ'ব নোৱাৰে। ধৰ্ম্ম, আত্মা, ঈশ্বৰ এনেবিলাক বিষয়ৰ আলোচনাত মতভেদ আগতেও আছিল আৰু আগলৈকো থাকিব। তথাপিও ক'ব লাগিব যে পাৰিভাষিক শব্দৰ বাধা অতিক্ৰম কৰি মনস্তত্ত্বৰ দৰে ভাবাত্মক বিষয় এটাক সাৱলীলভাৱে পঢ়ুৱৈৰ আগত দাঙি ধৰি ডঃ শৰ্ম্মা বৰদলৈয়ে যথেষ্ট কৃতিত্বৰ পৰিচয় দিছে। আশাকৰোঁ অনিসন্ধিৎসু পাঠকে কিতাপখনত চিন্তাৰ যথেষ্ট সমল বিচাৰি পাব।

নগাওঁ — শ্ৰীসৰ্ব্বেশ্বৰ ৰাজগুৰু

২৮।৩।৮৫

॥ আত্মানং বিদ্ধি ॥

(ক)

সেই চিৰন্তন প্ৰশ্ন—মই কোন ?

ক'ৰপৰা ইহসংসাৰলৈ আহিলোঁ ? মৃত্যুৰ পিছত মই ক'লৈ যাব লাগিব ?

এনেবিলাক প্ৰশ্ন মানুহে নিজকে কৰি আহিছে যুগে যুগে, যি প্ৰশ্নৰ উত্তৰ আজিও পোৱা নগ'ল।

দাৰ্শনিক কিয়েকগাৰ্ডে কৈছে—"Man is the eternal Paradox" মানুহ এটা অন্তহীন সাঁথৰ। মানুহে নিজকেই নিজে চিনি নাপায়। শ্ৰীমদ্ভগৱদ্ গীতাই কয় যে সৃষ্টিৰ পূৰ্ব্বে সকলো জীৱ অব্যক্ত হৈ থাকে। সৃষ্টিৰ পাছত ব্যক্ত বা প্ৰকাশিত হয়। শেষত অৰ্থাৎ মৃত্যুৰ পাছত জীৱ পুনৰ অব্যক্ত অৱস্থালৈ ঘূৰি যায়। দাৰ্শনিকসকল অদ্ভুত প্ৰকৃতিৰ লোক। নলগা জেওত লাগি তেওঁলোকে ভাল পায়। জন্ম-মৃত্যু-অদৃষ্ট আৰু ঈশ্বৰ এইবিলাকক লৈ তেওঁলোকে নানা দুৰূহ প্ৰশ্নৰ অৱতাৰণা কৰে আৰু পাছত সেই প্ৰশ্নৰ উত্তৰ বিচাৰি নিজেই হাবাথুৰি খাই ফুৰে।

আমেৰিকাৰ কোনোবা এজন অধ্যাপকে হেনো স্বামী অভেদানন্দ মহাৰাজক এইবুলি প্ৰশ্ন কৰিছিল—"আমি যে জীয়াই আছোঁ তাৰ প্ৰমাণ কি ?" স্বামীজীৰ স্পষ্ট উত্তৰ—"একো প্ৰমাণ নাই। আপুনি নিজক মৃত বুলিও বিশ্বাস কৰিব পাৰে !"

অদ্ভুত প্ৰশ্নৰ অদ্ভুত উত্তৰ। এজন জীৱন্ত মানুহে নিজক মৃত বুলি বাৰু কেনেকৈ বিশ্বাস কৰিব? স্বামী অভেদানন্দ আছিল বেদান্তবাদী দাৰ্শনিক। সেয়েহে স্বামীজীৰ বিবেচনা মতে জন্ম আৰু মৃত্যু মানুহৰ মনৰ ভ্ৰান্তি মাথোন। শৰীৰটোৰহে মৃত্যু হয়। আত্মাৰ জন্মও নাই, গতিকে আত্মাৰ মৃত্যুও ঘটিব নোৱাৰে। দিন-ৰাতিৰ বিৱৰ্তনে কালৰ অখণ্ড প্ৰৱাহত যেনেকৈ বাধাৰ সৃষ্টি কৰিব নোৱাৰে, তেনেকৈ জন্ম আৰু মৃত্যুৰ দৰে ঘটনায়ো

আত্মিক জীৱনৰ অখণ্ড প্ৰৱাহত ছেদ বা ব্যৱধানৰ সৃষ্টি কৰিব নোৱাৰে। অভিজ্ঞতালব্ধ পাৰ্থিৱ জ্ঞানৰ সহায়ত সকলো ঘটনা বিচাৰ কৰিবলৈ লোৱা কাৰণেহে মানুহে নিজে জন্ম লোৱা বা নিজৰ মৃত্যু হোৱা বুলি বিশ্বাস কৰি লয়। আমাৰ দৰে দৰ্শন-শাস্ত্ৰৰ আওভাও নুবুজা সাধাৰণ নৰ-মনিচে এনেবিলাক তত্ত্ব-কথা বুজিবলৈ টান পাওঁ। জন্ম আৰু মৃত্যু আমাৰ কাৰণে চিৰন্তন প্ৰহেলিকা। অথচ জন্ম-মৃত্যু আৰু ইহলোক-পৰলোকক লৈ আমাৰ কল্পনা-জল্পনাৰো অন্ত নাই।

মৃত্যুৰ পাছত কি সেই কথা নাজানো কাৰণেই মৃত্যুলৈ আমাৰ ইমান ভয়। মৃত্যুৰ লগে লগে অচৈতন্য অন্ধকাৰৰ অন্তহীন গভীৰতাৰ বুকুত আপোন সত্তাক চিৰদিনৰ কাৰণে হেৰুৱাই পেলোৱাৰ পৰিৱৰ্ত্তে সুখে-দুখে ভৰা পাৰ্থিৱ জীৱনটোক চিৰকাল আঁকোৱালি ধৰি থাকিবলৈকে মানুহে কামনা কৰে। মনৰ বেজাৰত কেতিয়াবা "কণা বিধাতাই মাৰিও নিনিয়া হ'ল" বুলি আক্ষেপ কৰিলেও বাস্তৱ ক্ষেত্ৰত মৃত্যুৰ সমুখা-সমুখী হ'ব লগা হ'লে তিনিমূৰীয়া আলৰ বুঢ়াৰো ভয়ত অন্তৰাত্মা কঁপি উঠে। তাহানি বকৰূপী ধৰ্ম্মৰাজে মহাৰাজ যুধিষ্ঠিৰক হেনো এইবুলি প্ৰশ্ন কৰিছিল—"কিমাশ্চৰ্য্যম ?" আশ্চৰ্য্য কি ? তাৰ উত্তৰত যুধিষ্ঠিৰে হেনো যমৰজাক ওলোটাই এইবুলি প্ৰশ্ন কৰিছিল যে প্ৰতিদিনে অলেখ প্ৰাণী যমৰ ঘৰলৈ গৈ থকা দেখিও জীয়াই থকাবিলাকে নিজক যে অমৰ বুলি ভাবে, তাতোকৈ আশ্চৰ্য্যজনক আৰু কি থাকিব পাৰে ?

এৰা, মৰণৰ কথা চিন্তা কৰিবলৈ নো কোনে ভাল পায় ? মানুহ আশাধাৰী প্ৰাণী। সংসাৰত দুদিন বেছিকৈ জীয়াই থাকিবলৈ পোৱাটো জানো কম সৌভাগ্যৰ কথা ! সেয়েহে এদিন উপজিলে যে এদিন মৰিবও লাগে, সেই কথা নিশ্চিতভাৱে জানিও মানুহে নিজৰ মৃত্যুক সুদূৰ ভৱিষ্যতৰ গৰ্ভলৈ ঠেলি দি সান্ত্বনা লভিব খোজে। জন্ম-মৃত্যুৰ ৰহস্য উদ্ঘাটনৰ চেষ্টা কৰি কৰি কতজন মনীষীয়ে জীৱন পাত কৰিলে আৰু কতজন আজিও সেই কাৰ্য্যত ব্ৰতী হৈ আছে, তাৰ লেখ পাবলৈ নাই। মানুহ বুদ্ধিমান প্ৰাণী। মানুহৰ অন্তৰ কৌতূহল-প্ৰৱণ। সেয়েহে ইতৰ প্ৰাণীৰ দৰে কেৱল খাই-শুই কিম্বা বংশ বিস্তাৰ কৰি মানুহ সন্তুষ্ট থাকিব নোৱাৰে।

মানুহে জীৱনৰ সাৰ্থকতা উপলব্ধি কৰিবলৈ বিচাৰে। বিনন্দীয়া সৃষ্টিৰ বুকুত নিজৰ স্থান সম্পৰ্কে মানুহ সুনিশ্চিত হ'ব খোজে। আমাৰ যোগবাশিষ্টকাৰে কাহানিবাই কৈ গৈছে যে সংসাৰত গছ-লতা, পশু-পক্ষী সকলো জীয়াই থাকে। কিন্তু তেনেদৰে কেৱল জীয়াই থকাত একো সাৰ্থকতা নাই। মননশীলতাৰদ্বাৰা জীয়াই থাকিব পৰাটোহে আচল জীয়াই থকা।[১]

অজানাক জানিবৰ কাৰণে আৰু সৃষ্টিৰ বুকুত স্ৰষ্টাক আৱিষ্কাৰ কৰিবৰ কাৰণে মানুহৰ অন্তৰত যি চিৰন্তন অভিলাষ, তাৰ ফলতে সৃষ্টি হ'বলৈ পালে ধৰ্ম্মৰ, সৃষ্টি হ'ল দৰ্শনৰ। সৃষ্টি আছে যেতিয়া সৃষ্টিকৰ্ত্তা এজনো নিশ্চয় থাকিব লাগিব। সেই সৃষ্টিকৰ্ত্তাক খেনোৱে বিচাৰিলে বাহিৰৰ জগতত, খেনোৱে বিচাৰিলে বিশ্বাস আৰু অনুভূতিৰ জগতত। এনেকৈয়ে বহু শতাব্দী, বহু যুগ অতীত হৈ গ'ল। কিন্তু স্ৰষ্টাক ক'তো বিচাৰি পোৱা নগ'ল।

ৰূপৰ জগতত অৰূপৰ সাক্ষাৎ নাপাই মানুহে এইবাৰ দৃষ্টিনিক্ষেপ কৰিলে নিজ অন্তৰ্লোকলৈ, ৰহস্যময় অতীন্দ্ৰিয় জগতৰ সীমাহীন গভীৰতালৈ। লাহে লাহে মানুহৰ দৃষ্টিত ধৰা পৰি গ'ল জীৱন আৰু মৃত্যুৰ মাজত থকা অবিচ্ছেদ্য সম্পৰ্কৰ কথা। মানুহে লাহে লাহে বুজিব পাৰিলে যে নিজৰ শৰীৰটোতে সৃষ্টি আৰু ধ্বংসৰ কাৰ্য্য অবিৰতভাৱে চলি আছে। যিহেতুকে জীৱনৰ অবৰ্ত্তমানত মৃত্যু সম্ভৱ হ'ব নোৱাৰে, সেই হেতুকে মৃত্যুৰ ৰহস্য ভেদ কৰিবলৈ হ'লে সৰ্ব্বপ্ৰথমে আমি জানিব লাগিব নিজৰ জীৱনক। আৱিষ্কাৰ কৰিব লাগিব জীৱনৰ অন্তৰ্নিহিত পৰম সত্তাক। উপনিষদৰ ঋষিয়ে উচ্চাৰিলে—

"তমেবৈকং জানথঃ আত্মানম্ অন্যা বাচো বিমুঞ্চথঃ
অমৃতস্যৈব সেতুঃ।"

কেৱল নিজক জানি লোৱা; বাকী সকলো অসাৰ বাক্য পৰিহাৰ কৰা। কাৰণ মৃত্যুক অতিক্ৰম কৰি অমৰত্ব লাভ কৰিবৰ ইয়ে একমাত্ৰ উপায়।

(১) "তৰবোঽপি হি জীবন্তি জীবন্তি মৃগপক্ষিণঃ
স জীবতি মনো যস্য মননেন হি জীবতি"।

(খ)

খ্ৰীষ্ট জন্মৰ আগৰ কাহিনী। ডেল্‌ফি নগৰৰ দেৱমন্দিৰত উপস্থিত হৈ মহাজ্ঞানী চক্ৰেটীছে প্ৰশ্ন কৰিলে—"শ্ৰেষ্ঠ জ্ঞান কি?" লগে লগে দৈৱবাণী ঘোষিত হ'ল—"নিজক জানি লোৱা। (Know Thyself) আপোন সত্তাক উপলব্ধি কৰা। চক্ৰেটীছ আজি ইহজগতত নাই। কিন্তু তেওঁৰ সেই বাণী আজিও অমৰ হৈ ৰ'ল।

ভাৰতৰ মনীষীসকলেও স্মৰণাতীত কালৰেপৰা জগতত আত্মজ্ঞানৰ মহিমা প্ৰচাৰ কৰি আহিছে। গীতা-শাস্ত্ৰ আত্মজ্ঞানৰ প্ৰশংসাত পঞ্চমুখ। আত্মজ্ঞানে কায়িক মৃত্যুক বাধা দিব নোৱাৰিলেও মানুহৰ মনৰপৰা মৃত্যুভয় দূৰ কৰিব পাৰে।

আত্মজ্ঞান লাভ কৰিব পাৰিলে বোলে মানুহৰ অন্তৰত ভেদ ভাব নাইকিয়া হৈ পৰে। তেতিয়া সকলো জীৱৰ প্ৰতি একত্বানুভূতি উদয় হয়। সকলো জীৱ এক অনাদি অনন্ত সৰ্ব্বব্যাপী বিশ্বাত্মাৰ অংশ স্বৰূপে প্ৰতীয়মান হয়। তাহানিৰ বুদ্ধদেৱ, শঙ্কৰাচাৰ্য্যৰপৰা আজিৰ যুগৰ বিবেকানন্দ, ৰমন মহৰ্ষি আৰু জিড্ডু কৃষ্ণমূৰ্ত্তিলৈকে সকলো আত্মজ্ঞ পুৰুষৰ মুখতে সেই একেটা মাথোন উপদেশ—"আত্মানং বিদ্ধি"।

অদ্বৈতবাদী শঙ্কৰাচাৰ্য্যৰ মতে আত্মোপলব্ধি অবিহনে তীৰ্থ পৰ্য্যটন, যাগ-যজ্ঞ, দান-দক্ষিণা সকলো অসাৰ্থক। আত্মজ্ঞান আহৰণ কৰিবলৈ যত্ন নকৰি কেৱল এনেবিলাক অন্তঃসাৰশূন্য ক্ৰিয়া-কাণ্ডত লাগি থকা অজ্ঞজনে শত শতবাৰ জন্মগ্ৰহণ কৰিলেও মুক্তিলাভ কৰিব নোৱাৰে।[২] ৰমন মহৰ্ষিয়ে কয় যে আত্মজ্ঞানৰ ভিত্তিৰ ওপৰত অপ্ৰতিস্থিত জ্ঞানৰ একো সাৰ্থকতা নাথাকে। কেৱল আত্মজ্ঞানৰ বলতহে মানুহে পৰম সত্তাক উপলব্ধি কৰি জীৱনৰ পূৰ্ণতা অৰ্জ্জন কৰিব পাৰে। মানুহৰ মনটো

(২) কুৰুতে গঙ্গাসাগৰ গমনম্ ব্ৰতপৰিপালনম্ অথবা দানম্
জ্ঞানবিহিনে সৰ্ব্বমনেন মুক্তিৰ্নভবতি জন্ম শতেন।
—শ্ৰীশঙ্কৰাচাৰ্য্য

ভাব-চিন্তা বা কামনা-বাসনাৰ সমষ্টি মাথোন। সিহঁতে মানুহৰ মনক অহৰ্নিশে উত্যক্ত বা গতিচঞ্চল কৰি ৰাখে। সেই ভাব-চিন্তাৰ আৱৰ্জনা অতিক্ৰম কৰি নিজ অন্তৰৰ গভীৰতম স্তৰত প্ৰৱেশ কৰিব পাৰিলেহে বোলে সচ্চিদানন্দৰূপী পৰমাত্মাৰ সাক্ষাৎ লভিব পাৰি। ৰমন মহৰ্ষিয়ে কয়— "আগতে নিজক জানি লোৱা। জগতৰ কথা পিছে-পৰে চিন্তা কৰিলেও হ'ব। আপোন সত্তাক জানিব পাৰিলে তুমি জগতকো জানিব পাৰিবা। কাৰণ জগত আৰু তুমি অভিন্ন।"

গতিকে বুজা যায় যে অতীতৰ ঋষি-মুনিসকলৰ দৰে আজিৰ যুগৰ মনীষীসকলৰ মতেও আত্মজ্ঞান (Self Knowledge) আৰু আত্মোপলব্ধিয়েই (Self Realisation) মানুহৰ জীৱনৰ চৰম লক্ষ্য হোৱা উচিত। কাৰণ অভিজ্ঞতাপ্ৰসূত পাৰ্থিৱ জ্ঞানে মানুহৰ ঐহিক সুখ-সম্পদ বঢ়াব পাৰিলেও জন্ম-মৃত্যুৰ আৱৰ্ত্তৰপৰা মানুহক উদ্ধাৰ কৰিব নোৱাৰে। মানুহৰ মৃত্যুভয় দূৰ কৰিব নোৱাৰে।

কিন্তু আত্মজ্ঞান কি বস্তু? আত্মোপলব্ধি বুলিলেনো আমি কি বুজোঁ? আল্‌ডুচ্‌ হাক্স্‌লীৰ (Aldous Huxley) মতে আত্মজ্ঞান হৈছে এটা ভাষাতীত উপলব্ধি। ভাষাক অৱলম্বন কৰি চিন্তা কৰিবলৈ শিকাৰ আগতে আৰু মনত অৰ্থপূৰ্ণ ধাৰণাই গঢ় লোৱাৰ পূৰ্ব্বাৱস্থাত আমাৰ প্ৰাথমিক উপলব্ধিৰ যি ৰূপ আছিল আৰু যি ৰহস্যময় সত্তাক অৱলম্বন কৰি সংসাৰত আমি জীয়াই আছিলোঁ, সেই সম্পৰ্কে একান্তভাৱে উপলব্ধি কৰিব পৰাটোৱে আত্মজ্ঞান। কিন্তু যিহেতুকে বৰ্ত্তমান আমাৰ চিন্তা ভাষাশ্ৰয়ী, সেইহেতুকে বৰ্ত্তমান অৱস্থাত ভাষাৰ জৰিয়তেহে আমি তেনে এটা সূক্ষ্ম আৰু ভাষাতীত উপলব্ধিৰ বিষয়ে ধাৰণা কৰিব পাৰোঁ।[৩]

---

(৩) "Self Knowledge is always an awareness of first order experiences of events bellow the level of words, of mysteries of existence before we have conceptualised them into a specious intelligibility, (and paradoxically) it is through words that we are made aware of the subtler form of non-verbal experience"

—*Aldous Huxley*

ইয়াৰপৰা বুজা যায় যে আত্মজ্ঞান সহজলভ্য বস্তু নহয়। হওঁ বুলিলেই কোনো ৰাতাৰাতি আত্মজ্ঞানী হৈ পৰিব নোৱাৰে। তাৰ কাৰণে বহুখিনি মানসিক প্ৰস্তুতিৰ আৱশ্যক। কথিত আছে যে তাহানি দেৱৰাজ ইন্দ্ৰই ব্ৰহ্মাৰপৰা আত্মজ্ঞানৰ দীক্ষা লাভ কৰিবৰ কাৰণে এশ বছৰৰ ওপৰ কাল কঠোৰ ব্ৰহ্মচৰ্য্য ব্ৰত পালন কৰিব লগা হৈছিল। আৰু ইন্দ্ৰৰপৰা আত্ম-জ্ঞানৰ দীক্ষা লাভ কৰিছিল বাৰাণসীৰ ৰাজকুমাৰ প্ৰতৰ্দ্দনে। আকৌ বিদগ্ধ পণ্ডিত হ'লেই যে আত্মজ্ঞানী হ'ব পাৰি সিয়ো নহয়। তাহানি দেৱৰ্ষি নাৰদে বেদ, পুৰাণ, ন্যায়শাস্ত্ৰ, জ্যোতিষ আদি নানা শাস্ত্ৰত সুপণ্ডিত হোৱা সত্ত্বেও আত্মজ্ঞানৰ দীক্ষা গ্ৰহণ কৰিবৰ কাৰণে ব্ৰহ্মৰ্ষি সনৎকুমাৰৰ কাষ চাপিব লগা হৈছিল। এয়া অতীজৰ আৰ্য্য যুগৰ কথা। এতিয়া সেই ৰামো নাই, অঁযোধ্যাও নাই। সেয়েহে আজি কলিযুগত আমি সৰ্ব্বসাধাৰণ মানুহে আত্মজ্ঞান আহৰণৰ পৰিৱৰ্ত্তে গতানুগতিক ধৰ্ম্মীয় আচাৰ-অনুষ্ঠান কিছুমান পালন কৰিয়ে পুণ্য আৰ্জ্জিব খোজোঁ।

বৰ্ত্তমান যুগৰ বিশিষ্ট চিন্তানায়ক জিড্ডু কৃষ্ণমূৰ্ত্তিয়ে কয় যে কেৱল গুৰুৰ উপদেশ শুনি মানুহ আত্মজ্ঞানী হ'ব নোৱাৰে। আকৌ আত্মজ্ঞান আহৰণ কৰিবৰ কাৰণে মানুহে অৰণ্যলৈ গৈ নিৰ্জ্জন গুহাত বহি তপস্যা কৰিবও নালাগে। আত্মজ্ঞান জাগৰণৰ পথত থকা অন্তৰায়সমূহ দূৰ কৰিব পাৰিলেই আত্মজ্ঞানৰ স্বতঃস্ফূৰ্ত্ত জাগৰণ সম্ভৱ হৈ পৰে।

কৃষ্ণমূৰ্ত্তিৰ মতে আত্মজ্ঞান আহৰণৰ প্ৰধান অন্তৰায় হৈছে আমাৰ অহংবোধ (Ego) বা 'মই' ভাবটো। অহংবোধ আমাৰ চেতন মনৰ কেন্দ্ৰবিন্দু হ'লেও ই আমাৰ মানসিক অস্তিত্বৰ এটা দিশ মাথোন। সমগ্ৰ মন ইয়াৰ অন্তৰ্ভুক্ত নহয়, কিম্বা ইয়াৰ কৰ্তৃত্বাধীনো নহয়। আমাৰ মনৰ বৃহত্তৰ অংশটোৱে অহংবোধৰ অলক্ষিতে কাৰ্য্যনিৰ্ব্বাহ কৰি থাকে। কিন্তু অজ্ঞানবশতঃ অহংবোধ বা আমাৰ মনৰ সচেতন দিশটোকে আমি সমগ্ৰ মন বুলি ধৰি লওঁ। দ্বিতীয়তে প্ৰতিটো মুহূৰ্ত্ততে অহংবোধ গতিচঞ্চল। ইয়াৰ বুকুত প্ৰতিটো মুহূৰ্ত্ততে ভাব-চিন্তাৰ পৰিৱৰ্ত্তন ঘটি থাকে। তদুপৰি মনৰ এই স্তৰটোত বিপৰীতমুখী ভাব-চিন্তাৰ মাজত অহৰ্নিশে সংঘৰ্ষ বা টনা-আঁজোৰা চলি থাকে। ইয়াৰ ফলত উদ্ভৱ হোৱা মানসিক উত্তাপে আমাৰ

অন্তর্দৃষ্টি ম্লান কৰি তোলে। তাতোকৈ ডাঙৰ কথা হৈছে অহংবোধে কেৱল জনা কথাহে চিন্তা কৰিব পাৰে। অজান ভৱিষ্যতক ই জনাৰ আৰ্হিত কল্পনা কৰি লয়। তদুপৰি দেখা যায় যে অহংবোধে নিজ স্বাৰ্থৰ অনুকূলেহে চিন্তা কৰি ভাল পায়। সেই স্বাৰ্থ হৈছে আত্মসংৰক্ষণ, আত্মসম্প্ৰসাৰণ আৰু আত্মানন্দ আহৰণৰ স্বাৰ্থ। এই কাৰণেই অহংবোধে নিৰাসক্ত বা নিৰপেক্ষ-ভাৱে পৰিস্থিতিৰ মূল্যায়ন কৰিব নোৱাৰে। বিশেষতঃ অহংবোধে যেতিয়া নিজৰ কাৰ্য্য-কলাপ নিজে বিশ্লেষণ কৰিবলৈ লয়, তেতিয়া সি ভুৱা যুক্তিৰ অৱতাৰণা কৰি হ'লেও সততে নিজক সমৰ্থন কৰিবলৈ চেষ্টা কৰে। কৃষ্ণমূৰ্ত্তিয়ে কয় যে শূন্য পাত্ৰহে মানুহৰ কামত আহে। যেতিয়ালৈকে মানুহৰ মন কলুষিত চিন্তা আৰু বদ্ধমূল ধাৰণাৰে পৰিপূৰ্ণ হৈ থাকে, তেতিয়ালৈকে নতুন চিন্তাই মানুহৰ মনত প্ৰৱেশ লাভ কৰিব নোৱাৰে। গতিকে চেতনাৰ অন্তৰালত আত্মগোপন কৰি থকা বিশাল অচেতন মনোজগতখনৰ বিষয়ে একান্তভাৱে অৱগত হ'বলৈ হ'লে আমি যি কোনো উপায়েৰে হ'লেও অহংবোধৰ প্ৰভাৱমুক্ত হ'ব লাগিব। কিন্তু কেনেকৈ ?

বিচিত্ৰ সত্তা মানুহৰ মনটো। বাৰিষাৰ মেঘালী আকাশৰ দৰে মনৰ আকাশেও যেন ক্ষণে ক্ষণে বৰণ সলায়। মাজে মাজে মন হৈ পৰে শৰতৰ মেঘমুক্ত নীলাকাশৰ দৰে নিৰ্ম্মল, স্নিগ্ধ কিৰণোজ্জ্বল। আকৌ খন্তেক পাছতে হয়তো বিষাদৰ ক'লীয়া ডাৱৰে মনৰ আকাশ তিমিৰাচ্ছন্ন কৰি তোলে। বুজিব নোৱাৰা উৎকণ্ঠা আৰু অব্যক্ত বেদনাই সমগ্ৰ চিত্ত উদ্বেলিত কৰি তোলে। আজন্ম সহচৰ আমাৰ মনটোক আমি চিনো চিনো কৰিও চিনিব নোৱাৰোঁ। ধৰোঁ ধৰোঁ কৰিও যেন ধৰা পেলাব নোৱাৰোঁ। মন আমাৰ অতিকৈ আপোন হৈয়ো কিমান যে পৰ! মন যেন এখন অপাৰ সমুদ্ৰ আৰু আমাৰ সচেতন চিন্তা-ভাবনাবিলাক সেই মনঃসমুদ্ৰৰ ওপৰভাগত সৃষ্টি হোৱা সৰু-বৰ ঢৌ। বাহিৰৰপৰা চালে এই ঢৌবিলাকহে আমি দেখা পাওঁ। মনঃসমুদ্ৰৰ গভীৰতাত কি লুকাই আছে, তাক অনুমান কৰা আমাৰ সাধ্যাতীত। মনঃসমুদ্ৰৰ সীমাহীন গভীৰতাত প্ৰৱেশ কৰি যিজনে তাত লুকাই থকা মণি-মুকুতাৰ সন্ধান উলিয়াব পাৰিব, তেওঁকে আমি প্ৰকৃত দ্ৰষ্টা আৰু জ্ঞান তপস্বী বুলি অভিহিত কৰিব পাৰোঁ।

অযুক্ত কল্পনা আৰু অফুৰন্ত ৰহস্যৰ আধাৰস্বৰূপ আপোনাৰ মনটোক জানিবৰ কাৰণে আপোনাৰ আগ্ৰহ নোপজে জানো ?

(গ)

মনোবিদ্যাৰ লক্ষ্য মানসিক ঘটনাৰ আঁতি-গুৰি ঠাৱৰ কৰা। মনোবিদ্যা আচলতে দৰ্শন নে বিজ্ঞান সেই বিষয়ে অৱশ্যে মতপাৰ্থক্য আছে। সাধাৰণভাৱে বিজ্ঞানৰ উদ্দেশ্য হৈছে কাৰ্য্য আৰু কাৰণৰ মাজৰ সম্পৰ্ক নিৰ্ণয় কৰা। বিজ্ঞানৰ বিচাৰ-পদ্ধতি পৰীক্ষামূলক। মনোবিদ্যায়ো একে দৃষ্টিভঙ্গি গ্ৰহণ কৰি আৰু একেপদ্ধতি অনুসৰণ কৰি মানসিক ঘটনাৰ আঁতি-গুৰি আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰে। কিন্তু সেইবুলি মনোবিদ্যাক পদাৰ্থবিদ্যা বা গণিতৰ দৰে বিশুদ্ধ বিজ্ঞানৰ পৰ্য্যায়ভুক্ত কৰিব নোৱাৰি। বিশুদ্ধ বিজ্ঞানৰ ক্ষেত্ৰত কিছুমান সৰ্ব্বজন-গৃহীত সিদ্ধান্ত থাকে আৰু গৱেষণাগাৰত পৰীক্ষা-নিৰীক্ষাৰদ্বাৰা সিহঁতৰ সত্যাসত্য নিৰূপণ কৰিব পাৰি। কিন্তু মনোবিদ্যা বা মনস্তত্বৰ ক্ষেত্ৰত তেনেকুৱা প্ৰমাণসিদ্ধ বা সৰ্ব্বজন-গৃহীত সিদ্ধান্ত অতি বিৰল। অনুমান আৰু কল্পনা-জল্পনাৰহে অধিক পয়োভৰ। প্ৰায় এক শতাব্দীজোৰা গৱেষণা আৰু পৰীক্ষা-নিৰীক্ষাৰ পাছতো মনৰ সকলো দিশক সামৰি ল'ব পৰা বহল মনস্তাত্বিক সূত্ৰ এটা আজিলৈকে আৱিষ্কাৰ কৰিব পৰা নগ'ল। পৰীক্ষামূলক মনোবিদ্যাই মনোদৈহিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ বিষয়ে থূলমূল ধাৰণা কিছুমান গঢ়ি তুলিব পাৰিলেও মনৰ উৎপত্তি আৰু অন্তঃপ্ৰকৃতিৰ বিষয়ে ই সবিশেষ একোকে জানিব পৰা নাই।

মনোবিদ্যাক বিজ্ঞান আখ্যা দিয়াত আন এটা অসুবিধা এইখিনিতে যে বিজ্ঞানৰ দৃষ্টি সততে পদাৰ্থ-জগতৰ ঘটনাতে নিবদ্ধ হৈ থাকে। আনহাতে দৰ্শনে মানুহৰ মনক স্থূল ইন্দ্ৰিয়গ্ৰাহ্য পদাৰ্থ-জগতৰপৰা অতীন্দ্ৰিয় আধ্যাত্মিক জগত এখনলৈ লৈ যায়। ইন্দ্ৰিয়াতীত মনোলোকৰ অধ্যয়ন স্বৰূপে মনোবিদ্যাক নিঃসন্দেহে দৰ্শনৰ শাৰীত ঠাই দিব পাৰি। আমি জানো যে মানুহৰ মনটো স্থূল পদাৰ্থ-জগতৰ ঘটনাতে নিবদ্ধ হৈ নাথাকে। বহিঃলোক আৰু অন্তৰ্লোক দুয়োদিশে মনৰ অবাধ গতি।

ভাৰতবৰ্ষ দৰ্শনৰ দেশ। খ্ৰীষ্ট জন্মৰ বহু শতাব্দীৰ পূৰ্ব্বৰেপৰা এই দেশত মনৰ প্ৰকৃতিৰ বিষয়ে আলোচনা-বিলোচনা চলি আহিছে। তাৰ ফলত সৃষ্টি হৈছে নানা মতবাদ আৰু অলেখ প্ৰতিবাদ। পিছে মন বিষয়ক চিন্তা-চৰ্চ্চাত লাগি থাকোঁতে অতীজ ভাৰতৰ ঋষি-মুনিসকলে সম্ভৱতঃ নিজে ক'ব নোৱাৰাকৈয়ে মনৰ সীমা অতিক্ৰম কৰি আধ্যাত্ম চিন্তাত নিমগ্ন হৈ পৰিছিল, যাৰ ফলত মনস্তত্ত্ব হৈ পৰিছিল আধ্যাত্মতত্ত্বৰ অবিচ্ছেদ্য অঙ্গ। অতীজৰ মনীষীসকলে বহিঃজগত আৰু মনোজগত সম্পৰ্কে গঢ়ি তোলা মতবাদসমূহক থূলমূলকৈ ভাববাদ, জড়বাদ আৰু অদ্বৈতবাদ এই তিনি শ্ৰেণীত বিভক্ত কৰিব পাৰি। ভাববাদী দাৰ্শনিকৰ বিবেচনামতে পদাৰ্থ-জগতৰ অস্তিত্ব একান্তভাৱে মনৰ ওপৰত নিৰ্ভৰশীল। "মনো হি জগতাং কৰ্ত্তৃ মনো হি পুৰুষঃ স্মৃতঃ।" মন নাথাকিলে যেন সৃষ্টিও নাই, স্ৰষ্টাও নাই। আনহাতে জড়বাদী দাৰ্শনিকৰ মতে জড় পদাৰ্থহে বিশ্বৰ মৌলিক উপাদান। আমাৰ মন আৰু চেতনা জড় পদাৰ্থৰ জটিলতাৰ আৰু উন্নততৰ অৱস্থা মাথোন। গতিকে জড়বাদী দাৰ্শনিকৰ বিবেচনামতে জড় পদাৰ্থ মনৰ ধাৰণা মাথোন নহয়। পদাৰ্থৰ এটা জ্ঞানাতিৰিক্ত সত্তা থাকে। ভাববাদ আৰু জড়বাদৰ মাজৰ থৈয়া-নথৈয়া যুঁজখনৰ আজিও ওৰ পৰা নাই।

সৰ্ব্বশেষত অদ্বৈতবাদী দাৰ্শনিকৰ কথালৈ অহা হওক। এইসকল দাৰ্শনিকৰ মতে জড় আৰু চৈতন্য উভয়ে এক অনাদি অনন্ত সৰ্ব্বব্যাপী পৰম সত্তাৰ দুটা প্ৰকাশ মাথোন। পাশ্চাত্য জগতৰ দাৰ্শনিক হেগেলে এই সৰ্ব্বব্যাপ্ত পৰম সত্তাক পৰব্ৰহ্ম (Absolute) বুলি অভিহিত কৰিছে। হেগেলৰ মতে এই পৰব্ৰহ্মই জড় আৰু চৈতন্য উভয়কে ধাৰণ কৰি আছে আৰু ইয়ে বিশ্বজগতৰ অন্তৰ্নিহিত সত্য।

নক'লেও হ'ব যে ভাৰতৰ মনীষীসকলে হেগেলৰ জন্মৰ বহু যুগৰ পূৰ্ব্বেই অনুৰূপ অভিমত ব্যক্ত কৰি গৈছে। "সৰ্ব্বং খল্বিদং ব্ৰহ্ম" সমগ্ৰ জগতেই ব্ৰহ্মৰ বাহিৰে আন একো নহয়।

"তুমি সত্য ব্ৰহ্ম তোমাতে প্ৰকাশে জগত ইতো অনন্ত
জগতত সদা তুমিয়ে প্ৰকাশা অন্তৰ্যামী ভগৱন্ত॥"

আকৌ শ্ৰীমদ্ভগ.ৱদ্ গীতাই কৈছে যে পৰব্ৰহ্মৰ দুই প্ৰকৃতি। অপৰা প্ৰকৃতি আৰু পৰা প্ৰকৃতি॥ অপৰা প্ৰকৃতিৰপৰা জড় পদাৰ্থসমূহৰ সৃষ্টি হৈছে। আনহাতে পৰা প্ৰকৃতিৰপৰা সৃষ্ট হৈছে চৈতন্য তথা সচেতন জীৱসমূহ।

ত্ৰিকালজ্ঞ আৰ্য্য ঋষিসকলে ভাবি পাইছিল যে মানুহৰ সমগ্ৰ সত্তা পঞ্চ মহাভূত, পঞ্চ তন্মাত্ৰ, দশেন্দ্ৰিয়, মন আৰু বুদ্ধি সমন্বিতে বাইশটা তত্বৰ-দ্বাৰা নিৰ্ম্মিত হৈছে। তদুপৰি মহতত্ব আৰু প্ৰকৃতিতত্ব আছেই। আকৌ যিহক মন বুলি কোৱা হয় তাৰো বোলে মন, চিত্ত, বুদ্ধি আৰু অহঙ্কাৰ এই চাৰিটা অৱস্থা থাকে। মনে যিহেতুকে বাহিৰৰ জগতৰ ঘটনাৰ উপৰিও নিজ অভ্যন্তৰত সৃষ্টি হোৱা হৰ্ষ-বিষাদ আদি অৱস্থাৰ বিষয়েও আমাক অৱগত-কৰি ৰাখে, সেইহেতুকে মনক অন্তৰিন্দ্ৰিয় বুলিও কোৱা হয়। অতীজৰ মনীষীসকলে মানুহৰ মনটো স্থূল শৰীৰৰ চতুঃসীমাৰ ভিতৰত আৱদ্ধ হৈ থাকে বুলি বিশ্বাস নকৰিছিল। তেওঁলোকে ভাবি পাইছিল যে পৰিদৃশ্যমান পদাৰ্থ-জগতৰ অন্তৰালত যি সূক্ষ্ম প্ৰাণ-লোক বিৰাজমান, আমাৰ মন প্ৰকৃততে সেই প্ৰাণ-লোকৰ অধিবাসী। সাধাৰণ জ্ঞানেৰেই আমি এইটো বুজিব পাৰোঁ যে মন আৰু চেতনা সততে প্ৰাণাশ্ৰয়ী। প্ৰাণহীন শৰীৰত কি মন, কি চেতনা কোনোটো বৰ্ত্তি থাকিব নোৱাৰে। ত্ৰিকালজ্ঞ আৰ্য্য ঋষিসকলৰ ধাৰণা মতে আমাৰ আত্মাত দুই প্ৰকাৰৰ শক্তি নিহিত থাকে। এটা শক্তি হৈছে জীৱনী শক্তি বা প্ৰাণ আৰু আনটো হৈছে চিৎ বা প্ৰজ্ঞা। এই প্ৰাণ আৰু প্ৰজ্ঞা অভিন্ন। "যঃ বৈ প্ৰাণঃ সা প্ৰজ্ঞা, যা বা প্ৰজ্ঞা সঃ প্ৰাণঃ।" যি চৈতন্য বা প্ৰজ্ঞা সিয়ে হৈছে জীৱনী-শক্তি বা প্ৰাণ। আকৌ য'তে জীৱনী-শক্তি বা প্ৰাণৰ ক্ৰিয়া বৰ্ত্তমান ত'তে চিৎ বা প্ৰজ্ঞায়ো কিবা নহয় কিবা প্ৰকাৰে আত্মপ্ৰকাশ কৰে। সেই চিৎ বা প্ৰজ্ঞাই যে সদায় প্ৰখৰ আত্মচেতনা (Ego consciousness) স্বৰূপে আত্মপ্ৰকাশ কৰিব লাগিব তাৰ মানে নাই। কাৰণ মনোদৈহিক কাৰ্য্য-কলাপৰ স্তৰভেদে চিৎ বা প্ৰজ্ঞাৰ প্ৰকাশো বিভিন্ন হৈ পৰে।

কাৰ্য্য-ক্ষমতাৰ ফালৰপৰা বিচাৰ কৰি ভাৰতৰ দাৰ্শনিকসকলে মনোদৈহিক কাৰ্য্য-কলাপৰ পাঁচোটা স্তৰৰ অস্তিত্ব ঠাৱৰ কৰিছিল আৰু

সিহঁতক স্তৰ স্নুবুলি কোষ (Sheath) বুলি অভিহিত কৰিছিল। সেই কোষ বা স্তৰসমূহ এনেকুৱা—

(ক) অন্নময় কোষ (Physical body)

(খ) প্ৰাণময় কোষ (Vital body)

(গ) মনোময় কোষ (Mental বা Conscious body)

(ঘ) বিজ্ঞানময় কোষ (Potential Consciousness or Subconscious body)

(ঙ) আনন্দময় কোষ (Super Consciousness বা Inspirational body)

শৰীৰৰ বহিঃভাগত অৱস্থিত কোষটোৰ নাম অন্নময় কোষ। খাদ্য দ্ৰব্যৰ সাৰাংশৰদ্বাৰা এই কোষটো নিৰ্ম্মিত হয় কাৰণেই ইয়াক অন্নময় কোষ বুলি কোৱা হয়। অন্নময় কোষক স্থূল শৰীৰ বুলিও অভিহিত কৰা হয়।

অন্নময় কোষৰ ভিতৰত অৱস্থিত আৰু অন্নময় কোষতকৈ সূক্ষ্মতৰ কোষটোৰ নাম প্ৰাণময় কোষ। প্ৰাণময় কোষ হৈছে আমাৰ জীৱনী-শক্তিৰ (Elan Vital) আধাৰ। বৌদ্ধ দাৰ্শনিকসকলে আৰু এখোজ আগবাঢ়ি গৈ প্ৰাণময় কোষক চৈতন্য আৰু আধ্যাত্মিক শক্তিৰো উৎস বুলি বৰ্ণনা কৰিছে।[৪] প্ৰাণময় কোষৰ অভ্যন্তৰত থকা আৰু প্ৰাণময় কোষতকৈ সূক্ষ্মতৰ কোষটোক মনোময় কোষ বুলি কোৱা হয়। মনোময় কোষ হৈছে সচেতন মানসিক কাৰ্য্য-কলাপৰ স্তৰ। জীৱনত ইয়াক লৈয়ে আমাৰ যাই কাৰবাৰ।

মনোময় কোষতকৈয়ো সূক্ষ্মতৰ কোষটোৰ নাম বিজ্ঞানময় কোষ। বিজ্ঞানময় কোষক প্ৰসুপ্ত চেতনাৰ স্তৰ বুলি ভবা হয়। ই আমাৰ বিৱেকবোধ আৰু নৈতিক চেতনাৰ উৎস।

---

(৪) All dynamic qualities that causes movement, change or transformation reveal the nature of Prana. All bodily or psychic processes, all physical or spiritual forcess from the function of breathing, of the circulation of blood and of the nervous system to those of consciousness of mental activities and all higher spiritual functions are modifications of Prana.

—Tibetan Mysticism—*by Anagarik Govinda*

মনোদৈহিক সত্তাৰ কেন্দ্ৰস্থ কোষটোৱে হৈছে আনন্দময় কোষ, যিহক নৈতিকাতীত চেতনা আৰু আধ্যাত্মিক প্ৰেৰণাৰ উৎস বুলি বিবেচনা কৰা হয়। প্ৰাণময় কোষ, মনোময় কোষ আৰু বিজ্ঞানময় কোষৰ সমষ্টিক সূক্ষ্ম শৰীৰ বুলি আৰু আনন্দময় কোষক কাৰণ শৰীৰ বুলি শাস্ত্ৰকাৰসকলে অভিহিত কৰি গৈছে। সূক্ষ্ম শৰীৰ আৰু কাৰণ শৰীৰক ইংৰাজীত যথাক্ৰমে Subtle body আৰু Causal body বুলি অভিহিত কৰা হয়।

এনেদৰে বিবেচনা কৰিলে দেখা যায় যে আমাৰ শৰীৰেই সূক্ষ্মৰপৰা সূক্ষ্মতৰ অৱস্থাৰ মাজেৰে আগবাঢ়ি আহি সৰ্ব্বশেষত মন বা চেতনা ৰূপে প্ৰতীয়মান হৈ পৰিছে; কিম্বা মনেই স্থূলৰপৰা স্থূলতৰ অৱস্থা লাভ কৰি সৰ্ব্বশেষত তেজ-মঙহৰ শৰীৰ ৰূপে ব্যক্ত হৈ পৰিছে। ভাববাদীসকলৰ মতে সঙ্কল্প বা মন আগ। জীৱাত্মাৰ সঙ্কল্প অনুসৰিহে আমাৰ শৰীৰে গঢ় লৈ পেলায়।

মন কৰিবলগীয়া যে এই কোষ বা মনোদৈহিক কাৰ্য্য-ক্ষমতাৰ স্তৰবিলাক একান্তভাৱে পৰস্পৰৰপৰা বিচ্ছিন্ন হৈ কিম্বা সমান্তৰালভাৱে শৰীৰত অৱস্থান নকৰে। এটা স্তৰে তাৰ অগ্ৰৱৰ্ত্তী আৰু পৰৱৰ্ত্তী স্তৰসমূহক একান্তভাৱে ভেদ কৰি থাকে। সেয়েহে দেখা যায় যে শৰীৰ আৰু মন দেখাত পৃথক সত্তা হ'লেও সিহঁতে সদায় একক সত্তাস্বৰূপে কাৰ্য্য-নিৰ্ব্বাহ কৰে। একে জীৱনী-শক্তিয়ে শৰীৰৰ প্ৰতিটো জীৱকোষকে সঞ্জীৱিত কৰি ৰাখে। তদুপৰি শৰীৰৰ সকলো কাৰ্য্য-কলাপেই উদ্দেশ্যধৰ্ম্মী বা মনোধৰ্ম্মী।

প্ৰাচীন তন্ত্ৰ-শাস্ত্ৰত মন আৰু চেতনাৰ ক্ৰম-বিকাশৰ অৱস্থাসমূহক চক্ৰ বা পদ্ম বুলি অভিহিত কৰা হৈছে। ইয়াতে শৰীৰ আৰু মনৰ মাজত শক্তি বিনিময় ঘটে। শৰীৰৰ শক্তি মানসিক শক্তিলৈ আৰু মানসিক শক্তি শৰীৰৰ শক্তিলৈ ৰূপান্তৰিত হৈ পৰে। এই চক্ৰবিলাক কিছুদূৰ কাল্পনিক। আধুনিক শাৰীৰতত্ত্বৰ দৃষ্টিকোণৰপৰা বিচাৰ কৰি এই চক্ৰবিলাকক স্নায়ুজাল সমষ্টি (Nerve Plexus) বুলি অভিহিত কৰা হ'লেও প্ৰকৃততে এই নাৰ্ভ প্লেক্সাচ্ আৰু চক্ৰবিলাকৰ মাজৰ সম্পৰ্ক ক্ষীণ। তলৰপৰা ওপৰলৈ এই চক্ৰবিলাকৰ নাম যথাক্ৰমে মূলাধাৰ, স্বাধিস্থান, মণিপুৰ, অনাহত, বিশুদ্ধ, আজ্ঞাচক্ৰ আৰু মস্তিষ্কত সহস্ৰাৰ চক্ৰ বা সহস্ৰাৰ পদ্ম।

মূলাধাৰ চক্ৰটো (Sacral Plexus) মেৰু-মজ্জা বা সুষুম্না দণ্ডৰ (Spinal Cord) নিম্নভাগত অৱস্থিত। এই চক্ৰটোৱে শৰীৰৰ বহিঃভাগত অৱস্থিত প্ৰজনন যন্ত্ৰসমূহৰ কাৰ্য্য-কলাপৰ উৎস আৰু নিয়ন্ত্ৰক। মূলাধাৰ চক্ৰৰ ওপৰত থকা স্বাধিস্থান চক্ৰৰ (Plexus Hypogastricus) কাম হৈছে গ্ৰন্থিক্ষৰণ আৰু শৰীৰৰ অভ্যন্তৰত থকা প্ৰজনন যন্ত্ৰবিলাকৰ কাৰ্য্য-কলাপৰ নিয়ন্ত্ৰণ। মণিপূৰ চক্ৰটোক শাৰীৰতত্ত্বৰ ভাষাত সৌৰ চক্ৰ (Solar Plexus) বুলি কোৱা হয়। ইয়াৰ কাম শৰীৰৰ পৰিপুষ্টি সাধন। তাতোকৈ ওপৰত থকা অনাহত চক্ৰই (Cardiae Plexus) কলিজাৰ সঙ্কোচন-সম্প্ৰসাৰণ আৰু ৰক্ত-সংবহন কাৰ্য্যৰ তদাৰক কৰে। বিশুদ্ধ চক্ৰৰ (Cervical Plexus) কাম হৈছে শ্বাস-প্ৰশ্বাস আৰু শৰীৰৰ দহন-কাৰ্য্য, ৰাসায়নিক বিনিময় ইত্যাদি কাৰ্য্য-কলাপৰ নিয়ন্ত্ৰণ। আজ্ঞা চক্ৰটো সুষুম্না দণ্ডৰ শীৰ্ষভাগত (Medulla Oblongata) অৱস্থিত। ইয়াৰ সম্পৰ্ক শৰীৰৰ স্বতঃক্ৰিয় স্নায়ুতন্ত্ৰৰ কাৰ্য্যৰ লগত। বিজ্ঞানে দেখুৱাইছে যে স্বতঃক্ৰিয় স্নায়ুতন্ত্ৰই (Autonomic Nervous System) আমাৰ কলিজাৰ বেগ, তেজৰ চাপ, নিয়ন্ত্ৰণ আৰু পৰিপাক কাৰ্য্য আদিক পৰিচালনা কৰে। সহস্ৰাৰ চক্ৰ বা সহস্ৰাৰ পদ্মটো আমাৰ মস্তিষ্ক আৰু তৎসংলগ্ন পিটুইটাৰি গ্ৰন্থিত (Pituitary gland) অৱস্থিত। ই আমাৰ সকলো ঐচ্ছিক কাৰ্য্য আৰু উচ্চতৰ মানসিক কাৰ্য্য-ক্ষমতাৰ উৎস।

তন্ত্ৰ-শাস্ত্ৰই কয় যে মূলাধাৰ চক্ৰত সুপ্ত হৈ থকা কুণ্ডলিনী শক্তি জাগ্ৰত হৈ ঊৰ্দ্ধগতিৰদ্বাৰা সহস্ৰাৰ পদ্মত উপনীত হ'লে জীৱই মুক্তিলাভ কৰে। স্বাভাৱিকভাৱেই জাগ্ৰত হৈ উঠোঁতে বহু বছৰ সময় লাগে। কিন্তু তান্ত্ৰিক সাধনাৰদ্বাৰা কম সময়ৰ ভিতৰতে সুপ্ত কুণ্ডলিনী শক্তিক জগাই তুলিব পাৰি। এই কুণ্ডলিনী শক্তিক আধুনিক মনোবিদ্যাৰ ভাষাত লিবিডো (Libido) বুলি অভিহিত কৰিব পাৰি। মনোবিজ্ঞানী ডাঃ ফ্ৰয়েডে লিবিডোক কামশক্তি (Sexual Energy) আখ্যা দি ভালেখিনি ভুল বুজা-বুজিৰ সৃষ্টি কৰিছে। প্ৰকৃততে লিবিডো হৈছে আদিম অখণ্ড চেতনা বা Undifferentiated Primordial Consciousness আৰু ইয়াৰ উৎস হৈছে ইড্ (Id) বা সহজাত মন। যোগসিদ্ধ পুৰুষ স্বামী অভেদানন্দৰ

মতেও ইড্ বা সহজাত মনেই কুণ্ডলিনী শক্তিৰ আধাৰ। স্বামী অভেদানন্দৰ মতে কুণ্ডলিনী শক্তিৰ জাগৰণৰ প্ৰকৃত অৰ্থ হৈছে জীৱত চৈতন্যৰ সঞ্চাৰ।

প্ৰখ্যাত মনোবিজ্ঞানী ডাঃ কাৰ্ল গুষ্টাভ্ ইয়ুঙেও ইডক প্ৰসুপ্ত জীৱনী-শক্তি বুলিহে ভাবে। যিহেতুকে সহজাত মন বা ইডৰ গৰ্ভত মানৱ জাতিৰ মানসিক ক্ৰম-বিকাশৰ সমগ্ৰ ইতিহাসৰ লগতে ব্যক্তিৰ ভৱিষ্যৎ জীৱনৰ সকলো মানসিক সম্ভাৱনাৰ বীজ নিহিত থাকে, সেই হেতুকে অতীজৰ ভাৰতীয় মনীষীসকলে সম্ভৱতঃ ইড্ বা সহজাত মনকে কাৰণ-জ্ঞান (Causal consciousness) বুলি অভিহিত কৰিছিল।

অতীজৰ আৰ্য্য ঋষিসকলে চেতনাৰ তিনিটা অৱস্থাৰ কথা উল্লেখ কৰি গৈছে। সেই তিনিটা অৱস্থা হৈছে যথাক্ৰমে জাগ্ৰত চেতনা, স্বপ্ন চেতনা আৰু সুষুপ্তি বা স্বপ্নশূন্য গভীৰ নিদ্ৰাৱস্থাৰ চেতনা। হিন্দুসকলৰ মন্ত্ৰৰ আৰম্ভণিতে থকা 'ওঁ' (উচ্চাৰণ অ-উ-ম্)-ৰ 'অ' আখৰটোৱে জাগ্ৰত চেতনা, 'উ' আখৰটোৱে স্বপ্ন চেতনা আৰু 'ম্' আখৰটোৱে স্বপ্নবৰ্জ্জিত গভীৰ নিদ্ৰাৱস্থাৰ চেতনাক বুজায়। জাগ্ৰত চেতনাৰ অৱস্থাটোত আমাৰ মনে দেহেন্দ্ৰিয়বিলাকৰ মাধ্যমেৰে বাহিৰৰ জগতখনৰ লগত নিজৰ সম্পৰ্ক স্থাপন কৰে। স্বপ্নাৱস্থাত আমাৰ সম্পৰ্ক স্থাপিত হয় ভাব-জগতৰ লগত। কাৰণ স্বপ্নত আমি দেখা ঘটনাবিলাক একান্তভাৱে আমাৰ মনৰ সৃষ্টি। জাগ্ৰত চেতনা আৰু স্বপ্ন চেতনা দুয়োটা ক্ষেত্ৰতে আমাৰ অহংবোধ বা 'মই' ভাবটো সক্ৰিয় হৈ থাকে।

এক হিচাপে চাবলৈ গ'লে একেসময়তে আমি কেবাখন জগতত বাস কৰোঁ। আমাৰ তেজ-মঙহৰ স্থূল শৰীৰটো থাকে ত্ৰিমাত্ৰাবিশিষ্ট (Three dimensional) পদাৰ্থ-জগতত। কিন্তু আমাৰ মন বাস কৰে এক-মাত্ৰাবিশিষ্ট ভাব-জগতত। ভাবৰ দীঘ-পুতল বা ঘনত্ব নাথাকে কাৰণে ভাব জগতক একমাত্ৰাবিশিষ্ট (One dimensional) বুলি গণ্য কৰা হয়। যিহেতুকে আমাৰ মনে কেৱল নিজতে ঘটা ঘটনাহে প্ৰত্যক্ষ কৰিব পাৰে, সেই হেতুকে পদাৰ্থ-জগতৰ ঘটনাবিলাক ভাব-জগতৰ ঘটনালৈ ৰূপান্তৰিত হৈ নপৰিলে আমি তেনেবিলাক ঘটনাৰ অস্তিত্বকে অনুভৱ কৰিব নোৱাৰোঁ। আমি স্বপ্নত গ্ৰহণ কৰা শৰীৰটোৱো ভাব-শৰীৰহে।

আমি জানো যে জাগ্ৰত চেতনাৰ অৱস্থাত আমি বস্তুৰ নাম কিম্বা বস্তুৰ ৰূপক অৱলম্বন কৰি চিন্তা কৰোঁ। যি বস্তুৰ নাম নাথাকে বা আকৃতিও নাথাকে, তেনে বস্তুৰ বিষয়ে আমি একোকে চিন্তা কৰিব নোৱাৰোঁ। কিন্তু স্বপ্নত চিন্তা কৰোঁতে বস্তুৰ নাম নাজানিলেও চলে। কাৰণ স্বপ্নত ভাষা বা ধ্বনি প্ৰতিৰূপক অৱলম্বন কৰি আমি চিন্তা নকৰোঁ। স্বপ্নত চিন্তা, আৱেগ আৰু কামনা-বাসনাই সততে স্থূল চাক্ষুষ ঘটনাৰ ৰূপ ধাৰণ কৰে। আকৌ স্বপ্নত জাগি উঠা অহংবোধ বা 'মই' ভাবটোক দেহবিমুক্ত 'মই' (Disembodied self) বুলিহে ক'ব পাৰি। কাৰণ শৰীৰত সৃষ্টি হোৱা উত্তেজনাই স্বপ্ন ৰচনাৰ ক্ষেত্ৰত উদ্বোধকৰ (Stimulas) ভূমিকা গ্ৰহণ কৰিলেও স্বপ্ন দেখি থকা সময়খিনিত বিচনাত শুই থকা তেজ-মঙহৰ শৰীৰটোলৈ এবাৰো আমাৰ মনত নপৰে। অৱশ্যে ইয়াত স্বপ্ন-চেতনাৰ কথা কওঁতে কেৱল টোপনিত দেখা স্বপ্নৰ কথাকে বুজোৱা হোৱা নাই। স্বপ্ন আৰু অলীক কল্পনা সমন্বিতে সমগ্ৰ মনোজগতখনকে সামৰি লোৱা হৈছে।

জাগ্ৰত চেতনা আৰু স্বপ্ন চেতনাৰ কথা কিছুদূৰ বুজিব পৰা গ'লেও সুষুপ্তি বা স্বপ্নশূন্য গভীৰ টোপনি অৱস্থাতো আমাৰ চেতনা বৰ্ত্তি থাকে বুলি বিশ্বাস কৰিবলৈ আমি টান পাওঁ। কাৰণ য'ত অহংবোধ বা 'মই' নাথাকে, ত'ত চেতনাৰ অস্তিত্ব কেনেকৈ সম্ভৱ হ'ব পাৰে? কিন্তু মনস্তত্ত্বৰ আলোচনা কৰোঁতে আমি অহং চেতনাৰ কথাতে ধৰি থকা অনুচিত। কাৰণ কুৰি শতিকাৰ মনোবিজ্ঞাই দেখুৱাইছে যে অহংবোধ বা 'মই'ৰ অনুপস্থিতিতো মানসিক ঘটনাৰ প্ৰৱাহ অবিৰতভাৱে চলি থাকে। নিজৰ মনৰ প্ৰতি লক্ষ্য কৰিলেই আমি বুজিব পাৰোঁ যে জাগ্ৰত অৱস্থাতো অধিকাংশ সময়তে আমি নিজৰ অলক্ষিতে চিন্তা কৰি থাকোঁ। হিন্দু শাস্ত্ৰকাৰসকলে কয় যে গভীৰ টোপনিৰ অৱস্থাটোত আমাৰ অহংচেতনা প্ৰাণসত্তাত বিলীন হৈ যায়। তেতিয়া দৰ্শন, স্পৰ্শন, আঘ্ৰাণ আদি ইন্দ্ৰিয় বৃত্তিসমূহে প্ৰাণৰ বুকুত আশ্ৰয় গ্ৰহণ কৰে, গতিকে সুষুপ্তি হৈছে আত্মবোধশূন্য আদিম অখণ্ড চেতনা (Undifferentiated Primordial Consciousness unconscious of itself) যিহক অৱলম্বন কৰি দুশ আশীটা দিন আমি মাতৃগৰ্ভত অতিবাহিত কৰিছিলোঁ।

কিন্তু অতীজ কালত মনস্তত্ব আধ্যাত্মতত্বৰ সৈতে ওতঃপ্ৰোতঃভাৱে জড়িত থকাৰ কাৰণে আত্মাৰ অস্তিত্ব স্বতঃসিদ্ধ বুলি মানি নল'লে, সেই যুগৰ মনীষীসকলৰ মতবাদৰ তাৎপৰ্য্য উপলব্ধি কৰা টান। ভাববাদী দাৰ্শনিকৰ মতে আত্মা নিৰাকাৰ; আনকি আত্মা দেহ-মনৰ সীমাৰ ভিতৰতো আৱদ্ধ হৈ নাথাকে। এই নৈৰ্ব্যক্তিক সৰ্ব্বব্যাপী আত্মাক অতীজৰ মনীষীসকলে পৰমাত্মা বা নিৰ্ব্বিশেষ ব্ৰহ্ম বুলি অভিহিত কৰিছিল। এই পৰমাত্মাই যেতিয়া ব্যক্তি বিশেষৰ শৰীৰ মাধ্যমেৰে নিজক প্ৰকাশ কৰিবলৈ লয়, তেতিয়া সি ব্যক্তিগত আত্মা বা জীৱাত্মা ৰূপে প্ৰতীয়মান হৈ পৰে। গতিকে প্ৰকৃততে জীৱাত্মা আৰু পৰমাত্মা অভিন্ন। মনৰ সহায়ত জীৱাত্মাই নিজক কৰ্ত্তা, জ্ঞাতা বা ভোক্তা স্বৰূপে অনুভৱ কৰিবলৈ লয়। আনুহাতে পৰমাত্মা নিৰ্লিপ্ত আৰু নিৰ্ব্বিকাৰ। উপনিষদৰ ঋষিয়ে এটা সুন্দৰ উপমাৰদ্বাৰা জীৱাত্মা আৰু পৰমাত্মাৰ মাজত থকা সম্পৰ্কৰ কথাটো বুজাবলৈ চেষ্টা কৰিছে। জীৱাত্মা আৰু পৰমাত্মা যেন একেটা ডালতে বহি থকা দুটি পক্ষী। সিহঁত পৰস্পৰে সখি আৰু সিহঁত সদায় একেলগে বাস কৰে। এই পক্ষী দুটিৰ এটাই আনন্দ মনেৰে গছৰ সুস্বাদু ফল ভক্ষণ কৰে। আনটোৱে নিজে উপবাস কৰি কেৱল চাই থাকে।

এইটো উল্লেখযোগ্য যে পাশ্চাত্যৰ দৰ্শনত মন আৰু আত্মা সমাৰ্থক হ'লেও ভাৰতীয় দৰ্শন-শাস্ত্ৰত মন আৰু আত্মাক সুকীয়া সুকীয়া তত্ব স্বৰূপে গ্ৰহণ কৰা হৈছে। ভাৰতীয় দৰ্শন-শাস্ত্ৰৰ মতে আত্মা হৈছে জ্ঞাতা, যি মন আৰু দেহেন্দ্ৰিয়ৰ জৰিয়তে বাহিৰৰ জগতখনৰপৰা জ্ঞানৰ সমল আহৰণ কৰে। আত্মা নিজে জ্ঞানৰ বিষয় হ'ব নোৱাৰে। অদ্বৈতবাদী দাৰ্শনিক শঙ্কৰাচাৰ্য্যৰ মতে আত্মা নিজ জ্যোতিৰে জ্যোতিস্মান বিশুদ্ধ বিজ্ঞান স্বৰূপ। গতিকে জাগ্ৰত, স্বপ্ন আৰু সুষুপ্তি কোনো অৱস্থাতে আত্মাৰ বিলুপ্তি ঘটিব নোৱাৰে। তেজ-মঙহৰ স্থূল শৰীৰ বিনষ্ট হৈ গ'লেও আত্মাৰ ধ্বংস নাই। জনা যায় যে অতীজৰ গ্ৰীক মনীষীসকলেও আত্মাক বিশুদ্ধ প্ৰজ্ঞা স্বৰূপে কল্পনা কৰিছিল।

পাছৰ যুগৰ ইয়োৰোপীয় দাৰ্শনিকসকলৰ ভিতৰত লাইব্‌নিজৰ ধাৰণা মতে আত্মা সকলো অৱস্থাতে প্ৰাণময় আৰু গতিচঞ্চল। আনহাতে

দাৰ্শনিক ইমানুয়েল কাণ্টৰ মতে আত্মা হৈছে বিবিধ সংবেদন প্ৰৱাহৰ মাজৰ ঐক্য বিধায়ক শক্তিস্বৰূপ। কাণ্টে মানুহৰ আত্মাক আনুভৱিক আত্মা (Empirical self) আৰু পাৰমাৰ্থিক আত্মা (Transcendental self) এনেকুৱা দুটা ৰূপত কল্পনা কৰিছিল। প্ৰথমটোৰদ্বাৰা আমি ঘটনা বহুল জগতখনৰ বিষয়ে অৱগত হওঁ। দ্বিতীয় অৰ্থাৎ পাৰমাৰ্থিক আত্মা আধ্যাত্মবোধ আৰু নৈতিক চেতনাৰ আধাৰ। আকৌ পাশ্চাত্যে দাৰ্শনিক ডেভিড্‌ হিউম আছিল কম-বেছি চাৰ্ব্বাকপন্থী। হিউমে শাশ্বত আত্মাৰ অস্তিত্বত বিশ্বাস নকৰিছিল। কাৰণ তেওঁৰ মতে আত্মা হৈছে বিবিধ সংস্কাৰ আৰু সংবেদন প্ৰৱাহৰ সমষ্টি মাথোন।[৫] মুঠতে নানা মুনিৰ নানা মত। দৰ্শন শাস্ত্ৰৰ আও-ভাও নুবুজা সৰ্ব্বসাধাৰণ মানুহে তিমানলৈ নগৈ আত্মাক স্থূল শৰীৰৰ এটা ছায়াময় ৰূপ বুলি ভাবে। সম্ভৱতঃ স্থূল শৰীৰৰ ছায়াময় ৰূপটোকে আজিৰ যুগৰ প্ৰেত-বিজ্ঞানীসকলে 'Astral double' বা 'shadowy duplicate' বুলি অভিহিত কৰিছে।

(ঘ)

কুৰি শতিকাৰ মনোবিজ্ঞানীয়ে আত্মা-পৰমাত্মাৰ কথা চিন্তা কৰি মূৰ ঘমাব নোখোজে। প্ৰাণীৰ শৰীৰটো পঞ্চ মহাভূতৰদ্বাৰা নিৰ্ম্মিত বুলিও তেওঁলোকে বিশ্বাস নকৰে। কাৰণ তেওঁলোকে নিশ্চিতভাৱে জানিব পাৰিছে যে পৃথিৱী আৰু তাৰ বায়ুমণ্ডলত যি এশ তিনিবিধমান মৌলিক পদাৰ্থৰ সন্ধান পোৱা গৈছে, তাৰে কেইবিধমান পদাৰ্থৰ ৰাসায়নিক সংযোগৰ ফলতে জীৱন্ত প্ৰাণীৰ শৰীৰটো নিৰ্ম্মিত হৈ পৰিছে। প্ৰাণীৰ শৰীৰত থকা প্ৰটোপ্লাজমৰ (Protoplasm) যাই যাই ৰাসায়নিক

(৫) As for my part when I enter most intimately into what I *call* 'Myself' I always stumble on some particular perception or other, of heat or cold, light or shade, love or hatred and pain or pleasure. I never catch myself without perception. When my perceptions are removed for any time as by sound sleep, so long I am insensible of 'Myself' and may be truly said not to exist.

—*David Hume*

উপাদানসমূহ হৈছে—কাৰ্ব্বন, হাইড্ৰোজেন, নাইট্ৰোজেন, গন্ধক, অম্লজান আৰু ফচ্‌ফৰাচৰ দৰে মৌলিক পদাৰ্থ কিছুমান। মস্তিষ্কৰপৰা চেতনাৰ স্ফুৰণ হয় বুলিও আজিৰ যুগৰ মনোবিজ্ঞানীয়ে বিশ্বাস নকৰে। কুৰি শতিকাৰ মনোবিজ্ঞানীয়ে এইটো স্পষ্টভাৱে উপলব্ধি কৰিব পাৰিছে যে মানুহৰ মস্তিষ্কত থকা লক্ষ লক্ষ স্নায়ুকোষৰ গৰ্ভত মন বা চেতনাক বিচাৰি ফুৰা পণ্ডশ্ৰম মাথোন। মস্তিষ্কৰ কাৰ্য্য-কলাপ আৰু মনৰ কাৰ্য্য-কলাপক একেশাৰীত পেলাব নোৱাৰি।

তদুপৰি কুৰি শতিকাৰ মনোবিজ্ঞানীয়ে ভাবে যে প্ৰখৰ আত্মচেতনা নহয়, মানুহৰ শৰীৰৰ কোষবিলাকৰ উদ্দেশ্যধৰ্ম্মী আচৰণহে মনৰ সৰ্ব্বাতোকৈ আদিম অভিব্যক্তি। কাৰ্ব্বন, হাইড্ৰোজেন, নাইট্ৰোজেনৰ দৰে মৌলিক ৰাসায়নিক পদাৰ্থ কিছুমানক একেলগে থূপ খুৱাই থ'লেই জীৱন্ত প্ৰাণীৰ শৰীৰ নিৰ্ম্মিত হৈ নপৰে। এককোষী প্ৰাণীবিলাকৰ মস্তিষ্ক নাথাকে। সিহঁতৰ অহংজ্ঞানো নাথাকে। তথাপি জীয়াই থাকিবৰ কাৰণে সিহঁতে পাৰিপাৰ্শ্বিক জগতৰপৰা খাদ্য আহৰণ কৰে। শৰীৰ বিভাজনৰদ্বাৰা এটা জীৱকোষ বহু কোষত পৰিণত হৈ বংশ বৃদ্ধি কৰে। আমি যেতিয়া এটা নিষিক্ত ডিম্বকোষ (fertilized ovum) হিচাপে মাতৃ গৰ্ভাশয়ত স্থিতিলাভ কৰিছিলোঁ, তেতিয়া আমাৰ শৰীৰত মস্তিষ্ক আৰু অঙ্গ-প্ৰত্যঙ্গৰ একো চিন-চাব নাছিল। অথচ এনে এটা অৱস্থাতো আমি নিজে ক'ব নোৱাৰাকৈয়ে মাতৃৰ শৰীৰৰপৰা পৰিপুষ্টি আহৰণ কৰি তিলে তিলে নিজৰ শৰীৰটো গঢ়ি তুলিছিলোঁ। নিষিক্ত কোষটোৰ এনে আচৰণ যে উদ্দেশ্যধৰ্ম্মী তাত সন্দেহ নাই। উদ্ভিদকে ধৰি সকলো জীৱন্ত প্ৰাণীৰ ক্ষেত্ৰতে এনেকুৱা উদ্দেশ্যধৰ্ম্মী আচৰণৰ দৃষ্টান্ত পোৱা যায়। ভ্ৰূণৰ আচৰণ আৰু তাৰ দৈহিক বিকাশ যে পূৰ্ব্বপৰিকল্পিত এই কথাত বিশ্বাস কৰিবলৈ উগ্ৰ আচৰণবাদী মনোবিজ্ঞানীয়ে হয়তো ইতঃস্ততঃ কৰিব। কিন্তু বংশগতিৰ (Heredity) কথা মানি ল'লে জীৱন্ত প্ৰাণীৰ দৈহিক সংগঠন যে পূৰ্ব্বপৰিকল্পিত সেই কথা মানি ল'বলৈকো আমি বাধ্য হৈ পৰোঁ। মন বুলি বিবেচনাক্ষম শক্তি এটা আৰম্ভণিৰেপৰা জীৱন্ত প্ৰাণীৰ শৰীৰত কাৰ্য্যৰত নাথাকিলে উদ্দেশ্যধৰ্ম্মী আচৰণ কেতিয়াও সম্ভৱ হ'ব নোৱাৰে।

কুৰি শতিকাৰ মনোবিদ্যা নানা প্ৰত্যাহ্বানৰ সম্মুখীন হৈছে। সেই প্ৰত্যাহ্বান আহিছে যাইকৈ প্ৰেত-বিজ্ঞান বা 'স্পিৰিচুয়েলিজম'ৰ (spiritualism) ফালৰপৰা। পৃথিৱীৰ কোটি কোটি মানুহে বিদেহী আত্মাৰ অস্তিত্বত বিশ্বাস কৰে। মনোৱীক্ষণ তত্ত্বয়ো দেখুৱাইছে যে বিদেহী আত্মাৰ অস্তিত্বত বিশ্বাস অন্ধবিশ্বাসৰ চামিল হ'ব নোৱাৰে। কাৰণ ভূত-প্ৰেত আৰু দেৱতা-অপদেৱতাৰ অলেখ কাহিনী আমাৰ সমষ্টিগত অচেতন মনৰ গৰ্ভত সুপ্ত হৈ পৰি আছে। অনুকূল পৰিস্থিতিৰ উদ্ভৱ হ'লেই এই কাহিনীবিলাকে জীৱন্ত ৰূপ ধাৰণ কৰি মানুহৰ চিত্তবিভ্ৰম ঘটাব পাৰে। পৃথিৱীৰ বহুতো সভ্য দেশত আত্মিক গৱেষণা-সংস্থা গঢ়ি উঠিছে। অত্যাধুনিক বৈজ্ঞানিক যন্ত্ৰ-পাতিৰে সুসজ্জিত এনেবিলাক আত্মিক গৱেষণা-কেন্দ্ৰত কেৱল বিদেহী আত্মাৰ সাক্ষাৎ লাভ কৰাই নহয়, সিহঁতৰ লগত কথোপকথন আৰু সিহঁতৰ আলোকচিত্ৰ গ্ৰহণ কৰাও সম্ভৱ হৈ উঠিছে। খ্যাতনামা বৃটিছ বিজ্ঞানী চাৰ অলিভাৰ লজে পৃথিৱীত জীয়াই থকা কালতে বহু বছৰ ধৰি পাৰলৌকিক জীৱনৰ বিষয়ে গৱেষণা চলাইছিল। মৃত্যুৰ পিছত চাৰ অলিভাৰ লজৰ বিদেহী আত্মাই যোৱা ১৯৪১ আৰু ১৯৪৪ চনত মিচেচ্ অচ্‌বৰ্ণ লিওনাৰ্ড নামৰ 'মিডিয়াম' এগৰাকীৰ মাধ্যমেৰে পৃথিৱীৰ মানুহৰ লগত সংযোগ স্থাপন কৰা ঘটনাই সেই কালৰ বুদ্ধিজীৱী আৰু বিজ্ঞানীৰ সমাজত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে তেখেতৰ জীৱিতাৱস্থাত জ্যোতিৰিন্দ্ৰ নাথ ঠাকুৰ, কাদম্বৰী দেৱী আৰু নিজৰ স্বৰ্গগতা পত্নী মৃণালিনীকে ধৰি ভালেমান সম্ভ্ৰান্ত লোকৰ পৰলোকগত আত্মাৰ সৈতে মিডিয়ামৰ জৰিয়তে যোগাযোগ স্থাপন কৰিছিল। বিভিন্ন দেশৰ আত্মিক গৱেষণা-সংস্থাবিলাকে প্ৰকাশ কৰা তথ্যালোচনীবিলাকত বিদেহী আত্মাসম্পৰ্কীয় ভালেমান অলৌকিক কাহিনী পোৱা যায়। তদুপৰি আমেৰিকাৰ এনেকুৱা আত্মিক গৱেষণা-কেন্দ্ৰত উইল্‌চন্‌চ্ ক্লাউড চেম্বাৰৰ (Wilson's Cloud Chamber) ভিতৰত সদ্য মৃত এন্দুৰ, নিগনি, ফৰিং আদি ইতৰ প্ৰাণীৰ বিদেহী আত্মাই সিহঁতৰ মৃত্যুৰ অলপ পৰৰ পাছতে সূক্ষ্ম শৰীৰ গঢ়ি তোলাৰ দৰে অলৌকিক ঘটনা স্বচক্ষে প্ৰত্যক্ষ

কৰা বুলিও গৱেষণাকাৰীসকলে দাবী কৰিছে। এই আত্মিক গৱেষণাত অংশ গ্ৰহণ কৰা ব্যক্তিসকলৰ ভিতৰত ভালেসংখ্যক পদাৰ্থবিজ্ঞানী মনস্তত্ত্ব বিশাৰদ আৰু খ্যাতনামা চিকিৎসকো আছে, যিসকলে পৰলোকৰ ৰহস্য উদ্‌ঘাটন কৰিবলৈ যৎপৰোনাস্তি চেষ্টা চলাইছে আৰু যাৰ আন্তৰিকতা বা সততাত অবিশ্বাস কৰিবৰ একো কাৰণ নাই।

বিভিন্ন দেশৰ জাতিস্মৰসকলৰপৰা সংগ্ৰহ কৰা তথ্য-পাতি কিছুমানেও পৰলোকৰ অস্তিত্বত আমাক বিশ্বাসী কৰি তোলে। ১৯৬০ চনৰপৰা ১৯৭৫ চনলৈকে এই পোন্ধৰ বছৰ সময়ছোৱাৰ ভিতৰত আমেৰিকাৰ ভাৰ্জিনিয়া বিশ্ববিদ্যালয়ৰ পৰা-মনস্তত্ত্ব (Parapsychology) বিভাগে ডাঃ আয়ান ষ্টিভেন্সনৰ (Dr. Ian Stevenson) নেতৃত্বত বিভিন্ন দেশত অনুসন্ধান চলাই ১৪১৪ টা পুনৰ্জ্জন্মৰ কাহিনী সংগ্ৰহ কৰিছিল, যাৰ ভিতৰত ১৪৭টা কাহিনী আছিল ভাৰতৰ। সকলোবিলাক কাহিনী বিশ্বাসযোগ্য নহ'লেও কিছুমান কাহিনীয়ে নিঃসন্দেহে পাৰলৌকিক জীৱনৰ অস্তিত্ব প্ৰমাণ কৰে। পৰা-মনোবিজ্ঞানীসকলে পূৰ্ব্বজন্মৰ সংৰক্ষিত স্মৃতিক মস্তিষ্ক-বহিৰ্ভূত-স্মৃতি (Extra-cerebral-memory) বুলি অভিহিত কৰে।

ইয়াৰ বাহিৰেও টেলিপেথি, দিব্যদৰ্শন, দিব্যশ্ৰৱণ আৰু ভৱিষ্যদ্বাণী-সূচক স্বপ্নৰ দৰে পৰা-মনস্তাত্ত্বিক ঘটনা কিছুমানে মনোবিজ্ঞানীসকলক পূৰ্ব্বৰ গোড়া দৃষ্টিভঙ্গি পৰিহাৰ কৰি নতুন দৃষ্টিভঙ্গি গ্ৰহণ কৰিবলৈ বাধ্য কৰিছে। কুৰি শতিকাৰ মনোবিজ্ঞানীয়ে এই অপ্ৰিয় সত্যটো মৰ্ম্মে মৰ্ম্মে উপলব্ধি কৰিব পাৰিছে যে "There are more things in heaven and earth than are dreamt of by the philosophers." ৰামক বাদ দি ৰামায়ণ ৰচনা কৰিবলৈ লোৱাৰ দৰে ১৯ শতিকাৰ মনো-বিজ্ঞানীয়ে প্ৰকাৰান্তৰে মনক বাদ দি মনস্তত্ত্বৰ সৌধ ৰচনা কৰিবলৈ চেষ্টা কৰিছিল। এইসকল মনোবিজ্ঞানীয়ে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে মস্তিষ্কৰ কাৰ্য্যৰত অৱস্থাটোৱেই মনৰূপে প্ৰতীয়মান হৈ পৰে। গতিকে যি ঘটনা আমাৰ মস্তিষ্কত ঘটা নাই, কিম্বা বাহিৰৰ জগতৰ যিবিলাক ঘটনাই দেহেন্দ্ৰিয়ৰ জৰিয়তে মস্তিষ্কত একো আলোড়নৰ সৃষ্টি কৰা নাই,

তেনেবিলাক ঘটনা কেতিয়াও আমাৰ প্ৰত্যক্ষজ্ঞানৰ বিষয় হ'ব নোৱাৰে। বৰ্ত্তমান শতিকাৰ আৰম্ভণিতে ডাঃ চিগ্‌মণ্ড্‌ ফ্ৰয়েডৰ ডাইনামিক চাইক'লজী (Dynamic psychology) বিষয়ক নব্য মতবাদে মনোবিজ্ঞানীৰ সমাজত কিছু আলোড়নৰ সৃষ্টি কৰিলেও সি মনোবিদ্যাক ১৯ শতিকাৰ জড়বাদ আৰু যন্ত্ৰবাদৰ প্ৰভাৱমুক্ত কৰিব নোৱাৰিলে। এতিয়াও উগ্ৰ আচৰণবাদীসকলৰ দৰে একসংখ্যক মনোবিজ্ঞানীৰ সাক্ষাৎ পোৱা যায়, যিসকলে পোনপটীয়াভাৱে মনৰ অস্তিত্ব অস্বীকাৰ নকৰিলেও মনক স্বয়ংক্ৰিয় সত্তা হিচাপে স্বীকৃতি দিবলৈ কুণ্ঠাবোধ কৰে।

তথাপি আমি এইটো স্বীকাৰ কৰিবই লাগিব যে ডাঃ ফ্ৰয়েডৰদ্বাৰা অচেতন মনৰ আৱিষ্কাৰে কুৰি শতিকাৰ মনোবিজ্ঞানীসকলক নতুন পথৰ সন্ধান দিলে। তেওঁলোকে বুজিব পাৰিলে যে চেতন মনক জানিলেই সমগ্ৰ মনক জানি পেলোৱা নহয়। কাৰণ চেতন মন আমাৰ সমগ্ৰ মনৰ এটা ক্ষুদ্ৰ ভগ্নাংশ মাথোন। তদুপৰি তেওঁলোকে দেখা পালে যে সচেতন মানস-স্তৰত আমাৰ অহংবোধ একক সত্তাৰূপে প্ৰতীয়মান হ'লেও অৱচেতন বা নিৰ্জ্জান মানস-স্তৰত সি যেন বহু সত্তালৈ ৰূপান্তৰ হৈ যায়। এনেকুৱা নিৰ্জ্জান 'মই'বিলাকক অধঃচেতন ব্যক্তিত্ব (Infraconscious Personalities) বুলি অভিহিত কৰিব পাৰি। সম্ভৱতঃ অচেতন মনত আত্মগোপন কৰি থকা ৰাগাত্মক স্মৃতিসমষ্টিক কেন্দ্ৰ কৰি এই অধঃচেতন ব্যক্তিত্বসমূহ গঢ়ি উঠে। এনেকুৱা অধঃচেতন ব্যক্তিত্ববোধৰ আকস্মিক উদ্গীৰণে আমাৰ যুক্তিচালিত সচেতন মনৰ বিচাৰ-বিবেচনাক পৰাভূত কৰি আমাক অপকৰ্ম্মত লিপ্ত কৰিবও পাৰে। মন স্বাভাৱিক অৱস্থালৈ ঘূৰি অহাৰ পাছত হয়তো আমি কওঁ—"সেই সময়খিনিত মই 'মই' হৈ থকা নাছিলোঁ। আন কিবা হে হৈ পৰিছিলোঁ।" ইয়াৰদ্বাৰা বুজা যায় যে অহংবোধ আমাৰ মনৰ সৰ্ব্বময় কৰ্ত্তা নহয়। মনহে নালাগে আমাৰ শৰীৰৰ ভালেমান কাৰ্য্য-কলাপো আমাৰ অহংবোধৰ নিয়ন্ত্ৰণাধীন নহয়।

ডাঃ ফ্ৰয়েডৰ ডাইনামিক চাইক'লজীৰ সূত্ৰ অৱলম্বন কৰি কুৰি শতিকাৰ মনোবিজ্ঞানীয়ে মনৰ অধিক গভীৰতাত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰিছে। তেওঁলোকে জানিব পাৰিছে যে সাধাৰণভাৱে অৱচেতন মনৰ প্ৰকৃতি

নির্জ্জান বা অচেতন হ'লেও অৱচেতন মানসিক কার্য্য-কলাপৰো বিভিন্ন স্তৰ আছে, যিহক মনোবিজ্ঞানীসকলে 'Not-Self' বা 'Psychical Non-Ego' বুলি অভিহিত কৰিছে। অৱচেতন মনৰ গভীৰতালৈ দৃষ্টি নিক্ষেপ কৰিলে সৰ্ব্বপ্ৰথমে আমাৰ দৃষ্টিত ধৰা পৰে আমাৰ শৰীৰৰ জৈৱিক কার্য্য-কলাপৰ নিয়ন্ত্ৰণকাৰী জৈৱিক মনৰ স্তৰ। জৈৱিক মনৰ পাছতে আমাৰ চকুত পৰে অপৰোক্ষ জ্ঞান বা অন্তঃপ্ৰজ্ঞাৰ (Intuition) স্তৰ। তাতোকৈ গভীৰতাত লুকাই থাকে আদিম চিন্তা-প্ৰতিৰূপ (Archetype or Primordial thought pattern) আৰু আদিম প্ৰেৰণতাৰ স্তৰ। সৰ্ব্বশেষত অৰ্থাৎ মনৰ গভীৰতম প্ৰদেশত আমি দেখা পাওঁ অতিপ্ৰাকৃতিক বোধ বা দিব্যজ্ঞানৰ (Visionery experience) স্তৰ। আমি আগতে পাই আহিছোঁ। যে অতীজ ভাৰতৰ ত্ৰিকালজ্ঞ আৰ্য্য ঋষিসকলেও এনেকুৱা ব্যাপক দৃষ্টিকোণৰপৰা মনক নিৰীক্ষণ কৰি কৰি আমাৰ মনোদৈহিক সত্তাত পাঁচোটা কোষ বা স্তৰৰ অস্তিত্ব ঠাৱৰ কৰিছিল, যিহক আধুনিক মনস্তত্ত্বৰ ভাষাত মনোজৈৱিক কাৰ্য্য-কলাপৰ স্তৰ (Levels of Phychobiological functioning) বুলি অভিহিত কৰা হয়।

*কুৰি শতিকাৰ দ্বিতীয়াৰ্দ্ধত প্ৰৱেশ কৰি ১৯ শতিকাৰ জড়বাদ আৰু যন্ত্ৰবাদে বহু পৰিমাণে নিজৰ খোপনি হেৰুৱাই পেলাইছে। কাৰণ আজি আপেক্ষিকতাবাদ আৰু কোৱাণ্টাম্‌বাদৰ যুগত বিজ্ঞানীৰ দৃষ্টিত জড়-পৰমাণু, প্ৰটন, ইলেক্‌ট্ৰন, নিউট্ৰন আদি তড়িৎ-কণাৰ সমষ্টি স্বৰূপেহে প্ৰতীয়মান হৈছে। উনৈশ শতিকাৰ উৎকট জড়বাদৰ স্থান দখল কৰি পেলাইছে নিসৰ্গবাদ বা প্ৰকৃতিবাদে। অৱশ্যে এই নিসৰ্গবাদ পূৰ্ব্বৰ জড়বাদৰে নতুন সংস্কৰণ মাথোন। নিসৰ্গবাদে প্ৰাণ আৰু মনৰ বৈশিষ্ট্যৰ কথা অস্বীকাৰ নকৰে। নিসৰ্গবাদীসকলে ভাবে যে ক্ৰম-বিৱৰ্ত্তনৰ পথেৰে আগুৱাই আহি জড় পদাৰ্থ যেতিয়া জীৱন্ত পদাৰ্থত পৰিণত হয়, কিম্বা জীৱন্ত পদাৰ্থৰ বুকুত যেতিয়া চেতনাৰ স্পন্দন জাগি উঠে, তেতিয়া জড় পদাৰ্থত পূৰ্ব্বতে নথকা নতুন নতুন গুণৰ আৱিৰ্ভাৱ ঘটে। যুগে যুগে নতুন নতুন গুণৰ সমাৱেশৰ ফলতে জড় পদাৰ্থই পূৰ্ব্বৰ নিশ্চলতাৰ পৰিৱৰ্ত্তে স্বাধীন সত্তাৰূপে আচৰণ কৰিবলৈ সক্ষম হৈ পৰে। গতিকে জড়বাদী বৈজ্ঞানিকে ভবাৰ দৰে কেৱল

সাংগঠনিক জটিলতাই জড় পদাৰ্থ আৰু জীৱন্ত পদাৰ্থৰ বিভিন্নতাৰ কাৰণ হ'ব নোৱাৰে ; কিম্বা মন জড় পদাৰ্থৰ উন্নততম অৱস্থা বুলি ক'লেও যথেষ্ট কোৱা নহয়। সাংগঠনিক জটিলতা বৃদ্ধিৰ লগতে পদাৰ্থত নতুন গুণৰ আৱিৰ্ভাৱৰ কথাকো সামৰি ল'ব লাগিব। যি হওক মন-প্ৰাণৰ বৈশিষ্ট্য স্বীকাৰ কৰি লোৱাৰ পাছত জড়বাদ যে কিছু পৰিমাণে ভাববাদৰ ওচৰ চাপি আহিছে তাত সন্দেহ নাই। সেয়েহে বিদগ্ধ পণ্ডিত আৰু দাৰ্শনিক বাৰট্ৰেণ্ড্ ৰাচেলে কৈছে যে আজি পাৰমাণৱিক যুগৰ বিজ্ঞানীৰ ধাৰণাত 'Matter' হৈ পৰিছে 'Less material' আৰু 'Mind' হৈ পৰিছে আগৰ তুলনাত "Less mental". অৱশ্যে জড়বাদ আৰু ভাববাদৰ মিলন ঘটিবলৈ এতিয়াও বহুত বাকী।

মনস্তত্ব এটা ভাবাত্মক আৰু বিতৰ্কমূলক বিষয়। মানুহৰ মন এনে এটা সত্তা যাৰ অস্তিত্ব মানুহে নিজেহে অনুভৱ কৰিব পাৰে। আনৰ মন কস্মিন-কালেও আমাৰ সচেতন প্ৰত্যয়ৰ বিষয় হ'ব নোৱাৰে। দুটা হাইড্ৰোজেন পৰমাণু অক্সিজেন পৰমাণু এটাৰ সৈতে ৰাসায়নিকভাৱে লগ লাগিলে তাৰ-পৰা যে পানীৰ অণু এটাৰ সৃষ্টি হৈ পাৰে, তাত অবিশ্বাস কৰিবলৈ একো নাই। কাৰণ বৈজ্ঞানিক পৰীক্ষাগাৰত আপুনি তাৰ প্ৰমাণ চাব পাৰে। তেনেদৰে দুয়ে দুয়ে যোগ কৰিলে যোগফল যে চাৰি হয়, কিম্বা দুডাল সমান্তৰাল সৰল ৰেখাক দুয়ো মূৰে বঢ়াই নি থাকিলেও সিহঁত যে পৰস্পৰে লগ নালাগে, এইবিলাক গাণিতিক স্বতঃসিদ্ধ আৰু সিহঁতক কোনেও অবিশ্বাস নকৰে। কিন্তু মনৰ বেলিকা আমি দেখা পাওঁ কেৱল অনিশ্চয়তা। তাহানি হেৰাক্লিটাচ্ নামৰ গ্ৰীক্ দাৰ্শনিকজনে কৈছিল—"One does not enter the same stream twice". কাৰণ বোঁৱতি সুঁতিৰ পানী একে ঠাইতে কেতিয়াও বৈ নাথাকে। মানসিক ঘটনাৰ বেলিকাও একে কথাই খাটে, সেয়েহে এতিয়াৰপৰা পাঁচ মিনিটৰ পাছত আপোনাৰ মনত কি চিন্তা উদয় হ'ব তাক আপুনি এতিয়াই অনুমান কৰিব নোৱাৰে ; কিম্বা আজি নিশা টোপনিত আপুনি কি স্বপ্ন দেখিব, সেই বিষয়ে ভৱিষ্যৎ-বাণী কৰাও আপোনাৰ সাধ্যাতীত। গতিকে মনস্তত্বৰ বিষয়ে আলোচনা কৰোঁতে আমি অগ্ৰসৰ হ'ব লাগিব অতি ধীৰে ধীৰে—সন্তৰ্পণে।

কিন্তু মনক জানিবৰ উপায় কি ?

দাৰ্শনিক জিড্ডু কৃষ্ণমূৰ্ত্তিয়ে কয় যে মনক জানি উঠাটো মুহূৰ্ত্তৰ কাম —"a matter of moments". কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে এটা মুহূৰ্ত্তৰ ভিতৰতে আপুনি নিজৰ সমগ্ৰ মনক পৰিষ্কাৰভাৱে জানি পেলাব পাৰিব। আমাৰ সচেতন মনটো হৈছে এটা মুহূৰ্ত্তত এটা চিন্তাৰ মন। গতিকে এটা চিন্তাক জনা মানে সেই মুহূৰ্ত্তৰ মনটোক জানি পেলোৱা। সেয়েহে নিজৰ মনক জানিবলৈ হ'লে প্ৰতিটো মুহূৰ্ত্তত চেতনাৰ পটত উদয় হোৱা চিন্তা, অনুভূতি আৰু কামনা-বাসনাৰ দৰে মানসিক ঘটনা-বিলাকৰ প্ৰতি আমি একান্তভাৱে মনোযোগী হৈ পৰিব লাগিব। কিন্তু এনে আত্মনিৰীক্ষণ কাৰ্য্য হ'ব লাগিব নিস্পৃহ আৰু নিৰাসক্ত, যিহক দাৰ্শনিক কৃষ্ণমূৰ্ত্তিয়ে নিষ্ক্ৰীয় সজাগতা (Passive awareness) বা নিশ্চেষ্ট মনঃসংযোগ (Effortless attention) বুলি অভিহিত কৰিছে। কিন্তু চেতনাৰ পটত উদয় হোৱা মানসিক ঘটনাবিলাকক নিৰাসক্তভাৱে নিৰীক্ষণ কৰাৰ পৰিৱৰ্ত্তে আমি যদি ভাল-বেয়া বিচাৰ কৰিবলৈ যাওঁ, কিম্বা সিহঁতৰ-দ্বাৰা অভিভূত হৈ পৰোঁ, তেতিয়া হ'লে চেতন মন আৰু অচেতন মনৰ মাজত ভাবৰ আদান-প্ৰদান বাধাগ্ৰস্ত হৈ পৰিব আৰু আমাৰ চিন্তা হৈ পৰিব নিৰ্ব্বাচনমূলক (Selective). আমি এইটোকসততে মনত ৰখা উচিত হ'ব যে নিৰাসক্ত আত্মনিৰীক্ষণৰ অৰ্থ আত্মবিশ্লেষণ বা আত্মসমালোচনা নহয়। ই মানসিকভাৱে জীয়াই থাকিবৰ বিকল্প উপায় মাথোন। গতিকে মনলৈ যি চিন্তা আহে আহক। আমি সিহঁতৰ মূল্যায়ন কৰিবলৈ চেষ্টা নকৰি সিহঁতক কেৱল নিৰীক্ষণ কৰি যাম। আমাৰ উদ্দেশ্য হৈছে নিজ মনৰ প্ৰকৃতিৰ বিষয়ে একান্তভাৱে অৱগত হোৱা, চেতনাৰ সম্প্ৰসাৰণ ঘটোৱা। আমাৰ চিন্তা-ভাবনাবিলাক কেনেকুৱা হোৱা উচিত সেইটো আমাৰ বিচাৰ্য্য নহয়।

মনোৰোগীৰ চিকিৎসকসকলে অনুৰূপ মনস্তাত্বিক কৌশলৰ সহায়ত

ৰোগীৰ মনৰ গতি-বিধি নিৰীক্ষণ কৰে। ইয়াক তেওঁলোকে অবাধ ভাবানুষঙ্গ কৌশল (Technique of free association of ideas) বুলি অভিহিত কৰে। কিন্তু মনোৰোগীৰ চিকিৎসকসকলে সীমিত উদ্দেশ্য আগত ৰাখিহে এই কাম কৰে। কাৰণ ৰোগৰ কাৰণ আৱিষ্কৃত হ'লেই তেওঁলোকৰ উদ্দেশ্য সিদ্ধ হয়। তদুপৰি অবাধ ভাবানুষঙ্গৰ ক্ষেত্ৰত ৰোগীজনে নিজৰ চেতনাৰ পটত ভাহি উঠা ভাব-চিন্তাবিলাকক চিকিৎসকৰ আগত প্ৰকাশ কৰি যাব লাগে। বহু ক্ষেত্ৰত ৰোগীজনে চিকিৎসকৰ আগত নিজৰ মনোভাৱ প্ৰকাশ কৰিবলৈ কুণ্ঠা বোধ কৰে। ফলত চিন্তাৰ মুক্তপ্ৰৱাহ বাধাগ্ৰস্ত হৈ পৰে। কিন্তু নিৰাসক্ত কিম্বা নিশ্চেষ্ট আত্মনিৰীক্ষণৰ বেলিকা আপুনি কাৰো আগত নিজ মনোভাৱ প্ৰকাশ কৰিব নাল'গে। গতিকে লাজ-সংকোচৰ প্ৰশ্নও উঠিব নোৱাৰে। নিজৰ চিন্তাবিলাকক এনেদৰে নিৰাসক্ত-ভাৱে নিৰীক্ষণ কৰিবলৈ ল'লে আপুনি দেখা পাব যে আপোনাৰ চিন্তাবিলাক যেন কাৰোবাৰপৰা এটা এটাকৈ ওলাই আহি সন্তৰ্পণে আপোনাৰ চেতনাৰ ৰাজ্যত প্ৰৱেশ কৰিছেহি। আপুনি সিহঁতৰ প্ৰতি মনোযোগ নিদিলেও সিহঁত আপোনাৰ মনলৈ নহাকৈ নাথাকে। কাৰণ আমাৰ চিন্তা হৈছে প্ৰাক্‌চেতন (Prec nscious) আৰু নিৰ্জ্জান স্মৃতিৰ স্বতঃস্ফূৰ্ত্ত যোগাযোগৰ পৰিণতি মাথোন। ইচ্ছাৰদ্বাৰা স্মৃতিৰ এনে স্বতঃস্ফূৰ্ত্ত যোগাযোগক বাধা দিব নোৱাৰি। আচলতে চিন্তা নৈৰ্ব্যক্তিক। কেৱল কিছুমান চিন্তাৰ ক্ষেত্ৰতহে আমাৰ 'মই' ভাবটো জাগি উঠে। তেতিয়া সেই চিন্তা হৈ পৰে "মোৰ চিন্তা"।

দাৰ্শনিক কৃষ্ণমূৰ্ত্তিয়ে মনৰ অধঃস্তৰত লুকাই থকা ৰাগাত্মক স্মৃতিৰ উদ্ধাৰৰ ওপৰতহে সৰ্ব্বাধিক গুৰুত্ব আৰোপ কৰে। কাৰণ এনেবিলাক স্মৃতি মানসিক স্থৈৰ্য্যৰ বিঘ্নকাৰক। এই ৰাগাত্মক স্মৃতিবিলাকক কৃষ্ণমূৰ্ত্তিয়ে 'Phychological Memory' আখ্যা দিছে। যিবিলাক ঘটনাৰ লগত ক্ৰোধ, ভয়, ঘৃণা, লাজ, গ্লানি কিম্বা মান-অপমানৰ প্ৰশ্ন জড়িত থাকে, তেনেবিলাক ঘটনাৰ স্মৃতিকে ৰাগাত্মক স্মৃতি বুলি কোৱা হয়। এইবিধ স্মৃতি বহু দিনলৈকে আমাৰ মনত জাগ্ৰত হৈ থাকে। আমাৰ অমনোযোগিতাৰ কাৰণেই হওক বা মনৰ নিৰ্জ্জান প্ৰতিৰোধৰ কাৰণেই হওক এই ৰাগাত্মক

স্মৃতিবিলাকে গাইগুটীয়াকৈ আমাৰ চেতন মনত আত্মপ্ৰকাশ নকৰে। সমূহীয়াভাৱে সিহঁতে আমাৰ মনত বিৰক্তি, অৱসাদ, গ্লানি বা উৎকণ্ঠাৰ দৰে অপ্ৰীতিকৰ মানসিক অৱস্থা কিছুমানৰ সৃষ্টি কৰে। নিৰাসক্ত আত্মনিৰীক্ষণৰদ্বাৰা নিৰ্জ্ঞান ৰাগাত্মক স্মৃতিৰ অস্তিত্বৰ বিষয়ে অৱগত হোৱাৰ লগতে সিহঁতক আমাৰ চেতনাৰ ঘাই স্মৃতিৰ লগত মিলাই দিব পাৰিলেই মানসিক অস্বস্তিৰ পৰিসমাপ্তি ঘটে।

ইচ্ছা কৰিলে প্ৰতি নিশা টোপনি অহাৰ পূৰ্ব্বৰ সময়খিনিত আপুনি ওপৰত কোৱা ধৰণে নিজৰ মনৰ ওপৰত পৰীক্ষা চলাব পাৰে। মনৰ চঞ্চলতাৰ কাৰণে নিৰাসক্ত আত্মনিৰীক্ষণৰ কামটো প্ৰথম অৱস্থাত কঠিন যেন লাগিব পাৰে। কিন্তু একেৰাহে কিছুদিন চেষ্টা কৰি থাকিলে পাছলৈ আত্মনিৰীক্ষণৰ কামটো অভ্যাসত পৰিণত হৈ যায় আৰু তেতিয়া কোনো চিন্তা চেতনাৰ পটত জাগি উঠা মুহূৰ্ত্ততে সেই চিন্তাৰ প্ৰতি আমাৰ মনোযোগ আকৃষ্ট হৈ পৰে। তদুপৰি কিছুদিন আত্মনিৰীক্ষণ কাৰ্য্যত ব্ৰতী হৈ থাকিলে চিন্তাৰ গতি মন্থৰ হৈ আহে। তেতিয়া চিন্তাবিলাকে জুমুৰি দি নধৰি এটা এটাকৈ চেতনাৰ পটত জাগি উঠিবলৈ লোৱা হেতুকে সিহঁতক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিবলৈ সময় পোৱা যায়।

এনেদৰে নিশ্চেষ্ট মনোযোগৰদ্বাৰা একেৰাহে কিছুদিন নিজৰ ভাবনা-চিন্তাবিলাক নিৰীক্ষণ কৰি গ'লে আপোনাৰ ব্যক্তিত্বৰ অজ্ঞাত দিশটো লাহে লাহে আপোনাৰ মানস দৃষ্টিত উদ্ভাসিত হৈ পৰিব। তেতিয়া আপুনি হয়তো জীৱনত এই প্ৰথমবাৰৰ কাৰণে উপলব্ধি কৰিব পাৰিব যে আপোনাৰ জীৱনলৈ অহা ভালেমান অশান্তিৰ বাবে দায়ী আপুনি নিজে। সজ্ঞানে নহ'লেও অচেতন মনেৰে আপুনি হয়তো দুৰাকাঙ্ক্ষী, অভিমানী কিম্বা ক্ষমতালোভী। হয়তো আপোনাৰ মনৰ অধঃস্তৰত প্ৰবল হীনমন্যতা বা অপকৰ্ষ কূটৈষাই আত্মগোপন কৰি আছে, যাৰ ফলত জনসমাজত নিজক উপেক্ষিত বুলি আপুনি অনুভৱ কৰিছে। হীনমন্যতাৰ কাৰণে আপোনাৰ বিচাৰ-বিবেচনা পক্ষপাতমূলক হৈ পৰিছে। ইমান দিনে আপুনি নিজ মনৰ গতি-বিধিৰ বিষয়ে অজ্ঞ হৈ আছিল কাৰণে আৰু নিজৰ মানসিক অশান্তিৰ কাৰণে মিছাকৈয়ে আপুনি আনক দোষী সাব্যস্ত

কৰিছিল; কিম্বা নিজৰ ভাগ্যক দোষাৰোপ কৰিছিল। নিৰাসক্ত আত্মনিৰীক্ষণৰ ফলত লাভ কৰা এই নতুন উপলব্ধিয়ে বাস্তৱৰ দাবীৰ লগত খাপ খোৱাকৈ নিজৰ মনক গঢ় দিবলৈ আপোনাক সুবিধা উলিয়াই দিব।

নিৰাসক্ত আত্মনিৰীক্ষণৰ উদ্দেশ্য হৈছে চেতন আৰু অচেতন মনৰ মাজত ভাবনা-চিন্তাৰ আদান-প্ৰদান মুক্ত, কিম্বা সহজসাধ্য কৰি তোলা আৰু লাহে লাহে সমগ্ৰ অচেতন মনক চেতনাৰ আলোকেৰে উদ্ভাসিত কৰি তোলা। কাৰণ আমাৰ মনৰ এই দিশ দুটাই পৰস্পৰৰ পৰিপূৰক হিচাপে কাৰ্য্য-নিৰ্ব্বাহ নকৰি স্বতন্ত্ৰভাৱে আচৰণ কৰিবলৈ ল'লে মানুহৰ মনৰ সংহতি লোপ পাবৰ উপক্ৰম ঘটে। ডাঃ ফ্ৰয়েডে ভাবে যে সচেতন মনত ৰাগাত্মক স্মৃতিৰ উপস্থিতি অস্বস্তিকৰ হৈ পৰা কাৰণেই আমাৰ মনৰ এটা দিশে আমি গম ধৰিব নোৱাৰাকৈয়ে সচেতন মনত তেনেবিলাক স্মৃতিৰ আত্মপ্ৰকাশত অহৰ্নিশে বাধা দি থাকে, যিটো কৰোঁতে ভালেখিনি মানসিক শক্তিৰ অপচয় ঘটে। আমাৰ মনৰ যিটো দিশ এনে অৱদমন (Repression) কাৰ্য্যত ব্যস্ত হৈ থাকে, মনৰ সেই দিশটোক ডাঃ ফ্ৰয়েডে চিন্তা-পৰীক্ষক (Endopsychic Censor) বুলি অভিহিত কৰিছে। এই চিন্তা-পৰীক্ষক বস্তুটো আমাৰ মনৰ নিৰ্ব্বাচনী ক্ষমতাৰে এটা বিশিষ্ট অভিব্যক্তি। কুৰি শতিকাৰ স্নায়ুতত্ত্ববিদ্‌সকলে এনেকুৱা নিৰ্ব্বাচন কাৰ্য্যৰ দৈহিক ভিত্তিও আৱিষ্কাৰ কৰিছে। এই বিষয়ে আন এটা শিতানত আমি পুনৰ আলোচনা কৰিম।

মনোবিদ্যাই দেখুৱাইছে যে এক আদি-অন্তহীন নৈৰ্ব্যক্তিক চেতনাক সম্বল কৰি মানুহে পৃথিৱীত জন্মগ্ৰহণ কৰে। অজস্ৰ আদিম চিন্তা-প্ৰতিৰূপ আৰু আদিম প্ৰেৰণতাৰ আধাৰ এই নৈৰ্ব্যক্তিক মনটোক ডাঃ ফ্ৰয়েডে 'ইড্' বুলি আৰু অচ্‌পেন্‌স্কি (Ouspensky) নামৰ দাৰ্শনিকজনে 'Essence' বুলি অভিহিত কৰিছে। 'ইড্' হৈছে পাৰ্থিৱ অভিজ্ঞতাৰ আঁচোৰ নলগা বিশুদ্ধ মন। এই মনৰ চিন্তা অসংলগ্ন। তদুপৰি ইড্ হৈছে ভাষাজ্ঞান বৰ্জ্জিত মন। এই মনত জ্ঞাতা আৰু জ্ঞেয় অভিন্ন। এইটো মনৰ অদ্বয় অৱস্থা বা 'Non-dual State' বুলি ক'ব পাৰি। কিন্তু সহজাত মনৰ এই

বিশুদ্ধ ৰূপ সৰহ দিন অবিকৃত বা অপৰিৱৰ্ত্তিত হৈ থাকিব নোৱাৰে। ওপজা মুহূৰ্ত্তৰেপৰা কোলাহলপূৰ্ণ বহিঃজগতৰপৰা দেহেন্দ্ৰিয়ৰ জৰিয়তে মস্তিষ্কলৈ যোৱা অজস্ৰ খবৰে ইড্‌ বা সহজাত মনৰ বুকুত তুমুল আলোড়ন জগাই তোলে। নিচেই পানী-কেঁচুৱা অৱস্থাত তেনে আলোড়নৰ উত্তেজনা আৰু উদ্‌ভ্ৰান্তিক সম্বল কৰিয়ে শিশু মানসিকভাৱে জীয়াই থাকে। দিন পুৰণি হৈ অহাৰ লগে লগে বাহিৰৰ জগতৰপৰা মস্তিষ্কলৈ অহা খবৰবিলাকে শিশুৰ সহজাত মনৰ চৌপাশে পাৰ্থিৱ জ্ঞানৰ প্ৰাচীৰ এখন লাহে লাহে গঢ়ি তুলিবলৈ ধৰে। এনেদৰে বহিঃজগতৰ সংস্পৰ্শলৈ আহি ইড্‌ বা সহজাত মনৰ এটা ক্ষুদ্ৰ দিশ ক্ৰমান্বয়ে অহংবোধ বা সচেতন মনলৈ ৰূপান্তৰিত হৈ পৰে। আনহাতে সহজাত মনৰ বৃহত্তৰ দিশটোৱে বাহিৰৰ জগতৰ লগত সম্পৰ্ক এৰুৱাই নিজতে বন্দী হৈ ৰয়। সেয়েহে জীৱনৰ শেষ অৱস্থালৈকে মানুহৰ মনৰ এই নিৰ্জ্জন দিশটো আদিম চিন্তা-সম্ভাৱনা আৰু আদিম প্ৰৱণতাৰ সমষ্টি মাথোন হৈ ৰয়। দাৰ্শনিক অচ্‌পেন্‌স্কিয়ে ভাবে যে সহজাত মনৰপৰাহে আমাৰ ব্যক্তিত্বৰ অভ্যুদয় ঘটে। কাৰণ সহজাত মনৰ গৰ্ভতে আমাৰ ভৱিষ্যৎ জীৱনৰ সকলো সম্ভাৱনাৰ বীজ লুকাই থাকে। মনোৱীক্ষণতত্ত্বৰ উদ্দেশ্য হৈছে 'Psychological Integration' বা মনৰ সচেতন আৰু অচেতন দিশ দুটাৰ কাৰ্য্য-কলাপৰ সমন্বয় সাধন। কিন্তু এনেকুৱা সমন্বয় সাধন একেদিনে সম্ভৱ হ'ব নোৱাৰে। তাৰ কাৰণে দীৰ্ঘ দিন জুৰি নিশ্চেষ্ট মনঃসংযোগ বা নিৰাসক্ত আত্মনিৰীক্ষণৰ আৱশ্যক। এনেদৰে নিৰাসক্তভাৱে মনৰ গতি-বিধি নিৰীক্ষণ কৰিবলৈ ল'লে আপোনাৰ মানস দৃষ্টিত সৰ্ব্বপ্ৰথমে জাগি উঠিব বৰ্ত্তমান কালৰ ঘটনাবিলাকৰ স্মৃতি। তাৰ পাছত লাহে লাহে আপোনাৰ চেতনাৰ পটত উদ্ভাসিত হৈ উঠিব যৌৱন, কৈশোৰ আৰু সৰ্ব্বশেষত বাল্য আৰু শৈশৱকালৰ স্মৃতি। এনেকৈ আপোন মনৰ গভীৰতাত লুকাই থকা ৰাগাত্মক স্মৃতিবিলাক চেতনাৰ আলোকেৰে উদ্ভাসিত হৈ উঠাৰ ফলত মানুহৰ মনলৈ যি এটা প্ৰশান্ত আৰু চিন্তাশূন্য অৱস্থা আহি পৰে, দাৰ্শনিক জিড্ডু কৃষ্ণমূৰ্ত্তিয়ে তাক নিস্তব্ধ মন (Silent mind) বুলি অভিহিত কৰিছে। কৃষ্ণমূৰ্ত্তিয়ে ভাবে যে এনেকুৱা সংঘাতশূন্য মন এটা গঢ়ি তুলিব পাৰিলেহে আমাৰ অন্তৰত

অন্তঃপ্ৰজ্ঞাৰ জাগৰণ সম্ভৱ হ'ব পাৰে আৰু তেতিয়াহে অতীন্দ্ৰিয় আধ্যাত্মিক জগতৰ খবৰে আমাৰ মনত প্ৰৱেশ লাভ কৰিব পাৰে।

কৃষ্ণমূৰ্ত্তিৰ লক্ষ্য মানুহৰ মনৰ মুক্তি সাধন (Liberation), কিন্তু মনৰ বন্ধন কোনখিনিত তাক জানি উঠাৰ পূৰ্ব্বে মনক বন্ধনমুক্ত কৰা কোনোমতে সম্ভৱ হ'ব নোৱাৰে। আকৌ মানসিক বন্ধনৰ কাৰণো নিৰাসক্ত আত্মনিৰীক্ষণৰদ্বাৰা আমি নিজেই আৱিষ্কাৰ কৰিব লাগিব। কৃষ্ণমূৰ্ত্তিয়ে কয় যে সত্যত উপনীত হ'বৰ কোনো নিৰ্দ্দিষ্ট পথ নাই। (Truth is a pathless land) আত্মোপলব্ধিয়েই মুক্তিৰ পথত প্ৰথম পদক্ষেপ।

দেহ-মন আৰু চেতনা

(ক)

দেহাতীত মন মনোবিদ্যাৰ আলোচ্য-বিষয় নহয়। দেহৰ আচৰণৰ মাধ্যমেৰেহে মনে নিজক প্ৰকাশ কৰিব পাৰে। দৈহিক অৱস্থাৰ তাৰতম্য অনুসৰি মানসিক অৱস্থাৰো তাৰতম্য ঘটে। আনকি আমি যিহক চেতনা বুলি অভিহিত কৰোঁ, সেই চেতনাও একান্তভাৱে শৰীৰ-নিৰ্ভৰ সত্তা। মস্তিষ্কৰ কাৰ্য্য-কলাপ ব্যাহত হৈ পৰিলেই চেতনাৰ বিলুপ্তি ঘটে।

জাগ্ৰত অৱস্থাত অৱশ্যে চেতনাক লৈয়ে আমাৰ সকলো কাৰবাৰ। আমি সকলো বস্তুৰে অনুপস্থিতি কল্পনা কৰিব পাৰিলেও আত্মচেতনা তথা 'মই'ৰ অনুপস্থিতি কল্পনা কৰিব নোৱাৰোঁ। আমি সততে এইটো পাহৰি থাকোঁ যে মাতৃ-গৰ্ভাশয়ত স্থিতিলাভ কৰা দিনৰেপৰা ওপজাৰ আগ-মুহূৰ্ত্তলৈকে প্ৰায় দুশ আশীটা দিন মাতৃ-গৰ্ভত আত্মচেতনাশূন্য অৱস্থাত আমি অতিবাহিত কৰিছিলোঁ। ওপজাৰ পাছতো আমাৰ আত্মচেতনা স্পষ্ট হৈ গঢ়ি উঠিবলৈ তিনি-চাৰি বছৰ সময় লাগে। আনকি আত্মচেতনা গঢ়ি উঠাৰ পাছতো আমাৰ জীৱনৰ এক-তৃতীয়াংশ কাল আমি টোপনিত অচেতন থাকি অতিবাহিত কৰোঁ।

কিন্তু আমাৰ সচেতন মনৰ কেন্দ্ৰবিন্দু 'মই'ক লৈয়ে যতমানে সমস্যা। বাহিৰৰপৰা চালে 'মই' এটা তেজ-মঙহৰ স্থূল শৰীৰ মাথোন। মনোবিজ্ঞানী ডাঃ ফ্ৰয়েডেও কয় যে আমাৰ অহংবোধ মুখ্যতঃ দেহভিত্তিক সত্তা (Bodily Ego). কিন্তু চেতনাৰ পটভূমিত আমাৰ অহংবোধ বা 'মই'ক বিচাৰিবলৈ গ'লে সি হৈ পৰে অলেখ মানস-প্ৰতিৰূপৰ (Psychical image) সমষ্টিস্বৰূপ। পৰীক্ষা চাবৰ কাৰণে আপোনাৰ মনৰ গৰ্ভত আপোনাৰ শৈশৱকালৰ 'মই'ক এবাৰ বিচাৰি চাওকচোন। তেতিয়া আপুনি দেখা পাব যে আপোনাৰ শৈশৱ জীৱনৰ হেৰোৱা স্মৃতি কিছুমানহে আপোনাৰ মানস-পটত ভাহি উঠিছে। তেনেদৰে চেতনাৰ গৰ্ভত বৰ্ত্তমানৰ

'মই'ক বিচাৰি গ'লে আমি দেখা পাওঁ চিন্তা, অনুভূতি আৰু ইচ্ছাৰ দৰে মানসিক ঘটনাৰ লেখাৰি নিছিগা সোঁত। এটা চিন্তা মাৰ যোৱা মুহূৰ্ত্তত আন এটা চিন্তাৰ আৱিৰ্ভাৱ ঘটে। আকৌ সি অন্তৰ্হিত হৈ পৰা মুহূৰ্ত্তত আহি পৰে তৃতীয় এটা। মুঠতে সাৰে থকা সময়খিনিত আমাৰ মানস-পটত মুহূৰ্ত্তৰ কাৰণেও চিন্তাৰ বিৰতি নঘটে। মানস-প্ৰতিৰূপৰ এই অন্তহীন শোভাযাত্ৰাৰ পটভূমিত তেনেবিলাক ঘটনাৰ প্ৰত্যক্ষকাৰী স্বতন্ত্ৰ 'মই' এটা আপুনি ধৰা পেলাব পাৰে জানো? আকৌ 'মই'ক বাদ দি চেতনাৰ অস্তিত্ব ঠাৱৰ কৰিবলৈ গ'লেও আমি একে জটিলতাৰ সম্মুখীন হ'ব লগা হয়। কাৰণ 'মই' আৰু চেতনা অভিন্ন বুলি নধৰিলেও চেতনাই যে অহংবোধ বা 'মই'ৰ বৈশিষ্ট্য সেই কথা অস্বীকাৰ কৰিব নোৱাৰি।[৬]

অহংবোধ বা 'মই'ৰ অনুপস্থিতিত সচেতন প্ৰত্যক্ষ (Conscious perception) সম্ভৱ হ'ব নোৱাৰে। আকৌ লগতে এইটোও সত্য যে সকলোবিলাক সচেতন প্ৰত্যক্ষৰ ক্ষেত্ৰত 'মই' ভাবটোৱে সুস্পষ্টভাৱে আত্মপ্ৰকাশ নকৰে। কোনো কোনো ক্ষেত্ৰত আমাৰ আত্মচেতনা প্ৰখৰ হৈ উঠিলেও কোনো কোনো সময়ত সি ইমান স্তিমিত হৈ পৰে যে আমি প্ৰায় আত্মবিস্মৃত অৱস্থাত কালাতিবাহিত কৰোঁ। সেয়েহে অচ্‌পেনৃস্কি নামৰ দাৰ্শনিকজনে কয় যে যিহক আমি সচৰাচৰ জাগ্ৰত অৱস্থা বুলি ভাবোঁ, সি আচলতে জাগ্ৰত, নিদ্ৰা বা স্বপ্নচাৰিতাৰ (Somnumbulism) অৱস্থা মাথোন। নিজৰ মনটোৰ প্ৰতি লক্ষ্য কৰিলেই আপুনি এই কথাৰ প্ৰমাণ পাব। ৰাতিপুৱাৰেপৰা নিশা টোপনিত পৰালৈকে এই সময়খিনিত অজস্ৰ মানসিক ঘটনাই আপোনাৰ মনত লুকা-ভাকু খেলি থাকে। কিন্তু সিহঁতৰ কেইটাক আপুনি ইচ্ছাকৃতভাৱে পাছত স্মৰণ কৰিব পাৰে? সৰহভাগ চিন্তাইতো অহংবোধৰ অলক্ষিতে মনৰ মাজেৰে অহা-যোৱা কৰি থাকে।

---

(৬) "We meet in other words with willings, desirings and thinkings, but never with the self that wills, desires or thinks. Now it is precisely the same difficulty which confronts us when we try to track down consciousness, for the reason that consciousness is the chief characteristic of this hypothetical self."

—*C. E. M. Joad*

তদুপৰি আমি জানো যে চেতনা সদায় বিষয়-বস্তুবাচক। অৰ্থাৎ আমি কিবা নহয় কিবা এটাৰ বিষয়েহে সচেতন হ'ব পাৰোঁ। সচেতন প্ৰত্যক্ষৰ বিষয়-বস্তু বাহিৰৰ জগতৰ ঘটনা হ'ব পাৰে, কিম্বা ভাব-চিন্তা, হৰ্ষ-বিষাদৰ দৰে মনৰ ভিতৰৰ ঘটনা বা অৱস্থাও হ'ব পাৰে। বিষয়-বস্তু বৰ্জ্জিত উকা চেতনা আমাৰ কল্পনাতীত। যোগসিদ্ধ পুৰুষসকলে অৱশ্যে কয় যে ভাব-চিন্তাৰ দৰে বিষয়-বস্তুক অৱলম্বন নকৰাকৈও আমাৰ চেতনা বৰ্ত্তি থাকিব পাৰে। ভাবশূন্য চৈতন্যৰ (Lucidity without ideation) এই অৱস্থাটোক তেওঁলোকে শুদ্ধ চৈতন্য বা তুৰীয় অৱস্থা বুলি কয়। তেওঁলোকে ইয়াকো কয় যে দুটা চিন্তাৰ অন্তৰ্ব্বৰ্ত্তী মুহূৰ্ত্তটোত আমাৰ মনলৈ এনে এটা শূন্য অৱস্থা আহি পৰে, যিটো অৱস্থা আমাৰ দৰে সাঁধাৰণ মানুহৰ পক্ষে ধৰা পেলোৱা টান।

আমাৰ সচেতন প্ৰত্যক্ষৰ দুটা দিশ থাকে। এটা দিশ হৈছে প্ৰত্যক্ষ-কৰ্ত্তা বা জ্ঞাতা আৰু আনটো দিশ হৈছে জ্ঞেয় বা জ্ঞানৰ বিষয়-বস্তু। এই জ্ঞাতা আৰু জ্ঞেয়কে অতীজ ভাৰতৰ মনীষীসকলে বিষয়ী আৰু বিষয় (Subject and object), আত্মা-অনাত্মা (Ego and Non-ego), কিম্বা পুৰুষ-প্ৰকৃতি (Soul and matter) বুলি অভিহিত কৰিছিল। জ্ঞাতা আৰু জ্ঞেয়ৰ সম্পৰ্কটোৱে জ্ঞান। গতিকে আমাৰ প্ৰতিটো সচেতন প্ৰত্যক্ষৰ ক্ষেত্ৰতে জ্ঞাতা আৰু জ্ঞেয় দুয়োটাই একে সময়তে উপস্থিত থাকিব লাগিব। জ্ঞাতাৰ অনুপস্থিতিত যেনেকৈ জ্ঞেয় বিষয়ৰ ধাৰণা উপজিব নোৱাৰে, তেনেকৈ জ্ঞেয়ৰ অনুপস্থিতিতো আমাৰ মনত জ্ঞাতা ভাব উপজিব নোৱাৰে।[৭] আমি মাতৃ-গৰ্ভত বাস কৰা কালছোৱাত বাহিৰৰ জগতৰ খবৰে আমাৰ মনক স্পৰ্শ কৰিব নোৱাৰা হেতুকে আমাৰ জ্ঞাতা বা 'মই' ভাবটো জাগ্ৰত হ'ব নোৱাৰিছিল। তেনেদৰে টোপনি

(৭) Knowledge of the Not-self is therefore essential to the knowledge of the self—nor there can be one without the other. The knowledge of the self is empty of content unless the self is taken to include the Not-self. The Not-self is nothing without the self.

An outline of Hegel's philosophy
by—*C. E. M. Jaod*

অৱস্থাত আমাৰ অহংবোধ বা 'মই' ভাবটো সাম্প্ৰতিকভাৱে অন্তৰ্হিত হৈ পৰা কাৰণে বাহিৰৰ জগৎখন কম-বেছি একেদৰে থকা সত্ত্বেও আমি তাৰ অস্তিত্ব অনুভৱ কৰিব নোৱাৰা হওঁ।

কেৱল মনৰ ক্ষেত্ৰতহে যে তেনে হ'বলৈ পায়, সেইটো নহয়। কুৰি শতিকাৰ পদাৰ্থ-বিজ্ঞানীয়ে পৰমাণুৰ গৰ্ভতো বিপৰীতধৰ্ম্মী তড়িৎকণাৰ অনুৰূপ সহ-অৱস্থানৰ কথা জানিব পাৰিছে। দৃষ্টান্তস্বৰূপে হাইড্ৰোজেন পৰমাণু এটাৰ কথাকে ধৰা হওক। হাইড্ৰোজেন পৰমাণু এটাৰ কেন্দ্ৰস্থলত থাকে 'প্ৰ'টন' (Proton) বা ধনাত্মক তড়িৎকণা এটা আৰু 'ইলেক্‌ট্ৰন' (Electron) বা ঋণাত্মক তড়িৎকণা এটাই কল্পনাতীত বেগেৰে সেই ধনাত্মক তড়িৎকেন্দ্ৰটোক প্ৰদক্ষিণ কৰি থাকে। হাইড্ৰোজেন পৰমাণুটোৰ স্থিতাৱস্থা ৰক্ষা পৰিবলৈ হ'লে দুয়োটা বিপৰীতধৰ্ম্মী তড়িৎকণা একে সময়তে উপস্থিত থাকিব লাগিব। কোনো এটা তড়িৎকণা মুহূৰ্ত্তৰ কাৰণে আঁতৰি পৰিলে আনটো তড়িৎকণাও তৎমুহূৰ্ত্ততে অন্তৰ্হিত হৈ পৰিব, যাৰ ফলত পৰমাণুটোৰ অস্তিত্ব লোপ পাই যাব।

যি হেতুকে জ্ঞেয়ৰ অনুপস্থিতিত আমাৰ জ্ঞাতাভাব জাগ্ৰত হ'ব নোৱাৰে, সেই হেতুকে শৰীৰ-সমন্বিতে জ্ঞেয় পদাৰ্থ-জগৎখনৰ ঘটনাৰ খবৰে কেনেকৈনো আমাৰ মনত প্ৰৱেশ কৰেহি তাক চোৱা যাওক। আমি জানো যে বাহিৰৰ জগৎখনৰ লগত আমাৰ মনৰ সম্পৰ্ক ৰচিত হয় আমাৰ শৰীৰত থকা চকু, কাণ, নাক, ছাল আৰু জিভা এই পাঁচবিধ শাৰীৰযন্ত্ৰৰ মাধ্যমেৰে। এই পাঁচবিধ যন্ত্ৰ স্নায়ুতন্তুৰদ্বাৰা আমাৰ মস্তিষ্কৰ সৈতে সংযুক্ত হৈ থাকে। মন কৰিবলগীয়া যে বহিঃজগতৰপৰা পোনপটীয়াকৈ খবৰ সংগ্ৰহ কৰিবৰ কাৰণেই এই দেহেন্দ্ৰিয়সমূহ (জিভাত বাদে) দেহৰ বহিঃভাগত অৱস্থিত। সেই হিচাপে আমাৰ মস্তিষ্কতো পাঁচ প্ৰকাৰৰ সংবেদন স্থান বা সংবেদন প্ৰদেশ (Sensory area) আছে। সিহঁতৰ নাম যথাক্ৰমে—

(ক) দৰ্শন প্ৰদেশ (Visual area)
(খ) শ্ৰৱণ প্ৰদেশ (Auditory area)
(গ) স্পৰ্শন প্ৰদেশ (Tactile area)

(ঘ) ঘ্ৰাণ প্ৰদেশ (Olfactory area)

(ঙ) স্বাদ প্ৰদেশ (Gustatory area)

ইয়াৰ ভিতৰত স্বাদ আৰু গন্ধৰ মাজত এটা নিবিড় সম্পৰ্ক থকা হেতুকে মানুহৰ মস্তিষ্কত এই কেন্দ্ৰ দুটা নিচেই ওচৰা-উচৰিকৈ অৱস্থিত হোৱা দেখা যায়।

শৰীৰ বিজ্ঞানে কোৱা মতে বাহিৰৰ জগৎখনৰ ঘটনাবিলাকে তিনি প্ৰকাৰে আমাৰ দেহেন্দ্ৰিয়ৰ সংবেদজ স্নায়ুপ্ৰান্তসমূহত (Sensory nerve Endings) উত্তেজনাৰ সৃষ্টি কৰে। যেনে—তড়িৎ-চৌম্বক তৰঙ্গ স্বৰূপে, ছাপৰ তাৰতম্য সাধন আৰু কম্পন সৃষ্টিৰদ্বাৰা আৰু তৃতীয়তে ৰাসায়নিক প্ৰক্ৰিয়াৰদ্বাৰা। কিন্তু প্ৰান্তীয় স্নায়ৱিক উত্তেজনাৰ কাৰণ যিয়েই হওক লাগিলে তাৰ ফলত সৃষ্টি হোৱা স্নায়ুপ্ৰৱাহে (nerve impulse) প্ৰতি চেকেণ্ডত দুশ ফুট বেগে মস্তিষ্কলৈ গতি কৰি মস্তিষ্কৰ নিৰ্দ্দিষ্ট সংবেদন স্থানত উপস্থিত হৈ পৰে। স্নায়ুপ্ৰৱাহ এনেদৰে মস্তিষ্কৰ সংবেদন প্ৰদেশত থকা স্নায়ুকেন্দ্ৰত উপস্থিত হৈ পৰাৰ আগলৈকে আমি বাহিৰৰ জগতৰ ঘটনাৰ বিষয়ে অৱগত হ'ব নোৱাৰোঁ। যিহেতুকে মানুহৰ শৰীৰটোৰ দৈৰ্ঘ্য ৫ ফুট বা ৬ ফুটৰ বেছি নহয়, সেই হেতুকে শৰীৰৰ সংবেদজ স্নায়ুপ্ৰান্তত সৃষ্টি হোৱা উত্তেজনাৰ খবৰ মস্তিষ্ক পাওঁতে এক চেকেণ্ডতকৈয়ো কম সময়হে আৱশ্যক হৈ পৰে। স্নায়ুতত্ত্ববিদ্‌সকলে পৰীক্ষা কৰি জানিব পাৰিছে যে ভৰিৰ বুঢ়া আঙুলিত অকস্মাতে কাঁইটে বিন্ধিলে ভৰিখন কোঁচ খাই অকস্মাতে আঁতৰি আহিবলৈ এক চেকেণ্ডৰ বিশ ভাগৰ এভাগহে সময় লাগে। অৰ্থাৎ এই ক্ষুদ্ৰ সময়খিনিৰ ভিতৰতে স্নায়ুপ্ৰৱাহ ভৰিৰ বুঢ়া আঙুলিৰপৰা মেৰু-মজ্জা (Spinal cord) পায়গৈ আৰু তাৰপৰা ক্ৰিয়াজ স্নায়ুপ্ৰৱাহ হিচাপে ভৰিৰ মাংসপেশীবিলাকলৈ ঘূৰি আহি সিহঁতৰ সঙ্কোচন-সম্প্ৰসাৰণ ঘটাইছি।

যি হেতুকে স্নায়ুপ্ৰৱাহ তড়িৎধৰ্ম্মী, সেই হেতুকে স্নায়ুতন্তুয়েদি স্নায়ুপ্ৰৱাহ গতি কৰোঁতে সংশ্লিষ্ট স্নায়ুৰ চৌপাশে তড়িৎক্ষেত্ৰ এখনৰ সৃষ্টি হৈ পৰে। অৱশ্যে এই তড়িৎক্ষেত্ৰ মুহূৰ্ত্ত মাথোন স্থায়ী হ'ব পাৰে। কিন্তু যি হেতুকে প্ৰতিটো মুহূৰ্ত্ততে মস্তিষ্ক আৰু শৰীৰৰ বাকী অংশৰ মাজত হাজাৰ হাজাৰ

স্নায়ুপ্ৰৱাহৰ চলাচল ঘটি থাকে, সেই হেতুকে জীৱন্ত মানুহৰ শৰীৰৰ চৌপাশে কম-বেছি পৰিমাণে স্থায়ী তড়িৎক্ষেত্ৰ এখন তৈয়াৰ হৈ থাকে। সূক্ষ্ম তড়িৎ-পৰিমাপক যন্ত্ৰৰ সহায়ত শৰীৰৰ এক ফুট-ডেৰ ফুট আঁতৰৰপৰাই এনেকুৱা তড়িৎক্ষেত্ৰৰ অস্তিত্ব ঠাৱৰ কৰিব পাৰি। ইয়াৰ ভিতৰত মানুহৰ হৃৎপিণ্ড আৰু মস্তিষ্কত সৃষ্টি হোৱা তড়িৎপ্ৰৱাহৰ অধ্যয়নৰ প্ৰতি চিকিৎসা-বিজ্ঞানীসকলে অধিক মনোনিৱেশ কৰে। কাৰণ ই ৰোগ নিৰ্ণয়ৰ ক্ষেত্ৰত ভালেখিনি সহায় কৰে। হৃৎপিণ্ডৰ তড়িৎপৰিমাপক যন্ত্ৰটোক 'ইলেক্ট্ৰো-কাৰ্ডিঅ'গ্ৰাফ্' (Electro-cardiograph) বুলি কোৱা হয়। মানুহৰ হৃৎপিণ্ডটোৱে স্বাভাৱিকভাৱে কাম কৰিছে নে নাই, সেই কথা এই যন্ত্ৰটোৰ সহায়ত ধৰা পেলাব পাৰি। মস্তিষ্কৰ তড়িৎপৰিমাপক যন্ত্ৰটোৰ নাম 'ইলেক্ট্ৰো-এন্‌চিফেল'-গ্ৰাফ্' (Electro-encephalograph). এই যন্ত্ৰটোৱে মস্তিষ্কত উদ্ভৱ হোৱা ক্ষুদ্ৰাতিক্ষুদ্ৰ তড়িৎপ্ৰৱাহক পৰিৱৰ্দ্ধিত কৰি তাক ৰেখাচিত্ৰ হিচাপে প্ৰকাশ কৰে। এই যন্ত্ৰটোৰ সহায়ত পৰীক্ষা চলাই স্নায়ুতত্ত্ববিদ্‌সকলে মানুহৰ মস্তিষ্কত প্ৰধানতঃ চাৰি প্ৰকাৰৰ তড়িৎতৰঙ্গৰ কথা ধৰা পেলাবলৈ সক্ষম হৈছে। সিহঁতক যথাক্ৰমে এল্‌ফা তৰঙ্গ (Alpha wave), বিটা তৰঙ্গ (Beta wave), থিটা তৰঙ্গ (Theta wave) আৰু ডেল্‌টা তৰঙ্গ (Delta wave) বুলি অভিহিত কৰা হয়। বিজ্ঞানীসকলে কোৱা মতে এই তৰঙ্গসমূহৰ প্ৰকৃতি এনেকুৱা—

এল্‌ফা তৰঙ্গ—কম্পন সংখ্যা প্ৰতি চেকেণ্ডত				৮ৰপৰা ১২ বাৰ
বিটা তৰঙ্গ	”	”	”	১৩ৰপৰা ২২ বাৰ
থিটা তৰঙ্গ	”	”	”	৪ৰপৰা ৭ বাৰ
ডেল্‌টা তৰঙ্গ	”	”	”	১ৰপৰা ৩ বাৰ

এল্‌ফা তৰঙ্গ প্ৰশান্ত মানসিক অৱস্থাৰ নিদৰ্শন। গাণিতিক প্ৰশ্নৰ সমাধান বা কোনো নিৰ্দ্দিষ্ট বিষয়ত মনোনিৱেশ কৰিলে এল্‌ফা তৰঙ্গ বাধাগ্ৰস্ত হৈ পৰে। বিটা তৰঙ্গ ঘাইকৈ মস্তিষ্কৰ সম্মুখাংশত নিবদ্ধ হৈ থাকে। থিটা তৰঙ্গই আৱেগ অৱস্থাত মস্তিষ্কত উদ্ভৱ হোৱা তড়িৎপ্ৰৱাহৰ কথা প্ৰকাশ কৰে। স্নায়ুতত্ত্ববিদ্‌সকলে কয় যে থিটা তৰঙ্গৰ উৎপত্তি হয় মস্তিষ্কৰ গৰ্ভত থকা থেলামাচ (Thalamus) নামৰ ধূসৰ পদাৰ্থ নিৰ্ম্মিত মস্তিষ্ক অংশত।

ডেল্‌টা তৰঙ্গ টোপনি অৱস্থাত মস্তিষ্কত উদ্ভৱ হোৱা বৈদ্যুতিক কাৰ্য্য-কলাপৰ নিদৰ্শন। সন্তান মাকৰ গৰ্ভত থাকোঁতে তাৰ মস্তিষ্কত সৃষ্টি হোৱা এনেবিধ তড়িৎপ্ৰৱাহ বাহিৰৰপৰা ধৰা পেলাব পাৰি। ইয়াৰপৰা বুজা যায় যে গৰ্ভবাসৰ সময়ছোৱাত শিশু গভীৰভাৱে নিদ্ৰাভিভূত হৈ থাকে।

এই চাৰিটা নিৰ্দ্দিষ্ট পেটাৰ্ণৰ বাহিৰেও মিশ্ৰিত বিধৰ বিদ্যুৎতৰঙ্গও ইলেক্ট্ৰো-এন্‌চিফেল'গ্ৰাফ্ যন্ত্ৰৰ সহায়ত বিজ্ঞানীসকলে ধৰা পেলাইছে। মৃগী (Epilepsy) ৰোগীৰ মস্তিষ্কৰ অংশ-বিশেষত মাজে মাজে উচ্চ শক্তিসম্পন্ন বিদ্যুৎপ্ৰৱাহৰ সৃষ্টি হৈ পৰা দেখা যায়। তেনে এটা অৱস্থাত দ্ৰুত বিদ্যুৎক্ষৰণৰ ফলত মস্তিষ্কৰ কাৰ্য্য-কলাপ ব্যাহত হৈ পৰাত ৰোগী সংজ্ঞাশূন্য হৈ পৰে। তাৰ পাছত ৰোগীৰ শৰীৰৰ মাংসপেশীবিলাকৰ পুনঃ পুনঃ সঙ্কোচন-সম্প্ৰসাৰণ ঘটিবলৈ ধৰাত সমগ্ৰ শৰীৰতে জোকাৰণি আৰম্ভ হয়। ৰোগীৰ মস্তিষ্কত উদ্ভৱ হোৱা বিদ্যুৎশক্তি এনেদৰে শৰীৰৰ মাংসপেশীৰ কাৰ্য্য-কলাপৰ জৰিয়তে খৰচ হৈ যোৱাৰ পাছত ৰোগীৰ অৱস্থা শান্ত হৈ পৰে। তাৰ কিছুপৰৰ পাছত ৰোগীৰ চেতনা লাহে লাহে ঘূৰি আহে।

বিজ্ঞানীসকলে জানিব পাৰিছে যে মানুহৰ শৰীৰৰ চাৰিওফালে থকা তড়িৎক্ষেত্ৰৰ লগত পৃথিৱীৰ চৌম্বকক্ষেত্ৰ (magnetic field) আৰু অমাৱস্যা, পূৰ্ণিমা আদি প্ৰাকৃতিক অৱস্থাৰো নিবিড় সম্পৰ্ক থাকে। এই কথাত আচৰিত হ'বলগীয়া একো নাই। কাৰণ দেখা যায় যে পৃথিৱীৰপৰা ন কোটি ত্ৰিশ লক্ষ মাইল আঁতৰত থকা সূৰ্য্যটোত সৃষ্টি হোৱা তড়িৎ-চৌম্বক-ধুমুহাই (Electro-magnetic storm) পৃথিৱীত থকা ৰেডিঅ' গ্ৰাহক যন্ত্ৰৰ কাৰ্য্যত বাধা ঘটাব পাৰে। আকৌ তেনেকুৱা তড়িৎ-চৌম্বক-ধুমুহাৰ ফলতে পৃথিৱীত মেৰু জ্যোতিৰ (Aurora Borealis) আৱিৰ্ভাৱ ঘটে। আনহাতে বিজ্ঞানীসকলে ইয়াকো জানিব পাৰিছে যে তিৰোতা মানুহৰ ডিম্বাশয়ত ডিম্বস্ফোটন (ovulation) ঘটিবৰ পৰত তিৰোতাৰ শৰীৰত উচ্চ শক্তিসম্পন্ন তড়িৎপ্ৰৱাহৰ সৃষ্টি হৈ পৰে। সেই সময়ত তিৰোতা মানুহৰ শৰীৰৰ চৌপাশে থকা তড়িৎক্ষেত্ৰ পৰীক্ষা কৰিয়েই ডিম্বস্ফোটনৰ কথা ধৰা পেলাব পাৰি।

কিন্তু আচল প্ৰশ্ন হৈছে মানুহৰ মস্তিষ্কৰ বৈদ্যুতিক কাৰ্য্য-কলাপৰ লগত

চেতনাৰ সম্পৰ্ক কি? মস্তিষ্কই দেহেন্দ্ৰিয়বিলাকৰপৰা যোৱা স্নায়ুপ্ৰৱাহক ভাব-চিন্তালৈ ৰূপান্তৰিত কৰে নেকি? নে মস্তিষ্কত স্নায়ুপ্ৰৱাহৰ ভাব-চিন্তালৈ ৰূপান্তৰ এটা স্বতঃস্ফূৰ্ত্ত ঘটনা! স্নায়ুপ্ৰৱাহৰ পম খেদি গৈ থাকিলে মস্তিষ্কৰ সৰ্ব্বোচ্চ স্তৰত থকা স্নায়ুকেন্দ্ৰবিলাকত আমি উপস্থিত হওঁগৈ। কিন্তু তাত স্নায়ুপ্ৰৱাহ কেনেকৈ সচেতন প্ৰত্যক্ষলৈ ৰূপান্তৰিত হৈ পৰে, সেই প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে আমি ধৰি ল'ব লাগিব যে মস্তিষ্কৰ উচ্চ স্তৰত থকা স্নায়ুকোষবিলাকৰ কাৰ্য্য কেৱল শাৰীৰধৰ্ম্মী নহয়, লগতে সিহঁতৰ কাৰ্য্য বা আচৰণ মনোধৰ্ম্মীও।

ধৰি লওক, আপোনাৰ সোঁবাহুৰ মাংসপেশীবিলাক আপোনাৰ মস্তিষ্কৰ যিটো অংশৰ লগত স্নায়ুতন্তুৰদ্বাৰা সংযুক্ত হৈ আছে, মস্তিষ্কৰ সেই অংশটোক তড়িৎপ্ৰৱাহৰদ্বাৰা উত্তেজিত কৰি তোলা হৈছে। আপুনি দেখিব যে তৎমুহূৰ্ত্ততে আপোনাৰ সোঁহাতখন ওপৰলৈ দাং খাই পৰিছে আৰু লগতে আপোনাৰ মনত ধাৰণা হৈছে যে আপুনি ইচ্ছাকৃতভাৱেহে হাতখন তেনেকৈ দাঙি ধৰিছে। মস্তিষ্কৰ ক্ৰিয়াজ প্ৰদেশত (motor cortex) সৃষ্টি হোৱা স্নায়ৱিক উত্তেজনাৰ ফলত হাতখন ওপৰলৈ দাং খোৱাটো এটা নিতান্ত যান্ত্ৰিক প্ৰক্ৰিয়া। কিন্তু আপুনি ইচ্ছাকৃতভাৱেহে যেন হাতখন ওপৰলৈ দাঙি ধৰিছে এনে এটা ভাব আপোনাৰ মনত উদয় হ'বলৈ পালে কিয় সেই প্ৰশ্নৰ উত্তৰহে পাবলৈ নাই। আমাৰ বিশ্বাস যে মস্তিষ্কৰ উচ্চ স্তৰৰ স্নায়ু-কোষবিলাকৰ আচৰণ কেৱল শাৰীৰধৰ্ম্মী হোৱা হ'লে 'হাতখন ইচ্ছাকৃতভাৱে দাঙি ধৰা হৈছে' এই ভাবটো আপোনাৰ মনত জাগি উঠিব নোৱাৰিলে-হেঁতেন।

শৰীৰৰ স্নায়ুপ্ৰান্তৰপৰা মস্তিষ্কলৈ গতি কৰা সকলোবিলাক স্নায়ুপ্ৰৱাহ যে মস্তিষ্ক পায়গৈ তেনে নহয়। কাৰণ শৰীৰৰ স্নায়ুপ্ৰান্তৰপৰা মস্তিষ্কলৈকে এই পথছোৱা অতিক্ৰম কৰোঁতে স্নায়ুপ্ৰৱাহ নানা প্ৰতিৰোধৰ সম্মুখীন হ'ব লগাত পৰে। শৰীৰৰ আভ্যন্তৰিক কাৰ্য্য-কলাপৰ নিয়ন্ত্ৰণ সংক্ৰান্ত যি-বিলাক স্নায়ুপ্ৰৱাহে মস্তিষ্কৰ ফালে গতি কৰে, সিহঁতে প্ৰায়ে সচেতন উপলব্ধিৰ সৃষ্টি নকৰে। আন কিছুমান স্নায়ুপ্ৰৱাহ মেৰু-মজ্জা (spinal cord) বা মস্তিষ্কৰ মধ্য আৰু নিম্ন অংশৰপৰা প্ৰতিফলিত হৈ শৰীৰৰ

মাংসপেশীবিলাকৰ কাৰ্য্যৰ জৰিয়তে দৈহিক আচৰণ বা প্ৰতিক্ৰিয়ালৈ ৰূপান্তৰিত হৈ পৰে। ইয়াৰ ফলত আমাৰ চেতন মনৰ অলক্ষিতে শৰীৰৰ ভালেমান কাৰ্য্য-কলাপ স্বতঃস্ফূৰ্ত্তভাৱে নিয়ন্ত্ৰিত হৈ থকা আমি দেখা পাওঁ। আকৌ যিবিলাক স্নায়ুপ্ৰৱাহ মস্তিষ্কত প্ৰৱেশ কৰেগৈ, সিহঁতৰ প্ৰতিটো যে তৎমুহূৰ্ত্ততে সচেতন প্ৰত্যক্ষলৈ ৰূপান্তৰিত হৈ পৰে, সিও নহয়। শৰীৰৰ বিভিন্ন প্ৰান্তৰপৰা মস্তিষ্কলৈ গতি কৰা সকলোবিলাক স্নায়ুপ্ৰৱাহ একে সময়তে সচেতন প্ৰত্যক্ষলৈ ৰূপান্তৰিত হৈ পৰিবলৈ গ'লে আমি উদ্‌ভ্ৰান্ত হৈ পৰিবলৈ বাধ্য। সেই উদ্‌ভ্ৰান্তিৰপৰা আমাৰ মনক ৰক্ষা কৰিবৰ কাৰণে মস্তিষ্কৰ গৰ্ভত থকা 'ৰেটিকিউলাৰ ফৰ্মেচন' (Reticular formation) নামৰ সূক্ষ্ম স্নায়ুজাল সমষ্টিয়ে মস্তিষ্কত প্ৰৱেশ কৰা স্নায়ুপ্ৰৱাহবিলাকক চালি-জাৰি চাই তাৰ ভিতৰত শক্তিশালী স্নায়ুপ্ৰৱাহ-বিলাককহে মস্তিষ্কৰ উচ্চ স্তৰত থকা স্নায়ুকেন্দ্ৰলৈ যাবলৈ বাট এৰি দিয়ে। অপেক্ষাকৃতভাৱে দুৰ্ব্বল স্নায়ুপ্ৰৱাহবিলাকে সচেতন প্ৰত্যক্ষত পৰিণত হ'ব নোৱাৰি চেতনাৰ অধঃস্তৰত সিহঁতৰ স্মৃতি-চিহ্ন আঁকি থৈ যায়। তেনেদৰে আৱেগ-অনুভূতিৰ ক্ষেত্ৰতো স্নায়ুপ্ৰৱাহৰ বিশ্লেষণ চলে। সেই কাম কৰে মস্তিষ্কৰ গৰ্ভত থকা 'লিম্বিক ফৰ্মেচন' (Limbic formation) নামৰ স্নায়ুজাল সমষ্টিয়ে।

চকু, কাণ, নাক, ছাল আৰু জিভা এই পাঁচোটা যন্ত্ৰত থকা সংবেদজ স্নায়ুপ্ৰান্তৰপৰা মস্তিষ্কলৈ যোৱা স্নায়ুপ্ৰৱাহবিলাকে আমাৰ মস্তিষ্কত প্ৰৱেশ কৰি কিছুমান সংবেদন (sensation) বা নিৰ্ব্বিশেষ চেতনাৰহে সৃষ্টি কৰে। প্ৰত্যক্ষ কৰা বস্তু বা ঘটনাৰ বিষয়ে সুস্পষ্ট জ্ঞান দিব নোৱাৰে। সংবেদন সুস্পষ্ট জ্ঞান বা নিৰ্দ্দিষ্ট ধাৰণাত পৰিণত হ'বলৈ হ'লে আমাৰ মনত পূৰ্ব্বৰেপৰা সঞ্চিত হৈ থকা জ্ঞান বা সংৰক্ষিত স্মৃতিৰ লগত বৰ্ত্তমানৰ সংবেদনপ্ৰৱাহৰ যোগাযোগ স্থাপিত হ'ব লাগিব। আনকি পুৰণি বন্ধু এজনক বাটত লগ পাই তেওঁক চিনি পাবলৈ হ'লেও বন্ধুজনৰ চেহেৰা-পাতি আৰু আচৰণৰ যি স্মৃতি মনৰ গৰ্ভত সংৰক্ষিত হৈ আছিছে, তাৰ লগত বৰ্ত্তমান লগ পোৱা মানুহজনৰ চেহেৰা আৰু আচৰণৰ সাদৃশ্যখিনি আমাৰ মনে ধৰা পেলাব পাৰিব লাগিব। বাটত একা-বেঁকা হৈ পৰি থকা

জৰী এডালক অকস্মাতে সাপ বুলি ভুল কৰিবলৈ হ'লেও সাপৰ আকৃতি-প্ৰকৃতি বিষয়ক জ্ঞান বা ধাৰণা এটা পূৰ্ব্বেৰেপৰা মনৰ গৰ্ভত লুকাই থাকিব লাগিব। নক'লেও হ'ব যে পূৰ্ব্বকালৰ স্মৃতিৰ লগত বৰ্ত্তমানৰ সংবেদনৰ যোগাযোগ সাধন এটা স্বতঃস্ফূৰ্ত্ত মানসিক ঘটনা। মুহূৰ্ত্তৰ ভিতৰতে সেই কাম সম্পন্ন হৈ যায়। কাচিৎহে আমি অতীজৰ বন্ধুজনৰ চেহেৰাৰ লগত বৰ্ত্তমান লগ পোৱা মানুহজনৰ চেহেৰাৰ সাদৃশ্যখিনি সজ্ঞানে বিচাৰ কৰিব লগা হয়। গতিকে দেখাত অতি সহজ যেন লাগিলেও প্ৰতিটো সচেতন প্ৰত্যক্ষই কিছুমান অতিশয় জটিল আৰু ৰচনাত্মক মানসিক কাৰ্য্য-কলাপৰ সৰ্ব্বশেষ পৰিণতিৰ নিচিনা আৰু ইয়াৰ অন্তৰালত বিবিধ বিশ্লেষণ আৰু সংশ্লেষণৰ কাৰ্য্য সংঘটিত হৈ থাকে।[৮]

এই প্ৰসঙ্গত স্বপ্নৰ কথাও আমাৰ মনলৈ আহে। নক'লেও হ'ব যে স্বপ্ন দেখা অৱস্থাত আমি নিদ্ৰাভিভূত হৈ থাকিলেও স্বপ্ন এক প্ৰকাৰ সচেতন প্ৰত্যক্ষ। স্বপ্ন সচেতন প্ৰত্যক্ষ নোহোৱা হ'লে ৰাতিপুৱা টোপনিৰ-পৰা সাৰ পাই স্বপ্নৰ ঘটনাবিলাক স্মৰণ কৰা আমাৰ অসাধ্য হৈ পৰিলেহেঁতেন। স্বপ্নও একপ্ৰকাৰ অতিশয় জটিল মানসিক ঘটনা আৰু ইয়াৰ অন্তৰালত চিন্তাৰ সংক্ষিপ্তকৰণ, চিন্তা আৰু আৱেগৰ অভিক্ৰান্তি, স্বপ্নাভিনয় আৰু চিন্তাৰ প্ৰতীকীকৰণৰ দৰে ভালেমান দুৰ্ব্বোধ্য মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সমাৱেশ ঘটা আমি দেখিবলৈ পাওঁ। তদুপৰি স্বপ্নত আমাৰ সচেতন মন আৰু অচেতন মন একাকাৰ হৈ পৰে। মুঠতে স্বপ্নও যে কিছুমান ৰচনাত্মক মানসিক কাৰ্য্য-কলাপৰ সমষ্টি তাত সন্দেহ নাই।

(খ)

আমি জানো যে মানুহৰ ভাব-চিন্তাবিলাক শূন্যত ভাহি থাকিব নোৱাৰে। সিহঁত মানুহৰ মনৰ বস্তু হ'ব লাগিব। সচেতন মানস-স্তৰত আমাৰ

(৮) "In analysing experience the mind is active. Not only does it discriminate, but it selects. Not only does it select, it adds. It selects and adds in accordance with the interest of the perceiver and in relation to the purpose which he has in view."

—*Dr. William James*

চিন্তাবিলাকৰ কেন্দ্ৰবিন্দু হৈছে আমাৰ অহংবোধ বা 'মই' ৰূপে অনুভূত হোৱা বিচিত্ৰ সত্তাটো। তথাপি আমি অনুভৱ কৰোঁ যে মই আৰু মোৰ ভাব-চিন্তা যেন পৃথক বস্তু। মই যেন সিহঁতৰ দ্ৰষ্টা মাথোন। কাৰণ মানস-স্তৰত ক্ষণে ক্ষণে ভাব-চিন্তাৰ পৰিৱৰ্ত্তন ঘটি থাকিলেও আমাৰ 'মই' ভাবটো অপৰিৱৰ্ত্তিত হৈ থাকে। আকৌ বয়স অনুসৰি চেহেৰাৰ পৰিৱৰ্ত্তন আৰু চিন্তাৰ সম্প্ৰসাৰণ ঘটি থাকিলেও শৈশৱৰ 'মই', যৌৱনৰ 'মই' আৰু এতিয়াৰ 'মই' অভিন্ন সত্তাৰূপে আমাৰদ্বাৰা অনুভূত হৈ থাকে। দ্বিতীয়তে, দেখা যায় যে অহংবোধ প্ৰায় একে সময়তে দ্ৰষ্টা, শ্ৰোতা, অনুভৱকৰ্ত্তা আৰু স্মৰণকৰ্ত্তাৰ ভূমিকাত অৱতীৰ্ণ হৈ পৰে। তৃতীয়তে, আমি অনুভৱ কৰোঁ যে অহংবোধ একান্তভাৱে একক সত্তা। বহুজনৰ লগত-মোৰ চেহেৰা, আচৰণ আৰু দৃষ্টিভঙ্গিৰ হুবহু মিল থাকিব পাৰে। কিন্তু ইমানখিনি সাদৃশ্য থকা সত্বেও মই ময়েই। কোনো অৱস্থাতে আন এজনৰ অহংবোধক মোৰ অহংবোধৰ স্থলাভিষিক্ত কৰা নচলে। অন্ততঃ সুস্থ মানসিক অৱস্থাত কস্মিনকালেও মোৰ চেতনাৰ পটভূমিত দ্বিতীয় এটা 'মই'ৰ স্থান হ'ব নোৱাৰে। চতুৰ্থতে, আমি পাই আহিছোঁ যে অহংবোধৰ কাৰ্য্য নিৰ্ব্বাচনমূলক। ই সকলোবিলাক ভাব-চিন্তাৰ ওপৰত সমানে গুৰুত্ব আৰোপ নকৰে। ই বাছি বাছি কিছুমান চিন্তা নিজে গ্ৰহণ কৰে। কিছুমান উপেক্ষা কৰি যায়। আকৌ কিছুমানক বিস্মৃতিৰ গৰ্ভলৈ নিৰ্ব্বাসন দিয়ে। নিজৰ মনটোৰ প্ৰতি লক্ষ্য কৰিলেই আমি এইটো বুজিব পাৰোঁ যে শৈশৱকালৰেপৰা একেখিনি চিন্তাক সম্বল কৰি আমি সংসাৰত জীয়াই থকা নাই। অতীত জীৱনৰ যিমানবিলাক ঘটনাৰ কথা আমি স্মৰণ কৰিব পাৰোঁ, তাতকৈ বহু-হাজাৰগুণ বেছি ঘটনাৰ কথা কাহানিবাই বিস্মৃতিৰ গৰ্ভত হেৰাই গৈছে। চিন্তা নিৰ্ব্বাচন আৰু চিন্তা বিসৰ্জ্জনৰ দৰে ঘটনাবিলাক ঘটি থাকে অহংবোধৰ একান্ত অলক্ষিতে। ইয়াৰপৰা বুজা যায় যে অহংবোধক চেতনাৰ উৎস বুলি ভবা হ'লেও অহংবোধৰ অজ্ঞাত দিশ এটাই নিৰ্জ্জ্ান সত্তাৰূপে কাৰ্য্য-নিৰ্ব্বাহ কৰি থাকে। ইয়াৰ বাহিৰেও অত্যধিক মানসিক ছাপৰ-পৰা অব্যাহতি লাভ কৰিবৰ কাৰণে আমাৰ অহংবোধে নিজৰ অজ্ঞাতে

ভালেমান ক্ৰিয়া-কৌশল অৱলম্বন কৰি থাকে। সেই কৌশলসমূহক চিন্তাৰ অভিক্ষেপণ, চিন্তাৰ অন্তঃক্ষেপণ, চিন্তাৰ অৱদমন, একাত্মীকৰণ আদি নামেৰে অভিহিত কৰা হয়। চিন্তাৰ অভিক্ষেপণ প্ৰক্ৰিয়াৰদ্বাৰা আমি নিজৰ চিন্তা বা অভিপ্ৰায়ক আনৰ চিন্তা-অভিপ্ৰায় বুলি বিশ্বাস কৰি লওঁ। চিন্তাৰ অন্তঃক্ষেপণ প্ৰক্ৰিয়াৰদ্বাৰা আনৰ চিন্তা বা প্ৰভাৱক আমি নিজ অন্তৰস্থ কৰি লওঁ। মনোবিজ্ঞানী ফ্ৰয়েডে ভাবে যে শৈশৱ-কালত পিতৃৰ মনোবৃত্তি আৰু অনুশাসনক নিজ অন্তৰস্থ কৰি লোৱাৰ ফলতে শিশুৰ অন্তৰত বিৱেকবোধৰ বীজ অঙ্কুৰিত হৈ পৰে। চিন্তাৰ অৱদমন প্ৰক্ৰিয়াৰদ্বাৰা অপ্ৰীতিকৰ চিন্তাৰ সচেতন আত্মপ্ৰকাশক প্ৰতিৰোধ কৰা হয়। প্ৰথম অৱস্থাত মনোযোগ অপসাৰণৰদ্বাৰা সজ্ঞানে অপ্ৰীতিকৰ চিন্তাৰপৰা অব্যাহতি লাভৰ চেষ্টা কৰা হয়। পাছলৈ অভ্যাসৰ ফলত সি অনৈচ্ছিক মানসিক ঘটনাত পৰিণত হৈ যায়। একাত্মীকৰণ প্ৰক্ৰিয়াৰদ্বাৰা আমি নিজৰ অজ্ঞাতে নিজক আনৰ ভূমিকাত গ্ৰহণ কৰি লওঁ আৰু আনৰ দুখ-বেদনাক নিজৰ দুখ-বেদনা স্বৰূপে অনুভৱ কৰিবলৈ লওঁ। ইয়াৰ বাহিৰেও অলীক কল্পনা আৰু স্বপ্ন-ৰচনা কাৰ্য্যৰ-দ্বাৰাও আমাৰ মনে উদ্বৃত্ত মানসিক ছাপৰপৰা অব্যাহতি পাবৰ কাৰণে চেষ্টা কৰে। এইটো সকলোৱে জানে যে আমাৰ স্বপ্নই সচেতন মনৰ নিৰ্দ্দেশ মানি নচলে।

কিন্তু আজিৰ যুগৰ কিছু সংখ্যক মনোবিজ্ঞানীয়ে অহংবোধ শাশ্বত সত্তা বুলি নাভাবে। তেওঁলোকৰ মতে অহংবোধ আমাৰ মনৰ ভ্ৰান্তি মাথোন। অহংবোধ ভ্ৰান্তি বুলি নধৰিলেও অহংবোধৰ নিৰৱচ্ছিন্নতা যে এটা অৱভাস (appearance) মাথোন তাত সন্দেহ নাই। দ্ৰুত পৰিৱৰ্ত্তনশীল ভাব-চিন্তাবিলাকক চেতনাৰ পটত একাদিক্ৰমে চিহ্নিত কৰিবলৈ হ'লে নিশ্চল মানসিক পটভূমি এটাৰ আৱশ্যক। কাৰণ নিশ্চল কিবা এটাৰ লগত সম্পৰ্কৰ বিচাৰ কৰিহে গতিশীলতাৰ কথা বুজিব পাৰি। সম্ভৱতঃ এনে এটা কাৰণতে আমাৰ অহংবোধ নিশ্চল সত্তাৰূপে প্ৰতীয়মান হৈ পৰে।

সদ্যজাত শিশুৰ অহংবোধ নাথাকে। তাৰ মন পৰিচালিত হয় নিৰ্জ্ঞান সহজাতবোধ আৰু সহজাত প্ৰৱণতাৰদ্বাৰা। শিশুৰ নিৰ্জ্ঞান

সহজাত মনৰ পটভূমিত আত্মচেতনাৰ কেনেকৈ জাগৰণ হয়, সেই বিষয়ে পণ্ডিতসকলৰ মাজত কিছু মত-পাৰ্থক্য নথকা নহয়। সৰ্ব্বপ্ৰথমে চিকিৎসা মনোবিজ্ঞানী ডাঃ ফ্ৰয়েডৰ অভিমতৰ কথাকে ধৰা হওক। ফ্ৰয়েডে ভাবে যে আমাৰ অহংবোধ আচলতে শৰীৰৰ বহিঃভাগৰ মানসিক প্ৰতিফলন মাথোন। শৰীৰৰ বহিঃভাগত অৱস্থিত চকু, কাণ, নাক আদি দেহেন্দ্ৰিয়বিলাকৰ জৰিয়তে বাহিৰৰ জগৎখনৰপৰা যোৱা অজস্ৰ খবৰে আমাক জনাই ৰাখে যে আমাৰ নিজৰ বাহিৰত আৰু এখন জগৎ আছে, যিখন জগৎ আমাৰপৰা একান্ত পৃথক। আনহাতে আমাৰ শৰীৰৰ অন্যান্য অংশ, ঘাইকৈ শৰীৰৰ জোৰা আৰু মাংসপেশীবিলাকৰপৰা যোৱা খবৰবিলাকে আমাক শৰীৰ, তথা নিজৰ পৃথক অস্তিত্বৰ বিষয়ে সচেতন কৰি ৰাখে। টোপনি অৱস্থাত দেহেন্দ্ৰিয়ৰ লগত মনৰ সংযোগসূত্ৰ বিচ্ছিন্ন হৈ পৰা হেতুকে আমাৰ অহংবোধ বা 'মই' বোলা বিচিত্ৰ উপলব্ধিটো সাম্প্ৰতিকভাৱে হ'লেও অন্তৰ্হিত হৈ পৰে।

অহংবোধ বা স্বকীয়া ব্যক্তিত্ববোধৰ জাগৰণৰ ক্ষেত্ৰত আমি বাস কৰা সমাজখনৰ বৰঙণিৰ কথা কোনোমতে অস্বীকাৰ কৰিব নোৱাৰি। মানুহৰ সমাজত বাস নকৰি আমি যদি জন-মানৱশূন্য অটব্য অৰণ্যৰ মাজত নিচেই কেঁচুৱা অৱস্থাৰেপৰা ডাঙৰ-দীঘল হলোহেঁতেন, তেতিয়াহ'লে আমাৰ স্বকীয়া ব্যক্তিত্ববোধে আজিৰ দৰে সুস্পষ্ট গঢ় ল'ব নোৱাৰিলে-হেঁতেন। কাৰণ জন-মানৱৰ সংস্পৰ্শলৈ নহা হেতুকে তেতিয়া আমি নিজক আন লোকৰপৰা পৃথক সত্তা বুলি অনুভৱ কৰিব নোৱাৰিলোহেঁতেন। নৃতত্ত্ববিদ্‌সকলে কয় যে সভ্যজগতৰপৰা ভালেখিনি নিলগত পৃথিৱীৰ চুকে-কোণে বাস কৰা আদিম জাতিৰ লোকসকল এতিয়াও আমাৰ দৰে সুস্পষ্ট আৰু সুসংগঠিত অহংবোধৰ গৰাকী হৈ উঠা নাই। তেওঁলোকে হেনো এতিয়াও 'Participation Mystic' বা আত্ম-পৰ ভেদশূন্য মানসিক অৱস্থাৰ মাজেৰে জীৱন অতিবাহিত কৰে। আকৌ ভাষাৰ প্ৰশ্নটোকো কোনোমতে উপেক্ষা কৰিব নোৱাৰি। কাৰণ ভাষাক অৱলম্বন কৰি নিৰৱচ্ছিন্নভাৱে চিন্তা কৰাত অভ্যস্ত হৈ পৰাৰ পাছতহে আমাৰ অহংবোধে নিৰৱচ্ছিন্ন সত্তাৰ গঢ় ল'ব পাৰে।

চিকিৎসা মনোবিজ্ঞানী কার্ল গুষ্টাভ্‌ য়ুঙ (Dr. C. G. Yung)-ৰ মতে আমাৰ অহংবোধ বিভিন্ন ইন্দ্রিয় চৈতন্যৰ সংশ্লেষণ (Synthesis of Various Sense Consciousness) মাথোন। ডাঃ য়ুঙে কয় যে আমি যেতিয়া তেনেই কেঁচুৱা হৈ আছিলোঁ, তেতিয়া দেহেন্দ্রিয়বিলাকৰ জৰিয়তে বহিঃজগতৰপৰা মস্তিষ্কলৈ যোৱা খবৰবিলাকে কিছুমান ক্ষুদ্র ক্ষুদ্র চেতনাবিন্দু মনত জগাই তুলিছিল। সেই চেতনা বিন্দুবিলাক আছিল একোটা পৃথক পৃথক 'মই' স্বৰূপ। সিহঁতৰ কোনোটো আছিল দ্রষ্টা 'মই' (Visual Ego), কোনোটো আছিল শ্রোতা 'মই' (Auditory Ego), আকৌ কোনোটো আছিল স্পর্শানুভূতিগ্রাহী 'মই' (Tactile Ego) এনেকুৱা। এই 'মই'বিলাকৰ মাজত মানসিক সংযোগসূত্র গঢ়ি উঠাৰ পূর্ব্বতে সিহঁত আছিল নিতান্ত অস্পষ্ট আৰু নিতান্ত ক্ষণস্থায়ী। তড়িৎস্ফুলিঙ্গৰ দৰে নিমিষতে জ্বলি উঠি নির্ব্বাপিত হৈ পৰিছিল। শিশুৰ বয়স বাঢ়ি অহাৰ লগে লগে এই পৃথক পৃথক চেতনাবিন্দুবিলাকৰ মাজত মানসিক সংযোগসূত্র গঢ়ি উঠিবলৈ ধৰিলে, যাৰ ফলত সিহঁত পৰস্পৰৰ লগ লাগি সর্ব্বশেষত পূর্ণপর্য্যায়ৰ অহংবোধ স্বৰূপে প্রতীয়মান হৈ পৰিল।

মনোবিজ্ঞানী ডাঃ য়ুঙে ভাবে যে অহংবোধে গঢ় লৈ পেলোৱাৰ পাছত সি হৈ পৰে মনৰ গর্ভত লুকাই থকা অজস্র মানস-প্রতিৰূপৰ (Psychical image) ভিতৰৰে এটা বিশিষ্ট মানস-প্রতিৰূপহে। অৱশ্যে অন্যান্য মানস-প্রতিৰূপৰ তুলনাত অহংবোধ অধিক স্পষ্ট আৰু অধিক বাস্তৱ সত্তা যেন লাগে। হার্ভার্ড বিশ্ববিদ্যালয়ৰ মনোবিজ্ঞানী ডাঃ উইলিয়াম্‌ জেম্‌চৰ মতে আমি যিহক অহংবোধ বুলি কওঁ, সি চেতনা-স্রোতৰ (Stream of Consciousness) খণ্ডিত প্রকাশ মাথোন। ডাঃ জেম্‌চৰ মতে চিন্তা আৰু চিন্তাকর্ত্তা অভিন্ন। কাৰণ চিন্তা নিজেই নিজৰ দ্রষ্টা। ডাঃ জেম্‌চৰ এই অভিমতৰ লগত দার্শনিক কৃষ্ণমূর্ত্তিৰ অভিমতৰ কিছু মিল থকা দেখা যায়। কাৰণ কৃষ্ণমূর্ত্তিৰ মতে চিন্তাৰ অবর্ত্তমানত চিন্তাকর্ত্তা 'মই' এটাৰ অস্তিত্ব থাকিব নোৱাৰে। ("Without his thoughts the Thinker does not exist")

দার্শনিক কৃষ্ণমূর্ত্তিয়ে অহংবোধক জ্বলন্ত মম্‌ এডালৰ শিখাটোৰ লগত

তুলনা কৰে। জ্বলি থকা মম্ এডালত যদিও এটা অগ্নিশিখাহে আমি দেখা পাওঁ, আচলতে সেই শিখাটো অলেখ ক্ষুদ্র ক্ষুদ্র শিখাৰ সমষ্টি মাথোন। কাৰণ মম্‌ডালত থকা 'ষ্টিয়াৰিণ' (Stearin) নামৰ দাহ্য পদাৰ্থবিধৰ প্ৰতিটো অণুৱে বতাহত থকা অম্লজানৰ সংস্পৰ্শত জ্বলি উঠি একো একোটা পৃথক পৃথক অগ্নিশিখাৰ সৃষ্টি কৰে। কিন্তু মম্‌ডালৰ দহন-কাৰ্য্য ইমান ক্ষিপ্ৰভাৱে সংঘটিত হয় যে সিহঁতৰ এটা শিখাই আমাৰ অক্ষিযৱনিকাৰ (Retina) আলোক-সচেতন স্নায়ুকোষবিলাকত সৃষ্টি কৰা বৈদ্যুতিক ৰাসায়নিকক্ৰিয়াৰ উপশম ঘটিবলৈ নৌ পাওঁতেই আন এটা শিখাৰ কাৰ্য্য সূচনা হৈ পৰে, যাৰ ফলত তেনেদৰে সৃষ্ট দুটা শিখাৰ মাজত সময়ৰ ব্যৱধান ধৰা পেলোৱা আমাৰ অসাধ্য হৈ পৰে। গতিকে জ্বলি থকা মম্‌ডালত মুহূৰ্ত্তে মুহূৰ্ত্তে অলেখ অগ্নিশিখাৰ সৃষ্টি হৈ থাকিলেও বাহিৰৰপৰা চাই মম্‌ডালত কেৱল এটা শিখাহে আমি দেখা পাওঁ। সেই শিখাটোৰ উত্তাপে মম্‌ডালৰ জ্বলি থকা অংশটো দ্ৰৱীভূত কৰি তোলে, যাৰ ফলত দহন-কাৰ্য্য আৰু আলোকৰ বিকিৰণ নিৰৱচ্ছিন্নভাৱে চলি থাকে।

এনেদৰে বিবেচনা কৰিলে বুজা যায় যে আমাৰ অহংবোধ একক উপাদানেৰে নিৰ্ম্মিত স্থূল বা নিশ্চল মানসিক সত্তা নহয়। অহংবোধ প্ৰকৃততে অজস্ৰ মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ক্ষেত্ৰ (a field of Dynamic Psychical Processes)-স্বৰূপ আৰু ই প্ৰতিটো মুহূৰ্ত্তত নিজক নতুনকৈ গঢ়ি তুলিব লাগে। কৃষ্ণমূৰ্ত্তিয়ে ভাবে যে জ্বলি থকা মম্‌ডালৰ শিখাৰপৰা উত্তাপ আৰু আলোকৰশ্মিৰ বিকিৰণ যেনেকৈ এটা নৈৰ্ব্যক্তিক ঘটনা, তেনেদৰে আমাৰ মনৰ গৰ্ভত নিৰৱচ্ছিন্নভাৱে ঘটি থকা ৰচনাত্মক আৰু ধ্বংসাত্মক কাৰ্য্যসমূহো তেনেদৰে নৈৰ্ব্যক্তিক মানসিক ঘটনা। ইয়াৰ লগত জড়-পৰমাণুৰ গৰ্ভত অহৰ্নিশে চলি থকা ভঙা-গঢ়া কাৰ্য্যৰ ভালেখিনি সাদৃশ্য বৰ্ত্তমান। পদাৰ্থ-বিজ্ঞানীসকলে জানিব পাৰিছে যে কেৱল প্ৰ'টন (Proton) আৰু ইলেক্ট্ৰনেই জড়-পৰমাণুৰ একমাত্ৰ উপাদান নহয়। জটিল বিধৰ জড়-পৰমাণুৰ গৰ্ভত ইহঁত দুটাৰ বাহিৰেও প'জিট্ৰন (Positron), নিউট্ৰন আদি অন্যান্য শক্তিকণাও থাকে।

এই শক্তিকণাবিলাকৰ ভিতৰত অহৰ্নিশে আকৰ্ষণ-বিকৰ্ষণৰ কাৰ্য্য চলি থাকে, যাৰ ফলত এবিধ শক্তিকণা আন এবিধ শক্তিকণালৈ ৰূপান্তৰিত হৈ পৰে। আলোকৰ বিকিৰণ ঘটে। মুঠতে জড়-পৰমাণুও শক্তিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ ক্ষেত্ৰস্বৰূপ।

ঠিক তেনেদৰে মানুহৰ অহং, পৰাহং (Super Ego) আৰু ইড্ বা সহজাত মনৰ আকাঙ্ক্ষা বা প্ৰেৰণতাৰ মাজতো টনা-আঁজোৰা চলি থাকে। ইড্ বা সহজাত মনৰ উদ্দাম-লালসাই নিজৰ অবাধ পৰিতৃপ্তিৰ সন্ধানত ৰত হ'ব খোজে। আনহাতে পৰাহং বা নিৰ্জ্জ্ঞান বিবেকবোধে নৈতিকতাৰ দোহাই দি তাক নিৰস্ত কৰিবলৈ চেষ্টা কৰে। মানুহৰ অহংবোধে মনৰ এই বিপৰীতমুখী দিশ দুটাৰ মাজত সমন্বয় ৰচনা কৰি চলিব লগাত পৰে। অহং, পৰাহং আৰু ইডৰ মাজত অহৰ্নিশে চলি থকা শক্তি বিনিময়ৰ দৰে অহংবোধ আৰু বহিঃজগতৰ মাজতো শক্তিৰ আদান-প্ৰদান ঘটি থাকে। অহংবোধৰ নিৰ্জ্জ্ঞান স্তৰত সংঘটিত হোৱা ভঙা-গঢ়া কাৰ্য্যৰ পৰিণাম স্বৰূপে নতুন নতুন ভাবৰ সৃষ্টি হৈ পৰে। যিবিলাক ভাব-চিন্তা শক্তিশালী হৈ উঠে, সিহঁত আমাৰ সচেতন চিন্তা স্বৰূপে ব্যক্ত হৈ পৰে। অপেক্ষাকৃত কম শক্তিশালী চিন্তাবিলাকে আত্মপ্ৰকাশৰ সুবিধা নাপাই নিৰ্জ্জ্ঞান মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া স্বৰূপে মনৰ নিৰ্জ্জ্ঞান স্তৰত বন্দী হৈ ৰয়।

ইয়াৰপৰা বুজা যায় যে কৃষ্ণমূৰ্ত্তিৰ বিবেচনা মতেও নিৰৱচ্ছিন্ন কিম্বা শাশ্বত অহংবোধ মানুহৰ মনৰ ভ্ৰান্তি (Illusion) মাথোন। এই ক্ষেত্ৰত কৃষ্ণমূৰ্ত্তিৰ অভিমতৰ লগত বৌদ্ধ দাৰ্শনিক মতবাদৰ হুবহু মিল আছে। বৌদ্ধ দৰ্শনে নিৰৱচ্ছিন্ন অহংবোধৰ অস্তিত্ব স্বীকাৰ নকৰে। কাৰণ মানস-ক্ষেত্ৰত ভাব-চিন্তা বা আবেগ-অনুভূতিৰ নিৰৱচ্ছিন্ন প্ৰবাহৰ কাৰণেহে অহংবোধ ক্ষুদ্ৰ ক্ষুদ্ৰ চেতনাবিন্দুৰূপে প্ৰতীয়মান নহৈ শাশ্বত আৰু নিৰৱচ্ছিন্ন সত্তাৰূপে প্ৰতীয়মান হৈ পৰে।[১]

---

(১) "The 'I process' is recreated, reconstructed and transformed from instant to instant. There where our casual glance thinks it sees a permanent individuality, there is really only a rapid succession of moments of consciousness and evanescent thoughts."

Living Zen. by—*Robert Linssen.*

এতিয়া অহংবোধৰ কিবা দৈহিক ভিত্তি আছে নেকি সেই কথা বিচাৰ কৰি চোৱা হওক। পৰীক্ষামূলক মনোবিজ্ঞাই জানিব পাৰিছে যে শৰীৰৰ-পৰা মস্তিষ্কলৈ মুহূৰ্ত্তে মুহূৰ্ত্তে গতি কৰা স্নায়ুপ্ৰৱাহবিলাকে যে অকল মস্তিষ্কৰ সংবেদন প্ৰদেশলৈহে গতি কৰে, তেনে নহয়। মস্তিষ্কত প্ৰৱেশ কৰাৰ পাছত আংশিকভাৱে সিহঁত 'ৰেটিকিউলাৰ ফৰ্মেচন' নামৰ সূক্ষ্ম স্নায়ুজাল সমষ্টিৰ জৰিয়তে সমগ্ৰ মস্তিষ্কতে ব্যাপ্ত হৈ পৰে। ইয়াৰ ফলত শৰীৰৰপৰা যোৱা বাৰ্ত্তা গ্ৰহণ কৰিবৰ কাৰণে সমগ্ৰ মস্তিষ্ক তৎমুহূৰ্ত্ততে সজাগ হৈ পৰে। স্নায়ুতত্ত্ববিদ্‌সকলে মস্তিষ্কৰ এই জাগৰণক 'Function of arousal' বুলি কয়। যি হেতুকে মস্তিষ্ক আমাৰ সমগ্ৰ শৰীৰৰ কাৰ্য্য-কলাপৰ নিয়ন্ত্ৰণকেন্দ্ৰ হোৱাৰ উপৰিও সমগ্ৰ অতীত জীৱনৰ স্মৃতিৰ বাহক, সেই হেতুকে মস্তিষ্কৰ এই জাগৰণ সমগ্ৰ মনোদৈহিক সত্তাৰ জাগৰণ স্বৰূপ হৈ পৰে। সমগ্ৰ মনোদৈহিক সত্তাৰ এনেকুৱা মুহূৰ্ম্মুহূঃ জাগৰণৰ ফলতে আমাৰ অহংবোধ বা 'মই' উপলব্ধিটো জাগি থাকে। আকৌ এইটোও হ'ব পাৰে যে যুগ-যুগান্তৰৰ মানসিক ক্ৰম-বিকাশৰ পৰিণতি স্বৰূপে অহংবোধ গঠনৰ পূৰ্ব্বপ্ৰস্তুতি এটা মস্তিষ্কত গঢ়ি লৈহে আমি পৃথিৱীত জন্মগ্ৰহণ কৰোঁ। ওপজাৰ পাছত পাৰিৱেশিক উত্তেজনাই (Environmental Stimulation) সেই সহজাত স্নায়ৱিক সংগঠনক ক্ৰিয়াশীল কৰি তুলিলেই আমাৰ মনত অহংবোধৰ বীজ অঙ্কুৰিত হৈ পৰে। অহংবোধ একক সত্তাৰূপে প্ৰতীয়মান হৈ পৰাৰ মূলতো থাকে আমাৰ তেজ-মঙহৰ শৰীৰটো। একেটা শৰীৰকে আশ্ৰয় কৰি আমি সংসাৰত জীয়াই থাকোঁ আৰু সততে একেটা নামেৰে জন-সমাজত পৰিচিত হৈ থাকোঁ। মাতৃৰ গৰ্ভাশয়ত স্থিতি লোৱা দিনৰেপৰা একে জীৱনী-শক্তিয়ে আমাৰ শৰীৰত মৰণকাললৈকে নিৰৱচ্ছিন্নভাৱে কাৰ্য্য-নিৰ্ব্বাহ কৰি থাকে। টোপনি অৱস্থাতো জীৱনী-শক্তিৰ কাৰ্য্য-কলাপৰ বিৰতি নঘটে। গভীৰ টোপনি অৱস্থাত অহংবোধৰ অস্তিত্ব অনুভৱ কৰিব পৰা নগ'লেও অহংবোধৰ বিলুপ্তি ঘটে বুলি ডাঠি ক'ব নোৱাৰি। কাৰণ পৰীক্ষামূলক মনোবিজ্ঞাই জানিব পাৰিছে যে তেনে অৱস্থাতো মানসিক কাৰ্য্য-কলাপৰ বিৰতি নঘটে। সেয়েহে টোপনি যোৱাৰ আগৰ 'মই' আৰু সাৰ পাই উঠাৰ পাছৰ 'মই' অভিন্ন কিম্বা নিৰৱচ্ছিন্ন সত্তাৰূপে প্ৰতীয়মান হৈ থাকে।

তদুপৰি অতীত জীৱনৰ অজস্ৰ অভিজ্ঞতাৰ স্মৃতিয়ে অতীজৰ মানুহজন যে ময়ে আছিলোঁ, সেই বিশ্বাসটো সততে আমাৰ মনত জগাই ৰাখে। মস্তিষ্কৰ ৰোগৰ ফলত জীৱনৰ এটা অংশৰ স্মৃতি লোপ পালে, আমাৰ আত্মপৰিচয়ৰ বিপৰ্য্যয় ঘটে। মানসিক ৰোগৰ ফলতো আত্মচেতনাৰ সাম্প্ৰতিক বিপৰ্য্যয় উপস্থিত হ'ব পাৰে। হিষ্টিৰিয়া ৰোগীৰ জীৱনত ইয়াৰ নিদৰ্শন পোৱা যায়। মানস-পটত পৰ্য্যায়ক্ৰমে দুটা বা তিনিটা 'মই'ৰ আৱিৰ্ভাৱৰ দৃষ্টান্তও নথকা নহয়। যিসকল পাঠকে ৰবাৰ্ট লুই ষ্টিভেন্সনৰ 'ডাঃ জেকিল আৰু মিঃ হাইড'ৰ কাহিনী, কিম্বা অস্কাৰ ওৱাইল্ডৰ 'দি পিক্‌চাৰ অব্ ডৰিয়ান গ্ৰে'ৰ কাহিনীটো পঢ়ি পাইছে, তেওঁলোকে মানুহৰ মনৰ এনেকুৱা অভিব্যক্তিৰ কথা সহজে বুজিব পাৰিব।

(গ)

মানুহৰ অহংবোধ পৰিচালিত হয় জীৱন প্ৰবৃত্তিৰ (Life instincts)-দ্বাৰা। নিজৰ অন্তৰতম প্ৰদেশত অহংবোধে যেন অনুভৱ কৰে যে চিন্তাৰ প্ৰৱাহ স্তব্ধ হৈ পৰিলেই সি অচৈতন্য অন্ধকাৰৰ বুকুত নিজকে হেৰুৱাই পেলাব লাগিব। কাৰণ মানসিক ঘটনাপ্ৰৱাহক অৱলম্বন কৰিহে অহংবোধ সচেতন সত্তাৰূপে বৰ্ত্তি থাকিব পাৰে। অহংবোধে ভাব-চিন্তাক নিৰ্দ্দিষ্ট ক্ৰমত সজাই তোলে। নিৰ্দ্দিষ্ট লক্ষ্যৰ প্ৰতি চিন্তাৰ গতি নিৰ্দ্দেশ কৰে। আকৌ অহংবোধে চিন্তাক স্মৃতিৰূপে প্ৰাক্‌চেতন মনত সংৰক্ষণ কৰে, যাতে প্ৰয়োজন অনুসৰি সিহঁতক পুনৰ স্মৰণ কৰিব পাৰি। মানসিক অস্বস্তি, কিম্বা অত্যধিক মানসিক উত্তেজনাৰপৰা অব্যাহতি লাভ কৰিবৰ কাৰণে অহংবোধে নিজৰ অজ্ঞাতে কি কি আত্মৰক্ষামূলক কৌশল (Defence mechanism বা adaptation mechanism) অৱলম্বন কৰে, সেই বিষয়ে আগতে উমুকিয়াই অহা হৈছে।

মনোবিজ্ঞানী ডাঃ ফ্ৰয়েডে যিহক জীৱন-প্ৰবৃত্তি বুলি অভিহিত কৰিছে, সি আত্মপ্ৰকাশ কৰে আত্মসংৰক্ষণ, আত্মসম্প্ৰসাৰণ আৰু আত্মানন্দ আহৰণৰ দুৰ্দ্দমনীয় প্ৰৱণতা স্বৰূপে। জীৱন-প্ৰবৃত্তিৰ অন্তৰ্নিহিত লক্ষ্য হৈছে মৃত্যুক অতিক্ৰম কৰি অনিৰ্দ্দিষ্টকাললৈ সংসাৰত জীয়াই থকাটো।

জীয়াই থাকিবৰ আশাতেই মানুহে কঠোৰ পৰিশ্ৰম কৰি জীৱিকা অৰ্জন কৰে। শত্ৰুৰদ্বাৰা আক্ৰান্ত হ'লে, সি সেই আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ প্ৰাণপণে চেষ্টা কৰে। বেমাৰ হ'লে তাৰপৰা অব্যাহতি লাভ কৰিবৰ কাৰণে বেজ-জ্ঞানীৰ কাষ চাপে। তদুপৰি নিজৰ মৃত্যুৰ পাছতো মানুহে সন্তান-সন্ততিৰ জৰিয়তে সংসাৰত জীয়াই থাকিবলৈ কামনা কৰে। আকৌ সন্তান-সন্ততিৰ জন্মদানৰ অন্তৰালত মানুহৰ আত্মসম্প্ৰসাৰণৰ বাসনা নিহিত থাকে। যি হেতুকে চেক্স্ (Sex) বা যৌনকাৰ্য্য অবিহনে সন্তানোৎপাদন সম্ভৱ হ'ব নোৱাৰে, সেই হেতুকে যৌন কামনাক মানুহৰ জীৱন-প্ৰবৃত্তিৰ ভৌতিক অৱলম্বন বুলি বিবেচনা কৰিব পাৰি। সন্তান-সন্ততিৰ দৰে ধন-সম্পত্তি, ক্ষমতা, প্ৰতিপত্তি এইবিলাকো মানুহৰ আত্মসম্প্ৰসাৰণৰ আহিলা স্বৰূপ। ইহঁতে মানুহৰ অহংবোধক স্ফীত কৰি তোলে আৰু সিহঁতৰ চিন্তাতে নিমগ্ন হৈ মানুহে নিজৰ অৱশ্যম্ভাৱী মৃত্যুৰ কথা পাহৰি থাকে। মুঠতে ধন-সম্পত্তি, ক্ষমতা, প্ৰতিপত্তি এইবিলাকৰ সৈতে মানুহ নিজে একাত্মীভূত হৈ পৰা কাৰণেই সিহঁত মানুহৰ ভৌতিক 'মই'ৰ (Physical Me) অংশস্বৰূপ হৈ পৰে। সেয়েহে ধন-সম্পত্তিলৈ মানুহৰ অপাৰ মোহ। এবাৰ ক্ষমতাৰ গাদীত বহিবলৈ পালে মানুহ তাৰপৰা নামিব নোখোজে।

আকৌ সমাজৰপৰা লাভ কৰা স্বীকৃতিয়েও আমাক নিজ অস্তিত্বত অধিক বিশ্বাসী কৰি তোলে। সেয়েহে আনৰদ্বাৰা উপেক্ষিত হ'বলৈ হ'লে, কিম্বা সমাজৰ সমৰ্থন বা স্বীকৃতি হেৰুৱাবলৈ হ'লে আমাৰ অন্তৰত ক্ষোভ আৰু হতাশাৰ ভাব জাগি উঠে। কাৰণ নিচেই সৰুকালৰপৰা ব্যক্তিগত মন আৰু সমাজখনৰ মাজত সমন্বয় ৰচনাৰ ফলতহে আমাৰ সামাজিক অহংবোধৰ (Social Me) জাগৰণ ঘটে। গতিকে সমাজক উপেক্ষা কৰি গাইগুটীয়াভাৱে আমি অসম্পূৰ্ণ হৈ থাকোঁ।

তদুপৰি আমাৰ অহংবোধৰ এটা বৌদ্ধিক বা আধ্যাত্মিক দিশো থাকে, যিহক 'আধ্যাত্মিক মই' (Spiritual Me) বুলি কোৱা হয়। কিন্তু এই আধ্যাত্মিক অহংবোধে চিন্তা, অনুভূতিৰ দৰে পৰিৱৰ্ত্তনশীল মানসিক অৱস্থা-বিলাকক নুবুজায়। মানুহৰ বিবেকবোধ, নৈতিক চেতনা, সৌন্দৰ্য্যবোধ এনেবিলাক সূক্ষ্ম অনুভূতিক আধ্যাত্মিক অহংবোধৰ উপাদান বুলি বিবেচনা

কৰা হয়। কিন্তু আমাৰ অহংবোধৰ প্ৰধান লক্ষ্য সম্পদ আহৰণ। সেই সম্পদ লাগিলে ধন-সম্পত্তিয়েই হওক বা জ্ঞান আৰু অভিজ্ঞতাই হওক। কাৰণ অপৰিসীম জ্ঞান-স্পৃহাও আত্মসম্প্ৰসাৰণ বাসনাৰে পৰোক্ষ প্ৰকাশ। জ্ঞানৰ বা প্ৰতিভাৰ সহায়তো যশস্যা বা প্ৰতিপত্তি অৰ্জ্জন কৰিব পাৰি। বহু লোকে নিজ প্ৰতিভাৰ প্ৰশংসা শুনিবলৈ বিচাৰে। নিজক গুণী-জ্ঞানী বুলি কল্পনা কৰি আনন্দ লাভ কৰে। কৃষ্ণমূৰ্ত্তিয়ে কয় যে ব্যৰ্থতা, মানসিক শূন্যতা, কিম্বা নিঃসঙ্গতাবোধৰপৰা অব্যাহতি লাভ কৰিবৰ কাৰণেই মানুহৰ অন্তৰত অপৰিসীম জ্ঞান-স্পৃহা জাগি উঠে।[১০]

এতিয়া অহংবোধৰ অন্যতম লক্ষ্য আত্মানন্দ আহৰণৰ কথালৈ অহা হওক। মানুহৰ মন সুখান্বেষী। যি চিন্তা বা যিবিলাক কাৰ্য্যৰদ্বাৰা সুখ আৰু আনন্দ আহৰণ কৰিব পাৰি, সেইবিলাক চিন্তা বা কাৰ্য্যৰ প্ৰতিহে মানুহৰ মনত ধাউতি ওপজে। মানুহৰ প্ৰকৃতিয়েই এনেকুৱা যে সি কেৱল নিজৰ সকলো কামনা-বাসনাৰ অবাধ পৰিতৃপ্তি আহৰণ কৰিবলৈহে বিচাৰে। নিতান্ত বাধ্যত পৰিহে মানুহে সুখ-নীতি (Pleasure-Principle) পৰিহাৰ কৰি বাস্তৱ-নীতিৰ (Reality-Principle) শৰণাপন্ন হয়। উপনিষদৰ ঋষিয়েও কাহানিবাই কৈ গৈছে—'আনন্দাদ্ধেৱ খল্বিমানি ভূতানি জায়ন্তে, আনন্দেন জাতানি জীৱন্তি' ইত্যাদি। পৰমাত্মাক সচ্চিদানন্দ বুলি কোৱা হয়। সৎ মানে সত্তা বা অস্তিত্ব। চিৎ মানে জ্ঞান বা চৈতন্য। য'ত নিজ অস্তিত্বৰ বিষয়ে জ্ঞান থাকে, তাত নিশ্চয় আনন্দও থাকে। ডাঃ ফ্ৰয়েডে কয় যে কামনাই যেতিয়া মানুহৰ অন্তৰত তীব্ৰ উন্মাদনা জগাই তোলে, তেতিয়া সাম্প্ৰতিকভাৱে মানুহৰ মানসিক ভাৰসাম্য বিপৰ্য্যস্ত হৈ পৰে। মনৰ কামনা সিদ্ধ হ'লে মানসিক চাপৰ উপশম ঘটে আৰু মানুহৰ মানসিক ভাৰসাম্য পুনৰ প্ৰতিষ্ঠিত হয়। সেয়ে হ'লে মানুহৰ অন্তৰত আনন্দৰ সৃষ্টি হৈ পৰে। গতিকে মানসিক স্বাস্থ্যৰ সুৰক্ষাৰ কাৰণে আনন্দ অপৰিহাৰ্য্য। আনন্দই মানুহৰ জীৱনী-শক্তি বঢ়াই তোলে।

কিন্তু অহংবোধ আমাৰ মনৰ ভ্ৰান্তি বা অৱভাস বুলি ধৰিলেও জ্ঞানৰ

---

(১০) Addiction to knowledge is like any other addiction. It offers an escape from the fear of emptiness, of loneliness, of frustration and of the fear of being nothing. —*J. Krishnamurti.*

সমল আহৰণৰ কাৰণে দেহেন্দ্ৰিয়বিলাকৰ ওপৰত যেতিয়ালৈকে আমি নিৰ্ভৰশীল হৈ থাকোঁ, তেতিয়ালৈকে অহংবোধ আমাৰ কাৰণে অপৰিহাৰ্য্য হৈয়ে থাকিব। কাৰণ অহংবোধ হৈছে বহিঃজগত আৰু অন্তৰ্জগতৰ মাজত সম্পৰ্কৰক্ষী সত্তা। আকৌ অহংবোধ যেনেকৈ সহজাত মনৰ সংগঠিত আৰু বাস্তৱ জগতাভিমুখী দিশ, তেনেকৈ পৰাহং বা 'চুপাৰ ইগো' আমাৰ অহংবোধৰ সমাজমুখী দিশ। সহজাত মনৰ পটভূমিত কেনেকৈ আমাৰ অহংবোধে ধীৰে ধীৰে গঢ় লৈ পেলায়, সেই বিষয়তো আমি একোকে অনুভৱ কৰিব নোৱাৰোঁ। তেনেদৰে অহংবোধৰ এটা দিশৰ চুপাৰ ইগোলৈ ৰূপান্তৰৰ বিষয়েও আমি একোকে অনুমান কৰিব নোৱাৰোঁ। অহংবোধ নিজে চেতনাৰ আধাৰ হোৱা সত্বেও নিজক সি একান্তভাৱে জানি-উঠিব নোৱাৰে। আকৌ সৰহভাগ ক্ষেত্ৰতে আমাৰ পৰাহং বা চুপাৰ ইগোৱেও নিৰ্জ্জান সত্তা হিচাপেহে কাৰ্য্য-নিৰ্ব্বাহ কৰে। কাচিৎহে আমি সজ্ঞানে অৰ্থাৎ ইচ্ছাকৃতভাৱে ন্যায়-অন্যায় বিচাৰ কৰিবলগীয়া হয়।

প্ৰাপ্তবয়স্ক লোকৰ অহংবোধ অতিশয় জটিল আৰু দুৰ্ব্বোধ্য মানসিক ঘটনাপ্ৰৱাহ স্বৰূপ হ'লেও জীৱনৰ আৰম্ভণিৰপৰা মৃত্যুকাললৈকে অহংবোধে শৰীৰ আৰু মনৰ মাজৰ সম্পৰ্কৰক্ষী সত্তা হিচাপেই কাৰ্য্য-নিৰ্ব্বাহ কৰি থাকে। কিন্তু বয়স বাঢ়ি অহাৰ লগে লগে অহংবোধ শিক্ষা, আদৰ্শ, ধৰ্ম্ম-বিশ্বাস, নৈতিকতা আদি নানা দিশৰপৰা প্ৰভাৱান্বিত হৈ পৰিবলৈ ধৰে। এনেদৰে পদে পদে শৃঙ্খলিত হৈ পৰা আমাৰ অহংকেন্দ্ৰী সচেতন মনটোক দাৰ্শনিক কৃষ্ণমূৰ্ত্তিয়ে সাপেক্ষ মন বা নিয়ন্ত্ৰিত মন (Conditioned mind) বুলি অভিহিত কৰিছে। এই মন ঘোৰ স্বাৰ্থান্বেষী আৰু মানৱতাবোধৰ পৰিপন্থী। এই মন হৈছে ঈৰ্ষা, বিদ্বেষ, অহঙ্কাৰ আৰু কপটভাৱেৰে পৰিপূৰ্ণ কলুষিত মন। অথচ অহংবোধক আমি উপেক্ষা কৰিবও নোৱাৰোঁ।

অহংবোধ বা সচেতন মনৰ এই অধঃপতনকে বাইবেল গ্ৰন্থত 'আডম' আৰু 'ইভ'ৰ স্বৰ্গচ্যুতিৰ কাহিনী স্বৰূপে বৰ্ণনা কৰা হৈছে। আডম-ইভৰ অধঃপতন ঘটিবলৈ পালে নিষিদ্ধ জ্ঞান-বৃক্ষৰ ফল-ভক্ষণৰদ্বাৰা, সম্ভৱতঃ যাৰ অৰ্থ হৈছে 'Birth of self consciousness' অৰ্থাৎ আত্মচেতনা আৰু স্বকীয়া সত্তাবোধৰ জাগৰণ। আনহাতে ক্ৰুচ-বিদ্ধ হৈ যীশুৰ মৃত্যুবৰণ আৰু পাছত যীশুৰ পুনৰভ্যুত্থান লৌকিক অহংবোধৰ বিসৰ্জ্জন আৰু পাৰমাৰ্থিক অহং বা আধ্যাত্মচেতনাৰ অভ্যুদয় বুলিয়ে অনুমান হয়।

জৈৱিক মন

"Yet Freud's idea of a Depth psychology is important, for there are depths in the person beneath the level of conscious experience. These depths are biological rather than psychological. The Unconscious cannot be rightly conceived in the categories of conscious activities, such as ideas, memories, and definite desires. There is a gradation in depth extending from wholly unconscious biological activity of the organism up through the various degrees of vaguely conscious feelings and activities, to the most sharply conscious and attentive perceptions and voluntary acts."

Contemporary Schools of Psychology by

—R. S. Woodworth

শৰীৰ আৰু মনৰ মাজৰ সম্পৰ্কটো কেনেকুৱা, সেই প্ৰশ্নকে লৈ আজিলৈকে বাক্-বিতণ্ডাৰ ওৰ পৰা নাই। এক সংখ্যক পণ্ডিতে ভাবে যে শৰীৰ আৰু মনে সমান্তৰালভাৱে আমৰণ কাল কাৰ্য্য-নিৰ্ব্বাহ কৰি থাকে। আন এক সংখ্যক পণ্ডিতৰ ধাৰণা মতে শৰীৰ আৰু মন বিভিন্ন প্ৰকৃতিৰ বস্তু হ'লেও সিহঁতৰ এটাই আনটোৰ ওপৰত ক্ৰিয়া কৰিব পাৰে। আকৌ তৃতীয় এক সংখ্যক পণ্ডিতে ভাবে যে শৰীৰ আৰু মন একেটা সত্তাৰে দুটা প্ৰকাশ মাথোন। চুম্বক লো এডোখৰ কাটি দুডোখৰ কৰিলেও চুম্বক-ডোখৰৰ মেৰু দুটাক যেনেকৈ পৃথক কৰিব নোৱাৰি, তেনেকৈ জীৱন্ত মানুহৰ শৰীৰৰ জৈৱিক কাৰ্য্য-কলাপ আৰু মানুহজনৰ মানসিক কাৰ্য্য-কলাপৰ মাজত কোনো সুস্পষ্ট সীমাৰেখা নিৰ্দ্ধাৰণ কৰিব নোৱাৰি।

নক'লেও হ'ব যে জীৱন্ত প্ৰাণীৰ শৰীৰত অহৰ্নিশে চলি থকা জৈৱিক কাৰ্য্য-কলাপসমূহ বিক্ষিপ্ত ঘটনা নহয়, কিম্বা নিতান্ত যান্ত্ৰিক ক্ৰিয়া-প্ৰক্ৰিয়াও নহয়। সিহঁত পৰস্পৰৰ লগত সম্পৰ্কযুক্ত উদ্দেশ্য চালিত

ঘটনা আৰু সেই উদ্দেশ্য হৈছে সৰ্ব্বতোভাৱে প্ৰাণীৰ মঙ্গল সাধন কৰা আৰু যথাসম্ভৱ দীৰ্ঘকাললৈ প্ৰাণীক জীয়াই ৰখা। গতিকে অভিপ্ৰায়-বাদৰ দৃষ্টিকোণৰপৰাহে আমি শৰীৰ আৰু মনৰ কাৰ্য্য-কলাপৰ মাজৰ সম্পৰ্কৰ কথা বিচাৰ কৰা উচিত। কাৰণ মানুহ বা অন্য কোনো জীৱন্ত প্ৰাণীৰ শৰীৰৰ কোনো এটা অঙ্গৰ কাৰ্য্য-কলাপ যান্ত্ৰিক নিয়ম অনুসৰি ব্যাখ্যা কৰিব পৰা গ'লেও সমগ্ৰ প্ৰাণীটোৰ আচৰণৰ পৰিপ্ৰেক্ষিতত সেই অঙ্গটোৰ আৱশ্যকতাৰ কথা বুজি পাবলৈ হ'লে উদ্দেশ্যবাদ বা অভিপ্ৰায়-বাদৰ (Hormic Psychology) দৃষ্টিকোণৰপৰা তাক বিচাৰ কৰিলেহে যথাযথ উত্তৰ পাব পাৰি।

পৰিৱৰ্ত্তন আৰু গতিশীলতা জীৱনৰ ঘাই লক্ষণ। জীৱন্ত প্ৰাণীৰ শৰীৰত ৰচনাত্মক জৈৱিক কাৰ্য্য-কলাপৰ লগতে ধ্বংসাত্মক কাৰ্য্য-কলাপো সমান্তৰালভাৱে চলি থাকে। জীৱন্ত প্ৰাণীৰ শৰীৰে কেতিয়াও ৰাসায়নিক ভাৰসাম্যৰ অৱস্থা লাভ কৰিব নোৱাৰে। আমি যেতিয়া নিষিক্ত কোষস্বৰূপে মাতৃৰ গৰ্ভাশয়ত স্থিতিলাভ কৰিছিলোঁ, তেতিয়া আমাৰ শৰীৰটোৰ দৈৰ্ঘ্য আছিল মাত্ৰ ০·১৩ মিলিমিটাৰ। কিন্তু চতুৰ্থ সপ্তাহত সেই জীৱাঙ্কুৰটোৰ শৰীৰৰ দৈৰ্ঘ্য হৈ পৰিছিল ৭·৫ মিলিমিটাৰ। অষ্টম সপ্তাহৰ শেষৰ ফালে ভ্ৰূণ-শৰীৰৰ দৈৰ্ঘ্য হৈ পৰে ৪ চেণ্টিমিটাৰ আৰু ২৪ সপ্তাহৰ অন্তত সি হৈ পৰে প্ৰায় ৩০ চেণ্টিমিটাৰ বা এক ফুট। ভ্ৰূণৰ দৈহিক বিকাশৰ গুৰিতে থাকে কোষ-বিভাজন আৰু নতুনকৈ সৃষ্টি হোৱা কোষবিলাকৰ বিভিন্ন কাৰ্য্য-ক্ষমতা পৰিগ্ৰহণ। এতিয়া আমাৰ মনত স্বাভাৱিকতে এই প্ৰশ্ন জাগে যে কেৱল এটা নিষিক্ত কোষ অৰ্থাৎ একবিন্দু প্ৰট'প্লাজমৰ (Protoplasm)-পৰা বিভিন্ন আকৃতি আৰু বিভিন্ন কাৰ্য্য-ক্ষমতাসম্পন্ন লক্ষ লক্ষ কোষৰ সৃষ্টি কেনেকৈ সম্ভৱ হৈ পৰিল আৰু সেই কোষবিলাকৰ কোনবিধ কোষক শৰীৰৰ কোন অংশত স্থান দিব লাগিব, সেই কথা বিচাৰ কৰিলে কোনে? বিজ্ঞানীসকলে কয় যে নিষিক্ত প্ৰজনন কোষটোৰ গৰ্ভত থকা ২৪ যোৰ ক্ৰমোজমৰ (Chromosome) গৰ্ভতে মানুহৰ মনোদৈহিক বিকাশৰ সকলো পৰিকল্পনা নিহিত থাকে। সেই পৰিকল্পনা বাস্তৱলৈ ৰূপান্তৰিত হৈ পৰে ক্ৰমোজমৰ গৰ্ভত থকা জীন্

(Gene) নামৰ হাজাৰ হাজাৰ জীৱন্ত পদাৰ্থকণাৰ জৰিয়তে। অকল মানুহৰে নহয়, উদ্ভিদকে ধৰি সকলো জীৱন্ত প্ৰাণীৰ দৈহিক বিকাশৰ মূলতে একে ঘটনাকে দেখিবলৈ পোৱা যায়।

জীৱন্ত প্ৰাণীৰ এনে কিছুমান কাৰ্য্যক্ষমতা থাকে, যিহক জড়-পদাৰ্থত দেখিবলৈ পোৱা নাযায়। জীৱন্ত প্ৰাণীৰ শৰীৰৰ কোষবিলাক উত্তেজনা-প্ৰৱণ। আমাৰ শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গত থকা মাংসপেশীৰ কোষবিলাক উত্তেজনাপ্ৰৱণ নোহোৱা হ'লে আমি লৰচৰ কৰিবই নোৱাৰিলোহেঁতেন। শৰীৰৰ সংবেদজ স্নায়ুপ্ৰান্তত (Sensory Nerve endings) থকা স্নায়ুকোষবিলাক উত্তেজনাপ্ৰৱণ নোহোৱা হ'লে বাহিৰৰ জগতৰ খবৰ মস্তিষ্ক পাবগৈ নোৱাৰিলেহেঁতেন। অক্ষিযন্ত্ৰনিকাত থকা আলোক-সচেতন স্নায়ুকোষবিলাক উত্তেজনাপ্ৰৱণ নোহোৱা হ'লে আমি অন্ধ হৈ থাকিলো-হেঁতেন। দ্বিতীয়তে, আমাৰ শৰীৰৰ কোষবিলাকে আমি গ্ৰহণ কৰা খাদ্যদ্ৰব্য-বিলাক পৰিপাক কৰি নিজৰ উপাদানলৈ ৰূপান্তৰিত কৰিব পাৰে। যেনে, শ্বেতসাৰ বা কাৰ্ব্বোহাইড্ৰেট্ (Carbohydrate)-জাতীয় খাদ্য আমাৰ শৰীৰত গ্লুকোজলৈ আৰু প্ৰোটিনজাতীয় খাদ্য এমাইনো এচিডলৈ ৰূপান্তৰিত হৈ পৰে। তৃতীয়তে, আমাৰ শৰীৰটো ক্ৰমবৰ্দ্ধনশীল। তাৰ কাৰণে শৰীৰত নিতে নতুন কোষৰ সৃষ্টি হৈ থাকে। চতুৰ্থতে, আছে পুনৰোৎপাদনৰ কথা। ইয়াৰ কাৰণে আমাৰ শৰীৰে নিজৰ কোষ কিছুমানক আছুতীয়াকৈ গঢ় দিয়ে। জীৱন্ত প্ৰাণীৰ পুনৰোৎপাদন ক্ষমতা নথকা হ'লে প্ৰাণী কাহানিবাই পৃথিৱীৰপৰা লোপ পালেহেঁতেন। আন এটা উল্লেখযোগ্য বিষয় হৈছে, জীৱন্ত প্ৰাণীৰ শৰীৰৰ কোষবিলাকৰ নিৰ্ব্বাচন ক্ষমতা। সিহঁতে হিতকৰ আৰু ক্ষতিকৰ পদাৰ্থৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব জানে। হিতকৰ দ্ৰব্য সিহঁতে নিজে গ্ৰহণ কৰে আৰু ক্ষতিকাৰক কিম্বা অপ্ৰয়োজনীয় পদাৰ্থক নিজৰপৰা বহিষ্কাৰ কৰি দিয়ে। তাকে কৰিব নোৱাৰিলে ৰোগ কিম্বা মৃত্যু অৱশ্যম্ভাৱী হৈ পৰিলেহেঁতেন।

উদ্দেশ্যবাদৰ দৃষ্টিকোণৰপৰা বিচাৰ কৰিলে জীৱন্ত প্ৰাণীৰ শৰীৰৰ এনেবিলাক কাৰ্য্যক্ষমতা নিৰ্জ্ঞান জীৱন-প্ৰবৃত্তিৰ অভিব্যক্তি স্বৰূপে আমি

দেখা পাওঁ। উদ্ভিদে শিপাৰ সহায়ত মাটিৰপৰা খাদ্য আহৰণ কৰাৰ দৰে গৰ্ভস্থ জীৱাঙ্কুৰ এটায়ো নিৰ্জ্জান জীৱন-প্ৰবৃত্তিৰ তাগিদাত নিজৰ শৰীৰৰপৰা শাখা-প্ৰশাখা বিস্তাৰ কৰি মাতৃৰ গৰ্ভাশয়ৰপৰা নিজৰ কাৰণে খাদ্য আহৰণ কৰাত লাগি যায়। কিন্তু জীৱাঙ্কুৰ এটাই তাৰ শৰীৰ নিৰ্ম্মাণৰ কাৰণে সকলোবিলাক উপাদান মাকৰ শৰীৰৰপৰা আহৰণ কৰিলেও নিজ শৰীৰৰ প্ৰতিটো কোষকে সি নিজে নিৰ্ম্মাণ কৰিব লাগে।

যেতিয়া শৰীৰত আৱশ্যক হোৱা কোনো এবিধ খাদ্যোপাদানৰ অভাৱ ঘটে, তেতিয়া যি খাদ্যত তেনেবিধ উপাদান প্ৰচুৰ পৰিমাণে পোৱা যায়, তেনেবিধ খাদ্য গ্ৰহণ কৰিবৰ কাৰণে প্ৰাণীৰ অন্তৰত আগ্ৰহ ওপজে। পৰীক্ষামূলক মনোবিদ্যাই দেখুৱাইছে যে এজনী গৰ্ভৱতী এন্দুৰে পূৰ্ব্বতকৈ দুগুণ পৰিমাণে নিমখ খাবলৈ বিচাৰে। সৰু ল'ৰা-ছোৱালীয়ে মিঠা বস্তু খাবলৈ ভাল পোৱাৰ কথা সকলোৱে জানে। মিঠা বস্তুত যি চেনি থাকে, শৰীৰত প্ৰৱেশ কৰাৰ পাছত সেই চেনি গ্লুকোজলৈ ৰূপান্তৰিত হয় আৰু দহন ক্ৰিয়াৰদ্বাৰা সি শৰীৰত উত্তাপ আৰু শক্তিৰ সঞ্চাৰ কৰে। ফলত তেনে কাৰ্য্যত ব্যয় হ'ব পৰা প্ৰোটিনখিনি ৰাহি হয়। এই ৰাহি প্ৰোটিন পাছত শৰীৰৰ কোষ-নিৰ্ম্মাণ কাৰ্য্যত ব্যৱহৃত হৈ পৰে।

গ্ৰীষ্মকালত শৰীৰত অধিক উত্তাপ জমা হ'লে তাক শৰীৰৰপৰা বাহিৰ কৰি দিবৰ কাৰণে আমাৰ শৰীৰ ঘামিবলৈ ধৰে আৰু লগতে আমাৰ বেছিকৈ পানী-পিয়াহ লাগে। ঘামৰ জৰিয়তে উদ্বৃত্ত উত্তাপখিনি শৰীৰৰ-পৰা বাহিৰ হৈ গ'লে শৰীৰ শীতল হয়। কঠোৰ পৰিশ্ৰম কৰিলে শৰীৰত গ্লুকোজৰ দহন-কাৰ্য্য বৃদ্ধি পায়। শৰীৰৰ মাংসপেশীবিলাকত শক্তিৰ সঞ্চাৰ কৰিবলৈ হ'লে এনে দহন-কাৰ্য্য অপৰিহাৰ্য্য। এনেকুৱা বৰ্দ্ধিত দহন-কাৰ্য্যৰ ফলত তেজত আৱশ্যকীয় পৰিমাণৰ গ্লুকোজৰ অভাৱ ঘটিলে আমাৰ শৰীৰৰ যকৃৎ-যন্ত্ৰটোৱে নিজতে সঞ্চিত হৈ থকা গ্লাইকোজেন (Glycogen) নামৰ চেনিজাতীয় পদাৰ্থবিধক গ্লুকোজলৈ ৰূপান্তৰ কৰি তাক তেজলৈ এৰি দিয়ে। কিন্তু যকৃৎ-যন্ত্ৰতো যেতিয়া চেনিজাতীয় পদাৰ্থৰ অভাৱ ঘটিবলৈ ধৰে, তেতিয়া শৰীৰত চেনিৰ অভাৱ পূৰণ কৰিবৰ কাৰণে খাদ্য গ্ৰহণৰ আৱশ্যক হৈ পৰে। সেই উদ্দেশ্য সাধনৰ কাৰণেই

আমাৰ ভোক লাগিবলৈ আৰম্ভ কৰে, যাতে খাদ্যপৰিপাকৰদ্বাৰা শৰীৰত আৱশ্যক হোৱা চেনিখিনি খাদ্যদ্ৰব্যৰপৰা সংগ্ৰহ কৰিব পাৰি।

আকৌ ভোক লগা সত্ত্বেও আহাৰ নকৰিলে ভোক আপোনা-আপুনি নাইকিয়া হৈ যায়। ইও এটা আত্মৰক্ষামূলক কৌশল বুলি ধৰিব পাৰি। শাৰীৰতত্ত্বই কয় যে ভোক লগা অৱস্থাত পেটত আহাৰ নপৰিলে পাকস্থলীৰ-পৰা ওলোৱা অম্লভাৱাপন্ন জাৰক-ৰসে পাকস্থলীৰ কোমল শ্লেষাঝিল্লী (Mucus membrane)-খনৰ ক্ষতিসাধন কৰিবৰ প্ৰচুৰ সম্ভাৱনা থাকে। সেয়েহে আহাৰ-বিহাৰত অনিয়মীয়া হৈ চলা মানুহে পাকস্থলীৰ ক্ষতৰ দৰে দুৰাৰোগ্য ব্যাধি ভোগ কৰিব লগাত পৰে। অতিপাত ভোক লগা সত্ত্বেও আহাৰ নকৰিলে পাকস্থলীৰ ভিতৰৰ শ্লেষাঝিল্লীখনক জাৰক-ৰসৰ আক্ৰমণৰ-পৰা ৰক্ষা কৰিবৰ উদ্দেশ্যে পাকস্থলীৰ ভিতৰত শ্লেষাক্ষৰণ আৰম্ভ হয়। এই শ্লেষাই পাকস্থলীৰ শ্লেষাঝিল্লীখনৰ ওপৰত এটা প্ৰলেপৰ সৃষ্টি কৰি পেলোৱা হেতুকে সি অম্লভাৱাপন্ন জাৰক-ৰসৰ আক্ৰমণৰপৰা সাম্প্ৰতিক-ভাৱে ৰক্ষা পৰে। এইবিলাক যে আমাৰ শৰীৰৰ উদ্দেশ্যধৰ্ম্মী আচৰণ তাত সন্দেহ নাই। অথচ আমাৰ অহং বা সচেতন মনে শৰীৰৰ অভ্যন্তৰত ঘটা এনেবিলাক ঘটনাৰ বিষয়ে একোকে গম ধৰিব নোৱাৰে।

শৰীৰত অত্যধিক উত্তাপৰ সৃষ্টি হ'লে যেনেকৈ শৰীৰ ঘামিবলৈ ধৰে, তেনেকৈ শৰীৰৰ উত্তাপ বেছিকৈ হ্ৰাস পালে শৰীৰত কঁপনি উঠে। কঁপনিৰ সৃষ্টি হ'লে শৰীৰৰ মাংসপেশীবিলাকত গ্লুকোজৰ দহন-কাৰ্য্য বৃদ্ধি পোৱাৰ ফলত শৰীৰত নতুন উত্তাপৰ সৃষ্টি হৈ পৰে। তীব্ৰ পোহৰে অক্ষিযন্ত্ৰনিকাৰ স্নায়ুকোষবিলাকৰ ক্ষতিসাধন কৰাৰ সম্ভাৱনা থাকে। সেয়েহে তীব্ৰ পোহৰৰ ফালে চাব ল'গা হ'লে আমাৰ চকুৰ মণি দুটা সঙ্কুচিত হৈ পৰে, যাৰ ফলত আংশিকভাৱে হ'লেও পোহৰৰ গতিৰোধ হৈ পৰে। নিশাৰ আন্ধাৰ বা ক্ষীণ পোহৰত চাব লগা হ'লে চকুৰ মণি দুটা বহল হৈ পৰি বেছি পোহৰ চকুৰ ভিতৰত প্ৰৱেশ কৰিবলৈ বাট এৰি দিয়ে।

এতিয়া ব্যাধিৰ কথালৈ অহা হওক। চিকিৎসা-বিজ্ঞানীয়ে কয় যে যেতিয়া কোনো ৰোগৰ জীৱাণুৱে আমাৰ শৰীৰত প্ৰৱেশ কৰে, তেতিয়া ৰোগ-জীৱাণুক প্ৰতিৰোধ কৰিবৰ কাৰণে আমাৰ তেজত লাখ লাখ

জীৱাণুভুক্ শ্বেতকোষৰ (Phagocytes) সমাৱেশ ঘটে। প্ৰতিটো শ্বেত-কোষে একোটা জীৱাণুক বন্দী কৰি লাহে লাহে তাক গ্ৰাস কৰি পেলায়। জীৱাণুবিলাক তেনেকৈ মাৰি অন্ত কৰিব পাৰিলে আমি লাহে লাহে ৰোগমুক্ত হৈ পৰোঁ। কিন্তু তাকে কৰিব নোৱাৰিলে আমাৰ ৰোগ উত্তৰোত্তৰ বৃদ্ধি পাবলৈ ধৰে। এতিয়া প্ৰশ্ন উঠে যে জীৱাণুভুক্ শ্বেতকোষবিলাকক এনে আত্মৰক্ষামূলক কাৰ্য্য-ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দ্দেশ দিয়ে কোনে ? আমাৰ সচেতন মনেতো শৰীৰত ৰোগ-জীৱাণুৰ অনুপ্ৰৱেশৰ বিষয়ে একোকে নাজানে। কেৱল সেই অনুপ্ৰৱেশৰ ফলত ব্যধিৰ সৃষ্টি হৈ পৰিলেহে আমাৰ সচেতন মনে তাক দৈহিক অস্বস্তি স্বৰূপে অনুভৱ কৰিবলৈ ধৰে। শৰীৰত ৰোগ-জীৱাণুৰ অনুপ্ৰৱেশৰ বিষয়ে আমাৰ সচেতন মন অজ্ঞ হৈ থকা সত্ত্বেও জীৱাণুভুক্ শ্বেতকোষবিলাকে শৰীৰত ৰোগ-জীৱাণুৰ উপস্থিতিৰ কথা কেনেকৈ অনুভৱ কৰিব পাৰে ? এই শ্বেতকোষবিলাকৰতো মস্তিষ্ক নাই যে সিহঁতে ভাবি-চিন্তি দল বান্ধি ৰোগ-জীৱাণুবোৰৰ ওপৰত জঁপিয়াই পৰিব আৰু এফালৰপৰা সিহঁতক বধ কৰি যাব।

ডায়েবিটিচ্ (Diabetes) বা বহুমুত্ৰ ৰোগত শৰীৰত চেনিৰ (Glucose) দহন-কাৰ্য্যত বিজুতি ঘটে। ইয়াৰ ফলত তেজত চেনিৰ পৰিমাণ বাঢ়ি যাবলৈ ধৰে আৰু তাৰ লগতে তেজৰ কেবাবিধো বিষাক্ত পদাৰ্থৰ সমাৱেশ ঘটে। তেজৰ উদ্বৃত্ত চেনিখিনি শৰীৰৰপৰা বাহিৰ কৰি দিব নোৱাৰিলে ৰোগীৰ মৃত্যু অৱশ্যম্ভাৱী হৈ পৰে। শৰীৰত এনে এটা অস্বাভাৱিক অৱস্থাৰ সৃষ্টি হৈ পৰিলে ৰোগীৰ প্ৰস্ৰাৱৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰে আৰু ৰোগীৰ বেছিকৈ পানী-পিয়াহ লাগে। ইও শৰীৰৰ এটা আত্ম-ৰক্ষামূলক কৌশল। বেছিকৈ পানী খাবলৈ লোৱাৰ ফলত প্ৰস্ৰাৱৰ পৰিমাণ বৃদ্ধি পালে তেজত জমা হোৱা অতিৰিক্ত চেনি আৰু দূষিত পদাৰ্থ-বিলাক শৰীৰৰপৰা সহজে ওলাই যায়। ফলত সাম্প্ৰতিকভাৱে ৰোগীৰ প্ৰাণ ৰক্ষা পৰে।

আমাৰ সচেতন মনে শৰীৰৰ অভ্যন্তৰত থকা ভালেমান যন্ত্ৰ আৰু সিহঁতৰ কাৰ্য্য-কলাপৰ বিষয়ে একোকে গম নাপায়। সচেতন ইচ্ছাৰদ্বাৰা এই যন্ত্ৰবিলাকৰ কাৰ্য্যৰ তাৰতম্য সাধিবও নোৱাৰি। তেনে ইচ্ছাৰদ্বাৰা

আমি শৰীৰত তেজৰ চলাচলত বাধা দিব নোৱাৰোঁ। শৰীৰৰ দহন-ক্রিয়া, মূত্রক্ষৰণ পৰিপাক-ক্রিয়া আৰু তেজৰ অম্লত্ব-ক্ষাৰত্বৰ ভাৰসাম্য সংৰক্ষণ (Acid-Base Equilibrium), ৰক্তচাপ নিয়ন্ত্রণ এনেবিলাক কাৰ্য্যও আমাৰ সচেতন মনৰ নিয়ন্ত্রণ বহির্ভূত ঘটনা। আপুনি যেতিয়া শত্রুৰ-দ্বাৰা আক্রান্ত হৈ প্ৰাণৰক্ষাৰ কাৰণে শত্রুৰ লগত যুদ্ধ কৰে, কিম্বা পলায়ন কৰিবলৈ চেষ্টা কৰে, তেতিয়া আপোনাৰ শৰীৰৰ মাংসপেশীবিলাকক অধিক কাৰ্য্যক্ষম কৰি তুলিবৰ কাৰণে সিহঁতক অধিক পৰিমাণে খাদ্য আৰু অম্লজানৰ যোগান ধৰিব লগাত পৰে। এনে এটা বিপদসঙ্কুল পৰিস্থিতিত আপুনি সজ্ঞানে নিবিচাৰিলেও আপোনাৰ কলিজা আৰু শ্বাস-প্ৰশ্বাসৰ বেগ বাঢ়ি যায়, যাতে তেজৰ জৰিয়তে আপোনাৰ শৰীৰৰ মাংসপেশী-বিলাকে অধিক পৰিমাণে গ্লুকোজ আৰু অম্লজানৰ যোগান পাব পাৰে। এনে এটা পৰিস্থিতিত তেজত গ্লুকোজৰ পৰিমাণ বঢ়াই তুলিবৰ কাৰণে যকৃৎ-যন্ত্রই কিছু পৰিমাণৰ গ্লাইকোজেনক গ্লুকোজলৈ ৰূপান্তৰ কৰি তাক তেজলৈ উলিয়াই দিয়ে। আকৌ কলিজাৰ বেগ বঢ়াই তুলিবৰ কাৰণে চুপ্ৰাৰিণেল গ্রন্থিৰ (Suprarenal gland)-পৰা এড্রিণেলিন নামৰ হৰমন বিধৰ ক্ষৰণো বৃদ্ধি পায়। এই সকলোবিলাক কাৰ্য্য নিয়ন্ত্রিত হয় আমাৰ শৰীৰত থকা স্বতঃক্রিয় স্নায়ুতন্ত্ৰৰদ্বাৰা, যাৰ ওপৰত আমাৰ সচেতন মনে একো প্ৰভাৱ খটুৱাব নোৱাৰে।

আকৌ আমি জানো যে সমুদ্রপৃষ্ঠৰপৰা বহু হাজাৰ মিটাৰ ওখত থকা মালভূমিৰ বায়ুমণ্ডলত অম্লজানৰ পৰিমাণ তাকৰ। গতিকে তেনে ওখ ঠাইত বাস কৰা মানুহে প্ৰয়োজন অনুসৰি অম্লজান সংগ্ৰহ কৰাত অসুবিধা ঘটে। ইয়াৰ প্ৰতিকাৰৰ অৰ্থে তেনে ঠাইত বাস কৰা মানুহৰ তেজত লোহিত-কণিকা (Red Blood Corpuscles)-বিলাকৰ সংখ্যা-বৃদ্ধি ঘটে, যাতে বৰ্দ্ধিত সংখ্যক লোহিত-কোষে হাঁওফাঁওৰপৰা অধিক পৰিমাণৰ অম্লজান শৰীৰলৈ বহন কৰিব পাৰে। মানুহৰ তেজত লোহিত-কোষৰ সংখ্যা বৃদ্ধি পোৱা কাৰণেই ওখ পৰ্ব্বত বা ওখ মালভূমিত বাস কৰা মানুহবিলাক ভৈয়ামৰ মানুহতকৈ বেছি তেজাল আৰু স্বাস্থ্যৱান হোৱা দেখা যায়।

আমাৰ শৰীৰত অহৰ্নিশে চলি থকা এনেবিলাক ক্ৰিয়া-কৌশলক শাৰীৰতত্ত্বৰ ভাষাত সঙ্গতি-সাধন কৌশল (Adaptation mechanism) বুলি অভিহিত কৰা হয়। আমি এনেবিলাক ক্ৰিয়া-কৌশলক নিৰ্জ্জান জৈৱিক প্ৰজ্ঞাৰ কাৰ্য্য বুলি অভিহিত কৰিব পাৰোঁ। কাৰণ চেতনা বহিৰ্ভূত জৈৱিক আচৰণ হ'লেও সিহঁত যে পৰস্পৰ সম্পৰ্কযুক্ত উদ্দেশ্যধৰ্ম্মী আচৰণ তাত সন্দেহ নাই। এই কাৰ্য্য-কলাপসমূহৰ উৎস হৈছে আমাৰ ইড্ (Id) বা সহজাত মন আৰু সিহঁত নিয়ন্ত্ৰিত হয় সহজাত মনৰ-দ্বাৰা। সহজাত মনৰ এই জৈৱিক দিশটোক অৱশ্যে জৈৱ চেতনা, বা জৈৱিক মন বুলিও অভিহিত কৰা চলে। কাৰণ এই মনৰো নিজস্ব বিচাৰ-বিবেচনা আছে। ফ্ৰয়েডে ইড্ বা সহজাত মন একান্তভাৱে সুখান্বেষী আৰু আদিম বন্য-প্ৰকৃতিৰ আধাৰ বুলি দোষাৰোপ কৰিলেও ই যে আমাৰ শৰীৰৰ দাবীসমূহৰ প্ৰতি একান্ত সচেতন আৰু সৰ্ব্বতোভাৱে আমাৰ মঙ্গলাকাঙ্ক্ষী তাত সন্দেহ নাই।[১১] আচৰিত কথা যে শৰীৰৰ যিবিলাক আচৰণ বা কাৰ্য্য-কলাপৰ আঁতি-গুৰি ঠাৱৰ কৰিবৰ কাৰণে প্ৰায় এক শতাব্দীজোৰা অধ্যয়ন আৰু পৰীক্ষা-নিৰীক্ষাৰ পাছতো বিজ্ঞানীসকল কৃতকাৰ্য্য হ'ব পৰা নাই, সেই বিজ্ঞানীসকলৰে মনৰ এটা দিশে তেওঁলোকৰ সম্পূৰ্ণ অজ্ঞাতে আৰু তেওঁলোকৰ শৰীৰতে তেনেবিলাক কাৰ্য্য সুচাৰুৰূপে সম্পাদন কৰিব লাগিছে।

ইড্ হৈছে আমাৰ প্ৰাচীনতম মন। ইডৰ বয়স নিৰ্ণয় কৰা আমাৰ সাধ্যাতীত। আকৌ যি স্বতঃক্ৰিয় স্নায়ুতন্ত্ৰৰ জৰিয়তে ইড্ বা সহজাত মনে শৰীৰৰ জৈৱিক ৰাসায়নিক কাৰ্য্য-কলাপসমূহ পৰিচালনা কৰে, সেই স্বতঃক্ৰিয় স্নায়ুতন্ত্ৰও হৈছে আমাৰ সকলোতকৈ পুৰণি স্নায়ৱিক সংগঠন।

---

(১১) This aspect of human personality and of life in general is not much concerned with the physical environment here and now as much with the regulation of its basic functions of growth metabolism and procreation. If the 'Id' be accused of being under the unconditional sway of pleasure principle incapable of testing reality, it is now credited with a profound awareness of the biological needs of the species.

—*New Dimensions of Deep Analysis.*

শাৰীৰতত্ত্ববিদ্‌সকলে ভাবে যে লাখ লাখ বছৰজোৰা জৈৱিক আৰু মানসিক ক্ৰম-বিৱৰ্ত্তনৰ কালছোৱাত বাহিৰৰ জগতখনৰ অজস্ৰ ঘটনাই আমাৰ শৰীৰত সৃষ্টি কৰা অজস্ৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই আমাৰ মস্তিষ্ক, স্নায়ুতন্ত্ৰ আৰু অন্তঃস্ৰাৱী গ্ৰন্থিবিলাকৰ কাৰ্য্যক্ষমতাৰ মাজত এনে এটা সুসমন্বয় গঢ়ি তুলিছে যে কোনো অস্বাভাৱিক বা আকস্মিক পৰিস্থিতিৰ সম্মুখীন হ'ব লগা হ'লেই তেনে পৰিস্থিতিৰপৰা উদ্ধাৰ পাবৰ কাৰণে আৱশ্যক হোৱা শাৰীৰিক প্ৰস্তুতিখিনি শৰীৰলৈ আপোনা-আপুনি আহি পৰে। তাৰ কাৰণে আমাৰ শৰীৰে সচেতন মনৰ নিৰ্দ্দেশলৈ বাট চাব নালাগে। কেৱল পৰিস্থিতি নিয়ন্ত্ৰণৰ বাহিৰ হৈ গ'লেহে সচেতন মনৰ হস্তক্ষেপৰ আৱশ্যক হৈ পৰে। জৈৱিক প্ৰজ্ঞা বা জৈৱিক মন বুলি বিৱেচনাক্ষম শক্তি এটাই আমাৰ শৰীৰৰ জৈৱিক-ৰাসায়নিক কাৰ্য্যসমূহ অহৰ্নিশে নিয়ন্ত্ৰণ কৰি নথকা হ'লে আমাৰ সচেতন মনেই সেই কাম কৰিবলৈ বাধ্য হ'লহেঁতেন আৰু তেতিয়া মানুহে আজিৰ দৰে মানসিক প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব নোৱাৰিলেহেঁতেন। এইটো উল্লেখযোগ্য যে শৰীৰৰ কাৰ্য্য-কলাপ পৰিচালনাৰ ক্ষেত্ৰত জৈৱিক মনে কাহানিও ভুল নকৰে। জৈৱিক মনৰ প্ৰতিক্ৰিয়া সামগ্ৰিক। (Total response to total concrete situation). উচিত-অনুচিত বিচাৰ কৰি কিম্বা সন্দেহত দোদুল্যমান অৱস্থাত কালাতিৱাহিত কৰা জৈৱিক মনৰ প্ৰকৃতিবিৰুদ্ধ। আমাৰ অহংকেন্দ্ৰী সচেতন মনে শৰীৰৰ জৈৱিক কাৰ্য্য-কলাপসমূহৰ পৰিচালনাৰ ক্ষেত্ৰত হস্তক্ষেপ কৰিব নোৱাৰিলেও সচেতন মনত সৃষ্টি হোৱা তীব্ৰ আৱেগ বা উৎকণ্ঠাই সচেতন মনৰ অলক্ষিতে শৰীৰৰ জৈৱিক-ৰাসায়নিক কাৰ্য্য-কলাপৰ বিপৰ্য্যয় ঘটাব পাৰে। সেয়েহে দেখা যায় যে ক্ৰোধ, ভয় বা তীব্ৰ উৎকণ্ঠাৰ মাজেৰে কালাতি-ৱাহিত কৰিব লগা হ'লে মানুহৰ স্বাস্থ্যত ঘূণে ধৰে। উৎকণ্ঠা দীৰ্ঘস্থায়ী হৈ পৰিলে শৰীৰৰ স্বতঃক্ৰিয় স্নায়ুতন্ত্ৰ আৰু অন্তঃস্ৰাৱী গ্ৰন্থিবিলাকৰ কাৰ্য্য-কলাপে অস্বাভাৱিক গঢ় লৈ পেলাব পাৰে, যাৰ ফলত আৱেগ বা উৎকণ্ঠাই মানুহৰ লগ নেৰা হয়। চিকিৎসা-বিজ্ঞানীসকলে কয় যে স্বতঃক্ৰিয় স্নায়ুসমূহৰ অহৰহ উত্তেজনাৰ ফলত পাকস্থলী আৰু অন্ত্ৰনালীৰ

ক্ষত (Peptic Ulcer), ব্ৰংকিয়েল এজ্‌মা (Bronchial Asthma) আৰু ৰক্তচাপ বৃদ্ধিৰ (Essential Hypertension) দৰে দুৰাৰোগ্য ব্যাধি উপজিবৰো সম্ভাৱনা থাকে। মানসিক কাৰণত উৎপত্তি হোৱা এই শ্ৰেণীৰ ব্যাধিক মনোদৈহিক ব্যাধি (Psychosomatic Diseases) বুলি অভিহিত কৰা হয়। কেৱল শাৰীৰিকভাৱে ঔষধ প্ৰয়োগৰদ্বাৰা এনেবিধ ৰোগীক স্থায়ীভাৱে আৰোগ্য কৰিব নোৱাৰি।

এতিয়া জৈৱিক মনৰ কিবা দৈহিক ভিত্তি আছে নেকি তাক চোৱা হওক। স্নায়ুতত্ত্ববিদ্‌সকলে দেখুৱাইছে যে মানুহৰ মনত সৃষ্টি হোৱা আৱেগ-অনুভূতিৰ লগত মানুহৰ মস্তিষ্কৰ ভূমিভাগত অৱস্থিত হাইপো-থেলামাচ্‌ (Hypothalamus) নামৰ ক্ষুদ্ৰ মস্তিষ্কখণ্ডৰ নিবিড় সম্পৰ্ক থাকে। এই মস্তিষ্ক-অংশৰ সোঁমাজেৰে সৰল ৰেখা এডাল কল্পনা কৰিলে সেই ৰেখাডালৰ দুয়োকাষে ভালেকেইটা স্নায়ুকেন্দ্ৰই যোৰ পাতি পাতি অৱস্থান কৰা দেখা যায়। সিহঁতৰ কোনোযোৰ ক্ষুধা নিয়ন্ত্ৰণ কেন্দ্ৰ, কোনোযোৰ তৃষ্ণাৰ নিয়ন্ত্ৰণ কেন্দ্ৰ, কোনোযোৰ উত্তাপ নিয়ন্ত্ৰণ কেন্দ্ৰ, আকৌ কোনোযোৰ যৌনাৱেগ নিয়ন্ত্ৰণ কেন্দ্ৰ। ক্ৰোধ, ভয় আদি আৱেগৰো মস্তিষ্কৰ এই ক্ষুদ্ৰ অংশটোৰ লগত সম্পৰ্ক থকা দেখা যায়। আমাৰ মস্তিষ্কৰ ভূমিভাগত থকা পিটুইটাৰি (Pituitary Gland) নামৰ অন্তঃস্ৰাৱী গ্ৰন্থিটো চুটি ঠাৰি এডালেৰে হাইপোথেলামাচৰ সৈতে সংযুক্ত হৈ থাকে। গতিকে হাইপোথেলামাচত সৃষ্টি হোৱা উত্তেজনাই পিটুইটাৰি গ্ৰন্থিৰ অন্তঃক্ষৰণৰ (Internal Secretion) জৰিয়তে শৰীৰত থকা অন্যান্য অন্তঃস্ৰাৱী গ্ৰন্থিৰ অন্তঃক্ষৰণৰ তাৰতম্য সাধিব পাৰে। শাৰীৰতত্ত্ববিদ্‌সকলে দেখা পাইছে যে হাইপোথেলামাচত অৱস্থিত ক্ষুধা-কেন্দ্ৰটোক মৃদু তড়িৎপ্ৰৱাহৰদ্বাৰা উত্তেজিত কৰি তোলা হ'লে প্ৰাণীৰ আচৰণত প্ৰচণ্ড ক্ষুধাৰ লক্ষণ প্ৰকাশ পাবলৈ ধৰে। তেনেদৰে তৃষ্ণা-কেন্দ্ৰটোত উত্তেজনাৰ সৃষ্টি কৰা হ'লে প্ৰাণীৰ বৰকৈ পিয়াহ লাগিবলৈ ধৰে। স্বাভাৱিক অৱস্থাত ক্ষুধা-কেন্দ্ৰ আৰু তৃষ্ণা-কেন্দ্ৰৰ কাৰ্য্য নিৰ্ভৰ কৰে তেজত থকা গ্লুকোজ কিম্বা শৰীৰত থকা পানীৰ পৰিমাণৰ ওপৰত। তেজত গ্লুকোজৰ পৰিমাণ আৰু শৰীৰত পানীৰ পৰিমাণ অস্বাভাৱিকৰূপে

হ্রাস পাই গ'লেই এই কেন্দ্র দুটা কাৰ্য্য-তৎপৰ হৈ উঠে। বেছিকৈ শৌচ বা বমি হোৱাৰ ফলত তেজৰ গাঢ়তা বৃদ্ধি পোৱা হেতুকেই মানুহৰ বৰকৈ পানী-পিয়াহ লাগে। আকৌ ক্ষুধা-কেন্দ্ৰৰ কাৰ্য্যৰ লগত ক্ৰোধৰো এটা সম্পৰ্ক থকা যেন লাগে। এইটো সকলোৱে জানে যে ভোকাতুৰ মানুহৰ সামান্য কথাতে খং উঠে।

বিজ্ঞানীসকলে দেখা পাইছে যে হাইপোথেলামাচত থকা যৌন-কেন্দ্ৰত অতি সামান্য পৰিমাণৰ যৌন হৰমন (Sex Hormone) বেজীৰে সুমুৱাই দিয়া হ'লে প্ৰাণীৰ আচৰণত যৌনাৱেগৰ লক্ষণ পৰিস্ফুট হৈ উঠে। স্বাভাৱিক অৱস্থাত পুৰুষৰ অণ্ডকোষ আৰু নাৰীৰ ডিম্বাশয়ত উৎপন্ন হোৱা যৌন হৰমনে তেজৰ জৰিয়তে হাইপোথেলামাচলৈ গৈ তাত থকা যৌন-কেন্দ্ৰক উত্তেজিত কৰি তোলাৰ ফলতে মানুহৰ অন্তৰত যৌনাৱেগৰ সৃষ্টি হৈ পাৰে আৰু তাৰ উপশম ঘটাবৰ কাৰণে পুৰুষে নাৰীৰ আৰু নাৰীয়ে পুৰুষৰ আসঙ্গ কামনা কৰে। ভয়ৰ কেন্দ্ৰ হাইপোথেলামাচত থকাৰ উপৰিও টেম্পোৰেল ল'ব (Temporal Lobe) নামৰ মস্তিষ্ক-অংশত অৱস্থিত হোৱা দেখা যায়। মস্তিষ্কৰ ওপৰত অস্ত্ৰোপাচাৰ কৰিবৰ বেলিকা মস্তিষ্কৰ টেম্পোৰেল ল'ব নামৰ অংশটোত উত্তেজনাৰ সৃষ্টি হৈ পৰিলে ৰোগী ঘোৰ আতঙ্কগ্ৰস্ত হৈ পৰে। যিবিলাক মৃগী-ৰোগীৰ ৰোগোৎপত্তিৰ কেন্দ্ৰ মস্তিষ্কৰ টেম্পোৰেল ল'ব নামৰ অংশটোত অৱস্থিত (Temporal Lobe Epilepsy), তেনেবিলাক ৰোগীৰ ৰোগে উঁক্ দিবৰ সময়ত অৰ্থাৎ ৰোগী সংজ্ঞাহীন হৈ পৰাৰ আগমুহূৰ্ত্তত ৰোগীৰ মনত ঘোৰ আতঙ্কৰ সৃষ্টি হৈ পৰা দেখা যায়। আকৌ স্নায়ুতত্ত্ববিদ্‌সকলে টেম্পোৰেল ল'ব নামৰ এই মস্তিষ্ক-খণ্ডৰ লগত ক্ষুধা আৰু যৌনাৱেগৰ নিবিড় সম্পৰ্ক থকা বুলিও জানিব পাৰিছে। ক্লুভাৰ আৰু বুচি নামৰ বিজ্ঞানী দুজনে বৰ্ত্তমান শতিকাৰ তৃতীয় দশকত দীঘল দুলানি পৰীক্ষা চলোৱাৰ অন্তত এই বিষয়ে সুনিশ্চিত হ'ব পাৰিছে। তেওঁলোকে দেখা পাইছিল যে বান্দৰৰ মস্তিষ্কৰপৰা টেম্পোৰেল ল'ব নামৰ অংশ দুটা অপসাৰণ কৰাৰ পাছত সিহঁত অতিপাত থঁকুৱা হৈ পৰাই নহয়, লগতে সিহঁতৰ আচৰণত যৌনোন্মাদনা বা অতিকামুকতাৰ লক্ষণ পৰিস্ফুট হৈ পৰিছিল।

কিন্তু ইমানৰ পাছতো মস্তিষ্কৰ লগত চেতনাৰ সম্পৰ্কৰ কথা পৰিষ্কাৰভাৱে বুজিব পৰা হোৱা নাই। প্ৰাণীৰ মস্তিষ্কৰ ওপৰ-ভাগত থকা ধূসৰ পদাৰ্থখিনি (Grey matter) আঁতৰাই পেলোৱাৰ পাছতো প্ৰাণীয়ে খায়, শোৱে, আনকি মল-মূত্ৰ ত্যাগ কৰিবও পাৰে। কিন্তু সিহঁতৰ নতুন কথা বা কৌশল শিকাৰ ক্ষমতা নাইকিয়া হৈ পৰে। বিজ্ঞানীসকলে জানিব পাৰিছে যে মস্তিষ্কৰ গৰ্ভত থকা থেলামাচ (Thalamus) নামৰ ধূসৰ মস্তিষ্ক-অংশত উত্তেজনাৰ সৃষ্টি কৰিলে স্বপ্নচাৰিতাৰ দৰে ধূঁৱলী-কুঁৱলী মানসিক অৱস্থাৰহে (Dreamy State) সৃষ্টি হৈ পৰে।

শৰীৰৰ নিৰ্জ্জান জৈৱিক প্ৰজ্ঞাস্বৰূপে সূচনা হোৱা আমাৰ মনটো কেনেদৰে বিকশিত হৈ সৰ্ব্বশেষত প্ৰখৰ চেতনাৰূপে ব্যক্ত হৈ পৰে সি এক বিৰাট ইতিহাস। টোপনিত চেতনা হেৰুৱাই পেলালেও আমি জীয়াই থাকোঁ। গতিকে ক'ব পাৰি যে অকল জীয়াই থাকিবৰ কাৰণে চেতনা অপৰিহাৰ্য্য নহয়। কিন্তু শৰীৰৰ জৈৱিক আৰু ৰাসায়নিক কাৰ্য্য-কলাপৰ গতি স্তব্ধ হৈ গ'লে মৃত্যু অৱশ্যম্ভাৱী হৈ পৰে।

—x—

সমষ্টিগত অৱচেতনাত কি আছে ?

(ক)

অৱচেতনা বা আমাৰ মনৰ অচেতন দিশটোৰ বিষয়ে আমাৰ জ্ঞান নিতান্ত সীমাৱদ্ধ। আনকি কুৰি শতিকাৰ আৰম্ভণিতে ডাঃ চিগ্‌মণ্ড্‌ ফ্ৰয়েডৰ 'স্বপ্নাৰ্থ প্ৰকাশ' (Interpretation of Dreams) নামৰ সুচিন্তিত গ্ৰন্থখন প্ৰকাশ পোৱাৰ আগতে মনোবিজ্ঞানীসকলেও মনৰ এই দিশটোৰ কাৰ্য্য-কলাপৰ বিষয়ে স্পষ্টভাৱে একোকে ধাৰণা কৰিব নোৱাৰিছিল। আজিৰ যুগতো কিছুসংখ্যক মনোবিজ্ঞানীয়ে অৱচেতন মনৰ অস্তিত্ব স্বীকাৰ কৰিব নোখোজে। তেওঁলোকে ভাবে যে মনৰ অচেতন দিশ বুলি একো নাথাকে। কেৱল আমি সক্ৰিয়ভাৱে মনোযোগ নিদিয়া কাৰণেহে আমাৰ মনৰ কিছুমান ভাব-চিন্তা সচেতন মানস-দৃষ্টিৰ অগোচৰ হৈ ৰয়। আন একসংখ্যক মনোবিজ্ঞানীয়ে মনৰ নিৰ্জ্ঞান বা অচেতন দিশ এটাৰ অস্তিত্ব স্বীকাৰ কৰিলেও তাক স্বয়ংক্ৰিয় সত্তা বুলি বিবেচনা নকৰে। তেওঁলোকে অৱচেতন মনক চেতন মনৰ আশ্ৰিত কল্পনা কৰি লয়। অৱশ্যে এনে বিশ্বাস অযুক্তিকৰ। কাৰণ অৱচেতন মনৰ ঘটনাবিলাক সচেতন মনৰ ভাব-চিন্তাৰ দৰে বাস্তৱ যুক্তিৰদ্বাৰা পৰিচালিত ঘটনা নহয়। অৱচেতন মনৰ এটা নিজস্ব ল'জিক (Logic) থাকে।

অৱশ্যে আমাৰ প্ৰাক্‌চেতন মনৰ (Preconscious Mind) ভাব-চিন্তাৰ লগত সচেতন ভাব-চিন্তাৰ ক'ৰবাত যৎসামান্য সাদৃশ্য থাকিলেও থাকিব পাৰে। কাৰণ প্ৰাক্‌চেতন মনত আমি সাম্প্ৰতিকভাৱে পাহৰি থকা ভাব-চিন্তাবিলাকহে অস্থায়ীভাৱে লুকাই থাকে, যিহক ইচ্ছা কৰিলেই আমি স্মৰণ কৰিব পাৰোঁ। তেনেদৰে ব্যক্তিগত অৱচেতনা (Personal Unconscious) বা ব্যক্তিগত অচেতন মনৰ ভাব-চিন্তাবিলাকো একালত সচেতন মনৰে বস্তু আছিল। কিন্তু সঘনে স্মৰণ কৰি নথকা কাৰণেই হওক বা সচেতন মনত সিহঁতৰ উপস্থিতি অস্বস্তিকৰ হৈ পৰা কাৰণেই হওক সিহঁত

স্থায়ীভাৱে বিস্মৃতিৰ গৰ্ভত লুকাই পৰিছে। কিন্তু অচেতন মনৰ বৃহত্তৰ দিশ অৰ্থাৎ সমষ্টিগত অৱচেতনাৰ (Collective Unconscious) ভাব-চিন্তাৰ লগত যুক্তি পৰিচালিত সচেতন মনৰ ভাব-চিন্তাৰ অলপো সাদৃশ্য নাথাকে। আচলতে অৱচেতন মনৰ ভাব-চিন্তাৰ আচল ৰূপ কি তাক অনুমান কৰা আমাৰ সাধ্যাতীত। গতিকে সিহঁতক ভাব-চিন্তা নুবুলি মানসিক সম্ভাৱনা বুলিহে ধৰি ল'ব পাৰি। তদুপৰি সমষ্টিগত অৱচেতনা ইহজীৱনৰ অৰ্জ্জিত মন নহয়। ই আমাৰ সহজাত মন আৰু ইয়াৰ গৰ্ভত ঐতিহাসিক আৰু প্ৰাগৈতিহাসিক জীৱনৰ অলেখ অভিজ্ঞতাৰ স্মৃতিয়ে আত্মগোপন কৰি থাকে। অজস্ৰ আদিম চিন্তা-প্ৰতিৰূপ (Primordial Psychical images) আৰু আদিম প্ৰেৰণতাৰ উৎস এই সমষ্টিগত অৱচেতন মনে মানুহৰ ভৱিষ্যৎ জীৱনৰো গতি নিৰ্দ্দেশ কৰে।

সচেতন আৰু অৱচেতন মনৰ মাজত সুস্পষ্ট সীমাৰেখা নিৰ্দ্ধাৰণ কৰিব নোৱাৰি। কাৰণ সাধাৰণতে অৱচেতন ভাব-চিন্তাই চেতন মনৰ মাধ্যমেৰেহে নিজক ব্যক্ত কৰিব পাৰে। তাৰ দৃষ্টান্ত হৈছে আমাৰ স্বপ্নবিলাক। আকৌ অলীক কল্পনা স্বৰূপেও অৱচেতন মনৰ ভাব-চিন্তাই আত্মপ্ৰকাশ কৰা দেখা যায়। স্বপ্নত আমাৰ সচেতন মনৰ বিচাৰ-বিবেচনা অতিশয় নিষ্প্ৰভ হৈ পৰে আৰু সেই কাৰণে স্বপ্ন দেখি থকা সময়খিনিত স্বপ্নত দেখা ঘটনা-বিলাকক আমি সমালোচনা নকৰি নিৰ্বিবাদে গ্ৰহণ কৰি লওঁ। সেয়ে নোহোৱা হ'লে স্বপ্নৰ ঘটনাবিলাক নিতান্ত অবাস্তৱ আৰু অসত্য বুলি আমি সিহঁতক লগে লগে প্ৰত্যাখ্যান কৰিলোহেঁতেন। বাস্তৱ-যুক্তি আৰু বিচাৰ-বিবেচনাৰ প্ৰভাৱমুক্ত হৈ পৰা স্বপ্নৰ মনটোৱে প্ৰাগৈতিহাসিকযুগীয় আদিম মনৰ প্ৰকৃতি গ্ৰহণ কৰে। প্ৰাগৈতিহাসিক যুগৰ ধ্যান-ধাৰণাই তেতিয়া মূৰ দাঙি উঠে।[১২] তেনেদৰে উন্মাদ ৰোগীৰ ক্ষেত্ৰত সমষ্টিগত অৱচেতন মনে বৰ্ত্তমানৰ যুক্তিচালিত সচেতন মনৰ স্থান দখল কৰি বহে।

(১২) Not only does it (the dream) translate our thoughts into a primitive form of expression, but it also re-awakens the peculiarities of our primitive mental life.

—*Dr. S. Freud.*

সেই কাৰণে উন্মাদ ৰোগীৰ চিন্তা আৰু আচৰণ আমাৰ কাৰণে অতিশয় দুৰ্বোধ্য হৈ পৰে। আকৌ কিছুমান ক্ষেত্ৰত অৱচেতন মনত সৃষ্টি হোৱা সংঘাত আকস্মিক বিস্মৃতি কিম্বা আকস্মিক ভুল-ভ্ৰান্তিৰ কাৰণ হৈ পৰে। কিছুমান হিষ্টিৰিয়া ৰোগীৰ অচেতন মানসিক সংঘাতে দৈহিক ৰোগ-লক্ষণ স্বৰূপে আত্মপ্ৰকাশ কৰাও দেখা যায়। চিকিৎসা মনোবিজ্ঞানীসকলে তাক 'Conversion hysteria' বুলি অভিহিত কৰে।

গতিকে দেখা যায় যে আমাৰ অৱচেতন মনে সচেতন মনৰ লগত সংযোগ স্থাপন কিম্বা তাক প্ৰভাৱান্বিত কৰিব পাৰিলেও সচেতন মনে কিন্তু ইচ্ছাকৃতভাৱে অৱচেতন মনৰ লগত সংযোগ স্থাপন কৰিব নোৱাৰে, কিম্বা অৱচেতন মনৰ ওপৰত একো প্ৰভাৱ খটুৱাব নোৱাৰে। গতিকে অৱচেতন মনক জানিবলৈ হ'লে এই মনে সচেতন মনৰ ওপৰত বিস্তাৰ কৰা প্ৰভাৱৰ বিষয়ে আমি অধিক সচেতন বা মনোযোগী হ'ব লাগিব। এনেদৰে সংগ্ৰহ কৰা টুকুৰা-টুকুৰ খবৰ কিছুমানৰ ওপৰত ভিত্তি কৰিয়ে মনোবিজ্ঞানীসকলে অৱচেতন মনৰ কাৰ্য্য-ক্ষমতাৰ বিষয়ে থূলমূল ধাৰণা কিছুমান গঢ়ি তুলিছে। অন্যথা অৱচেতন মনক প্ৰত্যক্ষভাৱে জানি উঠা অসম্ভৱ বুলিয়ে ক'ব পাৰি।

অৱশ্যে আজিৰ যুগৰ মনোবিজ্ঞানীয়ে অৱচেতন মনৰ অধ্যয়নৰ ক্ষেত্ৰত স্বপ্নবিশ্লেষণ, অবাধ ভাবানুষঙ্গ (Free association of idea), শব্দানুষঙ্গ-পৰীক্ষা (Word association test), থিমেটিক্ এপাৰচেপ্চন্ টেষ্ট্ (Thematic apperception test), ৰোৰ্চাচ টেষ্ট (Rorschach test), জেনাৰ কাৰ্ড আদি নানা মনস্তাত্বিক কৌশল অৱলম্বন কৰি অৱচেতন মনৰ গতিবিধি নিৰীক্ষণ কৰে। আকৌ কিছুসংখ্যক মনোৰোগ বিশেষজ্ঞই ছাইকেডেলিক ড্ৰাগ্চ্ (Psychedelic Drugs) বা বিভ্ৰমোৎপাদক ঔষধ প্ৰয়োগ কৰিও অৱচেতন মনৰ ভাব-চিন্তাক ধৰা পেলাবলৈ চেষ্টা চলাইছে। আমেৰিকাৰ মনোৰোগ বিশেষজ্ঞ এজনে মানুহ এজনৰ শৰীৰত এই জাতীয় ঔষধ এটা ইন্জেক্চন কৰি দিয়াৰ কিছু সময়ৰ পাছত তলত বৰ্ণনা কৰা দৃশ্যটো মানুহজনৰ কল্পনাত ভাহি উঠিছিল।*

---

* Healing Journey—by *Cladio Naranjo.*

"অটব্য অৰণ্যৰ মাজত প্ৰকাণ্ড জুই একুৰা আগত লৈ পৰিয়ালসহ মই বহি আছোঁ। আমি খাবৰ কাৰণে মোৰ পিতৃৰ মৃত-দেহটো সেই জুইত পুৰি থকা হৈছে।"

নক'লেও হ'ব যে সভ্য মানুহে ভোকত প্ৰাণ হেৰুৱাব লগা হ'লেও পিতৃ-মাংস ভোজনৰ দৰে বীভৎস কল্পনাক সজ্ঞানে মনত স্থান দিব নোখোজে। কিন্তু প্ৰাগৈতিহাসিক যুগৰ গুহাবাসী আদিম মানুহে বৃদ্ধ পিতৃ বা আত্মীয়-স্বজনৰ মাংস ভোজন কৰিবলৈ সমূলি ইতস্ততঃ নকৰিছিল। যিজন মানুহৰ ওপৰত সেই আমেৰিকান চিকিৎসা মনোবিজ্ঞানীজনে পৰীক্ষা চলাইছিল, তেওঁ আছিল আজিৰ যুগৰ সভ্য মানুহ। মনস্তত্ত্বৰ লগত তেওঁৰ কোনো পৰিচয়ো নাছিল, যাৰ সহায়ত তেওঁ ইচ্ছাকৃতভাৱে তেনে এটা দৃশ্য মনত জঁগাই তুলিব। কিন্তু সুশিক্ষিত সভ্য মানুহৰ চেতনাৰ অন্তৰালতো যে আদিমযুগীয় বৰ্ব্বৰ মন এটা লুকাই থাকে, ওপৰোক্ত পৰীক্ষাটোৱে তাকে প্ৰমাণ কৰিলে।

তিমানলৈ নগৈ আমাৰ দৈনন্দিন জীৱনতে সচেতন মনৰ ওপৰত অৱচেতন মনে বিস্তাৰ কৰা প্ৰভাৱৰ নানা দৃষ্টান্ত পাব পাৰি। এইটো নিশ্চয় বহুতে লক্ষ্য কৰিছে যে কোনো কোনো সময়ত আমি একোজন চিনাকি মানুহৰ নামো অকস্মাতে পাহৰি যাওঁ। মানুহজনৰ চেহেৰাটো স্মৰণ কৰিব পাৰিলেও অশেষ চেষ্টা কৰিও নামটো কোনোমতে মনত পেলাব নোৱাৰোঁ। শেহত বিৰক্ত হৈ সেই চিন্তা বাদ দি যেতিয়া আন কামত মনোযোগ দিয়া হয়, তেতিয়া খন্তেক পাছতে হয়তো সেই মানুহজনৰ নামটোলৈ আমাৰ মনত পৰি যায়। ইয়াৰ পৰা বুজা যায় যে আমি ইচ্ছাকৃতভাৱে চিন্তা নকৰিলেও চেতনাৰ অন্তৰালত চিন্তাৰ কাৰ্য্য অব্যাহতভাৱে চলি থাকে।

আকৌ মাজে মাজে একোজন অচিনাকি মানুহেও আমাৰ মনত উৎকণ্ঠা বা বিতৃষ্ণাৰ ভাব জগাই তোলে। অথচ তেনে বিৰূপ মনোভাৱৰ সৃষ্টি হ'ল কিয়, সেই প্ৰশ্নৰ উত্তৰ পোৱা নাযায়। কিন্তু কিছুপৰ স্থিৰভাৱে চিন্তা কৰিলে আপুনি হয়তো এইটো আৱিষ্কাৰ কৰি পেলাব যে বৰ্ত্তমান দেখা মানুহজনে যদিও আপোনাৰ একো অনিষ্ট কৰা নাই, কিম্বা আপোনাক বেয়া ব্যৱহাৰো কৰা নাই, তথাপি সেই মানুহজনৰ চেহেৰা, সাজ-পাৰ, ব্যৱসায়

বা আচৰণৰ লগত হুবহু সাদৃশ্য থকা অন্য কোনো লোক অতীতত আপোনাৰ ক্ষতি কিম্বা মনোবেদনাৰ কাৰণ হৈ পৰিছিল। গোহালিত জুই লাগি আধা পোৰা হোৱা গৰুৱে আকাশত ৰঙা মেঘ দেখিলেও যে নেগুৰ দাঙি ধাপলি মেলে, সেই কথা আপুনি নজনা নহয়। আচল ঘটনা এনেকুৱা যে আপুনি সজ্ঞানে অৰ্থাৎ ইচ্ছাকৃতভাৱে চিন্তা নকৰিলেও আপোনাৰ অৱচেতন মনত অত বছৰে স্মৃতিৰূপে সংৰক্ষিত হৈ থকা সেই অনিষ্টকাৰী লোকজনৰ চেহেৰাৰ লগত বৰ্ত্তমান লগ পোৱা মানুহজনৰ চেহেৰাৰ সাদৃশ্যটো আপোনাৰ অৱচেতন মনে নিমিষৰ ভিতৰতে আৱিষ্কাৰ কৰি পেলালে, যাৰ পৰিণাম স্বৰূপে আপুনি অতীত কালত অনুভৱ কৰা অস্বস্তি বা উৎকণ্ঠাৰ ভাবটো আপোনাৰ মনত পুনৰ সঞ্জীৱিত হৈ উঠিল।

অৱচেতন মনৰ অন্ধকাৰত লুকাই থকা ৰাগাত্মক স্মৃতি কেনেকৈ আকস্মিক ভুল-ভ্ৰান্তি বা পাহৰণিৰ কাৰণ হৈ পৰে, তাৰ দৃষ্টান্তস্বৰূপে ফ্ৰয়েডে নিজৰ জীৱনৰ ঘটনা এটা আমাৰ আগত দাঙি ধৰিছে। এদিন ফ্ৰয়েডে তেওঁ চিকিৎসা কৰা পুৰণি ৰোগীৰ নামৰ তালিকা এখনত অচিনাকি মহিলা এগৰাকীৰ নাম এটা পাই ফ্ৰয়েড কিছু আশ্চৰ্য্যান্বিত হৈ পৰিছিল। কাৰণ বহুপৰ চিন্তা কৰিও সেই নামৰ কোনো মহিলা ৰোগীক কেতিয়াবা চিকিৎসা কৰাৰ কথা তেওঁ স্মৰণ কৰিব নোৱাৰিছিল। ইয়াৰ কিছুদিন পাছত পুৰণি ডায়েৰীৰ পাত লুটিয়াই থাকোঁতে সেই মহিলাগৰাকীৰ নামটো আকৌ এবাৰ ফ্ৰয়েডৰ চকুত ধৰা পৰিল। কৌতূহলপৰৱশ হৈ ডায়েৰীৰ পৃষ্ঠাটো ভালদৰে পঢ়ি চাই ফ্ৰয়েডে বুজিব পাৰিলে যে সেই নামৰ মহিলা এগৰাকীক তেওঁ চিকিৎসা কৰাটো সত্য। কিন্তু সেই চিকিৎসা-কাৰ্য্যৰ লগত এটা অপ্ৰীতিকৰ ঘটনাৰ স্মৃতি জড়িত হৈ আছিল কাৰণেহে তেওঁ মহিলাগৰাকীক চিকিৎসা কৰা কথাটো সম্পূৰ্ণভাৱে পাহৰি পেলাইছিল। বহু বছৰৰপৰা পেটৰ বিষত কষ্ট পোৱা এই মহিলাগৰাকীয়ে ফ্ৰয়েডৰ যশস্যাৰ কথা শুনি নিজৰ চিকিৎসাৰ কাৰণে ফ্ৰয়েডৰ কাষ চাপিছিল। সম্মোহন প্ৰণালীৰে চিকিৎসা কৰি ভালেমান উদ্বায়ুগ্ৰস্তা মহিলাক ৰোগমুক্ত কৰা ডাঃ ফ্ৰয়েডে এই মহিলাগৰাকী হিষ্টিৰিয়া ৰোগগ্ৰস্তা বুলি ভাবি লৈ তেওঁকো কিছুদিন একে প্ৰণালীৰে চিকিৎসা কৰিছিল। কিন্তু কেইমাহমানৰ পাছত সেই

মহিলাগৰাকীৰ মৃত্যু হ'লত ফ্ৰয়েডে জানিব পাৰিলে যে মহিলাগৰাকী হিষ্টিৰিয়া ৰোগী নাছিল। তেওঁৰ যকৃত-যন্ত্ৰত কৰ্কট ৰোগে (cancer) বাহ লৈছিল আৰু ফ্ৰয়েডৰ ভুল চিকিৎসাৰ কাৰণেই মহিলাগৰাকীৰ অকাল মৃত্যু হ'বলৈ পালে।

ডাঃ ফ্ৰয়েডৰ দৰে লব্ধপ্ৰতিষ্ঠ চিকিৎসক এজন এনে ঘটনাত মৰ্ম্মাহত নহৈ নোৱাৰে। মহিলাগৰাকীৰ কথা মনত পৰিলেই ফ্ৰয়েড নিজৰ ভুলৰ কাৰণে ঘোৰ অনুতপ্ত হৈ পৰিছিল আৰু সেই কথা পাহৰি থাকিবৰ কাৰণে তেওঁ যৎপৰোনাস্তি চেষ্টা চলাইছিল। এনেদৰে কিছুদিন চেষ্টা কৰি থকাৰ ফলত ফ্ৰয়েডে সেই মহিলাগৰাকীৰ কথা একেবাৰে পাহৰি পেলালেও তেওঁৰ অৱচেতন মনত মহিলাগৰাকীৰ স্মৃতি জীৱন্ত হৈ ৰ'ল। ফ্ৰয়েডে এতিয়া বুজিব পাৰিলে যে সেই নিৰ্জ্জান ৰাগাত্মক স্মৃতিৰ হস্তক্ষেপৰ কাৰণেই তেওঁ নিজে একালত চিকিৎসা কৰা মহিলাগৰাকীৰ কথা স্মৰণ কৰিব পৰা নাছিল। কাৰণ মহিলাগৰাকীক স্মৰণ কৰা মানে নিজৰ মূৰ্খামিৰ কথা স্মৰণ কৰা আৰু অনুশোচনাৰ বহ্নিত পুনৰ দগ্ধ হোৱা। মুঠতে ডাঃ ফ্ৰয়েডৰ এই বিস্মৃতি তেওঁৰ নিৰ্জ্জান অভিপ্ৰায়-প্ৰসূত ঘটনা।

সচেতন প্ৰত্যক্ষৰ ক্ষেত্ৰত অৱচেতন অভিপ্ৰায় বা অৱচেতন ভাব-চিন্তাৰ প্ৰভাৱৰ সুস্পষ্ট নিদৰ্শন পোৱা যায় হিষ্টিৰিয়া ৰোগীৰ ক্ষেত্ৰত। হিষ্টিৰিয়া ৰোগীৰ দৃষ্টিশক্তিৰ আকস্মিক বিলুপ্তি, কিম্বা শৰীৰৰ অঙ্গ-বিশেষৰ আকস্মিক পক্ষাঘাত (Hysterical Paralysis) তাৰে দৃষ্টান্ত। এনেদৰে আকস্মিকভাৱে দৃষ্টিশক্তি হেৰুৱাই পেলোৱা ৰোগীৰ চকু পৰীক্ষা কৰি কোনো ৰোগ ধৰা পেলাব নোৱাৰি। আনকি এনে ৰোগীয়ে অহা-যোৱা কৰা বাটত কিবা বাধা থাকিলে ৰোগীয়ে তাৰপৰা ফালৰি কাটি যাবও জানে। গতিকে এনে ৰোগী মানসিক-ভাৱেহে অন্ধ বুলি ক'ব পাৰি। তেনেদৰে ৰোগীৰ পক্ষাঘাতগ্ৰস্ত অঙ্গ পৰীক্ষা কৰিও দৈহিক ব্যাধি থকাৰ প্ৰমাণ পোৱা নাযায়। গতিকে ইও যে ৰোগীৰ নিৰ্জ্জান অভিপ্ৰায়-প্ৰসূত অৱস্থা তাত সন্দেহ নাই। তদুপৰি মনোৰোগ বিশেষজ্ঞ ডাঃ চাৰ্কোই (Dr. Charcot) কাহানিবাই দেখুৱাই গৈছে যে হিষ্টিৰিয়া-প্ৰৱণ নাৰী বা পুৰুষৰ ক্ষেত্ৰত সংৱেশনোত্তৰ

অভিভাৱনৰ (Post-hypnotic Suggestion)-দ্বাৰা ৰোগে উক্ নিদিয়া অৱস্থাতো ওপৰত কোৱা দৈহিক লক্ষণসমূহ ৰোগীৰ শৰীৰত ফুটাই তুলিব পাৰি ; আকৌ বিপৰীত ধৰণৰ অভিভাৱনৰদ্বাৰা সেই লক্ষণ-সমূহৰ উপশম ঘটাবও পাৰি। কিন্তু আচৰিত কথা এইটোৱে যে হিষ্টিৰিয়া ৰোগীৰ ৰোগ-লক্ষণবিলাক ৰোগীৰ মনৰদ্বাৰা সৃষ্ট হ'লেও কেনেদৰে এই লক্ষণসমূহৰ সৃষ্টি হৈ পৰে, সেই বিষয়ে ৰোগী সম্পূৰ্ণ অজ্ঞ হৈ থাকে।

হিষ্টিৰিয়াৰ ক্ষেত্ৰত হোৱাৰ দৰে মনোদৈহিক ব্যাধিৰ ক্ষেত্ৰতো অৱচেতন মনত সৃষ্টি হোৱা ছাপ (Tension) বা উত্তেজনাই শাৰীৰিক ৰোগ-লক্ষণৰ সৃষ্টি কৰিব পাৰে। পাৰ্থক্য বোধকৰোঁ এইখিনিতে যে হিষ্টিৰিয়া ৰোগীৰ ক্ষেত্ৰত মানসিক ছাপে কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ (Central Nervous system) জৰিয়তে শৰীৰৰ স্থান-বিশেষৰ ওপৰত ক্ৰিয়া কৰে ; কিন্তু মনোদৈহিক ব্যাধিৰ ক্ষেত্ৰত মানসিক ছাপ বা নিৰ্জ্জান মানসিক উত্তেজনাই শৰীৰৰ স্বতঃক্ৰিয় স্নায়ুতন্ত্ৰৰ জৰিয়তে প্ৰায় সমগ্ৰ শৰীৰৰ ওপৰতে ক্ৰিয়া কৰে।

অৱচেতন মনৰ চিন্তাই স্বপ্ন-ৰচনাৰদ্বাৰা কেনেকৈ চেতন মনত আত্মপ্ৰকাশ কৰে আৰু চেতন মনক প্ৰভাৱান্বিত কৰি তোলে, সেই কথা ওপৰত কোৱা হৈছে। স্বপ্নৰ দৰে অলীক কল্পনাৰ মাজেৰেও আমাৰ অৱচেতন মনৰ ভালেমান নিষিদ্ধ বা গোপন বাসনাই আত্মপ্ৰকাশ কৰা দেখা যায়। মিথ্ (Myth) বা পৌৰাণিক আখ্যান-উপাখ্যান আৰু ৰূপকথাৰ মাজেৰেও মানুহৰ অৱচেতন অভিপ্ৰায় আৰু কামনা-বাসনাৰ স্ফুৰণ ঘটা আমি দেখা পাওঁ। কিন্তু ব্যক্তি-বিশেষৰ অৱচেতন মনৰ খবৰ সংগ্ৰহ কৰিবৰ কাৰণে স্বপ্ন-বিশ্লেষণ আৰু সংৱেশনেই (Hypnotism) প্ৰকৃষ্ট উপায়। মানসিক ৰোগীক প্ৰথমে সন্মোহিত কৰি তাৰ পাছত অভিভাৱন প্ৰয়োগৰদ্বাৰা ৰোগীৰ মনক অতীত জীৱনলৈ ঘূৰাই নিয়ে। তেতিয়া ৰোগীৰ অতীত জীৱনত ঘটি যোৱা ঘটনাৰ স্মৃতিবিলাক ৰোগীৰ মানস-দৃষ্টিত পুনৰ উদ্ভাসিত হৈ উঠে। মনোৰোগ বিশেষজ্ঞসকলে ইয়াক 'Technique of Age regression' বুলি কয়। আজি-কালি

অৱশেষে 'ছাইকেডেলিক' ঔষধ প্ৰয়োগ কৰিও সুপ্ত স্মৃতিক জাগ্ৰত কৰি তোলা হয়। এনেদৰে সচেতন মনলৈ ঘূৰাই অনা স্মৃতিবিলাকৰ মাজত ভাসমান ৰাগাত্মক স্মৃতিও থাকে। এই ৰাগাত্মক স্মৃতিসমষ্টিবিলাক শক্তিশালী আৰু স্বয়ংক্ৰিয় হৈ পৰিলেই মানুহৰ মানসিক বিপৰ্য্যয়ৰ সূচনা হৈ পৰে। এনেকুৱা স্মৃতি আৰু চিন্তাৰ স্বয়ংক্ৰিয় সমষ্টিবিলাকক চিকিৎসা মনোবিজ্ঞানী ডাঃ কাৰ্ল গুষ্টাভ্ য়ুঙে (Dr. C. G. Yung) 'অট'নমাচ্ চাইকিকেল-কম্প্লেক্স্' (Autonomus Psychical complex) বুলি অভিহিত কৰিছে।

(খ)

প্ৰথম অৱস্থাত মনোবিজ্ঞানী ফ্ৰয়েডে বিগত জীৱনৰ অৱদমিত যৌন-স্মৃতিবিলাককে অৱচেতন মনৰ ঘাই উপাদান বুলি বিশ্বাস কৰিছিল। কিন্তু পাছলৈ তেওঁৰ দৃষ্টিভঙ্গিৰ পৰিৱৰ্ত্তন ঘটিলত তেওঁ প্ৰাগৈতিহাসিক আদিম জীৱনৰ স্মৃতি আৰু সেই যুগৰ অন্যান্য মানসিক বৈশিষ্ট্যসমূহকো মানুহৰ অৱচেতন মনৰ উপাদান বুলি স্বীকাৰ কৰি ল'লে। ফ্ৰয়েডে লিখি গৈছে—"অৱচেতন মনৰ পৰিসৰ অতি বিস্তৃত। অৱদমিত চিন্তা অৱচেতন মনৰ এটা অংশহে মাথোন।" ফ্ৰয়েডে আৰু কৈছিল যে মানুহৰ অৱচেতন মনত কেৱল ব্যক্তিগত জীৱনৰ ইতিহাসেই লুকাই নাথাকে। নিতান্ত সংক্ষিপ্তভাৱে হ'লেও মানুহৰ প্ৰাগৈতিহাসিক জীৱনৰ ইতিহাসে ব্যক্তিগত জীৱনেতিহাসৰ মাজেৰে আত্মপ্ৰকাশ কৰে।

এনেদৰে বিচাৰ কৰিলে অৱচেতন মনৰ বিষয়-বস্তুসমূহ হয় এনেকুৱা—

(ক) স্মৰণ কৰিবলৈ এৰি পেলোৱা কাৰণে যিবিলাক ভাব-চিন্তা স্থায়ীভাৱে বিস্মৃতিৰ অন্ধকাৰত হেৰাই গৈছে।

(খ) যিবিলাক চিন্তা ইচ্ছাকৃতভাৱে পাহৰি পেলোৱা হৈছে (অৱদমিত চিন্তা)।

(গ) যিবিলাক চিন্তা সচেতন মনত আত্মপ্ৰকাশ কৰিবৰ জোখাৰে শক্তিশালী হৈ পৰা নাই।

(ঘ) যিবিলাক প্ৰৱণতা আৰু চিন্তা-সম্ভাৱনাক জন্মসূত্ৰে লাভ কৰা হৈছে।

(ঙ) শৰীৰৰ জৈৱিক দিশটোৰ নিয়ন্ত্ৰক জৈৱিক প্ৰজ্ঞা বা জৈৱিক মন।

ইয়াৰপৰা বুজা যায় যে মানুহৰ সমষ্টিগত অৱচেতন মনটো পূৰ্ব্বৰেপৰা প্ৰস্তুত হৈ থকা ভাব-চিন্তাৰ ভঁৰাল নহয়। সমষ্টিগত অৱচেতন মনক কিছুমান মানসিক সম্ভাৱনাৰ আধাৰ বুলিহে ক'ব পাৰি। মনোবিজ্ঞানী-সকলে ভাবে যে প্ৰজনন কোষৰ ক্ৰমোজম্ (chromosome)-বিলাকৰ গৰ্ভত থকা জীন্ (Gene) নামৰ জীৱন্ত পদাৰ্থ-কণাবিলাকৰ জৰিয়তেই মানুহৰ সমষ্টিগত অৱচেতন মনটো পূৰ্ব্বপুৰুষৰপৰা উত্তৰ পুৰুষলৈ যুগে যুগে সংক্ৰমিত হৈ আহিছে। বৰ্ত্তমান জীৱনত এই মনৰ সূচনা হয় সহজাত মন বা ইড্ স্বৰূপে। ইড্ যেন সমষ্টিগত অৱচেতন মনৰ অলেখ চিন্তা-সম্ভাৱনাৰ এটা ঘনীভূত ৰূপ। ব্যক্তিগত চেতন মনৰ প্ৰখৰতাৰ লগত তুলনা কৰি ইডক নিৰ্জ্ঞান বা অচেতন মন বুলি গণ্য কৰা হ'লেও ইডৰ এটা নিজস্ব চেতনা আছে আৰু ইডেই মানুহৰ প্ৰাগৈতিহাসিক মন আৰু বৰ্ত্তমানৰ সভ্য মনৰ মাজত সংযোগ সূত্ৰ ৰক্ষা কৰি থাকে।

ইড্ অফুৰন্ত মানসিক শক্তিৰ আধাৰস্বৰূপ। কিন্তু ইডৰ মানসিক শক্তি কোনো নিৰ্দ্দিষ্ট মানসিক ঘটনাত নিৱদ্ধ হৈ নাথাকে। সেয়েহে ইডৰ মানসিক শক্তিক নিৰালম্ব ভাসমান শক্তি (free floating Energy) বুলি কোৱা হয়। কোনো মানসিক ঘটনাৰ লগত এই শক্তিৰ সংযোজনক মনোৱীক্ষণতত্ত্বৰ ভাষাত 'Cathexis' বুলি কোৱা হয়। মানসিক শক্তিৰ নিৰালম্ব অৱস্থাৰ কাৰণে ইডৰ বুকুত সৃষ্টি হোৱা মানসিক ঘটনাৰ নিৰ্দ্দিষ্ট ৰূপ আৰু সিহঁতৰ আৱিৰ্ভাৱ-তিৰোভাৱৰ কোনো নিৰ্দ্দিষ্ট ক্ৰম নাথাকে আৰু তাৰ ফলত এটা চিন্তা সহজে তাৰ বিপৰীতমুখী চিন্তালৈ ৰূপান্তৰিত হৈ পৰিব পাৰে। তদুপৰি ইডৰ গৰ্ভত সৎ-অসৎ, সাধুতা-অসাধুতা, প্ৰেম-বিদ্বেষ এনেকুৱা বিপৰীতমুখী ধাৰণাবিলাকে কোনো সংঘৰ্ষৰ সৃষ্টি নকৰাকৈ নিচেই ওচৰা-উচৰিকৈ অৱস্থান কৰা দেখা যায়। মানুহৰ মনৰ এই অচেতন স্তৰটোত কাৰ্য্য আৰু কাৰণৰ মাজত সম্পৰ্কৰ বিচাৰ কৰা নহয়। ফলত একেটা কাৰণৰপৰা কেবাটাও

ঘটনাৰ সৃষ্টি হৈ পৰিব পাৰে, কিম্বা একেটা ঘটনা কেবাটাও ঘটনালৈ ৰূপান্তৰিত হৈ পৰিব পাৰে। তদুপৰি ইড্ হৈছে 'Amoral' অৰ্থাৎ নৈতিকতা নিৰপেক্ষ মন।

আমাৰ প্ৰতি নিশাৰ স্বপ্নবিলাকত মনৰ এই নিৰ্জ্জান দিশটোৰ কাৰ্য্য-কলাপৰ ভালেমান নিদৰ্শন পোৱা যায়। স্বপ্নত আৱিৰ্ভাৱ হোৱা মনটোৱে যে আমাৰ জাগ্ৰত অৱস্থাৰ মনৰ দৰে আচৰণ নকৰে, সেইটো আমাৰ চকুত সহজেই ধৰা পৰে। আমি দেখা পাওঁ যে এই মনৰ ওচৰত অসম্ভৱ বুলি একো নাথাকে। স্থান আৰু কাল এই মনৰ ধাৰণাত অভিন্ন। আকৌ ইয়াত কাল মানে চিৰবৰ্ত্তমান কাল—'Eternal Present' য'ত অতীত-ভৱিষ্যৎ একাকাৰ হৈ পৰে। ইড্ পৰিচালিত হয় জীৱন প্ৰবৃত্তিৰ-দ্বাৰা- যাৰ একমাত্ৰ লক্ষ্য হৈছে নিজে জীয়াই থকা আৰু যথাসম্ভৱ সৰহ সংখ্যক সন্তান-সন্ততি জন্ম দি জগতত প্ৰাণৰ সোঁত অব্যাহত ৰখা। শিক্ষা, সভ্যতা, ধৰ্ম্মবোধ এইবিলাকৰ লগত ইডৰ একো সম্পৰ্ক নাই।

ইড্ বা সহজাত মনৰ চিন্তা-প্ৰক্ৰিয়াক মনোবিজ্ঞানী ফ্ৰয়েডে প্ৰাথমিক চিন্তা-প্ৰক্ৰিয়া (Primary thought Processes) বুলি অভিহিত কৰিছে। এই মনৰ চিন্তা প্ৰধানতঃ দৃশ্যাত্মক (Visionery) চিন্তা। আমাৰ বৰ্ত্তমানৰ চিন্তাৰ দৰে ভাষাশ্ৰয়ী চিন্তা নহয়। ভাষাক অৱলম্বন কৰি কৰা চিন্তাক (Verbal thinking) ফ্ৰয়েডে 'Secondary thought Processes' বুলি কয়। নক'লেও হ'ব যে ইড্ বা সহজাত সমষ্টিগত অচেতন মানস-স্তৰত চিন্তাই সৰ্ব্বেসৰ্ব্বা। নিজৰ স্বপ্নবিলাকলৈ মন কৰিলেই আমি বুজিব পাৰোঁ যে স্বপ্নত সঙ্কল্পৰ মুহূৰ্ত্ততে সিদ্ধিলাভ হয়। আন কথাত ক'বলৈ গ'লে স্বপ্নত কামনাৰ জাগৰণ আৰু কামনাৰ পৰিতৃপ্তি সাধন পৃথক পৃথক ঘটনা নহয়। যেনে, স্বপ্নত কোনো এখন ঠাইলৈ যাবলৈ সঙ্কল্প কৰা মুহূৰ্ত্ততে সেই ঠাইত উপস্থিত হৈ পৰা যায়। কেতিয়া আৰু কেনেকৈ যোৱা হ'ল তাৰ বিচাৰ লোৱা নহয়। আকৌ সমষ্টিগত অৱচেতন মনে যে জীৱন আৰু মৃত্যুৰ মাজত একো পাৰ্থক্য নেদেখে, আমাৰ স্বপ্নত তাৰো দৃষ্টান্ত পোৱা যায়। বহু বছৰৰ পূৰ্ব্বেই ইহ সংসাৰৰপৰা বিদায় লোৱা মানুহেও আমাৰ স্বপ্নত জীৱন্ত মানুহৰ দৰে আচৰণ কৰা আমি দেখা পাওঁ। আকৌ সচেতন

মনৰ ধাৰণা মতে প্ৰতিটো ঘটনাৰে একোটা কাৰণ থাকে আৰু সেই কাৰণ ঘটনাতকৈ সদায় আগ। কিন্তু স্বপ্নত আমাৰ মনে এই নীতি মানি নচলে।[১৩]

ইড্ বা সহজাত সমষ্টিগত অৱচেতন মনৰ গৰ্ভত মানৱ-জাতিৰ ক্ৰম-বিৱৰ্ত্তনৰ সমগ্ৰ ইতিহাস নিহিত আছে বুলিলে এইটো বুবুজায় যে ঐতিহাসিক আৰু প্ৰাগৈতিহাসিক জীৱনত ঘটি যোৱা অগণন পাৰ্থিৱ ঘটনাৰ স্মৃতিয়ে বাস্তৱ ঘটনাৰ হুবহু ৰূপ লৈ আমাৰ সমষ্টিগত অৱচেতনাৰ গৰ্ভত লুকাই আছে। প্ৰকৃততে বাস্তৱ অভিজ্ঞতাই সেই যুগৰ মানুহৰ অন্তৰত যি আলোড়ন বা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল আৰু সেই যুগৰ মানুহে সেই অভিজ্ঞতাক কেনেভাৱে গ্ৰহণ কৰিছিল, তাৰ সূক্ষ্মাতিসূক্ষ্ম স্পন্দন কিছুমানহে যেন প্ৰজনন কোষৰ অণু-পৰমাণুৰ জৰিয়তে তাহানি যুগৰ মানুহৰপৰা আজিৰ সভ্য যুগৰ মানুহলৈ সংক্ৰমিত হৈ পৰিছে। সেয়েহে প্ৰখ্যাত মনোবিজ্ঞানী ডাঃ চি. জি. য়ুঙে সমষ্টিগত অৱচেতন মনক— 'An inherited system of Psychical adaptation' বুলি অভিহিত কৰিছে।

গতিকে সমষ্টিগত অৱচেতন মনক বাস্তৱ যুক্তি-বিৱেচনাৰদ্বাৰা পৰিচালিত সচেতন মনৰ আৰ্হিত কল্পনা কৰি ল'লে নিশ্চয় ভুল কৰা হ'ব। সমষ্টিগত অৱচেতন মনত আমাৰ অহংবোধৰ দৰে কেন্দ্ৰীয় সত্তা নাথাকে। গতিকে এই মন একান্তভাৱে নৈৰ্ব্যক্তিক। তদুপৰি এই মন আদিম প্ৰকৃতিবিশিষ্ট। কোনো অশুভ বা অসতৰ্ক মুহূৰ্ত্তত এই আদিম প্ৰকৃতিবিশিষ্ট মনৰ আকস্মিক উদ্গীৰণে ব্যক্তি আৰু সমাজ-জীৱন বিপৰ্য্যস্ত কৰি তুলিব পাৰে, এই আশঙ্কাত আমাৰ অহং বা সচেতন মনে নিজক তাৰ-পৰা নিৰাপদজনক দূৰত্বত ৰাখিবলৈ সদায় সচেষ্ট হৈ থাকে। ধৰ্ম্মজ্ঞান,

---

(১৩) "The Unconscious seems to defy the principle of cause and effect and to disregard the established rules of Logic as they apply to the Ego level; it is metalogical On the Id level the laws of contradiction are no longer valid."

—*New Dimensions af Deep Analysis.*

আদৰ্শ আৰু নৈতিকতাৰ দুৰ্লংঘ্য প্ৰাচীৰ গঢ়ি তুলি মানুহে আদিম বন্যপ্ৰকৃতিৰ গতিৰোধ কৰিবলৈ বিচাৰে। কিন্তু সভ্য মানুহৰ তেনে প্ৰচেষ্টা কোনো যুগতে একান্তভাৱে ফলপ্ৰসূ হোৱা নাই।

আনহাতে সমষ্টিগত অৱচেতন মনক অস্বীকাৰ কৰাৰ অৰ্থ মানসিক জীৱনৰ ঘাই সুঁতিৰপৰা বিচ্ছিন্ন হৈ পৰা। সমষ্টিগত অৱচেতন মনত অহংবোধৰ অনুপস্থিতিৰ কাৰণ কি, এই প্ৰশ্নৰ উত্তৰত ক'ব পাৰি যে প্ৰাগৈতিহাসিক যুগত মানুহৰ মন আজিৰ দৰে সুসংগঠিত হৈ উঠা নাছিল কাৰণেই সেই মনৰ বুকুত অহংবোধৰ দৰে সুসংগঠিত মানসিক সত্তাৰ জাগৰণ সম্ভৱ হ'ব নোৱাৰিছিল। তদুপৰি প্ৰাগৈতিহাসিক আদিম যুগৰপৰা বৰ্তমান যুগলৈকে লাখ লাখ বছৰজোৰা সময়খিনিত কিমানবাৰ বিভিন্ন দেশলৈ মানুহৰ প্ৰব্ৰজন ঘটিছে, বিভিন্ন জাতিৰ মানুহৰ মাজত কিমান যুদ্ধ-বিগ্ৰহ হৈ গৈছে আৰু বিভিন্ন জাতিৰ নৰ-নাৰীৰ মাজত কিমানবাৰ তেজৰ সংমিশ্ৰণ ঘটিছে, তাৰ লেখ পাবলৈ নাই। বিভিন্ন যুগৰ আৰু বিভিন্ন জাতিৰ মানুহৰ মনস্তত্বৰ সংমিশ্ৰণ বা সমন্বয় স্বৰূপ আমাৰ সমষ্টিগত অৱচেতন মনটো নৈৰ্ব্যক্তিক মন নহৈ নোৱাৰে। সমষ্টিগত অৱচেতনাৰ গৰ্ভত আজিও বিভিন্ন জাতি আৰু বিভিন্ন যুগৰ সংস্কৃতিৰ অস্তিত্ব ঠাৱৰ কৰিব পাৰি। তদুপৰি সমষ্টিগত অৱচেতন মনৰ ৰূপটো সকলো মানুহতে একে। বিপদত পৰিলে সকলো মানুহ আত্মৰক্ষাৰ কাৰণে তৎপৰ হৈ উঠে। সকলো জাতিৰ নৰ-নাৰীয়ে যৌনক্ষুধাৰ উপশম ঘটাবৰ কাৰণে আৰু বংশৰক্ষাৰ উদ্দেশ্যে বিপৰীত লিঙ্গৰ ব্যক্তিৰ সান্নিধ্য কামনা কৰে। ক্ৰোধ, ভয়, হৰ্ষ, বিষাদ, প্ৰতিহিংসা এনেবিলাক আৱেগ-অনুভূতিৰ প্ৰকাশ-ভঙ্গিও পৃথিৱীৰ সকলো মানুহতে একে। অপত্য স্নেহৰ ধাৰা পৃথিৱীৰ সকলো জাতিৰ নাৰীৰ অন্তৰত প্ৰৱাহমান। আনকি পৃথিৱীৰ বিভিন্ন জাতিৰ মানুহৰ মাজত প্ৰচলিত পৌৰাণিক আখ্যান-উপাখ্যান আৰু ৰূপকথাৰ মাজতো ভালেখিনি সাদৃশ্য পৰিলক্ষিত হয়। মুঠতে সমষ্টিগত অৱচেতনা কাৰো ব্যক্তিগত মন নহয়। বৰং ই সমগ্ৰ মানৱ-জাতিৰ উমৈহতীয়া সম্পত্তি।

মনোবিজ্ঞানী ডাঃ য়ুঙে ভাবে যে সচেতন মনত থকাৰ দৰে সমষ্টিগত অৱচেতন মনত কোনো অহংপ্ৰাচীৰ (Ego barrier) নথকা হেতুকে মানুহৰ

মনৰ এই স্তৰটোত এজনৰ ৰাগাত্মক চিন্তা সহজেই আন এজনৰ মনলৈ সংক্ৰমিত হৈ পৰিব পাৰে। এজনৰ মনত সৃষ্টি হোৱা তীব্ৰ উৎকণ্ঠাই কোনো ইন্দ্ৰিয়গ্ৰাহ্য উপায় অৱলম্বন নকৰাকৈয়ে আন এজনৰ মনত উৎকণ্ঠাৰ ভাব জগাই তুলিব পাৰে। এয়া টেলিপেথিৰ (Telepathy)-ৰ নিদৰ্শন। টেলিপেথি আৰু অন্যান্য পৰা-মনস্তাত্ত্বিক ঘটনাবিলাক (Parapsychological phenomena)-ৰ বিষয়ে আমি এই কিতাপৰ আন এটা প্ৰৱন্ধত বহলাই আলোচনা কৰিম। প্ৰতি নিশা টোপনি অহাৰ আগে আগে আমাৰ অৱচেতন মনৰ চকমকা ৰূপ এটা খন্তেকৰ কাৰণে হ'লেও আমাৰ চেতনাৰ পটত উদ্ভাসিত হৈ পৰা আমি দেখা পাওঁ। এই ক্ষুদ্ৰ সময়খিনিত নানা অদ্ভুত অদ্ভুত দৃশ্যই মানস-পটত লুকা-ভাকু খেলি থাকে। কিন্তু সিহঁতৰ প্ৰতি মনোযোগী হৈ পৰা মুহূৰ্ত্ততে সিহঁত আমাৰ মানস-দৃষ্টি-পথৰপৰা অন্তৰ্হিত হৈ পৰে। কাচিৎহে তেনেকুৱা দুই-এটা অসংলগ্ন দৃশ্যৰ কথা পিছত স্মৰণ কৰিব পাৰি। সাধকসকলেও বোলে সাধনাৰ প্ৰথম অৱস্থাত এনে এটা মানসিক অৱস্থাৰ সন্মুখীন হ'ব লগাত পৰে।

এতিয়া সমষ্টিগত অৱচেতন মনত লুকাই থকা সহজাত প্ৰৱণতা (Instincts) আৰু আমি আদিম চিন্তা-প্ৰতিৰূপ বা 'আৰ্কিটাইপ'ৰ (Archetype) কথালৈ অহা হওক। ডাঃ উইলিয়াম মেক্‌ডুগল নামৰ মনোবিজ্ঞানীজনে প্ৰাণীৰ জন্মগত প্ৰৱণতা বা সহজাত প্ৰবৃত্তিক 'Inherited Psychophysical Disposition' বুলি অভিহিত কৰিছে। আনহাতে মনোবিজ্ঞানী ডাঃ য়ুঙে ভাবে যে যিহক সচৰাচৰ সহজাত প্ৰবৃত্তি বুলি কোৱা হয়, সি আচলতে সমষ্টিগত অৱচেতনাৰ গৰ্ভত লুকাই থকা নিৰ্জ্জান স্মৃতিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ পৰিণতি মাথোন। মানসিক ক্ৰম-বিৱৰ্ত্তনৰ লাখ লাখ বছৰজোৰা কালছোৱাত প্ৰাণীৰ কিছুমান আচৰণ আৰু মনোদৈহিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ অজস্ৰবাৰ পুনৰাবৃত্তি ঘটি অহা হেতুকে সিহঁত বৰ্ত্তমান একৰকম স্বতঃস্ফূৰ্ত্ত মনোদৈহিক আচৰণত পৰিণত হৈছে। যেনে, পানীত পৰা মানুহে আত্মৰক্ষাৰ কাৰণে কুটা এডালতো খামুচি ধৰে। গঁড়ৰ পোৱালি ভূমিষ্ঠ হোৱাৰ পাছতে হেনো মাকৰপৰা আঁতৰি পলায়। কাৰণ মাইকী গঁড়ৰ জিভাখন ইমান খহটা যে তাই পোৱালিটোক চেলেকিবলৈ আৰম্ভ কৰিলে

তাৰ শৰীৰৰ ছাল আৰু মঙহ এৰাই যায়। গতিকে ওপজাৰ পাছতে মাকৰ-পৰা আঁতৰি নগ'লে মৰণ সুনিশ্চিত। পোৱালিটোৰ পূৰ্ব্ব অভিজ্ঞতাৰ স্মৃতি সংৰক্ষিত নথকা হ'লে সি মাকৰ ওচৰৰপৰা আঁতৰি যাবলৈ চেষ্টা নকৰিলেহেঁতেন। কাৰণ বৰ্ত্তমান জীৱনত সি তেনে যন্ত্ৰণাদায়ক অভিজ্ঞতা লাভ কৰা নাই।

অধ্যাপক মেক্‌ডুগেলে কয় যে সহজাত প্ৰবৃত্তি আৰু আৱেগৰ ওতঃপ্ৰোত সম্পৰ্ক থাকে। যেনে—

সহজাত প্ৰবৃত্তি	আনুষঙ্গিক আৱেগ
আত্মসংৰক্ষণ প্ৰবৃত্তি	ভয়, সন্ত্ৰাস
ৰমণ প্ৰবৃত্তি	যৌনোত্তেজনা
আসঙ্গ প্ৰবৃত্তি	নিঃসঙ্গতাবোধ।

আমি জানো যে সহজাত প্ৰবৃত্তিৰ পৰিতৃপ্তি সাধনৰ পথত অন্তৰায় আহি পৰিলে আমাৰ অন্তৰত বিৰক্তি বা ক্ৰোধৰ সঞ্চাৰ হৈ পৰে। যেনে, নিজৰ প্ৰাণ ৰক্ষা কৰিবৰ কাৰণে আততায়ীক হত্যা কৰিবলৈকো মানুহে কুণ্ঠাবোধ নকৰে। আচৰণবাদী মনোবিজ্ঞানী ডাঃ ওৱাট্‌চনৰ মতে মানৱ-শিশুৱে জন্মসূত্ৰে আহৰণ কৰা আৱেগ তিনি প্ৰকাৰৰ। সিহঁত হৈছে ভয়, ক্ৰোধ আৰু মৰম। শিশুৰ ভয়ৰ কাৰণ তীক্ষ্ণ শব্দ আৰু আকস্মিক নিৰালম্ব অৱস্থা অৰ্থাৎ পতনৰ ভয়। ভোকাতুৰ অৱস্থাত আহাৰ খাবলৈ নাপালে কিম্বা অঙ্গ-সঞ্চালনত বাধা উপজিলে শিশুৰ মনত ক্ৰোধৰ সঞ্চাৰ হৈ পৰে। আনহাতে শিশুৰ শৰীৰত হাত ফুৰালে বা তাক পুনঃ পুনঃ মৃদুভাৱে আঘাত কৰিলে সি মনত আনন্দ অনুভৱ কৰে আৰু তেনেদৰে আনন্দ দিওঁতাজনৰ প্ৰতি শিশুৰ অন্তৰত মৰম ওপজে। ফ্ৰয়েডে কয় যে আমাৰ শৰীৰত এনে কিছুমান স্থান আছে, যিবিলাক স্থানত মৃদু উত্তেজনাৰ সৃষ্টি হৈ পৰিলে আমাৰ অন্তৰত সুখানুভূতি জাগি উঠে। মানুহৰ শৰীৰৰ এনেকুৱা সংবেদনশীল স্থানসমূহক ফ্ৰয়েডে উপ-ৰতিস্থান (Erotogenous Zone) বুলি অভিহিত কৰিছে। শিশুৰ ক্ষেত্ৰত তেনে সুখানুভূতি কোনো বিশেষ বিশেষ স্থানত কেন্দ্ৰীভূত হৈ নাথাকে। শিশুৰ সমগ্ৰ শৰীৰটোৱে সংবেদনশীল।

মনোৱীক্ষণতত্ত্বই আৰু এক প্ৰকাৰৰ ভয় বা উৎকণ্ঠাৰ কথা কয়, যিহক তেওঁলোকে বিচ্ছেদাতঙ্ক বা বিচ্ছিন্নতাজনিত উৎকণ্ঠা (Separation Anxiety) বুলি অভিহিত কৰে। তেওঁলোকে ভাবে যে প্ৰসৱ-কালত সন্তান মাতৃৰ শৰীৰৰপৰা পৃথক হৈ পৰিবৰ বেলিকা এই ভয়ৰ সূচনা হয়। পাছলৈ এই ভয় মাতৃ-স্তন্যৰপৰা বঞ্চিত হৈ পৰিবৰ ভয়, মাতৃৰ অনুপস্থিতিৰ ভয় আৰু সৰ্ব্বশেষত মাতৃৰ মৰম আৰু সমৰ্থন হেৰুৱাবৰ ভয়লৈ ৰূপান্তৰিত হৈ পৰে। ফ্ৰয়েডে কোৱা উপস্থছেদ ভীতি (Castration fear) ওপৰোক্ত বিচ্ছেদাতঙ্কৰে আন এটা সংস্কৰণ বুলি ক'ব পাৰি।

ফ্ৰয়েডে সহজাত প্ৰবৃত্তিসমূহক দুটা বহল শ্ৰেণীত বিভক্ত কৰিছে। তাৰে এটা হৈছে জীৱন-প্ৰবৃত্তি (Life instincts) আৰু আনটো ধ্বংস-প্ৰবৃত্তি বা মৃত্যু-প্ৰবৃত্তি (Death Instincts)। জীৱন-প্ৰবৃত্তিৰ দুটা দিশ থাকে, যিহক যথাক্ৰমে আত্মসংৰক্ষণ-প্ৰবৃত্তি (Instincts of Self preservation) আৰু যৌন-প্ৰবৃত্তি বা বংশ সংৰক্ষণ-প্ৰবৃত্তি বুলি কোৱা হয়। জীৱনৰ আৰম্ভণিতে অৰ্থাৎ শিশুকালত আত্মসংৰক্ষণ-প্ৰবৃত্তি আৰু যৌন-প্ৰবৃত্তি অভিন্ন হৈ থাকে। কেৱল যৌৱনকালতহে সিহঁতৰ লক্ষ্য আৰু প্ৰকাশ-ভঙ্গি বিভিন্ন হৈ পৰে। আত্মসংৰক্ষণ-প্ৰবৃত্তিৰ পিছতে যৌন-প্ৰবৃত্তিয়েই মানুহৰ মনৰ বৃহত্তৰ স্থান অধিকাৰ কৰি থাকে। মন কৰিবলগীয়া যে মনোৱীক্ষণতত্ত্বত যৌন-কামনা কথাষাৰক অতি ব্যাপক অৰ্থত গ্ৰহণ কৰা হয়। ই কেৱল ৰতি-লালসাকে নুবুজায়, বৰং সকলো প্ৰকাৰৰ সম্ভোগ-বাসনাকে সামৰি লয়। ফ্ৰয়েডৰ মতে যৌন-প্ৰবৃত্তি হৈছে প্ৰাণীয়ে নিজক পুনঃ পুনঃ নতুন ৰূপত সৃষ্টি কৰিবৰ অন্ধ প্ৰেৰণা স্বৰূপ।

আকৌ মানুহ সমাজপ্ৰিয় জীৱ। নিঃসঙ্গ জীৱন মানুহে ভাল নাপায়। তাহানি প্ৰাগৈতিহাসিক যুগতো মানুহে দল, পৰিয়াল বা সম্প্ৰদায় হিচাপে যৌথ জীৱন যাপন কৰিছিল। এনেদৰে যৌথ জীৱন যাপন কৰিবৰ প্ৰৱণতাক মনোবিজ্ঞানীয়ে 'Herd Instincts' বুলি অভিহিত কৰিছে।

এতিয়া সমষ্টিগত অৱচেতন মনৰ ভাবাত্মক দিশটোৰ কথালৈ অহা হওক। আমি জানো যে প্ৰাগৈতিহাসিক যুগৰ অৰণ্যবাসী মানুহৰ আমাৰ দৰে ভাষা-জ্ঞান নাছিল। কাৰণ সেই যুগত ভাষা আছিল তেনেই সীমিত

সংখ্যক শব্দ বা অৰ্থব্যঞ্জক ধ্বনিৰ সমষ্টি মাথোন। তথাপি সেই যুগৰ মানুহৰ চিন্তা-ধাৰণাই সমষ্টিগত অৱচেতন মনৰ বুকুত চিন্তাৰ কিছুমান স্থায়ী সাঁচ বা পেটাৰ্ন ৰচনা কৰি থৈছে। আদিমযুগীয় চিন্তাৰ এনেকুৱা পেটাৰ্নবিলাককে আৰ্কিটাইপ (Archetype) বুলি ডাঃ য়ুঙে অভিহিত কৰিছে। ডাঃ য়ুঙে ভাবে যে সহজাত প্ৰবৃত্তিবিলাক যেনেকৈ প্ৰাণীৰ আচৰণৰ পূৰ্ব্ব-প্ৰস্তুতিৰ নিচিনা, আৰ্কিটাইপবিলাকো তেনেকৈ মানুহৰ ভাব-চিন্তা আৰু আবেগ-অনুভূতিৰ পূৰ্ব্ব-প্ৰস্তুতিৰ নিচিনা। অৱস্থা-বিশেষে আৰ্কিটাইপ মানস-প্ৰতিৰূপ আকৌ অৱস্থা-বিশেষে সি আৱেগৰূপে প্ৰতীয়মান হৈ পৰে।[১৪] স্বপ্ন-বিশ্লেষণ কাৰ্য্যত লাগি থাকোঁতে বহুবাৰ ফ্ৰয়েডে এইটো লক্ষ্য কৰিছিল যে সভ্য মানুহৰ স্বপ্নত প্ৰকাশ পোৱা কিছুমান বিশ্বাস আৰু ধাৰণা মানুহৰ সচেতন মনৰ বিশ্বাস বা ধাৰণাৰ লগত সমূলি খাপ নাখায়, বৰং সভ্যতাৰ সংস্পৰ্শৰপৰা বহু নিলগত বাস কৰা আদিম মানুহৰ মনোবৃত্তি বা ধ্যান-ধাৰণাৰ লগতহে সিহঁত খাপ খাই পৰে। তদুপৰি স্বপ্নত ভাব-প্ৰকাশৰ কাৰণে আমাৰ অৱচেতন মনে যিবিলাক প্ৰতীক নিৰ্ব্বাচন কৰে, সেই প্ৰতীকবিলাকৰ ভিতৰত কিছুমানৰ অৰ্থ উদ্ধাৰ কৰিবলৈ হ'লে জনবিশ্বাস, সাধুকথা কিম্বা পৌৰাণিক আখ্যান-উপাখ্যানৰ বুকুত অনুৰূপ প্ৰতীকৰ সন্ধান কৰিবলগীয়া হয়। ইয়াৰ কাৰণ সম্ভৱতঃ এয়ে যে আমাৰ সমষ্টিগত অৱচেতন মনত এনে কিছুমান ভাব-চিন্তাৰ সৃষ্টি হৈ পৰে, যাৰ লগত আমাৰ সচেতন মনৰ কোনো পৰিচয় নাথাকে। গতিকে স্বপ্নত সিহঁতক প্ৰকাশ কৰিবলৈ হ'লে সমষ্টিগত অৱচেতন মনে প্ৰতীকৰ সন্ধান কৰিবলৈ বাধ্য হৈ পৰে।

আৰ্কিটাইপৰ দৃষ্টান্ত স্বৰূপে মানুহৰ মনত লুকাই থকা ভূত-প্ৰেত সম্পৰ্কীয় ধাৰণাৰ কথাকে উল্লেখ কৰিব পাৰি। আচলতে কেইজন মানুহে ভূত-পিশাচ দেখা পাইছে? অথচ অশৰীৰীৰ কাহিনী মানুহৰ মুখে মুখে। আনকি বিদ্বান লোকেও এনে বিশ্বাসৰ প্ৰভাৱ-মুক্ত নহয়। ইংল্যাণ্ডৰ দৰে শিক্ষিত

---

(১৪) "Archetypes are systems of preparedness that are at the same time images and emotions. They are inherited with the structure of the brain of which they represent the psychic aspect."

Mind and Earth—by Dr. C. G. Yung.

আৰু সভ্য দেশতো বোলে প্ৰতি ছয়জন মানুহৰ ভিতৰত একোজন মানুহে ভূত-প্ৰেত কিম্বা দেৱতা-অপদেৱতাৰ অস্তিত্বত বিশ্বাস কৰে আৰু প্ৰতি চৈধ্য-জন মানুহৰ ভিতৰত একোজন মানুহে নিজে ভূত দেখা পোৱা বুলি সৰ্ব্বান্তঃ-কৰণেৰে বিশ্বাস কৰে। আমাৰ দেশত তেনেদৰে ভূত দেখা মানুহৰ সংখ্যা যে আৰু বেছি হ'ব তাত সন্দেহ নাই। দিনৰ পোহৰত বা বহুজনৰ মাজত বহি ভূত-প্ৰেতৰ কাহিনী শুনিলে আমি ভয় নাখাব পাৰোঁ; কিন্তু অন্ধকাৰ দুপৰ নিশা শ্মশানৰ কাষেৰে কিম্বা হাবিতলীয়া বাটেৰে অকলশৰে আহিব লগা হ'লে কিবা এটা অজান আশঙ্কা বা উৎকণ্ঠাৰ ভাব আমাৰ অন্তৰত জাগি উঠে, যিহক বহু চেষ্টা কৰিও মনৰপৰা আঁতৰ কৰিব নোৱাৰি। কাৰণ আৰ্কিটাইপ আমাৰ সচেতন মনৰ ধ্যান-ধাৰণা আৰু বিচাৰ-বিশ্লেষণতকৈ বহু বেছি শক্তিশালী। কোনো আকস্মিক বা অভাৱনীয় পৰিস্থিতিত সচেতন মনৰ বুদ্ধি-বিৱেচনাই হাৰ মানিলেই প্ৰাগৈতিহাসিকযুগীয়া ধ্যান-ধাৰণা তথা আদিম সংস্কাৰে মূৰ দাঙি উঠে।

উন্মাদ ৰোগীৰ ক্ষেত্ৰত সমষ্টিগত অৱচেতন মনৰ আৰ্কিটাইপ বা আদিম সংস্কাৰ আৰু চিন্তা-প্ৰতিৰূপবিলাকে জীৱন্ত ঘটনাৰ ৰূপ ধৰি তাৰ সম্মুখত উপস্থিত হৈ পৰে। উন্মাদ ৰোগীৰ অহংবোধৰ প্ৰতিৰোধ ক্ষমতা অতিশয় দুৰ্ব্বল হৈ পৰা কাৰণে অহংবোধে সিহঁতৰ আত্মপ্ৰকাশত বাধা দিব নোৱাৰে। প্ৰায় একে ঘটনাই ঘটে আমাৰ স্বপ্নবিলাকত। সমষ্টিগত অৱচেতন মনৰ আৰ্কিটাইপবিলাকে নিশ্চয় একেটা যুগতে গঢ় লৈ পেলোৱা নাছিল। আৰ্কিটাইপৰ সংখ্যা নিৰ্দ্ধাৰণ কৰাও সম্ভৱ নহয়। মনোবিজ্ঞানী ডাঃ য়ুঙে কোৱা মতে মানুহৰ সমষ্টিগত অৱচেতন মনৰ প্ৰধান প্ৰধান আৰ্কিটাইপ-কেইটা হৈছে এনেকুৱা—

(ক) পাৰ্চ্চনা আৰু ছায়া (Persona and shadow)।

(খ) পিতৃ-সত্তা (Father archetype) আৰু মাতৃ-সত্তা (Mother archetype)।

(গ) নাৰী-সত্তা আৰু পুৰুষ-সত্তা (Anima-Animus)।

এই আৰ্কিটাইপসমূহৰ ভিতৰত পাৰ্চ্চনা আৰু ছায়াক সমষ্টিগত অৱচেতন মনৰ বিষয়-বস্তু বুলি ধৰিব নোৱাৰি। পাৰ্চ্চনা হৈছে সমাজৰ চাহিদা অনুসৰি

গঢ়ি তোলা কৃত্ৰিম ব্যক্তিত্ব। লেটিন ভাষাৰ পাৰ্চ্চনা শব্দটোৱে ভাৱৰীয়াই পিন্ধা মুখাক বুজায়। ভাওনাত ভাৱৰীয়া এজনে পিন্ধা মুখাটো যেনেকৈ ভাৱৰীয়াজনৰ শৰীৰৰ অংশ নহয়, তেনেদৰে পাৰ্চ্চনাও আমাৰ ব্যক্তিত্বৰ অপৰিহাৰ্য্য অংশ নহয়। সমাজৰ আস্থাভাজন হৈ চলিবলৈ হ'লে আমি সমাজে বিচৰা মতে আমাৰ চৰিত্ৰ আৰু আচৰণক গঢ় দিব লগাত পৰে। অন্তৰত পোষণ কৰা সমাজবিৰোধী আকাঙ্ক্ষাসমূহক বাহিৰত প্ৰকাশ পাবলৈ নিদি নিজ অন্তৰতে গোপন কৰি ৰাখিব লগা হয়। অৰ্থাৎ ভিতৰি আমি ঠগ, প্ৰৱঞ্চক আৰু মিথ্যাচাৰী হ'লেও বাহিৰত আমি সাধু আৰু ভদ্ৰ বোলাই চলিব লাগিব। কাপোৰৰ আঁৰত আমি সকলোৱে নঙঠা হ'লেও সমাজত নিজক উলঙ্গভাৱে প্ৰকাশ কৰাত বিপদ আছে। সমাজে আশা কৰে যে এজন বিচাৰক ন্যায়পৰায়ণ, নিৰ্লোভ আৰু নিৰপেক্ষ হোৱা উচিত। এজন নেতা দেশ-প্ৰেমিক দৃঢ়মনা আৰু ব্যক্তিগত স্বাৰ্থৰ উৰ্দ্ধত থকা লোক হোৱা উচিত। এইবিলাক সমাজৰ অলিখিত বিধানৰ নিচিনা। এই বিধান মানি নচলিলে বা সমাজে আশা কৰা মতে নিজ নিজ ভূমিকা পালন নকৰিলে সমাজে আমাৰ ওপৰত আস্থা হেৰুৱায়, যিহক আমি কওঁ 'ইমেজ' নষ্ট হোৱা বুলি। আনকি আমাৰ সাজ-পাৰো হ'ব লাগিব সমাজৰ আশানুৰূপ।

এনেদৰে নিজৰ আচল চৰিত্ৰ লুকুৱাই ৰাখি বাহিৰত সাধুতা বা ভদ্ৰতাৰ অভিনয় কৰোঁতে শেহত সি স্থায়ী অভ্যাসত পৰিণত হৈ যায়। ফলত এই পাৰ্চ্চনা বা কৃত্ৰিম ব্যক্তিত্বটো আমাৰ আচল ব্যক্তিত্ব যেন অনুভূত হৈ পৰে। তথাপি পাৰ্চ্চনা আমাৰ ব্যক্তিত্বৰ ওপৰত সনা প্ৰলেপ মাথোন। কোনো অভাৱনীয় পৰিস্থিতি বা অসতৰ্ক মুহূৰ্ত্তত এই মুখা স্খলকি পৰিলে আমাৰ ব্যক্তিত্বৰ আচল ৰূপটো নগ্নভাৱে প্ৰকাশ হৈ যায়।

এতিয়া ছায়াৰ কথালৈ অহা হওক। ছায়া হৈছে আমাৰ ব্যক্তিত্বৰ অস্বীকৃত বা পৰিত্যক্ত দিশ। গতিকে ইয়াক আমাৰ ব্যক্তিগত অৱচেতনাৰ নামান্তৰ বুলিও ক'ব পাৰি। আমি জানো যে আমাৰ সচেতন মনত জাগি উঠা ভালেমান চিন্তা আৰু আকাঙ্ক্ষাক সজ্ঞানে স্বীকৃতি দিবলৈ আমি কুণ্ঠাবোধ কৰোঁ। সিহঁত বিপদজনক কিম্বা মাৰ্জ্জিত ৰুচিবোধৰ পৰিপন্থী

কাৰণে সিহঁত আমাৰ চেতন মনত জাগি উঠা মুহূৰ্ত্ততে আমি আন চিন্তাৰ প্ৰতি মনোযোগী হৈ সিহঁতক পাহৰি পেলাবলৈ চেষ্টা কৰোঁ। কিন্তু ভাব-চিন্তা বা কামনা-বাসনাক স্বীকৃতি নিদিলেই সিহঁতৰ অস্তিত্ব লোপ পাই নাযায়। সচেতন মনৰদ্বাৰা পুনঃ পুনঃ প্ৰত্যাখ্যাত হৈ সচেতন মনৰপৰা আঁতৰি পৰিলেও অৱচেতন মনত সিহঁতে আন এটা সমান্তৰাল ব্যক্তিত্ব গঢ়ি তোলে। আমাৰ কোনো কোনো স্বপ্নত এই নৱগঠিত ব্যক্তিত্বটোৱে অন্য লোকৰ ছদ্মবেশ ধাৰণ কৰি আত্মপ্ৰকাশ কৰে।

কিন্তু ছায়া আমাৰ ব্যক্তিত্বৰ অবাঞ্ছিত দিশ হ'লেও ছায়াৰ দাবী-সমূহক আমি চিৰকাল উপেক্ষা কৰি চলিব নোৱাৰোঁ। ছায়াৰ অসঙ্গত কিম্বা অযুক্তিকৰ দাবীসমূহ পূৰণ কৰা সম্ভৱ নহ'লেও সিহঁতৰ অস্তিত্বৰ বিষয়ে অৱগত হ'ব পাৰিলে বুজা-পৰাৰ মাজেৰে সিহঁতৰ লগত চেতন মনৰ সমন্বয় এটা গঢ়ি তুলিব পাৰি। কিন্তু তাকে নকৰি ছায়াক চিৰকাল অৱচেতন মনৰ কাৰাগাৰত বন্দী কৰি ৰাখিবলৈ চেষ্টা কৰিলে সি বিদ্ৰোহী হৈ উঠে, যাৰ ফলত অৱচেতন মনৰ অসামাজিক চিন্তা আৰু কামনাৰ উদ্গীৰণ অৱশ্যম্ভাৱী হৈ পৰে। ইয়াৰ ফলত মানুহৰ মানসিক বিপৰ্য্যয় আহি পৰে। আমাৰ 'হৰমোহন' কাহিনীৰ নায়ক সদাশিৱৰ চৰিত্ৰ তাৰে নিদৰ্শন বুলিব পাৰি। হৰমোহন উপাখ্যানৰ সদাশিৱৰ চৰিত্ৰ মদন-ভস্মকাৰী মহাযোগী সদাশিৱৰ চৰিত্ৰৰ একেবাৰে বিপৰীত নহয় জানো? তাহানি দেৱাসুৰে অমৃত-মন্থন কৰিবৰ বেলিকাও লক্ষ্মীদেৱীৰ ৰূপ-যৌৱন দেখি সদাশিৱ হেনো চঞ্চল হৈ পৰিছিল। মনোৱীক্ষণতত্ত্বৰ দিশৰপৰা কাহিনীটো বিশ্লেষণ কৰিলে দেখা যায় যে হৰমোহনৰ কাম-বিহ্বল সদাশিৱজন মহাযোগী সদাশিৱৰ ছায়া বা নিৰ্জ্ঞান সমান্তৰাল ব্যক্তিত্ব, যিহক তেওঁৰ দ্বিতীয়-সত্তা (Second Self) বুলি নিঃসন্দেহে ধৰি ল'ব পাৰি। মদন-ভস্ম আচলতে যৌন-কামনাৰ নিৰ্ম্মূলকৰণ নহয়, যৌন-কামনাৰ অৱদমন (Repression) মাথোন। অন্যথাই শ্ৰীকৃষ্ণৰ গৃহত প্ৰদ্যুম্নৰূপে কামদেৱৰ পুনৰ্জ্জন্ম সম্ভৱ হ'ব নোৱাৰিলেহেঁতেন। মহাযোগী সদাশিৱই যৌনাকাঙ্ক্ষাক পুনঃ পুনঃ নিশ্চিহ্ন কৰিবলৈ চেষ্টা কৰাৰ পৰিবৰ্ত্তে যৌন-কামনাক স্বীকৃতি দিয়া হ'লে তেওঁৰ ছায়া বা অৱচেতন দ্বিতীয়-

সত্তাটো শক্তিশালী হৈ পৰিব নোৱাৰিলেহেঁতেন, কিম্বা হৰমোহন উপাখ্যানৰ সৃষ্টি হ'বলৈকো নাপালেহেঁতেন। যৌনাকাঙ্ক্ষাক স্বীকৃতি দিয়াটোৱে যৌন-আকাঙ্ক্ষাক প্ৰশ্ৰয় দিয়া নুবুজায়।

এইটো জনা কথা যে পোহৰ নাথাকিলে ছায়াও থাকিব নোৱাৰে। পোহৰ যিমানে তীব্ৰ হয়, ছায়াও তিমানে গাঢ় হয়। অৱদমনৰ মাত্ৰা যিমানে চৰি যায়, অৱচেতন মনৰ কামনা-বাসনাও তিমানে শক্তিশালী হৈ উঠে। বিখ্যাত ফৰাচী কথা সাহিত্যিক মে:পাঁচাৰ গল্প এটাতো অৱৰুদ্ধ যৌন-কামনাৰ আকস্মিক উদ্গীৰণৰ কথা সুন্দৰভাৱে প্ৰকাশ পাইছে। গল্পটোৰ নায়কজন আছিল এজন প্ৰৌঢ়-বয়সী জমিদাৰ। তেওঁ আছিল সেইকালৰ এজন সম্মানিত ব্যক্তি। এই বিপত্নীক জমিদাৰজনে এদিন ঘোঁৰাত উঠি হাবিতলীয়া বাটেৰে কেনিবা গৈ থাকোঁতে জন-প্ৰাণীশূন্য ঠাই এডোখৰত ৰূপহী কিশোৰী এজনীয়ে পুখুৰী এটাত নামি গা ধুই থকা দেখিলে। ছোৱালীজনীক তেনে এটা অৱস্থাত দেখা পাই জমিদাৰজন অতিশয় কাম-বিহ্বল হৈ পৰিল আৰু ছোৱালীজনীৰ হাতত থাপ্ মাৰি ধৰি তাইক ধৰ্ষণ কৰিবলৈ উদ্যত হ'ল। এনেদৰে পুৰুষৰদ্বাৰা আক্ৰান্ত হৈ পৰি ছোৱালীজনীয়ে চিঞৰিবলৈ আৰম্ভ কৰিলত তাইৰ চিঞৰ বন্ধ কৰিবৰ কাৰণে জমিদাৰজনে নিজৰ হাতেৰে তাইৰ মুখত সোপা দি ধৰিলে। ফলত শ্বাসৰোধ হৈ ছোৱালীজনীৰ মৃত্যু ঘটিল। এই অনভিপ্ৰেত পৰিণতি দেখি সেই প্ৰৌঢ় জমিদাৰজনে অনুশোচনাৰ বহ্নিত দগ্ধ হৈ পৰিল আৰু সৰ্ব্বশেষত তেওঁ আত্মহত্যা কৰি কৃতকৰ্ম্মৰ প্ৰায়শ্চিত্ত কৰিলে।

সমষ্টিগত অৱচেতন মনৰ গৰ্ভত লুকাই থকা পিতৃ-সত্তা বা মাতৃ-সত্তাই মানুহৰ সচেতন মনৰ ওপৰত অপৰিসীম প্ৰভাৱ বিস্তাৰ কৰা দেখা যায়। পিতৃ-মাতৃ আৰু সন্তানৰ মাজৰ মনস্তাত্বিক সম্পৰ্কটো মানৱ-জাতিৰ জীৱনেতিহাসত অজস্ৰবাৰ ঘটি অহা সম্পৰ্ক। সেয়েহে মানুহৰ সমষ্টিগত অৱচেতন মনত পিতৃ-মাতৃ বিষয়ক ধাৰণাই শক্তিশালী আৰ্কিটাইপৰ সৃষ্টি কৰি ৰাখিছে। এই পিতৃ-আৰ্কিটাইপ আৰু মাতৃ-আৰ্কিটাইপ নৈৰ্ব্যক্তিক সত্তা। সিহঁতে ব্যক্তি-বিশেষৰ জন্মদাতা পিতৃ-মাতৃক নুবুজায়। পিতৃ হৈছে কৰ্ত্তৃত্ব, পৰাক্ৰম আৰু বিৱেকৰ প্ৰতীক। পাছলৈ মানুহৰ সমষ্টিগত অৱচেতনাৰ

পিতৃ-সত্তাটো আৰোপিত হৈ পৰে সমাজৰ ওপৰত; ৰজাৰ ওপৰত। সৰ্ব্বশেষত ই আৰোপিত হৈ পৰে ঈশ্বৰৰ ওপৰত; কাৰণ পিতৃৰ অনুশাসনৰ পিছতে মানুহ সমাজৰ অনুশাসনাধীন হ'ব লগাত পৰে। আকৌ দেশাধিপতি ৰজাজন প্ৰজাৰ পিতৃস্বৰূপ। পিতৃয়ে পৰিয়ালক ৰক্ষণাৱেক্ষণ দিয়াৰ দৰে ৰজায়ো নিজ দেশৰ প্ৰজাক ৰক্ষণাৱেক্ষণ দিয়ে। আনহাতে, ঈশ্বৰক বিশ্ব-পিতা আখ্যা দিয়া হয়। ঈশ্বৰো পৰাক্ৰম আৰু অনুশাসনৰ প্ৰতীক। অৱশ্যে এই পিতৃ-আৰ্কিটাইপ নৈৰ্ব্যক্তিক সত্তা হ'লেও শিশুৱে বাস্তৱ-জীৱনত লাভ কৰা পিতৃ-সম্পৰ্কীয় অভিজ্ঞতাৰ ছায়া তাৰ ওপৰত নপৰাকৈ নাথাকে।

নিৰ্জ্জান পিতৃ-সত্তা যেনেকৈ মানুহৰ অন্তৰত যুগে যুগে সঞ্চিত হৈ অহা পিতৃবিষয়ক অভিজ্ঞতা আৰু ধাৰণাৰ মূৰ্ত্ত প্ৰকাশ, তেনেদৰে নিৰ্জ্জান মাতৃ-সত্তাটোও মানুহৰ সমষ্টিগত অৱচেতন মনত যুগে যুগে সঞ্চিত হৈ অহা মাতৃসম্পৰ্কীয় ধাৰণাৰ এটা ঘনীভূত ৰূপ। যি প্ৰাণদায়িনী, আশ্ৰয়দাত্ৰী আৰু পালনকৰ্ত্ৰী তেৱেঁই মাতৃ। কিন্তু পিতৃ-সত্তাৰ বেলিকা হোৱাৰ দৰে মাতৃ-সত্তাৰ ক্ষেত্ৰতো শিশুৱে বাস্তৱ-জীৱনত আহৰণ কৰা মাতৃসম্পৰ্কীয় অভিজ্ঞতাই মাতৃ-সত্তাত বিবিধ ৰহণ সানে। তদুপৰি মাতৃ মমতা, সহনশীলতা আৰু কোমলতাৰ প্ৰতীক। পিতৃ-মাতৃবিষয়ক বাস্তৱ অভিজ্ঞতা বোলোঁতে পিতৃ-মাতৃৰ চেহেৰা আৰু সন্তানৰ প্ৰতি তেওঁলোকৰ আচৰণৰ কথাকে বুজোৱা হোৱা নাই। তাৰ লগতে পিতৃ-মাতৃবিষয়ক বিবিধ কল্পনা-জল্পনা আৰু সন্তানে তেওঁলোকক কিভাৱে গ্ৰহণ কৰে বা কিভাৱে পাবলৈ আশা কৰে, তেনেবিলাক কথাকো সামৰি লোৱা হৈছে। পিতৃতকৈ মাতৃৰ লগত সন্তানৰ মনস্তাত্বিক সম্পৰ্ক বেছি গাঢ় আৰু বেছি আন্তৰিকতাপূৰ্ণ। গৰ্ভবাসৰ সময়ছোৱাত সন্তান মাকৰ শৰীৰৰ অংশস্বৰূপ হৈ থাকে। একে জীৱনীশক্তি দুয়োৰে শৰীৰত প্ৰৱাহমান হৈ থাকে। ওপজাৰ পাছত মাতৃ-স্তন্য পান কৰি সন্তান জীয়াই থাকে। গতিকে পিতৃ-সত্তাৰ তুলনাত মানুহৰ অন্তৰৰ মাতৃ-সত্তা যে অধিক শক্তিশালী আৰু মানুহৰ কাৰণে অধিক তাৎপৰ্য্যপূৰ্ণ তাত সন্দেহ নাই। মানুহৰ সমষ্টিগত অৱচেতনাই যিহেতুকে পিতৃ-সত্তা আৰু মাতৃ-সত্তাক ধাৰণ কৰে, সেই হেতুকে সমষ্টিগত অৱচেতনাও মাতৃ-স্বৰূপা। মাতৃ-গৰ্ভত

সন্তানৰ বীজ অঙ্কুৰিত হোৱাৰ দৰে সমষ্টিগত অৱচেতনাৰ গৰ্ভতে আমাৰ অহংবোধ বা আত্মচেতনাৰ বীজ অঙ্কুৰিত হৈ পৰে।[১৫] আত্মচেতনা তথা স্বকীয়া সত্তাবোধৰ জাগৰণৰ পূৰ্ব্বে শিশুৰ মন মাতৃৰ সৈতে একাত্মীভূত হৈ থাকে।

তেজৰ সম্পৰ্ক নথকা পুৰুষ আৰু নাৰীৰ মাজত নিবিড়তম আত্মভূতিক সম্পৰ্ক গঢ়ি উঠে পতি-পত্নী কিম্বা প্ৰেমিক-প্ৰেমিকাস্বৰূপে। ইও মানৱ-জাতিৰ জীৱনেতিহাসত অজস্ৰবাৰ ঘটি অহা সম্পৰ্ক। গতিকে মানুহৰ সমষ্টিগত অৱচেতনাৰ বুকুত এনেকুৱা সম্পৰ্কই চিন্তা-অনুভূতিৰ স্থায়ী সাঁচ বা পেটাৰ্ন ৰচনা কৰি ৰাখিছে। এনেকুৱা চিন্তা-অনুভূতিৰ পেটাৰ্ন দুটাক পুৰুষ-সত্তা (Animus) আৰু নাৰী-সত্তা (Anima) বুলি ডাঃ য়ুঙে অভিহিত কৰিছে। 'এনিমাচ' আৰু 'এনিমা' তেজ-মঙহৰ পুৰুষ বা নাৰী নহয়। ইহঁত একো একোটা মনস্তাত্ত্বিক তত্ত্ব (Psychological Principle) মাথোন। মনোবিজ্ঞানী ডাঃ য়ুঙে কয় যে পিতৃ-সত্তা আৰু মাতৃ-সত্তাৰ দৰে নৰ-নাৰীৰ সমষ্টিগত অৱচেতন মনৰ নাৰী-সত্তা আৰু পুৰুষ-সত্তাও নৈৰ্ব্যক্তিক।

'এনিমাচ' বা নাৰীৰ অন্তৰত সুপ্ত হৈ থকা পুৰুষ-সত্তাটো নাৰীৰ জীৱনকালত পৰ্য্যায়ক্ৰমে একাধিক পুৰুষলৈ অভিক্ষেপিত হৈ পৰিব পাৰে। অৱশ্যে সেইটো ঘটি যায় নাৰীৰ চেতন মনৰ একান্ত অলক্ষিতে। কাৰণ চিন্তাৰ অভিক্ষেপণ (Projection) এবিধ নিৰ্জ্জান মনস্তাত্ত্বিক প্ৰক্ৰিয়া। নাৰীৰ সমষ্টিগত অৱচেতন মনৰপৰা হোৱা এনে অভিক্ষেপণৰ ফলত নাৰীৰ বিচাৰ-বিৱেচনা যেন পক্ষপাতমূলক হৈ পৰে। প্ৰতিবাৰেই নাৰীয়ে এইটো সৰলভাৱে বিশ্বাস কৰি লয় যে তেওঁ ভাল পোৱা পুৰুষজনৰ চৰিত্ৰ বা ব্যক্তিত্বৰ যিখিনি তেওঁ দেখা পাইছে, সেইখিনিয়ে সেই পুৰুষজনৰ ব্যক্তিত্ব বা মনস্তত্ত্বৰ নিৰ্ভেজাল ৰূপ। এনে ধাৰণাৰ বশৱৰ্ত্তী হৈ পৰা নাৰী

(১৫) Psychologically speaking, the Mother was that oceanic unconscious out of which personal self-consciousness (The masculine element in human subjective experience) is crystalised and in which, so to speak it bathes. More obviously Mother was the source of physical life, the Principle of fecundity.

—*Aldous Huxley*

বহু ক্ষেত্রত পুৰুষৰদ্বাৰা লুণ্ঠিতা বা প্ৰতাৰিতা হ'ব লগাত পৰে। কাৰণ এনেবিলাক ক্ষেত্রত নাৰীয়ে পুৰুষক বিচাৰ কৰোঁতে বিবেচনাৰদ্বাৰা পৰিচালিত হোৱাৰ পৰিবৰ্ত্তে ভাবাবেগৰদ্বাৰা পৰিচালিত হ'বলৈহে ভাল পায়। এনে নাৰীয়ে কোনোপধ্যে যেন এই অপ্ৰিয় সত্যটো মানি ল'ব নোখোজে যে তেওঁ মানুহজনৰ যি যি মহৎ গুণ আৱিষ্কাৰ কৰিছে, আচলতে সেই গুণবিলাক হয়তো মানুহজনৰ নাই। সকলোখিনি অভিক্ষেপিত হৈ পৰিছে নিজৰ অচেতন মনৰপৰা। কেৱল কোমল বয়সীয়া কিম্বা অশিক্ষিতা নাৰীয়েহে যে এনে ভুল কৰে, সেইটো নহয়। বহু সুশিক্ষিতা তৰুণীয়েও এনে ভুল নকৰাকৈ নাথাকে। নিৰ্জ্জান মনৰ পুৰুষ-সত্তাৰ তাগিদাত পৰি একাধিক সন্তানৰ জননীৰো পদস্খলন ঘটিব পাৰে। আকৌ কোনো কোনো বিবাহিতা নাৰী অপবাদৰ ভয়ত তিমানলৈ আগবাঢ়িব নোৱাৰিলেও বাহিৰত পতিব্ৰতা হৈ থাকি অন্তৰেৰে ব্যাভিচাৰিণী হয়। ৺লক্ষ্মীধৰ শৰ্ম্মাৰ 'ব্যৰ্থতাৰ দান' নামৰ গল্পটোৰ নায়িকা শ্ৰীমতী লিলিৰ চৰিত্ৰটোত নাৰী-মনস্তত্ত্বৰ এই দিশটোৰ কথা সুন্দৰভাৱে প্ৰকাশ পাইছে।

এইটো মন কৰিবলগীয়া যে 'এনিমাচ' আৰু 'এনিমা' যদিও নিৰ্জ্জান-সত্তা তথাপি বৰ্ত্তমান জীৱনৰ অভিজ্ঞতায়ো তাত বিবিধ ৰহণ সানে। সচৰাচৰ নিৰ্জ্জান পুৰুষ-সত্তাৰ বাহক পিতৃ আৰু নিৰ্জ্জান নাৰী-সত্তাৰ বাহক হৈ পৰে মাতৃগৰাকী। নিৰ্জ্জান পুৰুষ-সত্তা 'এনিমাচ'ৰ উৎস হৈছে প্ৰথমতঃ নাৰীয়ে ওপজাকালতে লগত অনা সমষ্টিগত মানস-প্ৰতিৰূপ (Collective Image)। দ্বিতীয়তঃ নাৰীয়ে বৰ্ত্তমান জীৱনত আহৰণ কৰা পুৰুষ-সম্পৰ্কীয় অভিজ্ঞতা, তৃতীয়তঃ নিজৰ সুপ্ত পুৰুষ-প্ৰকৃতি। ডাঃ য়ুঙে ভাবে যে নাৰীৰ অন্তৰৰ পুৰুষালি দিশটো ক্ষমতা-পিপাসু। যি নাৰী কেৱল মনৰ এই দিশটোৰদ্বাৰা পৰিচালিতা হয়, সেই নাৰী হৈ পৰে পুৰুষ-ভাৱাপন্না—অভিক্ৰমণশীলা।

মনোবিজ্ঞানী ডাঃ য়ুঙে কয় যে এনিমাচ বা নাৰীৰ সমষ্টিগত অৱচেতন মনৰ পুৰুষ-সত্তাটো প্ৰায়ে সুস্পষ্টৰূপে গঢ়ি নুঠে। নিজৰ মনোমত পুৰুষজনৰ চেহেৰা আৰু আচৰণ-প্ৰকৃতি কেনে হোৱা উচিত, সেই বিষয়ে নাৰীয়ে যেন স্পষ্টভাৱে ধাৰণা কৰিব নোৱাৰে। সেইটো হ'বলৈ পায় কিয়

তাৰ সম্ভাব্য উত্তৰ এটা পাবলৈ হ'লে আমি নাৰীৰ প্ৰাগৈতিহাসিক জীৱনলৈ এবাৰ দৃষ্টি নিক্ষেপ কৰিব লাগিব। প্ৰাগৈতিহাসিক যুগত নাৰী আছিল বিজেতাৰ উপভোগৰ সামগ্ৰী। বিজয়ী দলৰ প্ৰতিজন পুৰুষৰ যৌন-সহচৰী। নাৰীৰ নিজৰ ৰুচি-অভিৰুচি বা বিচাৰ-বিবেচনাৰ বিশেষ মূল্য নাছিল। আজিৰ যুগৰ পুৰুষ-শাসিত সমাজতো নাৰীৰ বিচাৰ-বিবেচনাৰ ওপৰত গুৰুত্ব আৰোপ কৰা নহয়। সম্ভৱতঃ প্ৰাগৈতিহাসিক যুগত বহু পুৰুষৰ যৌন-সান্নিধ্যলৈ আহিব লগাৰ কাৰণেই নাৰীৰ অন্তৰৰ পুৰুষ-সত্তাটোৱে কোনো বিশেষ এজন পুৰুষৰ আচৰণ-প্ৰকৃতিৰ অনুসৰণ কৰি গঢ় ল'ব নোৱাৰিছিল। কিন্তু লগতে এইটোও সত্য যে প্ৰাগৈতিহাসিক যুগৰ নাৰীয়েও সততে বাহুবলী পুৰুষৰ ওচৰত আত্ম-সমৰ্পণ কৰিহে সন্তুষ্টি লাভ কৰিছিল। গতিকে শাৰীৰিক ক্ষেত্ৰত নাৰী দুৰ্ব্বলা হ'লেও নাৰীৰ অন্তৰৰ নিৰ্জ্জান পুৰুষ-সত্তাই প্ৰাগৈতিহাসিক যুগৰ বাহুবলী পুৰুষৰ চানেকি অনুসৰিয়ে গঢ় লৈ পেলায়। অৱশ্যে এইটো আমাৰ অনুমান মাথোন।

নাৰীৰ মনোদৈহিক সংগঠনৰ পুৰুষালি দিশ এটা থাকিলেও নাৰীৰ মনৰ এই দিশটোৰ জাগৰণ বিশেষ পৰিস্থিতিতহে সম্ভৱ হোৱা দেখা যায়। বিপদাপন্ন সন্তানৰ প্ৰাণ ৰক্ষাৰ কাৰণে অকাতৰে নিজ প্ৰাণ বিসৰ্জ্জন দিয়া নাৰীও দেখিবলৈ পোৱা যায়। তাহানিৰ যোৱান্ অব্ আৰ্ক আৰু আমাৰ দেশৰ মূলাগাভৰু আৰু ৰাধাৰুক্মিণীহঁতৰ দৰে দেশ আৰু জাতিৰ কল্যাণৰ হকে নিজৰ প্ৰাণ আহুতি দিব পৰা বীৰাঙ্গনাৰ দৃষ্টান্তও বিৰল নহয়। পিছে ১৯৪২-ৰ স্বাধীনতা আন্দোলনৰ ভোগেশ্বৰী, কনকলতাহঁতৰদৰে মূলাগাভৰু আৰু ৰাধাৰুক্মিণীহঁতো আছিল এটা বিশেষ যুগ বা বিশেষ পৰিস্থিতিৰ সৃষ্টি। কাৰণ সচৰাচৰ পুৰুষ-শাসিত সমাজৰ নাৰীয়ে দুঃসাহসিকতা প্ৰদৰ্শনৰ সুযোগ কমেইহে পায়। কোনোবাই তাৰ কাৰণে আগবাঢ়িলে কটু সমালোচনাৰ পাত্ৰী হ'ব লগাত পৰে। অৱশ্যে নিজৰ পুৰুষালি মনোবৃত্তি চৰিতাৰ্থ কৰিবৰ কাৰণে উচ্ছৃঙ্খলতা বা যৌনিক স্বেচ্ছাচাৰিতাৰ পথ বাছি লৈ কুখ্যাতি অৰ্জ্জন কৰা নাৰীৰ দৃষ্টান্ত বিৰল নহয়।

নৰ-নাৰীৰ সমষ্টিগত অৱচেতন মনৰ 'এনিমা' আৰু 'এনিমাচ' হৈছে চিৰন্তন নাৰী আৰু চিৰন্তন পুৰুষ। পুৰুষৰ অন্তৰৰ নাৰী-সত্তাটোও পুৰুষৰ

জীৱনকালত পৰ্য্যায়ক্ৰমে একাধিক নাৰীৰ প্ৰতি অভিক্ষেপিত হৈ পৰে। ইয়াৰ ফলত পুৰুষৰ অন্তৰত একাধিক নাৰীৰ প্ৰতি ভাল পোৱাৰ উন্মাদনা জাগি উঠিব পাৰে। পুৰুষৰ অন্তৰত জাগি উঠা এই আকৰ্ষণৰ পাত্ৰী-গৰাকী পৰৰ বিৱাহিতা পত্নী; কোনো দুশ্চৰিত্ৰা নাৰী, আনকি নিজ কন্যা-বয়সী তৰুণী বা কিশোৰীও হ'ব পাৰে। অৱশ্যে লোকাপবাদৰ ভয়ত পুৰুষে নিজৰ মনৰ কথা মনতে লুকুৱাই ৰাখে। যিসকল পুৰুষ সু-সংহত ব্যক্তিত্বৰ গৰাকী নহয়, তেওঁলোকৰ মাজতহে এনে দৃষ্টান্ত বেছিকৈ পোৱা যায়।

ডাঃ য়ুঙে কয় যে পুৰুষৰ আৱেগ-অনুভূতিৰ জগৎখনত নাৰী একাধাৰে মাতৃ আৰু প্ৰেয়সীৰ দ্বৈত-ভূমিকাত অৱতীৰ্ণা হৈ পৰে। সেয়েহে পুৰুষৰ সমষ্টিগত অৱচেতন মনৰ নাৰী-সত্তা 'এনিমা'ত দুটা ভাব নিহিত থকা দেখা যায়। এই নাৰী-সত্তা যেন একাধাৰে স্নেহময়ী জননী আৰু লীলা-সঙ্গিনী —মেডোনা আৰু ক্লিয়োপেট্ৰা। এই নাৰী-সত্তাত কাহানিও যেন বয়সৰ আঁচোৰ নপৰে। এই নাৰী কুহকিনী, মায়াবিনী আৰু অনন্ত-যৌৱনা, যি তাহানি পৌৰাণিক যুগৰ উৰ্ব্বশী, মেনকাহঁতৰ দৰে যুগে যুগে পুৰুষৰ চিত্তত উন্মাদনাৰ সৃষ্টি কৰি আহিছে, পুৰুষ কবিক যুগে যুগে মানস-সৃষ্টিৰ অফুৰন্ত প্ৰেৰণা যোগাই আহিছে। কবিৰ কল্পনাৰ স্বৈৰিণী উৰ্ব্বশী কাহানিও বালিকা নাছিল, কাহানিও মাতৃ, ভগিনী বা কাৰো সহধৰ্ম্মিনীও নাছিল, আছিল কেৱল পুৰুষৰ স্বপ্ন-সঙ্গিনী আৰু পুৰুষৰ চিৰন্তন কামনাৰ প্ৰতীকস্বৰূপা। কবিগুৰু ৰবীন্দ্ৰনাথৰ 'উৰ্ব্বশী'লৈ এবাৰ মনত পেলাওক-চোন। পুৰুষ কবিৰ অলীক কল্পনাত উৰ্ব্বশী যেন তেজ-মঙহৰ নাৰী নহয়। উৰ্ব্বশী চিৰন্তন নাৰী 'Eternal feminine prototype'.

পুৰুষৰ সমষ্টিগত অৱচেতনাৰ নাৰী-সত্তা 'Super personal' অৰ্থাৎ আমাৰ সচেতন মনৰ বিচাৰ-বিৱেচনাই ঢুকি পোৱাৰ বাহিৰৰ বস্তু। পুৰুষ কবিৰ উদ্দাম কল্পনাত মাজে মাজে ই পাৰ্থিৱ নাৰীৰ ৰূপ ধাৰণ কৰি উন্মাদনাৰ সৃষ্টি কৰে, যি কবিতাৰ ছন্দে ছন্দে ৰূপায়িত হৈ পৰে। উজ্জয়িনীৰ 'মালৱিকা', দেৱকান্তৰ 'মনোৰমা' আৰু জীৱনানন্দ দাসৰ আধুনিক নায়িকা 'বনলতা সেন'ৰ দৰে উৰ্ব্বশী, মেনকা আৰু ৰম্ভা-তিলোত্তমাহঁত পুৰুষ কবিৰ মানস-কুসুম—চিৰন্তন প্ৰিয়া।

'এনিমা' আৰু 'এনিমাচ' এটা আনটোৰ পৰিপূৰক। নাৰী-সত্তা এনিমাৰ সহায়তে পুৰুষে নাৰীক বুজিবলৈ সক্ষম হয়। তেনেদৰে নির্জ্ঞান পুৰুষ-সত্তা এনিমাচৰ সহায়তে নাৰীয়ে পুৰুষক বুজি উঠিব পাৰে। দাম্পত্য জীৱনত নাৰীৰ অন্তৰৰ নির্জ্ঞান পুৰুষ-সত্তাটো স্বামীৰ প্রতি আৰু পুৰুষৰ অন্তৰৰ নির্জ্ঞান নাৰী-সত্তাটো পত্নীৰ প্রতি অভিক্ষেপিত হৈ নপৰিলে পতি-পত্নীৰ মাজৰ সম্পর্কটো হৈ পৰে নিতান্ত যান্ত্রিক, বিস্বাদ আৰু গতানুগতিক। তেওঁলোকৰ মাজত মধুৰ আনুভূতিক সম্পর্ক গঢ়ি উঠিব নোৱাৰে।

আকৌ একপ্রকাৰে 'এনিমা' আৰু 'এনিমাচ' কিছুমান গুণৰ সমষ্টি মাথোন। এনিমাচ যদি বিৱেক, সাহস আৰু চিন্তাশীলতাৰ প্রতীক, তেনেহ'লে এনিমা নিষ্ক্রিয়তা, ভীৰুতা আৰু আৱেগ-প্রৱণতাৰ প্রতীক। আকৌ এনিমাচ যদি অভিজ্ঞতা-প্রসূত জ্ঞান, এনিমা তেতিয়া অন্তর্জ্ঞান বা সহজাত প্রজ্ঞা। গ্রীক্ ভাষাৰ ছাইকী (Psyche) শব্দটো উভয়লিঙ্গ। আকৌ হিন্দুৰ উপাস্য দেৱতা শিৱ অর্দ্ধনাৰীশ্বৰ। ইয়াৰদ্বাৰা একেজন ব্যক্তিতে পুৰুষ-প্রকৃতি আৰু নাৰী-প্রকৃতিৰ সমাৱেশ বা সহঅৱস্থানৰ কথাকে বুজোৱা হৈছে। ইচ্ছা কৰিলে নির্জ্ঞান নাৰী-সত্তা আৰু পুৰুষ-সত্তাক আপুনি ৰাধা-কৃষ্ণ স্বৰূপেও কল্পনা কৰিব পাৰে। সচেতন মনেৰে আমি যদি একোজন কৃষ্ণ, তেতিয়া হ'লে অৱচেতন মনেৰে আমি একোগৰাকী ৰাধা। আকৌ সচেতন মনেৰে আমি যদি ৰাধা, তেতিয়া হ'লে অৱচেতন মনেৰে আমি একোজন কৃষ্ণ। মুঠতে আমি কোনোৱেই একান্তভাৱে পুৰুষ বা একান্তভাৱে নাৰী নহয়,—দৈহিক আৰু মানসিক উভয় ক্ষেত্রতে।

মনোবিজ্ঞানী ডাঃ য়ুঙে আমাৰ সমষ্টিগত অৱচেতন মনত আৰু কেবা প্রকাৰৰ আর্কিটাইপৰ অস্তিত্ব ঠাৱৰ কৰিছে। তাৰে এটা হৈছে বৃদ্ধজ্ঞানী (old wise man)। ডাঃ য়ুঙে কয় যে এইবিধ আর্কিটাইপৰ কৱলত পৰিলে মানুহে নিজক পৰম জ্ঞানী, পৰম ঐশ্বর্য্যশালী আৰু মহাপৰাক্রমী বুলি অনুভৱ কৰাৰ লগতে নিজক ঈশ্বৰৰ প্রতিভূ বুলিও বিশ্বাস কৰি লয়। ডাঃ য়ুঙে ইয়াকে অহংবোধৰ স্ফীতাৱস্থা (Inflation of the Ego) বুলি কয়। চিকিৎসা-শাস্ত্রত ইয়াক 'Megalomania' বুলি

অভিহিত কৰা হয়। ই নিঃসন্দেহে মানসিক অসুস্থতাৰ আগজাননী বুলি ক'ব পাৰি। আকৌ এই বৃদ্ধজ্ঞানীৰ নাৰী-সংস্কৰণ এটাও থাকে, যিহক ডাঃ য়ুঙে অভিহিত কৰিছে 'গ্ৰেট মাদাৰ' (Great Mother) বুলি। এইবিধ আৰ্কিটাইপৰ কৱলগ্ৰস্তা নাৰীয়ে নিজক জগতৰ হিতাকাঙ্ক্ষিনী, সকলোৰে প্ৰতি অনুকম্পাশীলা আৰু সকলোৰে মাতৃস্বৰূপা বুলি ধাৰণা এটা গঢ়ি লয়। ই সাময়িক ভাবাবেগ নহৈ সুবিবেচনাৰদ্বাৰা পৰিচালিত হ'লে এনে নাৰীয়ে সেৱাৰদ্বাৰা দৰিদ্ৰ আৰু পীড়িত মানৱৰ প্ৰভূত কল্যাণ সাধন কৰিব পাৰে। কিন্তু শুভ বুদ্ধিৰ অভাৱ ঘটিলে এই আদিম মানস-প্ৰতিৰূপে নাৰীক হিংস্ৰ আৰু ক্ষমতা-পিপাসু কৰি তুলিবও পাৰে। মুঠতে 'গ্ৰেট মাদাৰ'গৰাকী (আলডুচ হাক্স্‌লীয়ে ক'বৰ দৰে) কালী গোসাঁনীৰ দৰে এহাতে কল্যাণ আৰু আনহাতে ধ্বংসৰ প্ৰতীক। কালী এহাতে জগতৰ মাতৃ, আনহাতে নৃমুণ্ডমালাধাৰিণী—ভৈৰৱী, ভয়ঙ্কৰী, যি উলঙ্গিনী হৈ পতি শিৱৰ বুকুৰ ওপৰত নৃত্য কৰিছিল। ধ্বংস আৰু সৃষ্টি দুয়োটোৰে বীজ কালৰ গৰ্ভত নিহিত থাকে। কালৰপৰাই কালীৰ উৎপত্তি নহয় জানো? [১৬]

মানুহৰ সমষ্টিগত অৱচেতন মনৰ আন দুটা শক্তিশালী আৰ্কিটাইপ হৈছে ঈশ্বৰ আৰু শিশু। দুয়োটাই স্মৰণাতীত কালৰেপৰা মানুহৰ চিন্তা-অনুভূতিৰ ওপৰত অতুল প্ৰভাৱ বিস্তাৰ কৰি আহিছে। পিছে এই ঈশ্বৰ আৰ্কিটাইপ বা আদিম মানুহে নিজৰ মনত গঢ়ি তোলা ঈশ্বৰজন অদ্বৈতবাদীৰ পৰব্ৰহ্ম নহয়, কিম্বা আজিৰ যুগৰ কোনো কোনো পণ্ডিতে কল্পনা কৰাৰ দৰে কোনো 'Supereme Cosmic Law'ও নহয়। আকৌ আদিম মানুহৰ ঈশ্বৰ ফ্ৰয়েডে ভবাৰ দৰে শৈশৱ-কালত মানুহৰ অন্তৰত গঢ়ি উঠা পিতৃ-প্ৰতিৰূপৰ (father image) চূড়ান্ত উৎসৰ্পণ (highest sublimation) নহয়। এইজন হৈছে মেজিক ঈশ্বৰ। কাৰণ আদিম মানুহৰ ঈশ্বৰ-বিশ্বাসৰ মূলতে থাকে অলৌকিকতা আৰু যাদুশক্তিত অটল বিশ্বাস।

(১৬) "The Great Mother is simultaneously the Creator and the Destroyer. The Great Mother had her negative as well as her positive aspects. She was the terrible mother as well as the beneficial mother, the goddess of destruction as well as the creator and preserver,"

—*Aldous Huxley*

আদিম মানুহে ভাবে যে জগৎখন একপ্ৰকাৰ অলৌকিক যাদুশক্তিৰ-দ্বাৰা পৰিচালিত হয়, যিহক সিহঁতে 'মানা' (Mana) বুলি অভিহিত কৰে। এই মানা বা যাদুশক্তিক আদিম মানুহে সকলো বিপদ-আপদ বা অমঙ্গলীয়া ঘটনাৰ কাৰণ বুলি বিশ্বাস কৰে।

আকৌ যেয়ে-সেয়ে এই যাদুশক্তিৰ গৰাকী হ'ব নোৱাৰে। আদিম সমাজৰ বেজ-জ্ঞানী, পুৰোহিত, শাসক আদি বিশেষ শ্ৰেণীৰ লোকহে তেনেবিধ শক্তিৰ অধিকাৰী আৰু তেওঁলোকেই আছিল সমাজৰ আটাইতকৈ সন্মানিত ব্যক্তি, যি মৃতলোকৰ আত্মাৰ লগত যোগাযোগ ৰাখি চলিছিল—আনকি মৃতলোকৰ আত্মাক ধৰি আনি সজাৰ ভিতৰত বন্দী কৰি ৰাখিবও পাৰিছিল। নক'লেও হ'ব যে যাদুকৰসকলৰ এনেবিলাক অলৌকিক গুণ বা কাৰ্য্য-ক্ষমতা আদিম মানুহে আৰোপ কৰা কাৰ্য্য-ক্ষমতাহে আছিল, যিহক আজিৰ যুগৰ মনোবিদ্যাই 'Psychic Projection' বুলি কয়। সভ্য মানুহৰ ক্ষেত্ৰতো ইয়াৰ দৃষ্টান্ত নথকা নহয়। ধৰ্ম্মশাস্ত্ৰই কয় যে ঈশ্বৰ হেনো অচিন্ত্য আৰু অব্যক্ত। মন আৰু বাক্য কোনোটোৱে বোলে ঈশ্বৰক ঢুকি পাব নোৱাৰি। অথচ আমি কওঁ যে ঈশ্বৰ করুণাময়, মঙ্গলময় আৰু ঈশ্বৰ হেনো সকলোৰে প্ৰতি সমদৰ্শী। অৰ্থাৎ ঈশ্বৰ যেন আমাৰ অতি পৰিচিত ব্যক্তিহে, যাৰ লগত বেছ লাভজনক ব্যৱসায়িক সম্পৰ্ক গঢ়ি তুলিব পাৰি। মানুহে নিজৰ স্বাৰ্থসিদ্ধিৰ কাৰণে যেনেকুৱা এজন ঈশ্বৰ পাবলৈ বিচাৰে, তেনেকুৱা ঈশ্বৰ এজনকে মানুহে মনত গঢ়ি লয়।

মনোবিজ্ঞানী ডাঃ য়ুঙে কয় যে ঈশ্বৰ আৰু শিশু এই আৰ্কিটাইপ দুটা আমাৰ 'Self' বা অন্তৰাত্মাৰ প্ৰতীক। দুয়োটাই স্মৰণাতীত কালৰেপৰা মানুহৰ মনত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছিছে। আমি জানো যে পিতৃ-মাতৃ আৰু সন্তানৰ মাজত থকা আৱেগ-অনুভূতিৰ সম্পৰ্কটো হৈছে মানৱ-জাতিৰ জীৱনেতিহাসত যুগে যুগে ঘটি থকা সম্পৰ্ক। সেয়ে শিশু বা সন্তানে মানুহৰ সমষ্টিগত অৱচেতন মনত গভীৰ সাঁচ বহুৱাই ৰাখিছে, যিহক ডাঃ য়ুঙে বাৎসল্য-ক্ষুধাৰো উৎস বুলি বিৱেচনা কৰে।

(ঘ)

নৃতত্ত্ববিদ্‌সকলে কয় যে আদিম মানুহৰ অসংযত কল্পনাই গঢ় লৈছিল মিথ্‌ (Myth) বা পৌৰাণিক কাহিনীক অৱলম্বন কৰি। আদিম যুগত মানুহৰ চিন্তাৰ পৰিসৰ আছিল সঙ্কীৰ্ণ আৰু মন আছিল ঘোৰ সংস্কাৰাচ্ছন্ন। সেয়েহে তেওঁলোকে যুক্তি-সৰ্ব্বস্ব বিজ্ঞান বা দৰ্শনৰ সৃষ্টি কৰিব নোৱাৰিছিল। তাৰ পৰিৱৰ্ত্তে আদিম মানুহে গঢ়ি তুলিছিল ভূত-প্ৰেত আৰু দেৱতা-অপদেৱতাৰ অজস্ৰ অলিখিত কাহিনী।[১৭] ইয়াৰে কিছুমান কাহিনী সাৰ্ব্বজনীন বুলিও ক'ব পাৰি।

অৱশ্যে আদিম মানুহৰ ধাৰণা মতে সেইবিলাক কল্পিত ঘটনা নাছিল। সিহঁত আছিল জীৱন্ত আৰু বাস্তৱ ঘটনা। ভূত-প্ৰেত আৰু দেৱতা-অপদেৱতাবিলাকো আছিল জীৱন্ত-সত্তা। কাৰণ আদিম যুগৰ মানুহৰ ধাৰণাত কল্পনা-জগৎ আৰু বাস্তৱ-জগৎ অভিন্ন। তেওঁলোকে এনেদৰে বিশ্বাস কৰিছিল যে যিবিলাক ঘটনা মানুহৰ মনত ধৰা পৰে, সেইবিলাক ঘটনা বাস্তৱ-জগততো ঘটি যায়। আমাৰ পৌৰাণিক আখ্যান-উপাখ্যান-বিলাকতো নানা দেৱ-দেৱীৰ নাম উল্লেখ থকা কথা সকলোৱে জানে প্ৰতিগৰাকী দেৱ-দেৱীক একাধিক উপাখ্যানৰ নায়ক বা নায়িকা হিচাপে আমি দেখা পাওঁ। কোনোজন শস্যাধিপতি দেৱতা, কোনোজন জলাধিপতি দেৱতা, কোনোজন ৰণৰ দেৱতা, আকৌ কোনোজন উৰ্ব্বৰতা আৰু যৌনতাৰ দেৱতা। এই দেৱতাসকল মহাপৰাক্ৰমী আৰু স্বৰ্গ, মৰ্ত্ত্য, পাতাল তিনিও লোকলৈকে তেওঁলোকৰ অবাধ গতি। তাৰে ভিতৰত দুই-চাৰিয়ে পৃথিৱীৰ ৰূপহী তিৰোতাৰ প্ৰেমত পৰি কেলেঙ্কাৰীৰ সৃষ্টি কৰা দৃষ্টান্তও নথকা নহয়।

(১৭) The collective unconscious, so far we can venture a judgement upon it, seems to consist of the nature of mythological themes or images. The whole of mythology could be taken as a kind of projection of the collective unconscious.

Dr. C. G. Yung.

জন-বিশ্বাসমতে সৌৰজগতৰ গ্ৰহ-উপগ্ৰহবো একোজনকৈ অধিপতি দেৱতা থাকে। এইসকল গ্ৰহ-দেৱতাৰ ভিতৰত শনি দেৱতালৈকে মানুহৰ আটাইতকৈ বেছি ভয়। শনি দেৱতাৰ কোপদৃষ্টিত পৰি তাহানি গণেশৰ মূৰ ছিগিছিল। শনিৰ ৰোষত পৰিব লাগিলে মানুহৰ বিলাই-বিপত্তিৰ অন্ত নোহোৱা হয়। ৰাহুৱে মাজে মাজে চন্দ্ৰ আৰু সূৰ্য্যক গিলি পেলায়। তাহানি দেৱাসুৰে অমৃত-মন্থন কৰোঁতে অসুৰ এটাই ভেশছন কৰি দেৱতাহঁতৰ শাৰীত বহি অমৃতৰ ভাগ সৰকাইছিল। পিছে দুৰ্ভাগ্যবশতঃ ধৰা পৰি গ'লত ভগৱান বিষ্ণুৱে নিজৰ সুদৰ্শন চক্ৰেৰে অসুৰটোক কাটি দু'ছোৱা কৰিলত মূৰডোখৰ হ'ল ৰাহু আৰু গাডোখৰ হৈ পৰিল কেতু। বৃহস্পতি বোলাজন আকৌ মহাপণ্ডিত। মানুহে কয়—'বুদ্ধিত বৃহস্পতি'। বৃহস্পতি দেৱতাসকলৰ গুৰু। শুক্ৰ দৈত্যাচাৰ্য্য অৰ্থাৎ অসুৰবিলাকৰ গুৰু। ইয়াৰ বাহিৰেও ইন্দ্ৰ, অগ্নি, বৰুণ আদি ভালেমান দেৱতা আছে। তাৰে কোনো কোনো জন অৰ্ব্বাচীন, কিম্বা কৌলিন্যহীন গ্ৰাম্য-দেৱতা।

এতিয়া এই দেৱ-দেৱীসকলক কেন্দ্ৰ কৰি গঢ়ি উঠা কাহিনীবিলাক যদি আপুনি বাদ দি থয়, তেতিয়া হ'লে আপোনাৰ ওচৰত দেৱতাসকলৰ প্ৰতিপত্তি যে বহুখিনি হ্ৰাস পাব তাত সন্দেহ নাই। তেতিয়া আপুনি হয়তো তেৰাসৱক পূজা-পাতল দিবলৈকে এৰি পেলাব। আকাশ-মাৰ্গত গ্ৰহ-উপগ্ৰহৰ অৱস্থান অনুসৰি পৃথিৱীৰ মাধ্যাকৰ্ষণ আৰু তড়িৎ-চৌম্বক ক্ষেত্ৰৰ বলৰ যে তাৰতম্য ঘটিব পাৰে আৰু তাৰ ফলত ব্যক্তি-বিশেষৰ দেহ-মনত যে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈ পৰিব পাৰে, সেই কথা অস্বীকাৰ কৰিবৰ উপায় নাই। কিন্তু জন-সাধাৰণে বৈজ্ঞানিক আৰু দাৰ্শনিক তথ্য-পাতিক লৈ মূৰ ঘমাবলৈ নাযায়। তেওঁলোকে উপনিষদৰ তত্ত্ব-কথাতকৈ শ্ৰীকৃষ্ণৰ ৰাসলীলা বা হৰমোহনৰ কাহিনী শুনিহে বেছি ৰস পায়। তদুপৰি কিবা আশা কৰিহে মানুহে দেৱতাৰ পূজা-সেৱাত ধন খৰচ কৰে। অদ্বৈত বেদান্তৰ নিৰ্গুণ ঈশ্বৰজনৰপৰাতো ধন-দৌলত, ক্ষমতা-প্ৰতিপত্তি, চাকৰিত প্ৰমোচন বা ৰাজ্যিক চিঠি-খেলত প্ৰথম পুৰস্কাৰ পাবলৈ আশা কৰিব নোৱাৰি। তেৰাক বোলে কল্পনাকে কৰিব নোৱাৰি। অনুগ্ৰহ লাভ দূৰৰে কথা। তাতোকৈ দেৱ-দেৱীৰ অনুগ্ৰহ হেনো কিছু

সহজলভ্য। অন্ততঃ তেনেদৰে বিশ্বাস কৰিবলৈকে পৌৰাণিক আখ্যান-উপাখ্যানে সদায় আমাক প্ৰলুব্ধ কৰি আহিছে। তদুপৰি যুগ যুগ ধৰি এই আখ্যান-উপাখ্যানবিলাক মানুহৰ মাজত চলি থকা কাৰণে সেইবোৰ নিতান্ত সত্য আৰু সম্ভৱপৰ ঘটনা বুলি এনে এটা দৃঢ় বিশ্বাস মানুহৰ অৱচেতন মনত গঢ় লৈ আছে, যাৰ প্ৰভাৱ অতিক্ৰম কৰা দুঃসাধ্য।

মুঠতে আমাৰ স্বপ্নবিলাক যেনেকৈ আমাৰ ব্যক্তিগত আশা-আকাঙ্ক্ষাৰ প্ৰতীক, তেনেকৈ মিথ্ বা পৌৰাণিক আখ্যান-উপাখ্যানবিলাকো সমগ্ৰ মানৱ-জাতিৰ আশা-আকাঙ্ক্ষাৰ প্ৰতীক। সভ্য মানুহৰ মনৰপৰাও মিথৰ প্ৰভাৱ যে হেৰাই যোৱা নাই, তাৰ প্ৰমাণ চন্দ্ৰ-সূৰ্য্যৰ গ্ৰহণ আৰু ভূমিকম্প সম্পৰ্কীয় জন-বিশ্বাস। পৌৰাণিক-উপাখ্যানবিলাকত আমি পাওঁ যে ঋষিয়ে শাও দি মানুহক ভস্ম কৰিব পাৰে। মন্ত্ৰৰ বলত অদৃশ্য হৈ যাব পাৰে। গৌতম ঋষিৰ শাপত অহল্যা পাষাণত পৰিণত হৈছিল। পাছত শ্ৰীৰামচন্দ্ৰৰ চৰণ-স্পৰ্শ লাভ কৰি পুনৰ মানুহ হৈ পৰিছিল। দেৱৰাজ ইন্দ্ৰ সহস্ৰযোনি প্ৰাপ্ত হৈছিল। গুৰু-পত্নীক অকলে পাই ধৰ্ষণ কৰাৰ অপৰাধত চন্দ্ৰ ক্ষয়ৰোগৰদ্বাৰা আক্ৰান্ত হৈ পৰিছিল। পূৰ্ণিমা হৈ যোৱাৰ পাছত চন্দ্ৰটো প্ৰতিদিনে ক্ষয়প্ৰাপ্ত হৈ অহাৰ কথা সকলোৱে জানে। প্ৰাচীন গ্ৰীচ আৰু ৰোমৰ পৌৰাণিক আখ্যান-উপাখ্যান আৰু সাধুকথাবিলাকতো এপলো, ভেনাচ্, কিউপিড্, জুপিটৰ্, মিনাৰ্ভা আদি নানা দেৱ-দেৱীৰ নাম থকা আমি দেখিবলৈ পাওঁ, যাৰ লগত আমাৰ দেৱ-দেৱীসকলৰ চৰিত্ৰগত সাদৃশ্য বৰ্ত্তমান। যেনে, এপলো সূৰ্য্যদেৱতা, কিউপিড্ মদন, জুপিটৰ্ বৃহস্পতি, ভেনাচ্ ৰতিদেৱী—এনেকুৱা।

আদিম সমাজৰ লোকৰ মাজতো নানা দেৱতা-অপদেৱতাৰ কাহিনী প্ৰচলিত হৈ আহিছে। প্ৰতিটো পুৱাতে সূৰ্য্যদেৱতাই সাতোটা ঘোঁৰাই টনা সোণালী ৰথত উঠি আকাশ-মাৰ্গেৰে পূব-দিশৰপৰা পশ্চিমলৈ গতি কৰে। সন্ধিয়া পৰত সমুদ্ৰ-গৰ্ভৰপৰা ওলাই অহা বিকট চেহেৰাৰ ৰাক্ষসী এজনীয়ে সূৰ্য্যটো গিলি পেলায়। ইয়াৰ পাছত সমুদ্ৰৰ গৰ্ভত ৰাত্ৰিকণী ভয়াৱহ সৰ্প এটাৰ লগত গোটেই নিশাজুৰি চলা তয়াময়া যুঁজৰ

অন্তত সৰ্পটোক পৰাস্ত কৰি সূৰ্য্যদেৱতাই পুৱাবেলা পূব-দিশত আকৌ ভুমুকি মাৰেহি। মনস্তত্ত্বৰ দৃষ্টিকোণৰপৰা বিচাৰ কৰিলে সূৰ্য্যক অৰণ্যবাসী আদিম মানুহৰ কামনাৰ প্ৰতীক (Libido symbol)-স্বৰূপে আমি দেখা পাওঁ। ভয়াৱহ বন্য-জন্তুৰ আক্ৰমণৰ আশঙ্কাত বিনিদ্ৰ ৰজনী যাপন কৰা আদিম মানুহৰ মনত সূৰ্য্যোদয় ভগৱানৰ আশীৰ্ব্বাদস্বৰূপ। প্ৰভাতৰ সূৰ্য্যক তেওঁলোকে নমস্কাৰ কৰিবলৈ নাপাহৰে। মধ্যাহ্নৰ সূৰ্য্যক কিন্তু নমস্কাৰ নজনায়।

ৰূপকথা তাতোকৈ বহু পিছৰ সৃষ্টি। কাৰণ তেনে কাহিনীবিলাকত ৰাজপুত্ৰ, মন্ত্ৰীপুত্ৰ, ৰাজকন্যা এইবিলাকৰ কথাহে বেছিকৈ পোৱা যায়। ৰূপকথাৰ ৰূপহ ৰাজকোঁৱৰে পক্ষীৰাজ ঘোঁৰাত উঠি আকাশেদি উৰি গৈ নিমিষতে পাতালপুৰীৰ ৰাজকন্যাৰ শোৱনি কোঠাত উপস্থিত হয়গৈ। ৰাজকোঁৱৰৰ সোণৰ কাঠিৰ পৰশত টোপনিত অচেতন হৈ পৰি থকা বন্দিনী ৰাজকন্যাৰ টোপনি ভাগে। চাৰি চকুৰ মিলন হয়। হিয়া বিনিময় হয়। তাৰ পাছত যাদুমন্ত্ৰৰ বলত কাৰেঙৰ পালি-পহৰীয়াহঁতক মোহ-নিদ্ৰাত অচেতন কৰি পেলাই থৈ ৰাজকুমাৰীক পক্ষীৰাজ ঘোঁৰাৰ পিঠিত তুলি লৈ ৰাজকোঁৱৰ উধাও হয় কোনোবা অচিন দেশলৈ। ইয়াত পাতালপুৰীৰ ৰাজকাৰেং মানুহৰ অৱচেতন মনৰ প্ৰতীক। টোপনিত অচেতন হৈ পৰি থকা ৰাজকুমাৰী সুপ্ত নাৰীত্ববোধৰ প্ৰতীক। পুৰুষৰ নিবিড় সংস্পৰ্শলৈ অহাৰ পূৰ্ব্বে নাৰীৰ নাৰীত্ববোধ জাগি নুঠে। তাহানিৰ শোণিতপুৰৰ উষা-অনিৰুদ্ধৰ কাহিনীলৈ এবাৰ মনত পেলাওকচোন। স্বপ্নত কোঁৱৰ অনিৰুদ্ধৰ নিবিড় আলিঙ্গনাৱদ্ধা হৈ পৰাৰ পাছতহে উষাৰ নাৰী-সত্তাৰ জাগৰণ ঘটিছিল। আমাৰ কলংপৰীয়া ৰোমাণ্টিক কবি দেৱকান্তই লিখিছিল—

“প্ৰথমে জগালো মযে তন্দ্ৰালসা গাভৰুক
মনোৰমা হিয়াত তোমাৰ।”

কবিতাফাঁকিত পুৰুষৰ সংস্পৰ্শত ঘটা নাৰী-সত্তাৰ জাগৰণৰ কথাকে ব্যক্ত কৰা হোৱা নাই জানো? যিমানেই অবাস্তৱ হওক লাগিলে ৰূপকথাই যে কবিক মানস-সৃষ্টিৰ অফুৰন্ত সমল যোগায় তাত সন্দেহ নাই।

তেওঁলোকে হেনো ৰূপকথাৰ জগতৰপৰা প্ৰতীক আহৰণ কৰি ধুনীয়া ধুনীয়া কবিতা ৰচনা কৰে।

মনোবিজ্ঞানী ডাঃ ফ্ৰয়েডে কয় যে ৰূপকথাৰ উৎস আৱিষ্কাৰ কৰিবলৈ হ'লে আমি সুদূৰ অতীতৰ আদিম-সমাজথনলৈ এবাৰ দৃষ্টি-নিক্ষেপ কৰিব লাগিব। প্ৰাগৈতিহাসিক যুগৰ আদিম-সমাজখন নানা দল, গোষ্ঠী আৰু পৰিয়ালত বিভক্ত আছিল। কোনো জীৱ-জন্তুৰ নাম অনুসৰি সেই গোষ্ঠী বা পাৰিয়ালবিলাক পৰিচিত হৈছিল। কোনো আছিল ভালুকৰ গোষ্ঠী, কোনোটো ঘঁৰিয়ালৰ গোষ্ঠী, আকৌ কোনোটো আছিল কেঙ্কেৰুৰ গোষ্ঠী —এনেকুৱা। এই প্ৰাণীবিলাক আছিল গোষ্ঠী বা পৰিয়ালটোৰ 'টোটেম' (Totem) বা কুলদেৱতা। যিটো গোষ্ঠীৰ টোটেম ভালুক, সেইটো গোষ্ঠী বা সম্প্ৰদায়ৰ মানুহৰ কাৰণে ভালুক পৱিত্ৰ জন্তু। তাক হত্যা কৰা বা তাৰ মঙহ খোৱা নিষিদ্ধ। আকৌ যি সম্প্ৰদায়ৰ টোটেম কেঙ্কেৰু, সেই সম্প্ৰদায়ৰ কাৰণে কেঙ্কেৰু পৱিত্ৰ জন্তু। গতিকে তাক বধ কৰিলে বা তাৰ মঙহ খালে বোলে পৰিয়ালটোৰ ঘোৰ অকল্যাণ হয়।

এই দল বা পৰিয়ালত ওপজা পুত্ৰ-সন্তানবিলাক যেতিয়া ডেকা হয়, তেতিয়া দলপতি পিতাকে সিহঁতক দলৰপৰা বহিষ্কাৰ কৰি দূৰলৈ খেদি পঠিয়ায়। কাৰণ ডেকা পুতেকহঁতে পৰিয়ালত থাকিবলৈ ল'লে খোৱা বস্তু আৰু তিৰোতাৰ ভাগ-বাটোৱাৰা লৈ দলপতি পিতাকৰ লগত সিহঁতৰ বিৰোধ উপস্থিত হয় আৰু সেয়ে গৈ এদিন পিতা-পুত্ৰৰ মাজত হতাহতিত পৰিণত হয়। দলৰপৰা বহিষ্কৃত হোৱা পুত্ৰজনে সম্ভৱ হ'লে নিজৰ কাৰণে এজনী সঙ্গিনী বিচাৰি আনি নতুনকৈ সংসাৰ পাতে। নতুবা তেনেদৰে পৰিয়ালৰপৰা বহিষ্কৃত হোৱা অন্যান্য যুৱকৰ লগ লাগি দলপতি পিতাকক হত্যা কৰি মাহীমাক কেইজনী আৰু দলত থকা গাভৰু ছোৱালী কেইজনীক নিজৰ মাজত ভগাই লয়।

কিন্তু দলৰপৰা বহিষ্কৃত হোৱা দুৰ্ব্বল বা কনিষ্ঠতম পুত্ৰ এজনৰ পক্ষে মহাপৰাক্ৰমী দলপতিক হত্যা কৰাটো কেৱল কল্পনাতহে সম্ভৱ হ'ব পাৰে। ফ্ৰয়েডে ভাবে যে যিজন পুত্ৰই সৰ্ব্বপ্ৰথমে পিতৃ-হত্যাৰ পৰিকল্পনা নিজৰ মনত গঢ়ি তুলিছিল, সিয়ে মিথ্ বা পৌৰাণিক কাহিনীৰ স্ৰষ্টা আৰু অলীক

কল্পনাত সিয়ে আখ্যানৰ নায়ক। তাৰ অন্তৰত জাগি উঠা ঘোৰ পিতৃ-বিদ্বেষৰ ন্যায্যতা প্ৰতিপন্ন কৰিবৰ কাৰণে দলপতি পিতাকক সি ৰক্তপিপাসু ৰাক্ষস, কিম্বা অতি ভয়াৱহ হিংস্ৰ বনৰীয়া জন্তু হিচাপে কল্পনা কৰি লয়। তাৰ নিজৰ মাকজনী হৈ পৰে দস্যু পিতৃৰ কৱলগ্ৰস্তা অসহায়া নাৰী, যি অত্যাচাৰী পিতাকৰ ৰোষাগ্নিৰপৰা সকুকালৰেপৰা তাক ৰক্ষা কৰি আঁহিছে। দস্যু পিতাকৰ কৱলৰপৰা মাকক উদ্ধাৰ কৰিবলৈ সি দৃঢ়প্ৰতিজ্ঞ হৈ পৰে। তাৰ পাছত পিতাকক হত্যা কৰিবৰ কাৰণে যুগুত কৰা পৰিকল্পনাৰ কথা সি দলৰ অন্যান্য সমৰ্থৱান যুৱকসকলৰ আগত প্ৰকাশ কৰে আৰু দলপতি পিতাকৰ বিৰুদ্ধে একগোটে থিয় দিবলৈ সকলোকে আহ্বান জনায়। পিতৃৰ বিৰুদ্ধে আৰম্ভ কৰা এই অভিযানত কেতিয়াবা সি কৃতকাৰ্য্য হয়, কেতিয়াবা নিজেই প্ৰাণ হেৰুৱাব লগাত পৰে।

গতিকে ফ্ৰয়েডৰ মতে সৰ্ব্বপ্ৰথম মিথ্ বা পৌৰাণিক আখ্যানসমূহ আছিল বীৰত্বৰ আখ্যান (Hero myth)।[১৮] প্ৰাকৃতিক ঘটনাৰ ব্যাখ্যাসূচক মিথ্ পিছৰ কালৰ সৃষ্টি। সম্ভৱতঃ অত্যাচাৰী দলপতি অৰ্থাৎ পিতাকৰ কৱলৰপৰা মাকক উদ্ধাৰ কৰাৰ কাহিনী পাছৰ যুগবিলাকত দস্যুৰ কৱলৰপৰা ৰূপহী ৰাজকন্যাৰ উদ্ধাৰৰ কাহিনীলৈ লাহে লাহে ৰূপান্তৰিত হৈ পৰিছিল।

প্ৰাগৈতিহাসিক যুগৰ আদিম মানুহৰ মনস্তত্ত্বক এনেদৰে বিশ্লেষণ কৰিবলৈ গ'লে আমি দেখা পাওঁ যে ফ্ৰয়েডে যিহক 'ইডিপাচ্ কমপ্লেক্স্' (œdipus complex) বুলি অভিহিত কৰিছে, সি কেৱল পুৰুষ শিশুৰ বৰ্ত্তমান যুগৰ মানসিক সমস্যা বুলি ক'ব নোৱাৰি। কাৰণ পুত্ৰৰ অন্তৰত তাহানি প্ৰাগৈতিহাসিক জীৱনতে পিতৃ-বিদ্বেষৰ বীজ অঙ্কুৰিত হৈ পৰিছিল। ৰাজকুমাৰ ইডিপাচে পিতাকক হত্যা কৰি মাক জোকাষ্টাক পত্নী স্বৰূপে

---

(১৮) The myth, then is the step by which the individual emerges from the Group Psychology. The first myth was certainly the Psychological, the hero myth. The explanatory nature myth must have followed much later.

Group Psychology and the Analysis of the Ego.—By Dr. S. Freud.

গ্ৰহণ কৰাৰ মূলতে আছিল ইডিপাচৰ মাতৃ-সংসক্তি আৰু পিতৃ-বিদ্বেষ, যিটো তেওঁ হয়তো সজ্ঞানে উপলব্ধি কৰিব নোৱাৰিছিল। পুত্ৰ সন্তানৰ বয়স দুবছৰৰপৰা পাঁচ বছৰ হোৱালৈকে এই কালছোৱাত পুত্ৰৰ অন্তৰত পিতৃ-বিদ্বেষৰ ভাবটো কম-বেছি জাগ্ৰত হৈ থাকে। কিন্তু পিতাকৰ বিৰুদ্ধাচৰণ কৰিবলৈ গ'লে পিতাকৰপৰা কঠোৰ শাস্তি পাবৰ ভয় থকা হেতুকে সি প্ৰকাশ্যভাৱে পিতাকৰ বিপক্ষে বিদ্ৰোহ কৰিব নোৱাৰে। দুই-চাৰিজন শিশু-পুত্ৰই হয়তো অলীক কল্পনা বা স্বপ্নত নিজে পিতাকক হত্যা কৰা বা আনৰদ্বাৰা পিতাক নিহত হোৱাৰ দৃশ্য দেখি মনে মনে ঘোৰ আতঙ্কিত বা উৎকণ্ঠিত হৈ পৰে। শৈশৱ-কালতেই সাধুকথা আৰু ৰূপকথাৰ আকৰ্ষণ সৰ্ব্বাধিক; কাৰণ শিশুৰ মন কল্পনা-প্ৰৱণ। মনক নিযুক্ত ৰাখিবলৈ তাক কিবা এটা অৱলম্বন লাগে আৰু ৰূপকথাৰ অলৌকিক ঘটনাবিলাকে তাক সেই অৱলম্বন দিয়ে। ৰূপকথাৰ বীৰ নায়কৰ সৈতে একাত্মীভূত হৈ পৰি শিশুৱে নিজক বীৰ বুলি জাহিৰ কৰিবৰ গোপন আকাঙ্ক্ষাটো চৰিতাৰ্থ কৰিব পাৰে। নিজৰ অলীক কল্পনাত শিশু-পুত্ৰই নিজে দুৰ্দ্ধৰ্ষ বীৰৰ ভূমিকাত অৱতীৰ্ণ হৈ মহাপৰাক্ৰমেৰে নাৰী অপহৰণকাৰী দস্যু বা ৰাক্ষসক বধ কৰি আৰু অপহৃতা ৰাজকুঁৱৰীক তাৰ কৱলৰপৰা উদ্ধাৰ কৰি মনে মনে পুলকিত হৈ পৰে। অপহৃতা ৰাজকুঁৱৰীগৰাকী যে মাতৃৰ প্ৰতীক আৰু নিহত দস্যু বা ৰাক্ষসটো যে অত্যাচাৰী পিতৃৰ প্ৰতীক সেই কথা বহলাই ব্যাখ্যা কৰা নিষ্প্ৰয়োজন।

কিন্তু অপহৃতা নাৰীগৰাকীক শিশুৱে মাতৃৰ প্ৰতীক হিচাপে গ্ৰহণ কৰিলে কিয়? আমাৰ বিশ্বাস শিশুৰ অন্তৰত ধীৰে ধীৰে গঢ়ি উঠা অন্তৰ্গমন প্ৰতিৱন্ধই (Incest barrier) তাৰ একমাত্ৰ কাৰণ। মাতৃ বা তেজৰ ওচৰ সম্বন্ধ থকা নৰ-নাৰীৰ মাজৰ সম্ভাব্য যৌনাচাৰৰ বিৰুদ্ধে মানুহৰ অন্তৰত গঢ়ি উঠা মনস্তাত্ত্বিক বাধা-নিষেধকে অন্তৰ্গমন প্ৰতিৱন্ধ বুলি কোৱা হয়। এই অন্তৰ্গমন প্ৰতিৱন্ধই মানুহৰ সচেতন মনত অবৈধ যৌনাচাৰৰ প্ৰতি বিতৃষ্ণা বা ঘৃণাস্বৰূপে আত্মপ্ৰকাশ কৰে। সম্ভৱতঃ ইয়াৰ কাৰণেই দস্যু-কৱলিতা নাৰীগৰাকী মাতৃ নহৈ ৰাজকুঁৱৰীলৈ ৰূপান্তৰিত হ'ল। কাৰণ অলীক কল্পনাত অনাত্মীয়া নাৰীক লৈ যি খুচি তাকে কৰিব পাৰি।

এতিয়ালৈকে কৰা আলোচনাৰপৰা বুজা যায় যে আমাৰ অহংবোধ বা 'মই' ভাবটোৰ ওপৰত আমি মনৰ অন্যান্য দিশৰ তুলনাত সৰ্ব্বাধিক আস্থা কিম্বা গুৰুত্ব আৰোপ কৰিলেও ইয়াৰ পৰিসৰ সমষ্টিগত অৱচেতন মনৰ বিশালতাৰ তুলনাত নিতান্ত সঙ্কীৰ্ণ বুলিয়ে ক'ব পাৰি। বৰ্ত্তমান মুহূৰ্ত্তৰ ঘটনাক লৈয়ে আমাৰ অহংবোধৰ ঘাই কাৰবাৰ। আমাৰ ব্যক্তিগত অৱচেতনা অহংবোধৰ পৰিত্যক্ত দিশ। কিন্তু নিতান্ত সীমিত সত্তা হোৱা সত্বেও অহংবোধে নিজক দেহ আৰু মনৰ সৰ্ব্বময় কৰ্ত্তা বুলি ভাবে। মনোবিজ্ঞানী ডাঃ য়ুঙে কয় যে অহংবোধে নিজৰ অহমিকা ত্যাগ কৰিব পাৰিলে মানুহৰ চেতনা আৰু অৱচেতনাৰ মধ্যবিন্দু স্বৰূপে এটা নতুন মানসিক সত্তাই লাহে লাহে গঢ় ল'বলৈ আৰম্ভ কৰে। নতুনকৈ গঢ়ি উঠা এই বিকল্প সত্তাটোক ডাঃ য়ুঙে চেল্‌ফ্ (Self) বা অন্তৰাত্মা বুলি অভিহিত কৰিছে। এই চেল্‌ফ্ বা অন্তৰাত্মা অহংবোধৰ বিকল্প সত্তা হ'লেও ইয়াৰ কাৰ্য্য-ক্ষেত্ৰ অতি ব্যাপক। কাৰণ ই এহাতে সমগ্ৰ শৰীৰ আৰু আনহাতে চিন্তা, অনুভূতি, সংবেদন আৰু অপৰোক্ষজ্ঞান বা অন্তঃপ্ৰজ্ঞাকে ধৰি মনৰ সচেতন আৰু অচেতন দুয়োদিশৰ কাৰ্য্য-কলাপকে সামৰি লয়। ভাৰতীয় চিন্তানায়ক জে. কৃষ্ণমূৰ্ত্তিয়ে সম্ভৱতঃ ইয়াকে অনিয়ন্ত্ৰিত মন (Unconditioned Mind) বুলি অভিহিত কৰিছে। এই অনিয়ন্ত্ৰিত মন পৰিচালিত হয় প্ৰধানতঃ অপৰোক্ষজ্ঞান বা অন্তঃপ্ৰজ্ঞাৰদ্বাৰা। পিছে মানুহে বিচাৰিলেই অন্তঃপ্ৰজ্ঞাৰ জাগৰণ নঘটে। আকৌ অকল বৌদ্ধিক কছৰতৰদ্বাৰাও মানুহ অন্তঃপ্ৰজ্ঞাৰ অধিকাৰী হৈ পৰিব নোৱাৰে। ডাঃ য়ুঙে ভাবে যে সমষ্টিগত অৱচেতনাৰ গৰ্ভত থকা চিন্তাৰ পেটাৰ্নবিলাকৰ মাজত স্বতঃস্ফূৰ্ত্তভাৱে ঘটি যোৱা যোগাযোগৰ (Unconscious combination of unconscious patterns) ফলতে অন্তঃপ্ৰজ্ঞাৰ সৃষ্টি হৈ পৰে।[১৯] মুঠতে অন্তঃপ্ৰজ্ঞাৰ জাগৰণ সচেতন মনৰ ইচ্ছা-বহিৰ্ভূত

(১৯) Intuition is a perception of realities which are not known to the consciousness and which goes via the unconscious

—Dr. C. G. Yung.

ঘটনা। যোগসিদ্ধ পুৰুষ স্বামী অভেদানন্দই কয় যে অন্তঃপ্ৰজ্ঞা আমাৰ মানসিক শক্তিৰে অন্য এটা প্ৰকাশ।[২০] সহজাত প্ৰবৃত্তিসুলভ আচৰণৰ বেলিকা যেনেকৈ আমি ফলাফলৰ বিষয়ে চিন্তা নকৰাকৈয়ে আচৰণত প্ৰবৃত্ত হৈ পৰোঁ, তেনেদৰে অপৰোক্ষজ্ঞান বা অন্তঃপ্ৰজ্ঞাৰদ্বাৰা পৰিচালিত হ'বৰ বেলিকাও আমি সজ্ঞানে বা যুক্তি সহকাৰে চিন্তা নকৰাকৈয়ে সিদ্ধান্তত উপনীত হওঁ। এনেকুৱা ক্ষেত্ৰত নিৰ্জ্ঞান মনে নিজে সিদ্ধান্ত গ্ৰহণ কৰি তাক সচেতন মনলৈ প্ৰেৰণ কৰে। গতিকে অন্তঃপ্ৰজ্ঞা একপ্ৰকাৰে উপস্থিত বুদ্ধি বুলিও ক'ব পাৰি।

আনহাতে অনিয়ন্ত্ৰিত মন বা নিস্তব্ধ মনৰ কথা কওঁতে জে. কৃষ্ণমূৰ্ত্তিয়ে একে অভিমতকে ব্যক্ত কৰিছে। কৃষ্ণমূৰ্ত্তিয়ে কোৱা মতে নিস্তব্ধ মন হৈছে এনে এটা শক্তিশালী মন 'That sees without time, that sees without thought', আৰৌ এই মনৰ কাৰ্য্য-কলাপ হুবহু সচেতন মনৰ কাৰ্য্য-কলাপৰ নিচিনা নহয়। কাৰণ এই মনে চিন্তা কৰিলেও কিহৰ বিষয়ে চিন্তা কৰিছে সেই কথা নাভাবে। অনুভৱ কৰিলেও কি অনুভৱ কৰিছে তাক লক্ষ্য নকৰে। তদুপৰি নিস্তব্ধ মনৰ চিন্তা ভাষাশ্ৰয়ী চিন্তাও (Verbal thinking) নহয়। এই মনৰ বিচাৰ-বিবেচনাত অনিশ্চয়তাৰ স্থান নাই। কৰ্ত্তব্য-অকৰ্ত্তব্য বিচাৰ কৰি ই সময় অপব্যয় নকৰে। তথাপি দেখা যায় যে অনিয়ন্ত্ৰিত বা নিস্তব্ধ মনৰ সিদ্ধান্ত নিৰ্ভুল আৰু বাস্তৱ পৰিস্থিতিৰ দাবীৰ লগত সঙ্গতিপূৰ্ণ। আমি আগতে উল্লেখ কৰি অহা জৈৱিক প্ৰজ্ঞা বা জৈৱিক মন এই অনিয়ন্ত্ৰিত বা নিস্তব্ধ মনৰে দৈহিক অভিব্যক্তি বুলি আমি ধৰি ল'ব পাৰোঁ। কাৰণ দুয়োটাৰ প্ৰকৃতি প্ৰায় একে।

কৃষ্ণমূৰ্ত্তিয়ে কয় যে অনিয়ন্ত্ৰিত মন উপলব্ধিৰহে বস্তু। তাক ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। তদুপৰি ই হৈছে অহংবোধ বৰ্জ্জিত মন। কিন্তু

---

(২০) Intuition is another modification of the power of the mind. It is direct perception. Intuition is never doubtful. We cannot argue it.

—*Swami Abhedananda.*

অনিয়ন্ত্ৰিত মনত অহংবোধ নথকা সত্ত্বেও সচেতন প্ৰত্যক্ষত বাধা নোপজে। তেতিয়াও আমি বাহিৰৰ জগৎখনক এৰিয়া কৰাৰ নিচিনাকৈ 'নিজৰ' চকুৰেই প্ৰত্যক্ষ কৰিব পাৰিম। কাৰণ অনিয়ন্ত্ৰিত মনত অহংবোধ বা 'মই' নাথাকিলেও আমাৰ স্বকীয়া সত্তাবোধটো (the sense of individual uniqueness) তেতিয়াও থাকিব। এই 'sense of individual uniqueness' বা নিজস্ব মানসিক বৈশিষ্ট্য একোটা থকাৰ কাৰণেই দুজন মানুহৰ চিন্তা, দৃষ্টি-ভঙ্গি বা মনোবৃত্তি কেতিয়াও হুবহু একে হ'ব নোৱাৰে।[২১] কিন্তু আমি অহমিকা বোধ (Egoism) আৰু সত্তা বোধ একে বুলি ভাবি লোৱাৰ কাৰণেই খেলি-মেলিৰ সৃষ্টি হ'বলৈ পায়; আৰু সেই কাৰণেই স্বাৰ্থ-কলুষিত 'মই' ভাবটো পৰিহাৰ কৰিবলৈ আমি ভয় কৰোঁ। আমি সততে এইটো পাহৰি থাকোঁ যে কেৱল নৈৰ্ব্যক্তিক জৈৱিক প্ৰজ্ঞাক সম্বল কৰিহে আমি সংসাৰত জন্ম গ্ৰহণ কৰিছিলোঁ। আমাৰ অহংবোধ বা 'মই' ভাবটো গঢ়ি উঠিছিল 'ওপজাৰ বহুদিন পাছত।

আমি আগতে পাইছিলোঁ যে আমাৰ মনৰ কাৰ্য্য-কলাপসমূহক চিন্তা, অনুভূতি আৰু ইচ্ছা এই তিনি শ্ৰেণীত বিভক্ত কৰিব পাৰি। কিন্তু মনোবিজ্ঞানী ডাঃ য়ুঙে মানসিক কাৰ্য্য-কলাপসমূহক চিন্তা, অনুভূতি, সংবেদন আৰু অন্তৰ্জ্ঞান বা অন্তঃপ্ৰজ্ঞা (Intuition) এনেকুৱা চাৰিটা শ্ৰেণীতহে বিভক্ত কৰিছে। ইচ্ছাৰ কথা অন্তৰ্ভুক্ত কৰা নাই। আমি জানো যে যুক্তি-চালিত ইচ্ছাকৃত চিন্তাৰ গতি মন্থৰ। আনহাতে অলীক কল্পনাৰ গতি ক্ষিপ্ৰতৰ। ডাঃ য়ুঙে পিছৰ বিধক অন্তঃপ্ৰজ্ঞা-চালিত চিন্তা (Intuitive thinking) বুলি অভিহিত কৰিছে। ডাঃ য়ুঙৰ মতে এইবিধ হৈছে যুক্তি বিবৰ্জ্জিত চিন্তা; কাৰণ এই ক্ষেত্ৰত মানুহৰ মনে

---

(২১) 'Individual uniqueness is not a differentiation on the form side as the Ego is. It is a differentiation inherent in the life itself and it only comes into full action, if one may put it so, when the Ego has ceased to exist. Such uniqueness is what makes individual life different from every other and gives its own centre of consciousness'.

—*J. Krishnamurti.*

কোনো এটা বাস্তৱ পৰিস্থিতিৰ বিষয়ে যুক্তি সহকাৰে চিন্তা কৰাৰ পুৰ্ব্বেই সিদ্ধান্ত কৰি পেলায়। যিসকল লোকে সচেতন চিন্তা বা বিবেচনাৰ-দ্বাৰা পৰিচালিত হ'বলৈ ভাল পায়, সেই শ্ৰেণীৰ লোকক চিন্তাশীল শ্ৰেণীৰ (thinking type) লোক বুলি কোৱা হয়। অনুভূতিৰদ্বাৰা পৰিচালিত (feeling type)-সকলৰ প্ৰকৃতি ইয়াৰ বিপৰীত। কোনো এটা পৰিস্থিতিৰ মূল্যায়ন কৰোঁতে এইসকল লোকে নিজৰ ভাবাবেগৰ-দ্বাৰাহে পৰিচালিত হৈ পৰে। এওঁলোকৰ সিদ্ধান্ত নিজৰ ভাল লগা-নলগাৰ ওপৰতে নিৰ্ভৰ কৰে। আকৌ সংবেদন চালিত (Sensation type) লোকসকলৰ প্ৰকৃতি এনেকুৱা যে এওঁলোকে চকুৰে দেখা বা কাণেৰে শুনা সকলো কথাকে সত্য বুলি বিশ্বাস কৰি পেলায়। সত্যাসত্য বিচাৰ কৰিবলৈ এওঁলোকৰ ধৈৰ্য্য নাথাকে। সেই কাৰণে ডাঃ য়ুঙে সংবেদনকো যুক্তি বিবৰ্জ্জিত কাৰ্য্য (Irrational function) বুলি কয়। ইতিপূৰ্ব্বে অন্তঃপ্ৰজ্ঞা-চালিত (Intuitive type) লোকৰ কথা কোৱা হৈছে। সভ্য সমাজৰ মানুহে প্ৰায় একেসুৰীয়া জীৱন যাপন কৰিব লগা কাৰণে মনৰ এই চাৰিওটা দিশৰ সমানে উন্নতি সাধিব নোৱাৰে। শিক্ষিত আৰু বুদ্ধিজীৱীসকলে বলেৰে হ'লেও মনৰ সকলোখিনি শক্তি বৌদ্ধিক কাৰ্য্যত নিয়োজিত কৰিবলৈ বাধ্য হৈ পৰা কাৰণে মনৰ জৈৱিক দিশটোত লিবিডো বা মানসিক শক্তিৰ অভাৱ ঘটে। কিন্তু লিবিডোৰ গতি সদায় একমুখী হৈ নাথাকে। গতিকে এদিন তাৰ গতি অৱচেতনাভিমুখী হৈ পৰিবলৈ বাধ্য। আকৌ অৱচেতন মনৰ আদিম জৈৱিক প্ৰবৃত্তিৰ দিশটোত অধিক লিবিডোৰ সমাৱেশ ঘটিলে তাৰ উদ্গিৰণ অৱশ্যম্ভাৱী হৈ উঠে। আদিম প্ৰবৃত্তিৰ উদ্গিৰণত বাধা দিবৰ কাৰণে ডাঃ ফ্ৰয়েডে যৌন-কামনাৰ উৎসৰ্পণ তথা 'Sublimation of sex'ৰ যি উপদেশ বিতৰণ কৰিছে, সি এটা দুৰ্ব্বল প্ৰচেষ্টা মাথোন। কাৰণ ফ্ৰয়েডে নিজেই কৈছে যে উৎসৰ্পণৰদ্বাৰা যৌন-কামনাৰ অন্তঃপ্ৰকৃতিৰ পৰিৱৰ্ত্তন নঘটে। 'What is sublimated remains always sex.'

স্বপ্ন জগৎ

স্বপ্ন অৱচেতন মনৰ স্বতঃস্ফূৰ্ত্ত কাৰ্য্য-কলাপৰ নিদৰ্শন। অস্তিত্ববাদী দাৰ্শনিকৰ মতে স্বপ্ন আমাৰ মানসিক অস্তিত্বৰ অন্য এটা অভিব্যক্তি। গতিকে একালৰ শাৰীৰ-তাত্বিক মনোবিজ্ঞাই ভবাৰ দৰে আমাৰ মস্তিষ্কৰ স্নায়ুকোষ কিছুমানৰ অসংযত কাৰ্য্য-কলাপেই স্বপ্ন দেখাৰ একমাত্ৰ কাৰণ হ'ব নোৱাৰে। ফ্ৰয়েডৰ মতে স্বপ্ন অভিপ্ৰায়-প্ৰসূত মানসিক ঘটনা। কিছুমান স্বপ্ন দেখ্ দেখ্‌কৈয়ে ইচ্ছা পৰিপূৰণসূচক (wish fulfilment dream), আন কিছুমান স্বপ্নত অৱশ্যে অৱদমিত আকাঙ্ক্ষাই পৰোক্ষভাৱেহে আত্মপ্ৰকাশ কৰে। স্বপ্ন-বিশ্লেষণৰ উদ্দেশ্য হৈছে স্বপ্নৰ অন্তৰ্নিহিত অৰ্থ উদ্ধাৰ কৰাৰ লগতে তাৰ অন্তৰালত লুকাই থকা অভিপ্ৰায়ৰ বিষয়ে অৱগত হোৱা।

স্বপ্নৰ ইতিহাস মানৱ-জাতিৰ জীৱনেতিহাসৰ সমানে পুৰণি। প্ৰাগৈতিহাসিক যুগৰ গহ্বৰবাসী নিয়েন্দাৰ্‌থেল মানুহেও (Neanderthal man) স্বপ্ন দেখিছিল। দেখিছিল হয়তো চিকাৰৰ স্বপ্ন, উলঙ্গ যুৱতী নাৰীৰ স্বপ্ন। সেই স্বপ্ন আছিল সহজ-সৰল ইচ্ছা পৰিপূৰণসূচক স্বপ্ন। আজিৰ যুগৰ সভ্য মানুহৰ স্বপ্নৰ দৰে প্ৰতীকেৰে ভাৰাক্ৰান্ত দুৰ্ব্বোধ্য স্বপ্ন নহয়।

এজন মানুহে কি স্বপ্ন দেখিছে সেইটো জনা দূৰৰে কথা, মানুহে স্বপ্ন দেখিছে নে নাই সেই কথা ধৰা পেলোৱাও সো সিদিনালৈকে মনোবিজ্ঞানীৰ কাৰণে সম্ভৱপৰ হৈ উঠা নাছিল। কিন্তু বৰ্ত্তমান শতিকাত মস্তিষ্কৰ তড়িৎ-প্ৰৱাহ পৰিমাপক ইলেক্ট্ৰনিক যন্ত্ৰ-পাতিৰ প্ৰভূত উন্নতি সাধিত হোৱাৰ ফলত মানুহৰ টোপনি অৱস্থাত স্বপ্নৰ আৱিৰ্ভাৱৰ কথা ধৰা পেলোৱা সহজসাধ্য হৈ পৰিছে। অধ্যাপক ক্লেইট্‌মেন্ (Kleitman), ডিমেন্ট্ (Dement) আৰু এচেৰিণ্‌স্কি (Aserinsky) প্ৰমুখ্যে স্নায়ুবিজ্ঞানীসকলে দীৰ্ঘকাল ধৰি চলোৱা পৰীক্ষা-নিৰীক্ষাৰপৰা এই কথা ক্ৰমে স্পষ্ট হৈ পৰিছে যে স্বপ্ন অৰ্থহীন মানসিক কাৰ্য্য-কলাপৰ নিদৰ্শন

মাথোন নহয়। বৰং মানসিক স্বাস্থ্যৰ সুৰক্ষাৰ কাৰণে স্বপ্ন অপৰিহাৰ্য্য। অৱশ্যে ডাঃ ফ্ৰয়েডেও এতিয়াৰপৰা প্ৰায় চাৰি কুৰি বছৰৰ আগতেই আমাক কৈ গৈছে যে টোপনিৰ সুৰক্ষাৰ কাৰণেই স্বপ্ন-ৰচনাৰ আৱশ্যক হৈ পৰে। টোপনি অৱস্থাত সৃষ্টি হোৱা শাৰীৰিক বা মানসিক উত্তেজনাক স্বপ্নলৈ ৰূপান্তৰিত কৰি আমাৰ মনে টোপনি নভগাকৈ ৰাখিবলৈ চেষ্টা কৰে।

যিহেতুকে স্বপ্ন টোপনি অৱস্থাত উদ্ভৱ হোৱা মানসিক ঘটনা, সেই হেতুকে স্বপ্নৰ বিষয়ে বিশদ আলোচনাত প্ৰবৃত্ত হোৱাৰ আগতে আমাৰ টোপনিৰ প্ৰকৃতিৰ বিষয়ে যৎকিঞ্চিৎ আলোচনাৰ আৱশ্যক। অধ্যাপক ক্লেইট্‌মেনে নিশ্চিতভাৱে জানিব পাৰিছে যে টোপনি অহাৰ প্ৰায় ৪৫ মিনিট সময়ৰ ভিতৰতে মানুহ টোপনিৰ গভীৰতম অৱস্থাত উপনীত হৈ পৰে আৰু প্ৰায় ২০ মিনিট সময় তেনে অৱস্থাত অতিৱাহিত কৰে। টোপনিৰ এই গভীৰতম অৱস্থাত ইলেক্ট্ৰো এনচিফেল'গ্ৰাফ্ (Electro encephalograph) যন্ত্ৰই মানুহৰ মস্তিষ্কত ডেল্টা পেটাৰ্নৰ তড়িৎ কম্পন (Delta waves) ধৰা পেলায়। অৱশ্যে তাৰ পাছতো গোটেই নিশাটোত মানুহৰ টোপনিৰ গভীৰতাৰ বহুবাৰ তাৰতম্য ঘটি থাকে। মাজে মাজে টোপনি ইমান পাতল হৈ পৰে যে মানুহ প্ৰায় সাৰ পোৱাৰ পূৰ্ব্বাৱস্থাত উপনীত হৈ পৰে। নিশাৰ শেষৰ ফালে মানুহে গভীৰ টোপনিত অতিৱাহিত কৰা সময়ৰ পৰিমাণ ক্ৰমান্বয়ে হ্ৰাস পাই আহে আৰু পাতল টোপনিত কটোৱা সময়ৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰে। শেহত মানুহে টোপনিৰপৰা সাৰ পায়। অধ্যাপক ক্লেইট্‌মেনে ইয়াকো জানিব পাৰিছে যে পাতল টোপনিৰ অৱস্থাতহে সচৰাচৰ স্বপ্নৰ আৱিৰ্ভাৱ ঘটে আৰু সেয়ে হ'লে চকুৰ ছালৰ তলত চক্ষু-গোলকৰ (Eye ball) সঞ্চালন পৰিলক্ষিত হয়। এই চক্ষু-গোলকৰ সঞ্চালন যিমান পৰলৈকে ঘটি থাকে, মানুহেও তিমান পৰলৈকে স্বপ্ন দেখি থাকে। সেই হিচাপে একোটা স্বপ্ন সচৰাচৰ ত্ৰিশ চেকেণ্ডৰপৰা তিনি-চাৰি মিনিট সময়লৈকে স্থায়ী হ'ব পাৰে।

যদিও অধ্যাপক ক্লেইট্‌মেনেকোৱা মতে অগভীৰ টোপনিতহে (**Stage I sleep with rapid Eye movement**) মানুহে স্বপ্ন দেখে, তথাপি আন একসংখ্যক বিজ্ঞানীৰ মতে টোপনিৰ অন্যান্য অৱস্থা, আনকি গভীৰ টোপনি

অৱস্থাতো মানুহে স্বপ্ন দেখাৰ নিদৰ্শন পোৱা যায়। ইয়াৰদ্বাৰা বুজা যায় যে টোপনিৰ কোনো অৱস্থাতে মানুহৰ ভাব-চিন্তাৰ বিৰতি নঘটে।[২২]

কিছুমান স্বপ্নত সেই চিন্তা জাগ্ৰত চিন্তাৰ দৰে সুস্পষ্ট হৈ পৰে। আকৌ কিছুমান স্বপ্নত সি অতি অস্পষ্ট হৈ পৰে আৰু চিন্তাৰ পৰিৱৰ্তে চিত্ৰ-কল্প বা মানস-প্ৰতিৰূপে তেতিয়া স্বপ্নত প্ৰাধান্য লাভ কৰে। আকৌ বিজ্ঞানীসকলে ইয়াকো জানিব পাৰিছে যে এজন মানুহে টোপনিত স্বপ্ন দেখি থকা অৱস্থাত মানুহজনক বাৰে বাৰে জগাই তুলি স্বপ্ন দেখাত বাধাৰ সৃষ্টি কৰা হ'লে, পাছত তেওঁক নিৰুপদ্ৰৱে শুব দিলে তেওঁ আগৰ ৰাতিবিলাকৰ তুলনাত বেছিকৈ স্বপ্ন দেখে। আকৌ কেবানিশাও তেনেদৰে স্বপ্ন দেখাত বাধা দি থাকি পাছত মানুহজনক শান্তিৰে শুব দিলে, তেওঁ স্বপ্নেৰেই টোপনিৰ কাৰ্য্যসূচী আৰম্ভ কৰে।

আচল প্ৰশ্ন হৈছে মানুহৰ টোপনি ধৰে কিয় ? একালৰ বিজ্ঞানীসকলে এনেদৰে বিশ্বাস কৰিছিল যে মস্তিষ্কৰ অৱসন্নতাই টোপনিৰ কাৰণ। কিন্তু আজিৰ যুগৰ বিজ্ঞানীয়ে মস্তিষ্কৰ অৱসাদ বা মস্তিষ্কৰ উচ্চস্তৰৰ ধূসৰ পদাৰ্থত (**Grey matter**) থকা স্নায়ুকোষবিলাকৰ নিষ্ক্ৰিয়তাকে টোপনিৰ কাৰণ বুলি বিশ্বাস নকৰে। তেওঁলোকে ভাবে যে কোলাহলপূৰ্ণ জীৱনত আমি এতিয়াও সম্পূৰ্ণৰূপে অভ্যস্ত হৈ পৰা নাই। সেই কাৰণে প্ৰতিনিশা টোপনিত আমাৰ মন গৰ্ভবাসৰ কালছোৱাৰ শান্তিপূৰ্ণ মানসিক অৱস্থালৈ ঘূৰি যায়। আনকি শোওঁতে কোনো কোনো মানুহে হাত-ভৰি কোঁচাই কেঁকোৰা হৈ গৰ্ভস্থ সন্তানৰ আকৃতি ধাৰণ কৰে। স্নায়ুবিজ্ঞানীসকলে এইটো ভালদৰে জানিব পাৰিছে যে শৰীৰ আৰু বাহিৰৰ জগতৰ ঘটনাবিলাকে মস্তিষ্কৰ গৰ্ভত থকা ৰেটিকিউলাৰ ফৰ্মেশ্চন (**Raticular formation**) নামৰ সূক্ষ্ম স্নায়ুজালসমষ্টিৰ জৰিয়তে মস্তিষ্কত মুহূৰ্ত্তে

(২২) Perhaps the best general statement is that mental activity of some sort can be present at any stage of sleep, and indeed may be present all the time. Its nature may vary, however from 'Thinking' to processes which possess that quality of experience which we normally attribute to fully fledged dreams.

—*New Horizon of Psychology*

মুহূৰ্ত্তে উত্তেজনাৰ সৃষ্টি কৰি থকাৰ কাৰণেহে আমাৰ চেতনা বৰ্ত্তি থাকে। সেয়েহে বাহিৰৰ গণ্ডগোলৰ হাত সাৰিবৰ কাৰণে আমি শুবলৈ নিৰ্জ্জন ঠাই বিচাৰোঁ। পোহৰৰ গতিৰোধ কৰিবৰ কাৰণে আমি চকু মুদি শোওঁ। ঔষধ প্ৰয়োগৰদ্বাৰা এই ৰেটিকিউলাৰ ফৰ্মেশ্চনক অৱসাদগ্ৰস্ত কৰি তুলিলে প্ৰাণী নিদ্ৰাভিভূত হৈ পৰে। ট্ৰেঙ্কুইলাইজাৰ (Ttanquiliser)-জাতীয় ঔষধ কিছুমানে এনেদৰে ৰেটিকিউলাৰ ফৰ্মেশ্চনক অৱসাদগ্ৰস্ত কৰি মানুহৰ টোপনি আনে।

শিশুৱে ওপজাৰ পাছৰ তিনি দিন গড় হিচাপে ১৬·৫ ঘণ্টা সময় টোপনিত অতিবাহিত কৰে। তৃতীয় সপ্তাহত টোপনিত কটোৱা সময়ৰ পৰিমাণ ১৫ ঘণ্টালৈ হ্ৰাস পায়। শিশুৰ বয়স যেতিয়া ২৬ সপ্তাহ হয়, তেতিয়া সি প্ৰতিদিনে গড়ে ১৪ ঘণ্টাকৈ শুবলৈ লয়। দুবছৰ বয়সৰ শিশু এটাই দৈনিক ১৩·৫ ঘণ্টাকৈ আৰু ছয় বছৰীয়া শিশুৱে দৈনিক ১২ ঘণ্টা সময় টোপনিত অতিবাহিত কৰে। বয়স বাঢ়ি অহাৰ লগে লগে টোপনিৰ পৰিমাণ আৰু হ্ৰাস পায়। দেখা যায় যে ১৩ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে ৯·৫ ঘণ্টা সময়হে প্ৰতিদিনে টোপনিত কটায়। আকৌ ২১ বছৰ আৰু প্ৰৌঢ়াৱস্থাত মানুহৰ টোপনিৰ পৰিমাণ আৰু কমি গৈ দৈনিক গড়ে ৭·৫ ঘণ্টাত ৰয়গৈ। বুঢ়া মানুহৰ টোপনি আৰু কম।

যদিও টোপনিৰ অবৰ্ত্তমানত স্বপ্নৰ সৃষ্টি হ'ব নোৱাৰে, তথাপি স্বপ্নশূন্য টোপনি আৰু স্বপ্নাৱস্থাৰ টোপনিৰ মাজত ভালেখিনি পাৰ্থক্য থকা দেখা যায়। স্বপ্নশূন্য গভীৰ টোপনিৰ অৱস্থাটোত মানুহৰ হৃৎস্পন্দন নিয়মীয়া হৈ থাকে। নাড়ীৰ বেগো নিয়মীয়া হৈ থাকে। শৰীৰৰ মাংসপেশীবিলাক কিছু পৰিমাণে শিথিল হৈ পৰিলেও কণ্ঠ আৰু স্বৰযন্ত্ৰৰ মাংসপেশীবিলাক সম্পূৰ্ণ শিথিল হৈ নপৰে। চকুৰ পতাৰ তলত চক্ষু-গোলক স্থিৰ হৈ থাকে। স্বপ্নশূন্য গভীৰ টোপনিৰ অৱস্থাত মস্তিষ্কত মন্থৰ গতিৰ অৰ্থাৎ ডেল্টা পেটাৰ্ণৰ তড়িৎ-তৰঙ্গৰ (Delta waves) সৃষ্টি হৈ পৰে। আনহাতে স্বপ্নাৱস্থাৰ টোপনিত মানুহৰ মস্তিষ্কত প্ৰায় জাগ্ৰত অৱস্থাৰ বিদ্যুৎ-তৰঙ্গৰ সৃষ্টি হোৱা বিজ্ঞানীসকলে দেখা পাইছে। শৰীৰৰ মাংসপেশীবিলাক অধিক শিথিল হৈ পৰে। তদুপৰি চকুৰ পতাৰ তলত চক্ষু-গোলকৰ সঞ্চালন ঘটা

দেখা যায়; স্বপ্নশূন্য টোপনিৰপৰা মানুহক জগাই তোলা সহজ। কিন্তু স্বপ্ন দেখি থকা অৱস্থাত মানুহক সতকাই জগাব নোৱাৰি। সম্ভৱতঃ স্বপ্ন দেখি থকা অৱস্থাত মানুহৰ মনোযোগ স্বপ্নৰ ঘটনাত একান্তভাৱে নিৱদ্ধ হৈ পৰাৰ কাৰণেই জগাই তুলিবলৈ চেষ্টা কৰাৰ কথা নিদ্ৰিত ব্যক্তিজনে বুজি উঠাত পলম হয়। শৰীৰৰ মাংসপেশীবিলাকৰ শিথিলতাও তাৰ অন্য এটা কাৰণ হ'ব পাৰে। শৰীৰৰ ঐচ্ছিক মাংসপেশীবিলাকৰ (Voluntary muscles) অতিমাত্ৰা শিথিলতাৰ কাৰণেই ভয় লগা স্বপ্ন দেখি মানুহে সাৰ পাবলৈ প্ৰাণপণে চেষ্টা কৰা সত্বেও সতকাই সাৰ পাই উঠিব নোৱাৰে। তদুপৰি স্বপ্নাৱস্থাৰ টোপনিত স্বপ্নত দেখা ঘটনাৰ প্ৰকৃতি অনুসৰি হৃৎস্পন্দন আৰু শ্বাস-প্ৰশ্বাসৰ বেগৰ কিছু তাৰতম্য পৰিলক্ষিত হয়।

কঠিন পৰিশ্ৰমৰ ফলত ক্লান্ত হৈ পৰা লোক শোৱাৰ অলপ পাছতে স্বপ্নশূন্য গভীৰ টোপনিত অচেতন হৈ পৰে। পৰিশ্ৰমৰ ফলত হোৱা শাৰীৰিক ক্ষয়-ক্ষতি পূৰণৰ কাৰণে এইবিধ টোপনি অপৰিহাৰ্য্য। স্বপ্ন নেদেখা টোপনিৰ সময়খিনিত শৰীৰত নতুন কোষ নিৰ্ম্মাণৰ কাম দ্ৰুতগতিৰে চলি থাকে। ইয়াৰ বাবে আৱশ্যক হোৱা হৰমনৰ (Anabolic Hormone) উৎপাদনো স্বপ্নশূন্য টোপনিৰ অৱস্থাতহে দ্ৰুতগতিত সম্পন্ন হ'ব পাৰে। কিন্তু শৰীৰতত্ত্ববিদ্‌সকলে কয় যে মস্তিষ্কৰ ক্ষয়-ক্ষতি পৰিপূৰণৰ কাম স্বপ্নাৱস্থাৰ টোপনিৰ সময়খিনিতহে বোলে সম্ভৱ হ'ব পাৰে। শিশু ওপজাৰ পূৰ্ব্বৰ দুটা মাহত আৰু ওপজাৰ পাছৰ প্ৰথম মাহটোত মস্তিষ্কৰ বিকাশ পূৰ্ণোদ্যমে চলি থাকে। সেই কাৰণে ওপজাৰ পাছৰ মাহটোত শিশুৱে ২৪ ঘণ্টাৰ ভিতৰত ষোল সোতৰ ঘণ্টা সময় টোপনিত অতিবাহিত কৰে। তদুপৰি শিশুৱে স্বপ্নময় টোপনিত অতিবাহিত কৰা সময়ৰ পৰিমাণ প্ৰাপ্তবয়স্ক লোকে তেনে এটা অৱস্থাত অতিবাহিত কৰা সময়ৰ পৰিমাণৰ দুগুণ। তেনেদৰে স্বপ্নময় টোপনিত অচেতন হৈ থকা শিশুৱে মাজে মাজে মিচিকিয়াই হাঁহে, আকৌ কেতিয়াবা কান্দি উঠে। মাইকী মানুহে ধায়ে ধৰা বুলি কয়। এই সময়খিনিত মস্তিষ্কত স্নায়ৱিক সংগঠনৰ (Neural organisation) কাম দ্ৰুতগতিৰে চলি থকা কাৰণে শিশুৰ মস্তিষ্কক সৰহ পৰিমাণে অম্লজান আৰু পৰিপুষ্টিৰ উপাদান যোগান ধৰিব লগা

হয়। সেই কাৰণে টোপনিত থকা সময়খিনিত শিশুৰ মূৰলৈ তেজৰ চলাচল বৃদ্ধি পায়। ফলত শিশুৰ মূৰ-ভাগত অধিক উত্তাপৰ সৃষ্টি হৈ পৰে।

টোপনি শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰক্ষাৰ কাৰণে যে অপৰিহাৰ্য্য সেই কথা আমি সহজেই বুজিব পাৰোঁ। পৰীক্ষামূলক মনোবিদ্যাই দেখুৱাইছে যে এশ ঘণ্টা একেৰাহে নোশোৱাকৈ থাকিলে শৰীৰৰ শক্তি-বিনিময় কাৰ্য্য বিপৰ্য্যস্ত হৈ পৰে। চিন্তা আৰু বিবেচনাত আউল লাগে। চকুৰ আগত নথকা বস্তু দেখিবলৈ ধৰে, যিহক অমূল প্ৰত্যক্ষ বুলি ক'ব পাৰি। এনে ঘটে নিৰ্দ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে—বিশেষকৈ ৰাতিৰ বেলিকা। আন সময়ত পৰীক্ষিত ব্যক্তিজনৰ মানসিক অৱস্থা প্ৰায় স্বাভাৱিক হৈ থকা দেখা যায়। সাধাৰণতে দহ কি বাৰ ঘণ্টামান শুলেই মানুহৰ অৱস্থা স্বাভাৱিক হৈ পৰে। কিন্তু দুশ ঘণ্টা সময় একেৰাহে বিনিদ্ৰ অৱস্থাত অতিবাহিত কৰিলে মানুহৰ মস্তিষ্ক আৰু ব্যক্তিত্বৰ অপূৰণীয় ক্ষতি সাধিত হয়। মানুহ ঘোৰ উন্মাদ হৈ পৰে, কিম্বা মৃত্যুৰ মুখত পৰিবও পাৰে।

টোপনিৰ বিষয়ে আলোচনা কৰোঁতে স্বপ্নচাৰিতাৰ (somnambulism) কথাও আমাৰ মনলৈ আহে। ই এটা অসংলগ্ন মানসিক অৱস্থা, যিটো অৱস্থাত মানুহে শোৱা-পাটীৰপৰা উঠি গৈ নানা কাৰ্য্য সম্পন্ন কৰে, কিন্তু ৰাতিপুৱা সাৰ পাই নিজৰ এনেকুৱা অদ্ভুত আচৰণৰ বিষয়ে একোকে স্মৰণ কৰিব নোৱাৰে। এনে এটা অৱস্থাত দুই-চাৰিয়ে গাণিতিক প্ৰশ্নৰ সমাধানৰ দৰে জটিল কাৰ্য্য সম্পন্ন কৰাৰ উদাহৰণো নথকা নহয়। হিষ্টিৰিয়াভাৱাপন্ন লোকৰ মাজতো এনেকুৱা অসংলগ্ন মানসিক অৱস্থাৰ (Dissociated mental states) প্ৰচুৰ নিদৰ্শন পোৱা যায়।

(খ)

দৈহিক আৰু মানসিক উভয়বিধ উত্তেজনাই মানুহৰ টোপনিত স্বপ্নৰ সৃষ্টি কৰিব পাৰে। অতি ক্ষীণ উত্তেজনাক আমাৰ মনে উপেক্ষা কৰি যায়। উত্তেজনা অতি প্ৰবল হ'লে আমি টোপনিৰপৰা সাৰ পাই যাওঁ। মজলীয়া বিধৰ উত্তেজনাইহে টোপনিত স্বপ্ন গঢ়ি তোলা সম্ভৱ। জাগ্ৰত অৱস্থাত শৰীৰৰ সংবেদজ স্নায়ু-প্ৰান্তত সৃষ্টি হোৱা উত্তেজনাই মস্তিষ্কলৈ গৈ যেনেদৰে

সংবেদন কিম্বা মানস-প্ৰতিৰূপৰ সৃষ্টি কৰে, তেনেদৰে টোপনি অৱস্থাত সৃষ্টি হোৱা স্নায়ৱিক উত্তেজনায়ো মানস-পটত স্মৃতি-প্ৰতিৰূপ (memory image) কিছুমানক সঞ্জীৱিত কৰি তোলে। এই স্মৃতি-প্ৰতিৰূপবিলাকৰ এটাই আন এটা স্মৃতি-প্ৰতিৰূপ জগাই তোলে। সেইটোৱে জগাই তোলে তৃতীয় এটা। এনেকৈ মুহূৰ্ত্তৰ ভিতৰতে এমুঠি স্মৃতি-প্ৰতিৰূপৰ সমাৱেশ ঘটা হেতুকে সিহঁতে স্বপ্নৰ ৰূপ গ্ৰহণ কৰি পেলায়। মন কৰিবলগীয়া যে দৈহিক উত্তেজনাই এনেবিধ স্বপ্ন গঢ়ি তুলিলেও দৈহিক উদ্বোধক (Stimulant) বা দৈহিক উত্তেজনাৰ প্ৰকৃত কাৰণটো স্বপ্নত প্ৰায়ে অপ্ৰকাশিত হৈ ৰয়। মানসিক ক্ষেত্ৰত অৱদমিত কামনা, অমীমাংসিত সমস্যা আৰু অন্যান্য ৰাগাত্মক প্ৰকৃতিৰ চিন্তাই স্বপ্ন-ৰচনাৰ সমল যোগায়। এনেবিলাক ৰাগাত্মক মানসিক ঘটনা টোপনিত মনত জাগি উঠিবলৈ উপক্ৰম কৰিলে টোপনিত ব্যাঘাত ঘটে। গতিকে টোপনি নভগাকৈ থাকিবলৈ হ'লে এই ৰাগাত্মক চিন্তা বা স্মৃতিবিলাকক স্বপ্ন-ৰচনাৰদ্বাৰা আওপকীয়াভাৱে মুক্তিদান কৰিব লগাত পৰে। সেয়েহে স্বপ্নত অৱদমিত কামনাৰ পৰিতৃপ্তি সাধন কৰি, কিম্বা অমীমাংসিত সমস্যাৰ শিশুসুলভ সমাধান উলিয়াই আমাৰ মনে মানসিক চাপৰ (Psychic tension)-পৰা অব্যাহতি লাভ কৰিবলৈ চেষ্টা কৰে। ভীতিপ্ৰদ স্বপ্নবিলাকহে ইয়াৰ ব্যতিক্ৰম যেন লাগে।

স্বপ্নৰ আভ্যান্তৰিক সংগঠন অতিশয় জটিল আৰু দুৰ্ব্বোধ্য। এক হিচাপে ক'বলৈ গ'লে বৰ্ত্তমান শতিকাৰ আৰম্ভণিতে মনোবিজ্ঞানী ডাঃ ফ্ৰয়েডে স্বপ্নৰ সংগঠনৰ বিষয়ে যিখিনি তথ্য-পাতি আমাক দি গ'ল, তাৰ লগত যোগ দিব পৰা কোনো নতুন তথ্য এই শতিকাত আৱিষ্কৃত হোৱা নাই। গতিকে স্বপ্নৰ আভ্যন্তৰিক সংগঠনৰ বিষয়ে আলোচনা কৰোঁতে ফ্ৰয়েডে দি যোৱা তথ্যসমূহকে ভিত্তি হিচাপে আমি গ্ৰহণ কৰিব লাগিব। ফ্ৰয়েডে দেখুৱাই গৈছে যে প্ৰতিটো স্বপ্নৰে এটা ব্যক্ত দিশ (menifest dream) আৰু এটা অব্যক্ত দিশ (un-menifested or latent dream) থাকে। ব্যক্ত স্বপ্নটো একাধিক অব্যক্ত স্বপ্ন বা নিৰ্জ্ঞান স্বপ্ন-চিন্তাৰ যোগ-বিয়োগৰ শেহতীয়া পৰিণতি। নিৰ্জ্ঞান স্বপ্ন-চিন্তাৰ এনেকুৱা যোগ-বিয়োগ

আৰু আনুষঙ্গিক নিৰ্জ্ঞান ক্ৰিয়া-প্ৰতিক্ৰিয়াবিলাকক সমূহীয়াভাৱে স্বপ্ন-কাৰ্য্য (Dream work) বুলি অভিহিত কৰা হয়। সিহঁত সংক্ষেপে এনেকুৱা—

(ক) নিৰ্জ্ঞান স্বপ্ন-চিন্তাৰ সংক্ষেপণ (Condensation),

(খ) চিন্তা আৰু আৱেগৰ অভিক্ৰান্তি (Displacement),

(গ) চিন্তাৰ প্ৰতীক-ৰূপ গ্ৰহণ (Symbolisation),

(ঘ) স্বপ্নাভিনয় আৰু চিন্তাৰ গৌণ বিস্তাৰণ (Dramatisation and Secondary elaboration)।

এই সকলোবিলাকেই নিৰ্জ্ঞান মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া। গতিকে কেনেদৰে এই ঘটনাবিলাক ঘটি যায়, সেই বিষয়ে সচেতন মনে একো গম ধৰিব নোৱাৰে। কাৰণ আমি ব্যক্ত স্বপ্নটোহে সচেতন মনেৰে দেখা পাওঁ। ডাঃ ফ্ৰয়েডে কয় যে স্বপ্ন দেখাৰ ক্ষুদ্ৰ সময়খিনিত স্বপ্নৰূপে আত্মপ্ৰকাশ কৰিব খোজা প্ৰতিটো নিৰ্জ্ঞান স্বপ্ন-চিন্তাই গাইগুটীয়াভাৱে আত্মপ্ৰকাশ কৰা কোনোমতে সম্ভৱ হ'ব নোৱাৰে কাৰণেই চিন্তা-সংক্ষেপণৰ আৱশ্যক হৈ পৰে। এই প্ৰক্ৰিয়াৰদ্বাৰা সমধৰ্ম্মী একাধিক চিন্তা লগ লাগি এটা চিন্তাত পৰিণত হৈ যায়। কেবাজনো ব্যক্তিৰ চেহেৰাৰ স্মৃতি লগ লাগি একাকাৰ হৈ পৰাত স্বপ্নত একো একোজন অপৰিচিত ব্যক্তিৰ আৱিৰ্ভাৱ হয়। আকৌ কেবাখনো চিনাকি ঠাইৰ স্মৃতি স্বপ্নত একাকাৰ হৈ পৰাত একোখন অচিনাকি ঠাইৰ সৃষ্টি হৈ পৰে। নিজৰ স্বপ্নবিলাক সূক্ষ্মভাৱে নিৰীক্ষণ কৰিলেই নিৰ্জ্ঞান স্মৃতিৰ এনেকুৱা সংমিশ্ৰণৰ কথা আমাৰ চকুত ধৰা পৰি যায়।

অৱশ্যে এইটোৱে সম্ভৱ যে স্বপ্নত চিন্তাৰ গতি অতি ক্ষিপ্ৰ কাৰণে স্বপ্ন দেখা দুই-তিনি মিনিট সময়ৰ ভিতৰত ভালেমান ব্যক্ত স্বপ্নৰ সৃষ্টি হৈ পৰে। তাৰে দুই-চাৰিটা স্বপ্ন সুস্পষ্ট, আকৌ কিছুমান অতি অস্পষ্ট কাৰণে সিহঁতক লগে লগেই পাহৰি পেলোৱা হয়। যি কেইটা স্বপ্নৰ স্মৃতি শেহলৈকে মনত ৰয়গৈ, আমাৰ মনে সিহঁতক পুনৰ যোগ-বিয়োগ কৰি নতুন স্বপ্ন এটা গঢ়ি তোলে। যি হওক চিন্তা-সংক্ষেপণ প্ৰক্ৰিয়াৰ ফলত স্বপ্নত প্ৰকাশ পাব খোজা ভালেমান চিন্ত বাদ পৰি যায়। তদুপৰি আগৰ চিন্তা পিছ পৰা আৰু পিছৰ চিন্তা আগ হৈ পৰাও দেখা যায়। আকৌ ব্যক্ত স্বপ্নটো

একাধিক অব্যক্ত স্বপ্নৰ যোগ-বিয়োগৰ শেহতীয়া পৰিণতি হোৱা হেতুকে যিবিলাক ঘটনাত গুৰুত্ব আৰোপিত হ'ব লাগে, তাত নহৈ তাতোকৈ তুচ্ছ ঘটনাৰ ওপৰত গুৰুত্ব আৰোপিত হৈ পৰাও দেখা যায়। ইয়াকে আৱেগৰ অভিক্ৰান্তি বুলি কোৱা হয়।

ব্যক্ত স্বপ্নটোক সমন্বয়পূৰ্ণ ঘটনাৰ ৰূপদানৰ ক্ষেত্ৰত আমাৰ সচেতন মনেও গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। স্বপ্নৰ পাহৰি যোৱা অংশবিলাকক সচেতন মনে ভুৱা স্মৃতিৰদ্বাৰা পূৰ কৰি লয়। এনেদৰে স্বপ্নৰ ঘটনা-বিলাকৰ বহুবাৰ যোগ-বিয়োগ ঘটি যোৱাৰ কাৰণেই সৰহভাগ স্বপ্নই দুৰ্ব্বোধ্য মানসিক ঘটনাত পৰিণত হয়। আনকি কোনো কোনো ক্ষেত্ৰত ব্যক্ত স্বপ্নটো অব্যক্ত স্বপ্নৰ বিপৰীতাৰ্থক হৈ পৰিবও পাৰে।

কিন্তু স্বপ্নৰ দুৰ্ব্বোধ্যতাৰ সৰাতকৈ উল্লেখযোগ্য কাৰণ হৈছে নিৰ্জ্জান স্বপ্ন-চিন্তাৰ প্ৰতীকীকৰণ (symbolisation)। কাৰণ সচেতন মনৰ লগত পূৰ্ব্বৰেপৰা পৰিচয় নথকা নিৰ্জ্জান চিন্তাই স্বপ্নত আত্মপ্ৰকাশ কৰিবলৈ হ'লে চিন্তাই প্ৰতীকৰ ৰূপত আত্মপ্ৰকাশ কৰিবলৈ বাধ্য হৈ পৰে। তদুপৰি নিৰ্জ্জান মনৰ চিন্তাই হৈছে প্ৰতীকাশ্ৰয়ী চিন্তা। কাৰণ এই মনে আমাৰ সচেতন মনে কৰাৰ দৰে ভাষা বা অৰ্থসূচক ধ্বনি প্ৰতিৰূপক অৱলম্বন কৰি চিন্তা কৰিব নাজানে। গতিকে স্বপ্নত ভয়ৰ ভাব প্ৰকাশ কৰিবলৈ হ'লে অৱচেতন মনে ভয়াৱহ ঘটনাৰ সৃষ্টি কৰিব লগাত পৰে। আকৌ ধৰ্ম্মৰ কথা স্বপ্নত প্ৰকাশ কৰিবলৈ হ'লে মন্দিৰ, মচ্জিদ বা গীৰ্জ্জাৰ ছবিৰ অৱতাৰণা কৰিব লগা হয়। ফ্ৰয়েডে কয় যে স্বপ্নত ভাব প্ৰকাশৰ কাৰণে আমাৰ মনে গ্ৰহণ কৰা প্ৰতীকবিলাকৰ সৰহ সংখ্যকেই যৌন-প্ৰতীক (sex symbol)। ফ্ৰয়েডে এনেকুৱা ১০২ টা যৌন-প্ৰতীকৰ কথা তেওঁৰ ৰচনাবিলাকত উল্লেখ কৰিছে। কথাটো ভাবিলে অতিৰঞ্জিত কৰা যেন লাগে। পিছে ইংৰাজী ভাষাত ফ্ৰয়েডে ব্যৱহাৰ কৰা প্ৰতীকৰ উপৰিও বোলে আৰু আঠানৱৈটা প্ৰতীক আছে, যাক ব্যৱহাৰ কৰা হয় অকল পুৰুষৰ যৌনাঙ্গক বুজাবৰ কাৰণে। সাদৃশ্য, গুণ বা কাৰ্য্য-ক্ষমতাৰ বিচাৰ কৰি স্বপ্নত আমাৰ মনে প্ৰতীক নিৰ্ব্বাচন কৰে, যি কাৰ্য্য ঘটি যায় আমাৰ সচেতন বিচাৰ-বিৱেচনাৰ একান্ত অলক্ষিতে।

আমাৰ সকলোবিলাক স্বপ্নই ৰাগাত্মক চিন্তাৰ প্ৰতীকমূলক অভিব্যক্তি বুলি ক'ব পাৰি। নিৰাসক্ত চিন্তাই মানসিক ভাৰসাম্য বিঘ্নিত নকৰে। গতিকে তেনে চিন্তাই স্বপ্ন-ৰচনা কৰাৰ একো প্ৰয়োজন নাথাকে। আকৌ ইয়াকো দেখা যায় যে অৱদমিত ৰাগাত্মক চিন্তা বা অৱদমিত ৰাগাত্মক স্মৃতিয়েহে স্বপ্ন-ৰচনাত সক্ৰিয় ভূমিকা গ্ৰহণ কৰে। স্বপ্নত কেতিয়াবা পুত্ৰ-কন্যা বা প্ৰিয়জনৰ মৃত্যু দৃশ্য দেখিবলৈ পোৱা যায়। এনেবিধ স্বপ্ন দেখিলে প্ৰিয়জনৰ অমঙ্গলৰ আশঙ্কাত স্বপ্ন দেখোঁতাজন উৎকণ্ঠিত হৈ পৰা স্বাভাৱিক। এনেবিধ স্বপ্নক ইচ্ছা-পৰিপূৰণসূচক স্বপ্ন বুলি ক'লে আমি বিশ্বাস কৰিব নোখোজোঁ। কিন্তু স্বপ্নত দেখা পুত্ৰ-কন্যা নিজৰ পুত্ৰ-কন্যা নহৈ আনৰ পুত্ৰ-কন্যাও হ'ব পাৰে। দ্বিতীয়তে এইটোও হ'ব পাৰে যে স্বপ্ন দেখোঁতাজন সচেতন মনেৰে নিজ পুত্ৰ-কন্যাৰ প্ৰতি স্নেহশীল হ'লেও অৱচেতন মনেৰে তেওঁ সিহঁতৰ প্ৰতি বৈৰীভাৱাপন্ন। হয়তো সুদূৰ অতীতত তেওঁ খঙৰ ভমকত মুহূৰ্ত্তৰ কাৰণে হ'লেও নিজ পুত্ৰ-কন্যাৰ মৃত্যু-কামনা কৰিছিল, যিটো কথা তেওঁ আজি স্মৰণ কৰিবলৈ অপাৰগ। কাৰণ খং মাৰ যোৱাৰ পাছত তেওঁ কৃতকৰ্ম্মৰ বাবে ঘোৰ অনুতপ্ত হৈ পৰিছিল আৰু পুত্ৰ-কন্যাৰ মৃত্যুৰ কথাই কোনো অসতৰ্ক মুহূৰ্ত্তত তেওঁৰ মনত ভূমুকি মাৰিলেও সেই চিন্তাক তৎমুহূৰ্ত্তে তেওঁ অৱচেতন মনলৈ নিৰ্ব্বাসন দিছিল। কিন্তু নিশা টোপনিত সচেতন মনৰ বান্ধোন শিথিল হৈ পৰা কাৰণে সেই অৱদমিত মৃত্যু ইচ্ছা-স্বপ্নৰূপে সচেতন মনত পুনৰ জাগি উঠাত একো অসুবিধা নঘটে।

যেতিয়া পতি আৰু পত্নীৰ মাজত মনৰ মিল নাথাকে, তেতিয়া পতি বা পত্নীয়ে তেওঁলোকৰ একমাত্ৰ পুত্ৰটিক বিৱাহ-বিচ্ছেদৰ ঘোৰ অন্তৰায় বুলি ভাবি লৈ মনে মনে তাৰ মৃত্যু কামনা কৰে। মনঃসমীক্ষকে কোৱা মতে সভ্য সমাজত শতকৰা ৭৫টা সন্তানে মাতৃৰ ইচ্ছাৰ বিৰুদ্ধে আৰু শতকৰা ৯৫টা সন্তানে পিতৃৰ ইচ্ছাৰ বিৰুদ্ধে সংসাৰত জন্ম গ্ৰহণ কৰে। অন্ততঃ পুৰুষৰ ক্ষেত্ৰত অপত্য স্নেহ যে জন্মগত মনোবৃত্তি নহয়

তাত সন্দেহ নাই। কোনো কোনো প্ৰাণীৰ মতাটোৱে সন্তান ওপজাৰ পাছতে তাক উদৰসাৎ কৰি নিষ্কণ্টক হ'বলৈ বিচাৰে। সন্তানক ৰক্ষা কৰিবৰ কাৰণে মাইকী জন্তুৱে মতা জন্তুৰ লগত যুদ্ধ কৰি ক্ষত-বিক্ষত হৈ পৰাও দেখা যায়। মেকুৰীৰ দৰে প্ৰাণীৰ মাইকীজনীয়ে নিজৰ পোৱালি কেইটাক সঘনে স্থানান্তৰিত কৰি থাকে, যাতে মতাটোৱে সিহঁতক সতকাই বিচাৰি পাব নোৱাৰে।

পিতৃৰ প্ৰতি পুত্ৰ-সন্তানৰ মন যে উভয়াৱেগ সম্পন্ন আৰু তাৰ অন্তৰত পিতাকৰ প্ৰতি স্নেহ-ভাবৰ লগতে যে বিদ্বেষৰ ভাবো লুকাই থাকে, তাৰ দৃষ্টান্ত ভালেমান স্বপ্নতে পোৱা যায়। তলৰ স্বপ্নটোলৈ মন কৰক।

"পিতাদেউ ঢুকাল। তেওঁৰ শৰটো বগা কাপোৰ এখনেৰে ঢাকি শুৱাই ৰখা হৈছে। কিন্তু কাপোৰখনৰ তলত শৰটো নাই"।

এই স্বপ্নটোত স্বপ্ন দেখোঁতা পুত্ৰজনৰ মনত ছুটা বিপৰীতমুখী আকাঙ্ক্ষা লুকাই থকা দেখা গৈছে। তেওঁ অৱচেতন মনেৰে পিতাকৰ মৃত্যু-কামনা কৰিছে, কিন্তু সচেতন মনেৰে পিতাক জীয়াই থকাটো বিচাৰিছে। শৰটো ঢাকি ৰখা কাপোৰৰ তলত শৰটো নথকাটোৱে পিতাকৰ যে মৃত্যু হোৱা নাই তাৰে ইঙ্গিত বহন কৰিছে।

কিন্তু সকলো স্বপ্নতে প্ৰেম আৰু বিদ্বেষৰ দৰে উভয়াৱেগৰ কথা ইমান স্পষ্টভাৱে প্ৰকাশ নাপায়। লগতে অন্যান্য সমস্যাও আহি পৰে। ফ্ৰয়েডে ব্যাখ্যা কৰা তলৰ স্বপ্নটোত সেয়ে হোৱা দেখা গৈছে.

স্বপ্ন—"পিতাদেউৰ মৃত্যু হৈছে। তেওঁৰ মৃতদেহটো কবৰৰপৰা খান্দি উলিওৱা হৈছে। পিতাদেউক ৰুগ্ন যেন দেখা গৈছে। পিছে তেওঁ পূৰ্ব্বৰদৰে আমাৰ মাজতে বাস কৰিবলৈ ধৰিলে আৰু সেই কথা পিতাদেৱে যাতে লক্ষ্য নকৰে, সেই বিষয়ে মই তৎপৰ হৈ পৰিলোঁ।"

এই স্বপ্নটোত পুত্ৰজনে নিজৰ মনত পিতাকৰ প্ৰতি পোষণ কৰি অহা ছুটা বিপৰীতমুখী কামনাৰ কথা প্ৰকাশ পোৱা দেখা গৈছে। এটা হৈছে সি পিতাকৰ প্ৰতি পোষণ কৰা মৃত্যু-কামনা আৰু আনটো হৈছে পিতাক জীয়াই থাকক এনে এটা শুভ কামনা। স্বপ্নটোত পুত্ৰজনৰ মনে এই বিপৰীতমুখী ভাব ছুটাৰ মাজত সমন্বয় গঢ়ি তুলিবলৈ চেষ্টা কৰিছে। অৰ্থাৎ

পিতাকৰ মৃত্যু হোৱা সত্বেও পিতাকজন জীয়াই আছে আৰু পূৰ্ব্ববদৰেই এতিয়াও পৰিয়ালটোৰ মাজতে বাস কৰি আছে। আমাৰ যুক্তি-কণ্টকিত সচেতন মনে কেতিয়াও একে সময়তে এনে দুটা পৰস্পৰ-বিৰোধী চিন্তাক প্ৰশ্ৰয় দিব নোৱাৰে। কিন্তু আমাৰ অৱচেতন মনৰ ধ্যান-ধাৰণা স্বকীয়া। অৱচেতন মনে জীৱন আৰু মৃত্যুৰ মাজত একো পাৰ্থক্য নেদেখে।

সাধাৰণভাৱে চাবলৈ গ'লে এই স্বপ্নটোৰ আন কোনো গূঢ়াৰ্থ থাকিব নোৱাৰে। কিন্তু ডাঃ ফ্ৰয়েডে ইমানতে সন্তুষ্ট থাকিব নোৱাৰিলে। তেওঁ স্বপ্ন দেখোঁতাজনৰ অৱচেতন মনৰ আৰু গভীৰতাত প্ৰৱেশ কৰিবলৈ চেষ্টা কৰিলে। স্বপ্ন দেখোঁতা যুৱকজনৰ পিতৃ-বিয়োগ হোৱাটো সত্য। কিন্তু পিতাকৰ মৃত দেহটো কবৰৰপৰা খান্দি উলিওৱা হোৱা নাছিল। ফ্ৰয়েডে জানিব পাৰিলে যে পিতাকক কবৰ দি ঘৰলৈ অহাৰ খন্তেক পাছতে পুতেকজনৰ দাঁতৰ যন্ত্ৰণা আৰম্ভ হৈছিল আৰু তেওঁ দন্ত-চিকিৎসক এজনৰ ওচৰলৈ গৈ তেওঁৰ বিষোৱা দাঁতটো উঘালি পেলাবলৈ দন্ত-চিকিৎসক-জনক অনুৰোধ কৰিছিল। দন্ত-চিকিৎসকজনে কিন্তু যুৱকজনৰ সেই অনুৰোধ ৰক্ষা নকৰিলে। বৰং তেওঁ ক'লে—'দাঁতৰ বিষ গুচাবৰ কাৰণে সেইটো শ্ৰেষ্ঠ উপায় নহয়। বৰং দাঁতটোৰ গুৰিত থকা স্নায়ুবিলাকক অসাৰ কৰি তুলিবৰ কাৰণে মই ঔষধ এটা দাঁতৰ গুৰিত সুমুৱাই দিম আৰু কালিলৈ তাক উলিয়াই পেলাম।'

ফ্ৰয়েডৰ বিশ্লেষণ মতে বিষোৱা দাঁতটো তাৰ আলুৰপৰা খান্দি উলিয়াই পেলোৱাৰ ইচ্ছাটো প্ৰকাশ পাইছে কবৰৰপৰা পিতাকৰ মৃত দেহটো খান্দি উলিয়াই অনা কাৰ্য্যৰ জৰিয়তে। যুৱকজনৰ পিতাক কেবামাহো ধৰি ৰোগত শয্যাশায়ী হৈ আছিল আৰু পুতেকজনে অনিচ্ছা সত্বেও পিতাকৰ চিকিৎসাৰ কাৰণে বহু ধন ব্যয় কৰিব লগা হৈছিল। তদুপৰি ৰুগীয়া পিতাকৰ আলপৈচান ধৰোঁতে পুতেকজনে বহুতো কষ্ট স্বীকাৰ কৰিব লগা হৈছিল। বেমাৰী দাঁতটো বেমাৰী পিতাকজনৰ প্ৰতীক। গতিকে বেমাৰী দাঁতটো উঘালি পেলাবৰ কাৰণে কৰা অনুৰোধৰ অৰ্থ এনেকুৱা যে পিতাক মৰিব লাগে। কিন্তু স্বপ্ন দেখোঁতাজন আছিল জাতত য়ীহুদী। য়ীহুদী ধৰ্ম্মমতে পুত্ৰই পিতৃৰ মৃত্যু কামনা কৰা মহাপাপৰ

চামিল, যিটোক তেওঁ কেতিয়াও সজ্ঞানে মনত স্থান দিব নোৱাৰে। কোনো অসতৰ্ক মুহূৰ্ত্তত তেনে চিন্তাই মনত ভুমুকি মাৰিলেও তৎক্ষণাৎ সেই অশুভ চিন্তাক তেওঁ সচেতন মনৰপৰা বহিষ্কাৰ কৰি দিছিল। পুত্ৰজনৰ মনত থকা ধৰ্ম্মীয় নিষেধাজ্ঞা প্ৰকাশ পাইছে দন্ত-চিকিৎসকজনে দাঁতটো উঘালি পেলাবলৈ অস্বীকাৰ কৰাটোৰদ্বাৰা। 'এইটো দাঁতৰ বিষ গুচোৱাৰ শ্ৰেষ্ঠ উপায় নহয়'—দন্ত-চিকিৎসকজনৰ এই উক্তিৰ আওপকীয়া অৰ্থ হয় এনেকুৱা যে পিতৃৰ মৃত্যু কামনা কৰাটো অতিশয় গৰ্হিত কাম।

আকৌ স্বপ্নত দাঁত অকল শক্তি-সামৰ্থ্যৰ প্ৰতীকেই নহয়, লগতে দাঁত পুৰুষৰ যৌনাঙ্গৰ প্ৰতীক। হাতেৰে আঁজুৰি দাঁত উঘলাটো আত্ম-ৰতিত লিপ্ত হৈ শক্তি-সামৰ্থ্য অপচয় কৰাৰ প্ৰতীক। পুৰুষ শিশু আত্ম-ৰতি চৰ্চ্চাত লিপ্ত হ'লে বা সঘনে যৌনাঙ্গত হাত দিলে সি পিতাকৰপৰা যৌনাঙ্গ-ছেদৰ (Castration) দৰে কঠোৰ শাস্তি পাবৰ আশঙ্কা থাকে। 'পিতাকে যাতে সেইটো লক্ষ্য নকৰে' তাৰ প্ৰতি স্বপ্ন দেখোঁতা যুৱকজন মনোযোগী হৈ পৰাৰ অন্তৰ্নিহিত অৰ্থ হৈছে, শৈশৱ-কালত যুৱকজনে আত্ম-ৰতিত লিপ্ত হৈ পৰাটো যাতে পিতাকৰ দৃষ্টিগোচৰ হৈ নপৰে, সেই বিষয়ে সতৰ্ক হৈ পৰা। গতিকে ফ্ৰয়েডৰ মতে এই স্বপ্নটোত পুত্ৰজনৰ বৰ্ত্তমান সমস্যা প্ৰকাশ পোৱাই নহয়, তেওঁৰ শৈশৱ-কালৰ চিন্তা-ধাৰণাৰ কথাও প্ৰকাশ পাইছে।

আমাৰ সৰহ সংখ্যক স্বপ্নৰ উৎস হৈছে আমাৰ ব্যক্তিগত অৱচেতন মন। তদুপৰি স্বপ্ন দেখা দিনটোৰ ভাব-চিন্তাৰ যি অৱশিষ্ট থাকেগৈ (Thought residue), সিও স্বপ্ন-ৰচনাত কম-বেছি অংশ গ্ৰহণ কৰে। এইটো সকলোৱে জানে যে আমি দেখিবলৈ বিচৰা সপোন আমি কাচিৎহে দেখা পাওঁ। ব্যক্তিগত অৱচেতন মনত বন্দী হৈ থকা সমাজ-বিৰোধী আকাঙ্ক্ষাবিলাকেহে স্বপ্ন-ৰচনাত ঘাই ভূমিকা গ্ৰহণ কৰে। অৱদমিত যৌন-কামনাও এই সমাজ-বিৰোধী চিন্তাসমূহৰ ভিতৰৰে এটা। প্ৰতিজন বিবাহিত পুৰুষেই এইটো নিশ্চয় লক্ষ্য নকৰাকৈ থকা নাই যে তেওঁলোকৰ যৌনোত্তেজনা-প্ৰসূত স্বপ্নবিলাকত নিজ পত্নীত উপগত হোৱা খুব কমেইহে

দেখা যায়। সৰহভাগ এনেকুৱা স্বপ্নত পুৰুষৰ যৌনিক সংসৰ্গ ঘটে পৰৰ বিয়াহিতা পত্নী, কিম্বা নিজ পৰিয়ালৰে কোনো নিষিদ্ধ সম্পৰ্কৰ নাৰীৰ লগত। পুৰুষৰ যৌনাৱেগ-প্ৰসূত স্বপ্নবিলাকত পুৰুষৰ যৌন-কামনাই প্ৰায়ে মুক্তভাৱে আত্মপ্ৰকাশ কৰা দেখা যায়। কিন্তু যৌনাৱেগ প্ৰকাশৰ ক্ষেত্ৰত তিৰোতাৰ মনে নানা বাধা-নিষেধ (**Inhibition**) আৰোপ কৰে। কাৰণ তিৰোতাৰ ক্ষেত্ৰত যৌন-সম্ভোগৰ পৰিণাম অবাঞ্ছিত গৰ্ভসঞ্চাৰো হ'ব পাৰে। সেয়েহে তিৰোতাৰ যৌনোত্তেজনা-প্ৰসূত স্বপ্নবিলাকত তেওঁলোকৰ যৌনাভিলাষে সততে প্ৰতীকৰ ছদ্মবেশত আত্মপ্ৰকাশ কৰে। বহু বছৰৰ আগতে প্ৰৌঢ়া মহিলা এগৰাকীয়ে লিখকৰ আগত বৰ্ণনা কৰা তলৰ স্বপ্নটোলৈ মন কৰকচোন।

স্বপ্ন :—"মই এটা ডাঙৰ বৰালী মাছ কুটিবলৈ লৈছোঁ। মোৰ স্বামীয়ে ওচৰতে মুঢ়া এটাত বহি লৈ মাছ কুটা চাই আছে। মাছটোৰ পেটটো ফালি দিয়াৰ লগে লগে দীঘল ক'লাবৰণীয়া সাপ এডাল মাছটোৰ পেটৰপৰা ওলাই গৈ স্বামীৰ সমুখত ফেঁট তুলি ব'ল। মোৰ স্বামীয়ে তেতিয়া ক'লে যে মাছটোৰে মুখ মেলি থকা অৱস্থাত সাপটো কেনেবাকৈ মাছটোৰ পেটৰ ভিতৰত সোমাই পৰিছিল। সাপটো দেখি মোৰ ভয় লগা নাছিল কিম্বা মই আশ্চৰ্য্যান্বিত হৈ পৰাও নাছিলোঁ।"

ৰাতিপুৱা টোপনিৰপৰা সাৰ পাই মহিলাগৰাকীয়ে আৱিষ্কাৰ কৰিলে যে সেই নিশা তেওঁৰ মাহেকীয়া ঋতুস্ৰাৱ ঘটিছিল। যৌন-বিজ্ঞানীয়ে কয় যে কোনো কোনো তিৰোতা মানুহে ঋতুস্ৰাৱৰ কালতহে যৌনোত্তেজনা অনুভৱ কৰে। তদুপৰি সাপ পুৰুষৰ যৌনাঙ্গৰ প্ৰতীক।[২৩] গতিকে

(২৩) (i) The serpent with its capability of erection is clearly phallic and as found in many Egyptian monuments undoubtedly symbolises male Erection.

—*Phallicism in the Bible*—*H. Cutner.*

(ii) It seems to me that most people who are afraid of the sex instinct are especially likely to dream of the male sex organ under the guise of the snake.

—*Analytical Psychology—Dr. C. G. Yung.*

সাপটোৱে স্বামীৰ আগত ফেঁট তুলি বৈ থকাটোৱে স্বামীৰ যৌনোত্তেজনা জাগৰণক বুজাইছে। আকৌ মাছটোৰ মেলি থকা মুখখন নিঃসন্দেহে তিৰোতাৰ যৌনি-গহ্বৰৰ প্ৰতীক। গতিকে মাছটোৰ মুখেৰে সাপটো মাছৰ পেটলৈ সোমাই পৰা কাৰ্য্যটো যোনি-গহ্বৰত পুৰুষাঙ্গৰ প্ৰৱেশ তথা সঙ্গম-ক্ৰিয়াৰ প্ৰতীক। বঙ্গদেশৰ কোনো অঞ্চলৰ জন-বিশ্বাসমতে গৰ্ভৱতী তিৰোতাই সাপৰ স্বপ্ন দেখিলে বোলে পুত্ৰ সন্তান জন্ম দিয়ে। গতিকে দেখা যায় যে জন-বিশ্বাস মতেও সাপ পুৰুষাঙ্গৰ প্ৰতীক।

বাইবেল-শাস্ত্ৰত পোৱা যায় যে সৰ্পৰূপী চয়তানৰদ্বাৰা প্ৰলুব্ধ হৈ নিষিদ্ধ বৃক্ষৰ সুস্বাদু ফল ভক্ষণ কৰাৰ কাৰণেই আডম আৰু ইভৰ স্বৰ্গচ্যুতি ঘটিছিল। একসংখ্যক পণ্ডিতে সেই নিষিদ্ধ বৃক্ষক জ্ঞান-বৃক্ষ আৰু আডম-ইভৰ পতন তেওঁলোকৰ আত্মচেতনাৰ জাগৰণ বুলি ক'ব খুজিলেও মনোৱীক্ষণ-তত্ত্ববিদ্‌সকলৰ মতে বৃক্ষ উত্থিত পুৰুষাঙ্গৰহে প্ৰতীক ; যেনেকৈ বৃক্ষক সাৱতি থকা লতা এডাল পুৰুষ-নিৰ্ভৰশীলা নাৰীৰ প্ৰতীক। গতিকে সৰ্পৰূপী চয়তান যে আডম-ইভৰ অৱচেতন মনৰপৰা জাগি উঠা যৌনাৱেগৰ প্ৰতীক তাত সন্দেহ নাই। হিন্দুসকলৰ তন্ত্ৰ-শাস্ত্ৰত উল্লেখ কৰা কুণ্ডলিনী-শক্তিক সৰ্প-শক্তি (**Serpent power**) বুলি কোৱা হয়। হিন্দুৰ উপাস্য দেৱতা শিৱ সৰ্পভূষণ। বহুতো পণ্ডিতৰ মতে শিৱ হেনো একালত অনাৰ্য্য-সকলৰ উপাস্য সৰ্প-দেৱতাহে আছিল। বহু যুগৰ পাছতহে বোলে **'Phallas God'** শিৱৰ ওপৰত ঈশ্বৰত্ব আৰোপ কৰা হৈছিল। নৃতত্ত্ববিদ্-সকলে কয় যে উৰ্ব্বৰতাৰ উপাসনাই (**Worship of fertility**) হৈছে পৃথিৱীত সৰ্ব্বপ্ৰাচীন উপাসনা। সেই কাৰণে সৰ্প, শিৱলিঙ্গ আৰু শিৱৰ বাহন বলধটোক উৰ্ব্বৰতা বা সৃষ্টি ক্ষমতাৰ প্ৰতীক ৰূপে গ্ৰহণ কৰা হ'লে সি কেতিয়াও অযুক্তিকৰ হ'ব নোৱাৰে।

কিন্তু পাঠকসকলে এইটো নিশ্চয় লক্ষ্য কৰিছে যে ওপৰত বৰ্ণনা কৰা কামোত্তেজনা-প্ৰসূত স্বপ্নটোত মহিলাগৰাকীৰ কামাৱেগৰ কথা ক'তো প্ৰকাশ পোৱা নাই। কাৰণ মহিলাগৰাকীৰ অৱচেতন মনে নিজত সৃষ্টি হোৱা কামাৱেগক নিজৰ স্বামীৰ ওপৰত আৰোপ কৰিছে। ইয়াৰদ্বাৰা মহিলাগৰাকীয়ে নিজক যেন এইদৰে বুজাবলৈ চেষ্টা কৰিছে যে তেওঁৰ

নহয়, তেওঁৰ স্বামীজনৰ অন্তৰতহে যৌনাভিলাষৰ জাগৰণ ঘটিছে। দোষ যেন তেওঁ কৰা নাই, দোষ কৰিছে তেওঁৰ প্ৰৌঢ় স্বামীজনে। নিজৰ চিন্তা বা অভিলাষক এনেদৰে চেতন মনৰ অলক্ষিতে আনৰ ওপৰত আৰোপ কৰা কাৰ্য্যক চিন্তাৰ অভিক্ষেপণ (**Projection**) বুলি কোৱা হয়। ঋতুমতী নাৰীৰ ৰতি-সম্ভোগ নিষিদ্ধ, এনে এটা সংস্কাৰেই নিজৰ যৌনাবেগক স্বীকৃতি দিয়াৰ ক্ষেত্ৰত যে মহিলাগৰাকীক হকা-বধা কৰিছিল তাত সন্দেহ নাই।

আকৌ মুঢ়াত বহি থকা স্বামীজন মহিলাগৰাকীৰ বৈধ স্বামী নহৈ স্বামীৰ ছদ্মবেশধাৰী পৰপুৰুষো হ'ব পাৰে। সেয়ে হ'লে স্বপ্নটোৰ অৰ্থ উপলব্ধি কৰা আৰু সহজ হৈ পৰে। কাৰণ অবৈধ যৌন সংসৰ্গৰ প্ৰতি মহিলাগৰাকীয়ে সচেতন মনত পোষণ কৰা অপৰাধবোধৰ কাৰণেই নিজ অন্তৰত জাগি উঠা কামাবেগক স্বীকৃতি নিদি তাক আনৰ ওপৰত আৰোপ কৰিবলৈ মহিলাগৰাকী বাধ্য হৈ পৰিছিল।

আমাৰ স্বপ্নবিলাক যে বিশৃংখল ভাব-চিন্তাৰ সমষ্টি মাথোন নহয়, বৰং একো একোটা অৰ্থপূৰ্ণ মানসিক ঘটনা, তাৰ প্ৰমাণ আমাৰ ভালেমান স্বপ্নতে পোৱা যায়। দৃষ্টান্ত স্বৰূপে ডাঃ ফ্ৰয়েডে বিশ্লেষণ কৰা তলত দিয়া স্বপ্নটো পঢ়ুৱৈসকললৈ আগবঢ়োৱা হ'ল।

স্বপ্ন ঃ—"সহযাত্ৰীজনে জ্বলন্ত চিগাৰেট এটা মুখত লৈ অনিচ্ছা সত্বেও তেওঁ লগত অনা ট্ৰাঙ্কটোৰ ঢাকনিখন খুলি পেলালে আৰু ক'লে যে ট্ৰাঙ্কৰ ভিতৰত উল্লেখযোগ্য বস্তু একোৱে নাই। শুল্ক-বিভাগৰ কৰ্ম্মচাৰীজনে যাত্ৰীজনৰ কথা বিশ্বাস কৰা যেন দেখুৱালেও ট্ৰাঙ্কটোৰ ভিতৰখন নিজে এবাৰ পৰীক্ষা কৰিলে আৰু তাৰ তলিত পৰি থকা আপত্তিজনক বস্তু এটা আৱিষ্কাৰ কৰি পেলালে। সহযাত্ৰীজনে তেতিয়া ক'লে—'ইয়াৰ অন্যথা হ'ব নোৱাৰে'।"

স্বপ্ন দেখোঁতাজন সেই সময়ত মানসিক ৰোগৰ কাৰণে ফ্ৰয়েডৰ চিকিৎসাধীন হৈ আছিল। ওপৰৰ স্বপ্নটোত তেওঁ ফ্ৰয়েডক শুল্ক-বিভাগৰ এজন কৰ্ম্মচাৰী হিচাপে দেখা পাইছে। নিজৰ চিকিৎসক হিচাপে নহয়। কাৰণ শুল্ক-বিভাগৰ কৰ্ম্মচাৰীয়ে বিদেশাগত যাত্ৰীৰ মাল-বস্তু তন্ন তন্নকৈ

পৰীক্ষা কৰাৰ দৰে ফ্ৰয়েডেও তেওঁৰ মনৰ ভাব-চিন্তাবিলাকক সূক্ষ্মভাৱে বিশ্লেষণ কৰি তেওঁৰ মনোবিকাৰৰ কাৰণ আৱিষ্কাৰ কৰিবলৈ চেষ্টা চলাইছিল। পিছে ৰোগীজনে নিজৰ মনৰ বহুতো ভাব-চিন্তা ফ্ৰয়েডৰ আগত প্ৰকাশ কৰিলেও অলপ দিনৰ আগতে মহিলা এগৰাকীৰ সৈতে তেওঁ গঢ়ি তোলা গোপন সম্পৰ্কৰ কথাটো তেওঁ ফ্ৰয়েডৰপৰা লুকুৱাই ৰাখিছিল।

কিন্তু মনঃসমীক্ষকৰ ওচৰত ৰোগীয়ে নিজৰ মনোভাৱ গোপন কৰিলে যে ৰোগ নিৰ্ণয়ত বাধা ওপজে, সেই কথা স্বপ্ন দেখোঁতাজনে ভালদৰেই জানিছিল। সেয়েহে ওপৰৰ স্বপ্নটোত মানুহজনে মহিলা এগৰাকীৰ লগত গঢ়ি তোলা গোপন সম্পৰ্কৰ কথাটো আওপকীয়াভাৱে হ'লেও ব্যক্ত হৈ পৰিছে। স্বপ্নত দেখা ট্ৰাঙ্কটো মহিলাগৰাকীৰ প্ৰতীক। ট্ৰাঙ্কটোৰ ভিতৰখন গোপনীয়তাৰ প্ৰতীক। ট্ৰাঙ্কটোৰ ভিতৰত আৱিষ্কৃত হোৱা আপত্তিজনক বস্তুটো হৈছে স্বপ্ন দেখোঁতাজনে সেই মহিলাগৰাকীৰ লগত গঢ়ি তোলা অবৈধ সম্পৰ্কৰ প্ৰতীক। স্বপ্ন দেখোঁতাজনৰ মনত থকা অপৰাধবোধৰ কাৰণেই অবৈধ প্ৰণয়ৰ কথাটো ব্যক্ত কৰিবৰ কাৰণে ট্ৰাঙ্কৰ ভিতৰত আপত্তিজনক বস্তু এটা আৱিষ্কাৰ কৰিব লগা হ'ল।

আকৌ ট্ৰাঙ্কটো স্বপ্ন দেখোঁতাজনে নিজে খোলা নাই। খুলিছে সহযাত্ৰী এজনে। কাৰণ ট্ৰাঙ্কটো আনিছে সহযাত্ৰীজনে। ইয়াৰদ্বাৰা স্বপ্ন দেখোঁতাজনে নিজক নিৰপৰাধী বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে। তেওঁ নিজক এইবুলি বুজাবলৈ চেষ্টা কৰিছে যে মহিলাগৰাকীৰ লগত গোপন সম্পৰ্ক গঢ়ি তোলাজন তেওঁ নহয়। সেই কাম কৰিছে সহযাত্ৰীজনে আৰু তেৱেঁই প্ৰকৃত সত্যক গোপন কৰিবলৈকো চেষ্টা কৰিছে। গতিকে বুজা যায় যে সহযাত্ৰীজন আৰু সহযাত্ৰীজনৰ আচৰণ আচলতে স্বপ্ন দেখোঁতাজনৰ মনৰ অস্বীকৃত দিশ, যিহক মনোবিজ্ঞানী ডাঃ য়ুঙে ছায়া (Shadow) বুলি অভিহিত কৰিছে।

নিজৰ প্ৰতি নিশাৰ স্বপ্নবিলাকক সূক্ষ্মভাৱে লক্ষ্য কৰিবলৈ ল'লে আপুনি এনে ঘটনাৰ বহুতো নিদৰ্শন পাব। কিছুদিনৰ পূৰ্বে লিখকে দেখা স্বপ্ন এটাত প্ৰায় ছ'মাহৰ আগতে ইহ সংসাৰৰপৰা বিদায় লোৱা

মানুহ এজনে লিখকৰ আগত নিজৰ পৰলোক যাত্ৰাৰ বিৱৰণ এটা দাঙি ধৰিছিল। সাৰ পোৱাৰ পাছত স্বপ্নটো বিশ্লেষণ কৰি লিখকে বুজিব পাৰিলে যে মৃত লোকজনে তেওঁৰ পৰলোক যাত্ৰাৰ যি বিৱৰণ দাঙি ধৰিছিল, সি আছিল লিখকে অ'ত-ত'ত শুনা বা কিতাপত পঢ়া কথাৰে পুনৰাবৃত্তি মাথোন। আন কথাৰে ক'বলৈ গ'লে কাহিনীকাৰে কাহিনীৰ চৰিত্ৰৰ মুখেৰে নিজৰ মনোভাৱ ব্যক্ত কৰাৰ নিচিনাকৈ লিখকৰ অৱচেতন মনে মৃত ব্যক্তিজনৰ মুখেৰে নিজৰ চিন্তা ব্যক্ত কৰিছিল।

আমাৰ অহংবোধ বা 'মই' ভাবটো সুস্পষ্টভাৱে গঢ়ি উঠাৰ পূৰ্ব্বৰ অৰ্থাৎ শৈশৱৰ প্ৰথম দুই-তিনি বছৰ কালৰ ভিতৰত লাভ কৰা অভিজ্ঞতাৰ কথা আমি সততে স্মৰণ কৰিবলৈ অপাৰগ হওঁ। কিন্তু অতিশয় কৌতূহলোদ্দীপক বা মানসিক অপঘাতমূলক অভিজ্ঞতাৰ (Traumatic Psychical Experience) স্মৃতি হ'লে শৈশৱকাল এৰি অহাৰ বহু বছৰৰ পাছতো তেনে অভিজ্ঞতাৰ কথা মানুহে স্মৰণ কৰিব পাৰে। আনকি ওপজা কালৰ স্মৃতিয়েও মাজে মাজে আমাৰ স্বপ্নত আত্মপ্ৰকাশ কৰিব পাৰে। তলৰ স্বপ্নটো তাৰে দৃষ্টান্ত।

স্বপ্ন :—"অন্ধকাৰ কুঠৰি এটাৰ ভিতৰত মই আৱদ্ধ হৈ পৰিছোঁ। কুঠৰিটোৰ বেৰ কেইখন ক্ৰমান্বয়ে চাপি আহি মোক এনেদৰে হেঁচা মাৰি ধৰিছে যে মোৰ উশাহ-নিশাহ বন্ধ হ'বৰ উপক্ৰম কৰিছে।"

তিৰোতা মানুহৰ প্ৰসৱ-যন্ত্ৰণা উপস্থিত হ'লে জৰায়ু-প্ৰাচীৰৰ মাংসপেশী-বিলাকৰ তীব্ৰ সঙ্কোচন ঘটিবলৈ ধৰে। ফলত সন্তান লাহে লাহে জৰায়ু-গহ্বৰৰপৰা বহিষ্কৃত হৈ পৰে। স্বপ্নটোত কুঠৰিটোৰ প্ৰাচীৰ কেইখন ক্ৰমান্বয়ে কাষ চাপি অহাটোৱে জৰায়ু-প্ৰাচীৰৰ সঙ্কোচনৰ কথাকে বুজাইছে। এনে এটা অৱস্থাত গৰ্ভস্থ সন্তানৰ দেহলৈ তেজৰ চলাচলত বিজুতি ঘটিবৰো সম্ভাৱনা থাকে। তেজৰ চলাচলত বিজুতি ঘটিলে গৰ্ভস্থ সন্তানৰ শৰীৰৰ তেজত অম্লজানৰ অভাৱ ঘটা হেতুকে সন্তানৰ শ্বাস-কষ্ট উপস্থিত হয়। কোনো কোনো ক্ষেত্ৰত অম্লজানৰ এনেকুৱা অভাৱৰ কাৰণে সন্তানে সংজ্ঞাহীন অৱস্থাত জন্ম লাভ কৰে। টোপনি অৱস্থাত বুকুৰ ওপৰত কিবা প্ৰকাৰে হেঁচা পৰিলে তাৰ ফলত শ্বাস গ্ৰহণত অসুবিধা

উপস্থিত হয়, যাৰ ফলত স্বপ্নাতঙ্কৰ (night mare) সৃষ্টি হৈ পৰে।

বৰ্ত্তমানৰ স্বপ্নটোত স্বপ্ন দেখোঁতাজনে শৰীৰত অনুভৱ কৰা হেঁচা আৰু তেওঁৰ শ্বাস-কষ্ট আছিল তেওঁ ওপজাৰ সময়ত লাভ কৰা অভিজ্ঞতাৰ স্মৃতিৰ পুনৰ্জাগৰণ মাথোন।

ডাঃ ফ্ৰয়েডে বৰ্ণনা কৰা আন এটা স্বপ্নতো শৈশৱ-স্মৃতিৰ জাগৰণ ঘটা দেখা গৈছে। স্বপ্নটো দেখিছিল ফ্ৰয়েডৰ ছাত্ৰ এজনে। স্বপ্নটোত ছাত্ৰজনে দেখা পাইছিল যে তেওঁৰ গৃহ-শিক্ষকজন তেওঁলোকৰ ঘৰৰ বন কৰা লিগিৰী এজনীৰ সৈতে ৰমণ-কাৰ্য্যত মত্ত হৈ পৰিছে। এই স্বপ্নটো দেখাৰ পাছত স্বপ্নটোৰ কাৰণ আৱিষ্কাৰ কৰিবৰ কাৰণে ছাত্ৰজনে বহুবাৰ চেষ্টা কৰিছিল। কিন্তু শৈশৱকালত তেনে ঘটনা প্ৰত্যক্ষ কৰা বুলি কোনোপধ্যে তেওঁ স্মৰণ কৰিব নোৱাৰিছিল। শেহত মনৰ কৌতূহল দমাব নোৱাৰি ছাত্ৰজনে এদিন তেওঁৰ স্বপ্নটোৰ কথা ককায়েকজনৰ আগত প্ৰকাশ কৰিলে আৰু ককায়েকজনে অতীজত তেনেকুৱা ঘটনা কেতিয়াবা প্ৰত্যক্ষ কৰিছিল নেকি সেই কথা জানিব বিচাৰিলে। ককায়েকে তেতিয়া ক'লে যে সেই স্বপ্নটোৰ এটা বাস্তৱ ভিত্তি নথকা নহয়। ছাত্ৰজনৰ গৃহ-শিক্ষকজন বহু বছৰৰ পূৰ্ব্বেৰেপৰা তেওঁলোকৰ ঘৰত কাম কৰা লিগিৰীজনীৰ সৈতে অবৈধ কাৰ্য্যত লিপ্ত আছিল। ৰমণ-কাৰ্য্যত লিপ্ত হৈ পৰাৰ আগতে সিহঁতহালে ককায়েকজনক সৰহকৈ মদ খুৱাই অচেতন কৰি শুৱাই থৈছিল। স্বপ্ন দেখোঁতা ভায়েকজন তেতিয়া দুবছৰীয়া শিশু। গতিকে সি ৰতি-ক্ৰিয়াৰ একো আওভাও নুবুজে বুলি ধৰি লৈ তাৰ উপস্থিতিতে সিহঁত দুটা যৌন-ক্ৰিয়াত ৰত হৈ পৰিছিল। সেই বয়সত ছাত্ৰজনে ৰতি ক্ৰিয়াৰ তাৎপৰ্য্য উপলব্ধি কৰিব নোৱাৰিলেও সেই গৃহ-শিক্ষক আৰু লিগিৰীজনীৰ অদ্ভুত আচৰণে তাৰ অন্তৰত যথেষ্ট আলোড়ন আৰু কৌতূহলৰ সৃষ্টি কৰিছিল। বয়স বাঢ়ি অহাৰ পাছত ছাত্ৰজনে সেই ঘটনাৰ কথা একেবাৰে পাহৰি পেলালেও শৈশৱকালৰ সেই অভিজ্ঞতাৰ স্মৃতি তাৰ অৱচেতন মনত বৈ গ'ল। এতিয়া টোপনিৰ অৱস্থাত তাৰ মনৰ বান্ধোন শিথিল হৈ পৰা হেতুকে শৈশৱকালৰ অভিজ্ঞতা স্বপ্নৰূপে ব্যক্ত হৈ পৰিল।

(ঘ)

সুস্থ মানুহৰ স্বপ্ন আৰু উদ্বায়ুগ্ৰস্ত মানুহৰ স্বপ্নৰ মাজত বিশেষ একো পাৰ্থক্য থকা দেখা নাযায়। গতিকে উদ্বায়ুগ্ৰস্ত লোকৰ দুই-এটা স্বপ্ন বিশ্লেষণ কৰি ৰোগৰ প্ৰকৃত কাৰণ আৱিষ্কাৰ কৰিব নোৱাৰি। উদ্বায়ুগ্ৰস্ত লোকৰ মনত একাধিক ৰাগাত্মক চিন্তা-সমষ্টিয়ে (Psychical Complex) স্থায়ীভাৱে বাস কৰিবলৈ লোৱা কাৰণে তাৰপৰা উদ্ভৱ হোৱা স্বপ্নবিলাকৰ মাজত ভালেখিনি সাদৃশ্য দেখিবলৈ পোৱা যায়। প্ৰায়ভাগ স্বপ্নতে তেওঁলোকৰ মনৰ অস্থিৰতা আৰু উৎকণ্ঠাৰ আভাস পোৱা যায়। দৃষ্টান্ত স্বৰূপে ডাঃ য়ুঙে চিকিৎসা কৰা উদ্বায়ুগ্ৰস্ত ৰোগী এজনে দেখা স্বপ্ন এটা তলত দিয়া হ'ল।

স্বপ্ন :—"ৰেলত উঠি এফালে যাবৰ কাৰণে মই খৰ-খেদা লগাইছোঁ। কিন্তু মই লগত নিব খোজা বস্তুবোৰ বিচাৰি নোপোৱা হ'লোঁ। ইফালে ৰেল আহিবৰ সময় পালেহিয়ে। শেহত বস্তুকেইটা কোনোমতে বিচাৰি পাই মোনা এখনত ভৰাই লৈ মই বেগা-বেগিকৈ ৰেল-ষ্টেচনলৈ খোজ-ল'লোঁ।

কিন্তু অলপ দূৰ গৈয়ে মোৰ মনত পৰিল যে মোৰ দৰকাৰী কাগজ-পত্ৰ থকা ব্ৰীফ্‌কেচটো ঘৰতে থাকি গ'ল। অতিশয় বিৰক্ত হৈ সেইটো আনিবৰ কাৰণে মই ঘৰলৈ উভতি গ'লোঁ আৰু ব্ৰীফ্‌কেচটো হাতত লৈ মই পুনৰ ষ্টেচনলৈ দৌৰ মাৰিলোঁ। ষ্টেচনৰ প্লেটফৰ্মত উপস্থিত হৈ মই দেখিলোঁ যে ৰেলখনে প্লেটফৰ্ম এৰি গ'লেই। ৰেল-গাড়ীখন সঁচাকৈয়ে বৰ দীঘল আছিল আৰু ইংৰাজী এচ্ (S) আখৰটোৰ দৰে একা-বেঁকা হৈ লো'ৰ চিৰিয়েদি আগবাঢ়ি গৈছিল।

ৰেলখন তেনেদৰে গৈ থকা দেখি অকস্মাতে মোৰ মনত এনে এটা ভাব খেলি গ'ল যে ৰেল-আলিৰ ডাঙৰ ভাঁজটো পাৰ হৈ ৰেলখন পোন বাটত উঠা মুহূৰ্ত্ততে ইঞ্জিনৰ ড্ৰাইভাৰে যদি ইঞ্জিনৰ বেগ বঢ়াই দিয়ে, তেনেহ'লে তেতিয়া ৰেল-আলিৰ ভাঁজটোৰ ওপৰত থকা পাছৰ ডবাকেইটা ছেদেলি-ভেদেলি হৈ লাইনচ্যুত হৈ পৰিব। এই ভাবি ইঞ্জিনৰ ড্ৰাইভাৰক সতৰ্ক কৰি দিবৰ কাৰণে মই চিঞৰ মাৰিব খোজোঁতেই ড্ৰাইভাৰে ইঞ্জিনৰ বেগ

বঢ়াই দিলে। ফলত মই যিটো আশঙ্কা কৰিছিলোঁ সেয়ে ঘটি গ'ল। ৰেল-আলিৰ ভাঁজটোৰ ওপৰত উঠা ডবাকেইটা ভীষণভাৱে জোকাৰ খাবলৈ ধৰিলে আৰু মুহূৰ্ত্তৰ ভিতৰতে লাইনচ্যুত হৈ হুৰ্হুৰ্কৈ বাগৰি পৰিল। ঘোৰ আতঙ্কিত হৈ মই টোপনিৰপৰা সাৰ পাই গ'লোঁ।"

নক'লেও হ'ব যে এই স্বপ্নটোত স্বপ্ন দেখোঁতাজনৰ মানসিক অৱস্থাৰ হুবহু প্ৰতিফলন ঘটিছে। ডাঃ য়ুঙে চিকিৎসা কৰা এই ৰোগীজন আছিল অতিশয় দুৰাকাঙ্ক্ষী আৰু অসন্তোষীয়া স্বভাৱৰ লোক। যিমানেই পাওক লাগিলে তথাপি তেওঁক নাটে। ঐহিক উন্নতিৰ চৰমসীমা পায়ো তেওঁৰ হেপাহ নুগুচিল। কিন্তু তেওঁৰ সকলোখিনি দৈহিক আৰু মানসিক শক্তি-সামৰ্থ্য ইতিমধ্যে নিঃশেষ হৈ গৈছিল। তথাপি শৰীৰ আৰু মনৰ অৱস্থালৈ ভ্ৰূক্ষেপ নকৰি নিজৰ দুৰাকাঙ্ক্ষা পূৰণৰ চেষ্টাতে তেওঁ লাগি ৰ'ল, যাৰ পৰিণামত মানুহজন অচিৰে মানসিক ব্যাধিৰদ্বাৰা আক্ৰান্ত হৈ পৰিল। ডাঃ য়ুঙে ভাবে যে মানুহজনে স্বপ্নত দেখা ৰেল-দুৰ্ঘটনাটো তেওঁৰ মানসিক বিস্ফোৰণৰ আগ-জাননী স্বৰূপ।

ডাঃ ফ্ৰয়েডে কয় যে অৱদমিত যৌন-কামনা আৰু চিন্তা-পৰীক্ষক বা অৱদমনকাৰী শক্তিৰ মাজত সৃষ্টি হোৱা সংঘৰ্ষৰ ফলতে ভীতিপ্ৰদ স্বপ্নৰ সৃষ্টি হৈ পৰে। দৃষ্টান্ত স্বৰূপে ফ্ৰয়েডে তিৰোতা মানুহে দেখা 'খেতৰে খেদা' স্বপ্নবিলাকৰ কথা উল্লেখ কৰে, যিবিলাক স্বপ্নত ক'লাবৰণীয়া মানুহে হাতত দা, যাঠি বা বন্দুক লৈ তিৰোতাগৰাকীক বা আন কোনো লোকক হত্যা কৰিবলৈ খেদি ফুৰা দেখা যায়। সম্ভৱতঃ এনেবিধ ভীতিপ্ৰদ স্বপ্নত নাৰীৰ প্ৰাগৈতিহাসিক আৰণ্য জীৱনৰ স্মৃতিয়ে আত্মপ্ৰকাশ কৰে, যিটো যুগত নাৰীৰ ওপৰত নিজৰ যৌন অধিকাৰ সাব্যস্ত কৰিবৰ কাৰণে পুৰুষে বহু সময়ত আক্ৰমণাত্মক ভূমিকা গ্ৰহণ কৰিছিল। কিন্তু সেই বুলি অৱদমিত যৌনাকাঙ্ক্ষা সকলোবিলাক ভীতিজনক স্বপ্নৰ উৎপত্তিৰ কাৰণ হ'ব নোৱাৰে। আন আন কাৰণত সৃষ্টি হোৱা উৎকণ্ঠা বা মানসিক উত্তেজনাৰপৰাও এনেবিধ স্বপ্ন উদ্ভৱ হ'ব পাৰে। মানসিক উত্তেজনাৰ ফলত সৃষ্টি হোৱা স্নায়ৱিক শক্তি-প্ৰৱাহ বিপথে পৰিচালিত হৈ পৰিলে সি স্বতঃক্ৰিয় স্নায়ুমণ্ডলীত অত্যধিক উত্তেজনাৰ সৃষ্টি কৰি ভীতিজনক

স্বপ্নৰ সৃষ্টি কৰিব পাৰে। অৱশ্যে মুক্ত আৱেগতকৈ অৱদমিত বা ৰুদ্ধ আৱেগেহে এনেবিধ স্বপ্ন-ৰচনাত অবিহণা যোগায়। লিখকে সংগ্ৰহ কৰা তলত দিয়া স্বপ্নটোলৈ এবাৰ মন কৰকচোন। স্বপ্নটো দেখিছিল প্ৰৌঢ় বয়সী ভদ্ৰলোক এজনে। স্বপ্নত তেওঁ দেখা পাইছিল যে তেওঁৰ ঘৰলৈ হেনো চোৰ আহিছে আৰু তেওঁ হেনো চোৰটোক আক্ৰমণ কৰিবৰ মনেৰে শোৱা-পাটীৰপৰা উঠি গৈ খিৰিকীৰ কাষত থিয় দিছেগৈ।

"মেলি দিয়া খিৰিকীয়েদি বাহিৰলৈ চাই পঠিয়াই মই দেখা পালোঁ যে মোৰ সমানে ওখ মানুহ এটা জোনাকত থিয় দি আছে। মানুহটোৰ মুখখন মই স্পষ্টকৈ দেখা নাপালেও মানুহটো মোৰ চিনাকি চিনাকি যেন লাগিছিল। অকল সেয়ে নহয়, সেই মানুহটোৱে মই সদায় পিন্ধি ফুৰা দীঘল কোটটোৰ দৰে চোলা এটাও পিন্ধি আছে। মানুহটোৰ উদ্দেশ্য সৎ নহয় বুলি ভাবি লৈ মই তাক অতি অভদ্ৰ ভাষাৰে গালি পাৰিবলৈ ধৰিলোঁ আৰু তাক যুঁজলৈ আহ্বান কৰিলোঁ। মানুহটো মোতকৈ যে বলী আছিল তাত সন্দেহ নাই। কিন্তু মই ভালদৰে জানিছিলোঁ যে খিৰিকীৰ লোহাৰ ৰডৰ মাজেৰে সৰকি আহি সি মোক আক্ৰমণ কৰিবহি নোৱাৰে। কিন্তু আচৰিত কথা যে মানুহটোৱে এটা ছায়ামূৰ্ত্তিৰ দৰে খিৰিকীৰ ৰডৰ মাজেৰে সৰকি আহি একেবাৰে মোৰ সম্মুখত উপস্থিত হ'লহি। ঘোৰ আতঙ্কিত হৈ মই ঘামি-জামি টোপনিৰপৰা সাৰ পাই গ'লোঁ। তেতিয়া নিশা এক বাজিছিল।"

চোৰটো চিনাকি চিনাকি যেন লগা আৰু সি গৃহস্থজনে সদায় পিন্ধি ফুৰা কোটটোৰ দৰে চোলা এটা পিন্ধি থকালৈ চাই চোৰটো স্বপ্ন দেখোঁতা-জনৰ ছায়া বা তেওঁৰ ব্যক্তিত্বৰ অস্বীকৃত দিশ বুলিয়ে অনুমান হয়। কিন্তু স্বপ্ন দেখোঁতাজনৰ স্বীকাৰোক্তিৰপৰা বুজা যায় যে এই স্বপ্নটোত তেওঁৰ অতীত জীৱনত ঘটা ভীতিজনক ঘটনা এটাৰ পুনৰাবৃত্তি ঘটিছে। কিছু বছৰৰ আগতে মাজ-নিশা চোৰে সিন্ধি খান্দি তেওঁৰ ঘৰত প্ৰৱেশ কৰি বহুতো বস্তু উলিয়াই নিছিল আৰু তেওঁ সাৰ পাই চোৰ চোৰ বুলি চিঞৰি চোৰৰ পাছে পাছে খেদা লৈছিল। চোৰক ধৰিব নোৱাৰাত তেওঁ খঙত গুঁজৰি-গুমৰি ৰৈছিল। তাৰ পাছতো বহু দিনলৈ চোৰৰ ওপৰত

প্ৰতিশোধ ল'বৰ তীব্ৰ ইচ্ছা এটা তেওঁ মনতে পুহি ৰাখিছিল। কেবাবছৰো পাৰ হৈ যোৱা কাৰণে তেওঁ সেই ঘটনাৰ কথা পাহৰি পেলালেও সেই ঘটনাৰ স্মৃতি তেওঁৰ অৱচেতন মনত জাগ্ৰত হৈ ৰৈছিল। এতিয়া সেই ৰুদ্ধ আৱেগেই কিছু পৰিৱৰ্ত্তিত ৰূপত বৰ্ত্তমানৰ স্বপ্নটোত আত্মপ্ৰকাশ কৰি তেওঁৰ মনত ভীতিৰ সঞ্চাৰ কৰিছে। মানসিক অপঘাতৰ (Psychical trauma) ফলত উদ্ভৱ হোৱা স্বপ্নবিলাকে এনেকৈয়ে মানুহৰ মনত অতীত ঘটনাৰ পুনৰাবৃত্তি ঘটাই থকা দেখা যায়।

জ্যোতিৰ্বিজ্ঞানত ৰাপ থকা উদ্বায়ুগ্ৰস্ত ভদ্ৰলোক এজনে এবছৰৰ ব্যৱধানত দেখা দুটা স্বপ্ন আছিল এনেকুৱা—

১ম স্বপ্ন—"আকাশৰ বুকুত শুক্লাষ্টমী তিথিৰ এফাল জোন জিলিকি আছে। আকাশৰ এটা অংশ কিছু মেঘাচ্ছন্ন। জোনটোৱে নিজৰ ওপৰতে কেবাবাৰো লুটি-বাগৰ মাৰি আকাশৰপৰা অদৃশ্য হৈ পৰিল। জোনটো ক'লৈ গ'ল সেই কথা বুজিব নোৱাৰি কিংকৰ্ত্তব্যবিমূঢ় হৈ মই বহু পৰ আকাশলৈ চাই ৰ'লোঁ।"

২য় স্বপ্ন :—"মাজ আকাশত জিলিকি থকা ঘূৰণীয়া জোনটোৰ বুকুত আগ্নেয়গিৰিৰ বিস্ফোৰণ ঘটিছে আৰু তাৰপৰা নানা বৰণীয়া জুইৰ শিখা পৃথিৱীলৈ নামি আহিছে। খন্তেকৰ কাৰণে সেই বিস্ফোৰণৰ যদিও বিৰতি ঘটিছিল, তথাপি অলপ পিছতে সি আকৌ আৰম্ভ হ'ল। জোনটো ভাগি টুকুৰা-টুকুৰ হৈ পৃথিৱীত পৰিবহি বুলি ভাবি মই আতঙ্কিত হৈ পৰিলোঁ আৰু আত্মৰক্ষাৰ কাৰণে মুকলি চোঁতালৰপৰা আঁতৰি আহি বাৰাণ্ডাৰ ওপৰত থিয় দিলোঁহি।"

একেজন মানুহে এটা বছৰৰ ব্যৱধানত প্ৰায় একেধৰণৰ দুটা স্বপ্ন দেখিব লগা হ'ল কিয়? সেই প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে আমি স্বপ্ন দেখোঁতাজনৰ মনস্তত্ত্বৰ বিষয়ে যৎকিঞ্চিৎ আলোচনা কৰিব লাগিব। স্বপ্ন দেখোঁতা ভদ্ৰলোকজন আছিল অধ্যয়নপ্ৰিয় আৰু ভাবুক প্ৰকৃতিৰ লোক। আজৰি সময়খিনিত তেওঁ কিতাপ, আলোচনী আদি পঢ়াতে ব্যস্ত থাকিছিল। ছাত্ৰাৱস্থাত তেওঁৰ পাঠ্য-পুথিত বিশেষ ৰাপ নাথাকিলেও স্কুলৰ বছেৰেকীয়া পৰীক্ষাবিলাকত তেওঁ প্ৰায়ে উচ্চস্থান লাভ কৰিছিল।

বিজ্ঞান-বিষয়তে তেওঁৰ আটাইতকৈ বেছি ৰাপ আছিল আৰু বিজ্ঞানৰ অলৌকিক কাহিনী থকা কোনো কিতাপ বা আলোচনী হাতত পৰিলে তাক পঢ়ি শেষ নকৰালৈকে তেওঁ ক্ষান্ত নহৈছিল। স্কুলীয়া ছাত্ৰ হৈ থকা অৱস্থাতে তেওঁ জুলে ভাৰ্ণ আৰু এইছ্. জি. ওৱেল্‌চে লিখা বিজ্ঞানৰ গল্প থকা প্ৰায় সকলো কিতাপকে গলধঃকৰণ কৰি পেলাইছিল।

প্ৰথমটো স্বপ্ন দেখিবৰ আগদিনা পুৱাতে হোৱা সূৰ্য্য গ্ৰহণ এটা ভদ্ৰলোকজনে বিশেষ মনোযোগেৰে নিৰীক্ষণ কৰিছিল। দহ ভাগৰ প্ৰায় ন'ভাগ ঢাক খাই পৰা সূৰ্য্যটোৰ মুক্ত অংশৰপৰা ওলোৱা তীব্ৰ পোহৰে মানুহজনৰ চকু জলক-তবক লগাইছিল। দ্বিতীয় স্বপ্নটো দেখাৰ দিনা সন্ধিয়া পৰত বিজুলী চাকিৰ খুঁটা এটাৰ ওপৰত থকা তাঁৰৰপৰা ৰঙা, নীলা, হালধীয়া আদি নানা বৰণীয়া জুই-ফিৰিঙতি ওলোৱা দেখি তেওঁ কিছুপৰ একেথৰে তালৈ চাই আছিল। এনেদৰে ওপৰলৈ চাই থাকোঁতে উল্কা এটাই খন্তেকৰ কাৰণে তীব্ৰ পোহৰ বিকিৰণ কৰি কিছু দূৰত আকাশৰ বুকুত অদৃশ্য হৈ পৰিছিল। সেই উল্কাটো দেখি তেওঁৰ মনত পৰিছিল উত্তৰ চাইবেৰিয়াৰ কোনো এখন ঠাইত বৰফত পোত গৈ থকা কেবা শ টন ওজনৰ প্ৰকাণ্ড উল্কা এটাৰ কথা, যিটো কথা তাহানি স্কুলত পঢ়ি থকা দিনতে তেওঁ কোনোবা এখন ইংৰাজী আলোচনীত পঢ়িবলৈ পাইছিল। আকৌ একেখন আলোচনীতে প্ৰকাণ্ড জ্যোতিষ্ক এটাই প্ৰচণ্ড বেগেৰে পৃথিৱীৰ ফালে আহি থকাৰ বৃত্তান্ত পঢ়ি তেওঁ ৰোমাঞ্চিত হৈ পৰিছিল, যিটো কাহিনী যৌৱনকাললৈকে তেওঁৰ মনত উজ্জ্বল হৈ আছিল।

ওপৰত উল্লেখ কৰা স্বপ্ন দুটাত স্বপ্ন দেখোঁতাজনৰ মনে যে এনেবিলাক সূত্ৰৰপৰাই স্বপ্নৰ মাল-মছলা সংগ্ৰহ কৰিছিল তাত সন্দেহ নাই। কিন্তু আচল প্ৰশ্ন এইটোহে যে স্বপ্ন দুটাৰ লগত স্বপ্ন দেখোঁতাজনৰ ব্যক্তিগত আশা-আকাঙ্ক্ষাৰ সম্পৰ্ক কি? স্বপ্ন দেখোঁতাজনৰ স্বীকাৰোক্তিৰপৰা জনা গৈছিল যে বিজ্ঞান-বিষয়ত অত্যুচ্চ ডিগ্ৰী এটা ল'বৰ কাৰণে স্কুলীয়া ছাত্ৰ হৈ থকাৰ দিনৰপৰাই তেওঁ মনত আশা পোষণ কৰিছিল আৰু তাৰ বাবে দুই-চাৰিজন শিক্ষকৰপৰা প্ৰশংসা আৰু উদগনি লাভ কৰিছিল।

কিন্তু তেনে উচ্চাভিলাষ চৰিতাৰ্থ কৰিবলৈ হ'লে যি অৰ্থবল আৰু অনুকূল পাৰিবাৰিক বাতাবৰণৰ আৱশ্যক, তাৰ এটাও তেওঁৰ ভাগ্যত নুজুটিল। আনহাতে জীৱিকা অৰ্জ্জনৰ কাৰণে তেওঁ যি বৃত্তি অৱলম্বন কৰিবলগীয়া হ'ল, সিয়ো তেওঁৰ মনঃপূত হোৱা নাছিল।

মুঠতে বাস্তৱ জীৱনত মানুহজন আছিল ঘোৰ অসুখী। জন-সমাজত বাস কৰিও তেওঁ একপ্ৰকাৰ নিঃসঙ্গ জীৱন যাপন কৰিছিল। আকৌ নিঃসঙ্গতাজনিত তিক্ততাৰপৰা অব্যাহতি লাভ কৰিবৰ কাৰণে মানুহজনে বাছি লৈছিল সুৰা আৰু যৌন-স্বেচ্ছাচাৰিতাৰ পথ। অথচ সুৰাপান আৰু যৌন-স্বেচ্ছাচাৰিতা কোনোটোকে তেওঁ অন্তৰেৰে সমৰ্থন কৰিব নোৱাৰিছিল। সুৰাপায়ীক তেওঁ অন্তৰেৰে ঘৃণা কৰিছিল। কিন্তু নিজে আজিৰপৰা সুৰাপান নকৰোঁ বুলি পুনঃ পুনঃ প্ৰতিজ্ঞাৱদ্ধ হৈয়ো পানাভ্যাস ত্যাগ কৰিব নোৱাৰিছিল। কাৰণ তেওঁ অনুভৱ কৰিছিল যে কেৱল সুৰাইহে তেওঁৰ মনলৈ প্ৰফুল্লতা আনিব পাৰে। সুৰাপান নকৰিলে তেওঁ কৰ্ত্তব্যত মনোনিৱেশ কৰিব নোৱাৰিছিল।

এয়া নিঃসন্দেহে উদ্বায়ু-জাতীয় মনোবিকাৰৰ লক্ষণ। তাৰ ঘাই কাৰণ মানসিক অন্তৰ্দ্বন্দ্ব। নিজৰ মনৰ লগত অহৰ্নিশে যুদ্ধ কৰি তেওঁ মানসিকভাৱে ক্ষত-বিক্ষত হৈ পৰিছিল। কিন্তু নিজৰ দুৰাকাঙ্ক্ষা আৰু অবাস্তৱ মনোভঙ্গিয়েই (attitude) যে তেওঁৰ মানসিক দুৰ্দ্দশাৰ কাৰণ, সেই কথা তেওঁ উপলব্ধি কৰিব নোৱাৰিছিল।

ওপৰত বৰ্ণনা কৰা স্বপ্ন দুটাত মানুহজনৰ মানসিক অন্তৰ্দ্বন্দ্বৰ হুবহু প্ৰতিফলন দেখিবলৈ পোৱা গৈছে। জোন আৰু বেলি তেওঁৰ উচ্চাকাঙ্ক্ষাৰ তথা লিবিডোৰ প্ৰতীক (Libido symbol)। জোনটোৱে নিজৰ ওপৰত নিজে কেবাবাৰো লুটি-বাগৰ মাৰি অদৃশ্য হৈ পৰা ঘটনাটো মানুহজনৰ মানসিক অস্থিৰতা আৰু আশাভঙ্গৰ প্ৰতীক। আনহাতে জোনৰ বুকুত ঘটা আগ্নেয়গিৰিৰ বিস্ফোৰণ তেওঁৰ সম্ভাব্য মানসিক বিস্ফোৰণৰ প্ৰতীক। গতিকে স্বপ্ন দেখোঁতাজনৰ কাৰণে স্বপ্ন দুটা হৈ পৰিছিল সতৰ্কবাণী স্বৰূপ।

মনোৱীক্ষণ-তত্ত্বমতে ভীৰুতা, ব্যৰ্থতা আৰু অলীক কল্পনা (fear,

frustration and fantasy) এই তিনিওটাই লগ লাগি উদ্বাস্তু বোগক মানুহৰ মনত জীয়াই ৰাখে। স্বপ্ন দেখোঁতাজনৰ ক্ষেত্ৰতো সেয়ে হৈছিল। সন্দেহ নাই যে একালত তেওঁ এজন সকলোৰে প্ৰশংসাভাজন মেধাৱী ছাত্ৰ আছিল। কিন্তু বাস্তৱৰ কৰ্ম্ম-জীৱনত সমাজৰপৰা তেনে স্বীকৃতি আৰু প্ৰশংসা পাবলৈ আশা কৰাটো পৰ্ব্বতত কাছ-কণী বিচৰাৰ নিচিনা নহয় জানো ? অৱশ্যে মানুহজনে পাছলৈ নিজেই এইটো উপলব্ধি কৰিবলৈ ধৰিলে যে ভুৱা যশস্যাৰ মোহ আৰু ভুৱা আদৰ্শ এইবিলাকত লাগি থাকি বাস্তৱ জীৱনৰ ভালেমান সা-সুবিধা তেওঁ অৱাবতে হেৰুৱাব লাগিছে। বাস্তৱ জীৱনক অস্বীকাৰ কৰাটো অবিৱেচকৰ কাম। আশৈশৱ মনত পোহপাল দি ৰখা আকাঙ্ক্ষাৰ পৰিপূৰণ নহ'ল বুলি বাস্তৱৰ বিৰুদ্ধে নিস্ফল বিদ্ৰোহ আচৰিবলৈ গ'লে নিজেহে ক্ষত-বিক্ষত হ'ব লাগে। সমাজে তালৈ কেৰেপ নকৰে।

এই নতুন উপলব্ধিৰ পিছত ভদ্ৰলোকজনৰ মনস্তত্বৰ আমূল পৰিৱৰ্ত্তন ঘটিল। সৰ্ব্বোচ্চ কৃতিত্ব অৰ্জ্জন কৰি জোনৰ দৰে আকাশত জিলিকি থকাৰ পৰিৱৰ্ত্তে মাটিৰ মানুহ হৈ সৰ্ব্বসাধাৰণৰ লগত মিলি যাবলৈ তেওঁ যত্নপৰ হ'ল। নক'লেও হ'ব যে এই নতুন দৃষ্টি-ভঙ্গি গ্ৰহণ কৰি লোৱাৰ পাছত সুৰা আৰু নাৰীৰ প্ৰতি তেওঁৰ পূৰ্ব্বৰ আসক্তি নাইকিয়া হ'ল।

(ঙ)

মানুহে মাজে মাজে এনেকুৱা স্বপ্নও দেখে, যিবিলাক স্বপ্নত স্বপ্ন দেখোঁতাজনৰ ব্যক্তিগত সমস্যাৰ প্ৰতিফলন নঘটে, বৰং যি মানৱজাতিৰ সমূহীয়া আশা-আকাঙ্ক্ষাৰ প্ৰতীক স্বৰূপ হৈ পৰে। এনে বিধ স্বপ্নক সমষ্টিগত স্বপ্ন (Collective dream) বুলি কোৱা হয়। বাইবেল গ্ৰন্থত উল্লেখ কৰা ফাৰাওৰ (Pharoah) স্বপ্ন দুটা তাৰে দৃষ্টান্ত।

স্বপ্ন :—"চোৱাঁ, মোৰ সপোনত মই নদীৰ কিনাৰত থিয় হৈ আছিলোঁ। ১৮ এনে সময়তে চোৱাঁ, নদীৰপৰা হৃষ্ট-পুষ্ট গাৰে আৰু দেখিবলৈ সুন্দৰ সাতজনী গৰু ওলাই নলনিত চৰিবলৈ ধৰিলে। ১৯ পাছে চোৱাঁ, খীণোৱা, দেখিবলৈ কুচ্ছিত আৰু চেৰেলা গাৰে আন সাতজনী গৰুও সেই

কেইজনীৰ পাছতে ওলাই আহিল। তেনেকুৱা কুচ্ছিত গৰু মই গোটেই মিচৰ দেশত কেতিয়াও দেখা নাই। ২০ আৰু সেই চেৰেলা গাৰে দেখিবলৈ কুচ্ছিত গৰু কেইজনীয়ে প্ৰথমে ওলোৱা হৃষ্ট-পুষ্ট গৰু সাতজনী গিলি পেলালে। ২১ আৰু সিহঁতৰ পেটত সেইবোৰ সোমালতো সোমোৱা যেন মনে নধৰিলেঃ কিন্তু সিহঁত আগৰ দৰেই দেখিবলৈ কুচ্ছিত হৈয়ে থাকিল। তেতিয়া মই সাৰ পালোঁ।

২২ পাছে মই পুনৰায় সপোনত দেখিলোঁ—চোৱাঁ, একেডাল ঠাৰিতে গুটিৰে ভৰা আৰু উত্তম সাতোটা থোক ওলাল। ২৩ তেতিয়া চোৱাঁ, সেইবোৰৰ পাছতে ককৰ্ত্তনীয়া, পতন্নুৱা আৰু পূবৰ বতাহত শুকুৱা এনে সাতোটা থোক ওলাল। ২৪ সেই পতন্নুৱা থোকবোৰে সেই সাতোটা উত্তম থোক গিলি পেলালে। পাছে শাস্ত্ৰকাৰসকলক মই তাক ক'লোঁঃ কিন্তু কোনেও মোক ফলিতা দিব নোৱাৰিলে"।*

বাইবেল গ্ৰন্থত উল্লেখ কৰা ফাৰাওজন কেৱল মিচৰ দেশৰ ৰজাই নাছিল। লগতে তেওঁ আছিল মিচৰৰ ধৰ্ম্মগুৰু আৰু সেইকালৰ মিচৰবাসীৰ দৃষ্টিত ঈশ্বৰৰ অংশস্বৰূপ। ঈশ্বৰে হেনো ফাৰাওৰ মুখেৰেহে নিজৰ ইচ্ছাৰ কথা মিচৰবাসীক জানিবলৈ দিছিল। গতিকে ফাৰাওৰ স্বপ্ন মিচৰবাসীৰ কাৰণে বিশেষ তাৎপৰ্য্যপূৰ্ণ। শাস্ত্ৰকাৰসকল স্বপ্নৰ অৰ্থোদ্ধাৰ কাৰ্য্যত ব্যৰ্থ হোৱাত যোচেফ নামে আন এজনক স্বপ্ন দুটাৰ অৰ্থ উলিয়াবলৈ কোৱা হ'ল। যোচেফে গমি-পিতি চাই ক'লে যে সাতজনী গৰু সাতোটা বছৰৰ প্ৰতীক। তেনেকৈ সাতোটা শস্যৰ থোকো সাত বছৰৰ প্ৰতীক। সাতজনী হৃষ্ট-পুষ্ট গৰু আৰু সাতোটা গুটি-ভৰা থোকে মিচৰবাসীৰ সৌভাগ্যৰ আগ-জাননী দিছে। সাত বছৰ কাল মিচৰ দেশ ধনে-ধানে নদন-বদন হৈ থাকিব। আনহাতে সাতজনী লেৰেলা-চেপেটা গৰু আৰু সাতোটা পতানেৰে ভৰা থোক দুৰ্ভিক্ষৰ আগ-জাননী। এই সাতোটা বছৰত মিচৰবাসীয়ে অভাৱ-অনাটনত কষ্ট ভোগ কৰিব লাগিব। একেৰাহে সাত বছৰ কষ্টভোগ কৰা মিচৰবাসীয়ে পূৰ্ব্বৰ সুখ-সমৃদ্ধিৰে ভৰা সাতোটা বছৰৰ কথা একেবাৰে পাহৰি যাব। স্বপ্ন আচলতে দুটা নহয়। একেটাই।

* মোচিয়ে লিখা আদি পুস্তক (অসমীয়া সংস্কৰণ)

কথিত আছে যে স্বপ্নৰ ভৱিষ্যদ্বাণী আখৰে আখৰে ফলিয়ালে।

এই স্বপ্ন দুটাক গঢ় দিয়াৰ ক্ষেত্ৰত ফাৰাওৰ ব্যক্তিগত মনস্তত্ত্বই কি অৰিহণা যোগাইছিল, তাক আজি জনা সম্ভৱ নহয়। ১৯১৩ খ্ৰীষ্টাব্দত মনোবিজ্ঞানী ডাঃ য়ুঙেও বোলে এনানি ভৱিষ্যদ্বাণীসূচক স্বপ্ন দেখিছিল। স্বপ্নত তেওঁ দেখা পাইছিল যে সমগ্ৰ উত্তৰ ইয়োৰোপ প্ৰলয়ঙ্কৰী বানপানীৰ কৱলত পৰি সম্পূৰ্ণ বিধ্বস্ত হৈ পৰিছে। প্ৰথম অৱস্থাত ডাঃ য়ুঙে সেই স্বপ্নবিলাকক তেওঁৰ ব্যক্তিগত অৱচেতন মনৰ অভিব্যক্তি বুলি বিশ্বাস কৰি লৈছিল আৰু অৱচেতন মনৰ অজস্ৰ আদিম চিন্তাই তেওঁৰ সচেতন মনক বিপৰ্য্যস্ত কৰি পেলাব বুলি তেওঁ মনে মনে শঙ্কিত হৈ পৰিছিল। কিন্তু এই স্বপ্নবিলাক দেখাৰ এবছৰমানৰ ভিতৰতে যেতিয়া ইয়োৰোপত প্ৰথম মহাসমৰৰ দাৱানল জ্বলি উঠিল আৰু দেশৰ পাছত দেশ ছাৰখাৰ হ'বলৈ ধৰিলে, তেতিয়াহে ডাঃ য়ুঙে উপলব্ধি কৰিব পাৰিলে যে তেওঁ দেখা স্বপ্নবিলাক ভৱিষ্যদ্বাণীসূচক স্বপ্নহে আছিল। পাৰ্থক্য কেৱল ইমানেই যে বানপানীৰ পৰিৱৰ্ত্তে যুদ্ধইহে দেশবাসীৰ ভাগ্য বিপৰ্য্যয় ঘটালে।

কোনো কোনো স্বপ্নত মানুহে নিজৰ মৃত্যু হোৱাও দেখা পায়। স্বপ্নত নিজৰ মৃত্যু-দৃশ্য প্ৰত্যক্ষ কৰিব লগা হ'লে মানুহৰ মনত আতঙ্কৰ সৃষ্টি হৈ পৰাটো স্বাভাৱিক। কিন্তু দেখা যায় যে এনেবিধ স্বপ্ন দেখোঁতা-জনৰ নিজৰ বা তেওঁৰ পৰিয়ালৰ কোনো লোকৰ মৃত্যুৰ আগ-জাননী নহয়। বৰং সেইবোৰ মৃত্যু সম্পৰ্কে মানুহে নিজৰ মনত পোষণ কৰা বিশ্বাস বা ধাৰণাৰে অভিব্যক্তি মাথোন। ১৯৮১ চনৰ ১৯ জুলাই আৰু ২০ জুলাই তাৰিখৰ মাজৰ নিশাটোত এই লিখকেও তেনেকুৱা স্বপ্ন এটা দেখা পাইছিল।

স্বপ্ন :—'মোৰ মৃত্যু হৈছে। মোৰ মৃত শৰীৰটো এফালে মুখ কৰি বিচনাত পৰি আছে আৰু মই শৱটোৰপৰা তিনি কি চাৰি ফুটমান আঁতৰত থিয় হৈ আছোঁ। কিন্তু নিজৰ মৃত্যু হোৱা বুলি জানিও মোৰ অলপো ভয় লগা নাছিল, কিম্বা নিজক দেহ-বিমুক্ত সত্তাৰূপে দেখা পোৱাটোকো একো অস্বাভাৱিক ঘটনা যেন লগা নাছিল। বৰং মই নিজে নিজক এনেদৰে বুজাবলৈ চেষ্টা কৰিছিলোঁ যে মৃত্যু একো ভয়াৱহ বা

যন্ত্রণাপ্রদ অৱস্থা নহয়। বিচনাত পৰি থকা মোৰ শৰীৰটোৰ প্ৰতি মোৰ যেন ঘৃণা উপজিছিল।

কেইমিনিটমান সময় এনেকৈয়ে পাৰ হৈ গ'ল। এনেতে মোৰ ওচৰতে থিয় হৈ থকা মোৰ ল'ৰাটোলৈ চকু পৰিলত মই তাক ক'লোঁ যে মোৰ শৱটো আঁতৰাই নিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু তাৰ কাৰণে বাঁহ এডালৰ আৱশ্যক। ঠিক সেই সময়তে মানুহ এটাই দীঘল কেঁচা বাঁহ এডাল হাতত লৈ আমাৰ ফালে আহি থকা মোৰ চকুত পৰিল। মানুহটো আহি মোৰ ওচৰ পালত বিচনাত পৰি থকা মোৰ শৱটোলৈ আৰু এবাৰ দৃষ্টি নিক্ষেপ কৰিলোঁ। কিন্তু শৱটোৱে বাগৰ সলাই চকু মেলিলে আৰু ঠিক সেই মুহূৰ্ত্ততে মোৰ নিদ্ৰাভঙ্গ হ'ল।' তেতিয়া ৰাতি ৩ বাজিছিল।

লিখকৰ বিশ্বাস যে এইটো এটা ইচ্ছা পৰিপূৰণসূচক স্বপ্নহে আছিল। লিখকে পৰলোকতত্ত্ব বিষয়ক কেবাখনো ইংৰাজী কিতাপত দেহ-বিমুক্ত অহংবোধৰ কথা পঢ়িবলৈ পাইছিল। বিশেষকৈ চিন্তানায়ক জিড্ডু কৃষ্ণমূৰ্ত্তিৰো দেহ-বিমুক্ত অৱস্থাৰ অভিজ্ঞতা (Out of the body experience) থকা বুলি জানিব পাৰি সেই অভিজ্ঞতানো কেনেকুৱা তাক জানিবৰ কাৰণে লিখকৰ মনত প্ৰৱল আগ্ৰহ উপজিছিল। জাগ্ৰত অৱস্থাত সেই কৌতূহল চৰিতাৰ্থ কৰিবৰ উপায় নথকাত স্বপ্নত স্বাভাৱিক নিয়ম অনুসৰিয়েই সি চৰিতাৰ্থ হৈ পৰিল।

স্বপ্নত মৃত্যুৰ কথা প্ৰকাশ কৰিবৰ কাৰণে মনে কেনেকুৱা আওপকীয়া কৌশল অৱলম্বন কৰে ফ্ৰয়েডে বৰ্ণনা কৰা তলৰ স্বপ্নটোত সেই কথা স্পষ্টভাৱে প্ৰকাশ পোৱা দেখা গৈছে।

স্বপ্ন ঃ—এজন মানুহে স্বপ্ন দেখিলে যে তেওঁ ওখ দলং এখন পাৰ হ'ব ধৰিছে। তেওঁৰ লগত আৰু দুজন মানুহ। স্বপ্ন দেখোঁতাজনে সেই মানুহ দুজনৰ নাম জানিছিল যদিও পাছত নাম দুটা পাহৰি পেলালে। হঠাতে লগৰ মানুহ দুজন নাইকিয়া হ'ল। তাৰ পৰিৱৰ্ত্তে দেখা গ'ল গাত দীঘল চোলা আৰু মূৰত টুপী পিন্ধা অতি কুৎচ চেহেৰাৰ বেলেগ মানুহ এটা। স্বপ্ন দেখোঁতাজনে সেই মানুহটোক প্ৰশ্ন কৰিলে—'তুমি টেলিগ্ৰাফৰ পিয়ন নেকি?' মানুহটোৱে 'নহয়' বুলি উত্তৰ দিলে।

'তেনেহ'লে গাড়ীৰ চালক নেকি ?'

মানুহটোৱে এইবাৰো 'নহয়' বুলিয়েই উত্তৰ দিলে। মানুহটোৰ উত্তৰ শুনি স্বপ্ন দেখোঁতাজনৰ বৰ ভয় লাগিল আৰু তেওঁ লগে লগে টোপনিৰপৰা সাৰ পালে। সাৰ পোৱাৰ পাছত নিজৰ অলীক কল্পনাত তেওঁ স্বপ্নটো অনুসৰণ কৰিবলৈ ধৰিলে। কল্পনাৰ চকুৰে তেওঁ দেখা পালে যে দলংখন অকস্মাতে ভাগি পৰিছে আৰু তেওঁ মাটিলৈ পৰি গৈছে।

ফ্ৰয়েডে কয় যে স্বপ্নত যেতিয়া চিনাকি মানুহৰ নাম পাহৰি যোৱা হয়, তেতিয়া আমি বুজিব লাগিব যে সেই চিনাকি মানুহজন স্বপ্ন দেখোঁতাজনৰ ওচৰ-সম্পৰ্কীয় অৰ্থাৎ অতি আপোন মানুহ। ওপৰৰ স্বপ্নটো যিজনে দেখিছিল, তেওঁ আছিল পৰিয়ালটোৰ তিনিটা সন্তানৰ ভিতৰৰে এটা। স্বপ্ন দেখোঁতাজনে যদি নিজৰ অৱচেতন মনত বাকী দুটা সন্তানৰ প্ৰতি মৃত্যু-ইচ্ছা পোষণ কৰিছিল, তেনেহ'লে স্বপ্নত সেই অশুভ ইচ্ছা সচেতন মনত জাগি উঠিবলৈ উপক্ৰম কৰা হেতুকে তেওঁৰ মনত আতঙ্কৰ সৃষ্টি হৈ পৰা স্বাভাৱিক। স্বপ্নটোত তেওঁৰ লগত যোৱা চিনাকি মানুহ দুজন পৰিয়ালটোৰ বাকী দুটা সন্তানৰ প্ৰতীক। টেলিগ্ৰাফৰ পিয়নে অশুভ বাৰ্ত্তা বহনকাৰীক বুজাইছে। কাৰণ সিহঁতে প্ৰায়ে মানুহৰ আকস্মিক দুৰ্ঘটনা বা মানুহৰ মৃত্যুৰ খবৰ আনে। আকৌ মৃত্যুক পৰলোক যাত্ৰা বুলিও কোৱা হয়। মানুহে যান-বাহনত উঠি দূৰ দেশলৈ যাত্ৰা কৰে। গতিকে স্বপ্নটোত ড্ৰাইভাৰ বা যান-বাহনৰ চালক কথাষাৰে পৰলোক যাত্ৰাৰ ইঙ্গিত দিয়া যেন লাগে। স্বপ্নটোত অৱশ্যে অৱদমিত মৃত্যু-ইচ্ছাৰ কথাহে প্ৰকাশ পাইছে। গতিকে স্বপ্নটো স্বপ্ন দেখোঁতাজনৰ নিজৰ বা তেওঁৰ পৰিয়ালৰ কোনো লোকৰ মৃত্যুৰ আগ-জাননী নহয়। লিখকে সংগ্ৰহ কৰা তলত দিয়া স্বপ্নটোত মৃত্যুৰ কথা অধিক স্পষ্টভাৱে প্ৰকাশ পোৱা দেখা গৈছে।

স্বপ্ন ঃ—'কপিলী নৈৰ মথাউৰিৰ ওপৰেদি খোজকাঢ়ি মই কেনিবা গৈ আছোঁ। হাতত টোপোলা এটা লৈ আন এটা মানুহ মোৰ পাছে পাছে খোজকাঢ়ি আহি আছে। ঠাইখন ঘোপমৰা আন্ধাৰ। অলপ দূৰ যোৱাৰ

পাছত পুৱাৰ পোহৰৰ ৰেঙণি দেখা গ'ল। এনেতে কোনোবাই কোৱা শুনিলোঁ যে ওচৰৰ মানুহ এঘৰত কোনোবা এজন লোকৰ মৃত্যু হৈছে।'

মৃত্যুৰ কথা প্ৰকাশ পালেও এইটো স্বপ্নও স্বপ্ন দেখোঁতাজনৰ মৃত্যুৰ আগ-জাননী নহয়। স্বপ্নটোত স্বপ্ন দেখোঁতাজনৰ অতীত জীৱনৰ এটা দিনৰ স্মৃতি প্ৰকাশ পোৱাৰ লগতে মৃত্যু সম্পৰ্কে তেওঁ মনত পোষণ কৰা ধাৰণায়ো আত্মপ্ৰকাশ কৰিছে। ১৯৩৪ চনত নগাওঁ জিলাত হোৱা কপিলী নদীৰ ভয়াৱহ বানপানীয়ে ৰাস্তা-ঘাট ধ্বংস কৰি পেলোৱা কাৰণে স্বপ্ন দেখোঁতাজনে নিজৰ ঘৰৰপৰা নগাওঁ চহৰলৈকে ত্ৰিশ কিলোমিটাৰ বাট খোজকাঢ়িব লগা হৈছিল। তেওঁৰ বিচনা, বাকচ আদি বস্তুবিলাক আন এজন মানুহে কান্ধত লৈ তেওঁৰ পাছে পাছে আহিছিল। মন কৰিবলগীয়া যে স্বপ্নটোত আন এজনৰ মৃত্যুৰ কথাহে প্ৰকাশ পাইছে। নিজৰ মৃত্যু-সম্ভাৱনাক অস্বীকাৰ কৰা হৈছে। এই স্বপ্নটোৰ লগত স্বপ্ন দেখোঁতাজনৰ বৰ্ত্তমানৰ সমস্যাৰ সম্পৰ্ক কি তাক অৱশ্যে ভালদৰে বুজিব পৰা নগ'ল।

একেবিধ স্বপ্নকে পৰিয়ালৰ কেবাজনেও দেখাৰ দৃষ্টান্তও নথকা নহয়। মনোবিজ্ঞানী ডাঃ য়ুঙে এনেকুৱা এটা স্বপ্নৰ কথা উল্লেখ কৰিছে, যিটো স্বপ্ন একে মাকৰে সন্তান তিনিজনী বাই-ভনীয়ে বহু দিনৰ আগৰেপৰা মাজে মাজে দেখি আহিছিল। অৱশ্যে স্বপ্নটোৰ কথা সিহঁতৰ কোনো-জনীয়েই বায়েক বা ভনীয়েকৰ আগত প্ৰকাশ কৰা নাছিল। স্বপ্নত সিহঁতৰ প্ৰত্যেকজনীয়ে নিজৰ মাকজনীক যাতুকাৰিণী ডাইনী, কিম্বা ভয়াৱহ জন্তুৰ আকৃতিত দেখা পাইছিল। ইয়াৰ কেইবছৰমানৰ পাছত মাকৰ মস্তিষ্ক-বিকৃতি ঘটিল। মাকে তেতিয়া আঁঠুকাঢ়ি হাতৰ তলুৱাত ভৰ দি চাৰিঠেঙীয়া বনৰীয়া জন্তুৰ দৰে চলা-ফুৰা কৰাৰ উপৰিও গাহৰিৰ দৰে মুখেৰে ঘোঁৎ ঘোঁৎ শব্দ কৰিবলৈ আৰু কুকুৰৰ দৰে ভুকিবলৈ আৰম্ভ কৰিলে। গতিকে বাই-ভনী কেইজনীয়ে ইতিপূৰ্ব্বে দেখা স্বপ্ন দিঠকত পৰিণত হ'ল।

স্বপ্নৰ আভ্যন্তৰিক সংগঠনৰ বিষয়ে মনোবিজ্ঞানীসকল আজিও শেষ সিদ্ধান্তত উপনীত হ'ব পৰা নাই। কিন্তু তেওঁলোকে ভাবে যে স্বপ্নত প্ৰকাশ পোৱা মনটোহে আমাৰ মনৰ অকৃত্ৰিম ৰূপ। জাগ্ৰত অৱস্থাত

অৱচেতন মনৰপৰা চেতনাত নিজক প্ৰকাশ কৰিবলৈ উদ্যত হোৱা ভাব-চিন্তা-বিলাকক সচেতন মনে নিজে ক'ব নোৱাৰাকৈয়ে শুধৰাই থাকে আৰু বাস্তৱ জীৱনৰ দাবীৰ লগত খাপ খাই পৰাকৈ সিহঁতক নিৰ্দ্দিষ্ট ক্ৰমত সজাই তোলে। স্বপ্নত মনৰ 'শুধৰণি ক্ষমতাটো ব্যাহত কিম্বা অতিশয় স্তিমিত হৈ পৰে। জৈৱিক মনৰ বিষয়ে আলোচনা কৰোঁতে আমি পাই আহিছোঁ যে আমাৰ শৰীৰ আৰু মন উভয়ে বাস্তৱৰ দাবীৰ লগত নিজৰ সঙ্গতি ৰক্ষা কৰিবৰ কাৰণে অহৰ্নিশে সচেষ্ট হৈ থাকে। টোপনিতো এই সঙ্গতি-সাধন চেষ্টাৰ বিৰতি নঘটে। কাৰণ টোপনিত মানুহ অচেতন হৈ পৰিলেও মানুহৰ জীৱনৰ সমস্যাবিলাক তেতিয়াও থাকে। কামনা-বাসনাও থাকে। আমাৰ বিশ্বাস আমাৰ স্বপ্নবিলাকো আংশিকভাৱে হ'লেও এনেকুৱা সঙ্গতি-সাধন প্ৰচেষ্টাৰে নিদৰ্শন—যদিও এই প্ৰচেষ্টা বাস্তৱ বুদ্ধি-চালিত প্ৰচেষ্টা নহয়—সমস্যা সমাধানৰ শিশুসুলভ প্ৰচেষ্টা মাথোন।

মন আকাশৰ অচিন দিগন্ত

(ক)

জাগ্রত অৱস্থাত মানুহৰ মাজত ভাবৰ আদান-প্রদান সম্ভৱ হয় কথিত বা লিখিত ভাষাৰ জৰিয়তে। ইচ্ছা কৰিলে মানুহে সাঙ্কেতিক উপায় অৱলম্বন কৰিও নিজৰ মনোভাৱ আনৰ ওচৰত ব্যক্ত কৰিব পাৰে। মানুহৰ আচৰণ আৰু চকু-মুখৰ ভাব-ভঙ্গীলৈ লক্ষ্য কৰিও মানুহৰ মনোভাৱৰ বিষয়ে থূল-মূল ধাৰণা কৰিব পাৰি। পিছে এই সকলো-বিলাকেই ইন্দ্রিয়গ্রাহ্য উপায়। আনহাতে আকৌ এনে দৃষ্টান্তও পোৱা যায়, য'ত এজন মানুহৰ চিন্তা ইন্দ্রিয়গ্রাহ্য উপায় অবিহনেও দূৰ দেশত বাস কৰা আন এজন মানুহৰ অন্তৰত প্রতিধ্বনিত হৈ পৰে। ইন্দ্রিয়গ্রাহ্য উপায় অৱলম্বন নকৰাকৈ দুজন ব্যক্তিৰ মাজত চিন্তাৰ সংযোগ-সাধনক ইংৰাজীত টেলিপেথী (Telepathy) বুলি কোৱা হয়। মনোবিজ্ঞানী ডাঃ ফ্রয়েডে কাহানিবাই আমাক কৈ গৈছে যে মনঃসমীক্ষণ কার্য্য চলি থকা অৱস্থাত মনঃসমীক্ষকজনে নিজৰ মনোভাৱ মুখেৰে প্রকাশ নকৰা সত্ত্বেও সমীক্ষিত ব্যক্তিজনে স্বতঃস্ফূর্ত্তভাৱে সমীক্ষকজনৰ চিন্তা বা অভিপ্রায়ৰ বিষয়ে অৱগত হৈ পৰিব পাৰে। আনহাতে যৌন মনস্তত্ত্ব-বিশাৰদ ডাঃ হেভ্‌লক্ এলিচে (Havelock Ellis) কেবাখনো চিকিৎসা-আলোচনীৰপৰা দৃষ্টান্ত সংগ্রহ কৰি এইটো প্রমাণ কৰিবলৈ চেষ্টা কৰিছে যে গৰ্ভৱতী তিৰোতাৰ মনত সৃষ্টি হোৱা আতঙ্ক বা তীব্র উৎকণ্ঠাই তিৰোতা-গৰাকীৰ সচেতন মনৰ অলক্ষিতে গৰ্ভস্থ ভ্রূণৰ ওপৰত ক্রিয়া কৰি বিকলাঙ্গ সন্তান জন্ম দিব পাৰে।

টেলিপেথী, দিব্য-দর্শন (Clair voyance), কিম্বা দিব্য-শ্রৱণৰ দৰে অলৌকিক ঘটনাবিলাকক আজিৰ যুগৰ মনোবিজ্ঞানীয়ে পৰামনস্তাত্ত্বিক ঘটনা (Parapsychological Phenomena) বুলি অভিহিত কৰে। কাৰণ মনৰ কাৰ্য্য-কলাপৰ বিষয়ে আমি এতিয়ালৈকে আহৰণ কৰা জ্ঞানৰ

সহায়ত এনেবিলাক অলৌকিক ঘটনাৰ আঁতি-গুৰি উলিয়াব পৰা হোৱা নাই। পৰামনস্তাত্ত্বিক ঘটনাবিলাক মনোবিজ্ঞানৰ নতুন আৱিষ্কাৰ নহয়। আমাৰ পৌৰাণিক আখ্যান-উপাখ্যানবিলাকত টেলিপেথী, দিব্য-দৰ্শন আৰু দিব্য-শ্ৰৱণৰ দৰে অতি প্ৰাকৃতিক ঘটনাৰ বহুতো দৃষ্টান্ত পোৱা যায়। তাহানিৰ উষা-অনিৰুদ্ধৰ কাহিনীলৈ আকৌ এবাৰ মনত পেলাওঁকচোন। কংস ৰজায়ো তাহানি দৈৱবাণী যোগে নিজৰ মৃত্যুৰ আগ-জাননী পাইছিল আৰু নিজ ভনীয়েক দৈৱকীৰ গৰ্ভজাত সাতোটা সন্তানক ওপজাৰ পাছতে নিষ্ঠুৰভাৱে হত্যা কৰি নিজৰ অৱশ্যম্ভাৱী মৃত্যুক প্ৰতিৰোধ কৰিবলৈ চেষ্টা কৰিছিল থিব্‌চ্‌ দেশৰ ৰাজকোঁৱৰ ইডিপাচে হেনো দৈৱবাণী যোগে জানিব পাৰিছিল যে অদূৰ ভৱিষ্যতে তেওঁ নিজ হাতে পিতাকক হত্যা কৰিব আৰু নিজৰ মাকক শয্যাসঙ্গিনী কৰি ল'ব। সেই ভৱিষ্যদ্বাণী কেনেদৰে ফলিয়ালে সেই কথা গ্ৰীক্ নাট্যকাৰ চফ'ক্লিচে তেওঁৰ 'ৰজা ইডিপাচ্' নামৰ নাটকত সুন্দৰভাৱে ফুটাই তুলিছে।

অতীতৰ যোগসিদ্ধ ঋষি-মুনিসকলে বোলে ধ্যানৰ বলত ভূত-ভৱিষ্যতৰ সকলো কথা নিৰ্ভুলভাৱে কৈ দিব পাৰিছিল। অতীতৰ গ্ৰীচ আৰু ৰোমৰ অধিবাসীসকলে ভৱিষ্যৎ বাণীত ইমান বিশ্বাস কৰিছিল যে কোনো সমৰাভিযান আৰম্ভ কৰাৰ পূৰ্ব্বে দৈৱবাণী যোগে দেৱতাৰ নিৰ্দ্দেশ আৰু আশীৰ্ব্বাদ লাভ কৰিবৰ আশাৰে তেওঁলোকে দেৱ-মন্দিৰত শয়ন কৰিছিলগৈ। আজিৰ যুগতো হিমালয় পৰ্ব্বতৰ অটব্য অৰণ্যৰ মাজত এনে অলৌকিক ক্ষমতাসম্পন্ন যোগী থকা বুলি শুনা যায়, যি স্বেচ্ছাই নিজৰ তেজ-মঙহৰ স্থূল শৰীৰটো সাম্প্ৰতিকভাৱে ত্যাগ কৰি সূক্ষ্ম শৰীৰেৰে দূৰ দেশত ভ্ৰমি ফুৰিব পাৰে, আকৌ ইচ্ছামতে পূৰ্ব্বৰ শৰীৰলৈ উভতি আহিবও পাৰে। পৰামনস্তত্ত্ববিদ্‌সকলে ভাবে যে কোনো কোনো ক্ষেত্ৰত এই কাহিনীবিলাক অতিৰঞ্জিত হ'ব পাৰে; কিন্তু সেই বুলি সিহঁতৰ অন্তৰালত কিছু সত্য নথকা নহয়। পৰামনস্তাত্ত্বিক ঘটনাবিলাক কেনেকৈ উদ্ভৱ হয় আৰু কেনেভাৱে নিয়ন্ত্ৰিত হয়, সেই কথা নাজানো কাৰণেই আমি সিহঁতক অলৌকিক বা অতি প্ৰাকৃতিক ঘটনা বুলি ধৰি লওঁ।

বিজ্ঞানীসকলে ভাবে যে টেলিপেথী সচেতনতা বহু লোকৰ থাকিলেও

সি অবিকাশিত বা সুপ্ত অৱস্থাতে থাকি যায়। আদিম সমাজৰ লোক-সকল সভ্য সমাজৰ লোকৰ তুলনাত অধিক টেলিপেথী-সচেতন। আকৌ সভ্য সমাজৰ প্ৰাপ্ত-বয়স্ক লোকৰ তুলনাত শিশুসকল অধিক টেলিপেথী-সচেতন। অন্ততঃ মনোবিজ্ঞানীৰ সেয়ে ধাৰণা। সভ্য সমাজৰ প্ৰাপ্ত-বয়স্ক লোকৰ মানসিক শক্তিৰ স্ৰোত বহুধা-বিভক্ত। তেওঁলোকৰ মন বিবিধ সংঘাতৰ লীলাভূমি হৈ পৰা কাৰণে টেলিপেথীৰ দৰে সূক্ষ্ম মানসিক ঘটনাই তাত প্ৰৱেশ লাভ কৰা কঠিন হৈ পৰে। শিশুৰ চিন্তা-ক্ষেত্ৰৰ পৰিসৰ নিতান্ত সঙ্কীৰ্ণ। তাৰ 'Ego barrier' বা অহংবোধৰ প্ৰতিৰোধ ক্ষমতা ক্ষীণ। সেয়েহে টেলিপেথী বাৰ্ত্তাই তাৰ মানস ক্ষেত্ৰত প্ৰৱেশ লাভ কৰা অপেক্ষাকৃতভাৱে সহজসাধ্য হৈ পৰে। তদুপৰি মানুহৰ বহিৰিন্দ্ৰিয়বিলাক পূৰঠ আৰু কাৰ্য্যক্ষম হৈ পৰাৰ পাছত মানুহে সিহঁতৰ সহায়তে বহিৰ্জগতৰ সকলো খবৰ সংগ্ৰহ কৰিবলৈ সক্ষম হৈ পৰা কাৰণে টেলিপেথীৰ প্ৰয়োজন নাইকিয়া হৈ পৰে। আকৌ বিজ্ঞানৰ প্ৰভূত উন্নতিৰ ফলত মানুহে ৰেডিঅ', টেলিফোন, টেলিভিছন আদিৰ যোগে পৃথিৱীৰ যি কোনো সভ্য দেশৰ মানুহৰ লগত ভাবৰ আদান-প্ৰদান কৰিব পাৰে। গতিকে নিজৰ সুপ্ত টেলিপেথী ক্ষমতাক জগাই তোলাৰ প্ৰয়োজন বোধ নকৰে।

পৰামনস্তাত্ত্বিক ঘটনাসমূহক দুটা বহল শ্ৰেণীত পেলাব পাৰি। এটা শ্ৰেণীৰ পৰামনস্তাত্ত্বিক ঘটনাক ইন্দ্ৰিয়াতীত প্ৰত্যক্ষ (Extrasensory Perception) বুলি কোৱা হয়। আনটো শ্ৰেণীৰ ঘটনাক বোলা হয় চাইক'কাইনেচিচ্ (Psycho-Kinesis)। ইন্দ্ৰিয়াতীত প্ৰত্যক্ষৰ ক্ষেত্ৰত মনে চকু, কাণ, ছাল আদি বহিৰিন্দ্ৰিয়ৰ জৰিয়তে বাহিৰৰ জগতৰ ঘটনা প্ৰত্যক্ষ কৰাৰ পৰিৱৰ্ত্তে মনে পোনে পোনে ঘটনা প্ৰত্যক্ষ কৰে। আকৌ চাইক'কাইনেচিচৰ ক্ষেত্ৰত আমাৰ মনে শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গৰ সহায় নোলোৱাকৈয়ে বস্তুৰ ওপৰত ক্ৰিয়া কৰে। আনকি সিহঁতক কোনো প্ৰকাৰে স্পৰ্শ নকৰাকৈয়ে সিহঁতত গতিসঞ্চাৰ কৰিব পাৰে। ইন্দ্ৰিয়াতীত প্ৰত্যক্ষৰ দৰে ঘটনা ইচ্ছাপূৰ্ব্বক সৃষ্টি কৰিব নোৱাৰি। যেনে ইচ্ছাকৃতভাৱে শত-সহস্ৰ কিলোমিটাৰ দূৰৰ ঘটনা আমি শুদা চকুৰে প্ৰত্যক্ষ কৰিব নোৱাৰোঁ, কিম্বা ইচ্ছাকৃতভাৱে

দৈৱবাণীও শুনিব নোৱাৰোঁ। কিন্তু পৰীক্ষামূলক পৰামনস্তত্ত্বই দেখুৱাইছে যে চাইক'কাইনেচিচ্‌ বহু পৰিমাণে আমাৰ সচেতন মনৰ নিয়ন্ত্ৰণাধীন প্ৰক্ৰিয়া। অৱশ্যে সকলো মানুহৰে যে সেই ক্ষমতা থাকে তেনে নহয়।

মুঠতে টেলিপেথী অনৈচ্ছিক মানসিক ঘটনা। টেলিপেথী স্বৰূপে অহা খবৰে কি ৰূপ ধৰি আত্মপ্ৰকাশ কৰিব তাৰ একো নিশ্চয়তা নাথাকে। কোনো কোনো ক্ষেত্ৰত টেলিপেথীয়ে বাৰ্ত্তা গ্ৰহণকাৰীজনৰ (Receipient) মনত ভাব-চিন্তাৰ সৃষ্টি নকৰি স্বপ্ন বা অমূল প্ৰত্যক্ষৰ সৃষ্টি কৰিব পাৰে। আকৌ কোনো কোনো ক্ষেত্ৰত টেলিপেথীয়ে আশঙ্কা বা উৎকণ্ঠা স্বৰূপেও আত্মপ্ৰকাশ কৰিব পাৰে। আকৌ কেতিয়াবা টেলিপেথীয়ে ভৱিষ্যদ্বাণীসূচক স্বপ্নৰ (**Precognitive dream**) ৰূপো ল'ব পাৰে।

পৰামনোবিজ্ঞানীসকলে নিশ্চিতভাৱে জানিব পাৰিছে যে টেলিপেথী স্বৰূপে এজনৰ মনৰ চিন্তাই আন এজনৰ মনত প্ৰৱেশ লাভ কৰিবলৈ হ'লে চিন্তাৰ প্ৰেৰকজনৰ মনত তীব্ৰ উৎকণ্ঠাৰ সৃষ্টি হৈ পৰিব লাগিব আৰু চিন্তা গ্ৰহণকাৰীজনৰ মন একান্তভাৱে নিৰুদ্বেগ বা চিন্তাশূন্য হ'ব লাগিব। কিন্তু আমি জানো যে নিতান্ত শিশু অৱস্থা আৰু গভীৰ নিদ্ৰাৱস্থাৰ বাহিৰে আন কোনো অৱস্থাতে আমাৰ মন একান্ত নিৰুদ্বেগ বা চিন্তাশূন্য হ'ব নোৱাৰে। ফ্ৰয়েডে কয় যে জাগ্ৰত অৱস্থাত আমাৰ মন প্ৰধানতঃ বাহিৰ-জগতৰ ঘটনাক লৈ ব্যতি-ব্যস্ত হৈ থকা কাৰণে তেনে অৱস্থাত টেলিপেথী বাৰ্ত্তাই সচেতন মনত কোনো আলোড়নৰ সৃষ্টি কৰিব নোৱাৰিলেও সচেতন মনৰ অলক্ষিতে সি মনৰ নিৰ্জ্জান স্তৰত লিপিৱদ্ধ হৈ পৰি নিশা টোপনিত ভৱিষ্যদ্বাণীসূচক স্বপ্নৰূপে ব্যক্ত হৈ পৰিব পাৰে।[২৪] সচেতন মনৰ অলক্ষিতে নিৰ্জ্জান মনৰদ্বাৰা হোৱা এনে প্ৰত্যক্ষক মনোবিজ্ঞানী ডাঃ য়ুঙে (**Subliminal Perception**) বুলি অভিহিত কৰিছে।

---

(২৪) When such thing as telepathic messages do exist, we cannot rule out the possibility that they reach the sleeper and may be grasped by him. Nay, judging from the analogy with such materials as sensory impressions and thought processes we must assume that the telepathic messages received in the waking state might be registered in the succeeding night.

—*Dr. S. Freud*

আকৌ পৰামনোবিজ্ঞানীসকলে ইয়াকো জানিব পাৰিছে যে টেলিপেথীৰ দৰে অদৃশ্য উপায়েৰে চিন্তাৰ যোগাযোগ সম্ভৱ হ'বলৈ হ'লে চিন্তাৰ প্ৰেৰক আৰু চিন্তাৰ গ্ৰাহকজনৰ মাজত গাঢ় আনুভূতিক সম্পৰ্ক এটা থাকিব লাগিব। কাৰণ দেখা যায় যে মাতৃ আৰু সন্তান, পতি আৰু পত্নী, প্ৰেমিক-প্ৰেমিকা, কিম্বা খুব অন্তৰঙ্গ বন্ধুৰ মাজতহে টেলিপেথী যোগাযোগ সততে সম্ভৱ হৈ উঠে। কাৰণ এনেকুৱা প্ৰগাঢ় আনুভূতিক সম্পৰ্ক থকা নৰ-নাৰীৰ মাজত গভীৰ একাত্মবোধৰ (identification) অৱস্থা এটা সহজে গঢ়ি উঠিব পাৰে, যিটো অৱস্থা টেলিপেথীৰ কৃতকাৰ্য্যতাৰ কাৰণে অপৰিহাৰ্য্য বুলি ক'ব পাৰি। তলত বৰ্ণনা কৰা স্বপ্নটো তাৰে এটা নিদৰ্শন।

স্বপ্ন :—'আট্লাণ্টিক মহাসাগৰেৰে আহি থকা জাহাজ এখনৰ কেবিন এটাত দুজন পুৰুষ যাত্ৰী আছিল। তেওঁলোকৰ এজনে কেবিনৰ তলৰ বাৰ্থটো আৰু আনজনে ওপৰৰ বাৰ্থটো দখল কৰি নিশা নিশ্চিন্ত মনে শুই আছিল এদিন পুৱতি-নিশা তলৰ বাৰ্থত শুই থকা যাত্ৰীজনে এনেদৰে স্বপ্ন দেখিলে যে ইংল্যাণ্ডত থকা তেওঁৰ পত্নীগৰাকীয়ে নিশাৰ সাজ-পাৰ পৰিধান কৰি তেওঁৰ কেবিনত উপস্থিত হৈছেহি। কেবিনৰ দুৱাৰ-মুখত থিয় হৈ মহিলাগৰাকীয়ে অলপ ইতস্ততঃ কৰা যেন দেখা গ'ল। মহিলা-গৰাকীয়ে যেন অনুভৱ কৰিলে যে কেবিনৰ ভিতৰত আৰু এজন পুৰুষ যাত্ৰী শুই আছে। খন্তেক পৰ তেনেদৰে বৈ থাকি মহিলাগৰাকী কেবিনৰ ভিতৰলৈ সোমাই আহিল আৰু টোপনিত অচেতন হৈ থকা গিৰিয়েকক সন্তৰ্পণে চুমা এটা খাই ধীৰে ধীৰে কেবিনৰপৰা ওলাই গ'ল।'

ওপৰে ওপৰে চালে এইটো এটা ইচ্ছা পৰিপূৰণসূচক স্বপ্ন (Wish fulfilment Dream) যেনহে লাগে। যৌৱন কালত বহুতেই এনে স্বপ্ন দেখে। কিন্তু আশ্চৰ্য্যজনক কথা আছিল এইটোৱে যে ওপৰৰ বাৰ্থত শুই থকা যাত্ৰীজনে তাৰ বহু আগতেই টোপনিৰপৰা সাৰ পাইছিল আৰু মহিলাগৰাকীৰ কাণ্ড-কাৰখানা তেওঁ সকৌতুকে লক্ষ্য কৰি আছিল। ৰাতিপুৱা তলৰ বাৰ্থত শুই থকা যাত্ৰীজনে টোপনিৰপৰা সাৰ পালত ওপৰৰ যাত্ৰীজনে তেওঁক হাঁহি হাঁহি ওলগ জনালে আৰু কিছু পৰৰ আগতে

তেওঁ স্বচক্ষে প্রত্যক্ষ কৰা ঘটনাটো সবিস্তাৰে বর্ণনা কৰিলে। তেওঁৰ কথা শুনি যাত্রীজন তেনেই হতভম্ব হৈ পৰিল। তেওঁ কোনোমতে এইটো বুজিব নোৱাৰিলে যে যিটো ঘটনা তেওঁ স্বপ্নতহে দেখা পাইছিল, সেই ঘটনাটো আন এজনে চর্ম্ম-চক্ষুৰে প্রত্যক্ষ কৰা কেনেকৈ সম্ভৱ হ'ব পাৰে ?

কেইদিনমানৰ পিছত জাহাজখন গৈ ইংল্যাণ্ডৰ এটা বন্দৰত ৰ'লগৈ আৰু যাত্রী দুজনেও পৰস্পৰৰপৰা বিদায় লৈ নিজ নিজ ঘৰলৈ গ'ল। স্বপ্ন দেখা যাত্রীজনে নিজৰ ঘৰ পোৱাৰ পাছত তেওঁৰ পত্নীগৰাকীয়ে তেওঁৰপৰা সর্ব্বপ্রথমে এইটো জানিবলৈ বিচাৰিলে যে আগৰটো সপ্তাহৰ মঙ্গলবাৰৰ নিশা তেওঁৰ গিৰিয়েকজনে তেওঁক জাহাজৰ কেবিনৰ ভিতৰত দেখা পাইছিল নে নাই। পত্নীগৰাকীৰ প্রশ্নৰ উত্তৰত গিৰিয়েকজনে জাহাজৰ কেবিনত শুই থাকোঁতে তেওঁ দেখা স্বপ্ন আৰু তেওঁৰ সহযাত্রীজনে ওপৰৰ বার্থৰপৰা স্বচক্ষে প্রত্যক্ষ কৰা সমগ্র ঘটনা পত্নীৰ আগত বর্ণনা কৰিলে। কাহিনীটো শুনি মহিলাগৰাকী বিস্ময়ত অভিভূত হৈ পৰিল। তেওঁ ক'লে যে আগৰটো সপ্তাহত আট্লাণ্টিক মহাসাগৰত জাহাজ এখন জলমগ্ন হোৱা বুলি শুনি গিৰিয়েকৰ অমঙ্গল আশঙ্কা কৰি তেওঁ অতিশয় দুশ্চিন্তাত কাল যাপন কৰিছিল আৰু তেনেকুৱা উৎকণ্ঠাপূর্ণ নিশা এটাত তেওঁ দেখা স্বপ্ন এটাত সশৰীৰে তেওঁ জাহাজৰ কেবিনত উপস্থিত হৈ পৰা যেন অনুভৱ কৰিছিল।

নক'লেও হ'ব যে এই টেলিপেথী-জাতীয় স্বপ্নটো (Telepathic Dream) দেখিবৰ বেলিকা চিন্তাৰ প্রেৰক আৰু চিন্তাৰ গ্রাহক দুয়োজনৰ মনৰ অৱস্থা টেলিপেথীৰ অনুকূল হৈ পৰিছিল। এহাতে স্বামীৰ মৃত্যু হোৱা বুলি আশঙ্কা কৰি পত্নীগৰাকীয়ে ঘোৰ উৎকণ্ঠাৰ মাজেৰে কাল যাপন কৰিছিল আৰু আনহাতে তেওঁৰ স্বামীয়ে নিৰুদ্বেগ চিত্তে জাহাজৰ কেবিনত শুই আছিল। তদুপৰি পতি-পত্নীৰ মাজৰ গাঢ় আনুভূতিক সম্পর্কও টেলিপেথীৰ সহায়ক হৈ পৰিছিল।

পতি আৰু পত্নীৰ মাজত হোৱাৰ দৰে মাতৃ আৰু সন্তানৰ মাজতো টেলিপেথীৰ সর্ব্বাধিক সম্ভাৱনা থাকে। কাৰণ স্বকীয়া ব্যক্তিত্ববোধ জাগি উঠাৰ আগলৈকে সন্তানৰ মন মাকৰ মনৰ সৈতে একাত্মীভূত হৈ থাকে।

সুকীয়া ব্যক্তিত্ববোধ গঢ়ি উঠাৰ লগে লগে সন্তান মানসিকভাৱে মাকৰপৰা পৃথক হৈ পৰিলেও এই পৃথকীকৰণ হৈছে 'a matter of degree' বা পৰ্য্যায়ক্ৰমে গঢ়ি উঠা ঘটনা। বিশেষকৈ যিবিলাক পুত্ৰ সন্তান উদ্বায়ুগ্ৰস্ত প্ৰকৃতিৰ, সিহঁতে মাকৰ মানসিক কৱলৰপৰা সতকাই নিজক মুক্ত কৰিব নোৱাৰে। তদুপৰি শিশুৰ 'মই' ভাবটো দৃঢ়ভাৱে গঢ়ি উঠাৰ আগলৈকে তাৰ মনটো এখন উন্মুক্ত ক্ষেত্ৰৰ নিচিনা হৈ থাকে। গতিকে তেনে এটা মানসিক অৱস্থাত মাকৰ মনৰ ৰাগাত্মক চিন্তাই সহজে তাৰ মনত অনুপ্ৰৱেশ কৰিব পাৰে।

ডাঃ জে. ৱাৰেণৱাল্ড (Dr. J. Ehrenwald) নামৰ পৰামনোবিজ্ঞানীজনে অধ্যয়ন কৰা লতী নামৰ উদ্বাস্তু মহিলা এগৰাকীৰ কাহিনী এটালৈ মন কৰক, যিটো কাহিনীত মাক আৰু জীয়েকৰ মাজত থকা টেলিপেথী সম্পৰ্কৰ কথা স্পষ্টভাৱে প্ৰকাশ পোৱা দেখা গৈছে। লতী আছিল চেকোশ্লোভাকিয়া দেশৰ ৰাজধানী প্ৰাগ্ চহৰৰ বাসিন্দা। নাজী জাৰ্ম্মানীয়ে সেই দেশ আক্ৰমণ কৰিলত ১৯৩৮ চনত লতীয়ে গিৰিয়েকৰ সৈতে প্ৰাগ্ চহৰ পৰিত্যাগ কৰি নিউইয়ৰ্ক পালেহি প্ৰাণৰ ভয়ত দেশত্যাগী হ'ব লগা কাৰণে লতীৰ মন বেজাৰত অভিভূত হৈ পৰিছিল। বিশেষকৈ পাচ্পোৰ্ট, ভিচা এইবিলাক যোগাৰ কৰিব নোৱাৰি তেওঁৰ বৃদ্ধা মাতৃগৰাকীক প্ৰাগ্ চহৰতে এৰি আহিব লগা হোৱাত লতীৰ মনত দুশ্চিন্তাৰ অন্ত নাছিল।

১৯৩৯ চনৰ ১২ এপ্ৰিল তাৰিখে লতীৰ মনত অকস্মাতে ঘোৰ উৎকণ্ঠাৰ সৃষ্টি হৈ পৰিল। নিজৰ মাক বা নিজৰ শাহুৱেক কোনোবা এগৰাকী আকস্মিক দুৰ্ঘটনাত নিহত হোৱা বুলি আশঙ্কা কৰি লতীয়ে হুৰাওৰাৰে কান্দিবলৈ আৰম্ভ কৰিলে। ঘৰৰ বন কৰা লিগিৰী হেলেনে লতীক সান্ত্বনা দিবলৈ যথাসাধ্য চেষ্টা কৰিলেও লতী কোনোমতে আশ্বস্ত হ'ব নোৱাৰিলে। ইয়াৰ পাছত লতীয়ে প্ৰাগ্ চহৰলৈ টেলিফোন সংযোগ পাবৰ কাৰণে চেষ্টা কৰিলে। কিন্তু কিবা যান্ত্ৰিক গণ্ডগোলৰ কাৰণে টেলিফোন কৰা সম্ভৱ হৈ নুঠিল। টেলিফোন অফিচৰপৰা উভতি আহি ঘৰ পোৱাৰ কিছু পৰৰ পাছত লতীয়ে গিৰিয়েকৰপৰা জানিব পাৰিলে যে ১২ আৰু

১৩ এপ্ৰিলৰ মাজৰ নিশাটোৰ কোনোবা এটা সময়ত লতীৰ বৃদ্ধা মাতৃগৰাকীয়ে আত্মহত্যা কৰিলে। ঘৰৰ দুৱাৰ-খিৰিকী বন্ধ কৰি বিষাক্ত গেচৰ পাইপ খুলি ৰখাৰ কাৰণেই সেই শোকাৱহ দুৰ্ঘটনাটো ঘটিবলৈ পালে।

একেজন মনস্তত্ত্ববিদে বৰ্ণনা কৰা আন এটা কাহিনীতো মাতৃ আৰু সন্তানৰ মাজত থকা টেলিপেথী যোগাযোগৰ দৃষ্টান্ত পোৱা যায়। কাহিনীটো আছিল মানসিক অক্ষমতাত ভোগা সৰু ল'ৰা এটাৰ। এই ল'ৰাটো স্কুলৰ পঢ়া-শুনাত পিছ পৰি থকা কাৰণে তাৰ মাকে নিজেও ঘৰত তাৰ পঢ়া-শুনাৰ তদাৰক কৰিছিল। এদিন মাকে এইটো আৱিষ্কাৰ কৰি পেলালে যে তেওঁ যদি পুতেকৰ ওচৰত বহি লৈ প্ৰশ্নোত্তৰবিলাক নিজৰ মনতে আওৰাই থাকে, তেতিয়া হ'লে পুতেকে ডাঙৰ ডাঙৰ যোগ অঙ্ক একোটাৰ উত্তৰ ততালিকে উলিয়াই পেলাব পাৰে। আকৌ মাকে যদি পুতেকৰ আগত মেলি ৰখা কিতাপ এখনত থকা বাক্যবিলাক মুখেৰে উচ্চাৰণ নকৰাকৈয়ে মনে মনে পঢ়ি যায়, তেতিয়া হ'লে পুতেকেও কোনো খোকোজা নলগাকৈ কিতাপখন পঢ়ি যাব পাৰে। কিন্তু মাকে পঢ়িবলৈ এৰিলেই সিও পঢ়িব নোৱাৰা হয়।

ল'ৰাটোৰ তেনে টেলিপেথী ক্ষমতাৰ প্ৰমাণ চাবৰ কাৰণে পৰীক্ষা চলাবৰ বেলিকা ডাঃ ৰাৰেণৱাল্ডে মাক আৰু পুতেকক দুটা সুকীয়া কোঠাৰ ভিতৰত আৱদ্ধ কৰি ৰাখিছিল, যাতে কোনেও কাৰো মুখৰ ভাব-ভঙ্গি লক্ষ্য কৰিবৰ সুবিধা নাপায়। কিন্তু ডাঃ ৰাৰেণৱাল্ডে দেখা পালে যে মাক আৰু পুতেকৰ মাজৰ স্থানিক দূৰত্বই টেলিপেথী সংযোগত একো বাধাৰ সৃষ্টি নকৰে। ইয়াৰ পাছত এবাৰ পৰীক্ষা চলাওঁতে ল'ৰাটোৰ অজ্ঞাতে ল'ৰাটোৰ মাকৰ ঠাইত আন এগৰাকী মহিলাক বহুৱাই দিয়া হ'ল। লগে লগে ল'ৰাটোৰ পঢ়াও বন্ধ হৈ গ'ল। ডাঃ ৰাৰেণৱাল্ডে চলোৱা এই পৰীক্ষাৰ-পৰা নিশ্চিতভাৱে জানিব পৰা গ'ল যে প্ৰগাঢ় আনুভূতিক সম্বন্ধ নথকা দুজন ব্যক্তিৰ মাজত টেলিপেথী সংযোগ সম্ভৱ হ'ব নোৱাৰে।

টেলিপেথীৰ আভ্যন্তৰিক কল-কৌশলৰ কথা বুজিবলৈ হ'লে এম্পেথী (Empathy) আৰু এন্কাইনেচিচ্ (Enkinesis) নামৰ নিৰ্জ্ঞান মানসিক অৱস্থা দুটাৰ বিষয়ে যৎকিঞ্চিৎ আলোচনাৰ আৱশ্যক। এম্পেথী হৈছে চিন্তাৰ অভিক্ষেপণৰ দৰে নিৰ্জ্ঞান মানসিক প্ৰক্ৰিয়া, যাৰদ্বাৰা মানুহে আনৰ মনত নিজ মনৰ প্ৰতিবিম্ব দেখা পায়। অৰ্থাৎ নিজৰ অৱচেতন মনৰ চিন্তা-অভিপ্ৰায়ক আনৰ চিন্তা-অভিপ্ৰায় বুলি বিশ্বাস কৰি লয়। প্যাৰাণয়া (Paranoia) নামৰ মানসিক ৰোগ বিধত এনে অভিক্ষেপণ কাৰ্যৰ চূড়ান্ত নিদৰ্শন পোৱা যায়। ইয়াৰ ফলত ৰোগীয়ে নিজৰ অতি আপোন-জনকো শত্ৰুজ্ঞান কৰিবলৈ ধৰে। আনহাতে এন্কাইনেচিচ্ অৱস্থাটোত মানুহে আনৰ মনত সৃষ্টি হোৱা তীব্ৰ উৎকণ্ঠা বা আনৰ শৰীৰৰ দুখ-যন্ত্ৰণাক নিজ মনৰ উৎকণ্ঠা আৰু নিজ শৰীৰৰ দুখ-যন্ত্ৰণা হিচাপে অনুভৱ কৰিবলৈ ধৰে। নক'লেও হ'ব যে একাত্মবোধৰ চূড়ান্ত অৱস্থাতহে এম্পেথী আৰু এন্কাইনেচিচৰ দৰে নিৰ্জ্ঞান মানসিক অৱস্থাৰ উদ্ভৱ হ'ব পাৰে। সচেতন ইচ্ছাৰদ্বাৰা এনে মানসিক অৱস্থাৰ সৃষ্টি কৰিব নোৱাৰি।

দৃষ্টান্ত হিচাপে তলত বৰ্ণনা কৰা কাহিনীটো পঢ়ুৱৈসকললৈ আগবঢ়োৱা হ'ল।

চিত্ৰশিল্পী আৰ্থৰ চেভাৰ্ণৰ তৰুণী পত্নী শ্ৰীমতী জোৱান চেভাৰ্ণে ৰাতিপুৱা সাত বজাত মুখত তীব্ৰ যন্ত্ৰণা অনুভৱ কৰি টোপনিৰপৰা সাৰ পাই গ'ল আৰু ওঁঠৰপৰা তেজ ওলোৱা যেন অনুভৱ কৰি কাপোৰেৰে ওঁঠত হেঁচি ধৰিলে। খন্তেক পাছতে যন্ত্ৰণাৰ উপশম ঘটিলত কাপোৰখন ওঁঠৰপৰা একৰাই আনি চাই দেখে যে কাপোৰৰ ক'তো তেজৰ দাগ লগা নাই। গতিকে মহিলাগৰাকীয়ে ধৰি ল'লে যে ইমান পৰে তেওঁ স্বপ্নহে দেখিছিল। গিৰিয়েক শোৱা বিচনাখনলৈ চাই দেখে যে গিৰিয়েক বহু আগতে সাৰ পাই কেনিবা ওলাই গৈছে। গতিকে তেওঁ বিশেষ চিন্তা নকৰি মনে মনে ৰ'ল।

পুৱা নমান বজাত গিৰিয়েক ঘৰলৈ উভতিল। তেওঁ তেতিয়াও ৰুমাল এখনেৰে ওঁঠত হেঁচি ধৰি আছিল। মুখত কি হৈছে বুলি জোৱানে প্ৰশ্ন কৰিলত গিৰিয়েকে ক'লে যে ৰাতিপুৱা বতৰ ফৰকাল দেখি ওচৰতে থকা হ্ৰদটোত নাৱেৰে এপাক ফুৰি আহিবৰ মনেৰে তেওঁ নাৱত উঠিছিলগৈ। কিন্তু খন্তেক পাছতে এজাক প্ৰবল বতাহ আহিলত নাওখন একাতি হৈ গ'ল আৰু শৰীৰৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰি নাৱৰ ওপৰত পৰি গৈ তেওঁ মুখত বেয়াকৈ আঘাত পালে। এই দুৰ্ঘটনাটোও ঘটিছিল পুৱা সাত বজাত, যিটো সময়ত তেওঁৰ পত্নী জোৱান চেভাৰ্ণে মুখত তীব্ৰ যন্ত্ৰণা অনুভৱ কৰি টোপনিৰপৰা অকস্মাতে সাৰ পাই গৈছিল। অথচ গিৰিয়েকে নাৱত পৰি মুখত আঘাত পোৱাৰ কথা পত্নীগৰাকীয়ে ঘূণাক্ষৰেও জানিব পৰা নাছিল। এই ক্ষেত্ৰত পৰিস্থিতিটো টেলিপেথীৰ বেছ অনুকূল হৈ পৰিছিল। এহাতে মুখত আঘাত পোৱা কাৰণে গিৰিয়েকৰ মনত তীব্ৰ উত্তেজনাৰ সৃষ্টি হৈ পৰিছিল আৰু আনহাতে পত্নীগৰাকী নিৰুদ্বেগ চিত্তে টোপনিত পৰি আছিল।

টেলিপেথী সংবাদে বাস্তৱ ঘটনাৰ হুবহু গঢ় লোৱাৰ দৃষ্টান্ত অতি বিৰল। পৰামনোবিজ্ঞানীসকলে কয় যে টেলিপেথী সংক্ৰান্ত মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া আৰু ব্যক্ত স্বপ্নৰ অন্তৰালত ঘটি থকা নিৰ্জ্ঞান মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ মাজত সম্পূৰ্ণ সাদৃশ্য থাকে। অৰ্থাৎ অৱচেতন মনে টেলিপেথী সংবাদক ভাঙি-ছিঙি তাৰ অংশবিলাকক নতুনকৈ সজাই তোলে। ৰিণি ৱাৰ্কলিয়াৰ (Rene Warcollier) নামৰ পৰামনোবিজ্ঞানী এজনে চলোৱা এলানি পৰীক্ষাত টেলিপেথীৰ ক্ষেত্ৰত হোৱা এনেকুৱা বিশ্লেষণ আৰু সংশ্লেষণ প্ৰক্ৰিয়াৰ কথা বহুবাৰ ধৰা পৰিছে। এবাৰ চিন্তাৰ প্ৰেৰকজনে চাৰিটা ডিম্বাকৃতিৰ নক্সা থকা আয়ত-ক্ষেত্ৰ এটাৰ ছবি এখন হাতত তুলি লৈ নিৰিষ্টচিত্তে আয়ত-ক্ষেত্ৰটোৰ কথা চিন্তা কৰিছিল। তেনে কৰিবলৈ লোৱাৰ খন্তেক পাছতে সংবাদ গ্ৰহণকাৰীজনৰ কল্পনাত ভাহি উঠিছিল চাৰিটা বৃত্ত আৰু বিক্ষিপ্তভাৱে পৰি থকা চাৰিটা সমকোণৰ ছবি এখনি। অৰ্থাৎ সম্পূৰ্ণ আয়ত-ক্ষেত্ৰৰ পৰিৱৰ্তে আয়ত-ক্ষেত্ৰটোৰ ৪টা সমকোণ আৰু চাৰিটা অণ্ডাকৃতিৰ নক্সাৰ পৰিৱৰ্তে চাৰিটা শূন্যৰ দৰে বৃত্তৰ

চিত্ৰহে সংবাদ গ্ৰহণকাৰীজনৰ কল্পনাত ধৰা পৰিল। ইয়াৰপৰা বুজা যায় যে যদিও টেলিপেথীক বহু সময়ত ৰেডিঅ' যন্ত্ৰৰ কাৰ্য্যৰ লগত তুলনা কৰা হয়, তথাপি টেলিপেথী সংবাদ আৰু ৰেডিঅ'ৰ সংবাদৰ মাজত ভালেখিনি পাৰ্থক্য আছে। ৰেডিঅ'ৰ প্ৰেৰক-যন্ত্ৰই চিন্তা প্ৰেৰণ নকৰে, বাণীহে প্ৰেৰণ কৰে। ৰেডিঅ'ৰ ঘোষকজনে কোৱা কথাবিলাক শ্ৰোতাসকলে অবিকৃতভাৱেই শুনিবলৈ পায়। তদুপৰি বাৰ্ত্তা প্ৰেৰণ আৰু বাৰ্ত্তা গ্ৰহণৰ মাজৰ সময়ৰ ব্যৱধানৰ প্ৰশ্নকো উলাই কৰিব নোৱাৰি। ৰেডিঅ'-তৰঙ্গৰ গতিবেগ আলোক-তৰঙ্গৰ গতিবেগৰ সমান। গতিকে ৰেডিঅ'ৰ প্ৰেৰক-যন্ত্ৰই বাৰ্ত্তা প্ৰেৰণ কৰা মুহূৰ্ত্ততে গ্ৰাহক-যন্ত্ৰত তাক শুনিবলৈ পোৱা যায়। কিন্তু টেলিপেথীৰ ক্ষেত্ৰত বাৰ্ত্তা প্ৰেৰণ আৰু বাৰ্ত্তা গ্ৰহণৰ মাজত কেবাঘণ্টা সময়ৰ ব্যৱধান থাকিব পাৰে।

টেলিপেথীৰ বিষয়ে পৰীক্ষা-নিৰীক্ষা চলাওঁতে সচৰাচৰ তাচ পাতৰ ৰং বা নক্সা অনুমান কৰিবলৈ কোৱা হয়। পৰীক্ষকজনে এখিলা তাচ হাতত তুলি লৈ তাত থকা নক্সাটোৰ বিষয়ে একান্ত মনেৰে চিন্তা কৰিবলৈ লয় আৰু তেওঁৰ সমুখত বহি থকা বাৰ্ত্তা গ্ৰহণকাৰীজনে তাচখিলালৈ নোচোৱাকৈয়ে বাৰ্ত্তা প্ৰেৰকজনে কি তাচ হাতত তুলি লৈছে, তাক অনুমান কৰিব লাগে। বাৰ্ত্তা প্ৰেৰক আৰু বাৰ্ত্তা গ্ৰহণকাৰীৰ এজনে যাতে আনজনক দেখা পাব নোৱাৰে, সেই উদ্দেশ্যে দুয়োৰে মাজত এখন ডাঠ আঁৰ কাপোৰ তৰি দিয়া হয়।

আকৌ কোনো কোনো ক্ষেত্ৰত সাধাৰণ তাচৰ পৰিবৰ্ত্তে জেনাৰ কাৰ্ড (**Zenner Card**) পৰীক্ষাত ব্যৱহাৰ কৰা হয়। জেনাৰ কাৰ্ডত থকা নক্সাকেইটা হৈছে বৃত্ত, বৰ্গক্ষেত্ৰ, ক্ৰচ বা যোগ চিন, নক্ষত্ৰ আৰু একা-বেঁকা ৰেখা। এনে পৰীক্ষাত পৰীক্ষাৰ্থীজনে যদি ২৫খন কাৰ্ডৰ ভিতৰত ৫খন কাৰ্ড শুদ্ধভাৱে অনুমান কৰিব পাৰে, তেতিয়া সি দৈৱক্ৰমে শুদ্ধ হোৱা বুলি ধৰি লোৱা হয়। কিন্তু যেতিয়া তাতোকৈ বেছি সংখ্যক জেনাৰ কাৰ্ড শুদ্ধভাৱে অনুমান কৰিব পৰা যায়, তেতিয়া হ'লে টেলিপেথীৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। কাৰণ একে পৰীক্ষা যদি হাজাৰ হাজাৰবাৰ চলাই যোৱা হয়, তেতিয়া হ'লে শুদ্ধ উত্তৰৰ সংখ্যা ইমান বেছি হৈ পৰে যে সেই উত্তৰবোৰ

দৈৱক্ৰমে শুদ্ধ হোৱা বুলি কোনো মতে বিশ্বাস কৰিব নোৱাৰি। মানসিক অক্ষমতাত ভুগি থকা যি ল'ৰাটোৰ কথা আগতে কোৱা হৈছিল, সি বোলে ২৫খন জেনাৰ কাৰ্ডৰ ভিতৰত গড়ে ২১খন কাৰ্ড শুদ্ধভাৱে অনুমান কৰিব পাৰিছিল। আন এলানি পৰীক্ষাত ল'ৰাটোৱে ২৫খন কাৰ্ডৰ ভিতৰত ২৫খন কাৰ্ডকে শুদ্ধভাৱে অনুমান কৰি পেলাইছিল। কিন্তু পৰীক্ষা-গ্ৰহণকাৰী-সকলে দেখা পাইছিল যে ল'ৰাটোৰ মাকজনীয়ে বাৰ্ত্তা প্ৰেৰকৰ ভূমিকা গ্ৰহণ কৰিলেহে এনে চমকপ্ৰদ উত্তৰ পোৱা সম্ভৱ হৈছিল। কেবালানিও পৰীক্ষাত ল'ৰাটোৱে গম ধৰিব নোৱাৰাকৈ অন্য এগৰাকী লোকক মাকৰ পৰিৱৰ্ত্তে বহুৱাই দিয়া হৈছিল আৰু তেতিয়া কাৰ্ডবিলাক শুদ্ধভাৱে অনুমান কৰাত ল'ৰাটো'শোচনীয়ভাৱে অকৃতকাৰ্য্য হৈ পৰিছিল।

টেলিপেথী ক্ষমতা ধৰা পেলাবৰ কাৰণে তাচ-পাত বা জেনাৰ কাৰ্ড ব্যৱহাৰ কৰা পদ্ধতিটো উদ্ভাৱন কৰিছিল ডিউক বিশ্ববিদ্যালয়ৰ অধ্যাপক জে. বি. ৰাইন (J. B. Rhine) চাহাবে। পৃথিৱীৰ নানা দেশৰ মনস্তাত্ত্বিক পৰীক্ষাগাৰসমূহত অজস্ৰবাৰ এই পদ্ধতিৰে পৰীক্ষা চলোৱাৰ পাছত টেলিপেথীৰ অস্তিত্বৰ বিষয়ে মনোবিজ্ঞানীসকল একৰকম সুনিশ্চিত হৈ পৰিছে। আজিৰ যুগৰ বিজ্ঞানীৰ ধাৰণা মতে টেলিপেথী কোনো অলৌকিক মানসিক ঘটনা নহয়। ই আমাৰ মস্তিষ্কৰে এটা বিশিষ্ট কাৰ্য্য-ক্ষমতা মাথোন।

পৰীক্ষামূলক টেলিপেথীৰ ক্ষেত্ৰত ছভিয়েট বিজ্ঞানীসকল অন্যান্য দেশৰ বিজ্ঞানীতকৈ আমি জনামতে ভালেখিনি আগবাঢ়ি গৈছে। কাৰণ যোৱা ষাঠিৰ দশকৰ কিছু পূৰ্ব্বৰেপৰা ছভিয়েট পৰামনোবিজ্ঞানীসকলে পানীৰ তলত থকা চাব্‌মেৰিণৰ লগত টেলিপেথী সংযোগ স্থাপন কৰাত সাফল্য অৰ্জ্জন কৰি আহিছে। শুনা যায় যে টেলিপেথী-বিষয়ক পৰীক্ষা-নিৰীক্ষা চলাবৰ কাৰণে ছভিয়েট দেশৰ চৰকাৰে মুক্ত হস্তে অৰ্থ-সাহায্য আগবঢ়াই আহিছে। উদ্দেশ্য হৈছে শত্ৰুভাৱাপন্ন দেশৰ গোপন সমৰ-কৌশলৰ বিষয়ে টেলিপেথীৰ সহায়ত গোপনে অৱগত হৈ পৰা। পানীৰ তলত থকা চাব্‌মেৰিণৰ লগত টেলিপেথী সংযোগ স্থাপনৰ বেলিকা ছভিয়েট বিজ্ঞানী-সকলে মানুহৰ পৰিৱৰ্ত্তে শহাপহু পৰীক্ষা-কাৰ্য্যত ব্যৱহাৰ কৰিছিল। শহা

এজনীয়ে পোৱালি জন্ম দিয়াৰ পাছতে পোৱালি কেইটাক মাকজনীৰপৰা আঁতৰাই নি পানীৰ তলত থকা চাব্‌মেৰিণ এখনত ৰাখি তাতে তুলি-তালি ডাঙৰ কৰা হৈছিল। ইফালে সাগৰৰ পাৰত গৱেষণাগাৰত ৰখা মাইকী শহাজনীৰ আচৰণ প্ৰতিদিনে সূক্ষ্মভাৱে নিৰীক্ষণ কৰি থকা হৈছিল। শহাজনীৰ মস্তিষ্ক আৰু হৃৎপিণ্ডৰ কাৰ্য্য-কলাপৰ তাৰতম্য ধৰা পেলাবৰ কাৰণে সূক্ষ্ম তড়িৎ-পৰিমাপক যন্ত্ৰৰ সৈতে তাইৰ মস্তিষ্ক আৰু হৃৎপিণ্ডক সংযুক্ত কৰা হৈছিল। এনেদৰে কিছুদিন যোৱাৰ পাছত চাব্‌মেৰিণত ৰখা পোৱালি কেইটা যেতিয়া ডাঙৰ হ'ল, তেতিয়া পূৰ্ব্ব নিৰ্দ্দিষ্ট তাৰিখ আৰু সময় অনুসৰি পোৱালি কেইটাক এটা এটাকৈ বধ কৰিবলৈ লোৱা হ'ল। বিজ্ঞানীসকলে দেখা পালে যে শহা-পোৱালি এটাক বধ কৰা মুহূৰ্ত্ততে মাকজনীৰ মস্তিষ্কৰ লগত সংযুক্ত কৰি ৰখা তড়িৎ-পৰিমাপক যন্ত্ৰটোৰ কাঁটাডাল অকস্মাতে গতি-চঞ্চল হৈ পৰিছে আৰু তাৰ লগতে শহাজনীৰ চকুৱে-মুখে ঘোৰ আতঙ্কৰ ভাব ফুটি উঠিছে। প্ৰতিটো শহা-পোৱালি বধ কৰিবৰ বেলিকাই মাকজনীৰ মস্তিষ্ক আৰু হৃৎপিণ্ডত একে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈ পৰিছিল। নক'লেও হ'ব যে পানীত বুৰ গৈ থকা চাব্‌মেৰিণৰ ভিতৰত কি ঘটনা ঘটিছিল, সেই বিষয়ে মাইকী শহাজনীয়ে জানি পেলাবৰ কোনো বিকল্প উপায় নাছিল।

ছোভিয়েট পৰামনোবিজ্ঞানীসকলে অৱশ্যে মানুহৰ ওপৰতো ভালেমান পৰীক্ষা চলাইছিল আৰু ১৯৬৬ চনতে এই ক্ষেত্ৰত চমকপ্ৰদ সাফল্য অৰ্জ্জন কৰিছিল। সেইটো বছৰৰ ১৯ এপ্ৰিল তাৰিখে কাৰ্ল নিকোলায়েভ্ নামৰ অভিনেতা এজনে ২৯৭৫ কিলোমিটাৰ আঁতৰৰপৰা মস্কো চহৰত বাস কৰা তেওঁৰ বন্ধু য়ুৰী কামেন্‌স্কিৰ লগত টেলিপেথী সংযোগ স্থাপন কৰাত কৃতকাৰ্য্য হৈছিল। ইয়াৰ পাছত চলোৱা এলানি পৰীক্ষাত কাৰ্ল নিকোলায়েভক লেনিনগ্ৰেড্ চহৰত শব্দই ভেদ কৰিব নোৱাৰা কোঠালি এটাত বন্ধ কৰি ৰখা হৈছিল। তেওঁৰ একমাত্ৰ কাম আছিল একান্ত নিৰাসক্তভাৱে নিজ মনৰ গতি-বিধি নিৰীক্ষণ কৰা। আনহাতে তেওঁৰ বন্ধু য়ুৰী কামেন্‌স্কিক ৰখা হৈছিল মস্কো চহৰত। তেওঁক চিন্তা প্ৰেৰণ কৰিবলৈ ভাৰ দিয়া হৈছিল। মস্কোত সঙ্কেত দিয়াৰ তিনি চেকেণ্ড সময়ৰ পাছতে নিকোলায়েভৰ মস্তিষ্কৰ

তড়িৎ কম্পনৰ আকস্মিক পৰিৱৰ্ত্তন ইলেক্ট্ৰ'-এনচিফেল'গ্ৰাফ্ যন্ত্ৰত ধৰা পৰি গ'ল। অথচ মস্কোত থকা তেওঁৰ বন্ধু কামেন্স্কিয়ে সেই মুহূৰ্ত্তত তেওঁলৈ টেলিপেথী স্বৰূপে সংবাদ প্ৰেৰণ কৰাৰ কথা তেওঁ ঘূণাক্ষৰেও জানিব পৰা নাছিল। আনকি মস্কোত সঙ্কেত দিয়াৰ বিষয়েও তেওঁ সম্পূৰ্ণ অজ্ঞ আছিল।

টেলিপেথী মস্তিষ্কৰ কাৰ্য্য-ক্ষমতাৰ নিদৰ্শন হ'লেও মস্তিষ্কৰ কোন অংশৰদ্বাৰা এই কাৰ্য্য পৰিচালিত হয়, সেই বিষয়ে বিজ্ঞানীসকলৰ মাজত যথেষ্ট মত-পাৰ্থক্য আছে। অৱশ্যে টেলিপেথী-জাতীয় ঘটনাৰ ওপৰত সচেতন মনৰ নিয়ন্ত্ৰণ নথকালৈ চাই বিজ্ঞানীসকলে অনুমান কৰে যে মস্তিষ্কৰ ভূমিভাগ আৰু মধ্যভাগৰ ধূসৰ পদাৰ্থত (Basal ganglia) থকা স্নায়ুকেন্দ্ৰ কিছুমানেই টেলিপেথীৰ উৎস আৰু সম্ভৱতঃ তাৰ নিয়ন্ত্ৰক। এই হিচাপে টেলিপেথী মনৰ আদিম স্তৰৰ কাৰ্য্য বুলিয়ে গণ্য কৰিব পাৰি।

(গ)

এতিয়া টেলিপেথীৰ আন এটা দিশ টেলিকাইনেচিচৰ কথালৈ অহা হওক। জড় পদাৰ্থৰ ওপৰত মনৰ ক্ৰিয়াৰ বিষয়ে যিসকল বিজ্ঞানীয়ে বিশদভাৱে গৱেষণা কৰিছে, সেইসকলৰ ভিতৰত অধ্যাপক জে. বি. ৰাইনৰ নাম বিশেষভাৱে উল্লেখযোগ্য। প্ৰায় পঁচিশ বছৰ কাল গৱেষণা কৰি অধ্যাপক ৰাইনে প্ৰমাণ কৰিছে যে ইচ্ছা শক্তিৰ বলত বহু দূৰৰপৰাই জড় পদাৰ্থত গতি-সঞ্চাৰ কৰিব পাৰি। অকল সেয়ে নহয়, ইচ্ছা শক্তিৰ প্ৰয়োগ কৰি উদ্ভিদৰ বিকাশৰ গতি মন্থৰ কিম্বা ত্বৰান্বিত কৰি তুলিবও পাৰি। এই প্ৰসঙ্গতে শাও-শপনি আৰু তন্ত্ৰ-মন্ত্ৰৰ ক্ৰিয়াৰ কথাও আমাৰ মনলৈ আহে। আজি-কালি বহুতে শাও-শপনি আৰু তন্ত্ৰ-মন্ত্ৰত বিশ্বাস কৰাটোক অন্ধবিশ্বাস বুলি ক'ব খোজে। কিন্তু আমি জানো যে প্ৰতিটো মানসিক ঘটনাৰ ক্ষেত্ৰতে মানসিক শক্তিৰ স্ফুৰণ ঘটে। সেই শক্তিক অপচয় হ'বলৈ নিদি তাক বস্তু-বিশেষত কেন্দ্ৰীভূত কৰি তুলিব পাৰিলে বস্তুটোত গতিৰ সঞ্চাৰ হ'ব পাৰে।

স্মৰণাতীত কালৰেপৰা মানুহে তন্ত্ৰ-মন্ত্ৰ আৰু যাদু-শক্তিৰ কাৰ্য্য-ক্ষমতাত বিশ্বাস কৰি আহিছে। শত্ৰুৰ অনিষ্ট সাধনৰ উদ্দেশ্যে শত্ৰুৰ প্ৰতিকৃতি দাহ কৰা, কুমন্ত্ৰ উচ্চাৰণ কৰা, শত্ৰুৰ ঘৰৰ চৌহদত মন্ত্ৰপূত তাবিজ পুতি ৰখা এনেবিলাক কাৰ্য্য বহুতে আজিও কৰা দেখা যায়। যুক্তি-কণ্টকিত সভ্য মনটোৱে এনেবিলাক কাৰ্য্যক বলিয়ালি বুলি ভবা হ'লেও আমাৰ যুক্তি-পৰিচালিত মনৰ অন্তৰালত আন এটা মন লুকাই আছে, যি অলৌকিকতা আৰু যাদু-শক্তিত আজিও বিশ্বাসী আৰু যি আমাৰ সচেতন মনৰ যুক্তি-বিবেচনাৰ ওচৰত হাৰ মানিব নোখোজে। থিয়চফিষ্ট (Theosophist)-সকলে কয় যে আমাৰ তেজ-মঙহৰ স্থূল শৰীৰটোৰ ভিতৰত আন এটা শক্তি-নিৰ্ম্মিত শৰীৰ লুকাই আছে, যিহক তেওঁলোকে জ্যোতি শৰীৰ বা এষ্ট্ৰেল্ বডি (Astral Body) বুলি অভিহিত কৰে। মানুহৰ অন্তৰত যেতিয়া ক্ৰোধ, হিংসা আদি প্ৰবল আৱেগৰ সৃষ্টি হৈ পৰে, তেতিয়া এই জ্যোতি শৰীৰ চঞ্চল হৈ উঠে। আৱেগৰ মাত্ৰা অতি তীব্ৰ হৈ উঠিলে জ্যোতি শৰীৰৰ কম্পনো উত্তৰোত্তৰ বৃদ্ধি পাবলৈ ধৰে। আকৌ আমি যেতিয়া একান্তচিত্তে কোনো মানুহৰ অনিষ্ট কামনা কৰোঁ। তেতিয়া হেনো এই জ্যোতি শৰীৰৰ এটা অংশ মূল শৰীৰটোৰপৰা বিচ্ছিন্ন হৈ সেই মানুহজনৰ ফালে ধাৱিত হৈ পৰে। কিন্তু আমি যাৰ অনিষ্ট কামনা কৰোঁ সেই মানুহজন যদি নিৰ্দ্দোষী আৰু শাস্তিৰ অযোগ্য হয়, তেতিয়া হ'লে সেই ছিটিকি যোৱা অংশটো পুনৰ ঘূৰি আহি আমাৰ অনিষ্ট সাধন কৰেহি। এয়া কেৱল কল্পনা নহয়; কাৰণ কুৰি শতিকাৰ বিজ্ঞানীয়েও প্ৰকাৰান্তৰে স্থূল-শৰীৰৰ ভিতৰত শক্তিকণা নিৰ্ম্মিত সূক্ষ্ম শৰীৰ এটাৰ অস্তিত্ব মানি লৈছে। ইয়াক তেওঁলোকে বায়োলজিকেল প্লাজ্মা বডি (Biological Plasma Body) বুলি অভিহিত কৰিছে।

অভিশাপ বৰ্ষণৰদ্বাৰা কেনেকৈ শত্ৰুৰ অনিষ্ট সাধন কৰিব পাৰি, সেই বিষয়ে নানা কাহিনী শুনিবলৈ পোৱা যায়। এবাৰ আফ্ৰিকাবাসী ইয়োৰোপীয় লোক এজনে সেই দেশৰ কেবাজনো আদিবাসী ভৃত্যক হত্যা কৰাৰ অপৰাধত তেওঁৰ ওপৰত প্ৰতিশোধ ল'বৰ কাৰণে আদিবাসীসকল একগোট হৈ যাদুকৰ এজনক সেই কামৰ ভাৰ অৰ্পণ কৰিলে। কোনো

এটা নির্দিষ্ট দিনত আদিবাসীসকলে মানুহৰ মৰা শৰ এটা যোগাৰ কৰি আনিলে আৰু সেই শৰটোক ইয়োৰোপীয়জনে ব্যৱহাৰ কৰা কামিজ এটা পিন্ধাই দিলে। শৱটোৰ ঠৰঙা চুলিবিলাক ইয়োৰোপীয় মানুহজনে ফণিওৱাৰ দৰে ফণিয়াই দিয়া হ'ল। তদুপৰি ইয়োৰোপীয় মানুহজনৰ নাম অনুসৰি শৰটোক নতুনকৈ নামকৰণ কৰা হ'ল। তাৰ পাছত আৰম্ভ হ'ল আদিবাসীসকলৰ উদ্দাম নৃত্য আৰু শৱটোৰ প্ৰতি অভিশাপ বৰ্ষণ। সেই সময়তে কেবাজনো আদিবাসী লোকে ইয়োৰোপীয়জনৰ প্ৰতি সহানুভূতিশীল হোৱাৰ ভাও ধৰি সকলোবিলাক কাণ্ড-কাৰখানাৰ কথা ইয়োৰোপীয়জনক প্ৰতিদিনে জনাই থাকিল আৰু তাৰ লগতে তেওঁক এইটোও জানিবলৈ দিলে যে তেওঁৰ মৃত্যু নঘটা পৰ্য্যন্ত সেই ক্ৰিয়া-কাণ্ড অব্যাহতভাৱে চলি থাকিব।

ইয়াৰ কেইদিনমানৰ পাছতে সেই ইয়োৰোপীয়জন এক কঠিন ব্যাধিৰ-দ্বাৰা আক্ৰান্ত হ'ল আৰু অনতিপলমে তেওঁ ইহলীলা সংবৰণ কৰিলে।

ওপৰে ওপৰে চালে স্বতঃ অভিভাৱণেই (Autosuggestion) সেই ইয়োৰোপীয় মানুহজনৰ অপমৃত্যুৰ কাৰণ বুলি ক'ব পাৰি। তেওঁৰ সভ্য মনটোৱে হয়তো তেনেবিলাক ক্ৰিয়া-কাণ্ডত বিশ্বাস নকৰিছিল। কিন্তু তেওঁ সমষ্টিগত অৱচেতন মনত লুকাই থকা আদিম সংস্কাৰৰ একান্ত প্ৰভাৱমুক্ত আছিল বুলি ডাঠি ক'ব নোৱাৰি। কিন্তু পৰামনস্তত্ত্বৰ দৃষ্টিকোণৰপৰা ঘটনাটো যদি বিশ্লেষণ কৰা হয়, তেতিয়া হ'লে আমি ক'ব লাগিব যে ইয়োৰোপীয় মানুহজনৰ অপমৃত্যুৰ কাৰণ টেলিকাইনেচিচ্। এই প্ৰসঙ্গতে চেকোশ্লোভাকিয়া দেশৰ চিকিৎসা-বিজ্ঞানী মিলান ৰিজাইলে (Milan Ryzl) চলোৱা এলানি পৰীক্ষাৰ কথালৈ আমাৰ মনত পৰে। এইজন চিকিৎসা-বিজ্ঞানীয়ে টেলিপেথীৰদ্বাৰা এজনৰ শৰীৰৰ ব্যাধি আন এজনৰ শৰীৰলৈ স্থানান্তৰ কৰাত কৃতকাৰ্য্যতা লাভ কৰিছিল। টেলিপেথী সংবাদ প্ৰেৰকজনে যেতিয়া এজ্‌মা ৰোগজনিত তীব্ৰ শ্বাস-কষ্টৰ কথা নিৰিষ্ট-চিত্তে চিন্তা কৰিছিল, তেতিয়া সংবাদ গ্ৰাহকজনৰো তীব্ৰ শ্বাস-কষ্ট উপস্থিত হৈছিল—যাৰ ফলত তেওঁ ঘোৰ আতঙ্কিত হৈ পৰিছিল। আন এটা পৰীক্ষাত সংবাদ প্ৰেৰকজনক মানসিক অৱসাদকাৰক পিল এটা খাবলৈ

দি তেওঁৰ মনত বিষাদৰ ভাব জগাই তোলা হৈছিল। তেতিয়া তেওঁৰপৰা কেবা কিলোমিটাৰ দূৰত থকা সংবাদ গ্ৰহণকাৰীজনৰ ভীষণ মূৰৰ বিষ আৰম্ভ হৈছিল আৰু তাৰ বাবে তেওঁ কেবা ঘণ্টাও কষ্ট পাব লগা হৈছিল।

এতিয়া টেলিপেথী বা টেলিকাইনেচিচৰদ্বাৰা এজনৰ শৰীৰৰ ব্যাধি আন এজনৰ শৰীৰলৈ স্থানান্তৰ কৰা যদি সম্ভৱ হ'ব পাৰে, তেতিয়া হ'লে আদিবাসীসকলৰ অভিশাপৰ ফলত ইয়োৰোপীয়জন ৰোগাক্ৰান্ত হৈ মৃত্যুৰ মুখত পৰাটো একো অসম্ভৱ হ'ব নোৱাৰে। আদিবাসীসকলৰ অন্তৰৰ বিদ্বেষ আৰু মৃত্যু-কামনাক ইয়োৰোপীয় লোকজনত কেন্দ্ৰীভূত কৰি তুলিবৰ কাৰণেই মৰা শৰ আৰু আনুষ্ঠানিক ক্ৰিয়া-কাণ্ডৰ আৱশ্যক হৈ পৰিছিল।

এতিয়া দেখা যাওক টেলিকাইনেচিচৰ কিবা দৈহিক ভিত্তি আছে নেকি? নক'লেও হ'ব যে এই বিষয়ৰ গৱেষণাৰ ক্ষেত্ৰতো ছভিয়েট বিজ্ঞানী-সকল আন আন দেশৰ বিজ্ঞানীতকৈ ভালেখিনি আগবাঢ়ি গৈছে। এই প্ৰসঙ্গত ছভিয়েট বিজ্ঞানীসকলে নেল্যা মিখাইলোভা নামৰ সেই দেশৰ মহিলা এগৰাকীৰ ওপৰত চলোৱা এলানি পৰীক্ষাৰ কথা আমাৰ মনত পৰে। মিখাইলোভা সাধাৰণ মানুহৰ ঘৰৰ জিয়াৰী। ১৪ বছৰ বয়সতে মিখাইলোভাই ৰেড-আৰ্মিত যোগদান কৰি সৈনিকৰ বৃত্তি গ্ৰহণ কৰিছিল। দুৰ্ভাৰ্গ্যবশতঃ যুদ্ধত আহত হৈ মিখাইলোভা চিকিৎসালয়ত ভৰ্ত্তি হ'বলৈ বাধ্য হয় আৰু তাতে কেবামাহো কটাব লগাত পৰে। চিকিৎসালয়ত থকা কালতে মিখাইলোভাই এটা অদ্ভুত শক্তি লাভ কৰে। তেওঁ দেখিবলৈ পালে যে তেওঁৰ ওচৰে-পাঁজৰে থকা সৰু-সুৰা বস্তুবিলাক তেওঁ হাতেৰে স্পৰ্শ নকৰা সত্ত্বেও গতি-চঞ্চল হৈ পৰিছিল। বিজুলী চাকি আপোনা-আপুনি জ্বলি উঠিছিল আৰু নুমাই গৈছিল। বন্ধ কৰি ৰখা দুৱাৰ-খিৰিকী আপোনা-আপুনি খুলি গৈছিল, আকৌ আপোনা-আপুনি বন্ধ হৈ পৰিছিল। এদিন তেওঁ এটা চেল্‌ফৰ ওচৰলৈ যোৱাত চেল্‌ফৰ ওপৰত থকা মাটিৰ কলহ এটা আপোনা-আপুনি মাটিলৈ বাগৰি ভাগি টুকুৰা-টুকুৰ হৈ পৰিছিল। ইয়াৰ পাছতো মিখাইলোভাক কেন্দ্ৰ কৰি নানা ৰকমৰ আচৰিত আচৰিত ঘটনা ঘটিছিল। অকল সেয়ে নহয়, মিখাইলোভাই কেৱল

ইচ্ছাবদ্বাৰাই নানা অলৌকিক ঘটনাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

মিখাইলোভাৰ অদ্ভুত কাৰ্য্য-ক্ষমতাৰ কথা চাৰিওফালে জনাজাত হৈ পৰিলত বহুতো খ্যাতনামা বিজ্ঞানী মিখাইলোভাক লৈ পৰীক্ষা-নিৰীক্ষাত ব্যস্ত হৈ পৰিল। এইসকল বিজ্ঞানীৰ ভিতৰত মস্কো বিশ্ববিদ্যালয়ৰ খ্যাতনামা প্ৰাণীতত্ত্ববিদ্ এডুৱাৰ্ড নোমভো আছিল। এবাৰ নোমভে পৰীক্ষা চাবৰ মনেৰে জুইশলাৰ খালী বাকচ কেইটামান টেবুলৰ ওপৰত সিঁচৰতিকৈ পেলাই ৰাখি সেইবোৰৰ ওপৰত মনৰ শক্তি প্ৰয়োগ কৰিবলৈ মিখাইলোভাক আহ্বান জনালে। মিখাইলোভাই তেওঁৰ হাতখন জুইশলাৰ বাকচ কেইটাৰ কিছু ওপৰেদি এবাৰ ঘূৰাই আনিলত বাকচ কেইটা এটা এটাকৈ টেবুলৰ একাষলৈ আহি মাটিত পৰি যাবলৈ ধৰিলে। মিখাইলোভাৰ হাতৰ বা লাগি তেনে হোৱা বুলি সন্দেহ কৰি এইবাৰ জুইশলাৰ বাকচ কেইটাক কাঁচৰ ঢাকনিৰে ঢাকি ৰখা হ'ল। কিন্তু দেখা গ'ল যে তেতিয়াও মিখাইলোভাই কেৱল ইচ্ছাৰ বলত জুইশলাৰ বাকচ কেইটাত গতি-সঞ্চাৰ কৰিবলৈ সক্ষম হৈ পৰিছে।

মিখাইলোভাক পৰীক্ষা কৰা বিজ্ঞানীসকলৰ ভিতৰত জি. চাৰ্গিয়েভ আছিল অন্যতম। মিখাইলোভাক পৰীক্ষা কৰি বিজ্ঞানী চাৰ্গিয়েভে মিখাইলোভাৰ শৰীৰৰ চাৰিওফালে এখন শক্তিশালী চৌম্বক-ক্ষেত্ৰ ধৰা পেলাইছিল, যাৰ আকৰ্ষণী শক্তি আছিল পৃথিৱীৰ চৌম্বক-ক্ষেত্ৰৰ আকৰ্ষণীৰ এক-দশমাংশৰ সমান। বিজ্ঞানীজনে লগতে ইয়াকো জানিব পাৰিছিল যে মিখাইলোভাৰ মস্তিষ্কত উদ্ভৱ হোৱা তড়িৎ-কম্পন আন মানুহৰ মস্তিষ্কত উদ্ভৱ হোৱা তড়িৎ-কম্পনতকৈ কিছু ভিন্ন প্ৰকৃতিৰ। তদুপৰি বিজ্ঞানী চাৰ্গিয়েভে দেখা পাইছিল যে মিখাইলোভাৰ মস্তিষ্কৰ সমুখাংশত সৃষ্টি হোৱা তড়িৎ-প্ৰৱাহৰ তুলনাত মস্তিষ্কৰ পিছ-অংশত সৃষ্টি হোৱা তড়িৎ-প্ৰৱাহ অধিক শক্তিশালী।

ইয়াৰ পাছত মিখাইলোভা বেছি কঠিন পৰীক্ষাৰ সমুখীন হ'ব লগা হৈছিল। পাত্ৰ এটাত ৰখা লুণীয়া পানীত কণী এটা ভাঙি লৈ কণীটোৰ ভিতৰৰ বস্তুখিনি বাকি দি তাক ভালদৰে ঘূঁটি একাকাৰ কৰি পেলোৱা

হ'ল। মিখাইলোভাক কোৱা হ'ল যে তেওঁ কেৱল ইচ্ছা শক্তি প্ৰয়োগৰ-দ্বাৰা কণীৰ হালধীয়া পদাৰ্থখিনিক বিজলুৱা বগা অংশটোৰপৰা পৃথক কৰি পেলাব লাগে। মিখাইলোভাই পাত্ৰটোৰ ওচৰতে বহি লৈ পাত্ৰটোত থকা বস্তুখিনিলৈ তীক্ষ্ণ দৃষ্টিৰে একেৰাহে চাবলৈ ধৰিলে। ত্ৰিশ মিনিট সময় তেনেদৰে চাই থকাৰ পাছত কণীৰ হালধীয়া অংশটো বগা অংশটোৰ-পৰা লাহে লাহে পৃথক হৈ পৰিবলৈ আৰম্ভ কৰিলে আৰু কিছু সময়ৰ পাছত বস্তু দুবিধ সম্পূৰ্ণ পৃথক হৈ পৰিল। সেই সময়ত পৰীক্ষাগাৰত উপস্থিত থকা কৌতূহলী দৰ্শকমণ্ডলীয়ে মিখাইলোভাৰ মুখমণ্ডলত তীব্ৰ আৱেগৰ লক্ষণ ফুটি উঠা দেখা পাইছিল। মিখাইলোভাৰ শৰীৰত মৃদু কঁপনিৰ সৃষ্টি হৈ পৰিছিল আৰু তেওঁৰ হাতৰ ঠাৰিত নাড়ীৰ বেগ হৈ পৰিছিল প্ৰতি মিনিটত স্বাভাৱিক ৭২ বাৰৰ ঠাইত প্ৰতি মিনিটত ২৪০ বাৰ। হৃৎপিণ্ডৰ কাৰ্য্য-কলাপ হৈ পৰিছিল বিশৃংখল আৰু অনিয়মীয়া। তদুপৰি বিজ্ঞানী চাৰ্গিয়েভে সেই সময়খিনিত মিখাইলোভাৰ মস্তিষ্কত প্ৰতি চেকেণ্ডত চাৰিবাৰকৈ থিটা পেটাৰ্ণৰ (Theta pattern) বিদ্যুৎ-তৰঙ্গৰ সৃষ্টি হোৱাৰ কথা ধৰা পেলাইছিল। সেই সময়খিনিত মিখাইলোভাৰ তেজত থকা গ্লুকোজৰ পৰিমাণ বৃদ্ধি পাইছিল আৰু অন্তঃস্ৰাৱী-গ্ৰন্থিবিলাকৰ কাৰ্য্য-কলাপো অনিয়মীয়া হৈ পৰা দেখা গৈছিল। নিজে আৱিষ্কাৰ কৰা 'চাৰ্গিয়েভ্ ডিটেক্টৰ' নামৰ যন্ত্ৰটোৰদ্বাৰা পৰীক্ষা চলাই বিজ্ঞানী চাৰ্গিয়েভে মিখাইলোভাৰ জীৱন-ক্ষেত্ৰত (Life field) সেই সময়খিনিত প্ৰতি চেকেণ্ডত চাৰিবাৰকৈ কম্পনৰ সৃষ্টি হৈ পৰা দেখা পাইছিল। মুঠতে সেই আধাঘণ্টা সময়খিনিত মিখাইলোভাৰ শৰীৰৰ সকলো কাৰ্য্য-কলাপ বিপৰ্য্যস্ত হৈ পৰিছিল। আনকি তেওঁৰ শৰীৰৰ ওজনো বোলে দুই পাউণ্ড কমি গৈছিল।

জীয়া মানুহৰ শৰীৰৰ চাৰিওফালে থকা তড়িৎ চৌম্বক-ক্ষেত্ৰখনকে জীৱন-ক্ষেত্ৰ বুলি কোৱা হয়। কিন্তু এই জীৱন-ক্ষেত্ৰ কেৱল হৃৎপিণ্ড আৰু মস্তিষ্কত সৃষ্টি হোৱা তড়িৎ-প্ৰৱাহৰ সমষ্টি মাথোন নহয়। শৰীৰৰ অভ্যন্তৰত অহৰ্নিশে চলি থকা ৰাসায়নিক কাৰ্য্য-কলাপ আৰু শৰীৰৰ মাংসপেশী-বিলাকৰ সঙ্কোচন-সম্প্ৰসাৰণৰ ফলতো মানুহৰ শৰীৰত তড়িৎ-প্ৰৱাহৰ সৃষ্টি

হৈ থাকে। এনেদৰে উদ্ভৱ হোৱা তড়িৎ-শক্তিৰ পৰিমাণ হয়তো এক ভল্টৰ (Volt) এক নিযুত ভাগৰ এভাগৰ সমানহে হ'ব। কিন্তু জীৱন-ক্ষেত্ৰ ৰচনাত সিও অৰিহণা যোগায়। এতিয়া প্ৰশ্ন হৈছে মিখাইলোভাৰ অতি-প্ৰাকৃতিক কাৰ্য্য-ক্ষমতাৰ লগত তেওঁৰ জীৱন-ক্ষেত্ৰৰ সম্পৰ্ক কি? বিজ্ঞানীসকলে ভাবে যে মিখাইলোভাৰ অন্তৰত প্ৰৱল ইচ্ছা জাগি উঠিলে তেওঁৰ জীৱন-ক্ষেত্ৰত যি কম্পনৰ সৃষ্টি হৈ পাৰে, সি কোনো বস্তুত কেন্দ্ৰীভূত হৈ পৰিলে সেই বস্তুটোৰ চুম্বকত্ব প্ৰাপ্তি ঘটে আৰু তাৰ ফলতেই বস্তুটোৱে গতি-শক্তি লাভ কৰে। সেই বস্তুটো লো বা আন কোনো ধাতৱ পদাৰ্থৰদ্বাৰা নিৰ্ম্মিত নহ'লেও তাৰ চুম্বকত্ব প্ৰাপ্তিত বাধা নোপজে। অৱশ্যে এইটো সত্য যে স্থূল জড় পদাৰ্থৰ ওপৰত ইচ্ছা শক্তিৰ প্ৰভাৱ ক্ষীণ, কাৰণ স্থূল জড় পদাৰ্থ মাধ্যাকৰ্ষণ শক্তিৰ ক্ৰিয়া, বায়ুমণ্ডলৰ ছাপ ইত্যাদি নানা প্ৰভাৱৰ অধীন হৈ থাকে। পদাৰ্থৰ পাৰমাণৱিক স্তৰৰ কাৰ্য্য-কলাপৰ ওপৰতহে মানুহৰ ইচ্ছা শক্তিয়ে ভালদৰে প্ৰভাৱ খটুৱাব পাৰে।

জড় পদাৰ্থৰ ওপৰত মনৰ ক্ৰিয়াৰ বিষয়ে এটা চমকপ্ৰদ দৃষ্টান্ত দাঙি ধৰিছে জুল্ আইজেনবুড্ (Jule Eisenbud) নামৰ পৰামনোবিজ্ঞানী এজনে। অধ্যাপক ডাঃ আইজেনবুড্ আছিল মানসিক ৰোগীৰ চিকিৎসক আৰু যিজন ব্যক্তিৰ ওপৰত পৰীক্ষা চলোৱা হৈছিল, তেওঁৰ নাম টেড্ চেৰিয়চ্। গ্ৰীক্ বংশোদ্ভৱ যুৱক টেড্ সেই সময়ত আছিল নিবনুৱা আৰু অতিপাত মদাহী। কিন্তু টেডৰ এনে এটা অদ্ভুত ক্ষমতা আছিল যে সি কেমেৰাৰ লেন্স্খনৰ ফালে কিছুপৰ চাই থাকিয়েই সি কল্পনা কৰা বস্তুবিলাকৰ নক্সা কেমেৰাৰ ভিতৰত থকা ফিল্মত নিৱদ্ধ কৰিব পাৰিছিল। এই কাৰ্য্য কেনেকৈ সম্ভৱ হৈ পৰে, সেই বিষয়ে বিজ্ঞানী আইজেনবুডে ভাবি উৱাদিহ নাপাইছিল। টেডৰ শৰীৰৰপৰা প্ৰতিফলিত হোৱা পোহৰৰ-দ্বাৰা কিবা প্ৰকাৰে সি কল্পনা কৰা নক্সাবিলাক কেমেৰাৰ ভিতৰত থকা ফিল্মত নিৱদ্ধ হৈ পৰিব পাৰে বুলি সন্দেহ কৰি পৰীক্ষা চলোৱাৰ সময়খিনিত টেডক আধা ইঞ্চি ডাঠ সীহ মিহলি কাঁচৰ দুৱাৰ-খিৰিকী থকা কোঠা এটাৰ ভিতৰত আৱদ্ধ কৰি ৰখা হৈছিল, যাতে তাৰ শৰীৰৰপৰা প্ৰতিফলিত হোৱা পোহৰে কোনোমতে ফিল্মৰ ওপৰত ক্ৰিয়া কৰিব নোৱাৰে। আকৌ

আন এবাৰ পৰীক্ষা চলাওঁতে টেডক পাঁচ ইঞ্চি ডাঠ তীখাৰ বেৰ থকা আন্ধাৰ কোঠা এটাৰ ভিতৰত আৱদ্ধ কৰি ৰখা হৈছিল, যাতে সাধাৰণ দিনৰ পোহৰহে নালাগে অৱলোহিত ৰশ্মি (Infra-red rays), বেতাঁৰ-তৰঙ্গ বা আন কোনো প্ৰকাৰৰ তড়িৎ চৌম্বক-তৰঙ্গই তাক ভেদ কৰিব নোৱাৰে। কিন্তু অধ্যাপক আইজেনবুডে দেখি আচৰিত হ'ল যে ইমান প্ৰতিৱন্ধকতাৰ সৃষ্টি কৰা সত্ত্বেও টেডে মনতে কল্পনা কৰা ছবিবিলাক পূৰ্ব্বৰ দৰেই কেমেৰাৰ ফিল্মত নিৱদ্ধ হৈ পৰিছে। টেডে কল্পনা কৰা বস্তুবিলাকৰ নক্সা কেমেৰাৰ ফিল্মলৈ স্থানান্তৰিত কৰিবলৈ চেষ্টা কৰা অৱস্থাত টেডৰ আচৰণত তীব্ৰ মানসিক উত্তেজনাৰ লক্ষণ পৰিস্ফুট হৈ পৰিছিল। তাৰ চকু-মুখ ৰঙা পৰিছিল, কপালৰ সিৰবিলাক থূপ খাই পৰিছিল আৰু তাৰ সমগ্ৰ শৰীৰৰ মাংসপেশীবিলাক স্ফীত হৈ পৰা দেখা গৈছিল।

কিন্তু তীব্ৰ আৱেগৰ সৃষ্টি নোহোৱা অৱস্থাতো টেডে নিজৰ মনত কল্পনা কৰা ঘটনাৰ দৃশ্য কেমেৰাৰ ফিল্মলৈ স্থানান্তৰিত কৰিব পাৰিছিল। মিখাইলোভাৰ কাহিনীৰ দৰে টেড্‌ চেৰিয়চৰ কাহিনীটোও যে চাইকো-কাইনেচিচৰ দৃষ্টান্ত তাত সন্দেহ নাই। দুয়োজনৰ অলৌকিক ক্ষমতাৰ মাজত পাৰ্থক্য ইমানেই যে মিখাইলোভাই ইচ্ছাৰ বলত জড় বস্তুত গতি সঞ্চাৰ কৰিব পাৰিছিল, কিন্তু টেডে ইচ্ছাৰ বলত ফটোগ্ৰাফীৰ ফিল্মৰ বুকুত ৰাসায়নিক ক্ৰিয়াৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

পেৰা চাইক'লজী (Parapsychology) বা পৰামনস্তত্ত্বৰ সাহিত্যত টেলিকাইনেচিচ্‌ আৰু চাইকোকাইনেচিচ্‌ (Psychokinesis) এই শব্দ দুটা কম-বেছি একে অৰ্থতে গ্ৰহণ কৰা হয়। টেলিকাইনেচিচ্‌ হৈছে দূৰৰপৰা বস্তুত গতি-সঞ্চাৰৰ ক্ষমতা—(The ability to move things from afar) আৰু চাইকোকাইনেচিচৰ অৰ্থ মনৰদ্বাৰা গতি-শক্তিৰ সৃষ্টি কৰা (Physical motion produced by mind). মুঠতে উভয় ক্ষেত্ৰতে কাৰ্য্য-ক্ষমতাৰ উৎস হৈছে মানুহৰ মনটো।

কিন্তু মাজে মাজে এনে কিছুমান 'ভৌতিক' ঘটনা ঘটে, যিহক ব্যক্তি-বিশেষৰ মনৰ কাৰ্য্য বুলি প্ৰমাণ কৰা টান। অদৃশ্য ঠাইৰপৰা শিলগুটি

বা মাটিৰ চপৰা আহি ঘৰত পৰা, ঘৰৰ ভিতৰৰ বস্তু আপোনা-আপুনি থান্-বান্ হৈ পৰা, আপোনা-আপুনি জুই জ্বলি উঠা আৰু নুমাই যোৱা, জপাই ৰখা দুৱাৰ-খিৰিকী মেল খাই যোৱা, গঁজালত আৰি ৰখা ছবি নিজে নিজে মাটিলৈ নামি অহা, এনেবিলাক ঘটনাৰ কথা নিশ্চয় বহুতে শুনিবলৈ পাইছে। এই শ্ৰেণীৰ ঘটনাক ইংৰাজীত পল্টাৰজিষ্ট (Poltergeist Phenomena) বুলি কোৱা হয়। কাহিনীবিলাক কোনো কোনো ক্ষেত্ৰত অতিৰঞ্জিত হ'লেও বা তেনে ঘটনাৰ প্ৰত্যক্ষদৰ্শী সদায় পোৱা নগ'লেও তেনেবিলাক ঘটনাক অসত্য বা অন্ধ-বিশ্বাস বুলি থিতাতে উৰুৱাই দিয়া নচলে। কাৰণ পৃথিৱীৰ ভালেমান দেশত এনেবিলাক ঘটনা অতীজৰেপৰা ঘটি আহিছে। এই লিখকৰো তেনে ঘটনা প্ৰত্যক্ষ কৰিবৰ সুবিধা ওলাইছিল।

মনোবিজ্ঞানী ডাঃ য়ুঙে এনে দুটা ঘটনাৰ বিৱৰণ দাঙি ধৰিছে। তাৰে এটা ঘটনাৰ প্ৰত্যক্ষদৰ্শী আছিল ডাঃ য়ুঙ্ নিজে। ডেকা বয়সত ডাঃ য়ুঙে 'স্পিৰিচুয়েল মিডিয়ামশ্বিপ্' (Spiritual Mediumship)-সম্পৰ্কীয় থেচিচ্ এখন যুগুতাই থকা অৱস্থাত নিশা অকস্মাতে ডাঙৰ শব্দ এটা শুনি চঁক্ খাই উঠিল। চাৰিওফালে চাই তেওঁ আৱিষ্কাৰ কৰিলে যে কোঠাটোৰ ভিতৰত থকা পাঁউৰুটী কটা তীখাৰ ছুৰী-কটাৰীখন ভাগি পাঁচ টুকুৰা হৈ পৰিছে। কিন্তু সেইটো কেনেকৈ সম্ভৱ হ'ল ডাঃ য়ুঙে তাৰ যুক্তিসঙ্গত কাৰণ বিচাৰি নাপালে।

আনটো ঘটনা ঘটিছিল মহিলা এগৰাকীৰ শোৱনি কোঠাত। নিশা খাই-বৈ বিচনাত বাগৰ দিয়াৰ অলপ পৰৰ পাছতে মহিলাগৰাকীয়ে এটা তীক্ষ্ণ শব্দ শুনিবলৈ পালে। তেওঁ দেখিলে যে তেওঁ খাবৰ কাৰণে লিগিৰীজনীয়ে পানীৰে সৈতে থৈ যোৱা কাঁচৰ গিলাচটোৰ ওপৰৰ অংশটো ঘূৰণীয়াকৈ ফাটি এৰাই গৈছে। লিগিৰীজনীক মাতি তেওঁ আন এগিলাচ পানী অনালে। কিন্তু খন্তেক পাছতে দ্বিতীয় গিলাচটোৰো ওপৰৰ অংশটো ঘূৰণীয়াকৈ ফাটি এৰাই গ'ল। দুটা গিলাচ একেধৰণে ফাটি যোৱা দেখি মহিলাগৰাকী হতভম্ভ হ'ল। নিৰুপায় হৈ তেওঁ লিগিৰীজনীৰ হতুৱাই আৰু এগিলাচ পানী অনালে। কিন্তু আচৰিত কথা৷

যে তৃতীয় গিলাচ পানীৰো একে দশাই হ'ল। এই ঘটনা দেখি মহিলাগৰাকী আতঙ্কিত হৈ পৰিল। কাৰণ ঘটনাটো ভূত-প্ৰেতৰ কাণ্ড বুলি ভাবি লোৱাৰ বাহিৰে মহিলাগৰাকীৰ গত্যন্তৰ নাছিল।

পল্টাৰজিষ্ট্ ঘটনাৰ আঁতি-গুৰি ঠাৱৰ কৰিবলৈ বিজ্ঞানীসকল আজিও সমৰ্থ হোৱা নাই। মিখাইলোভাৰ অতি-প্ৰাকৃতিক কাৰ্য্য-ক্ষমতাৰ লগত থকা সাদৃশ্যলৈ চাই কোনো কোনো মনোবিজ্ঞানীয়ে এই ঘটনাবিলাকক চাইকোকাইনেচিচৰ শাৰীত পেলাব খোজে। পৰীক্ষামূলক পৰামনোবিদ্যাই এইটো বহুবাৰ লক্ষ্য কৰিছে যে প্ৰৱল ইচ্ছা শক্তিৰ প্ৰয়োগ সত্ত্বেও মানুহে আশা কৰা মুহূৰ্ত্ততে চাইকোকাইনেচিচৰ দৰে ঘটনা ঘটি নাযায়। তাৰ বহু পাছতহে দুই-এটা ঘটনা ঘটা দেখা যায়। সেয়েহে একসংখ্যক মনস্তত্ত্ববিদে পল্টাৰজিষ্ট্ ঘটনাবিলাক ৰুদ্ধ আৱেগৰ বিলম্বিত প্ৰতিক্ৰিয়া বুলি ধাৰণা কৰে। তেওঁলোকে ভাবে যে পল্টাৰজিষ্ট্ ঘটনাৰ গুৰিতে থাকে ঘটনা ঘটা পৰিয়ালটোৰ কোনো ব্যক্তিৰ অৱদমিত ক্ৰোধ বা অৱদমিত হিংসা, যি ব্যক্তিজনৰ চেতন মনৰ অজ্ঞাতে কোনো বস্তুৰ ওপৰত কেন্দ্ৰীভূত হৈ পৰা কাৰণেই বস্তুটোৱে গতি-শক্তি লাভ কৰে। সেই ব্যক্তিজন পৰিয়ালৰপৰা আঁতৰি গ'লেই বোলে উপদ্ৰৱৰ ওৰ পৰে। পিছে এনে সিদ্ধান্ত মানি ল'বলৈ বহুতে ইতস্ততঃ কৰে। কাৰণ পৰীক্ষাৰদ্বাৰা সেই কথাৰ নিশ্চিত প্ৰমাণ পোৱা হোৱা নাই।

(ঘ)

তাহানি কুৰুক্ষেত্ৰৰ যুদ্ধত অৰ্জ্জুনে হেনো শ্ৰীকৃষ্ণৰ অনুগ্ৰহত দিব্য-দৃষ্টি লাভ কৰি ভগৱানৰ বিশ্বৰূপ দৰ্শন কৰিছিল। যশোদাই শিশু কৃষ্ণৰ গৰ্ভত নিজ-সমন্বিতে সমগ্ৰ বিশ্বব্ৰহ্মাণ্ড দৰ্শন কৰি জীৱন ধন্য কৰিছিল। সেয়া কেনেকৈ সম্ভৱ হৈছিল সেইটো আমাৰ কল্পনাতীত। পৰামনোবিজ্ঞানীৰ ধাৰণা মতে দিব্য-দৰ্শ (airvoyance) হৈছে মানুহৰ নিৰ্জ্ঞান মনৰ অতিমাত্ৰা কৰ্ম্ম-তৎপৰতাৰ নিদৰ্শন (hyperfunction of the unconscious)। ডাঃ য়ুঙে দিব্য-দৰ্শনক আমাৰ অপৰোক্ষানুভূতি বা অন্তৰ্জ্ঞানৰ

এটি প্ৰকাশ বুলি ভাবে। কিন্তু কেৱল ব্যক্তি-বিশেষৰ ক্ষেত্ৰতহে ই কিয় সম্ভৱ হ'বলৈ পায় সেই প্ৰশ্নৰ উত্তৰ পাবলৈ নাই।

পৰীক্ষামূলক টেলিপেথীৰ ক্ষেত্ৰত কৰাৰ দৰে দিব্য-দৰ্শনৰ পৰীক্ষা চলাওঁতেও সাধাৰণ তাচ বা জেনাৰ কাৰ্ড ব্যৱহাৰ কৰা হয়। কাৰ্ডবিলাক এখন এখনকৈ ডাঠ খামৰ ভিতৰত বন্ধ কৰি ৰখা হয়। তাৰ পাছত সেই বন্ধ খামবিলাক বহুবাৰ সানমিহলি কৰি পেলোৱা হয়, যাতে কোনটো খামৰ ভিতৰত কি ৰঙৰ তাচ আছে, সেই কথা উপস্থিত দৰ্শকসকলৰ কোনো এজনেও মনত ৰাখিব নোৱাৰে। যিজন ব্যক্তিক লৈ পৰীক্ষা চলোৱা হয় তেওঁ তাৰে খাম এটা হাতত তুলি লৈ তাৰ ভিতৰত কি ৰঙৰ তাচ বা কি নক্সাৰ জেনাৰ কাৰ্ড ৰখা হৈছে, তাক অনুমান কৰি ক'ব লাগে। বহু হাজাৰবাৰ তেনেদৰে কাৰ্ডৰ ৰং বা নক্সা আন্দাজ কৰি পোৱা বহু হাজাৰ উত্তৰক গাণিতিক পদ্ধতিৰে বিশ্লেষণ কৰি শতকৰা কিমানটা শুদ্ধ উত্তৰ পোৱা হ'ল, তাক স্থিৰ কৰা হয়। সেই শুদ্ধ উত্তৰবিলাকৰ ভিতৰত কিমানটা উত্তৰ দৈৱক্ৰমে শুদ্ধ হ'ব পাৰে আৰু কিমানটা শুদ্ধ উত্তৰ দিব্য-দৰ্শন ক্ষমতাৰ নিদৰ্শন তাক বিচাৰ কৰা হয়। কিন্তু এতিয়ালৈকে জনা মতে শুদ্ধ উত্তৰৰ সংখ্যা ইমান তাকৰ যে তাক দিব্য-দৰ্শনৰ দৰে অতি-প্ৰাকৃতিক কাৰ্য্য-ক্ষমতাৰ নিদৰ্শন বুলি পৰামনোবিজ্ঞানীসকলে মানি ল'ব খোজা নাই।

তথাপি দিব্য-দৰ্শন অলীক কল্পনা বুলি উকুৱাই দিব নোৱাৰি। কিন্তু এনে অতি-প্ৰাকৃতিক কাৰ্য্য-ক্ষমতাৰ অধিকাৰী হৈ জন্ম গ্ৰহণ কৰা লোক বিৰল। অতীজৰ ঋষি-মুনিসকলে সাধনাৰ বলতহে এনে ক্ষমতা লাভ কৰিছিল। স্বামী যোগানন্দ পৰমহংসদেৱে তেখেতে ৰচনা কৰা—'এজন যোগীৰ আত্মজীৱনী' (An autobiography of a Yogi) নামৰ কিতাপখনত সাধনাৰদ্বাৰা লাভ কৰা টেলিপেথী আৰু দিব্য-দৰ্শন ক্ষমতাৰ কেবাটাও দৃষ্টান্ত দাঙি ধৰিছে। স্বামী অভেদানন্দই কয় যে প্ৰেতাত্মাৰ বাহক অৰ্থাৎ বিদেহী আত্মাৰ লগত সংযোগ-ৰক্ষাকাৰী মিডিয়ামসকলৰ কোনো কোনোজনৰ দিব্য-দৰ্শনৰ ক্ষমতা থাকে। তেওঁলোকক 'Clairvoyant Medium' বুলি কোৱা হয়। কিন্তু তেখেতে কোৱা মতে সেইটো মিডিয়ামৰ নিজস্ব ক্ষমতা নহয়। তেওঁলোক বিদেহী

আত্মাৰ ওপৰত নিৰ্ভৰশীল হৈ চলিব লাগে। স্বামীজী নিজেও আছিল দিব্য-দৃষ্টিসম্পন্ন লোক। কিন্তু তেওঁ কোনো বিদেহী আত্মাৰ অনুগ্ৰহত সেই শক্তি লাভ কৰা নাছিল।

সংখ্যাত তেনেই তাকৰ হ'লেও আজিৰ যুগতো এনেকুৱা দিব্য-দৃষ্টিসম্পন্ন দুই-চাৰিজন মিডিয়ামৰ সাক্ষাৎ পোৱা যায়, যি সাধাৰণ মানুহে চকুৰে নেদেখা ভালেমান ঘটনা প্ৰত্যক্ষ কৰিব পাৰে। এনে এগৰাকী মিডিয়ামৰ নাম এলিন গ্যাৰেট্ (Eileen Garrett); আন দুজন দিব্য-দৃষ্টিসম্পন্ন লোকৰ নাম হৈছে যথাক্ৰমে জেৰাৰ্ড ক্ৰয়চেট্ আৰু পিটাৰ হুৰ্‌কচ্। পিছৰ দুজন হলেণ্ডৰ অধিবাসী। ১৯৬৪ চনত তিনিটা নৰহত্যা গোচৰৰ আচামীহঁতক ধৰা পেলাবৰ কাৰণে পুলিচে জেৰাৰ্ড ক্ৰয়চেটৰ সাহায্য ভিক্ষা কৰিছিল। এই লোকজনে বোলে দিব্য-দৃষ্টিৰ বলত কোন ঠাইত হত্যাকাণ্ড অনুষ্ঠিত হৈছিল, কি কি অস্ত্ৰ সেই কামত ব্যৱহাৰ কৰা হৈছিল, আনকি মৃত দেহ কেইটা কোন ঠাইত লুকুৱাই ৰখা হৈছিল, সকলোবিলাক কথা পুলিচক জনাই দিছিল। অকল সেয়ে নহয়, পুলিচৰ চিপাহী এজনো যে সেই নৃশংস হত্যাকাণ্ডত লিপ্ত আছিল, সেই কথাও তেওঁ পুলিচৰ আগত প্ৰকাশ কৰি দিছিল। জেৰাৰ্ড ক্ৰয়চেটে হত্যাকাৰী কেইজনৰ চেহেৰাৰ যি বিৱৰণ দিছিল, সেই বিৱৰণ অনুসৰি অনুসন্ধান চলাই সিহঁতৰ সকলো কেইজনকে গ্ৰেপ্তাৰ কৰিবলৈ পুলিচ সক্ষম হৈছিল।

অৱশ্যে এই কাহিনীটো দিব্য-দৰ্শনৰ দৃষ্টান্ত বুলি ডাঠি ক'ব নোৱাৰি। জেৰাৰ্ড ক্ৰয়চেটে কোনো গোপন সূত্ৰৰপৰা হত্যাকাৰী কেইজনৰ বিষয়ে বিশদভাৱে জানি পেলোৱাটো একো অসম্ভৱ নাছিল। আন এটা সম্ভাৱনা হৈছে টেলিপেথী, যাৰ সহায়ত তেওঁ হত্যাকাৰীহঁতৰ মনৰ অৱস্থাৰ বিষয়ে অৱগত হ'ব পাৰিছিল। পিটাৰ হুৰ্‌কচ্ নামৰ মানুহজনে মৃত লোক এজনে জীৱনকালত সদায় পিন্ধি ফুৰা কোট এটা কিছুপৰ হাতেৰে চুই থাকিয়েই মৃতলোকজনৰ হত্যাকাৰীৰ বিষয়ে নিখুঁত বিৱৰণ এটা পুলিচৰ আগত দাঙি ধৰিছিল আৰু পুলিচেও সেইমতে হত্যাকাৰীক গ্ৰেপ্তাৰ কৰি বিচাৰৰ কাৰণে আদালতলৈ প্ৰেৰণ কৰিছিল। অৱশ্যে পিটাৰ হুৰ্‌কচৰ অলৌকিক কাৰ্য্য-ক্ষমতাক দিব্য-দৰ্শন বুলি চাইকোমেট্ৰি বোলাহে উচিত।

চাইকোমেট্ৰি (Psychometry)-ক্ষমতাসম্পন্ন লোকে এজন মানুহে সদায় ব্যৱহাৰ কৰি থকা ঘড়ী, আঙঠি, ফাউণ্টেইন পেন, ছুৰী-কটাৰী, এনেবিলাক নিৰ্জ্জীৱ বস্তু কিছুপৰ হাতেৰে ছুই থাকিয়েই সেই বস্তু ব্যৱহাৰকাৰীজনৰ চেহেৰা, আচৰণ, মনোবৃত্তি আৰু স্বভাৱ-চৰিত্ৰৰ বিষয়ে ভালেখিনি কথা অনুমান কৰি পেলাব পাৰে। বিজ্ঞানীসকলে ভাবে যে এজন মানুহে বহু বছৰ ধৰি এই বস্তুবিলাক একেৰাহে ব্যৱহাৰ কৰি থকাৰ ফলত মানুহৰ শৰীৰ আৰু শৰীৰৰ চাৰিওফালে থকা তড়িৎ-ক্ষেত্ৰৰ কম্পন সেই বস্তুবিলাকত নিৱদ্ধ হৈ পৰে। ঘটনাটো হৈছে 'মেগ্নেটিক টেপ'ত বাণী সংৰক্ষণৰ নিচিনা। নিৰ্জ্জীৱ মেগ্নেটিক টেপত যদি নেতাৰ বক্তৃতা, গায়কৰ কণ্ঠস্বৰ, কিম্বা ঐকতান বাদনৰ হাজাৰ হাজাৰ শব্দ ক্ষুদ্ৰ পৰিসীমাৰ ভিতৰতে নিৱদ্ধ হৈ থাকিব পাৰে, তেনেস্থলত এজন মানুহে কুৰি-পঁচিশ বছৰে ব্যৱহাৰ কৰি থকা হাত-ঘড়ী বা আঙঠি এটাত মানুহজনৰ শৰীৰৰ তড়িৎ-কম্পন নিৱদ্ধ হৈ নপৰিবৰ একো কাৰণ নাই। অৱশ্যে অতি সূক্ষ্ম অনুভূতিসম্পন্ন লোকেহে এই কম্পন ধৰা পেলাব পাৰে।

টেলিপেথীৰ দৰে দিব্য-দৰ্শন আৰু দিব্য-শ্ৰৱণৰ ঘটনাবিলাককো আচলতে আমাৰ অৱচেতন মনেহে প্ৰত্যক্ষ কৰে। অৱচেতনাৰ মাধ্যমেৰেহে সিহঁতে আমাৰ চেতন মনত আত্মপ্ৰকাশ কৰে। চেতন মনত প্ৰৱেশ কৰা মুহূৰ্ত্ততে ঘটনাবিলাক স্থান-কালৰ বুকুলৈ অভিক্ষেপিত হৈ পৰে; কাৰণ সচেতন মনৰ ধাৰণা মতে স্থান-কালৰ পটভূমিতহে ঘটনাৰ অস্তিত্ব সম্ভৱ হ'ব পাৰে। নিজৰ স্বপ্নবিলাকলৈ মন কৰিলেই এই কথা আমি সহজে উপলব্ধি কৰিব পাৰোঁ। আপোনাৰ বিচাৰ-বিবেচনা মতে 'মই দেখা স্বপ্নবিলাক একান্তভাৱে মোৰ মনৰ ভিতৰৰ ঘটনা। কিন্তু মই স্বপ্ন দেখোঁতে স্বপ্নৰ ঘটনাবিলাকক স্থূল বস্তু-জগতৰ ঘটনাৰ দৰেই অনুভৱ নকৰোঁ জানো ?' সেইবোৰ 'নিজৰ' বাহিৰত ঘটা ঘটনা যেন নালাগে জানো ?

(৬)

অনাগত ভৱিষ্যতক লৈ মানুহৰ আশা, আশঙ্কা আৰু কল্পনা-জল্পনাৰ যেন অন্ত নাই। অনাগত ভৱিষ্যতৰ কথা আগতে জানিবৰ আশাৰে আমি

জ্যোতিষীৰ কাষ চাপোঁ। মঙ্গলভিৰ হতুৱাই মঙ্গল চোৱাওঁ। কাৰণ আমাৰ সকলো পৰিকল্পনাক গঢ় দিয়া হয় ভৱিষ্যৎ লাভা-লাভৰ প্ৰতি দৃষ্টি ৰাখি। ভৱিষ্যতে প্ৰচুৰ লাভৰ আশা দেখিলে বৰ্ত্তমান কিছু ত্যাগ স্বীকাৰ কৰিবলৈকো আমি পিছ নোহোঁহকো। অৰ্থাৎ ভৱিষ্যতক জনা সম্ভৱ নহ'লেও ভৱিষ্যতক একৰকমে জানো বুলি ধৰি লৈয়ে আমি কামত হাত দিওঁ।

বিৰল ঘটনা হ'লেও কোনো কোনো স্বপ্নই আমালৈ অনাগত ভৱিষ্যতৰ ইঙ্গিত বহন কৰি আনে। এনেবিধ স্বপ্নক ভৱিষ্যদ্বাণীসূচক স্বপ্ন (**Precognitive Dream**) বুলি কোৱা হয়। ১৯৪৮ চনত হলেণ্ডৰ মানুহ এজনে বোলে স্বপ্নত পোৱা নম্বৰ অনুসৰি চিঠি-খেলৰ টিকট কিনি শৰ্কত ধনৰ পুৰস্কাৰ এটা লাভ কৰিছিল। সেইটো দৈৱক্ৰমে মিলি যোৱা স্বপ্ন নাছিল। কাৰণ সেই মানুহজনে একেৰাহে তিনি ৰাতি দেখা তিনিটা স্বপ্নত একেটা নম্বৰকে দেখা পাইছিল। তদুপৰি টিকটখন কিনিছিল চিঠি-খেলৰ তিনিমাহ আগতে। এসময়ত আমাৰ দেশতো স্বপ্নযোগে 'তীৰ খেল'ৰ নম্বৰ পোৱাৰ ধুম উঠিছিল। দুই-এজন ভাগ্যৱানে হয়তো পুৰস্কাৰ লাভ কৰিছিল। কিন্তু সৰহভাগেই বিফল মনোৰথ হ'ব লগাত পৰিছিল। কাৰণ তেওঁলোকে যিহক ভবিষ্যদ্বাণীসূচক স্বপ্ন বুলি বিশ্বাস কৰি লৈছিল, সি আছিল তেওঁলোকৰ ইচ্ছা পৰিপূৰণসূচক স্বপ্নহে।

ভৱিষ্যদ্বাণীসূচক স্বপ্নই যে কেৱল সৌভাগ্যৰ বতৰাহে আনে তেনে নহয়। কিছুমান ভৱিষ্যদ্বাণীসূচক স্বপ্ন স্বপ্ন দেখোঁতাজনৰ কাৰণে সতৰ্কবাণী স্বৰূপ হৈ পৰে। দৃষ্টান্ত স্বৰূপে বিভিন্ন গ্ৰন্থৰপৰা সংগ্ৰহ কৰা এনেকুৱা কেইটামান স্বপ্ন পঢ়ুৱৈসকললৈ আগবঢ়োৱা হ'ল।

১ম স্বপ্ন ঃ—'এজন ভদ্ৰলোকে জাহাজেৰে সমুদ্ৰ-যাত্ৰা কৰিবৰ মনেৰে আগতীয়াকৈ জাহাজৰ চিট্ ৰিজাৰ্ভ কৰি থৈছিল। যাত্ৰাৰ কেইদিনমানৰ আগতে মানুহজনে এনেদৰে স্বপ্ন দেখিলে যে তেওঁ যিখন জাহাজত চিট্ ৰিজাৰ্ভ কৰি ৰাখিছিল, সেই জাহাজখন ওপৰলৈ পিঠি কৰি সাগৰৰ পানীত ওপণ্ডি আছে আৰু জাহাজখনৰ যাত্ৰী আৰু নাৱিকইঁতে প্ৰাণৰক্ষাৰ কাৰণে সাগৰৰ পানীত কক্ৰবকাই সাঁতুৰিব লাগিছে। পাছ নিশাও বোলে একেটা

স্বপ্নকে মানুহজনে দেখা পালে। একেবাহে দুটাকৈ অমঙ্গলসূচক স্বপ্ন দেখি মানুহজন শঙ্কিত হৈ পৰিলেও সহজতে সমুদ্ৰযাত্ৰা স্থগিত ৰাখিবলৈ মানুহজনে ইচ্ছা কৰা নাছিল। পিছে সৌভাগ্যক্ৰমে যাত্ৰাৰ আগদিনা ঘৰৰপৰা অহা এটা জৰুৰী তাঁৰ-বাৰ্ত্তাই যাত্ৰা স্থগিত ৰাখিবলৈ মানুহজনক এটা সুবিধা উলিয়াই দিলে।

কেইদিনমানৰ পাছত মানুহজনে জানিব পাৰিলে যে তেওঁ যাব খোজা জাহাজখন ইংল্যাণ্ডৰ উপকূল এৰি যোৱাৰ চতুৰ্থ দিনাৰ মাজনিশা আট্‌লাণ্টিক মহাসাগৰত জলমগ্ন হ'ল, যাৰ ফলত জাহাজখনত থকা সকলো যাত্ৰীয়ে প্ৰাণ হেৰুৱাব লগাত পৰিল।

২য় স্বপ্ন ঃ—এই স্বপ্নটো দেখিছিল আত্মিক গৱেষণা সংস্থাৰ (Psychic Research Society) সভাপতি ডাঃ ডব্লিউ. এফ্. প্ৰিন্স্. চাহাবে। তেওঁ দেখিছিল যে পাহাৰৰ সুৰঙ্গ এটাৰ ভিতৰত আধাখিনি সোমাই বৈ থকা ৰেলগাড়ী এখনৰ সুৰঙ্গৰ বাহিৰত থকা ডবাকেইটাত আন এখন ৰেলগাড়ীৰ ইঞ্জিন এটাই প্ৰৱল বেগেৰে খুন্দা মাৰি দিছে। ফলত ৰেলখনৰ পাছৰ ডবাকেইটা ভাগি চুৰমাৰ হৈ গৈছে আৰু আহত যাত্ৰীবিলাকৰ আৰ্ত্তনাদত গোটেই ঠাইখনত খলক লাগিছে।

আচৰিত কথা যে এই ভয়াৱহ দুৰ্ঘটনাৰ স্বপ্নটো পাছদিনা পুৱাতে দিঠকত পৰিণত হ'ল। নিউইয়ৰ্ক চহৰৰ গাতে লাগি থকা পাৰ্ক-এভিনিউ নামৰ সুৰঙ্গটোৰ ভিতৰত আধাখিনি সোমাই পৰা ৰেলগাড়ী এখনৰ পাছৰ ডবাকেইটাত আন এখন ৰেলৰ ইঞ্জিন এটাই প্ৰচণ্ড বেগেৰে খুন্দা মাৰি ডবাকেইটা তেনেই মহটিয়াই নিলে। লগে লগে আহত যাত্ৰীবিলাকৰ চিঞৰ-বাখৰত চাৰিওফালে তোলপাৰ লাগিল।

৩য় স্বপ্ন ঃ—আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ সভাপতি আব্ৰাহাম লিঙ্কন চাহাবে স্বপ্নত দেখা পালে যে শৱবাহী গাড়ী এখনৰ ওপৰত মানুহৰ শৱ এটা বগা কাপোৰেৰে ঢাকি শুৱাই ৰখা হৈছে আৰু কেইবাজনো সশস্ত্ৰ ৰখীয়াই সেই শৱটো ৰখি আছে। তেওঁ ওচৰ চাপি গৈ ৰখীয়া এটাক প্ৰশ্ন কৰিলে, "হোৱাইট্ হাউচত কাৰ মৃত্যু হ'ল ?" সৈনিকজনে উত্তৰ দিলে— "প্ৰেচিডেণ্টৰ। কোনোবা আততায়ীয়ে তেওঁক গুলীয়াই হত্যা কৰিলে।"

এই স্বপ্ন দেখাৰ কেইদিনমানৰ পাছতে ৰাষ্ট্ৰপতি লিঙ্কনে আততায়ীৰ গুলীত প্ৰাণ হেৰুৱালে। তেওঁৰ মৃতদেহটো স্বপ্নত দেখাৰ দৰে বগা কাপোৰেৰে ঢাকি শৱবাহী গাড়ীৰ ওপৰত শুৱাই ৰখা হৈছিল আৰু এদল সশস্ত্ৰ প্ৰহৰীয়ে শৱবাহী গাড়ীখন ৰখি আছিল। ভবিষ্যদ্বাণীসূচক স্বপ্নবিলাকে স্বাভাৱিকতে এনে এটা প্ৰশ্ন আমাৰ মনত জগাই তোলে যে ঘটনা ঘটিবলৈ নৌপাওঁতেই স্বপ্নযোগে ঘটনাৰ আগজাননী পোৱা কেনেকৈ সম্ভৱ হ'ব পাৰে? তেনেহ'লে কালৰ গতি কিম্বা কাৰ্য্য-কাৰণৰ সম্পৰ্কৰ বিষয়ে আমি মনত পোষণকৰা ধাৰণাবিলাক সম্পূৰ্ণ ভিত্তিহীন নেকি? এনেবিলাক প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে কালৰ প্ৰকৃতিৰ বিষয়ে যৎকিঞ্চিৎ আলোচনাৰ প্ৰয়োজন।

কাল বা সময় বুলি সঁচাকৈয়ে কিবা আছে জানো? নে কাল একান্ত-ভাৱে আমাৰ মনৰ কল্পনা মাথোন? কালক চকুৰে নেদেখি, কিম্বা হাতেৰেও স্পৰ্শ কৰিব নোৱাৰি। কেৱল সচেতন মনৰ দ্বাৰাহে কালৰ গতিশীলতাৰ কথা উপলব্ধি কৰিব পাৰি। সেয়েহে দাৰ্শনিক ইমানুয়েল কাণ্টে কয় যে কাল একান্তভাৱে এটা আত্মগত উপলব্ধি (Subjective Experience) আৰু তাৰ অস্তিত্ব নিৰ্ভৰ কৰে আমাৰ অন্তঃপ্ৰজ্ঞা বা অপৰোক্ষানুভূতিৰ ওপৰত।[২৫] ডাঃ উইলিয়াম জেম্‌চেও ভাবে যে ঘটনা বিবৰ্জ্জিত কাল আমাৰ ধাৰণাৰ অতীত। 'We have no sense for empty time' তেখেতে কয়। সাধাৰণ জ্ঞানেৰেই আমি এইটো উপলব্ধি কৰিব পাৰোঁ যে কালৰ আৰম্ভণি নাই, কিম্বা কালৰ অন্তও থাকিব নোৱাৰে। কোনোবাই কালৰ আৰম্ভণি আৰু সমাপ্তি থকা বুলি কল্পনা কৰিলেও সেই আৰম্ভণি আৰু সমাপ্তি কেতিয়াও কালবহিৰ্ভূত ঘটনা হ'ব নোৱাৰে। গতিকে বুজা যায় যে আৰম্ভণিৰ পূৰ্ব্বেও কাল আছিল আৰু কালৰ সমাপ্তিৰ পাছতো কাল থাকিব।

(২৫) Time is nothing but a form of internal intuition. Take away the peculiar condition of our sensibility and the idea of time vanishes, because it is not inherent in the object, but in the subject that perceives time. —*Immanuel Kant*

আচলতে যি কালক লৈ আমাৰ প্ৰত্যক্ষ কাৰবাৰ আৰু ঘড়ী চাই যিহক জুখিবলৈ চেষ্টা কৰোঁ, সি হৈছে প্ৰত্যক্ষগত কাল (Perceptual time), এই কাল সদায় গতিশীল। এক মুহূৰ্ত্তৰ কাৰণেও ইয়াৰ বিৰতি নঘটে। এই কালৰ বৰ্ত্তমান, অতীত আৰু ভৱিষ্যৎ থাকে। ইয়াত ভৱিষ্যৎ কাল বৰ্ত্তমানৰ বুকুৰেদি বাগৰি অতীতৰ গৰ্ভত লীন হৈ যায়। প্ৰত্যক্ষগত কালৰ এই গতিশীলতাৰ কাৰণ নিজ মেৰুদণ্ডৰ ওপৰত পৃথিৱীৰ আৱৰ্ত্তন আৰু সূৰ্য্যৰ চাৰিওফালে পৃথিৱীৰ পৰিভ্ৰমণ। ইয়াৰ ফলত দিনৰ পাছত আহে ৰাতি আৰু ৰাতিৰ পাছত দিন। বসন্তকালৰ পাছত গ্ৰীষ্মকাল, তাৰ পাছত বৰ্ষা, শৰত, হেমন্ত আৰু শীতকাল স্বৰূপে ছয় ঋতুৰ বিৱৰ্ত্তন ঘটি থাকে। জগতৰ সকলো ঘটনাই নিৰ্দ্দিষ্ট পৰিমাণৰ কাল অধিকাৰ কৰি থাকে। পৰিদৃশ্যমান জগতৰ ঘটনাবিলাক এটাৰ পাছত এটাকৈ ঘটি থকা কাৰণেই আমাৰ ধাৰণা হয় যে কালো পাৰ হৈ যাব লাগিছে।

আকৌ অকল বাহিৰৰ জগতৰ ঘটনা বা পৰিৱৰ্ত্তনেই নহয়, আমাৰ মনতো মুহূৰ্ত্তে মুহূৰ্ত্তে ভাব-চিন্তাৰ পৰিৱৰ্ত্তন ঘটি থাকে। মনৰ অৱস্থা অনুসৰি একে পৰিমাণৰ সময়কে আমি দীঘল বা চুটি যেন অনুভৱ কৰোঁ। সুখৰ দিনবিলাক ক্ষণস্থায়ী যেন লাগে। দুখৰ ৰাতি হ'লে নাযায়, নুপুৱায়। মানুহৰ মন আৰু পৰিদৃশ্যমান জগতখনত যদি ঘটনা বা পৰিৱৰ্ত্তন বুলি একো নাথাকিলহেঁতেন, তেতিয়া হ'লে দাৰ্শনিক হেন্‌ৰী বাৰ্গচনে ক'বৰ দৰে সময় গতিশীল বুলি আমি ধাৰণা কৰিবই নোৱাৰিলোহেঁতেন।[২৬]

আচলতে কাল অখণ্ড আৰু অবিভাজ্য। অতীত, বৰ্ত্তমান আৰু ভৱিষ্যৎ বুলি কালৰ বিভাগ নাথাকে। বৰ্ত্তমান কালৰ কথাকে ভাবকচোন। এই বৰ্ত্তমানৰ প্ৰতি আমি মনোযোগী হৈ পৰা মুহূৰ্ত্ততে সি বৰ্ত্তমান গুচি অতীতত পৰিণত হৈ যায়। ব্যৱহাৰিক সুবিধাৰ কাৰণেহে মানুহে প্ৰত্যক্ষগত কালক ঘণ্টা, মিনিট, চেকেণ্ড্ হিচাপে বা সপ্তাহ, পখেক, বছৰ আৰু

(২৬) We change without ceasing and the state itself is nothing but change. There is no feeling, no idea, no Volition which is not undergoing change at every moment. If a mental state cease to vary, its duration would cease to flow. —*Henry Bergson*

শতাব্দী হিচাপে ভাগ কৰি লয়। কিন্তু এই খণ্ড খণ্ড কালবিলাক যোগ কৰি অনন্ত কাল পাব নোৱাৰি। সিহঁতৰ যোগফল কোটি কোটি বছৰ হ'বগে পাৰে, কিন্তু অনাদি অনন্ত কালৰ পটভূমিত কোটি কোটি বছৰ সীমিত পৰিমাণৰ কালহে। হয়তো এক মুহূৰ্ত্তৰ সমান। 'কটাক্ষতে সৃজন্ত ব্ৰহ্মাণ্ড কোটি কোটি' হৰমোহন উপাখ্যানৰ নায়ক সদাশিৱৰ এই দাৰ্শনিক উক্তিলৈ এবাৰ মনত পেলাওকচোন। সেই হিচাপে মনুষ্য জীৱনৰ স্থায়িত্বৰ কথাটোকো চিন্তা কৰি চাওক। একৰকম অস্তিত্বশূন্য বুলিয়ে ক'ব নোৱাৰি জানো?

অৱশেষ্টে আৰু একৰকমে আমি কালৰ বিষয়ে ধাৰণা কৰিব পাৰোঁ, যিহক ধাৰণাগত কাল (Conceptual time) বুলি কোৱা হয়। এই ধাৰণাগত কাল ওপৰত কোৱাৰ দৰে অখণ্ড, কিন্তু পৰিৱৰ্ত্তন ৰহিত—সুতৰাং গতি ৰহিত।[২৭] বিখ্যাত জ্যোতিৰ্বিজ্ঞানী আৰু পদাৰ্থতত্ত্ববিদ্ পণ্ডিত চাৰ আৰ্থৰ এডিংটনে ভাবে যে পৰিদৃশ্যমান বিশ্বজগত তেনে এক পৰিৱৰ্ত্তন ৰহিত অখণ্ড কালৰ ফালেই যেন আগবাঢ়িব লাগিছে। অনন্ত আকাশৰ বুকুত কোটি কোটি বছৰ ধৰি একেৰাহে জ্বলি থকা সূৰ্য্য, নক্ষত্ৰ আৰু নীহাৰিকাবিলাক যেতিয়া জ্বলি জ্বলি নিঃশেষ হৈ যাব আৰু যেতিয়া সমগ্ৰ বিশ্ব ঘোৰ অন্ধকাৰত নিমজ্জিত হৈ পৰিব, তেতিয়া আমাৰ ধাৰণাত সময়ে নিজৰ গতিশীলতা হেৰুৱাই পেলাব। কাৰণ তেনে এটা অৱস্থাত সমগ্ৰ বিশ্ব সমউত্তাপ অৱস্থাত (Thermodynamic Equilibrium) উপনীত হৈ পৰা হেতুকে জগতত ঘটনা বুলি একোৱে নাথাকিব। তেতিয়া কাল হৈ পৰিব সীমাহীন মহাকাশৰ দৰে দিগন্ত প্ৰসাৰী, কিন্তু গতিৰহিত। ইয়াৰ-পৰা বুজা যায় যে দেশ (Space) আৰু কাল মূলতঃ অভিন্ন। ঘটনাবহুল

(২৭) We can thus distinguish two basically different types of orientation in time. (i) The cognitive time appreciation based on the intellectual apprisal of environmental factors and (ii) The Primitive time sense which is independent of data Pertaining to the outside world and exclusively relies on impressions from within.

New Dimensions of Deep Analysis.

—*by Dr. J. Ehrenwald*

পদাৰ্থ জগতৰ ধ্যান-ধাৰণাৰে পৰিপুষ্ট আমাৰ অহংকেন্দ্ৰী সচেতন মনেহে দেশ আৰু কালৰ মাজত বিভিন্নতাৰ সৃষ্টি কৰে। সচেতন মনটোৱে এটাক ঘণ্টা, মিনিট, চেকেণ্ড্‌ হিচাপে জুখি আনটোক গজ, ফুট, ইঞ্চি বা বৰ্গ-কিলোমিটাৰ হিচাপে জুখিবলৈ লোৱা হেতুকে দেশ আৰু কালৰ মাজৰ বিভিন্নতাখিনি অধিক প্ৰকট হৈ পৰিছে।[২৮]

সমষ্টিগত অৱচেতন মনৰ ধাৰণা মতে কাল অখণ্ড আৰু অবিভাজ্য চিৰবৰ্ত্তমান হোৱা কাৰণেই ভৱিষ্যতৰ ঘটনাবিলাকক সেই মনেৰে আমি বৰ্ত্তমানৰ ঘটনা স্বৰূপেই অনুভৱ কৰি লওঁ। কাৰণ ব্যৱহাৰিক কালৰ আন দুটা বিভাগ অতীত আৰু ভৱিষ্যতৰ লগত সমষ্টিগত অৱচেতন মন একান্ত অপৰিচিত। পৰোক্ষভাৱে ইয়াৰ অৰ্থ হৈ পৰে এনেকুৱা যে ত্ৰিমাত্ৰাবিশিষ্ট পদাৰ্থ জগতত কোনো এটা ঘটনা ঘটি যোৱাৰ পূৰ্ব্বেই সমষ্টিগত অৱচেতনা আৰু অৱচেতনাতীত মানসস্তৰত (Psi level of psychical functioning) ঘটনাটো ঘটি যায় আৰু পাছতহে সচেতন মনে দেহেন্দ্ৰিয়ৰ জৰিয়তে ঘটনাটোৰ বিষয়ে অৱগত হৈ পৰে। আকৌ এইটোও হ'ব পাৰে যে লাখ লাখ বছৰ জোৰা মানসিক ক্ৰম-বিৱৰ্ত্তনৰ কালছোৱাত আহৰণ কৰা অজস্ৰ অভিজ্ঞতাই মানুহৰ অৱচেতন মানসিক কাৰ্য্যক্ষমতাক এনেভাৱে গঢ়ি তুলিছে যে ভাবী ঘটনাৰ এটা ক্ষীণতম সম্ভাৱনা দেখা পালেই ঘটনাটোৱে ভৱিষ্যতে কি ৰূপ ল'ব, সেই কথা মনে পূৰ্ব্বতেই অনুমান কৰি পেলাব পাৰে আৰু সম্ভৱতঃ সেই অনুমানেই নিশা টোপনি অৱস্থাত ভৱিষ্যদ্বাণীসূচক স্বপ্নৰূপে আত্মপ্ৰকাশ কৰে।

এই প্ৰসঙ্গতে আৰু এটা কথা আমাৰ মনলৈ আহে। বিজ্ঞানে কয় যে পৃথিৱীয়ে ঘণ্টাত প্ৰায় এহেজাৰ মাইল বেগেৰে নিজৰ মেৰুদণ্ডৰ ওপৰত আৱৰ্ত্তন কৰে। কিন্তু পোহৰৰ বেগ প্ৰতি চেকেণ্ডত ১৮৬ হেজাৰ মাইল।

---

(২৮) Space is everywhere and all at once and if mathematics of space-time are correct, then time may have the same properties. In this view time is not propagated like light waves, but appears immediately everywhere and links everything.

—*Super Nature.*

গতিকে পোহৰৰ বেগত মহাকাশলৈ গতি কৰা শিশু এটাৰ বয়স যেতিয়া এক চেকেণ্ড বাঢ়ে, তেতিয়া পৃথিৱীত থকা শিশু এটাৰ বয়স ৭·৭৫ দিন বাঢ়ে। অৱচেতন মানসস্তৰত চিন্তাৰ বেগ হয়তো পোহৰৰ বেগৰ সমান, কিম্বা তাতোকৈয়ো বেছি। গতিকে ভৱিষ্যদ্বাণীসূচক স্বপ্নৰ ক্ষেত্ৰত ঘটনা ঘটাৰ সময় আৰু সচেতন মনেৰে ঘটনাৰ বিষয়ে অৱগত হোৱা সময়ৰ মাজত ব্যৱধানৰ সৃষ্টি হৈ পৰা তেনেই স্বাভাৱিক। আকৌ ভৌগোলিক দূৰত্বৰ কথাও আছে। টোকিঅ'ত যেতিয়া ১ জানুৱাৰীৰ পুৱা সাত বাজে, তেতিয়া তেহ্ৰাণ বা কাবুলত হয়তো ৩১ ডিচেম্বৰৰ মাজ নিশা। গতিকে টোকিঅ'ত পুৱা সাত বজাত ঘটা এটা দুৰ্ঘটনাৰ টেলিপেথী খবৰে আগনিশাতে কাবুলত থকা আত্মীয় এজনৰ টোপনিত স্বপ্নৰ সৃষ্টি কৰা একো অসম্ভৱ নহয়।

এয়া অৱশ্যে আমাৰ অলস কল্পনা মাথোন। প্ৰমাণ কৰাৰ সাধ্য আমাৰ নাই। গতিশীল পৃথিৱীৰ ওপৰত বাস কৰি আমি অতীত, ভৱিষ্যৎ নথকা গতিশূন্য কালক উপলব্ধি কৰিম কেনেকৈ? বাহিৰৰ ঘটনাবহুল জগতৰ খবৰে মনত প্ৰৱেশ কৰাত বাধা দিব পৰা গ'লেও নিজৰ মনৰ ভাব-চিন্তা-বিলাকক বাধা দিম কেনেকৈ? আকৌ শৰীৰটোলৈ মন কৰিলেও আমি দেখা পাওঁ যে নিৰ্দ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে আমাৰ ভোক লাগে। নিৰ্দ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে টোপনি ধৰে, কিম্বা নিৰ্দ্দিষ্ট সময়ৰ অন্তৰে অন্তৰে শৌচ-প্ৰস্ৰাৱৰ বেগ উপস্থিত হয়। দুটা ঘটনাৰ মাজৰ ব্যৱধানটোৱেই সময়ৰ ব্যৱধানৰূপে প্ৰতীয়মান হৈ পৰে। অৱশ্যে জিড্ডু কৃষ্ণমূৰ্ত্তিয়ে কোৱাৰ দৰে নিস্তব্ধ মন এটা গঢ়ি তুলিব পাৰিলে বেলেগ কথা। নিস্তব্ধ মন অখণ্ড কালত বাস কৰে। এই মন নিৰ্লিপ্ত আৰু নিৰ্ব্বিকাৰ।

বিজ্ঞানীসকলে বাহিৰৰ জগতৰ ঘটনাই যাতে মনক উত্যক্ত কৰিব নোৱাৰে তাৰ উপায় উদ্ভাৱন কৰিছে, যিহক তেওঁলোকে 'Technique of Sensory deprivation' বুলি অভিহিত কৰে। যিজন লোকৰ ওপৰত পৰীক্ষা চলোৱা হয়, তেওঁক শব্দ, গন্ধ আৰু পোহৰে প্ৰৱেশ কৰিব নোৱাৰা কুঠৰী এটাৰ ভিতৰত আৱদ্ধ কৰি ৰখা হয়। শীত-তাপৰ খবৰো যাতে মস্তিষ্কলৈ যাব নোৱাৰে, সেই উদ্দেশ্যে কুঠৰীটোৰ ভিতৰত মানুহজনৰ

শৰীৰৰ উত্তাপৰ সমান উত্তাপৰ অৱস্থা এটা সৃষ্টি কৰা হয়। এনে উপায়েৰে আমাৰ পাঁচোটা জ্ঞানেন্দ্ৰিয়ৰ ভিতৰত চাৰিটা জ্ঞানেন্দ্ৰিয়ক নিষ্ক্ৰিয় কৰি তোলা হয়।

এনেদৰে পৰীক্ষা চলাই মনোবিজ্ঞানীসকলে দেখা পাইছে যে প্ৰথম অৱস্থাত পৰীক্ষিত ব্যক্তিজন গাঢ় নিদ্ৰাত অভিভূত হৈ পৰে। কোনো কোনোজনে ২৪ ঘণ্টা বা তাতোকৈ বেছি সময় টোপনিৰ অচেতন অৱস্থাত অতিবাহিত কৰে। কিন্তু সাৰ পোৱাৰ পাছত এঘণ্টা কি দুঘণ্টা শোৱা বুলিহে অনুভৱ কৰে। ইয়াৰপৰা বুজা যায় যে বহিৰ্জগতৰ লগত সম্পৰ্ক হেৰুৱাৰ পাছত মানুহৰ সময়ৰ ধাৰণা ওলট-পালট হৈ যায়। সময়ৰ গতি মন্থৰ, কিম্বা স্তব্ধ হৈ পৰা যেন অনুভূত হ'বলৈ ধৰে। ইয়াৰ কিছুদিনৰ পাছত লাহে লাহে আহি পৰে নিদ্ৰাহীনতা আৰু চিন্তা বিপৰ্য্যয়ৰ অৱস্থা এটা। মনত উদ্ভৱ হোৱা ভাব-চিন্তাবিলাক অতিৰঞ্জিত হৈ প্ৰকাশ পাবলৈ ধৰে। তেনে হৈ পৰাৰ কাৰণ সম্ভৱতঃ এইটোৱে যে বাহিৰৰ জগতৰপৰা মস্তিষ্কলৈ খবৰ অহা বন্ধ হৈ পৰা কাৰণে মনৰ গৰ্ভত পূৰ্ব্বৰেপৰা লুকাই থকা অজস্ৰ ঘটনাৰ স্মৃতিয়ে চেতনাৰ পটত একে সময়তে আত্মপ্ৰকাশ কৰিবলৈ ধৰে। তেনে এটা অৱস্থাত সেই স্মৃতিবিলাকক বিশ্লেষণ কৰি সিহঁতক নিৰ্দ্দিষ্ট ক্ৰমত সজাই তুলিবলৈ মনে আহৰি নোপোৱা হয়।

ইয়াৰ পাছতে আহি পৰে ভীতিপ্ৰদ স্বপ্ন আৰু অমূল প্ৰত্যক্ষৰ অৱস্থা এটা। প্ৰথম অৱস্থাত দেখা পোৱা স্বপ্নবিলাকৰ উৎস মানুহৰ ব্যক্তিগত অৱচেতনা। কিন্তু তাৰ পাছত আহি পৰে সমষ্টিগত অৱচেতন মনত সঞ্চিত হৈ থকা আদিম বিশ্বাস, আদিম প্ৰৱণতা আৰু আদিম চিন্তা প্ৰতিৰূপৰ (Archetype) আত্মপ্ৰকাশৰ ভয়াৱহ অৱস্থা এটা। ভূত-প্ৰেত, ৰাক্ষস আৰু ভয়াৱহ আকৃতিৰ জীৱ-জন্তুৰ স্মৃতিয়ে জীৱন্ত ৰূপ ধাৰণ কৰি স্বপ্নত নিজক প্ৰকাশ কৰিবলৈ ধৰে। অমূল প্ৰত্যক্ষবিলাকো বিক্ষিপ্ত শব্দ বা চকামকা পোহৰ মাথোন হৈ নাথাকে। সিহঁত হৈ পৰে প্ৰাগৈতিহাসিকযুগীয় আতঙ্কজনক পৰিস্থিতিৰ পুনৰাভিনয়। কিন্তু ইয়াৰ পাছতো যিবিলাক অমূল প্ৰত্যক্ষৰ সৃষ্টি হৈ পৰে, সিহঁতৰ লগত মানুহৰ ব্যক্তিগত আৰু সমষ্টিগত অৱচেতন মনৰ কোনো সম্পৰ্ক নাথাকে। সম্ভৱতঃ সেইবিলাক

অতীন্দ্ৰিয় মনোলোকৰ ঘটনা, যাৰ উত্তৰদিহ বিজ্ঞানে এতিয়াও উলিয়াব পৰা নাই। মূৰ্ছাতে এনে এটা মানসিক অৱস্থাত অহংবোধৰ সংহতি সম্পূৰ্ণ লোপ পায়। একে উদ্ভ্ৰান্তিৰ দৃষ্টান্ত পোৱা যায় উন্মাদ ৰোগগ্ৰস্ত লোকৰ চিন্তা আৰু আচৰণত। আকৌ আজিকালি চিকিৎসা মনোবিজ্ঞানীসকলে এল্-এচ্-ডি (L.S.D.), মেচ্কালিন্ (mescalin) আদি ঔষধ প্ৰয়োগৰ দ্বাৰাও অনুৰূপ উদ্ভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে। এনেকুৱা 'Sensory deprivation'-ৰ অৱস্থা এটা গঢ়ি তুলিবৰ কাৰণেই সম্ভৱতঃ অতীজৰ ঋষি-মুনিসকলে তপস্যা কৰিবৰ কাৰণে নিৰ্জ্জন অন্ধকাৰ গুহা বাছি লৈছিল। প্ৰেতাহ্বান চক্ৰত (Seance) বিদেহী আত্মাৰ লগত সংযোগ স্থাপন কৰিবৰ কাৰণেও নিৰ্জ্জন অন্ধকাৰ কক্ষ অপৰিহাৰ্য্য। মূল উদ্দেশ্য কিন্তু একেটাই আৰু সেয়ে হৈছে মনক বাহিৰৰ জগতৰপৰা বিচ্ছিন্ন কৰি নিজত কেন্দ্ৰীভূত হৈ পৰিবলৈ সুবিধা দিয়া।

সৰ্ব্বশেষত পৰামনস্তত্ত্ববিষয়ক আন এবিধ ৰহস্যজনক ঘটনাৰ কথালৈ অহা হওক। এইবিধ ঘটনাক উপস্থিতিবোধ বা ইংৰাজীত 'Consciousness of Presence' বুলি অভিহিত কৰা হয়। এনে এটা অৱস্থাত কিহৰ বা কাৰ উপস্থিতি, সেই কথা মানুহে বুজিব নোৱাৰে, অথচ ঘোৰ আতঙ্ক, কিম্বা অজান উৎকণ্ঠাত মানুহৰ সমগ্ৰ সত্তা যেন অভিভূত হৈ পৰে। যিসকলে অৰণ্যৰ মাজত থকা পৰিত্যক্ত অট্টালিকা বা ডাক-বঙলাত অকলে নিশা অতিবাহিত কৰি পাইছে, তেওঁলোকৰ দুই-এজনৰ নিশ্চয় এনে অভিজ্ঞতা আছে। মন কৰিবলগীয়া যে এনেকুৱা ক্ষেত্ৰত আতঙ্কৰ আবিৰ্ভাৱ যেনেদৰে আকস্মিক, আতঙ্কৰ পৰিসমাপ্তিও তেনেদৰে আকস্মিক। কোনো কোনো ক্ষেত্ৰত এই আতঙ্কই ভীতিজনক অমূল প্ৰত্যক্ষৰ (terrifying hallucination) ৰূপ গ্ৰহণ কৰিবও পাৰে। কিন্তু সৰহভাগ ক্ষেত্ৰতে এনে আতঙ্কৰ সুস্পষ্ট কাৰণ বিচাৰি পোৱা নাযায়। বহু বছৰৰ পূৰ্ব্বে এজন মানুহে এনেবিধ অভিজ্ঞতাৰ কাহিনী এটা লিখকৰ আগত প্ৰকাশ কৰিছিল। কাহিনীটো এনেকুৱা—

"সেই নিশা ঘৰটোত মই অকলশৰীয়া। ৰান্ধনি লৰাটো ছুটী লৈ ঘৰলৈ গৈছিল। অকলশৰীয়া কাৰণে ৰাতিৰ সাজ আহাৰ সোনকালে

থাই মই শুই পৰিলোঁ। কিন্তু শুবলৈ চেষ্টা কৰিলেও বহু ৰাতিলৈকে মোৰ টোপনি অহা নাছিল। তাতে নিশাটো আছিল অতিপাত গৰম। অকল-শৰীয়া কাৰণেই হ'বলা নানা খেলি-মেলি চিন্তা-ভাবনাই মনত লুকাভাকু খেলি আছিল। এনেতে মোৰ মনত প্ৰবল উৎকণ্ঠাৰ ভাব এটা জাগি উঠিল। মই অনুভৱ কৰিলোঁ যে কিবা এটা আহি সন্তৰ্পণে কোঠাটোত প্ৰৱেশ কৰিছেহি। চোৰ অহা বুলি ভাবি মই সতৰ্ক হৈ বিচনাত পৰি ৰ'লোঁ। পিছমুহূৰ্ত্তেতে মই অনুভৱ কৰিলোঁ যে ক'লা নোমাল হাত এখনে আঁঠুৰাৰ তলেৰে মোৰ বাহু এটাত খামোচ মাৰি ধৰিছেহি। ভয় খাই কোন বুলি মই চিঞৰ মাৰি বিচনাত ৰখা টৰ্চটো জ্বলাই দিলোঁ। লগে লগে সেই নোমাল ক'লা হাতখন অদৃশ্য হৈ গ'ল। ইয়াৰ পিছত মই বিচনাৰপৰা উঠি গৈ গোটেই কোঠাটো ভালদৰে পৰীক্ষা কৰিলোঁ; কিন্তু কাকো দেখা নাপালোঁ। দুৱাৰ-খিৰিকীবিলাকো ভিতৰৰপৰা বন্ধ কৰি ৰখা অৱস্থাতে পোৱা গ'ল। ভয়ত সেই নিশা মোৰ টোপনি নাহিল।"

লিখকৰ বিশ্বাস যে সেইটো কোনো অতিপ্ৰাকৃতিক ঘটনা নাছিল। চিল্‌মিলীয়া টোপনিত দেখা ভীতিপ্ৰদ স্বপ্নহে আছিল। নিশাৰ নিস্তব্ধ পৰিৱেশ আৰু জনপ্ৰাণীশূন্য ঘৰে তেওঁৰ সমষ্টিগত অৱচেতন মনৰ গৰ্ভত লুকাই থকা আদিম মানস প্ৰতিৰূপক জীৱন্ত কৰি তুলিছিল। সৰু কালত বুঢ়ী আইতাহঁতে ল'ৰা-ছোৱালীক ভয় লগা সাধু কৈ টোপনি আনিবলৈ চেষ্টা কৰাৰ কথা বহুতেই মনত পেলাব পাৰিব। এই কাহিনীবিলাক শিশুৰ নিৰ্জ্জান মনত সুপ্ত হৈ থাকে আৰু পিছৰ জীৱনত অনুকূল পৰিস্থিতি আহি পৰিলেই সিহঁতে জীৱন্ত হৈ স্বপ্নৰূপে সন্ত্ৰাসৰ সৃষ্টি কৰে। ওপৰৰ নোমাল হাতখনৰ কাহিনীত ভদ্ৰলোকজনে সন্ত্ৰাসৰ মাত্ৰা কমাবৰ উদ্দেশ্যে অশৰীৰীৰ আৱিৰ্ভাৱৰ সম্ভাৱনাক স্বীকৃতি নিদি তাতোকৈ কম ভয়াৱহ চোৰৰ কল্পনাক নিজৰ মনত গঢ়ি তুলিছিল। কিন্তু সফল হ'ব নোৱাৰিলে।

কিন্তু উপস্থিতিবোধ সংক্ৰান্ত প্ৰতিটো ঘটনাকে আদিম সংস্কাৰৰ আকস্মিক জাগৰণ বুলি ডাঠি ক'ব নোৱাৰি। আমেৰিকাৰ হাৰ্ভাৰ্ড

বিশ্ববিদ্যালয়ৰ প্ৰখ্যাত মনোবিজ্ঞানী ডাঃ উইলিয়াম্ জেম্‌চে বৰ্ণনা কৰা তলত দিয়া কাহিনী দুটা তাৰে দৃষ্টান্ত।*

"মোৰ প্ৰথমটো অভিজ্ঞতা অৰ্জ্জন কৰিছিলোঁ ১৮৮৪ চনৰ চেপ্টেম্বৰ মাহৰ নিশা এটাত। মহাবিদ্যালয় ভৱনৰ গাতে লাগি থকা মোৰ কোঠালিটোৰ ভিতৰত সেই নিশা মই অকলে বিচনাত পৰি আছিলোঁ। চাৰিওফালে নিস্তব্ধ। কিছুপৰ তেনেদৰে পৰি থাকি অতিবাহিত কৰাৰ পাছত মই অকস্মাতে অনুভৱ কৰিলোঁ যে মোৰ বাহু এটাত যেন কোনোবাই খামোচ মাৰি ধৰিছে। মুহূৰ্ত্তৰ পাছতে হাতখন মোৰ বাহুৰপৰা একুৱাই নিয়া যেন গম পালোঁ। ঘটনাটো কি একো বুজিব নোৱাৰি মই শোৱা পাটীৰপৰা উঠি গৈ গোটেইটো ঘৰ সেই অনুপ্ৰৱেশকাৰীক বিচাৰি চলাথ কৰিলোঁ। কিন্তু কাকো ক'তো দেখা নাপালোঁ। ঘটনাটো মনৰ ভ্ৰান্তি বুলি ধৰি লৈ মই ঘূৰি আহি পুনৰ শুই পৰিলোঁ। সৌভাগ্যবশতঃ সেই নিশা আৰু নতুন উপদ্ৰৱ নঘটিল।"

"কিন্তু উপস্থিতিবোধ সংক্ৰান্ত ওপৰোক্ত ঘটনাটোৰ বিষয়ে পাছ নিশাহে মই স্পষ্টভাৱে উপলব্ধি কৰিব পাৰিলোঁ। খাই-বৈ উঠি নিশা বিচনাত পৰাৰ পাছত জ্বলি থকা মমডাল ফু মাৰি নুমুৱাই দি মই আগৰ নিশাৰ ঘটনাটোৰ বিষয়ে চিন্তা কৰি আছিলোঁ। এনেদৰে কিছু সময় অতিবাহিত কৰাৰ পাছত মোৰ সমগ্ৰ সত্ত্বা যেন অকস্মাতে জাগ্ৰত হৈ পৰিল। মই অতি স্পষ্টভাৱে অনুভৱ কৰিলোঁ যে কিবা এটা যেন অতি সন্তৰ্পণে মোৰ কোঠাৰ ভিতৰলৈ সোমাই আহিছে আৰু একেবাৰে মোৰ বিচনাৰ কাষত থিয় দিছেহি। মই আগনিশাৰ দৰেই সতৰ্ক হৈ আলেখ-লেখ চাই ৰ'লোঁ।"

"কিন্তু সেই অশৰীৰী সত্তাটো এক মিনিট কি দুই মিনিটমানহে মোৰ বিচনাৰ কাষত থিয় দি আছিল। মই তাক চিনিব নোৱাৰিলেও ঘৃণামিশ্ৰিত ঘোৰ আতঙ্কৰ ভাব এটাই মোক যেন অভিভূত কৰি পেলাইছিল। তদুপৰি সেই সময়খিনিত মই মোৰ বুকুৰ ভিতৰত চোকা অস্ত্ৰৰ আঘাতৰ দৰে এটা তীব্ৰ যন্ত্ৰণা অনুভৱ কৰিবলৈ ধৰিছিলোঁ, যিহক যন্ত্ৰণা নুবুলি তীব্ৰ ঘৃণাভাব বুলিলেহে বেছি শুৱায়। যি হওক সেই নিশা কোঠাটোৰ ভিতৰত সেই

* **Reality of the Unseen —by *Dr. William James.***

অশৰীৰীৰ উপস্থিতি তেজ-মঙহৰ মানুহৰ উপস্থিতিতকৈয়ো অধিক বাস্তৱ যেন অনুভূত হৈ পৰিছিল। সি কোঠাটোৰ ভিতৰলৈ সোমাই অহাৰ বিষয়ে মই যেনেকৈ সম্পূৰ্ণ সচেতন হৈ পৰিছিলোঁ, সি কোঠাটোৰপৰা ওলাই যোৱাৰ বিষয়েও মই ঠিক তেনেদৰেই সচেতন হৈ আছিলোঁ। সি ওলাই যোৱাৰ লগে লগে মোৰ মনৰপৰা আতঙ্কৰ ভাবো আঁতৰি গ'ল।"

"কিন্তু আচৰিত কথা যে তৃতীয় নিশাও সেই অশৰীৰীৰ পুনৰ আৱিৰ্ভাৱ ঘটিল। সেই নিশা মই বিচনাত শুই পৰি পিছদিনা আন এঠাইত দিবলগীয়া বক্তৃতা এটাৰ কথাবিলাক মনতে পাগুলি আছিলোঁ। এনে সময়তে মই স্পষ্টভাৱে অনুভৱ কৰিলোঁ যে আগৰ দুনিশা অহা সেই 'বস্তুটো' আকৌ আহি কোঠাত প্ৰৱেশ কৰিছেহি। এইবাৰ মোৰ ভয় লাগিলেও আগৰ দুবাৰৰ দৰে মই ঘোৰ আতঙ্কিত হৈ পৰা নাছিলোঁ; বৰং মনেৰেই তাক আক্ৰমণ কৰিবলৈ মই নিজকে প্ৰস্তুত কৰি তুলিছিলোঁ। সি যদি অপায়-অমঙ্গলসূচক, তেনেহ'লে সি তৎক্ষণাৎ আঁতৰি যাওক। যদি সেয়ে নহয়, তেতিয়াহ'লে সি নিজ পৰিচয় দিয়ক। যদি নিজ পৰিচয় দিব নোখোজে, তেনেহ'লে এই মুহূৰ্ত্ততে সি কক্ষ ত্যাগ কৰক। সি যদি স্বেচ্ছাই আঁতৰি নাযায়, তেতিয়াহ'লে আঁতৰি যাবলৈ মই তাক বাধ্য কৰাম। পিছে আগৰ দুনিশাৰ দৰে সেই নিশাও সেই 'বস্তুটো' নিজে নিজে আঁতৰি গ'ল।"

"ইয়াৰ পাছতো আৰু দুনিশা মোৰ কোঠাৰ ভিতৰত সেই অশৰীৰীৰ আৱিৰ্ভাৱ ঘটিছিল আৰু প্ৰতিবাৰেই ঘৃণা আৰু আতঙ্কত মই বিহ্বল হৈ পৰিছিলোঁ।"

ডাঃ জেম্‌চে কয় যে অশৰীৰীক চকুৰে দেখা নগ'লেও অশৰীৰীৰ উপস্থিতি অনুভৱ কৰাৰ ক্ষমতা এটা সকলো মানুহৰে থাকে। কিন্তু এই ক্ষমতাটো মানুহৰ বহিৰিন্দ্ৰিয়ৰ ওপৰত নিৰ্ভৰশীল নহয়।

ডাঃ জেম্‌চে উল্লেখ কৰা আন এটা ঘটনা আৰু বেছি আশ্চৰ্য্যজনক। আমেৰিকাৰ আত্মিক গৱেষণা সংস্থাই (American Society for Psychical Research) প্ৰকাশ কৰা আলোচনী এখনৰপৰা এই কাহিনীটো ডাঃ জেম্‌চে উদ্ধৃত কৰিছে। কাহিনীটো এনেকুৱা—"কুৰি

মিনিটমান সময় মই কিতাপ এখন পঢ়াত ব্যস্ত আছিলোঁ। সেই সময়খিনিত আনকি মোৰ পৰিচিত বন্ধু-বান্ধৱৰ কথাও মোৰ মনলৈ অহা নাছিল। মোৰ মন আছিল শান্ত আৰু নিৰুদ্বেগ। এনেতে কোনো আগজাননী নোপোৱা সত্ত্বেও মোৰ সমগ্ৰ সত্তা অকস্মাতে জাগ্ৰত হৈ পৰিল। মই অনুভৱ কৰিলোঁ যে কোনোবা এজন কোঠাটোৰ ভিতৰলৈ সোমাই আহি মই বহি থকা চকীখনৰ পিছফালে থিয় হৈছেহি। পঢ়ি থকা কিতাপখন জপাই থৈ মই ঘটনাটোৰ প্ৰতি মনোযোগী হৈ পৰিলোঁ। মই যদিও কিছু উত্তেজিত হৈ পৰিছিলোঁ, তথাপি নিজৰ শৰীৰ আৰু মনৰ ওপৰত মই কৰ্তৃত্ব হেৰুৱাই পেলোৱা নাছিলোঁ। মোৰ তিমান ভয়ো লগা নাছিল।

মই পূৰ্ব্বৰ দৰে সমুখৰ জুইকুৰালৈ একেৰাহে চাই বহি থকা অৱস্থাতে মোৰ মনত এনে এটা ভাব খেলি গ'ল যে সেই উপস্থিত ব্যক্তিজন মোৰ বন্ধু শ্ৰী……হে। মই বহি থকা হেলনীয়া চকীখনে তেওঁক আঁৰ কৰি ৰাখিছে। গাটো অলপো লৰচৰ নকৰাকৈ চকু দুটা যথাসম্ভৱ ঘূৰাই লৈ মই চকীখনৰ পিছফাললৈ চাই পঠিয়াওঁতে বন্ধুজনে সচৰাচৰ পিন্ধি ফুৰা ধোঁৱা বৰণীয়া ট্ৰাউজাৰৰ তলৰ অংশটোত মোৰ চকু পৰিল। কিন্তু ট্ৰাউজাৰৰ সেই অংশটো স্বচ্ছ পদাৰ্থৰ দ্বাৰা নিৰ্ম্মিত যেন ধাৰণা হ'ল।"*

এয়া জীৱন্ত মানুহে নিজৰ চকুৰে দেখা ঘটনা। বন্ধুজনো তেতিয়া জীৱিত আছিল। গতিকে এই ঘটনাৰ ক্ষেত্ৰত ভূত-প্ৰেতৰ প্ৰশ্ন উঠিব নোৱাৰে। বৰং এই ঘটনাটো আগতে কৈ অহা জাহাজৰ কেবিনত ঘটা ঘটনাৰ সমগোত্ৰীয়, অৰ্থাৎ টেলিপেথীপ্ৰসূত অমূল প্ৰত্যক্ষ বুলিহে ধাৰণা হয়। পাৰ্থক্য মাথোন ইমানেই যে জাহাজৰ কেবিনত ঘটা ঘটনাত টেলিপেথীয়ে স্বপ্নৰূপে আত্মপ্ৰকাশ কৰিছিল আৰু বৰ্ত্তমানৰ ঘটনাত টেলিপেথীয়ে অমূল প্ৰত্যক্ষৰ ৰূপ গ্ৰহণ কৰিছে। এই প্ৰসঙ্গতে ডাঃ জেম্‌চে জন্মান্ধ লোক এজনৰ আশ্চৰ্য্যজনক অভিজ্ঞতা এটাৰ কথাও উল্লেখ কৰিছে। জন্মান্ধ লোকে পোহৰ কাক বোলে সেইটো কল্পনা কৰিব নোৱাৰে। মানুহে চকুৰেনো কেনেকৈ দেখে, তাকো অনুমান কৰিব নোৱাৰে। অথচ জন্মান্ধ লোকজনে মাজে মাজে দেখা পাইছিল যে ধোঁৱা বৰণীয়া চুট্ পিন্ধা পকা

* ওপৰৰ তিনিটা কাহিনীৰ ক্ষেত্ৰত ডাঃ জেম্‌চৰ ৰচনাৰ ভাবানুবাদহে দিয়া হৈছে।

ডঢ়ীয়া মানুহ এটাই নিজৰ শৰীৰটো যথাসম্ভৱ চেপি-কুঁচি দুৱাৰৰ তলৰ ফাঁকেদি কোঠাৰ ভিতৰলৈ সোমাই আহিছিল আৰু তাৰ পাছত কোঠাটোৰ সোঁ মাজেৰে খোজকাঢ়ি কোঠাৰ সিটো মূৰত পাতি ৰখা চোফা এখনৰ ফালে আগবাঢ়ি গৈছিল !

ডাঃ জেম্‌চে ভাবে যে জন্মান্ধ লোকজনৰ এই আশ্চৰ্য্যজনক অভিজ্ঞতা তেওঁ মানুহৰ চেহেৰাৰ বিষয়ে নিজৰ মনত পোষণ কৰা ধাৰণাৰ চাক্ষুষ ৰূপায়ণ মাথোন।

উপস্থিতিবোধ আৰু অমূল প্ৰত্যক্ষ যে একেজাতীয় মানসিক ঘটনা নহয়, সেই কথা ওপৰত উল্লেখ কৰা কাহিনী কেইটাৰপৰাই ভালদৰে বুজিব পাৰি। পৰীক্ষামূলক মনস্তত্ত্বই দেখুৱাইছে যে মানুহক সম্মোহিত কৰি অভিভাৱন প্ৰক্ৰিয়াৰ দ্বাৰা মানুহৰ মনত বিবিধ অমূল প্ৰত্যক্ষৰ সৃষ্টি কৰিব পাৰি। অৱশ্যে আৰু একশ্ৰেণীৰ অমূল প্ৰত্যক্ষ আছে, যাক ইংৰাজীত 'Veridical hallucination' বুলি কোৱা হয়। এইবিধ অমূল প্ৰত্যক্ষ জীৱনত এবাৰহে সম্ভৱ হয় আৰু সি নিজৰ বা পৰিয়ালৰ কোনো লোকৰ ভয়াৱহ দুৰ্ঘটনা বা আকস্মিক মৃত্যুৰ দৰে ঘটনাৰ লগত হুবহু মিলি যোৱা দেখা যায়। এইবিধ অমূল প্ৰত্যক্ষৰ সৃষ্টি কেনেকৈ হ'বলৈ পায়, সেই বিষয়ে মনোবিজ্ঞানীসকলে আজিও সুনিশ্চিতভাৱে জানিব পৰা নাই।

মনোবিজ্ঞানীসকলৰ 'Sensory Deprivation' বিষয়ক পৰীক্ষা-নিৰীক্ষাই আকৌ এবাৰ প্ৰমাণ কৰিলে যে মানুহৰ চেতনা আৰু অৱচেতনাৰ মাজত তথা 'Psychical Ego' আৰু 'Psychical Non-Ego'-ৰ মাজত কোনো দুৰ্লঙ্ঘ্য ব্যৱধান নাথাকে। লগতে ইয়াকো দেখুৱালে যে আমাৰ যুক্তিনিষ্ঠ সচেতন মনৰ আদৰ্শ, সভ্যতা আৰু ধৰ্ম্মবোধ এইবিলাক আমাৰ সমষ্টিগত মনৰ ওপৰত একোটা ক্ষীণ প্ৰলেপ মাথোন।

মৃত্যুৰ পাছত কি ?

(ক)

"We divide the totality of existence into life and death. Life is the known and death the unknown. Life and death are clearly only two aspects of the same event. Once we stop considering life and death as separate, all conflict ceases".

—*J. Krishnamurti.*

আমেৰিকাত বেদান্ত দৰ্শনৰ প্ৰচাৰ কাৰ্য্য চলাই থাকোঁতে কোনোবা এজনে স্বামী অভেদানন্দক প্ৰশ্ন কৰিছিল—"স্বামীজী, কওকচোন মৃত্যুৰ পৰত আত্মাৰ কি অৱস্থা হয় ?"

স্বামীজীয়ে ক'লে—"মৃত্যুৰ ঠিক আগে আগে আত্মাই শৰীৰটোৰপৰা সকলোখিনি শক্তি আকৰ্ষণ কৰি লৈ নিজত কেন্দ্ৰীভূত কৰি তোলে। সুমাই অহা চাকিৰ পোহৰৰ দৰে তেতিয়া ইন্দ্ৰিয়বিলাকৰ শক্তি ক্ৰমে ক্ষীণৰপৰা ক্ষীণতৰ হৈ আহে ; কিন্তু মনৰ শক্তি উত্তৰোত্তৰ বৃদ্ধি পাবলৈ ধৰে। মৃত্যুৰ পূৰ্ব্বক্ষণত আত্মাই গভীৰ টোপনিত থকাৰ দৰে অচেতন অৱস্থাত বাস কৰে আৰু তেনে অচেতন অৱস্থাতে সূক্ষ্ম শৰীৰৰ দ্বাৰা আবৃত হৈ মানুহৰ আত্মাই নশ্বৰ শৰীৰ পৰিত্যাগ কৰে।"

স্বামীজীয়ে আকৌ কৈছিল—"সূক্ষ্ম শৰীৰটো আত্মা নহয়। সি আত্মাৰ আৱৰণ বা অৱলম্বন মাথোন। সূক্ষ্ম শৰীৰৰ কেন্দ্ৰবিন্দুটোহে আত্মা।"

প্ৰেতবিজ্ঞানীসকলে কয় যে সূক্ষ্ম শৰীৰটোৱে পাতল কুঁৱলী বা কুণ্ডলীকৃত বাষ্পৰ আকাৰ ধাৰণ কৰি লাহে লাহে তেজ-মঙহৰ স্থূল শৰীৰটোৰপৰা বাহিৰ ওলাবলৈ ধৰে। নিউইয়ৰ্ক চহৰৰ প্ৰখ্যাত দিব্যদৃষ্টিসম্পন্না মিডিয়াম এলিন গেৰেটে বোলে বহুবাৰ এনে ঘটনা প্ৰত্যক্ষ কৰিছে।

মৃত্যুৰ পৰত মানুহৰ শৰীৰৰপৰা বাহিৰ হোৱা কুঁৱলীৰ দৰে এই পাতল পদাৰ্থবিধ কি সেই বিষয়ে বিজ্ঞানীসকল আজিও সুনিশ্চিত হ'ব পৰা নাই। এক সংখ্যক পৰামনোবিজ্ঞানীয়ে ইয়াক তীব্ৰ তড়িৎ প্ৰৱাহযুক্ত অতি সূক্ষ্ম জড়পৰমাণু (Ion) বুলি ভাবে, যিহক আজিৰ যুগৰ পদাৰ্থতত্ত্ববিদ্‌সকলে প্লাজ্‌মা (Plasma) বুলি অভিহিত কৰে। সদ্য মৃত মানুহৰ শৰীৰৰপৰা যে কিছুপৰৰ কাৰণে তড়িৎক্ষৰণ ঘটি থাকে, সেই কথা ছোভিয়েট্ বিজ্ঞানী চাৰ্গিয়েভে স্বনিৰ্ম্মিত তড়িৎ পৰিমাপক যন্ত্ৰ চাৰ্গিয়েভ্‌ ডিটেক্টৰৰ সহায়ত ধৰা পেলাবলৈ সক্ষম হৈছে।

ভাৰতৰ হিন্দু শাস্ত্ৰকাৰসকলে সূক্ষ্ম শৰীৰটো জড়পৰমাণুৰ দ্বাৰা নিৰ্ম্মিত হোৱা বুলি নাভাবে। তেওঁলোকৰ ধাৰণা মতে সূক্ষ্ম শৰীৰ হৈছে পঞ্চ প্ৰাণ, দশেন্দ্ৰিয়, মন আৰু বুদ্ধিৰ সমষ্টি। আকৌ বেদান্ত শাস্ত্ৰত এই সূক্ষ্ম শৰীৰকে লিঙ্গ শৰীৰ বুলি অভিহিত কৰা হৈছে।[২৯] হিন্দু দাৰ্শনিকৰ মতবাদৰ অনুসৰণ কৰি আজিৰ যুগৰ দুই-এক পৰামনোবিজ্ঞানীয়েও কয় যে যিহক বিদেহী আত্মা বুলি ভবা হয়, সি আচলতে এমুঠি ভাসমান স্মৃতিৰ (floating memory) বাহিৰে আন একো নহয়। অৱশ্যে সেই স্মৃতি কেৱল পাৰ্থিৱ জীৱনৰ স্মৃতিয়ে নহয়। যি হেতুকে মৃত্যুৰ পৰত চেতন মন আৰু অৱচেতন মন একাকাৰ হৈ পৰে, সেই হেতুকে পৰলোকগত আত্মাত জন্ম-জন্মান্তৰৰ স্মৃতি সংৰক্ষিত হৈ থাকে। সেই স্মৃতিবিলাকক ধাৰণ কৰিবৰ কাৰণে কিবা এটা আধাৰ বা অৱলম্বনৰ আৱশ্যক হৈ পৰে কাৰণেই সূক্ষ্ম শৰীৰটো নিৰ্ম্মিত হৈ পৰে। কিন্তু শৰীৰ বুলি কোৱা হ'লেও সূক্ষ্ম শৰীৰৰ নিৰ্দ্দিষ্ট আকৃতি নাথাকে। অথচ বিদেহী আত্মাই বোলে অনুভৱ কৰে যে তাৰ হাত-ভৰি, চকু-মুখ সকলো আছে। পাৰ্থিৱ দেহৰ স্মৃতিয়েই যে এই ধাৰণাৰ

(২৯) The sukshma Sarir is just what we call our sensory Equipment consisting of mind, Buddhi, the ten organs of sensation and action and the five pranas. Just as a picture cannot exist without a base or canvas, or a shadow without a substance on which to fall, so the 'Limga Sarir' being mere subtle energy in the form of thought cannot manifest itself without a Sukshma Sarir which it creates.

Theory of Rebirth—*by Radhanath Phookan.*

উৎস তাত সন্দেহ নাই। আমি স্বপ্নত দেখা নিজৰ শৰীৰটোতো সকলো অঙ্গ-প্ৰত্যঙ্গ থকা বুলিয়ে অনুভৱ নকৰোঁ জানো? পৰলোকতত্ত্ববিদ্‌সকলে কয় যে পৰলোকত বিদেহী আত্মাই একেটা সূক্ষ্মদেহ ধাৰণ কৰি চিৰকাল বাস নকৰে। আধ্যাত্মিক বিকাশৰ পথেৰে আগবাঢ়ি যোৱাৰ লগে লগে সি সূক্ষ্মতৰ শৰীৰ লাভ কৰে। প্ৰেতাত্মাৰ দ্বাৰা পৰিত্যক্ত বায়বীয় শৰীৰটো কিছুদিন শূন্যত ভাহি ফুৰে। স্বামী অভেদানন্দই কয় যে প্ৰেতাহ্বান চক্ৰত প্ৰেতাত্মাৰ বাহক বা মিডিয়ামৰ আত্মিক শক্তিয়ে (Psychic energy) সেই পৰিত্যক্ত শৱটোক সাম্প্ৰতিকভাৱে সঞ্জীৱিত কৰি তুলিলে সি ছায়ামূৰ্ত্তিৰূপে প্ৰেতাহ্বান চক্ৰত উপস্থিত থকাসকলৰ দৃষ্টিগোচৰ হৈ পৰে।[৩০] কোনো কোনো ক্ষেত্ৰত মানুহে অকস্মাতে ভূত দেখাৰ কাৰণ সম্ভৱতঃ সেয়ে।

কিন্তু প্ৰেতলোক ক'ত? পৃথিৱীৰপৰা কিমান দূৰত? স্বামী অভেদানন্দই কয় যে প্ৰেতলোক কোনো ভৌগোলিক সীমাবিশিষ্ট মাটিৰ দেশ হ'ব নোৱাৰে। কাৰণ মহাশূন্যত ইহলোক-পৰলোকৰ মাজত সীমা নিৰ্দ্ধাৰণ কৰিব নোৱাৰি। প্ৰেতলোকৰ দীঘ-পুতল বা ঘনত্ব নাথাকে, অথচ সি পদাৰ্থ জগতৰ সমান স্থান অধিকাৰ কৰি থাকে। অন্যান্য প্ৰেতবিজ্ঞানীৰ মতে প্ৰেতলোক মহাকাশৰ নিম্নাংশৰপৰা পৃথিৱীৰ গৰ্ভলৈকে বিস্তৃত হৈ থাকে। স্বামীজীৰ মতে পৰলোক আৰু নৈৰ্ব্যক্তিক অচেতন মনোলোক অভিন্ন। বিদেহী আত্মা স্মৃতিৰূপে অচেতন মনোলোকৰ অধিবাসী। সিহঁতে সচেতন মানসস্তৰত বাস কৰা হ'লে সিহঁত আমাৰ প্ৰত্যক্ষ জ্ঞানৰ বিষয় হৈ পৰিলহেঁতেন। আনহাতে প্ৰেতাত্মাই আমি মনেৰে

(৩০) Astral shells or astral corpses of departed spirits may be materialised temporarily by means of the vitality of the mediums in their unconscious state. They appear in Shadowy forms, move and even speak sometimes. Experiments have been made by the spiritualists many a time proving that the psychical corpses can be aroused into apparent life by a strong mediumistic current.

—*Swami Abhedananda*.

কল্পনা কৰিব নোৱাৰা কোনো ৰাজ্যত বাস কৰা হ'লে প্ৰেতাহ্বান চক্ৰলৈ সিহঁতক আহ্বান কৰি অনা কেতিয়াও সম্ভৱ নহ'লহেঁতেন।

আমেৰিকাত বেদান্ত দৰ্শনৰ প্ৰচাৰ কাৰ্য্য চলাই থাকোঁতে স্বামী অভেদানন্দই সেই দেশৰ নানা প্ৰেতাহ্বান চক্ৰত যোগদান কৰি তেওঁ নিজৰ অভিজ্ঞতাৰ কথা লিপিবদ্ধ কৰি গৈছে। এবাৰ এটা প্ৰেতাহ্বান চক্ৰত বহি থাকোঁতে স্বামীজীয়ে নিজৰ কান্ধত কেবাখনো হাতৰ স্পৰ্শ অনুভৱ কৰিছিল। কোনে তেখেতক স্পৰ্শ কৰিছে তাক জানিবৰ কাৰণে তেওঁ চাৰিওফালে চাই কাকো দেখা নাপালে। আকৌ আন এটা প্ৰেতাহ্বান চক্ৰত স্বামীজীয়ে দেখা পালে যে খন্তেক পৰৰ কাৰণে তেওঁ নিজৰ আসন এৰি যোৱাৰ ছেগতে এগৰাকী অপৰিচিতা মহিলাই সেই আসনখন অধিকাৰ কৰি বহিছেহি! স্বামীজী নিজৰ আসনৰ কাষ চাপি আহিলত মহিলা-গৰাকী আসন এৰি থিয় হ'ল আৰু স্বামীজীৰ কৰমৰ্দ্দন কৰি আন্তৰিকভাৱে তেওঁক সম্বৰ্দ্ধনা জনালে। স্বামীজীয়ে অনুভৱ কৰিলে যে মহিলা-গৰাকীৰ হাতখন জীয়া মানুহৰ হাতৰ দৰেই কোমল আৰু তপত। খন্তেকৰ ভিতৰতে মহিলাগৰাকীৰ হাতখন স্বামীজীৰ হাতৰ মুঠিৰ ভিতৰতে পমি নাইকিয়া হৈ পৰিল।

স্বামী অভেদানন্দ মহাৰাজ যোগসিদ্ধ পুৰুষ আছিল কাৰণে মিডিয়ামৰ সহায় নোলোৱাকৈয়ে তেওঁ বিদেহী আত্মাৰ লগত সংযোগ স্থাপন কৰিব পাৰিছিল। এদিন ঘৰৰ বাৰাণ্ডাত স্বামীজীয়ে অকলে বহি থকা অৱস্থাত যন্ত্ৰণা কাতৰ মুখ এখন ছায়াৰ দৰে শূন্যত ভাহি ফুৰা দেখিলে। স্বামীজীয়ে বিদেহী আত্মাক প্ৰশ্ন কৰিলে—"তোমাৰ কি হৈছে?" বিদেহী আত্মাৰ ছায়ামূৰ্ত্তিয়ে উত্তৰ দিলে—"মই শাস্তি ভোগ কৰিছোঁ। পৃথিৱীত থাকোঁতে মই আত্মহত্যা কৰিছিলোঁ।" স্বামীজীয়ে তেতিয়া সেই বিদেহী আত্মাৰ শান্তিৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনালে। লগে লগে শূন্যত ভাহি থকা মুখখন আনন্দত উজ্জ্বল হৈ উঠিল আৰু ধীৰে ধীৰে শূন্যত মিলি গ'ল।

প্ৰেতবিজ্ঞানীসকলে কয় যে বহুতো বিদেহী আত্মাই নিজৰ পাৰ্থিৱ অস্তিত্ব লোপ পোৱাৰ কথা উপলব্ধি কৰিব নোৱাৰে। স্বামী অভেদানন্দয়ো এনে এক বিদেহী আত্মাৰ সাক্ষাৎ পাইছিল, যি কণা মানুহে আন্ধাৰত

খেপিয়াই ফুৰাৰ দৰে শূন্যতে খেপিয়াই ফুৰিছিল। তাৰ কি হৈছে বুলি স্বামীজীয়ে প্ৰশ্ন কৰিলত বিদেহী আত্মাই উত্তৰ দিলে—"মই একো নাজানো। মই পানীত ডুব গৈছোঁ। মোক উদ্ধাৰ কৰক।" তেতিয়া স্বামীজীয়ে সেই বিদেহী আত্মাৰ সদ্গতিৰ অৰ্থে ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনালে। লগে লগে সেই বিদেহী আত্মাৰ মুখমণ্ডলত প্ৰশান্তি আৰু আনন্দৰ চিন ফুটি উঠিল আৰু ধীৰে ধীৰে সেই ছায়ামূৰ্ত্তি শূন্যত বিলীন হৈ গ'ল।

ঘৰুৱা প্ৰেতাহ্বান চক্ৰত সচৰাচৰ প্লেনচেট্ (planchette) স্বতঃলিখন (automatic writing) আদি কৌশল অৱলম্বন কৰি বিদেহী আত্মাৰ লগত সংযোগ স্থাপন কৰিবলৈ চেষ্টা কৰা হয়। আত্মিক গৱেষণা চক্ৰৰ বৈঠকবিলাকত মিডিয়ামৰ সহায়ত সেই কাম কৰা হয়। অচেতন হৈ হেলনীয়া চকীত পৰি থকা মিডিয়ামৰ শৰীৰৰপৰা এক্টোপ্লাজ্‌ম্ (Ectoplasm) নামৰ যি এবিধ অতি সূক্ষ্ম আৰু স্বচ্ছ পদাৰ্থ বাহিৰ হ'বলৈ ধৰে, তাৰ সহায়তে বোলে বিদেহী আত্মাই চাক্ষুষ ৰূপ ধাৰণ কৰি চক্ৰত উপস্থিত হৈ পৰে। আমেৰিকাত এনেকুৱা এটা প্ৰেতাহ্বান চক্ৰতে স্বামী অভেদানন্দজীয়ে কলিকতা নিবাসী স্বৰ্গীয় বলোৰাম বসুৰ বিদেহী আত্মাই চাক্ষুষ ৰূপ ধাৰণ কৰা দেখা পাই আশ্চৰ্য্যান্বিত হৈ পৰিছিল। সেই বিদেহী আত্মাই বসু ডাঙৰীয়া পৃথিৱীত থাকোঁতে সদায় পৰিধান কৰাৰ দৰে মূৰত বগা পাগুৰী পৰিধান কৰা দেখা গৈছিল। কিন্তু সেই পাগুৰী আছিল ক্ষুদ্ৰ ক্ষুদ্ৰ আলোক বিন্দুৰে জ্যোতিস্মান। বসু ডাঙৰীয়াৰ বিদেহী আত্মাই স্বামীজীৰ মূৰত হাত থৈ তেওঁক নিঃশব্দে আশীৰ্ব্বাদ কৰিলে আৰু তাৰ পাছত সেই ছায়ামূৰ্ত্তি ধীৰে ধীৰে শূন্যত বিলীন হৈ গ'ল। সেই সময়খিনিত মিচেচ্ মচ্ নামৰ শকত-আৱত মহিলা মিডিয়ামগৰাকী সংজ্ঞাহীন অৱস্থাত হেলনীয়া চকী এখনত পৰি আছিল।

প্লেনচেট্ বা স্বতঃলিখন কৌশল অৱলম্বন কৰি বিদেহী আত্মাৰ লগত সংযোগ স্থাপন কৰিবৰ বেলিকা সেই কাৰ্য্যত জীৱন্ত মানুহে অংশ গ্ৰহণ কৰিবলগীয়া হয়। গতিকে বিদেহী আত্মাৰপৰা পোৱা বুলি ভাবি লোৱা প্ৰশ্নোত্তৰবিলাকৰ ভিতৰত কিমানটা উত্তৰ বিদেহী আত্মাৰপৰা আহে আৰু

কিমানটা উত্তৰ চক্ৰত অংশগ্ৰহণকাৰীসকলৰ অৱচেতন মনৰপৰা আহে, সেইটো নিশ্চয়কৈ কোৱা টান। কাৰণ এনেকুৱা ক্ষেত্ৰত চক্ৰত অংশগ্ৰহণ-কাৰীসকলৰ এজনৰ মনৰ চিন্তা টেলিপেথী স্বৰূপে আন এজনৰ মনলৈ সংক্ৰমিত হৈ পৰাৰ সম্ভাৱনাক আমি নুই কৰিব নোৱাৰোঁ। স্বামী অভেদানন্দয়ো এই কথা মুক্তকণ্ঠে স্বীকাৰ কৰি গৈছে যে বহু ক্ষেত্ৰত প্ৰেতাহ্বান চক্ৰত বিদেহী আত্মাৰপৰা পোৱা বুলি ভবা উত্তৰবিলাকত তেওঁ নিজ চিন্তাৰ প্ৰতিফলন ঘটা দেখা পাইছিল। প্ৰেতবিজ্ঞানীসকলে কয় যে বিদেহী আত্মাই টেলিপেথী যোগে প্ৰেতাহ্বান চক্ৰত অংশগ্ৰহণকাৰী-সকলৰ সচেতন আৰু অৱচেতন মনোভাৱৰ বিষয়ে সহজেই অৱগত হৈ পৰিব পাৰে। সেয়েহে তেওঁলোকে ভাবে যে সৰহভাগ ক্ষেত্ৰতে প্ৰেতাহ্বান চক্ৰত বিদেহী আত্মাৰ উপস্থিতি সন্দেহজনক। যিহক বিদেহী আত্মা বুলি বিশ্বাস কৰি লোৱা হয়, সি আচলতে 'Thought form' বা নিৰ্জ্ঞান চিন্তাৰ ভৌতিক ৰূপায়ণ মাথোন। স্বপ্নত আমাৰ চিন্তাবিলাকে চাক্ষুষৰূপ গ্ৰহণ কৰাৰ নিচিনাকৈ এই ক্ষেত্ৰত প্ৰেতাহ্বান চক্ৰত অংশগ্ৰহণকাৰীসকলৰ অৱচেতন মনৰ চিন্তাই তেওঁলোকে আশা কৰা মতে প্ৰেতাত্মাৰ ৰূপ গ্ৰহণ কৰে।

কিন্তু প্ৰেতাহ্বান চক্ৰত মানুহে হাতেৰে পেন্সিল স্পৰ্শ নকৰা সত্ত্বেও পেন্সিলে যেতিয়া নিজে নিজেই লিখিবলৈ আৰম্ভ কৰি দিয়ে, কিম্বা টাইপ ৰাইটাৰত ভৰাই দিয়া উকা কাগজত যেতিয়া আখৰ আপোনা-আপুনি টাইপ হৈ যায়, তেতিয়া সেই কাৰ্য্যক ভৌতিক ঘটনা বুলি বিশ্বাস কৰিবলৈ আমি বাধ্য হৈ পৰোঁ। আমেৰিকাত স্বামী অভেদানন্দই মিঃ কীলাৰ নামৰ মিডিয়াম এগৰাকীৰ সৈতে এনেকুৱা স্বতঃলিখন পৰীক্ষা এটাত অংশ গ্ৰহণ কৰিছিল। জাপি ৰখা দুখন চিলটৰ মাজত চুটি মাটি পেন্সিল এডাল ৰাখি চিলট দুখন ৰুমাল এখনেৰে বান্ধি পেলোৱা হৈছিল। তাৰ পিছত মিঃ কীলাৰে চিলট দুখনৰ এটা মূৰে আৰু স্বামী অভেদানন্দই চিলট দুখনৰ আনটো মূৰে হাতেৰে ধৰি চিলট দুখন মেজৰপৰা অলপ ওপৰত দাঙি ৰাখিছিল। খন্তেক পৰৰ পিছতে স্বামীজীয়ে বোলে হাতত তড়িৎস্পৰ্শ লগাৰ দৰে অনুভৱ কৰিলে আৰু চিলট দুখনৰ মাজত ৰখা পেন্সিলডালে খচ্ খচ্ কৈ কিবা লিখা যেন শুনিবলৈ পালে। চিলট দুখন নমাই আনি

বান্ধটো খুলি পেলোৱাৰ পিছত দেখা গ'ল যে তাৰে এখন চিলটত সংস্কৃত, গ্ৰীক, বঙালী আৰু ইংৰাজী এই চাৰিটা ভাষাত কেই শাৰীমান কথা লিখা হৈ পৰিছে। তলত যোগেন বুলি স্বাক্ষৰ কৰা হৈছে। যোগেন মানে স্বামী যোগানন্দ—একালত যি স্বামী অভেদানন্দৰ সহকৰ্ম্মী আছিল। নক'লেও হ'ব যে স্বামী অভেদানন্দ আৰু মিঃ কীলাৰ এই দুজনৰ এজনেও গ্ৰীক ভাষা লিখিব বা পঢ়িব নাজানিছিল।

আকৌ আন এটা আত্মিক গৱেষণা চক্ৰত টাইপ ৰাইটাৰ যন্ত্ৰত বিদেহী আত্মাৰ বাণী আপোনা-আপুনি টাইপ হৈ যোৱা দেখি স্বামী অভেদানন্দ বিস্ময়ত অভিভূত হৈ পৰিছিল। আজি টেলিভিছন আৰু ইলেক্ট্ৰনিক কম্পিউটাৰৰ যুগত এনে স্বতঃমূদ্ৰণ কাৰ্য্যক একো অদ্ভুত ঘটনা বুলি ক'ব নোৱাৰি। কিন্তু সেই কালত মানুহে ইলেক্ট্ৰনিক্সৰ নামেই শুনা নাছিল। শুনা যায় যে আমেৰিকান আত্মিক গৱেষণা সংস্থাৰ একালৰ সভাপতি ডাঃ উইলিয়াম্ জেম্‌চে তেওঁ পৃথিৱীৰপৰা বিদায় লোৱাৰ পাছতো উক্ত সংস্থাৰ বাৰ্ষিক অধিৱেশনবিলাকত ‘automatic type writing’-ৰ দ্বাৰা তেখেতৰ অভিভাষণ দি গৈছিল।

(খ)

পৰীক্ষামূলক মনোবিদ্যাই মনৰ ৰহস্য ভেদ কৰিবলৈ আজিলৈকে সক্ষম হোৱা নাই। পৰীক্ষামূলক মনস্তত্বই ব্যৱহাৰ কৰা যন্ত্ৰ-পাতিবিলাকে শৰীৰ আৰু মনৰ মাজত ঘটি থকা ক্ৰিয়া-প্ৰতিক্ৰিয়া কিছুমানৰ আভাস এটা মাথোন আমাক দিব পাৰে। মৃত্যুৰ পৰৱৰ্ত্তী জীৱনৰ বিষয়ে চিন্তা কৰি পৰীক্ষামূলক মনস্তত্বই মূৰ ঘমাব নোখোজে।

আনহাতে সচেতন মনেৰে ভাবি-গুণি বা সচেতন মনৰ যুক্তিৰে চালি-জাৰি চায়ো আমি পৰলোকৰ একো উৱাদিহ উলিয়াব নোৱাৰোঁ। আমাৰ অহংকেন্দ্ৰী সচেতন মন সদায় অতীতমুখী, অৰ্থাৎ অতীতত লাভ কৰা অভিজ্ঞতা অনুসৰিহে ই সকলো ঘটনা বিচাৰ কৰে, কিম্বা ভৱিষ্যতৰ বিষয়ে অনুমান কৰিব পাৰে। কিন্তু যি হেতুকে মানুহৰ মৃত্যু মাথোন এবাৰহে হয়, সেই হেতুকে ইহজীৱনত মানুহৰ মৃত্যুৰ বিষয়ে পূৰ্ব্ব অভিজ্ঞতাও থাকিব

নোৱাৰে। মৃত্যু আৰু পৰলোক বিষয়ক সকলো কল্পনা-জল্পনাৰ গুৰিতে থাকে মানুহৰ অমৰত্বৰ বাসনা। নিজ সত্তাৰ চিৰ অৱলুপ্তি কোনেও কামনা নকৰে। সেই হেতুকে মৃত্যুৰ পাছতো জীয়াই থাকিবৰ কাৰণে আমাক পৰলোক এখন লাগে। আকৌ সেই পৰলোক হ'ব লাগিব ইহলোকৰ প্ৰতিচ্ছবি, যাতে পাৰ্থিৱ জীৱনৰ সকলো অপূৰ্ণ কামনা পৰলোকত চৰিতাৰ্থ কৰিব পাৰি। সেয়ে কবিৰ কল্পনাত পৰলোকত জৰা নাই, মৃত্যু নাই, বিৰহ নাই, আছে মাথোন চিৰন্তন শান্তি, চিৰমিলনৰ আনন্দ। এনে এখন অমৰলোকলৈ যাবৰ কাৰণে মানুহে হাবিলাষ নকৰি পাৰে নে? দুই-চাৰিয়ে আকৌ ইহলোকৰ জ্বালা-যন্ত্ৰণা সহিব নোৱাৰি পাৰলৌকিক সুখৰ আশাত আত্মহত্যাও কৰে।

নক'লেও হ'ব যে মানুহৰ মনৰপৰা মৃত্যু-বিভীষিকা দূৰ কৰিবৰ কাৰণেই কবিসকলে পৰলোক অৰ্থাৎ মৃত্যুৰ পৰৱৰ্ত্তী জীৱনৰ মনোৰম ছবি এখন আমাৰ আগত দাঙি ধৰিছে। পাৰ্থিৱ জীৱনৰ প্ৰতি আমাৰ ইমান মোহ যে পৰলোক বুলি কিবা এটা নাথাকিলে মৃত্যুৰ ভয়ত মানুহ পাগল হৈ পৰিলহেঁতেন। অৱশ্যে কবিৰ মৃত্যু-বাসনা আচলতে পৰলোক যাত্ৰাৰ বাসনা নহয়। কবিৰ কল্পনাত মৃত্যু ইমান সুন্দৰ আৰু ইমান আকৰ্ষণীয় হৈ পৰাৰ কাৰণ বোধকৰোঁ এইটোৱে যে কবিৰ মৃত্যু কল্পনাত যৌনাৱেগৰ ৰহণ সনা থাকে, যাৰ ফলত মৃত্যুৰ ভয়াৱহতা বহুখিনি হ্ৰাস পায়। কবিৰ কল্পনাত মৃত্যুয়ে ধৰা দিয়ে চিৰআকাঙ্ক্ষিত প্ৰেমিক স্বৰূপে, মুক্তিৰ দূত স্বৰূপে। কবিগুৰু ৰবীন্দ্ৰনাথৰ মৃত্যু বিষয়ক কবিতাবিলাকত এই মধুৰ ভাবাৱেগৰ সুন্দৰ প্ৰকাশ দেখিবলৈ পোৱা যায়।

“মিলন হবে তোমাৰ সাথে
একটি শুভ দৃষ্টিপাতে
জীৱন বধূ হবে তোমাৰ চিৰ অনুগতা
মৰণ, আমাৰ মৰণ, তুমি কও আমাৰে কথা।”

কিম্বা

“মুক্তি দাতা, তোমাৰ ক্ষমা, তোমাৰ দয়া
হবে চিৰপাথেয় চিৰযাত্ৰাৰ

হয় যেন মৰ্ত্ত্যৰ বন্ধন ক্ষয়
বিৰাট বিশ্ব বাহু মেলি লয়
পাই অন্তৰে নিৰ্ভয় পৰিচয়
মহা অজানাৰ।”

আমাৰ বিহগী কবি ৰঘুনাথ চৌধাৰীৰ মৃত্যু বিষয়ক কবিতাতো একে ভাষাৱেগৰ প্ৰতিধ্বনি শুনা যায়। পিছে কবিৰ কল্পণাত মৃত্যু যিমান সুন্দৰ বা যিমান ৰমণীয়ই হওক লাগিলে মৃত্যুক সজ্ঞানে আদৰণি জনোৱা লোকৰ সংখ্যা অতি বিৰল। কাৰণ মানুহৰ মনটো পৰিচালিত হয় জীৱন প্ৰবৃত্তিৰ দ্বাৰা, যাৰ একমাত্ৰ লক্ষ্য চিৰকাললৈ জীয়াই থকা। যিবিলাক ৰোগীয়ে শেষ মুহূৰ্ত্তলৈকে সংজ্ঞা নেহেৰুৱাকৈ থাকে, আসন্ন মৃত্যুৰ পৰত সিহঁতৰ চকুৱে-মুখে ঘোৰ আতঙ্কৰ চিন পৰিস্ফুট হৈ উঠে। মৃত্যুৰ আগমুহূৰ্ত্তত মানুহৰ চেতন মন আৰু অৱচেতন মন একাকাৰ হৈ পৰা হেতুকে এই সময়খিনিত কোনো কোনো লোকে দিব্যদৰ্শন আৰু দিব্যশ্ৰৱণৰ ক্ষমতা আয়ত্ত কৰে। এই সময়খিনিত কোনো কোনো লোকৰ জীৱাত্মাই ছায়ামূৰ্ত্তি ধাৰণ কৰি দূৰ দেশত বাস কৰা আত্মীয়-স্বজনৰ ওচৰত উপস্থিত হৈ নিজৰ পৰলোক যাত্ৰাৰ কথা তেওঁলোকক জনাই থৈ যায়। আগতে উল্লেখ কৰা লতী নামৰ মহিলাগৰাকীৰ কাহিনীটোলৈ মনত পেলাওকচোন। প্ৰেতবিজ্ঞানীসকলে কয় যে জীৱাত্মাই নশ্বৰ দেহ ত্যাগ কৰাৰ আগমুহূৰ্ত্তত কাহানিবাই পৃথিৱী এৰি যোৱা মানুহৰ আত্মাৰ লগতো মানসিক সংযোগ স্থাপন কৰিব পাৰে।

এইটো আগতেই কোৱা হৈছে যে মৃত্যুৰ আগে আগে জীৱাত্মাই শৰীৰৰপৰা নিজৰ সকলোখিনি শক্তি আকৰ্ষণ কৰি লৈ তাক নিজত কেন্দ্ৰীভূত কৰি তোলে। শক্তিৰ আধাৰ জীৱাত্মাৰূপী এই কেন্দ্ৰবিন্দুটোক মুখ্য প্ৰাণ (Life force) বুলিও কোৱা হয়। ইয়াত দৰ্শন, স্পৰ্শন, শ্ৰৱণ, আঘ্ৰাণ আদি সকলো কাৰ্য্যক্ষমতা নিহিত থাকে, যাৰ বলত পৃথিৱী এৰি যোৱা বিদেহী আত্মাই নিজৰ পুত্ৰ-কন্যা, আত্মীয়-স্বজন, সকলোকে মনশ্চক্ষুৰে দেখা পায়। কিন্তু নিজৰ স্থূল শৰীৰটো নথকা কাৰণে বিদেহী আত্মাই নিজৰ শোক-সন্তপ্ত পৰিয়ালক সান্ত্বনা দিব

নোৱাৰে। পৰিয়ালৰ মানুহেও বিদেহী আত্মাৰ উপস্থিতি অনুভৱ কৰিব নোৱাৰে।

হিন্দু শাস্ত্ৰকাৰসকলে কয় যে প্ৰাণীৰ শাৰীৰিক গঠন তাৰ প্ৰাণ-সত্তাত নিহিত থকা নিৰ্জ্জান সংস্কাৰসমূহৰপৰা উদ্ভৱ হয়। আনহাতে শ্ৰীমদ্ভাগৱদ্‌গীতাই কোৱা মতে মৃত্যুৰ সময়ত মানুহৰ অন্তৰত যি ভাব বা যি বাসনা প্ৰবল হৈ থাকে, মানুহে সেই অনুসৰি ফল লাভ কৰে। গতিকে সূক্ষ্ম শৰীৰৰ গঠনো সেই ভাব অনুসৰি হৈ পৰাই স্বাভাৱিক। মানুহৰ বিদেহী আত্মাৰ অন্তঃপ্ৰকৃতিয়েও বোলে মৃত্যুকালৰ বাসনা অনুযায়ী গঢ় লৈ পেলায়। আকৌ যি চিন্তা বা আসক্তিয়ে বিদেহী আত্মাৰ অন্তঃপ্ৰকৃতিক গঢ়ি তোলে, পুনৰ্জ্জন্ম গ্ৰহণ কৰিবৰ কাৰণে অনুকূল পৰিৱেশ নিৰ্ব্বাচনৰ ক্ষমতাটোও সেই অন্তিম বাসনাতে নিহিত থাকে।[৩১]

হিন্দু শাস্ত্ৰকাৰে কয় যে মৃত্যুৰ পাছত বিদেহী আত্মাই সূক্ষ্ম শৰীৰৰ দ্বাৰা আবৃত হৈ ইহলোক আৰু পৰলোকৰ মধ্যৱৰ্ত্তী ঠাইত উপস্থিত হয়। এই ঠাইতে পৃথিৱীৰ এলাকাৰ অন্ত পৰে আৰু পৰলোকৰ এলাকা আৰম্ভ হয়। ইহলোক আৰু পৰলোকৰ এই মধ্যৱৰ্ত্তী এলাকাটোক প্ৰেতবিজ্ঞানীসকলে সীমান্তলোক বা বৰ্ডাৰ লেণ্ড্ (Border Land) বুলি কয়। হিন্দু শাস্ত্ৰকাৰসকলে এই নিৰপেক্ষ এলাকাটোকে বৈতৰণী বুলি অভিহিত কৰিছে। স্বামী অভেদানন্দজীয়ে কোৱা মতে বৰ্ডাৰ লেণ্ড্ কোনো মাটিৰ দেশ নহয়, কিম্বা বৈতৰণীও কোনো খৰস্ৰোতা নদী নহয়। বৰ্ডাৰ লেণ্ড্ হৈছে ইথাৰৰ (Ether) অতি সূক্ষ্ম কম্পনবিশিষ্ট শূন্যলোক। পৰামনস্তত্ত্বৰ দৃষ্টিকোণৰপৰা বিচাৰ কৰি বৰ্ডাৰ লেণ্ড্ আৰু বৈতৰণীক আমাৰ মনোলোকৰে বিস্তৃতি বা 'a new Psychic Dimension' বুলি অভিহিত কৰিব পাৰি। হিন্দু শাস্ত্ৰকাৰসকলৰ মতে বৈতৰণী অঞ্চলটো কোনোকালে সূৰ্য্যৰ পোহৰ নপৰা ঘোপ মৰা আন্ধাৰ। (অসূৰ্য্য নাম তে লোকাঃ অন্ধেন তমসাবৃতাঃ)

---

(৩১) যং যং বাপি স্মৰণ ভাবং ত্যজত্যন্তে কলেৱৰম্
তং তং এবৈতি কৌন্তেয় সদা সম্ভাৱ ভাৱিতঃ
শ্ৰীমদ্ভাগৱদ্‌গীতা ৮।৬

বৈতৰণী পাৰ হৈ বিদেহী আত্মা বোলে অতিশয় ক্লান্ত হৈ পৰে আৰু অনতিপলমে গাঢ় নিদ্ৰাত অচেতন হৈ পৰে। কিন্তু যিবিলাক বিদেহী আত্মাৰ পৃথিৱীখনত এৰি যোৱা ঘৰ-সংসাৰ আৰু বিষয়-আশয়ৰ প্ৰতি প্ৰবল আকৰ্ষণ থাকে, কিম্বা যি পৃথিৱীত জীয়াই থকা কালত নানা পাপ কাৰ্য্যত লিপ্ত আছিল, তেনে বিদেহী আত্মাই বোলে শান্তিৰে টোপনি যাব নোৱাৰে। এনেবিধ প্ৰেতাত্মাই মাজে মাজে মিডিয়ামৰ দ্বাৰা আহূত হৈ অৰ্দ্ধচেতন, অৰ্দ্ধঅচেতন অৱস্থাত প্ৰেতাহ্বান চক্ৰত আৱিৰ্ভূত হৈ পৰে।

প্ৰেততত্ত্ববিদ্‌সকলে কয় যে প্ৰেতলোক হৈছে একপ্ৰকাৰ ইন্দ্ৰিয়াতীত স্বপ্নময় অৱস্থা, যাৰ বিষয়ে সঠিকভাৱে জানি উঠা পৃথিৱীৰ মানুহৰ কাৰণে সম্ভৱ-হ'ব নোৱাৰে। পৰলোকত মন সৰ্ব্বশক্তিমান। স্বপ্নত যেনেকৈ আমি কেৱল মনেৰে দেখোঁ আৰু মনেৰেই শুনো, মনেৰে খাওঁ বা মনেৰেই যেনি-তেনি যাওঁ, তেনেদৰে পৰলোকতো বোলে বিদেহী আত্মাই মনেৰেই সকলো কাৰ্য্য সম্পাদন কৰে। আনকি পৰলোকত প্ৰিয়জনক লগ পাবলৈ হ'লেও তেওঁক বোলে নিজৰ মনত গঢ়ি তুলিব লাগে। অৱশ্যে তাৰ কাৰণে বিদেহী আত্মাই সজ্ঞানে চেষ্টা কৰিব নালাগে। প্ৰিয়জনৰ চিন্তা মনত জাগি উঠা মুহূৰ্ত্ততে তেওঁ আহি মনশ্চক্ষুৰ আগত উপস্থিত হৈ পৰে। কাৰণ আমাৰ ভালেমান স্বপ্নত হোৱাৰ দৰে পৰলোকতো বোলে মনেৰে সঙ্কল্প কৰা মুহূৰ্ত্ততে কাৰ্য্যসিদ্ধি হয়। আকৌ পৰলোকৰো নানা স্তৰ থাকে। পুণ্যাত্মা লোকসকল সূক্ষ্মস্তৰত বাস কৰে। আকৌ পাপীসকলৰ বিদেহী আত্মাই সূক্ষ্মস্তৰলৈ উধাব নোৱাৰি 'Lower astral Plane' বা প্ৰেতলোকৰ অতি নিম্নস্তৰত বাস কৰিবলৈ লয়। স্বামী অভেদানন্দই কয় যে প্ৰেতলোকৰ স্থূলতৰ স্তৰত বাস কৰা বিদেহী আত্মাসকল সাধাৰণতে পৃথিৱীবদ্ধ আত্মা (Earth bound Soul) ; পৰিয়াল আৰু ধন-সম্পত্তিৰ প্ৰতি থকা অতিমাত্ৰা মোহৰ কাৰণেই হওক বা কাৰোবাৰ প্ৰতি নিজ অন্তৰত পোষণ কৰি থকা প্ৰতিশোধ বাসনাৰ কাৰণেই হওক পৃথিৱীবদ্ধ আত্মাই উৰ্দ্ধস্তৰলৈ গতি কৰিব নোৱাৰি একালত নিজে বাস কৰা ঠাইখনৰ ওচৰে-পাঁজৰে বিচৰণ কৰি ফুৰে। মাজে মাজে সিহঁতে কোনো মানুহৰ

শৰীৰটো সাম্প্ৰতিকভাৱে অধিকাৰ কৰি সেই শৰীৰৰ মাধ্যমেৰে নিজৰ অতৃপ্ত কামনা চৰিতাৰ্থ কৰিবলৈ চেষ্টা কৰে। তেতিয়া মানুহে ভূত লম্ভা বুলি কয়।

পৰলোক বা প্ৰেতলোকক স্বপ্নৰ দৰে আত্মগত উপলব্ধি বুলি ক'লে তাত আচৰিত হ'বলগীয়া বোধকৰোঁ একো নাই। কাৰণ আমাৰ সকলো উপলব্ধিয়েই মূলতঃ আত্মগত উপলব্ধি। জ্ঞানৰ বিষয়-বস্তু বাহিৰৰ জগতৰ ঘটনাই হওক বা স্বপ্নৰ দৰে মনৰ ভিতৰৰ ঘটনাই হওক দুয়োটাকে আমি একেটা মনৰ দ্বাৰাই উপলব্ধি নকৰোঁ জানো ? স্বামী অভেদানন্দয়ো কয় যে পৰলোক আমাৰ মনৰে আন এটা অভিব্যক্তি—'another Psychic Dimension'. অভিজ্ঞতাপ্ৰসূত জ্ঞানৰ দৃষ্টিকোণৰপৰা নিৰীক্ষণ কৰিলে পৰলোক হয়তো বস্তুগতভাৱে সত্য যেনেই লাগে, কিন্তু পৰলোক আচলতে পূৰ্ব্বৰ সংস্কাৰ আৰু আমি সিপুৰিলৈ লগত লৈ যোৱা পাথিৱ জীৱন স্মৃতিৰ অভিক্ষেপণ (Projection) বুলিয়েই অনুমান হয়।[৩২] আকৌ যমলোকত পাপী লোকৰ আত্মাই ভোগ কৰা ভয়াৱহ শাস্তিৰ যিবিলাক বৰ্ণনা শুনিবলৈ পোৱা যায়, সি সম্পূৰ্ণ কাল্পনিক। যম ৰজাই পাপ-পুণ্যৰ বিচাৰ কৰি পাপীক শাস্তি বিহিব নালাগে। পৰলোকৰ অলঙ্ঘনীয় নিয়ম অনুসৰি পাপীয়ে নিজেই নিজৰ শাস্তি বিধান কৰে। কি শাস্তি ভোগ কৰিব তাক কোনেও ক'ব নালাগে। আকৌ ফাঁকি দিবৰো উপায় নাই। কাৰণ আমাৰ নিৰ্জ্ঞান মনতে সৎ-অসৎ সকলো চিন্তা, সকলো কাৰ্য্যৰ বিৱৰণ লিপিবদ্ধ হৈ থাকে, যি মনক লগত লৈ আমি সিপুৰিলৈ যাওঁ। মানুহৰ নিৰ্জ্ঞান মন চিত্ৰগুপ্তৰ খাতা।

পৰলোকত বিদেহী আত্মাই কিমান দিন বা কিমান বছৰ অতিবাহিত কৰিব লাগিব, তাৰ একো নিশ্চয়তা নাই। কাৰণ পৰলোকত বোলে দিন-ৰাতি বা ঘণ্টা, মিনিট, চেকেণ্ডৰ হিচাপত সময়ৰ জোখ কৰা নহয়।

(৩২) Spirit worlds may be true from the empirical point of view, but really they are nothing but conceptions of human mind. Spirits are unborn and uncreated and are immortal in their nature. Only through the veil of ignorance a man thinks himself to be dead or born.

—*Swami Abhedananda.*

কিন্তু স্বৰ্গবাসীয়ে হওক বা নৰকবাসীয়ে হওক কোনো বিদেহী আত্মা অনন্ত-কাললৈ একে অৱস্থাতে থাকিব নালাগে। হিন্দু ধৰ্ম্মশাস্ত্ৰত ভূঃ, ভূবঃ, স্বঃ, মহঃ, জনঃ, তপঃ আৰু সত্যলোক আদি যি সপ্তলোকৰ উল্লেখ আছে, সেইবিলাক আধ্যাত্মিক বিকাশৰ বিভিন্ন স্তৰ বা অৱস্থা মাথোন। পুণ্যৰ বলত মানুহে এনে উন্নততৰ অৱস্থা লাভ কৰিলেও পুণ্য ক্ষয় হ'লে আত্মা বোলে পুনঃ এই পৃথিৱীলৈ ঘূৰি আহিব লাগে। প্ৰেতবিজ্ঞানীসকলে কয় যে পৃথিৱীত জন্ম গ্ৰহণ কৰাৰ পূৰ্ব্বতে আত্মাই কিছুদিন অচেতন অৱস্থাত কালাতিবাহিত কৰে। এইটো যেন তাৰ দ্বিতীয় মৃত্যু। তেনে এটা অচেতন অৱস্থাতে বোলে সি পিতৃ-মাতৃৰ শৰীৰত প্ৰৱেশ কৰে। আপুনি হয়তো প্ৰশ্ন কৰিব—"তেনেহ'লে পিতৃ বা মাতৃয়ে তেওঁলোকৰ শৰীৰত আত্মাৰ প্ৰৱেশৰ কথা গম ধৰিব নোৱাৰে কিয় ? ইয়াৰ উত্তৰত ক'ব পাৰি যে মানুহৰ অনুভৱ শক্তি অতি স্থূল কাৰণেই মানুহে নিজৰ শৰীৰত আত্মা তথা জীৱাত্মাৰ প্ৰৱেশৰ কথা অনুভৱ কৰিব নোৱাৰে। আপুনি বহি থকা কোঠাটোৰ মাজেৰে লক্ষ লক্ষ অদৃশ্য আলোক-তৰঙ্গ, বায়ু-তৰঙ্গ আৰু বেতাঁৰ-তৰঙ্গ পাৰ হৈ যাব লাগিছে। অথচ আপুনি সিহঁতৰ অস্তিত্ব অনুভৱ কৰিব পাৰে জানো ? আত্মা চৈতন্য পৰমাণু বা চৈতন্য শক্তিৰ কম্পন মাথোন বুলি মানি ল'লে পিতৃ-মাতৃয়ে তেওঁলোকৰ শৰীৰত আত্মাৰ অনুপ্ৰৱেশৰ কথা গম পোৱাৰ প্ৰশ্ন নুঠে। অৱশ্যে কোনো মহাপুৰুষৰ আত্মাই জীৱাত্মা স্বৰূপে নাৰীৰ গৰ্ভত স্থিতি ল'বৰ বেলিকা ভাবী মাতৃগৰাকীয়ে স্বপ্নযোগে তাৰ আগজাননী পোৱা বুলি পৌৰাণিক আখ্যান-উপাখ্যানত উল্লেখ আছে।

শাস্ত্ৰকাৰসকলে কয় যে জীৱাত্মাৰ সংশোধনৰ কাৰণে শাস্তিবিধানৰ যেনে আৱশ্যক, তাৰ ক্ৰমবিকাশৰ বাবে পুনৰ্জ্জন্ম গ্ৰহণৰো তেনে আৱশ্যক। পুনৰ্জ্জন্ম গ্ৰহণ কৰিবৰ কাৰণে বিদেহী আত্মাক কোনেও নিৰ্দ্দেশ দিব নালাগে। পুনৰ্জ্জন্মবাদৰ অমোঘ নীতি বা বিধান (the law of re-incarnation) অনুসৰিয়ে সি নিজৰ কাৰ্য্যপন্থা নিৰ্দ্ধাৰণ কৰে। পুনঃ পুনঃ জন্ম গ্ৰহণ কৰি জীৱাত্মাই আধ্যাত্মিক ক্ৰমবিকাশৰ পথেৰে আগুৱাই গৈ সৰ্ব্বশেষত দিব্যজ্ঞানৰ স্তৰত উপনীত হয়।

এইবিলাক অতীজৰ ত্ৰিকালজ্ঞ ঋষি-মুনিয়ে কোৱা কথা। সত্যাসত্য

নিৰূপণ কৰা আমাৰ সাধ্যাতীত। অন্ততঃ নিজে মৰি ভূত হোৱাৰ আগতে পাৰলৌকিক জীৱনৰ বিষয়ে আমি নিশ্চিতভাৱে একো জানিব নোৱাৰোঁ। পুনৰ্জ্জন্ম সম্পৰ্কে এতিয়ালৈকে যিখিনি তথ্য-পাতি পৰামনোবিজ্ঞানীসকলে সংগ্ৰহ কৰিছে, সেই সকলোখিনিকে পোৱা হৈছে জাতিস্মৰসকলৰপৰা। জাতিস্মৰসকলে পূৰ্ব্বজন্মৰ কথা স্মৰণ কৰিব পাৰে। মহাত্মা বুদ্ধদেৱে বোলে পূৰ্ব্বতে হৈ যোৱা নিজৰ পাঁচশ জন্মৰ কাহিনী স্মৰণ কৰিব পাৰিছিল। আমি পূৰ্ব্বজন্মৰ কাহিনী স্মৰণ কৰা দূৰৰ কথা, পুৱাৰ কথাকে গধূলি স্মৰণ কৰিব নোৱাৰোঁ। অৱশ্যে পূৰ্ব্বজন্মৰ কাহিনীবিলাক স্মৰণ কৰিব নোৱাৰাটো একৰকমে ভগৱানৰ আশীৰ্ব্বাদ বুলিয়ে ক'ব পাৰি। জন্ম-জন্মান্তৰৰ কাহিনী স্মৰণ কৰিব পৰা হ'লে বৰ্ত্তমান জীৱনত মানসিক সংহতি ৰক্ষা কৰি চলা আমাৰ কাৰণে হয়তো সম্ভৱ নহ'লহেঁতেন।

দাৰ্শনিকে ভাবে যে জগতৰ ঘাই বস্তু মাথোন তিনিটা। সিহঁত হৈছে যথাক্ৰমে পদাৰ্থ (matter), শক্তি (Energy) আৰু চৈতন্য (Consciousness)। বিজ্ঞানে কোৱা মতে পদাৰ্থ আৰু শক্তিৰ ৰূপান্তৰ থাকিলেও ধ্বংস নাই। কাৰণ সিহঁতক কোনেও সৃজন কৰা নাছিল। আকৌ পদাৰ্থ আৰু শক্তি দেখাতহে বেলেগ। মূলতঃ সিহঁত অভিন্ন। এতিয়া জগতৰ তিনিটা উপাদানৰ ভিতৰত দুটাৰে যদি ধ্বংস নাথাকে, তেতিয়াহ'লে তৃতীয়টোৰ অৰ্থাৎ চেতনাৰো ধ্বংস নথকাই স্বাভাৱিক। কাৰণ চেতনাকো কোনেও স্ৰজন কৰা নাই। তদুপৰি চেতনাৰ ধ্বংস কল্পনা কৰিবলৈ হ'লেও চেতনাৰ উপস্থিতি অপৰিহাৰ্য্য নহয় জানো ?

(গ)

মৃত্যুৰ পৰত জীৱাত্মাই সূক্ষ্ম শৰীৰ ধাৰণ কৰি কেনেকৈ নশ্বৰ শৰীৰ ত্যাগ কৰে, তাৰ চাক্ষুষ প্ৰমাণ পাবৰ কাৰণে পাশ্চাত্য দেশৰ প্ৰেতবিজ্ঞানীসকলে বহু বছৰ ধৰি পৰীক্ষা-নিৰীক্ষা চলাই আহিছে। সুনিশ্চিত সিদ্ধান্তত উপনীত হ'ব নোৱাৰিলেও তেওঁলোকে ইতিমধ্যে ভালেমান মূল্যৱান তথ্য-পাতি আৱিষ্কাৰ কৰিছে। এই প্ৰসঙ্গত পৰামনোবিজ্ঞানী ডাঃ এইছ. কেৰিংটনৰ (Dr. H. Carrington) নাম বিশেষভাৱে

উল্লেখযোগ্য। ডাঃ কেৰিংটনে ভাবিলে যে বিদেহী আত্মা বুলি সঁচাকৈয়ে যদি কিবা আছে, তেনেহ'লে সি নিশ্চয় কিবা অজ্ঞাত প্ৰকৃতিৰ শক্তি হ'ব আৰু খুব সম্ভৱ তাৰপৰা অদৃশ্যভাৱে হ'লেও ৰশ্মিৰ বিকিৰণ ঘটিব। ডাঃ কেৰিংটনে আৰু ভাবি পালে যে মুকলি ঠাইৰ পৰিৱৰ্তে যদি গেচেৰে পৰিপূৰ্ণ কুঠৰী এটাৰ ভিতৰত কোনো প্ৰাণীৰ মৃত্যু ঘটোৱা হয়, তেতিয়া হ'লে বিদেহী আত্মাৰপৰা বিকিৰণ হোৱা অদৃশ্য ৰশ্মিৰ ক্ৰিয়াৰ ফলত কুঠৰীটোৰ ভিতৰত থকা গেচৰ উত্তাপ হ্ৰাস পাব আৰু সেই গেচ ঘনীভূত হৈ পৰা হেতুকে সি মানুহৰ দৃষ্টিগোচৰ হৈ পৰিব।

ইয়াৰ পাঁচ বছৰৰ পিছত ডাঃ আৰ্. এ. ওৱাটাৰ্চ নামৰ পদাৰ্থতত্ত্ববিদ্ আৰু প্ৰাণীতত্ত্ববিদ্ পৰামনোবিজ্ঞানী এজনে অধ্যাপক কেৰিংটনৰ পৰিকল্পনা অনুযায়ী এই বিষয়টোক লৈ পৰীক্ষা-নিৰীক্ষা আৰম্ভ কৰে। ডাঃ ওৱাটাৰ্চে এই পৰীক্ষাত উইল্‌চনচ্ ক্লাউড চেম্বাৰ (**Wilson's Cloud Chamber**) ব্যৱহাৰ কৰিছিল। তেওঁ জীয়া ফৰিং এটা সৰু কাচৰ বাকচ এটাৰ ভিতৰত সুমুৱাই সেই কাচৰ বাকচটো ক্লাউড চেম্বাৰৰ ভিতৰত স্থাপন কৰিলে। তাৰ পিছত ক্ষুদ্ৰ গিলোটিন যন্ত্ৰ এটাৰ সহায়ত ফৰিংটো বধ কৰা হ'ল।' খন্তেক পিছতে ডাঃ ওৱাটাৰ্চে দেখিবলৈ পালে যে চেম্বাৰৰ ভিতৰত মৃত ফৰিংটোৰ কিছু ওপৰত আন এটা জীৱন্ত ফৰিঙৰ ছায়ামূৰ্ত্তি ধীৰে ধীৰে গঢ়ি উঠিছে। এই ঘটনা প্ৰত্যক্ষ কৰি ডাঃ ওৱাটাৰ্চ আশ্চৰ্য্যান্বিত হৈ পৰিল আৰু তেনে ঘটনাৰ পুনৰাবৃত্তি ঘটাব পাৰি নে নোৱাৰি তাক চাবৰ কাৰণে এইবাৰ তেওঁ জীয়া নিগনি এটাক ক্লাউড চেম্বাৰৰ ভিতৰত ৰাখি ওপৰোক্ত উপায়েৰে তাক বধ কৰিলে। খন্তেক পৰৰ পিছতে এই বিজ্ঞানীজনে দেখা পালে যে ক্লাউড চেম্বাৰৰ ভিতৰত মৰি পৰি থকা নিগনিটোৰ কিছু ওপৰত জীৱন্ত নিগনি এটাৰ ছায়ামূৰ্ত্তি এটাই লাহে লাহে গঢ় লৈ পেলাইছে। বধ কৰা নিগনিটো দীঘল হৈ পৰি আছে, কিন্তু নতুনকৈ গঢ়ি উঠা নিগনিটোৱে সমুখৰ ফালে চাই বহি আছে।

এনেদৰে কেবালানি পৰীক্ষা চলাই প্ৰতিবাৰতে একে ফলাফল দেখিবলৈ পাই বিদেহী অস্তিত্বৰ বিষয়ে ডাঃ ওৱাটাৰ্চ একৰকম সুনিশ্চিত হৈ পৰিল।

আগতে আমি পাই আহিছোঁ যে প্ৰেতাহ্বান চক্ৰবিলাকত সংজ্ঞাহীন

অৱস্থাত পৰি থকা মিডিয়ামৰ শৰীৰৰপৰা বাহিৰ হোৱা এক্টোপ্লাজম্ (Ectoplasm) নামৰ অতি সূক্ষ্ম পদাৰ্থ এবিধৰ সহায়তে বিদেহী আত্মাই শৰীৰ এটা নিৰ্ম্মাণ কৰি সাম্প্ৰতিকভাৱে মানুহৰ দৃষ্টিগোচৰ হৈ পৰে। প্ৰেতবিজ্ঞানীসকলে এই ধোঁৱাৰ নিচিনা পদাৰ্থবিধ হাতেৰে স্পৰ্শ কৰি পাইছে আৰু তাৰ আলোক চিত্ৰও গ্ৰহণ কৰিছে। তেওঁলোকে কয় যে এক্টোপ্লাজম্ বোলা এই সূক্ষ্ম পদাৰ্থবিধ জীৱন্ত মানুহৰ শৰীৰৰপৰাও অনৱৰতে বাহিৰ হৈ থাকে। বিদেহী আত্মাই বোলে নিজৰ ইচ্ছাৰ বলত কুঁৱলীৰ দৰে পাতল এই পদাৰ্থবিধক কঠিন পদাৰ্থত পৰিণত কৰিব পাৰে।

এক্টোপ্লাজমৰ আলোচনা প্ৰসঙ্গত মানুহৰ জ্যোতিৰ্ম্মণ্ডলৰ কথাও আমাৰ মনলৈ আহে। আমাৰ দেৱ-দেৱী আৰু পুণ্যাত্মা লোকৰ ছবিত তেওঁ-লোকৰ মূৰৰ চাৰিওফালে এটা আলোক-চ্ছটা (Aurora) বা জ্যোতিৰ্ম্মণ্ডল থকা নিশ্চয় বহুতে লক্ষ্য কৰিছে। কিন্তু এই আলোক-চ্ছটা বা জ্যোতিৰ্ম্মণ্ডলৰ সৃষ্টি কেনেকৈ হ'বলৈ পায়, সেই বিষয়ে বিজ্ঞানীসকলে সৌ সিদিনালৈকে একোকে ভাবি পোৱা নাছিল। বৰ্ত্তমান শতিকাৰ প্ৰথম দশক কালছোৱাতে লণ্ডনৰ চেণ্ট্ থমাচ হাস্পতালৰ চিকিৎসা বিজ্ঞানী ওৱাল্টাৰ কিল্‌নাৰে এই বিষয়ে গৱেষণা কৰিবলৈ আৰম্ভ কৰিছিল। ১৯১১ চনত ওৱাল্টাৰ কিল্‌নাৰে ঘোষণা কৰিলে যে ৰঙীন কাচৰ মাজেৰে কিছুপৰ চাই থকাৰ পাছত মানুহৰ ফালে চাই পঠিয়াওঁতে তেওঁ মানুহৰ মূৰৰ চাৰিওফালে এটা ক্ষীণ আলোকমণ্ডল দেখা পাইছে। এই আলোকমণ্ডল প্ৰায় ছয় ইঞ্চি বহল। কিল্‌নাৰে লগতে ইয়াকো দেখা পাইছিল যে মানুহৰ শৰীৰ আৰু মনৰ অৱস্থা অনুসৰি এই আলোকমণ্ডলৰ আকৃতি আৰু উজ্জ্বলতাৰ তাৰতম্য ঘটি থাকে। এই জ্যোতিৰ্ম্মণ্ডল গঠিত হয় অদৃশ্য আলোক-ৰশ্মিৰ দ্বাৰা। গতিকে শুদা চকুৰে মানুহে তাক দেখা পাব নোৱাৰে।

পদাৰ্থবিদ্যাৰ লগত পৰিচয় নথকা মানুহে অদৃশ্য ৰশ্মিৰ কথা বুজিবলৈ হয়তো টান পাব। কিন্তু আমি জানো যে মানুহৰ দৃষ্টিশক্তি নিতান্ত সীমাবদ্ধ। পৰিদৃশ্যমান বৰ্ণালীত (Spectrum) থকা সাতোটা ৰঙৰ পোহৰহে মানুহে চকুৰে মণিব পাৰে। সেই সাতোটা ৰং হৈছে বেঙুনীয়া, ঘোৰ নীলা, পাতল নীলা, সেউজীয়া, হালধীয়া, কমলা বৰণীয়া আৰু ৰঙা।

আকাশৰ ৰামধেনুত আমি এই কেইটা ৰঙৰ পোহৰ দেখা পাওঁ। এই সকলোবিলাক পোহৰেই বিজ্ঞানে কোৱা মতে বিভিন্ন দৈৰ্ঘ্যৰ তড়িৎ-চৌম্বক তৰঙ্গৰ (Electromagnetic wave) নিৰৱচ্ছিন্ন প্ৰৱাহ মাথোন। কিন্তু ইয়াৰ বাহিৰেও থাকে অৱলোহিত ৰশ্মি (Infra-red rays) বেঙুনীবৰ্ণালী ৰশ্মি (ultraviolet rays), ব্যোম ৰশ্মি (cosmic rays), ৰঞ্জন ৰশ্মি (X-ray) আদি বিভিন্ন আলোক-ৰশ্মি, যিহক মানুহে চকুৰে মণিব নোৱাৰে। কেৱল বৈজ্ঞানিক পৰীক্ষাৰ দ্বাৰাহে এনেবিলাক আলোক-ৰশ্মিৰ অস্তিত্ব ঠাৱৰ কৰিব পাৰি।

আকৌ আমাৰ অক্ষিযৱনিকাত থকা আলোক সচেতন স্নায়ুকোষো দুবিধ। এবিধক কণ্ (Cone) আৰু আনবিধক ৰড্ (Rod) বুলি কোৱা হয়। কণ্‌বিলাক উজ্জ্বল পোহৰৰ প্ৰতিহে সচেতন। আনহাতে ৰড্‌বিলাকে ক্ষীণ পোহৰহে গ্ৰহণ কৰিব পাৰে। নিশাচৰ প্ৰাণীৰ অক্ষিযৱনিকাত থকা ৰড্‌বিলাক মানুহৰ অক্ষিযৱনিকাত থকা ৰড্‌বিলাকৰ তুলনাত বেছি শক্তিশালী। সেই কাৰণে ফেঁচা, হুতু আৰু বাদুলিৰ দৰে নিশাচৰ প্ৰাণীবিলাকে প্ৰায় ঘোপ মৰা আন্ধাৰতো চকুৰে মণিব পাৰে। কাৰণ নিশাচৰ প্ৰাণীবিলাকে অৱলোহিত ৰশ্মিৰ সহায়তহে বস্তু মণিব পাৰে। দিনৰ উজ্জ্বল পোহৰত সিহঁত একৰকম অন্ধ হৈ পৰে। মানুহৰ অক্ষি-যৱনিকাত থকা কণ্ নামৰ স্নায়ুকোষবিলাক অৱলোহিত ৰশ্মিৰ ক্ৰিয়াৰ বিষয়ে সচেতন নহয়। গতিকে যিসকল মিডিয়ামে সূক্ষ্ম শৰীৰ আৰু জ্যোতিৰ্মণ্ডল দেখা বুলি দাবী কৰে, তেওঁলোকৰ অক্ষিযৱনিকাত থকা ৰড্ নামৰ স্নায়ুকোষবিলাক সৰ্ব্বসাধাৰণ মানুহৰ ৰড্‌বিলাকৰ তুলনাত যে অধিক শক্তিশালী তাত সন্দেহ নাই।

জীৱন্ত মানুহৰ শৰীৰৰপৰা যে ৰশ্মিৰ বিকিৰণ ঘটি থাকে, সেই কথা ধৰা পেলাবৰ কাৰণে পদাৰ্থবিজ্ঞানীসকলে এটা বিশেষ কৌশল আৱিষ্কাৰ কৰিছে, যাৰ দ্বাৰা অদৃশ্য অৱলোহিত ৰশ্মিক বৰ্ণাঢ্য চিত্ৰলৈ ৰূপান্তৰিত কৰিব পাৰি। এই কৌশল প্ৰয়োগ কৰি বিজ্ঞানীসকলে দেখা পাইছে যে মানুহৰ চুলি আৰু নখৰপৰা ক'লা বা নীলা, কাণৰ লতিৰপৰা সেউজীয়া, নাকৰ বাহিৰ ভাগৰপৰা পাতল হালধীয়া আৰু ডিঙি আৰু গালৰপৰা কমলা

ৰবণীয়া বা ৰঙা পোহৰৰ বিকিৰণ ঘটি থাকে। আকৌ এই বিজ্ঞানীসকলে দেখা পাইছে যে কেৱল মূৰেই নহয়, চ্ছটা বা জ্যোতিৰ্মণ্ডলে মানুহৰ সমগ্ৰ শৰীৰ আৱৰি থাকে। ই দেখাত হাঁহ-কণীৰ দৰে, অৰ্থাৎ মানুহৰ মূৰৰ ফালে কিছু বহল, ভৰিৰ ফালে ঠেক। বিজ্ঞানীসকলে আৱিষ্কাৰ কৰিছে যে আল্‌কাতৰাৰপৰা তৈয়াৰ কৰা ডাইচায়নিন্ (Dicynine) নামৰ এবিধ ৰং পানীত দ্ৰৱীভূত কৰি সেই ৰঙীন পানীৰ মাজলৈ কিছুপৰ চাই থাকি পাছত মানুহলৈ চাই পঠিয়ালে মানুহৰ শৰীৰৰ চাৰিওফালে থকা জ্যোতিৰ্মণ্ডল মানুহৰ দৃষ্টিগোচৰ হৈ পৰে।

(ঘ)

ওৱাল্টাৰ কিল্‌নাৰৰ গৱেষণাৰ অনুসৰণ কৰি কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ প্ৰাণীবিজ্ঞানী অস্কাৰ বাগ্‌নালে (Oscar Bagnall) জ্যোতিৰ্মণ্ডলৰ বিষয়ে বিশদ গৱেষণাত প্ৰবৃত্ত হয়। বিজ্ঞানী বাগ্‌নালে আৱিষ্কাৰ কৰিলে যে এই জ্যোতিৰ্মণ্ডল মানুহৰ শৰীৰৰপৰা বিচ্ছুৰিত হৈ পৰা তড়িৎ-চৌম্বক তৰঙ্গৰ বাহিৰে আন একো নহয়। কাৰণ বতাহৰ ঢৌৱে জ্যোতিৰ্মণ্ডলক স্থানচ্যুত কৰিব নোৱাৰে। কিন্তু চুম্বক লো এডাল মানুহৰ শৰীৰৰ ওচৰলৈ অনা হ'লে জ্যোতিৰ্মণ্ডল চুম্বকডালৰ প্ৰতি আকৃষ্ট হৈ পৰে।

বিজ্ঞানী বাগ্‌নালে আৰু দেখা পালে যে জ্যোতিৰ্মণ্ডলৰ দুটা স্তৰ থাকে। শৰীৰৰ নিচেই ওচৰৰ স্তৰটো বেছি উজ্জ্বল আৰু তাৰ বাহিৰ ফালে থকা স্তৰটো অস্পষ্ট, ধূঁৱলী-কুঁৱলী। আকৌ এই স্তৰ দুটাৰ মাজত কিছুমান পথালিকৈ আলোক-ৰেখা থকা দেখা যায়। ক্ষণে ক্ষণে এই জ্যোতিৰ্মণ্ডলৰপৰা একোটা উজ্জ্বলতৰ ৰশ্মি কাঁড়ৰ দৰে শৰীৰৰপৰা ছিটিকি কেবাফুট দূৰলৈকে বিস্তৃত হৈ পৰা দেখা যায়। ইয়াৰ বাহিৰেও থাকে নানা ৰঙৰ স্ফুলিঙ্গ। কিছুমান স্ফুলিঙ্গ যেন মুহূৰ্ত্তৰ কাৰণে স্থিৰ হৈ ৰয়। আন কিছুমান ওলায়েই নিমিষতে নিৰ্ব্বাপিত হৈ যায়।

আলোকৰ এনেকুৱা ভোজবাজী মানুহৰ ক্ষেত্ৰতে সীমাবদ্ধ হৈ নাথাকে। কাৰণ বিজ্ঞানী বাগ্‌নালে সকলো জীৱন্ত প্ৰাণী, আনকি জীৱন্ত উদ্ভিদৰ ক্ষেত্ৰতো একে ঘটনাকে দেখা পাইছিল। এইটো বিষয়ৰ অধ্যয়নৰ ক্ষেত্ৰতো

ছোভিয়েট দেশৰ বিজ্ঞানীসকল অন্যান্য দেশৰ বিজ্ঞানীৰ তুলনাত ভালেখিনি আগবাঢ়ি গৈছে। এই প্ৰসঙ্গত ছোভিয়েট বিজ্ঞানী চেমিয়ন্ কিৰ্‌লিয়ানৰ (Semyon Kirlian) নাম বিশেষ উল্লেখযোগ্য। তেওঁ এনে এটা শক্তিশালী তড়িৎ-যন্ত্ৰ নিৰ্ম্মাণ কৰিছিল, যাৰপৰা প্ৰতি চেকেণ্ডত দুই লক্ষ তড়িৎ-স্ফুলিঙ্গ পোৱা গৈছিল। কৌতূহল পৰৱশ হৈ মিঃ কিৰ্‌লিয়ানে এবাৰ নিজৰ হাতখন তড়িৎক্ষৰণৰ পথত স্থাপন কৰিলে। তেতিয়া তেওঁ দেখা পালে যে তেওঁৰ হাতখন নানা বৰণীয়া তৰাৰে তিৰ্‌বিৰাই থকা আকাশৰ হাতীপটিৰ নিচিনা দেখা গৈছে। ইয়াৰ পাছৰ পৰীক্ষা এটাত তেওঁ গছৰ কেঁচা পাত এটা ছিগি আনি তড়িৎক্ষৰণৰ পথত ৰাখিলত একে দৃশ্যকে দেখিবলৈ পালে। ইয়াৰ বাহিৰেও আন এটা নতুন তথ্য কিৰ্‌লিয়ানৰ চকুত ধৰা পৰি গ'ল। তেওঁ লক্ষ্য কৰিলে যে পাতটো অক্ষত অৱস্থাত পৰীক্ষা কৰোঁতে পাতটোৰ যি সূক্ষ্ম অৱয়ৱ তেওঁ দেখা পাইছিল, এতিয়া পাতটোৰ এক তৃতীয়াংশ কাটি আঁতৰাই পেলোৱাৰ পাছতো সেই সূক্ষ্ম অৱয়ৱটোৰ একো পৰিৱৰ্ত্তন ঘটা দেখা নগ'ল। কিন্তু সেইটো কেনেকৈ সম্ভৱ হ'ল ? কিৰ্‌লিয়ানে ভাবি পালে যে জীৱন্ত প্ৰাণীৰ স্থূল শৰীৰটোৰ ভিতৰত শক্তিকণা নিৰ্ম্মিত এটা সূক্ষ্ম অৱয়ৱ বা গাঁথনি থাকে, যি দেখাত স্থূল শৰীৰটোৰ সৈতে হুবহু একে আৰু যি গাঁথনি স্থূল শৰীৰটো আংশিকভাৱে নষ্ট হ'লেও সাম্প্ৰতিকভাৱে অপৰিৱৰ্ত্তিত হৈয়ে থাকে। আমি জানো যে কাটি পেলোৱা নখ, চুলি পুনৰ গজি উঠে। প্ৰতিদিনে শৰীৰৰ অলেখ কোষ ধ্বংস প্ৰাপ্ত হ'লেও তাৰ ঠাইত নতুন নতুন কোষৰ সৃষ্টি হৈ পৰে, কিম্বা শৰীৰৰ কোনো অংশত ক্ষতৰ সৃষ্টি হ'লে কিছুদিনৰ পাছত সেই ক্ষতস্থান নিজে নিজে পূৰ হৈ যায়। মুঠতে আমাৰ স্থূল শৰীৰৰ অন্তৰালত থকা শক্তিনিৰ্ম্মিত এই গাঁথনিটোৱেই আমাৰ শৰীৰৰ স্থিতাৱস্থা বাহাল ৰাখে। সম্ভৱতঃ আমাৰ স্থূল শৰীৰৰ আঁৰত থকা এই সূক্ষ্ম অৱয়ৱটোকে অতীজৰ হিন্দু শাস্ত্ৰকাৰসকলে সূক্ষ্ম শৰীৰ, লিঙ্গ শৰীৰ বা প্ৰাণময় কোষ বুলি অভিহিত কৰিছিল। আকৌ আজিৰ যুগৰ পেৰাচাইক'লজিষ্ট আৰু প্ৰেতবিজ্ঞানীয়ে তাকে এষ্ট্ৰেল বডি (Astral Body) বা জ্যোতিশৰীৰ বুলি অভিহিত কৰিছে।

এই তথাকথিত সূক্ষ্ম শৰীৰৰ উপাদান কি? বিজ্ঞানীসকলে ভাবে যে ই নিৰ্ম্মিত হৈছে তীব্ৰ তড়িৎশক্তিযুক্ত বায়ৱীয় পৰমাণুৰ দ্বাৰা, যিহুক বিজ্ঞানীসকলে বায়োলজিকেল প্লাজ্‌মা (Biological Plasma) বা সংক্ষেপে বায়োপ্লাজ্‌মা বুলি অভিহিত কৰিছে। এই প্লাজ্‌মা কিন্তু আমাৰ তেজত থকা প্লাজ্‌মাৰ সৈতে একে বস্তু নহয়। তেজৰ প্লাজ্‌মা হৈছে তেজৰ তৰল অংশটো, যিহত তেজৰ শ্বেতকোষ আৰু লোহিতকোষবিলাক ভাহি থাকে। পদাৰ্থবিজ্ঞানীসকলে কয় যে তাপ-বিদ্যুৎ প্ৰতিক্ৰিয়াৰ (Thermo-nuclear reaction) ফলত তিনিশ নিযুত ডিগ্ৰী চেণ্টিগ্ৰেড উত্তাপৰ সৃষ্টি হৈ পৰিলেহে বোলে গেচ্ প্লাজ্‌মালৈ ৰূপান্তৰিত হ'ব পাৰে। এনে প্ৰচণ্ড উত্তাপৰ সৃষ্টি হৈ পৰিলে গেচৰ পৰমাণুৰ নিউক্লিয়াচত থকা ঋণাত্মক তড়িৎকণা ইলেক্ট্ৰন (Electron)-বিলাক পৰমাণুৰ কেন্দ্ৰৰপৰা প্ৰচণ্ড বেগেৰে বিচ্ছুৰিত হৈ পৰে। বিজ্ঞানীসকলে কয় যে দূৰ আকাশত থকা অতি উত্তপ্ত নক্ষত্ৰ কিছুমানৰ গৰ্ভতহে বোলে এনে প্ৰচণ্ড উত্তাপৰ সৃষ্টি হ'ব পাৰে, যাৰ ফলত গেচ্ সম্পূৰ্ণভাৱে আয়নীভূত (Ionised) হৈ পৰে। মানুহৰ শৰীৰৰ স্বাভাৱিক উত্তাপত বায়োলজিকেল প্লাজ্‌মাৰ সৃষ্টি কেনেকৈ সম্ভৱ হ'ব পাৰে, সেই প্ৰশ্নৰ উত্তৰ বিজ্ঞানীয়ে আমাক দিব পৰা নাই। সম্ভৱতঃ মানুহৰ শৰীৰত আন কিবা অজ্ঞাত উপায়েৰে এই কাম সম্পন্ন হয়।

আমি ভাবোঁ যে সূক্ষ্ম শৰীৰৰ দৈহিক ভিত্তি এটা আৱিষ্কৃত হ'ল বুলি ভাবি লৈ আমি উৎফুল্ল হৈ পৰাৰ কাৰণ নাই। কাৰণ সূক্ষ্ম শৰীৰ বা জ্যোতি শৰীৰ জীৱন্ত মানুহৰহে বস্তু। মৃত লোকৰ জ্যোতি শৰীৰ নাথাকে। আচলতে মিডিয়ামৰ শৰীৰৰপৰা ওলোৱা এক্টোপ্লাজম্, তাহানি আৰ্ণেষ্ট হেইকেলে কোৱা চাইকোপ্লাজম্ (Psychoplasm) আৰু নৱ আৱিষ্কৃত বায়োলজিকেল প্লাজ্‌মা এই তিনিও বিধ একে পদাৰ্থ হয় নে নহয় তাক আজিলৈকে সঠিককৈ জানিব পৰা হোৱা নাই। জৈৱপদাৰ্থতত্ত্ব বা বায়োফিজিক্স্ (Biophysics) এটা সম্পূৰ্ণ নতুন বিষয়, যাৰ বিষয়ে সৌ সিদিনাৰপৰাহে বিজ্ঞানীসকলে চিন্তা-চৰ্চ্চা কৰিবলৈ লৈছে। আনহাতে পেৰাচাইক'লজী বা পৰামনোবিদ্যাও বিজ্ঞানৰ কনিষ্ঠতম শিশু। গতিকে ইহলোক আৰু পৰলোকৰ মাজৰ যোগসূত্ৰৰ বিষয়ে নিশ্চিতভাৱে জানি উঠিবলৈ আমি হয়তো আৰু বছৰচেৰেক ধৈৰ্য্যেৰে বাট চাব লাগিব।

(৬)

বিদেহী আত্মাৰ অস্তিত্বৰ বিষয়ে অতি কৌতূহলোদ্দীপক খবৰ দিছে কণ্‌ষ্টেন্‌টিন ৰ'ডিভ (Konstantin Raudive) নামৰ লেট্‌ভিয়া দেশৰ মনস্তত্ত্ববিদ্ এজনে। তেওঁ পৰলোকগত আত্মাৰ কণ্ঠস্বৰ বাণীৱদ্ধ কৰিবলৈ সক্ষম হোৱা বুলি দাবী কৰিছে। মনস্তত্ত্ববিদ্ ৰ'ডিভে এদিন আৱিষ্কাৰ কৰিলে যে মাইক্ৰোফোনৰ জৰিয়তেই হওক বা ৰেডিঅ'ৰ গ্ৰাহক যন্ত্ৰৰ লগত পোনপটীয়া সংযোগ স্থাপনৰ দ্বাৰাই হওক, টেপত বাণী নিৱদ্ধ হৈ পৰাৰ পাছত সেই টেপটো বজাই দিয়া হ'লত টেপৰপৰা ভালেমান ওপৰঞ্চি শব্দ আৰু বাক্য উচ্চাৰিত হোৱা শুনিবলৈ পোৱা গৈছিল। কিন্তু টেপৰপৰা ওলোৱা এই ওপৰঞ্চি শব্দ বা বাক্যবিলাক ইমান ক্ষীণ বা অস্পষ্ট আছিল যে ইলেক্‌ট্ৰনিক কৌশল অৱলম্বন কৰি সেই শব্দ বা বাক্যবিলাক ডাঙৰ কৰি নুতুলিলে সিহঁতক বুজিবই নোৱাৰি। তথাপি সেয়া যে মানুহৰ কণ্ঠস্বৰ সেই বিষয়ে মনস্তত্ত্ববিদ্‌জন সুনিশ্চিত হৈ পৰিছিল। কিন্তু ৰ'ডিভে লগতে এইটোও লক্ষ্য কৰিছিল যে তাত উচ্চাৰিত বাক্যবিলাকৰ গঠন মানুহে সচৰাচৰ উচ্চাৰণ কৰা বাক্যতকৈ কিছু বেলেগ। ইয়াৰ দ্বাৰা তেওঁ অনুমান কৰিলে যে যি লোকৰ কণ্ঠস্বৰ তেনেদৰে টেপত নিৱদ্ধ হৈ পৰিছিল, তেওঁ-লোকৰ স্বৰযন্ত্ৰৰ সংগঠন আমাৰ স্বৰযন্ত্ৰৰ সংগঠনতকৈ নিশ্চয় কিছু বেলেগ। তাতোকৈ আশ্চৰ্য্যজনক আছিল এইটোৱে যে টেপৰপৰা ওলোৱা ওপৰঞ্চি বাক্যবিলাকৰ ভিতৰত কিছুমান বাক্য আছিল ৰ'ডিভে কৰা প্ৰশ্নৰ উত্তৰ স্বৰূপ।

এতিয়া প্ৰশ্ন হয়, টেপত শুনিবলৈ পোৱা ওপৰঞ্চি বাক্যবিলাক উচ্চাৰণ কৰিলে কোনে। মনস্তত্ত্ববিদ্ ৰ'ডিভে সেইবিলাক বিদেহী আত্মাৰ কণ্ঠস্বৰ বুলিয়ে ধৰি লৈছিল। ছ'বছৰকাল পৰীক্ষা চলাই অধ্যাপক ৰ'ডিভে বোলে এনেকুৱা সত্তৰ হাজাৰ ওপৰঞ্চি বাক্য টেপত ধৰি ৰাখিবলৈ সক্ষম হৈছিল। তেনে বাক্য উচ্চাৰণকাৰীসকলৰ ভিতৰত ৰ'ডিভে কেইজনমানক হেনো চিনাক্ত কৰিবও পাৰিছিল। চিনাক্ত হোৱাসকল আছিল মহাকবি গ্যেটে, মায়াকভস্কি, হিটলাৰ আৰু স্বয়ং ৰ'ডিভৰ মাতৃগৰাকী।

ৰ'ডিভৰ আৱিষ্কাৰৰ কথা চাৰিওফালে ৰাষ্ট্ৰ হৈ পৰিলত ভালেমান পদাৰ্থবিজ্ঞানী, জীৱবিজ্ঞানী আৰু মনস্তত্ত্ববিদে এই বিষয়টোক লৈ পৰীক্ষা-নিৰীক্ষাত ব্যস্ত হৈ পৰিল। তেওঁলোকে ৰ'ডিভ আৰু তেওঁ ব্যৱহাৰ কৰা যন্ত্ৰ-পাতিবিলাক তন্ন-তন্নকৈ পৰীক্ষা কৰিও কোনো কূট-কৌশল ধৰা পেলাব নোৱাৰিলে। শেহত বিজ্ঞানীসকলে ইংল্যাণ্ডৰ প্ৰখ্যাত ৰেকৰ্ডিং কোম্পানী এটাৰ ষ্টুডিঅ'ৰ ভিতৰত মনস্তত্ত্ববিদ্ ৰ'ডিভক আৱদ্ধ-কৰি ৰাখিলে, যাতে বাহিৰৰপৰা কোনো শব্দই তাত প্ৰৱেশ কৰিব নোৱাৰে। এইবাৰ পৰীক্ষক-সকলে নিজৰ নিজৰ টেপ লগত লৈ আহিছিল। ৰ'ডিভক সেইবিলাকৰ ওচৰলৈকে যাব দিয়া নহৈছিল, ছুবলৈ দিয়া দূৰৰে কথা। তদুপৰি ষ্টুডিঅ'ত হ'ব পৰা প্ৰতিটো বাহিৰা শব্দকে সুকীয়া সুকীয়াকৈ টেপত ধৰি ৰখাৰ ব্যৱস্থা কৰা হৈছিল। - ৰেডিঅ'ৰ প্ৰেৰক যন্ত্ৰত কেনেবাকৈ ওপৰঞ্চি তড়িৎ-প্ৰৱাহৰ সৃষ্টি হৈ পৰিলে তাক ধৰা পেলাবৰ কাৰণেও বিজ্ঞানীসকলে আৱশ্যকীয় কাৰ্য্যপন্থা আগতেই গ্ৰহণ কৰিছিল। টেপ ৰেকৰ্ডিং চলি থকা ওঠৰ মিনিট সময়ৰ ভিতৰত বোলে একো অথন্তৰ নঘটিল। কিন্তু আচৰিত কথা যে ইমান সতৰ্কতা অৱলম্বন কৰাৰ পাছতো বিদেহী আত্মাৰ কণ্ঠস্বৰ নিৰন্ধ কৰিবৰ কাৰণে ৰখা টেপটো যেতিয়া বজাই চোৱা হ'ল, তেতিয়া বোলে তাত ত্ৰিশ ওপৰঞ্চি বাক্য শুনিবলৈ পোৱা গ'ল। তাৰ কিছুমান বাক্য আৰু শব্দ ইমান স্পষ্ট হৈ পৰিছিল যে তাত উপস্থিত থকা সকলো মানুহেই শুনিবলৈ পাইছিল। এয়া সৌ সিদিনাৰ ১৯৭১ চনৰ কথা।

টেপত নিৰন্ধ হোৱা বাক্য আৰু ওপৰঞ্চি শব্দবিলাক যে মানুহৰ কণ্ঠনিঃসৃত তাত সন্দেহ নাই। তথাপি টেপত শুনিবলৈ পোৱা সেই শব্দ আৰু বাক্যবিলাক বিদেহী আত্মাৰ দ্বাৰা উচ্চাৰিত হৈছিল বুলি তাত উপস্থিত থকা বিজ্ঞানীসকলে মানি ল'ব নোৱাৰিলে। কাৰণ তেওঁলোকে দেখা পাইছিল যে যি ছ'টা ভাষাৰ শব্দ টেপত ধৰা পৰিছিল, সেই আটাইকেইটা ভাষাই ৰ'ডিভৰ জনা আছিল। গতিকে ৰ'ডিভে সজ্ঞানে কোনো কূট-কৌশল অৱলম্বন নকৰিলেও সম্ভৱতঃ তেওঁৰ প্ৰাক্‌চেতন কিম্বা অৱচেতন মনৰপৰা সেই ওপৰঞ্চি শব্দবিলাক অদৃশ্য তড়িৎ-চৌম্বক তৰঙ্গ হিচাপে উৎক্ষেপিত

হৈ টেপত নিৰন্ধ হৈ পৰিছিল। আমি আগতে পাই আহিছোঁ যে মস্তিষ্কৰ কাৰ্য্য-কলাপ তড়িৎধৰ্ম্মী। চিন্তাৰ তীব্ৰতা আৰু আবেগৰ মাত্ৰা অনুসৰি মস্তিষ্কৰ তড়িৎপ্ৰৱাহৰ তাৰতম্য ঘটি থাকে। গতিকে একহিচাপে বিজ্ঞানীসকলৰ অনুমান একেবাৰে ভিত্তিহীন বুলিও ক'ব নোৱাৰি। তদুপৰি টেড্ চেৰিয়চ্ আৰু মিখাইলোভাৰ অদ্ভুত কাৰ্য্যক্ষমতাৰ কথা বিজ্ঞানীসকলে পাহৰি যোৱা নাছিল। টেডে নিজৰ মনতে কল্পনা কৰা নক্সাবিলাক যদি অদৃশ্য উপায়েৰে ফিল্মত নিৰন্ধ হৈ পৰিব পাৰে, তেনেহ'লে অধ্যাপক ৰ'ডিভৰ নিৰ্জ্ঞান মনৰ চিন্তা তেওঁৰ সচেতন মনৰ অজ্ঞাতে বাক্যৰূপে টেপত নিৰন্ধ হৈ পৰিব নোৱাৰাৰ একো কাৰণ নাই। কিন্তু তেনে হৈছিল বুলি একো প্ৰমাণো নাই।

কিন্তু আমাৰ বিশ্বাস যে অজ্ঞাত লোকৰ কণ্ঠস্বৰ টেপত বাণীৰদ্ধ হোৱাৰ ঘটনাটো টেড্ চেৰিয়চ্ আৰু মিখাইলোভাৰ ক্ষেত্ৰত হোৱাৰ দৰে টেলিকাইনেচিচৰ ঘটনা নাছিল। কাৰণ টেড্ আৰু মিখাইলোভাই সচেতন মনেৰে আৰু ইচ্ছাকৃতভাৱেই তেওঁলোকৰ মনৰ শক্তিক বস্তুবিশেষত কেন্দ্ৰীভূত কৰি তুলিছিল। কিন্তু টেপত অজ্ঞাত লোকৰ কণ্ঠস্বৰ বাণীৰদ্ধ হৈ পৰাটো আছিল অধ্যাপক ৰ'ডিভৰ সচেতন ইচ্ছাবহিৰ্ভূত ঘটনা। তেনেহ'লে সেই শব্দবিলাক আহিল ক'ৰপৰা? এই প্ৰশ্নৰ উত্তৰ বিজ্ঞানীসকলে আজিও দিব পৰা নাই।

এতিয়ালৈকে কৰা আলোচনাৰপৰা দেখা গ'ল যে বিদেহী আত্মাৰ অস্তিত্ব যেনেকৈ পোনে পোনে অস্বীকাৰ কৰিব নোৱাৰি, তেনেকৈ বিদেহী আত্মা বা পৰলোক থকা বুলিও অকাট্য যুক্তি দাঙি ধৰিব নোৱাৰি। জগতত ভৌতিক ঘটনাৰ অলেখ দৃষ্টান্ত পোৱা যায়, কিন্তু সেইবিলাক যে নিৰ্ভেজাল ভৌতিক ঘটনা তাক প্ৰমাণ কৰা টান। কাৰণ অৱচেতন মনোলোক আৰু পৰলোকৰ মাজত সুস্পষ্ট সীমাৰেখা আঁকি দেখুৱাব নোৱাৰি।

—X—

সামৰণি

মনস্তত্ত্বক একালত অভিহিত কৰা হৈছিল চেতনা বিজ্ঞান (Science of Consciousness) বুলি। পিছলৈ তাক অভিহিত কৰা হৈছিল আচৰণ বিজ্ঞান (Science of behaviour) বুলি। পিছে ইয়াৰ কোনোটোৱেই মনস্তত্ত্বৰ উদ্দেশ্যৰ কথা সম্পূৰ্ণকৈ প্ৰকাশ নকৰে। মনস্তত্ত্বক চেতনা বিজ্ঞান বুলি অভিহিত কৰিলে মনৰ বৃহত্তৰ অচেতন দিশটোৰ কথা বাদ পৰি যায়। আনহাতে মনস্তত্ত্বক আচৰণ বিজ্ঞান বুলি ধৰি ল'লে মনৰ অস্তিত্বকে অস্বীকাৰ কৰাৰ নিচিনা হয়। আচৰণবাদে কেৱল বস্তুগত অধ্যয়ন আৰু বস্তুগত প্ৰমাণৰ ওপৰতহে আস্থা ৰাখে। কিন্তু মানুহৰ ভাব-চিন্তাবিলাক এনে বস্তু, যাৰ অস্তিত্ব মানুহে নিজেহে অনুভৱ কৰিব পাৰে। কাৰ মনত কি চিন্তা উদয় হৈছে, তাক বস্তুগতভাৱে জানি উঠা অসম্ভৱ বুলিয়ে ক'ব পাৰি। যি হেতুকে আচৰণবাদে চিন্তা, অনুভূতি আৰু ইচ্ছাৰ দৰে বিষয়ীগত উপলব্ধিৰ (Subjective experience) অস্তিত্ব স্বীকাৰ কৰিব নোখোজে, সেই হেতুকে আচৰণবাদৰ বুকুত প্ৰেম-প্ৰীতি, ধৰ্ম্মবোধ, সহানুভূতি আদি মানৱীয় অনুভূতিৰ সন্ধান কৰিবলৈ গ'লে আপুনি হতাশ হ'ব লাগিব। আনকি চেতনাৰ ওপৰতো আচৰণবাদে কোনো গুৰুত্ব আৰোপ নকৰে। আচৰণবাদীসকলে ভাবে যে যি হেতুকে উদ্বোধক —প্ৰতিক্ৰিয়াৰ সূত্ৰৰ (Stimulas—Response formula) সহায়তে মানুহ বা ইতৰ প্ৰাণীৰ আচৰণৰ আঁতি-গুৰি আৱিষ্কাৰ কৰিব পাৰি, সেই হেতুকে মন আৰু চেতনাৰ প্ৰশ্ন তুলি অযথা জটিলতাৰ সৃষ্টি কৰা নিষ্প্ৰয়োজন। কিন্তু ১৯ শতিকাৰ যন্ত্ৰবাদৰ চিন্তাধাৰাৰ ওপৰত ভিত্তি কৰি গঢ় লোৱা আচৰণবাদে মনস্তত্ত্বক বিশুদ্ধ বিজ্ঞানৰ পৰ্য্যায়ভুক্ত কৰিবলৈ অশেষ কুস্তি-কছৰৎ প্ৰদৰ্শন কৰিও আজিলৈকে কৃতকাৰ্য্য হ'ব পৰা নাই। লগতে মনৰ ৰহস্য উদ্ঘাটন কৰাৰ ক্ষেত্ৰতো ই সম্পূৰ্ণ বিফল হৈছে বুলিয়ে ক'ব পাৰি।

আনহাতে মনোৰীক্ষণতত্ত্ব বা চাইক'-এনালিচিচৰ আবেদন জগত জোৰা। মনোৰীক্ষণতত্ত্বক ডেফ্‌থ্‌ চাইক'লজী (Depth psychology) বুলিও কোৱা হয়। কাৰণ ই সচেতন মনৰ কাৰ্য্য-কলাপৰ অধ্যয়নতকৈ মনৰ গভীৰ স্তৰৰ কাৰ্য্য-কলাপৰ অধ্যয়নৰ ওপৰতহে বেছি গুৰুত্ব আৰোপ কৰে। একালত মানসিক ৰোগ চিকিৎসাৰ কৌশল হিচাপে ডাঃ ফ্ৰয়েডৰ দ্বাৰা আৱিষ্কৃত মনঃসমীক্ষণ আজি মানসিক ৰোগীৰ চিকিৎসাৰ ক্ষেত্ৰতে সীমাৱদ্ধ হৈ থকা নাই। কাব্য, সাহিত্য, শিক্ষা আদি নানা দিশলৈ ফ্ৰয়েডৰ মতবাদৰ সম্প্ৰসাৰণ ঘটিছে আৰু লগতে ফ্ৰয়েডৰ মতবাদ শিক্ষাবিদ্‌, সাহিত্যিক আৰু সাহিত্য সমালোচকৰ ড্ৰয়িংৰুমৰ আলোচনাৰ বিষয় হৈ পৰিছে। মনো-ৰীক্ষণতত্ত্বৰ এই বিপুল জনপ্ৰিয়তাৰ ঘাই কাৰণ বোধকৰোঁ এইটোৱে যে যুগে যুগে অশ্লীল বুলি পৰিগণিত হৈ অহা যৌন কামনাক ফ্ৰয়েডে মানুহৰ মনত গুৰুত্বপূৰ্ণ স্থান দিয়াতে ক্ষান্ত নাথাকি তেওঁ তাক মানুহৰ মনৰ গতিনিৰ্দ্দেশক বুলি অভিহিত কৰি পেলাইছিল, যাৰ পৰিণামত ফ্ৰয়েড সেই যুগৰ চিকিৎসক সমাজতো কটু সমালোচনাৰ পাত্ৰ হৈ পৰিব লগা হৈছিল। আনকি ডাঃ চি. জি. য়ুঙৰ দৰে প্ৰখ্যাত মনোবিজ্ঞানীয়েও এই বুলি মন্তব্য কৰিছিল—"Before Freud nothing was allowed to be sexual ; now everything is nothing but sexual !" ইয়াৰ বাবে ফ্ৰয়েডৰ অত্যুৎসাহী শিষ্যসকলহে যে দায়ী আছিল তেনে নহয়। ফ্ৰয়েড নিজেও তাৰ বাবে কম দায়ী নাছিল। কাৰণ তেওঁৰ ৰচনাবিলাকত ফ্ৰয়েডে চেক্স (Sex) আৰু লিবিডো (Libido) এই শব্দ দুটাক ঠায়ে ঠায়ে অতি শিথিলভাৱে ব্যৱহাৰ কৰিছিল। তদুপৰি কোনো কোনো ক্ষেত্ৰত ফ্ৰয়েডে একেটা শব্দকে বিভিন্ন অৰ্থত ব্যৱহাৰ কৰা কাৰণেও মানুহৰ মনত ভুল ধাৰণাৰ সৃষ্টি হৈ পৰিছিল। ফ্ৰয়েডৰ বিবেচনা মতে যৌন বাসনা আৰু ৰমণ বাসনা যে সদায় সমাৰ্থক নহয়, সেই কথা বহুতে আজিও বুজিবলৈ টান পায়।

যি হওক মানুহৰ মনত যৌন কামনাৰ গুৰুত্ব উপলব্ধি কৰাতে ডাঃ ফ্ৰয়েড ক্ষান্ত থকা নাছিল। মানুহৰ মনৰ ভাব-চিন্তাক বিশ্লেষণ কৰি গৈ থাকোঁতে ফ্ৰয়েড শেষত এনে এখন মনোলোকত উপস্থিত হৈ পৰিছিল, যিখন মনোলোক

একান্ত নৈৰ্ব্যক্তিক আৰু অচৈতন্য অন্ধকাৰত নিমজ্জিত। কিন্তু মানুহৰ মনৰ এই অচেতন আৰু নৈৰ্ব্যক্তিক দিশটোৰ অনুসন্ধানত ফ্ৰয়েড বেছি দূৰ অগ্ৰসৰ নহ'ল। কাৰণ ফ্ৰয়েড আছিল মুখ্যতঃ মানসিক ৰোগীৰ চিকিৎসক। সম্ভৱতঃ ফ্ৰয়েডে তেওঁ চিকিৎসা কৰা উন্মাযুগ্ৰস্ত ৰোগীসকলৰ ৰোগোৎপত্তিৰ কাৰণ-সমূহ ৰোগীৰ সচেতন আৰু ব্যক্তিগত অৱচেতন মনতে বিচাৰি পোৱা হেতুকে অৱচেতন মনৰ অধিক গভীৰতাত প্ৰৱেশ কৰিবৰ কাৰণে তেওঁ প্ৰয়োজন বোধ নকৰিলে। মনোবিজ্ঞানী ডাঃ য়ুঙে ইয়াৰ আন এটা কাৰণ থকা বুলিও ভাবে। ডাঃ য়ুঙৰ মতে ফ্ৰয়েডে মানুহৰ সমষ্টিগত অৱচেতন মনৰ আদিম হিংস্ৰ ৰূপটোহে দেখা পাইছিল আৰু সেই কাৰণে সেই মনৰ সংস্পৰ্শৰপৰা আঁতৰি আহি চেতন মনৰ বুকুত নিৰাপদ আশ্ৰয় বিচাৰিছিল। কাৰণ আমাৰ চেতন মনটো হৈছে যুক্তিৰ দ্বাৰা পৰিচালিত আৰু পৰিশোধিত নিৰাপদ মন।

অৱচেতন মনৰ প্ৰকৃতি আৰু লিবিডো সম্পৰ্কে ফ্ৰয়েড আৰু য়ুঙে বিভিন্ন অভিমত পোষণ কৰে। ডাঃ য়ুঙে অৱচেতন মনক কেৱল পৰিত্যক্ত চিন্তাৰ ভঁৰাল, কিম্বা আদিম সংস্কাৰ আৰু আদিম প্ৰৱণতাৰ আধাৰ বুলি নাভাবে। লিবিডোকো ডাঃ য়ুঙে ফ্ৰয়েডে ভবাৰ দৰে কামশক্তি (Sexual Energy) বুলিও নাভাৱে। য়ুঙৰ মতে লিবিডো প্ৰাণশক্তিৰ (Life force) নামান্তৰ মাথোন। আমি লিবিডোৰ জৈৱিক দিশটোক জৈৱিক প্ৰজ্ঞা বুলি অভিহিত কৰিছোঁ আৰু Cannon নামৰ বিজ্ঞানীজনে তাকে 'Wisdom of the body' বুলি কৈছে। আকৌ বৌদ্ধ তন্ত্ৰশাস্ত্ৰত সম্ভৱতঃ ইয়াকে অমানসিক চৈতন্য (non-mental consciousness) বুলি অভিহিত কৰা হৈছে। বৌদ্ধ তন্ত্ৰশাস্ত্ৰ মতে আমাৰ শৰীৰৰ অভ্যন্তৰত থকা স্নায়ুচক্ৰসমূহ, বিশেষকৈ পেটৰ ভিতৰত থকা সৌৰ চক্ৰটো (Solar Plexus) এনেকুৱা অমানসিক চৈতন্যৰ উৎপত্তিকেন্দ্ৰ।

আচৰণবাদীসকলে জীৱন্ত প্ৰাণীৰ আচৰণ যে উদ্দেশ্যধৰ্মী সেই কথা স্বীকাৰ নকৰে। আনকি লাইফ্ ফোৰ্চ বা প্ৰাণশক্তিৰ অস্তিত্ব স্বীকাৰ কৰিবলৈকো আচৰণবাদীয়ে কুণ্ঠা বোধ কৰে। কিন্তু আমি জানো যে আমি দেখা সকলো ঘটনা বা সকলো পৰিৱৰ্ত্তনৰ মূলতে থাকে শক্তিৰ পৰিমাণৰ

তাৰতম্য, কিম্বা শক্তিৰ ৰূপান্তৰ। শৰীৰ বা মনৰ ক্ষেত্ৰতো তাৰ ব্যতিক্ৰম হ'ব নোৱাৰে। কিন্তু আমাৰ আত্মচেতনা কিহৰ ৰূপান্তৰ? ভ্ৰূণ-শৰীৰত মস্তিষ্কৰ সংগঠন সম্পূৰ্ণ হৈ পৰাৰ পাছত এদিন অকস্মাতে তাত চেতনাৰ আৱিৰ্ভাৱ ঘটিল বুলি ভাবি লোৱাৰ কোনো যুক্তি নাই; যেনেকৈ কোনো যুক্তি নাই হৃৎস্পন্দন আৰম্ভ হোৱা দিনৰপৰাহে গৰ্ভস্থ শিশু জীৱন্ত সত্তাত পৰিণত হয় বুলি ভাবি লোৱাৰ। কাৰণ নিষিক্ত কোষটো এটা জীৱন্ত সত্তা। পিতৃ আৰু মাতৃৰ শৰীৰৰপৰা অহা শুক্ৰকোষ আৰু ডিম্বকোষো জীৱন্ত সত্তা। জীৱন্ত সত্তা নহ'লে জীৱাঙ্কুৰটোৰ বিকাশ কেনেকৈ সম্ভৱ হ'ব পাৰে?

কিন্তু চেতনা কি? উনৈশ শতিকাৰ বিজ্ঞানীয়ে ভাবিছিল যে মস্তিষ্কত থকা লক্ষ লক্ষ স্নায়ুতন্তুয়েদি স্নায়ুপ্ৰৱাহে গতি কৰিবৰ বেলিকা সিহঁত উত্তপ্ত হৈ পৰা কাৰণে মস্তিষ্কৰপৰা একপ্ৰকাৰ পোহৰ বাহিৰ হয়, যিহক তেওঁলোকে স্নায়ু-জ্যোতি (nerve glow) বুলি অভিহিত কৰিছিল। সেই স্নায়ু-জ্যোতিয়েই হেনো চেতনাৰূপে প্ৰতীয়মান হয়। তৰ্কৰ খাতিৰত যেনিবা ধৰি লোৱা হ'ল যে মস্তিষ্কৰ কাৰ্যাৰত অৱস্থাটোৱে মন (Mind is brain in action)। তেতিয়াও আমাৰ মনত প্ৰশ্ন জাগে যে লক্ষ লক্ষ স্নায়ুকোষ আৰু স্নায়ুতন্তুৰে ভৰা মস্তিষ্কৰ দৰে জটিল আৰু অদ্ভুত কাৰ্য্য-ক্ষমতাসম্পন্ন যন্ত্ৰ এটা মাত্ৰ দুশ আশীটা দিনৰ ভিতৰতে নিৰ্ম্মিত হৈ পৰিল কিদৰে? গতিকে আমি এনেদৰে ভাবিবলৈ বাধ্য হৈ পৰোঁ যে আমাৰ মনোদৈহিক সংগঠন আৰু বিকাশৰ মূলতে থাকে এটা দুৰ্জ্ঞেয় শক্তি, যি শক্তি প্ৰজনন কোষটোত নিহিত থাকে। সেই নিষিক্ত কোষটোৰপৰা উৎপত্তি হোৱা ভ্ৰূণকোষবিলাকৰ যেন পূৰ্ব্বৰেপৰা জনা থাকে সিহঁতৰ কোনটোৱে ভৱিষ্যতে কি ভূমিকা গ্ৰহণ কৰিব লাগিব। নিষিক্ত কোষৰ অন্তৰ্নিহিত এই দুৰ্জ্ঞেয় শক্তিটোক আপুনি জীৱাত্মা বুলিব নে আন কিবা বুলিব সেইটো সুকীয়া প্ৰশ্ন।

বিজ্ঞানৰ অগ্ৰগতিৰ কাৰণে যিটো বস্তু নিতান্ত অপৰিহাৰ্য্য, সেই বস্তুটো হৈছে অনিশ্চয়তা। বিজ্ঞানে যেতিয়াই নিজে আৱিষ্কাৰ কৰা তথ্য বা সূত্ৰ একোটাক চৰম সত্য জ্ঞান কৰি তাতে আঁকোৰগোঁজ হৈ লাগি ৰয়, তেতিয়াই

বিজ্ঞানৰ অগ্ৰগতি ব্যাহত হৈ পৰে। বিশেষকৈ জীৱতত্ব আৰু মনস্তত্বৰ আলোচনাৰ ক্ষেত্ৰত আঁকোৰগোঁজ মনোভাৱ সৰ্ব্বতোভাৱে পৰিত্যাজ্য। জীৱন্ত প্ৰাণীৰ শৰীৰৰ অভ্যন্তৰত মুহূৰ্ত্তে মুহূৰ্ত্তে পৰিৱৰ্ত্তন ঘটি থাকে। গতিকে বাহিৰৰপৰা জীৱন্ত প্ৰাণীৰ শৰীৰটো একে যেন দেখা গ'লেও দুটা বিভিন্ন মুহূৰ্ত্তৰ শাৰীৰিক অৱস্থা কেতিয়াও হুবহু একে হ'ব বুলি আমি আশা কৰিব নোৱাৰোঁ। মানস ক্ষেত্ৰত ভাব-চিন্তাৰ পৰিৱৰ্ত্তনৰ গতি আৰু ক্ষিপ্ৰতৰ। সেয়েহে কোনো এটা চিন্তা চেতনাৰ পটত জাগি উঠা মুহূৰ্ত্ততে তাৰ প্ৰতি মনোযোগী হৈ পৰা অসম্ভৱ বুলিয়ে ক'ব পাৰি। দাৰ্শনিক কৃষ্ণমূৰ্ত্তিয়ে কয়—'All introspections are retrospections' চিন্তাৰ দ্বাৰা মনৰ অতীত অৱস্থাকহে জানিব পাৰি। বৰ্ত্তমানক নহয়।

"You cannot know but what is over. You cannot know or analyse your thoughts unless it is no more. You cannot know a living thing which at every moment is alive, vital and creative. When in self consciousness the 'I' wants to know itself it comes to know only its own past. Please see the importance of the fact that truth is not something that can be known."

মনক প্ৰত্যক্ষভাৱে জানি উঠিবৰ কোনো সুনিশ্চিত উপায় নাই কাৰণেই মনস্তত্ব আজিও 'নানা মুনিৰ নানা মত'ৰ অৱস্থাতে ৰৈ আছে। একে মনকে বিভিন্ন দৃষ্টিকোণেৰে নিৰীক্ষণ কৰিবলৈ লোৱাৰ ফলস্বৰূপে মনস্তত্বত নানা মতবাদৰ সমাৱেশ ঘটিছে। আচৰণবাদে গুৰুত্ব আৰোপ কৰে শিক্ষাৰ (Learning) ওপৰত, আকৃতিবাদ বা গেষ্টল্ট চাইক'লজীয়ে (Gestalt Psychology) প্ৰত্যক্ষৰ ওপৰত, আৰু চাইক' এনালিচিচ্ বা মনোৱীক্ষণতত্বই গুৰুত্ব আৰোপ কৰে নিৰ্জ্ঞান অভিপ্ৰায়ৰ (Unconscious Motivation) অধ্যয়নৰ ওপৰত। অৱশ্যে মনোৱীক্ষণ-তত্বই সচেতন চিন্তা-অভিপ্ৰায়কো আলোচনাৰপৰা বাদ দি থোৱা নাই। আৰু আচৰণবাদৰ মতে চিন্তা হেনো নিঃশব্দ কথোপকথনহে (Sub-vocal talking)। কাৰণ আমি ভাষা অৰ্থাৎ যি ধ্বনি প্ৰতিৰূপৰ সহায়ত

চিন্তা কৰোঁ, সেই ধ্বনি প্ৰতিৰূপ আমাৰ স্বৰযন্ত্ৰৰ ক্ষুদ্ৰ ক্ষুদ্ৰ পেশীবিলাকৰ কম্পনৰ ফল। তাৰ মানে এয়ে নেকি যে আমি মনেৰে চিন্তা নকৰি কণ্ঠেৰে চিন্তা কৰোঁ ? মনোবিজ্ঞানী ডাঃ উইলিয়াম্ জেম্‌চে চিন্তাৰ প্ৰকৃতিৰ বিষয়ে কি কৈছে তালৈ মন কৰক।

(ক) প্ৰতিটো ভাব-চিন্তা ব্যক্তিগত চেতনাৰ অবিচ্ছেদ্য অংশ।

(খ) ব্যক্তিগত চেতনাৰ বুকুত ভাব-চিন্তাৰ অহৰহ পৰিৱৰ্ত্তন ঘটি থাকে।

(গ) চেতনাৰ বুকুত চিন্তাৰ প্ৰৱাহ নিৰৱচ্ছিন্ন ঘটনা। অৰ্থাৎ চেতনাৰ পটত আৱিৰ্ভাৱ হোৱা ঘটনাবিলাকৰ মাজত সময়ৰ ছেদ নাথাকে।

(ঘ) ই সততে নিজৰপৰা স্বতন্ত্ৰ বিষয়ৰ লগত সম্পৰ্ক স্থাপন কৰে।

(ঙ) চেতনাৰ কাৰ্য্য নিৰ্ব্বাচনমূলক।

চেতনা স্ৰোতৰ (Stream of consciousness) বিষয়ে ডাঃ জেম্‌চে কোৱা এই কথা কেইটা জাগ্ৰত চেতনাৰ ক্ষেত্ৰতহে প্ৰযোজ্য। অহংবোধৰ বিষয়ে আলোচনা কৰোঁতেও অহংবোধৰ এই কেইটা বৈশিষ্ট্যকে আমি দেখা নাছিলোঁ জানো ? মুঠতে অহংবোধ আৰু চেতনা অভিন্ন। নক'লেও হ'ব যে ডাঃ জেম্‌চে ইয়াত চিন্তা শব্দটো অতি শিথিলভাৱেহে ব্যৱহাৰ কৰিছে, অৰ্থাৎ চিন্তা শব্দটোৰ দ্বাৰা অনুভূতি আৰু ইচ্ছাৰ দৰে মানসিক ঘটনাৰ কথাকো বুজাব খোজা হৈছে। প্ৰাচীনপন্থী মনোবিজ্ঞানীসকলে মানুহৰ মনৰ চিন্তা, অনুভূতি আৰু ইচ্ছাৰ দৰে মানসিক ঘটনাৰ অন্তৰালত বোধশক্তি, অনুভৱশক্তি, ইচ্ছাশক্তি এনেকুৱা বিবিধ শক্তিৰ অস্তিত্ব কল্পনা কৰিছিল। কিন্তু কুৰি শতিকাৰ মনোবিজ্ঞানীয়ে ভাবে যে মনক এনেদৰে ভাগ ভাগ কৰি মানসিক ঘটনাৰ আঁতি-গুৰি ঠাৱৰ কৰিবলৈ চেষ্টা কৰা পণ্ডশ্ৰম মাথোন। কাৰণ মানুহৰ মনে একক সত্তা স্বৰূপেহে কাৰ্য্য নিৰ্ব্বাহ কৰে। গতিকে চিন্তা, অনুভূতি আৰু ইচ্ছাৰ দৰে মানসিক ঘটনাবিলাকক আমি সমুদ্ৰপৃষ্ঠৰ ঢৌৰ লগত তুলনা কৰিলেহে বেছি শুৱায়। আমি জানো যে সমুদ্ৰৰ ঢৌবিলাক সমুদ্ৰৰ পানীৰপৰা পৃথক বস্তু নহয়। আকৌ দেখাত পৃথক হ'লেও সমুদ্ৰৰ ঢৌবিলাকৰ এটা ঢৌ আন এটাত বিলীন হৈ যায়। তেনেদৰে চিন্তা, অনুভূতি আৰু ইচ্ছাৰ

দৰে মানসিক ঘটনাবিলাকো একেটা মনৰে বিভিন্ন অৱস্থা মাথোন। মনৰ বুকুতে এই ঘটনাবিলাকে জন্ম পায়, আকৌ মনৰ বুকুতে সিহঁত লীন হৈ যায়।

কিন্তু এয়ে শেষ কথা নহয়। কাৰণ চেতনাৰো নানা স্তৰ থাকে। ঊনবিংশ শতাব্দীৰ শেষৰ ফালে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰখ্যাত মনোবিজ্ঞানী ডাঃ উইলিয়াম্ জেম্‌চে সম্ভৱতঃ চাইক' এনালিচিচৰ জন্মৰ পূৰ্ব্বেই এনেদৰে লিখিছিল—

"It is that our waking consciousness, rational consciousness as we call it, is but one special type of consciousness, whilst all about, parted from it by filmiest screens there lie potential forms of consciousness entirely different···No account of the Universe in its totality can be final which leaves these other forms of consciousness quite disregarded.*

এই 'Potential consciousness' বা প্ৰসুপ্ত চেতনাৰ স্তৰবিলাক জীৱন কালত আমাৰ দৃষ্টিত ধৰা নপৰাকৈয়ে থাকি যায়। আলডুচ্ হাক্স্‌লিয়ে এবাৰ মেচ্‌কালিন্ (mescalin) নামৰ ঔষধবিধ সেৱন কৰি নিজ মনৰ প্ৰসুপ্ত চেতনাৰ স্তৰসমূহক জগাই তুলিবলৈ চেষ্টা কৰিছিল। ঔষধটোৱে তেওঁৰ মস্তিষ্কৰ ওপৰত ক্ৰিয়া কৰাৰ ফলত তেওঁ অজস্ৰ ৰং-বেৰঙৰ নোহোৱা-নোপজা ঘটনা চকুৰ আগতে ঘটা দেখা পাইছিল। কিন্তু এই ঘটনাবিলাক ইতিপূৰ্ব্বে ক'ত লুকাই আছিল? সিহঁত নিশ্চয় মস্তিষ্কৰ লক্ষ-লক্ষ স্নায়ুকোষৰ গৰ্ভত অজস্ৰ 'চিন্তা-সম্ভাৱনা' স্বৰূপেই লুকাই আছিল। এনেবিধ পৰীক্ষাৰ ফলাফল দেখি বিদগ্ধ পণ্ডিত আৰু দাৰ্শনিক বাৰ্ট্ৰেণ্ড্ ৰাচেলৰ উক্তি এটালৈ আমাৰ মনত পৰে। বাৰ্ট্ৰেণ্ড্ ৰাচেলে কয় যে আমাৰ মস্তিষ্কৰ প্ৰতিটো অংশ একো একো শ্ৰেণীৰ ঘটনাৰ সমষ্টি আৰু আমাৰ ভাব-চিন্তাবিলাকো সেই ঘটনাৰাজিৰ অন্তৰ্ভুক্ত।

"Each region of the brain is a class of events and

* Varieties of Religious Experience—*Dr. William James.*

among the class of events constituting a region thoughts are included."

বৰ্ত্তমান শতিকাটো বিশ্লেষণ আৰু পৰীক্ষা-নিৰীক্ষাৰ যুগ। আজিৰ যুগৰ মনোবিজ্ঞানীৰ দৃষ্টি বহুদূৰলৈ সম্প্ৰসাৰিত হৈ পৰিছে। আজিৰ যুগৰ জীৱবিজ্ঞানীয়ে কিছুমান খনিজপদাৰ্থ, আনকি স্ফটিকৰ (Crystal) বুকুতো প্ৰাণৰ ক্ষীণ স্পন্দন ধৰা পেলাবলৈ সক্ষম হৈ পৰিছে। তেওঁলোকে দেখা পাইছে যে উদ্ভিদেও মানুহৰ মনোভাৱ বুজিব পাৰে। আকৌ সঁহাৰি দিবও জানে। আজিৰ যুগৰ মনোবিজ্ঞানীয়ে এইটো ভালদৰে উপলব্ধি কৰিব পাৰিছে যে সচেতন মানসস্তৰত মন এটা পৰিসীমিত সত্তা। বৰ্ত্তমানক লৈয়ে ইয়াৰ সকলো কাৰবাৰ। পাৰ্থিৱ জীৱনত আহৰণ কৰা অভিজ্ঞতা, পাৰ্থিৱ জীৱনৰ সুখ-দুখ আৰু সফলতা-বিফলতাক লৈয়ে এই মন সততে ব্যতিব্যস্ত। কিছুমান বিশ্বাস, কিম্বা বদ্ধমূল ধাৰণাক সম্বল কৰিয়ে এই মনে জীয়াই থাকিবলৈ বিচাৰে। পৰিৱৰ্ত্তনক ই যেন ভয়ৰ চকুৰে চায়। গতানুগতিক সাংসাৰিক জীৱন যাপন কৰিবৰ কাৰণে সেইখিনিয়ে হয়তো যথেষ্ট হৈ পৰে। কিন্তু জিড্ডু কৃষ্ণমূৰ্ত্তিয়ে ক'বৰ দৰে—"To reach the fourth dimension of existence, the mind instead of moving along the horizontal plane, must learn to shoot up vertically as it were and explode for the timeless, for the unknown to be." অৰ্থাৎ অজানাক জানিবলৈ হ'লে মনৰ গতি হ'ব লাগিব ঊৰ্দ্ধমুখী। অকল জনাৰ ৰাজ্যত বিচৰণ নকৰি অজানাক আদৰণি জনাবৰ কাৰণে মনে নিজক প্ৰস্তুত কৰি তুলিব লাগিব।

কৃষ্ণমূৰ্ত্তিৰ লক্ষ্য হৈছে গতানুগতিক অভিজ্ঞতাচালিত মনৰ পৰিৱৰ্ত্তে অন্তঃপ্ৰজ্ঞাচালিত মন (Intuitive mind) এটাৰ গৰাকী হ'বলৈ মানুহক সমৰ্থৱান কৰি তোলা। কাৰণ এই মন কোনো এটা বিশেষ যুগৰ ধ্যান-ধাৰণাৰ দ্বাৰা পৰিসীমিত মন নহয়। এই মনে অজান ভৱিষ্যতক জনাৰ আহিত কল্পনা কৰি নলয়।

কিন্তু দেখা যায় যে কুৰি শতিকাৰ মনস্তত্ত্ব বিষয়ক আৱিষ্কাৰসমূহে মানুহক যেন অনিশ্চয়তাৰ বুকুলৈহে ঠেলি দিছে। খোপনি ল'বলৈ যেন

ক'তো এডোখৰ ঠাই নাই। পৰীক্ষাৰ পিছত পৰীক্ষা চলাই আজিৰ যুগৰ মনোবিজ্ঞানীয়ে চেতন আৰু অৱচেতন মনৰ সীমা অতিক্ৰম কৰি মনোলোকৰ এক ধুঁৱলী-কুঁৱলী অচিন দিগন্তত উপস্থিত হৈছে, যিহক তেওঁলোকে অৱচেতনাতীত মন (Psi level of psychical functioning) বুলি অভিহিত কৰিছে। ইচ্ছা কৰিলে আপুনি তাক 'আল্‌ট্ৰাচাইকিক্' (ultrapsychic) মনোলোক বুলিও অভিহিত কৰিব পাৰে। ৰাতিৰ নক্ষত্ৰখচিত নীলাকাশৰ দৰে এই মন দিগন্ত প্ৰসাৰী। সমষ্টিগত অৱচেতনাৰ দৰে এই মনো যেন স্থানাতীত, কালাতীত আৰু নৈৰ্ব্যক্তিক। এই মনৰ বুকুত আপোনাৰ চিৰপৰিচিত 'মই'ক আপুনি বিচাৰি নাপায়। হয়তো ইয়াৰ সিপাৰেও মনৰ বিস্তৃতি থাকে, যিহৰ বিষয়ে আমি একোকে অনুমান কৰিব নোৱাৰোঁ। বিশ্ব-ব্ৰহ্মাণ্ড অসীম আৰু অনন্ত। সুতৰাং বহুমাত্ৰাবিশিষ্ট—Multidimensional. এনে এখন আদি-অন্তহীন ব্ৰহ্মাণ্ডত মনৰ প্ৰকাশ বহুমুখী হোৱাই স্বাভাৱিক।

অৱশ্যে বিজ্ঞানৰ অন্যান্য ক্ষেত্ৰতো একে অনিশ্চয়তাৰ লক্ষণ দেখিবলৈ পোৱা গৈছে। পদাৰ্থবিদ্যাৰ দৰে বিশুদ্ধ বিজ্ঞানৰ ক্ষেত্ৰতো ঊনৈশ শতিকাৰ নিশ্চয়তাবাদৰ স্থান দখল কৰি পেলাইছে কুৰি শতিকাৰ পদাৰ্থবিজ্ঞানী হাইচেনবাৰ্গৰ 'Principle of Indeterminacy' বা অনিশ্চয়তাবাদৰ সূত্ৰই। নতুন যুগৰ ন ন আৱিষ্কাৰ আৰু নতুন নতুন চিন্তাই পুৰণি যুগৰ বৈজ্ঞানিক ধ্যান-ধাৰণাৰ ভালেখিনি পৰিৱৰ্ত্তন সাধন কৰিছে। সাধাৰণ ফিজিক্সৰ ঠাইত আজি আমি পাইছোঁ মাইক্ৰো ফিজিক্স্ আৰু বায়োলজিৰ ঠাইত মাইক্ৰো বায়োলজি। একালৰ পদাৰ্থবিজ্ঞানীৰ ধাৰণাত জড়পৰমাণু আছিল শাশ্বত আৰু অবিভাজ্য। কিন্তু কুৰি শতিকাৰ পদাৰ্থবিজ্ঞানীয়ে সেই জড়পৰমাণু ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰি তাৰ ঠাইত দেখা পাইছে শক্তি তৰঙ্গ তথা সম্ভাৱনা তৰঙ্গৰ (Waves of Probability) খেলা। হয়তো অদূৰ ভৱিষ্যতে এই সম্ভাৱনা তৰঙ্গই বিজ্ঞানীৰ দৃষ্টিত চৈতন্য তৰঙ্গ (Waves of consciousness) ৰূপে আত্ম-প্ৰকাশ কৰিব আৰু সেয়ে হ'লে স্থূল পদাৰ্থজগতে নিজৰ স্থূলত্ব আৰু জড়ত্ব পৰিহাৰ কৰি বিজ্ঞানীৰ দৃষ্টিত এক বিৰাট চৈতন্য সত্তাৰ ৰূপ ধাৰণ কৰিব।

তেনেহ'লে কুৰি শতিকাৰ বিজ্ঞান ক্ৰমান্বয়ে ভাববাদৰ কাষ চাপি আহিছে নেকি? বিখ্যাত পদাৰ্থবিজ্ঞানী আৰু জ্যোতির্ব্বিদ পণ্ডিত চাৰ আৰ্থৰ এডিংটনে তেনে এটা আশাকে মনত পোষণ কৰিছে। এডিংটন চাহাবে কৈছে—"We are now on the border land of the spiritual and material worlds as approached from the side of the latter" অৰ্থাৎ আমি আজি পদাৰ্থজগত আৰু আধ্যাত্মিক জগতৰ উমৈহতীয়া সীমাত উপস্থিত হৈছোঁহি। বেদান্ত শাস্ত্ৰই কাহানিবাই কৈ গৈছে যে এক অনাদি অনন্ত চৈতন্যময় পৰম সত্তাৰপৰাই পৰিদৃশ্যমান বিশ্ব-ব্ৰহ্মাণ্ডৰ সৃষ্টি হ'বলৈ পালে আৰু এতিয়াৰপৰা শ শ কোটি বছৰৰ অন্তত বিশ্ব-ব্ৰহ্মাণ্ড পুনৰ সেই চৈতন্য-সমুদ্ৰত বিলীন হৈ যাব। অৱশ্যে বেদান্তৰ মতে বিশ্ব-ব্ৰহ্মাণ্ডৰ পৰিদৃশ্যমান ৰূপটো অবিদ্যা বা মায়াৰ সৃষ্টি। কুৰি শতিকাৰ মনোবিজ্ঞানীয়েও ভাবে যে আমাৰ সচেতন প্ৰত্যক্ষ মাত্ৰই প্ৰাক্‌চেতন আৰু অচেতন মনত পূৰ্ব্বৰেপৰা লুকাই থকা স্মৃতি বা ধাৰণাৰ দ্বাৰা অনুৰঞ্জিত হৈ পৰা হেতুকে জগতৰ আচল ৰূপটো আমি দেখা পাব নোৱাৰোঁ। ইয়াৰ দ্বাৰা কুৰি শতিকাৰ মনোবিদ্যাই প্ৰকাৰান্তৰে বেদান্তৰ মতকে সমৰ্থন কৰিছে। একালত মনোবিদ্যা আধ্যাত্মতত্ত্ব তথা দৰ্শন শাস্ত্ৰৰ অঙ্গীভূত আছিল। কুৰি শতিকাৰ মনোবিদ্যাই দৰ্শনৰ বুকুৰপৰা আঁতৰি আহি বিজ্ঞানৰূপে নিজক প্ৰতিষ্ঠা কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিলেও ই দৰ্শনৰ লগত নিজৰ সম্পৰ্ক ছেদ কৰিবলৈ সক্ষম হোৱা নাই। মনোবিদ্যা বিজ্ঞানৰ সৰ্ব্বকনিষ্ঠ সন্তান, যি এতিয়াও নিজৰ শৈশৱ অতিক্ৰম কৰিব পৰা নাই। ক'বলৈ গ'লে গেলিলিওৰ যুগত চিকিৎসা বিজ্ঞানৰ যি অৱস্থা আছিল, কুৰি শতিকাৰ মনোবিদ্যা এতিয়াও তেনে এটা অৱস্থাতে আছে। কিন্তু 'ultrapsychic' তথা অৱচেতনাতীত মনোলোক এখনৰ অস্তিত্ব মানি লোৱাৰ পাছত কুৰি শতিকাৰ মনোবিদ্যা যেন পুনৰ আধ্যাত্মবাদৰ কাষ চাপি আহিছে আৰু আধ্যাত্মবাদে কোৱা সূক্ষ্ম 'Spiritual Universe' এখনৰ অস্তিত্বত ক্ৰমে বিশ্বাসী হৈ পৰিছে। আধুনিক মনোবিদ্যাই সুদূৰ ভৱিষ্যতে কি গঢ় লৈ পেলায় তাক এতিয়াই কোৱা টান।......

উপৰঞ্চি

জীৱবিজ্ঞানী ডাৰ্‌উইনৰ অভিব্যক্তিবাদে কাহানিবাই আমাক দেখুৱাইছে যে আদিম জীৱকোষৰ দ্বাৰাই বৰ্ত্তমান যুগৰ বহুকোষী বা বহুঅঙ্গবিশিষ্ট প্ৰাণীৰ জটিল শৰীৰটো নিৰ্ম্মিত হৈছে। জীৱন্ত প্ৰাণীৰ শৰীৰ যেন এখন ক্ষুদ্ৰ বিশ্ব-ব্ৰহ্মাণ্ড (microcosm) আৰু ই অসংখ্য স্বতন্ত্ৰ দেহ বা স্ব স্ব প্ৰধান জীৱকোষৰ দ্বাৰা গঠিত। আদিম যুগৰ এককোষী প্ৰাণীৰ শৰীৰ আৰু আজিৰ যুগৰ জটিল মানৱ শৰীৰৰ একেই উপাদান, যিহক প্ৰটোপ্লাজম্ বুলি কোৱা হয়। কিন্তু ইয়াৰ দ্বাৰা আমি এইটো বুজিব নালাগিব যে আদিম জীৱকোষ আৰু আমাৰ শৰীৰৰ জীৱকোষ দুয়োটাৰে আকৃতি-প্ৰকৃতি হুবহু একে। কাৰণ জৈৱিক ক্ৰমবিকাশৰ লাখ লাখ বছৰ জোৰা সময়খিনি অতিক্ৰম কৰি আহোঁতে জীৱকোষে ভালেমান অভিজ্ঞতা সঞ্চয় কৰাই নহয়, লগতে সি ভালেমান নতুন নতুন কাৰ্য্য-ক্ষমতাও আহৰণ কৰি আহিছে। যেনে আদিম জীৱকোষৰ শৰীৰটোত খাদ্য আহৰণ, শ্বাস গ্ৰহণ, পুনৰোৎপাদন আদি বিভিন্ন কাৰ্য্যক্ষমতা নিহিত থাকে। কিন্তু মানুহৰ দৰে বহুকোষী প্ৰাণীৰ ক্ষেত্ৰত এনেবিলাক কাৰ্য্য সম্পন্ন কৰিবৰ কাৰণে বিভিন্ন জাতীয় জীৱকোষ থাকে।

আচল কথা হৈছে আদিম জীৱকোষ আৰু আজিৰ জীৱকোষৰ আকৃতি-প্ৰকৃতি একে নোহোৱা সত্বেও জীৱনী প্ৰক্ৰিয়াৰ এটা অবিচ্ছিন্ন ধাৰা আদিম যুগৰপৰা বৰ্ত্তমান যুগলৈকে চলি আহিছে। জীৱাঙ্কুৰ স্বৰূপে গৰ্ভত স্থিতি লোৱা দিনৰেপৰা ওপজা কাললৈকে এই সময়ছোৱাত আমি জৈৱিক ক্ৰমবিকাশৰ বিভিন্ন অৱস্থাৰ মাজেৰে অগ্ৰসৰ হৈ আহিহে পূৰ্ণ অৱয়ৱ মানৱ শিশুৰ আকৃতি ধাৰণ কৰোঁ।

এই হিচাপে চাবলৈ গ'লে আমাৰ শৰীৰৰ প্ৰতিটো জীৱকোষ যুগ-যুগান্তৰৰ স্মৃতিৰ বাহক, যি আদিম সংস্কাৰ তথা নিৰ্জ্জান স্মৃতিস্বৰূপে আমাৰ সত্তাত লুকাই আছে আৰু চেতন মনৰ অলক্ষিতে আমাৰ দেহ-মনৰ কাৰ্য্য-কলাপৰ গতি নিৰ্দ্দেশ কৰি আহিছে। ডাৰ্‌উইন্ আৰু তেওঁৰ

অনুগামী বিজ্ঞানী চেমুৱেল বাট্‌লাৰৰ মতে প্ৰতিটো জীৱকোষ স্বপ্ৰধান আৰু স্বতন্ত্ৰ ব্যক্তিত্বৰ অধিকাৰী। বিজ্ঞানী ডাৰ্‌উইনৰ এই অনুমান যদি সত্য হয়, তেতিয়া হ'লে আমি বুজিব লাগিব যে আমি নিজক সদায় একক ব্যক্তি বুলি অনুভৱ কৰি আহিলেও আমাৰ সত্তাত অজস্ৰ ব্যক্তিত্বৰ সমাৱেশ ঘটিছে। জীৱবিজ্ঞানী গ্ৰেহেম ওৱালেচে কয় যে আমাৰ শৰীৰৰ জীৱকোষ-বিলাকৰ স্বাতন্ত্ৰ্য থাকিলেও সিহঁতৰ পৰস্পৰৰ মাজতে বিৰোধিতা নাথাকে, বৰং জীৱকোষবিলাকৰ আচৰণত সহযোগিতাৰ চিনহে দেখিবলৈ পোৱা যায়। তেখেতৰ ভাষাত—

"Thus the body may be regarded as a collection of semi-autonomous unit each of which is endowed with the power of independent activity. The process of bodily evolution is a process by which these units so learn to co-operate with one another that instead of acting like an undisciplined rabble they produce the appearance of a homogeneous unit"

আন এজন বিজ্ঞানী ডঃ হেডেও অনুৰূপ অভিমত প্ৰকাশ কৰিছে। তেখেতে কৈছে—

"In other words, the body is like an army of volunteers working together for a common end ; the more they work together, the more successful the functioning of the body."

জীৱতত্ত্ববিদৰ এই ধাৰণাক মানসিক কাৰ্য্য-কলাপৰ ক্ষেত্ৰলৈ সম্প্ৰসাৰণ কৰিলে আমি দেখা পাওঁ যে আমাৰ মনটোও যেন কিছুমান স্বতন্ত্ৰ কাৰ্য্য-গোটৰ সমষ্টি, যাৰ প্ৰতিটোৱে স্বতন্ত্ৰভাৱে মানসিক ঘটনাৰ সৃষ্টি কৰিব পাৰে। কাৰণ আমাৰ মস্তিষ্কৰ প্ৰতিটো স্নায়ুকোষ যুগ-যুগান্তৰৰ স্মৃতিৰ বাহক, যি স্মৃতিৰ অবৰ্ত্তমানত মানুহে চিন্তা কৰা সম্ভৱ হ'ব নোৱাৰে। কিন্তু চিন্তাই বোলক বা অনুভূতিয়েই বোলক, প্ৰতিটো মানসিক ঘটনাৰ ক্ষেত্ৰতে আমাৰ সমগ্ৰ মনটো একেসময়তে উপস্থিত থাকে।

যুগ-যুগান্তৰৰ মাজেৰে প্ৰৱাহিত হৈ অহা এই যে অখণ্ড জীৱনৰ ধাৰা,

অৰ্থাৎ আজি জীয়াই থকাৰ দৰে পূৰ্ব্বপুৰুষৰ শৰীৰৰ জীৱকোষ হিচাপে হ'লেও অতীজতো আমি যে পৃথিৱীত জীয়াই আছিলোঁ, বিজ্ঞানৰ এই মহান সত্যটিয়েই যেন প্ৰতিধ্বনিত হৈ পৰিছে কবি জীৱনানন্দ দাসৰ তলৰ কবিতা কেইশাৰীত ।*

হাজাৰ বছৰ ধৰে আমি পথ হাঁটিতেছি পৃথিৱীৰ পথে
সিংহল সমুদ্ৰ থেকে নিশিথেৰ অন্ধকাৰে মালয় সাগৰে
অনেক ঘূৰেছি আমি
বিম্বিসাৰ অশোকেৰ ধূসৰ জগতে
সেখানে ছিলাম আমি
আৰো দূৰ অন্ধকাৰে বিদৰ্ভ নগৰে ।
আমি ক্লান্ত এক প্ৰাণ......"

কিন্তু আমাৰ এই অবিচ্ছিন্ন জীৱনপ্ৰৱাহৰ আৰম্ভণি ক'ত সেই প্ৰশ্নৰ উত্তৰ পাবলৈ নাই ।

*　　*　　*　　*

শেহত বিজ্ঞানেও জ্যোতি শৰীৰৰ (Astral body) অস্তিত্বৰ প্ৰমাণ পালে । পিছে বিজ্ঞানে জ্যোতি শৰীৰৰ ভৌতিক ব্যাখ্যা দিবলৈহে চেষ্টা কৰিছে । থিয়চফিষ্ট্‌সকলে কয় যে জ্যোতি শৰীৰটোৱে প্ৰাণ-শৰীৰ বা প্ৰাণময় কোষ আৰু স্থূল শৰীৰৰ প্ৰতিটো অণু-পৰমাণুক ভেদ কৰি থকাৰ ওপৰিও প্ৰাণ-শৰীৰৰপৰা ৬ ইঞ্চি আৰু স্থূল শৰীৰটোৰপৰা ৯ ইঞ্চি দূৰত্বলৈ বিস্তৃত হৈ থাকে ।

থিয়চফিষ্ট্‌সকলে প্ৰাণ-শৰীৰক ইথাৰীয় শৰীৰ (Etheral body) বুলি কয় । কাৰণ চাৰি প্ৰকাৰৰ সূক্ষ্ম ইথাৰ কম্পনৰ দ্বাৰা এই শৰীৰ নিৰ্ম্মিত হয় । এই ইথাৰ বোলে আয়ণস্ফিয়েৰৰ (Ionosphere) ওপৰৰ মহাকাশত থকা ইথাৰতকৈয়ো সূক্ষ্মতৰ । আমাৰ ইথাৰীয় শৰীৰটো স্থূল শৰীৰতকৈ ডাঙৰ আৰু ই স্থূল শৰীৰৰ অণু-পৰমাণুক ভেদ কৰি স্থূল শৰীৰটোৰপৰা তিনি ইঞ্চি দূৰত্বলৈ বিস্তৃত হৈ থাকে । ইথাৰীয় শৰীৰ প্ৰাণশক্তিৰ আধাৰ আৰু ই বোলে সূৰ্য্যৰপৰা শক্তি আহৰণ কৰি

* বনলতা সেন

সেই শক্তিক অন্নময় কোষ বা স্থূল শৰীৰলৈ প্ৰেৰণ কৰে। থিয়চফিষ্ট-সকলে কোৱা মতে এই ইথাৰীয় শৰীৰটো মানুহৰ শৰীৰৰ হুবহু প্ৰতিকৃতি। মানুহৰ মৃত্যুৰ ৩৬ ঘণ্টা পাছলৈকে বোলে ই শূন্যত ভাহি থাকে আৰু কোনো কোনো সময়ত ইয়াকে ছায়ামূৰ্ত্তি হিচাপে মানুহে দেখা পায়। প্ৰকৃতপক্ষে এই ইথাৰীয় শৰীৰটো স্থূল শৰীৰৰ অংশ স্বৰূপ। মৃত্যুৰ পাছত মানুহৰ স্থূল শৰীৰটোৰ উপাদানবিলাক যেনেকৈ পৃথিৱীৰ উপাদানৰ লগত মিলি যায় ঠিক তেনেদৰে মৃত্যুৰ ৩৬ ঘণ্টাৰ পাছত ইথাৰীয় শৰীৰটো ধ্বংস হৈ গ'লে ইথাৰ শৰীৰৰ উপাদানবিলাক মহাশূন্যৰ ইথাৰত বিলীন হৈ যায়।

থিয়চফিষ্ট সকলে আৰু কয় যে মানুহৰ জ্যোতি শৰীৰটো অতি সূক্ষ্ম আৰু জ্যোতিৰ্ম্ময় অণু-পৰমাণুৰ দ্বাৰা গঠিত।* আকৌ স্থূল শৰীৰটোৰ সহায়ত মানুহে যেনেকৈ স্থূল পদাৰ্থ জগতৰ ঘটনা প্ৰত্যক্ষ কৰে, তেনেকৈ জ্যোতি শৰীৰৰ সহায়ত মানুহে সূক্ষ্ম জ্যোতি জগতৰ (Astral world) ঘটনা প্ৰত্যক্ষ কৰে। কিন্তু জাগ্ৰত অৱস্থাত মানুহৰ মনটো একান্তভাৱে স্থূল পদাৰ্থ জগতৰ ঘটনাত নিৱদ্ধ হৈ থকা কাৰণে জ্যোতি জগতৰ খবৰে মানুহৰ মনত প্ৰৱেশ কৰিবলৈ সুবিধা নাপায়। কেৱল স্বপ্নতহে এই জগতৰ ঘটনাই মানুহৰ মনত প্ৰৱেশ লাভ কৰা সম্ভৱ হ'ব পাৰে।

মহাকাশৰ ইথাৰে পদাৰ্থ জগতৰ অণু-পৰমাণুক ভেদ কৰি থকাৰ দৰে জ্যোতি জগতেও ইথাৰীয় জগত আৰু পদাৰ্থ জগতৰ প্ৰতিটো অণু-পৰমাণু ভেদ কৰি থকাৰ ওপৰিও সীমাহীন মহাকাশলৈ বিস্তৃত হৈ থাকে। কাৰণ জ্যোতি জগৎ ইথাৰতকৈ সূক্ষ্মতৰ উপাদানেৰে গঠিত। সেয়ে জ্যোতি শৰীৰ ইথাৰীয় শৰীৰতকৈ ডাঙৰ। আধ্যাত্মিক জীৱনত অনগ্ৰসৰ সৰ্ব্বসাধাৰণ সংসাৰী মানুহৰ জ্যোতি শৰীৰটোৰ বোলে সুস্পষ্ট গঢ় নাথাকে। সেই শৰীৰ ধূসৰ বৰ্ণৰ আৰু কুঁৱলীৰ দৰে অস্পষ্ট। তাত বৰ্ণ-বৈচিত্ৰ্য নাথাকে। কিন্তু যোগ সাধনাৰ বলত মানুহে নিজৰ জ্যোতি শৰীৰটোক সুস্পষ্ট গঢ় দিয়াৰ লগতে তাক স্বচ্ছ আৰু অধিক উজ্জ্বল কৰি তুলিব

* পদাৰ্থতত্ত্ববিদ্‌সকলে কোৱা 'Biological Plasma body' আৰু জ্যোতি শৰীৰৰ মাজত থকা সাদৃশ্যখিনি মন কৰিবলগীয়া।

পাৰে। তেতিয়া সি মানুহজনৰ হুবহু প্ৰতিকৃতিৰ নিচিনা হৈ পৰে। তেতিয়া জ্যোতি শৰীৰত বিচিত্ৰ বৰ্ণৰ সমাৱেশ ঘটা দেখিবলৈ পোৱা যায়। বৌদ্ধিক ক্ষেত্ৰত অগ্ৰসৰ হোৱা মানুহৰ জ্যোতি শৰীৰ বোলে সাধাৰণ মানুহৰ জ্যোতি শৰীৰতকৈ অধিক সংগঠিত।

জ্যোতি শৰীৰ চেতনাৰ আধাৰ। কিন্তু জীৱন কালত ই স্থূল শৰীৰৰ দ্বাৰা আবৃত হৈ থকা কাৰণে বাধাহীনভাৱে কাম কৰিব নোৱাৰে। মৃত্যুৰ পাছত স্থূল শৰীৰৰ বন্ধনমুক্ত হৈ পৰা হেতুকে জ্যোতি শৰীৰ অধিক সংবেদনশীল হৈ পৰে। তেতিয়া পৃথিৱীত এৰি থৈ যোৱা পুত্ৰ-কন্যা আৰু আত্মীয়-স্বজনৰ দুখ-বেজাৰে জ্যোতি শৰীৰত তীব্ৰ আলোড়নৰ সৃষ্টি কৰিব পাৰে। থিয়চফিষ্ট সকলে আৰু কয় যে মন্ত্ৰই জ্যোতি শৰীৰত সহানুভূতি-সূচক কম্পনৰ (sympathetic vibration) সৃষ্টি কৰি সুফল প্ৰদান কৰে।

আকৌ মানুহৰ মানসিক অৱস্থা অনুসৰি জ্যোতি শৰীৰৰ ৰবণ আৰু উজ্জ্বলতাৰ তাৰতম্য ঘটি থাকে। মানুহৰ মনত ক্ৰোধ বা প্ৰবল ঈৰ্ষাৰ ভাব জাগি উঠিলে মানুহৰ জ্যোতি শৰীৰটোৱে লোহিত বৰ্ণ ধাৰণ কৰে। মনত ভক্তি ভাব উদয় হ'লে জ্যোতি শৰীৰৰ ৰবণ নীলা আৰু মনত অনুৰাগৰ সৃষ্টি হ'লে জ্যোতি শৰীৰৰ ৰবণ বেঙুনীয়া হৈ পৰে। টোপনি অৱস্থাত কিম্বা চেতনা অপহাৰক ঔষধ প্ৰয়োগৰ ফলত মানুহৰ জ্যোতি শৰীৰ স্থূল শৰীৰৰপৰা বিচ্ছিন্ন হৈ পৰা কাৰণেই সাম্প্ৰতিকভাৱে মানুহৰ চেতনাৰ বিলুপ্তি ঘটে। টোপনি অৱস্থাত মানুহৰ জ্যোতি শৰীৰটো স্থূল শৰীৰৰ কাষতে থাকে। কিন্তু মানুহৰ মস্তিষ্কৰ লগত তাৰ সংযোগ-সূত্ৰ সাম্প্ৰতিকভাৱে বিচ্ছিন্ন হৈ থকা কাৰণে জ্যোতিলোকত প্ৰত্যক্ষ কৰা ঘটনাৰ কথা মানুহে সাৰ পাই স্মৰণ কৰিব নোৱাৰে। জ্যোতি শৰীৰৰ গতিবেগ ভাব-চিন্তাৰ গতিবেগৰ সমান, কিম্বা তাতোকৈ ক্ষিপ্ৰতৰ। সেয়েহে যোগসিদ্ধ পুৰুষসকলে সূক্ষ্ম জ্যোতি শৰীৰক অৱলম্বন কৰি মনত ইচ্ছা জাগি উঠা মুহূৰ্ত্ততে পৃথিৱীৰ যি কোনো ঠাইত উপস্থিত হ'বগে পাৰে। আনকি গ্ৰহান্তৰলৈকো গতি কৰিব পাৰে। ইয়াৰপৰা অনুমান হয় যে টেলিপেথী, দিব্য দৰ্শন, দিব্য শ্ৰৱণ আৰু ভৱিষ্যদ্বাণীসূচক স্বপ্নৰ

দৰে পৰামনস্তাত্ত্বিক ঘটনাবিলাক জ্যোতি শৰীৰৰ মাধ্যমেৰে সংঘটিত হয়। কাৰণ এই শ্ৰেণীৰ ঘটনাবিলাকে স্থান-কালৰ সীমা অতিক্ৰম কৰি যায়।

জ্যোতি শৰীৰক কামশৰীৰ (Desire body) আৰু জ্যোতিলোকক কামলোক বুলি অভিহিত কৰা হয়। কাৰণ এই লোকত মানুহে নিজৰ মনত পুহি ৰখা কামনা-বাসনা চৰিতাৰ্থ কৰিব পাৰে। জ্যোতিলোকৰ বোলে সাতোটা স্তৰ থাকে। ওপৰৰ তিনিটা স্তৰ অতি সূক্ষ্ম জ্যোতির্ম্ময় পৰমাণুৰ দ্বাৰা গঠিত আৰু তাক স্বৰ্গলোক বুলি অভিহিত কৰা হয়। তলৰ চাৰিটা স্তৰ তাতোকৈ কম সূক্ষ্ম ইথাৰ কম্পনৰ দ্বাৰা নিৰ্ম্মিত আৰু তাক নৰক বুলি কোৱা হয়। থিয়চফিষ্ট সকলে কয় যে স্বৰ্গ আৰু নৰক কোনো সীমাৰ দ্বাৰা পৰিৱেষ্টিত স্থান নহয়। ই মানুহৰ মনৰে বিভিন্ন অৱস্থা মাথোন। আকৌ জ্যোতি জগতৰ সিফালেও মনোলোক, বুধিলোক, আত্মিকলোক আদি নানা সূক্ষ্মতৰ জ্যোতির্ম্ময় লোক আছে। আধ্যাত্মিক বিকাশৰ স্তৰ বা পৰ্য্যায় অনুসৰি মানুহৰ মনে বিভিন্ন লোকত বাস কৰাৰ যোগ্যতা অৰ্জ্জন কৰে। কিন্তু মানুহ বিদগ্ধ পণ্ডিত হ'লেই আধ্যাত্মিক দিশতো আগবঢ়া বুলি ক'ব নোৱাৰি। জ্যোতিলোকত বোলে বহুতো বিদ্বান লোক, যেনে—চিকিৎসাবিজ্ঞানী, অৰ্থনীতিবিদ্ আৰু ৰাজনীতিবিদে বাস কৰে, যি পাৰ্থিৱ জ্ঞান আৰু পাৰ্থিৱ বিষয়ৰ চিন্তা-চৰ্চ্চাত লাগি থকা কাৰণে আধ্যাত্মলোকৰ উচ্চ স্তৰলৈ গতি কৰিব পৰা নাই।

মনস্তত্ত্বৰ আলোচনা কৰিবলৈ গৈ থিয়চফীৰ অৱতাৰণা কৰা দেখি আচৰিত হোৱাৰ কাৰণ নাই। মনস্তত্ত্ব বিশুদ্ধ বিজ্ঞান নহয়। ই বিজ্ঞান অভিমুখী যাত্ৰা মাথোন। গতিকে আধ্যাত্ম বিদ্যা কিম্বা থিয়চফী যদি বিজ্ঞানৰ যাত্ৰাপথত সহায়ক হয়, তেনেহ'লে সেই সাহায্য গ্ৰহণ কৰাত আপত্তি কিহৰ ?

গ্রন্থপঞ্জী

(১) আত্মজ্ঞান ......স্বামী অভেদানন্দ
(২) Life Beyond Death......Swami Abhedananda
(৩) An autobiography of a Yogi.. ...Swami Yogananda Paramhansa
(৪) Psychodynamics, the science of Unconscious Mental forces..... Gerald S. Blum.
(৫) New Horizon of Psychology......Brian M Foss
(৬) New Dimensions of Deep Analysis......Dr. J. Envenwald
(৭) Group Psychology and the Analysis of the Ego......Dr. S. Freud
(৮) The Ego and the Id......Dr. S. Freud
(৯) Introductory Lectures on psycho-analysis......Dr. S. Freud
(১০) Contributions to Analytical Psychology......Dr. C. G. Jung
(১১) Psychology of the Unconscious......Dr. C. G. Jung.
(১২) Strange frontiers of Mind.. ...George V. Hardinge
(১৩) Guide to philosophy......C. E. M. Joad
(১৪) Super Nature......Lyall Watson
(১৫) Tibetan Mysticism......Lama Anagorik Govinda.
(১৬) Living zen......Robert Linssen
(১৭) Contemporary Schools of Psychology......R. S. Woodworth
(১৮) Krishamurti and the Experience of the Silent Mind......A. D. Dhopeshwarker.
(১৯) Krishamurti and the texture of Reality......A. D. Dhopeshwarker.
(২০) Varieties of Religious Experience......Dr. William James.

চিনাকি

আমাৰ প্ৰকাশিত আৰু পৰিৱেশিত সাহিত্য-সম্ভাৰ :

ডাঃ হৰনাথ শৰ্ম্মা বৰদলৈ :

॥ মন আকাশৰ অচিন দিগন্ত ॥
॥ যৌনজীৱন ॥
॥ সমাজ সমীক্ষা :
অপৰাধ আৰু অনাচাৰ ॥

পদ্ম বৰকটকী :

॥ কাপুৰুষ মহাপুৰুষ ॥
॥ মৰমৰ চিন ॥
॥ স্বপ্ন সত্য বাস্তৱ ॥
॥ নতুন দিনৰ কইনা ॥
॥ বিয়াৰ প্ৰথম নিশা ॥
॥ জীৱন অৰণী ॥
॥ পুতলাৰ নমস্কাৰ ॥
॥ নজলা ধূপৰ ইতিকথা ॥
॥ ৰীতাৰ প্ৰেম ॥

লুম্যেৰ দাই :

॥ পৃথিৱীৰ হাঁহি ॥
॥ কইনাৰ মূল্য ॥

উপেন বৰঠাকুৰ :

॥ মোৰ নাম বৰ্ণালী ॥

ডিম্বেশ্বৰ বৰা :

॥ কলঙৰ পাৰে পাৰে ॥

হোমেন বৰগোহাঞি :

॥ বিশ্বাস আৰু সংশয় ॥
॥ তান্ত্ৰিক ॥

আব্দুল মালিক :

॥ স্বপ্নভঙ্গ ॥
॥ পোৰা গাঁৱত পহিলা ব'হাগ ॥
॥ বহুত বেদনা এটোপা চকুলো ॥
॥ ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ ॥
॥ অমৰ-মায়া ॥
॥ বিহু মেটেকাৰ ফুল ॥
॥ মৰহা-পাপৰি ॥
॥ প্ৰাচীৰ আৰু প্ৰান্তৰ ॥
॥ ৰজনীগন্ধাৰ চকুলো ॥
॥ সোণালী সূতাৰে বন্ধা ॥
॥ এটা সূৰ্য্য দুখন নদী
আৰু এখন মৰুভূমি ॥
॥ ৰূপতীৰ্থৰ যাত্ৰী ॥
॥ জীয়া-জুৰিৰ ঘাট ॥
॥ শিল আৰু শিখা ॥

ৰমা বেজবৰুৱা :

॥ নাৰীৰ মন ॥

নিৰোদ চৌধুৰী :

॥ দেৱী ॥
॥ দেহ-দেউল ॥
॥ নিশিগন্ধা ॥

সত্যেন বৰকটকী :

॥ এচেপ্তিং কুমজেলেকুৱা ॥

লক্ষীনন্দন বৰা :

॥ মাজত তৃষাৰে নৈ ॥
॥ অচিন কইনা ॥

মহেন্দ্ৰ বৰঠাকুৰ :

॥ উদাসী সন্ধ্যা ॥

বিঃ দ্ৰঃ—অগ্ৰিম নপঠালে ভি. পি. ডাকযোগে কিতাপ পঠোৱা নহয়।

॥ মিত্ৰ এজেন্সি এণ্ড কোং ॥ তিনিচুকীয়া ॥ অসম ॥